জোনাকী পুথি-টঙা (২১)

PLEASE HANDLE THE BOOK CAREFULLY.

# উছৱৰ ৰংচ'ৰা

বা

# আমাৰ দেশৰ উছৱ

সংকলন আৰু সম্পাদনা

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

তপোবন, গুৱাহাটী

GOVERNMENT OF ASSAM
770
Cal. No. H-11
GAUHATI
DISTRICT LIBRARY

চপলা বুক ষ্টল

পুস্তক প্ৰকাশক আৰু প্ৰচাৰ প্ৰতিষ্ঠান

শিলং : : অসম

Uchabar Rongchora—A children book in Assamese containing accounts of different festivals of Assam complited and edited by Prof. Atulchandra Hazarika M.A. B. L. B. T. Tapoban, Gauhati and published by Shri Bibhu-Bhusan Chaudhuri, Shillong.

প্ৰকাশক

শ্ৰীবিভূভূষণ চৌধুৰী

অসমীয়া সাহিত্য-মন্দিৰ

পোষ্ট বক্স নং ১—শ্বিলং

পৰিবেশক

চপলা বুক ষ্টল

শ্বিলং-অসম

ছপা কৰিছে

শ্ৰীনাৰায়ণচন্দ্ৰ বছাক

জয়শ্ৰী প্ৰেছ

৯১।১ বি, বৈঠকখানা ৰ'ড,

কলিকতা-৯

চিত্ৰশিল্পী

শ্ৰীপুলক গগৈ

গুৱাহাটী

১ম তাঙৰণ

২৬ জানুৱাৰী, ১৯৬৩ চন

মূল্য—৫'০০ পাঁচ টকা

# নিবেদন

ৰবাচলতে 'উছৱৰ বংচ'ৰা' ইতিপূৰ্ব্বে ছপা হৈ ওলোৱা আমাৰ 'উছৱৰ ভোগজৰা'ৰ দ্বিতীয় ভাগহে। এটা টকাৰ ইলুটি আৰু সিলুটিৰ দৰে এখনক আনখনৰ পৰিপূৰক বুলি কলেও ভুল কৰা নহব। 'উছৱৰ ভোগজৰা'ৰ নিবেদনত ইয়াৰ উদ্দেশ্য বিৱৰি কোৱা হৈছিল। এতিয়া আমি সেইবোৰ কথাকে ইয়াত আকৌ দোহাৰিব খোজা নাই। এই পুথি কেতিয়াবাই প্ৰকাশ হৈ ওলাব লাগিছিল যদিও নানা কাৰণত পুথিখনে পোহৰৰ মুখ দেখা পোৱাত অথথা পলম হ'ল। এতিয়া জানিবা ছিলঙৰ চপলা বুক ষ্টলৰ গৰাকী বন্ধুবৰ শ্ৰীযুত বিভূভূষণ চৌধুৰীদেৱে প্ৰকাশৰ দায়িত্ব লৈ এটা চিন্তাৰ পৰা অব্যাহতি দি আমাক কৃতজ্ঞতাৰ ডোলেৰে বান্ধিলে। যিসকল সহৃদয় সাহিত্যসেৱী লোকে আমাৰ বিশেষ অনুৰোধত এই পুথিৰ সৰহ ভাগ প্ৰবন্ধ যুগুত কৰি দিছিল তেওঁলোকৰ কেবাজনেও চাগৈ ই আৰু ছপা হৈ ওলোৱাৰ আশা নাই বুলিয়েই ধৰি লৈছিল আৰু সেই বাবে ইতিমধ্যে কোনো কোনো প্ৰবন্ধ আন কাকতো প্ৰকাশ হৈ ওলাইছে। উদ্দেশ্যৰ লগত খাপ খোৱা কেইটামান প্ৰবন্ধ 'অসমবাণী' 'ৰামধেনু' 'নতুন অসমীয়া' 'জনশিক্ষা' আদি কাকতৰ পিঠিৰ পৰা পোনপটীয়াভাবে বুটলি লোৱা হৈছে। লিখকসকল আৰু আলোচনী কেইখনৰ প্ৰতি যে আমি অশেষ কৃতজ্ঞ সেই কথা মুক্তকণ্ঠে স্বীকাৰ কৰিছোঁ। আমাৰ দেশৰ বিভিন্ন অঞ্চলত প্ৰচলিত সকলোবোৰ এনে উছৱক আমি ইয়াত সামৰি লব পাৰিছোঁ বুলি যেন কোনেও ধৰি নলয়। বিশেষ আগ্ৰহ থকা স্বত্বেও কোনো কোনো ঠাইৰ উছৱৰ বিৱৰণ সংগ্ৰহ কৰিব নোৱাৰি আমি দুঃখিত। পিছৰ সংস্কৰণত পৰাখিনি অন্তৰ্ভুক্ত কৰিবলৈ ক্ষীণ আশা এটি মনত পুহি ৰখা হল মাথোন।

'উছৱৰ ভোগজৰা'ৰ নিবেদনত যিসকলৰ সহায়-সহযোগৰ কথা উল্লেখ কৰা হৈছিল সেইসকলৰ উপৰিও এই ছোৱা সংকলনত শ্ৰীহৰিনাথ শৰ্ম্মা বি-এ আৰু অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মাক নানা তৰহৰ সহায় আগবঢ়োৱাৰ বাবে পলাগ লৈছোঁ। প্ৰবন্ধ লিখকসকল আৰু আন সদৌটিকে আমি দুনাই হিয়াভৰা ধন্যবাদ জনালো।

তপোবন, গুৱাহাটী
২৬।১।৬৩

ইতি
শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ

# উছৱৰ ভোগজৰা

'উছৱৰ ভোগজৰা' কিতাপখন বৰ মনোযোগেৰে পঢ়িলোঁ। আৰু পঢ়ি বৰ আনন্দ পালোঁ। যি উছৱৰ কাৰণে সদায় স্কুল-কলেজ অফিচ আদিও ছুটী দিয়া হয়, সেই উছৱৰ তথ্য আৰু তত্ত্ব অনেকেই নেজানে অথচ জনাটো নিতান্ত প্ৰয়োজন। এনে ধৰণৰ তথ্য আৰু তত্ত্ব সম্বলিত এই কিতাপখন বৰ সময়োপযোগী হৈছে আৰু ইয়াৰ দ্বাৰা সমাজৰ এটা ডাঙৰ অভাৱ দূৰ কৰা হৈছে। ছপা, চিত্ৰ আৰু বাকলিপিঠি বৰ ধুনীয়া আৰু ৰমক-জমক হৈছে। কিতাপখন মূঠৰ ওপৰত বৰ সময়োপযোগী আৰু লাগতিয়াল হৈছে। আপোনাক অভিনন্দন জনাও।

নংথমাই, ছিলং
২৬।১।৬৩

(স্বা) শ্ৰীৰাজমোহন নাথ

# অৰ্পণ

অসম সাহিত্য-সভাৰ

সুযোগ্য প্ৰধান সম্পাদক

**ডক্টৰ শ্ৰীমহেশ্বৰ নেওগদেৱলৈ**

প্ৰিয় নেওগ,

আজৰি উলিয়াই পুথিখনিত এবাৰ চকু ফুৰাই চাব ভাল পালে গ্ৰহণ কৰিব। এয়ে অনুৰোধ।

অপোবন, গুৱাহাটী
২৬।১।৬৩

আপোনাৰ
শ্ৰীঅতুল হাজৰিকা

# উপহার

..............................................................

..............................................................

..............................................................

.........................                    .........................



# উছৰৰ ৰংচ'ৰা

DISTRICT LIBRARY.
ASSAM.
GAUHATI.

# সূচীপত্ৰ


| | প্ৰবন্ধৰ নাম | লিখকৰ নাম | পৃষ্ঠা |
|---|---|---|---|
| ১। | পোহৰ আগষ্ট ... | শ্ৰীঅমিয়কুমাৰ দাস বি-এ ... | ১ |
| ২। | গণতন্ত্ৰ দিবস বা ছাব্বিছ জানুৱাৰী | (১) শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা বি-এল ... | ৬ |
| | ... | (২) শ্ৰীবিষ্ণুৰাম মেধি এম-এছ্-চি, বি-এল | ৭ |
| ৩। | ৰঙালী বিহু ... | অধ্যাপক শ্ৰীমহিমচন্দ্ৰ বৰা এম-এ | ১০ |
| ৪। | কঙালী বিহু ... | (১) শ্ৰীমতী সাবিত্ৰী হাজৰিকা | ১০ |
| | | (২) শ্ৰীলীলা গগৈ বি-এ ... | ১৮ |
| ৫। | ভোগালী বিহু ... | (১) অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা | ২০ |
| | | (২) অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্ম্মা এম-এ | ২৪ |
| ৬। | বড়ো কছাৰীসকলৰ বিহু | (১) শ্ৰীৰূপনাথ ব্ৰহ্ম বি-এল ... | ২৬ |
| | | (২) শ্ৰীভবেন্দ্ৰ নাৰ্জী ... | ৩০ |
| ৭। | মিৰিসকলৰ বিহু ... | শ্ৰীতৰুণচন্দ্ৰ পামে গাম ... | ৩২ |
| ৮। | লালুংসকলৰ বিহু ... | শ্ৰীবলাইৰাম সেনাপতি ... | ৪৩ |
| ৯। | আবৰসকলৰ বিহু ... | শ্ৰীটাগাং টাকি ... | ৪৯ |
| ১০। | ভঠেলি ... | অধ্যাপক শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ | ৫৫ |
| ১১। | থাঁঠ ... | (১) শ্ৰীগুণেশ্বৰ শৰ্ম্মা ... | ৫৯ |
| | | (২) অধ্যাপক শ্ৰীমুকুন্দ শৰ্ম্মা এম-এ | ৬৫ |
| ১২। | আমতী ... | শ্ৰীহৰিনাথ শৰ্ম্মা বি-এ ... | ৭৩ |
| ১৩। | পঁচতি ... | (১) অধ্যাপক শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ | ৭৭ |
| | ... | (২) ডঃ শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য এম-এ | ৮২ |
| ১৪। | মহহো ... | অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা এম-এ | ৮৬ |
| ১৫। | দক্ষিণপাট আৰু মণিপুৰৰ ৰাস | (১) শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ | ৯০ |
| | | (২) 'নতুন অসমীয়া' ... | ৯৭ |
| ১৬। | বৰপেটাৰ কীৰ্ত্তন আৰু দেউল | (১) শ্ৰীমুৰাৰিচৰণ দাস এম-এ ... | ১০০ |
| | | (২) শ্ৰীত্ৰিদিব পাঠক ... | ১০৮ |
| ১৭। | সুন্দৰীদিয়া সত্ৰৰ ফুটি উৎসৱ | শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস ... | ১১৩ |
| ১৮। | জামুগুৰি বাবচহৰৰ ভাওনা | শ্ৰীগজেন বৰুৱা ... | ১১৭ |

১৯। শিঙৰি আৰু শিৱসাগৰৰ শিৱৰাত্ৰি মেলা
(১) শ্ৰীযোগেন্দ্ৰনাথ বৰকাকতী ১২০
(২) অধ্যাপক. শ্ৰীপৰাগধৰ চলিহা এম-এ ১২৪
২০। শিলঘাট আৰু গুৱালকুছিৰ অশোকাষ্টমী মেলা
(১) শ্ৰীবাপাৰাম হাজৰিকা ... ১৩১
(২) শ্ৰীহৰিনাথ শৰ্ম্মা বি-এ ... ১৩৭
২১। কামাখ্যাৰ অম্বুবাচী মেলা শ্ৰীৰমেশচন্দ্ৰ বৰকাকতী ... ১৪২
২২। দেৱধ্বনি ... শ্ৰীউমেশচন্দ্ৰ শৰ্ম্মা বি-এ ... ১৫১
২৩। সূৰ্য্যপাহাৰৰ মাঘীপূৰ্ণিমা মেলা শ্ৰীশ্যামাচৰণ নাথ ... ১৬০
২৪। নন্দেশ্বৰ আৰু বাগ্ৰেশ্বৰীৰ মেলা শ্ৰীযোগেন্দ্ৰনাথ সৰকাৰ ... ১৬৫
২৫। দৰঙা মেলা ... শ্ৰীধৰণীধৰ চৌধুৰী বি-এছ-ছি ১৭০
২৬। সৰ্থেবাৰী আৰু কহৰাৰ সভা (১) শ্ৰীপ্ৰমোদচন্দ্ৰ পাটোৱাৰী ... ১৭৫
(২) শ্ৰীশশী শৰ্ম্মা ... ১৮৩
২৭। গুৱাহাটীৰ বিহুতলী ... অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ... ১৮৬
২৮। জয়মতী উৎসৱ ... অধ্যক্ষ শ্ৰীপদ্মধৰ চলিহা এম-এ, বি-এল ১৯৫
২৯। চৰাইদেও মৈদামৰ তৰ্পণ শ্ৰীলীলা গগৈ বি-এ ... ১৯৯
৩০। বৌদ্ধপ্ৰবাৰণা আহিনী-পূৰ্ণিমা (১) শ্ৰীনন্দবংশ ভিক্ষু ... ২০২
(২) শ্ৰীহেমেন্দ্ৰ বৰা ... ২০৫
৩১। পুতলা বিয়া ... অধ্যাপক শ্ৰীমুকুন্দ শৰ্ম্মা এম-এ ... ২১০
৩২। চৌপূজা ... শ্ৰীৰাজেন্দ্ৰনাথ চক্ৰৱৰ্ত্তী ... ২১৪
৩৩। বাথৌ বা খেৰাই পূজা ... শ্ৰীৰূপনাথ ব্ৰহ্ম বি-এল ... ২১৮
৩৪। খাছি উছৱ—নংক্ৰেম ... অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা এম-এ ২২৫
৩৫। জয়ন্তীয়া উছৱ—বে-দেইন খলাম্
অধ্যাপিকা শ্ৰীভুৱনেশ্বৰী বৈশ্য এম-এ ২৩১
৩৬। গাৰো উছৱ—ৱাংগালা... শ্ৰীপৰেশমল্ল বৰুৱা বি-এ .. ২৩৫
৩৭। মিজো উছৱ—পলকুট ... শ্ৰীচিত্ৰ মহন্ত ... ২৪৫
৩৮। ৰাভা-উছৱ—বাইখো বা খুকচি পূজা শ্ৰীৰাজেন্দ্ৰ পাম .. ২৫০
৩৯। মিকিৰ উছৱ—ছমাংকান হেটটি লাংলেহ ... ২৫৩
৪০। আবৰ উছৱ—মকং ... শ্ৰীকাটন বৰাং ... ২৫৬
৪১। মিছিং উছৱ—দ'বুৰ ... শ্ৰীবিনোদচন্দ্ৰ দলে ... ২৫৯

# আমাৰ দেশৰ উছৱ

## পোন্ধৰ আগষ্ট

১৯২১ চনৰ পৰা আজিলৈকে কংগ্ৰেছে স্বাধীনতা পাবলৈ যি আন্দোলন চলাই আহিছিল সেই আন্দোলন সাফল্যমণ্ডিত হৈছে। আজি পোন্ধৰ আগষ্ট তাৰিখ। আমি এটা নতুন যুগৰ দুৱাৰডলিত থিয় দিয়াত স্বাভাৱিকতে আমাৰ মনলৈ বহুতো পুৰণি কথা আহিছে। কেনেকৈ অসম প্ৰদেশে ভাৰতৰ ৰাজনৈতিক জীৱনত এটা সক্ৰিয় অংশ লৈ এই যুঁজত বৰঙণি দিলে, কেনেকৈ যিসকল লগৰীয়াৰ লগত একেলগে আমি অত দিন এই যুঁজখন চলাই আহিলোঁ, আৰু কেনেকৈ যিসকল লগৰীয়াই এই যুঁজত লাগি থাকি মৃত্যুক বৰণ কৰি ললে সেই সকলোবোৰ কথা আজি আমাৰ মনলৈ আহিছে। সেইসকল সহকৰ্মীৰ পবিত্ৰ আত্মাৰ উদ্দেশ্যে আজি শ্ৰদ্ধাঞ্জলি জনাও।

আজি আমি নতুনকৈ এটা সংগঠনৰ যুগৰ দুৱাৰডলিত থিয় দিছোঁ। এতিয়া আমি আমাৰ ভাৰতভূমি ৰাষ্ট্ৰখন গঢ়ি তুলিব লাগিব। আজিহে আমাৰ ওপৰত এটা ডাঙৰ দায়িত্ব আহি পৰিছে। এই সময়ত যদি আমি ভালকৈ এই দায়িত্ব পালন কৰিব নোৱাৰোঁ তেন্তে আমি অত দিনে যি ত্যাগ স্বীকাৰ কৰিছিলোঁ, অত দিনে যি কাৰণে আমাৰ বহুতো সহকৰ্মীয়ে প্ৰাণ আহুতি দিলে, সকলো অথলে যাব। মোৰ বিশ্বাস এই

সংগঠনত আমি আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য ভালকৈ বুজি এইখিনি সুকলমে কৰিবলৈ যত্ন কৰিমহঁক।

আমাৰ সমুখত বহুতো বাধা আৰু বিঘিনি আছে নিশ্চয়। যি প্ৰতিক্ৰিয়াশীল শক্তিবিলাকৰ লগত আমি অত দিন যুঁজ দি আহিছিলো সেই শক্তিবিলাকৰ ঘাই খুটি বুটিছ সাম্ৰাজ্যবাদক আমি আঁতৰাবলৈ সমৰ্থ হলেও এই ডাঙৰ প্ৰতিক্ৰিয়াশীল শক্তিটোক আশ্ৰয় কৰি আমাৰ দেশত যিবিলাক তেনে বিধৰ ভিতৰুৱা শক্তি ঠন ধৰি উঠিছিল সেইবিলাক আমাৰ দেশৰ পৰা আঁতৰি যোৱা নাই। আমি সাৱধান নহলে এই ভিতৰুৱা প্ৰতিক্ৰিয়াশীল শক্তিবিলাকে আমাৰ উদ্দেশ্য সিদ্ধিত যথেষ্ট বিঘিনি জন্মাব। সেই কাৰণে আজি আমাৰ সংগঠন আৰু শক্তিশালী কৰিবৰ প্ৰয়োজন হৈছে। আজি আমাৰ ৰাইজ সজাগ হবৰ আৰু বেছি প্ৰয়োজন হৈছে।

বিদেশী সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুঁজ কৰিবলৈ ভাৰতত কংগ্ৰেছ অনুষ্ঠানটো গঢ়ি উঠিল আৰু গান্ধীজীৰ দৰে এজন মহাপুৰুষে এই সংগঠনক এটা নতুন ৰূপ দি ভাৰতৰ কোটী কোটী নৰ-নাৰীৰ অন্তৰত এক নতুন প্ৰেৰণা দি এই অনুষ্ঠানটোক এটা শক্তিশালী অনুষ্ঠানত পৰিণত কৰিলে। গান্ধীজী এই অনুষ্ঠানত সোমোৱাৰ আগতে এই অনুষ্ঠানটো আছিল এমুঠি শিক্ষিত শ্ৰেণীৰ বছেৰেকীয়া মিলনৰ ঠাই। তেওঁলোকে বছেৰেকৰ মূৰত একেলগ হৈ ভাৰতীয় ৰাইজৰ দুখৰ কথাবিলাক আলোচনা কৰিছিল। এই দুখ গুচাবলৈ তেওঁলোকে একো উপায় নেপাই বৃটিছ ৰাজশক্তিৰ ওচৰত আবেদন-নিবেদন জনাই তেওঁলোকৰ কৰ্ত্তব্য শেষ কৰিছিল। ভাৰতবৰ্ষৰ কোটী কোটী নৰ-নাৰীয়ে তেওঁলোকৰ এই বন্ধুসকলৰ কথা বিশেষ একো নেজানিছিল। গাঁৱে গাঁৱে থকা ভাৰতবৰ্ষৰ এই অগণিত খেতিয়কসকলে তেওঁলোকৰ দুখ-দুৰ্দ্দশা ভগৱানৰ বিধান বুলি ভাবি লৈ ইয়াৰ প্ৰতিকাৰৰ বিৰুদ্ধে থিয় দিবলৈ যত্ন কৰা নাছিল। এনেতে আহিল দক্ষিণ আফ্ৰিকাৰ পৰা গান্ধীজী। তেওঁ আহি ভাৰতবৰ্ষৰ আৰু ভাৰতীয় ৰাইজৰ দুখৰ কথাবিলাক

বুজিবলৈ যত্ন কৰি, এই কংগ্ৰেছৰ অনুষ্ঠানটোক সৰ্ব্বসাধাৰণ গাঁৱলীয়া ৰাইজৰ অনুষ্ঠানত পৰিণত কৰিলে। সেই সময়ত ভাৰতৰ ৰাজনৈতিক জীৱনত এটাৰ পিছত এটাকৈ যিবিলাক ঘটনা ঘটিবলৈ ধৰিলে আৰু যাৰ ফলত অহিংস অসহযোগৰ সূচনা হ'ল সেইবিলাকৰ আলোচনা ইয়াত কৰিবলৈ ঠাই নাই।

১৯২১ চনৰ আগতে বৃটিছ শাসকসকলে অসমীয়া ৰাইজক নিমাখিত নিৰীহ প্ৰজা বুলি ধৰিছিল, তেওঁলোকক সাধাৰণতে এলেহুৱা কানীয়া বুলি ভাবিছিল, কিন্তু ১৯২১ চনত পোনতে তেওঁলোকে উপলব্ধি কৰিলে যে অসমীয়া খেতিয়ক, অসমীয়া ৰাইজে আগৰ দৰে 'হয় হজুৰ' বুলি সকলো কথা মানি লবলৈ সাজু নহয়। অসমীয়া ৰাইজৰ সংগঠিত শক্তিয়ে বৃটিছ শাসন প্ৰায় অচল কৰিছিল বুলি কলেও মিছা কোৱা নহয়।

অৱশ্যে ১৯২১ চনৰ আগতো অসমীয়া খেতিয়ক ৰাইজে সংগঠন নোহোৱাকৈও বৃটিছ ৰাজশক্তিৰ বিৰুদ্ধে যে থিয় দিয়া নাছিল সেইটো নহয়। ১৮৯৩ চনত ছেটেলমেণ্টৰ খাজনা বৃদ্ধিৰ বিপক্ষে ভালমতে সংগঠন নোহোৱাকৈও খাজনা বন্ধ কৰিবলৈ খেতিয়কসকলে সঙ্কল্প কৰিছিল আৰু এই বাবে দৰং আৰু কামৰূপত গাঁৱলীয়া খেতিয়কে বন্দুকৰ গুলীতো প্ৰাণ দিবলগীয়া হৈছিল। খেতিয়ক শ্ৰেণীৰ ভিতৰত মাটিৰ খাজনা বঢ়োৱাত শাসক শ্ৰেণীলৈ যি প্ৰতিৰোধৰ ভাব হৈছিল এই প্ৰতিৰোধৰ ফলত ঠায়ে ঠায়ে সংঘৰ্ষ হলেও শিক্ষিত শ্ৰেণীৰ মাজত বিপৰীত মনোভাব থকাত খেতিয়ক শ্ৰেণীৰ মাজত সংগঠন হব নোৱাৰিলে। শিক্ষিত শ্ৰেণীয়ে ভাবিছিল বৃটিছ শাসন অসমৰ বাবে কল্যাণজনক। তেওঁলোকে বৃটিছ শাসক শ্ৰেণীৰ লগত সহযোগ কৰি তেওঁলোকৰ তলতীয়া ঠাই লব পৰাটোকেই সৌভাগ্যৰ কথা বুলি ভাবিছিল। সেই বাবে দৰং আৰু কামৰূপত খেতিয়ক শ্ৰেণীৰ মাজত ছেটেলমেণ্টত খাজনা বঢ়োৱা লৈ যি আপত্তি আৰু অসন্তোষ হৈছিল, সেই আপত্তি আৰু অসন্তোষে এটা সক্ৰিয় অনুষ্ঠান গঢ়ি তুলিব নোৱাৰিলে। অৱশ্যে ঠায়ে ঠায়ে ৰায়ত সভাবিলাক সংগঠিত হ'ল আৰু এইবিলাক ৰায়ত সভাই আবেদন-নিবেদনৰ নীতি

মানি লৈ ৰজাঘৰত কেৱলমাত্র আপত্তি জনায়েই ক্ষান্ত থাকিল। অৱশ্যে এইবিলাক স্থানীয় অনুষ্ঠান হোৱাৰ ফলত পিছত অসম এছোছিয়েশ্যনৰ জন্ম হ'ল। এই অনুষ্ঠানটোৱেও আবেদন-নিবেদনৰ নীতি মানি বছেৰেকৰ মূৰত অসমীয়া শিক্ষিত লোকসকলৰ কেৱল মাত্র মিলনৰ ঠাই হ'ল। বছেৰেকীয়া সম্মিলনবিলাকত অসমীয়া শিক্ষিত লোকসকলে গোট খাই অসমীয়া ৰাইজৰ দুখ-দুৰ্দ্দশাৰ কথা আলোচনা কৰি ৰজাঘৰত কিছুমান আবেদন জনাই নিজৰ কৰ্ত্তব্য শেষ কৰিছিল। লাহে লাহে ভাৰতীয় ৰাজনৈতিক ঘটনাৱলীয়ে যেতিয়া ভাৰতবৰ্ষৰ আন আন প্রদেশত ভিক্ষায়া নৈবচ এনে এটা মনোভাবৰ সৃষ্টি কৰিলে তেতিয়া অসমীয়া ডেকাসকলৰ মাজতো সেই ভিকহু মনোবৃত্তি এৰি নতুন কাৰ্য্যতালিকা লোৱাৰ মনোভাব হ'লহি।

১৯০৯ চনত যেতিয়া বীট্‌ছন বেলে অসম কাউন্সিলত ফণীধৰ চলিহা ডাঙৰীয়াক কানি-নীতিৰ সমালোচনা কৰাত অপমান কৰিলে আৰু সেই বাবে তেওঁ শেষত প্রতিবাদ স্বৰূপে কাউন্সিলৰ পদ এৰি দিলে আৰু যেতিয়া বীট্‌ছন বেলে অসম প্রদেশখনক নতুন শাসন-সংস্কাৰৰ ( মণ্টেগু চেম্‌ছফোৰ্ড সংস্কাৰ ) পৰা বাদ দি পুৰণি শাসন অৰ্থাৎ চাহ্‌খেতিয়ক-ৰাজ বজাই ৰাখিবলৈ যত্ন কৰিলে তেতিয়াহে অসমীয়া শিক্ষিত শ্রেণীৰ ব্রিটিছ শাসকশক্তিৰ বিৰুদ্ধে থিয় দিবলৈ এটা মনোভাব হ'ল। এই মনোভাবে ৰূপ ললে—অলপ দিনৰ ভিতৰতেই কেইবা হাজাৰো টকা সংগ্রহ কৰি পাৰ্লেমেণ্টলৈ ডেলিগেছন পঠাই। দেশপ্রাণ চন্দ্রনাথ শৰ্ম্মাদেৱে এই নতুন মনোভাবৰ সূচনা কৰিলে। তেওঁৰ অক্লান্ত পৰিশ্রমৰ ফলতহে অসমত এই দৰে ধন তুলিব পৰা হ'ল আৰু কৰ্ম্মবীৰ নবীনচন্দ্র বৰদলৈ আৰু প্রসন্নকুমাৰ বৰুৱাক পঠোৱাৰ দিহা হ'ল। চন্দ্রনাথেই আছিল এই নতুন যুগৰ অসমীয়া ডেকাদলৰ নতুন মনোভাবৰ প্রতীক। সেই সময়ত অসমত অসমীয়াৰ সমূহীয়া জীৱনত এইদৰে পাৰ্লেমেণ্টলৈ ডেলিগেছন পঠাব পৰাটো এটা ডাঙৰ ঘটনা আছিল। ইয়েই অসমীয়া ডেকা সমাজৰ মনত এটা আত্মবিশ্বাসৰ ভাব আনিলে।

ইয়াৰ পিছত অসমত নতুন শাসন-সংস্কাৰৰ প্ৰৱৰ্ত্তন হল কিন্তু অসমে ভাৰতৰ ৰাজনৈতিক জীৱনৰ লগত খোজ মিলাই এই শাসন-সংস্কাৰৰ পৰা আঁতৰি আহি মহাত্মা গান্ধীৰ আদৰ্শত অহিংস অসহযোগৰ বাট লোৱাটো স্থিৰ কৰিলে। এইদৰেই অসমত কংগ্ৰেছৰ সংগঠনৰ আৰম্ভ হ'ল। ১৯২১ চনৰ পৰা এই সংগঠনে অসমীয়া জাতিক সংগঠিত কৰি তেওঁলোকৰ কৰ্ম্মশক্তিৰ এটা নতুন ৰূপ দিলে।

আজি পোন্ধৰ আগষ্ট। আজি আমাৰ দেশৰ ৰাইজৰ হাতলৈ ক্ষমতা হস্তান্তৰিত হৈছে। আজিহে আমি নতুনকৈ ডাঙৰ এটা সংগঠনৰ যুগৰ দুৱাৰডলিত থিয় দিছোঁহি। আমাৰ দেশত এখন আদৰ্শ ৰাষ্ট্ৰ গঢ়িবলৈ আমি যি কল্পনা কৰি আহিছিলো সেই কল্পনাক আমি ৰূপ দিব লাগিব। এতিয়াহে আমাৰ দায়িত্ব বেছি আৰু গধুৰ হ'ল। আজি পোন্ধৰ আগষ্ট তাৰিখে আমাৰ এই গধুৰ দায়িত্বৰ কথা ভালকৈ উপলব্ধি কৰি আমি এই দায়িত্ব লবলৈ সাহেৰে সৈতে আগবাঢ়িবলৈ জাতি-ধৰ্ম্ম-বৰ্ণ নিৰ্ব্বিশেষে। সকলো ভাৰতবাসীৰে আত্মবিশ্বাস হওক।

---

# ছাব্বিছ জানুৱাৰী বা গণৰাজ্য দিবস

( ১ )

ভাৰতত স্বাধীনতা-সূৰুষৰ উদয় হৈছিল ১৯৪৭ চনৰ ১৫ আগষ্টত আৰু স্বাধীন ভাৰতে এটা স্বকীয় ৰূপ পৰিগ্ৰহণ কৰিছিল ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে নিজকে এখন সাৰ্ব্বভৌম লোকতান্ত্ৰিক গণৰাজ্য হিচাপে ঘোষণা কৰি। সেই বাবে এই ২৬ জানুৱাৰী আমাৰ ৰাষ্ট্ৰীয় জীৱনৰ এটা গভীৰ তাৎপৰ্য্যমূলক মহান দিন—যুগ-যুগান্তৰলৈ পৱিত্ৰ সংকল্পেৰে জয়যাত্ৰা সূচনা কৰাৰ দিন। প্ৰত্যেক বছৰৰ এই দিনত আমি সেই তাৎপৰ্য্যৰ কথা সুঁৱৰি চাব লাগে, ইতিমধ্যে হোৱা অগ্ৰগতিৰ বিশ্লেষণ কৰিব লাগে আৰু জয়যাত্ৰাৰ সেই পৱিত্ৰ সংকল্প নতুনকৈ গ্ৰহণ কৰিব লাগে। সেই গতিকে পৰৱৰ্ত্তী কালৰ প্ৰত্যেকটো ২৬ জানুৱাৰীয়েই আমাৰ হিচাপ-নিকাচৰ দিন, নতুন সংকল্পৰ দিন আৰু ভাৰতৰ অগ্ৰগতিৰ একোটা মাইলৰ খুটি।

লোকতন্ত্ৰ অথবা গণতন্ত্ৰৰে গণৰাজ্য এটা ধৰণ মাথোন। ভাৰতক গণৰাজ্যত পৰিণত কৰাৰ ব্যৱস্থা ভাৰতৰ ঐতিহ্যৰ লগত খাপ খোৱা। অতীত ভাৰতৰ গাঁও-পঞ্চায়তবোৰেই আছিল একো একোখন ক্ষুদ্ৰ গণৰাজ্য। ভাৰতীয় সংবিধানতো স্বায়ত্তশাসিত গাঁওপঞ্চায়ত গঠনৰ ব্যৱস্থা দিয়া হৈছে। এই পঞ্চায়তসমূহৰ যোগেদি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু গাঁৱৰ সৰ্ব্বাঙ্গীন উন্নতি সাধনৰ প্ৰচেষ্টা যেতিয়া সাফল্যমণ্ডিত হ'ব তেতিয়া আমাৰ লাখ লাখখন পঞ্চায়তৰ ৰূপত আমি দেখিবলৈ পাম একো একোখন 'ক্ষুদ্ৰ গণৰাজ্য'। পাঁচ বছৰীয়া পৰিকল্পনাৰ যোগেদি আমি সম্প্ৰতি এই পথত ভালেখিনি আগুৱান হৈছোঁ। আজিৰ এই গণৰাজ্য দিবসত বৃহৎ ভাৰতীয় গণৰাজ্যৰ পাৰ হৈ

যোৱা বছৰ কেইটালৈ আমি এবাৰ উভতি চাওঁ। এই নতুন বছৰৰ বুকুত আছে—ভাৰতৰ সকলো ক্ষেত্ৰতে আগবঢ়াৰ এটা বিৰাট আৰু অবিৰাম প্ৰচেষ্টা। বাধা-বিঘিনি আৰু ব্যৰ্থতা হৈছে প্ৰচেষ্টা আৰু কৃতকাৰ্য্যতাৰ চিৰলগৰীয়া। গতিকে ভাৰতৰ এই প্ৰচেষ্টাৰ বুৰঞ্জীও তেনেকুৱাই। তথাপিও আমি গৌৰৱ কৰিব পাৰোঁ যে ভাৰতৰ দৰে এখন বহু ধৰ্ম্ম, সম্প্ৰদায়, ভাষা আৰু ভৌগোলিক বিচিত্ৰতাৰে গঠিত, সমস্যা-বহুল দেশ এখনে সুদীৰ্ঘ কাল পৰাধীনতাৰ বোকাত পচি থকাৰ পিছত এই অলপ সময়ৰ ভিতৰতে উল্লেখযোগ্যভাবে অগ্ৰগতি সাধন কৰিছে। ভাৰতে উদ্যোগ, বাণিজ্য, কৃষি, শক্তি, উৎপাদন, যাতায়াত, পৰিবহন আৰু শিক্ষা-সংস্কৃতি জনস্বাস্থ্য আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিৰ ক্ষেত্ৰত ভালেখিনি আগবাঢ়িছে। অৱশ্যে এই কথাও ঠিক যে এই বিশাল উপমহাদেশখনৰ আৱশ্যকতাৰ তুলনাত এই অগ্ৰগতি এতিয়াও নগণ্য মাথোন। তথাপিও বিদেশী ভ্ৰমণকাৰীসকলে ভাৰতলৈ আহি ভাৰতৰ ৰূপত প্ৰভূত পৰিবৰ্ত্তন দেখিছে। এইখন দেশৰ নতুন গঢ় দেখিছে। নতুনকৈ স্বাধীনতা পোৱাৰ পিছত পুনৰ্গঠন কাৰ্য্য হাতত লোৱা অনেক ডাঙৰ দেশৰ তুলনাত ভাৰতৰ অগ্ৰগতি ক্ষিপ্ৰ বুলি স্বীকাৰ কৰিছে। এইবোৰ পৰ্য্যবেক্ষণ নিশ্চয় নিৰৰ্থক নহয়।

আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰতিপত্তি লাভ কৰাটো স্বাধীন ভাৰতৰ এটা উল্লেখযোগ্য সাফল্য। বুদ্ধ-অশোক-গান্ধীৰ দেশ ভাৰতৰ শান্তি, অহিংসা, সহনশীলতা, পাৰস্পৰিক বুজাবুজি আৰু সহ-অৱস্থানৰ বাণীয়েই আজি আণৱিক ধ্বংসমুখী পৃথিৱীৰ মানৱ সভ্যতা আৰু অস্তিত্ব জীয়াই ৰখাৰ একমাত্ৰ বিকল্প। পৰস্পৰবিৰোধী শক্তিগোষ্ঠীৰ মাজত ভাৰত প্ৰমুখ্যে কিছুমান নিৰপেক্ষ দেশে আজি যি শান্তিৰ এলেকা গঢ়ি তুলিছে সেয়েই মাথোন পৃথিৱীক এটা আশাৰ ৰেঙনি দেখুৱাইছে। পৃথিৱীৰ যি কোনো সমস্যাৰে ক্ষেত্ৰত ভাৰতৰ এষাৰ মাত শুনিবলৈ আজি সকলোৱে আগ্ৰহ দেখা গৈছে। সেইটো ভাৰতৰ বাবে কম আন্তঃৰাষ্ট্ৰীয় মৰ্য্যাদাৰ কথা নহয়।

আজিৰ পৱিত্ৰ দিনত অতীতৰ এই জয়-পৰাজয়ৰ অভিজ্ঞতাৰে, ৰাষ্ট্ৰীয় সমস্যা আৰু আৱশ্যকতাসমূহৰ বিষয়ে অবহিত হৈ নতুন উছাহ-উদ্দীপনাৰে দেশ পুনৰ্গঠনৰ কাম কৰি যাবলৈ আৰু ভাৰতীয় গণৰাজ্যক সুস্থভাবে গঢ়ি তুলিবলৈ আকৌ এবাৰ সংকল্প লওঁহক। ওচৰচুবুৰীয়া লোকতন্ত্ৰ কিছুমানত সামৰিক স্বেচ্ছাচাৰী শাসনে যি দৰে মূৰ দাঙি উঠিছে তালৈ চাই ভাৰতীয় লোকতান্ত্ৰিক গণৰাজ্যক সকলো প্ৰকাৰে শক্তিশালী কৰাটো আমাৰ বিশেষ কৰ্ত্তব্য।

( ২ )

চাব্বিছ জানুৱাৰী ভাৰতবৰ্ষৰ ইতিহাসত এটা লেখত লবলগীয়া শুভ দিন। এই পৱিত্ৰ দিনটোত আমি স্বাধীন ভাৰতৰ নতুন সংবিধান আনুষ্ঠানিকভাবে গ্ৰহণ কৰিছিলো আৰু ভাৰতক এখনি সাৰ্ব্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিছিলো। এই গণৰাজ্য দিবস জাতিৰ কাৰণে এটা বৰ আনন্দৰ দিন আৰু দেশৰ সেৱাত আমাৰ জীৱন পুনৰ নিয়োগ কৰাৰ অৰ্থে সংকল্প গ্ৰহণ কৰাৰ পৱিত্ৰ ক্ষণ।

ভাৰতবৰ্ষ এখন প্ৰাচীন দেশ। যুগ যুগ ধৰি আমাৰ দেশে জ্ঞান-বিজ্ঞানৰ চৰ্চ্চাত পৃথিৱীৰ দেশসমূহৰ মাজত এখন শ্ৰেষ্ঠ আসন অধিকাৰ কৰি আহিছে। কিছু কালৰ কাৰণে নিজৰ আভ্যন্তৰীণ দুৰ্ব্বলতাৰ বাবে স্বাধীনতা হেৰুৱাই বিদেশী শক্তি এটাৰ অধীনত থাকিবলগীয়া হৈছিল যদিও ভাৰতে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত সত্য আৰু অহিংসাক সাৰথি কৰি হেৰোৱা স্বাধীনতাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল। ৰাজনৈতিক স্বাধীনতা ভাৰতবৰ্ষই পালে যদিও পৰাধীনতাৰ গ্লানি কোনো কোনো ক্ষেত্ৰত থাকি গ'ল। বিদেশী শাসন আৰু শোষণৰ বিষবৃক্ষ কাটি পোলোৱা হ'ল যদিও সেই বিষবৃক্ষৰ কেতবোৰ বিষময় ফল ৰৈ গ'ল। সেই বিষময় ফলবোৰ নিৰ্ম্মূল কৰিবৰ বাবে এটা নতুন সংগ্ৰামৰ সূচনা হ'ল। এই সংগ্ৰাম হৈছে অজ্ঞতা, নিৰক্ষৰতা আৰু সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ বিৰুদ্ধে সংগ্ৰাম। এই সংগ্ৰামত কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে স্বাধীনতাৰ একো অৰ্থ নেথাকে।

কেন্দ্ৰীয় আৰু ৰাজ্যচৰকাৰসমূহে ৰাজনৈতিকভাবে দেশখনক সুৰক্ষিত কৰিবলৈ চেষ্টা কৰাৰ লগে লগে, বিভিন্ন অৰ্থনৈতিক আঁচনি হাতত লৈ সমাজখনৰ ভেটি দৃঢ়ভাবে গঢ়ি তুলিবলৈ মনোযোগী হৈছে। এই কাৰ্য্যত চৰকাৰ কিমান দূৰ কৃতকাৰ্য্য হব পাৰিছে, সেই কথাৰ বিচাৰৰ ভাৰ দেশৰ জনসাধাৰণৰ ওপৰত। স্বাধীন ভাৰতৰ শাসনতন্ত্ৰই ভাৰতীয় ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ পূৰ্ণভাবে সাব্যস্ত কৰিছে। এই অধিকাৰৰ বলত ভাৰতীয় ৰাইজে প্ৰতি পাঁচ বছৰৰ পিছত ক্ষমতাত অধিষ্ঠিত দলৰ কাৰ্য্যপদ্ধতি আৰু তাৰ কৃতকাৰ্য্যতাৰ মাপকাঠী হাতত লৈ বিচাৰত বহে।

গণতন্ত্ৰ পালন কৰাৰ আন এটা তাৎপৰ্য্য হৈছে এয়ে যে এই দিনটোত আমি যোৱা বছৰটোৰ ভিতৰত কৰা কামবোৰৰ পৰ্য্যালোচনা কৰি সেই অভিজ্ঞতাৰ সহায়ত বৰ্ত্তমান বছৰত কৰিবলগীয়া কামবোৰৰ কাৰণে প্ৰস্তুত হওঁ। পৰ্ব্বত-ভৈয়াম উভয় অঞ্চলৰ মাজত মিলাপ্ৰীতি স্থাপন কৰাটো আমাৰ কৰ্ত্তব্য। এই ঐক্যবদ্ধ শক্তিৰ ওপৰতহে অসমৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। পৰ্ব্বত-ভৈয়ামত বাস কৰা প্ৰতি জন লোকেই সুচিন্তিতভাবে আৰু সংগঠনমূলক মনোবৃত্তি লৈ বৈপ্লৱিক দৃষ্টিভঙ্গীৰে কামত আগবাঢ়িলে এখনি সোণৰ অসম গঢ়ি তুলিবলৈ বেছি দিন নেলাগিব। সেই উদ্দেশ্যে আজিৰ এই শুভ দিনত আমি জাতিৰ পিতা মহাত্মাজীলৈ আৰু দেশৰ স্বাধীনতাৰ যুদ্ধত আত্মাহুতি দিয়া জ্ঞাত আৰু অজ্ঞাত ছহীদসকললৈ আমাৰ শ্ৰদ্ধাঞ্জলি জনাও।

---

DISTRICT LIBRARY GAUHATI

# ৰঙালী বিহু

অতি মৰমৰ মুগাৰে মহুৰা

অতি মৰমৰ মাকো ।

অতি মৰমৰ ৰঙালী বিহুটি

নেপাতি কেনেকৈ থাকোঁ ॥

কৃষি-জীৱনেই অসমৰ বিহু উছৱবিলাকৰ মূল প্ৰেৰণা। আদিম মানুহৰ জীৱনধাৰণৰ সমস্যাটোৱে আছিল ঘাই। নিয়মিত কৃষি-জীৱন এটা আৰম্ভ হোৱাৰ লগে লগে এই কৃষিক কেন্দ্ৰ কৰি জীৱনৰ আশা-আকাঙ্ক্ষাবিলাক ঘূৰিবলৈ ধৰিলে। সমাজ-জীৱনে এক স্থিৰতা আৰু নিশ্চয়তা পোৱাৰ পিছত এনে আশা-আকাঙ্ক্ষা কল্পনাবিলাকেই জাতীয় উছৱত মূৰ্ত্ত হৈ উঠিল। কিন্তু আমাৰ কৃষি-কৰ্ম্মৰ সফলতা সম্পূৰ্ণ নিৰ্ভৰ কৰে প্ৰাকৃতিক কাৰণৰ ওপৰত। নিয়মিত বতৰ বা বৰষুণ পাব লাগিব, শস্যৰ শত্ৰু নষ্ট হব লাগিব, খেতিৰ প্ৰধান সঁজুলি গৰু ভালে থাকিব লাগিব আৰু সৰাৰে উপৰি গৃহস্থৰো কুশল হব লাগিব। এই-বিলাক ভালে ৰখাৰ কাৰণে সেই সময়ৰ সমাজৰ জ্ঞান-বিবেচনা, বিশ্বাস আৰু সংস্কাৰে যিবিলাকক উত্তম ব্যৱস্থা বুলি ধৰিছিল, সেই সকলো ব্যৱস্থা গ্ৰহণ কৰিছিল। আমাৰ বিহু উছৱতো বিশেষকৈ ৰঙালী বিহুত পালনীয় কৰ্ত্তব্য হল গৰু, শস্য আৰু মানুহৰ মঙ্গল বিধান। এই সম্পৰ্কত যিবিলাক আচাৰ-অনুষ্ঠান পালনীয়, সেইবিলাকত সোমাই আছে কোন সুদূৰতম অতীতৰ সমাজখনৰ চিন্তাধাৰা, ৰীতিনীতি, বিশ্বাস আৰু সংস্কাৰ। ইয়াত কোনো এক বিশেষ জাতি বা সম্প্ৰদায়ৰ ৰীতিনীতি বা চিন্তাধাৰাৰ প্ৰভাৱেই যে সোমাই আছে এনে নহয়। প্ৰাগঐতিহাসিক যুগৰ পৰা অসমলৈ অহা বিভিন্ন ভাষাভাষী জনসোঁতৰ বিশিষ্ট ৰীতি-নীতি,

বিশ্বাস, সংস্কাৰ, আচাৰ-ব্যৱহাৰৰ দ্বাৰা বিহু উছৱৰ সৰ্ব্বাঙ্গীন পৰিপুষ্টি সম্ভৱ হৈছে। ইয়াৰ ফলত বহুতো জাতিৰ সঙ্গমস্থল হৈও অসমৰ ভিতৰত এই বিহু-উছৱে কম-বেছি পৰিমাণে সাৰ্ব্বজনীনতা লাভ কৰিব পাৰিছে। সভ্যতাৰ উন্নতিৰ লগে লগে, সময়ৰ পৰিবৰ্ত্তনে ইয়াক যুগে যুগে সংস্কৃত কৰি আহিছে, পৰিমাৰ্জ্জিত কৰি আহিছে। অসাৰ বা উভহা যেন লগা অংশবোৰ সময়ে ত্যাগ কৰি আহিছে। ইয়াৰ ফলত কিন্তু উছৱৰ সৌষ্ঠৱ হানি হোৱা নাই বৰং সমৃদ্ধহে হৈছে। কাৰণ বিহু-উছৱৰ ঘাই শিপাডাল আমাৰ জাতীয় জীৱনত গভীৰ ভাবে প্ৰোথিত, গতিকে জাতীয় জীৱনৰ সমৃদ্ধিৰ ওপৰতে ইয়াৰ সমৃদ্ধিও নিৰ্ভৰশীল।

আমাৰ বিহু উছৱৰ মূলতে আৰ্য্য-পূৰ্ব্ব লোকসকলৰ উছৱ। ইয়াৰ পালনীয় আচাৰ-অনুষ্ঠানবিলাকৰ মূল বিচাৰি বহু দূৰ যাব লাগিব। অষ্ট্ৰিক, মান তিব্বতী বা বড়ো আৰু আৰ্য্য সভ্যতাৰ অৱদানেৰে এই উছৱ এনেভাবে পুষ্ট হৈ পৰিল যে ইয়াত কাৰ অৱদান বেছি তাক ফঁহিয়াই দেখুৱাবলৈ টান। আৰ্য্য-সভ্যতাই এই উছৱক আঁতৰ কৰিব নোৱাৰিলে বা কৰাৰ চেষ্টাও নকৰিলে। আৱশ্যকীয় সংস্কাৰ কৰি ইয়াক সমাজৰ অৱস্থাৰ লগত খাপ খুৱাই ললে। গ্ৰহণ-বৰ্জ্জনৰ এই প্ৰক্ৰিয়া অকল বিহুৰ ক্ষেত্ৰতে নহয়, অসমীয়া সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত আৰু ভাষাৰ ক্ষেত্ৰতো দেখা যায়। ইয়াৰ ফলত অসমীয়া সংস্কৃতি উদাৰ আৰু ব্যাপক হৈ বৈশিষ্ট্যপূৰ্ণ, প্ৰাণৱান আৰু বৰ্ণাঢ্যৰূপেৰে ভাৰতীয় সংস্কৃতিক সমৃদ্ধ কৰিছে। আৰ্য্য সভ্যতাৰ প্ৰভাৱত, বিশেষকৈ অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱত বিহুৱে আহি জাতীয় জীৱনৰ নামঘৰতো থাপনা ললেহি। বৰ্ত্তমান বিহু উছৱত যি উচ্চ আদৰ্শ আৰু ধৰ্ম্মৰ প্ৰভাৱ দেখোঁ সি বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱৰ ফল। তাৰ অভাৱত আজিৰ যুগৰ বিহু হয়তো পথাৰৰ মাজতে আৱদ্ধ হৈ থাকিলহেঁতেন।

শস্যৰ, পৃথিৱীৰ, প্ৰজনন প্ৰক্ৰিয়াত অভিভূত আৰু বিস্মিত হৈ আদিম মানুহে গভীৰ ভাবেই বিশ্বাস কৰিছিল যে ইয়াৰ লগত মানুহৰ

যৌন জীৱনৰ, সৃষ্টিৰ প্ৰজনন প্ৰক্ৰিয়াৰ অঙ্গাঙ্গী সম্পৰ্ক আছে। এনে বিশ্বাসৰ ফলত পৃথিৱীৰ বহুত ঠাইত মধ্য আমেৰিকা, আফ্ৰিকা আৰু য়ুৰোপৰো আদিবাসীসকলে গভীৰ বিশ্বাসেৰে এইবিলাক পালন কৰিছিল বা কৰিছে বুলি জনা যায়। কোনে জানে হয়তো এসময়ত আদিম যুগত আমাৰ বিহুতলীৰো সৃষ্টি হৈছিল এনে এটা বিশ্বাসৰে ভেটিত। কালক্ৰমত ইয়াৰ সংস্কাৰ আৰু পৰিমাৰ্জ্জনা হোৱাত বিহুতলী বৰ্ত্তমানৰ নৃত্যগীতৰ থলী হৈ পৰিল। সেইদৰে হয়তো মাঘৰ বিহুৰ ভেলাঘৰ ভগৱানৰ নাম লোৱা ঘৰ হৈ পৰিল। ইয়াতো বৈষ্ণৱ ধৰ্ম্মৰ যথেষ্ট প্ৰভাৱ আছে।

ৰঙালী বিহুৰ প্ৰথম দিনটোক গৰু বিহু বোলা হয় আৰু এই দিনটো গৰুৰ কাৰণে উছৰ্গা কৰা হয়। কাৰণ গৰু কৃষি-জীৱনৰ প্ৰধান আহিলা। প্ৰকৃতি জগতৰ অনুকৰণত মানুহে নতুন গামোছা—বিহুৱান লোৱাৰ দৰে গৰুকো নতুন পঘা আৰু সেই পঘাত গামোছাৰ দহি বান্ধি দিয়া হয়। তৰা গছৰ আঁহ এই পঘা বটা মৰাপাটৰ লগত মিহলাই লোৱা হয়। বিহুৰ পঘাৰ এয়ে বিশেষত্ব। ইয়াৰ মূলত থকা বিশ্বাসটো হল যে গৰু এসময়ত ব্ৰাহ্মণ আছিল। শাপভ্ৰষ্ট হোৱাত লগুণ তৰাগছত থলে। সেই দিনা গৰুক কোবাবলৈ সাধাৰণ এছাৰি ব্যৱহাৰ নকৰি দীঘলতি, ভেটাই গছৰ ঠাৰিহে ব্যৱহাৰ কৰে। ৰাতিপুৱা গৰুক মাহ-হালধি, তেলেৰে নোৱাই, গা ধুৱাই, গালৈ লাও, বেঙেনা, থেকেৰা, হালধিৰ চকলা মাৰে। উদ্দেশ্য হল গৰু যেন বছৰে বছৰে শকতআৱত হৈ বাঢ়ি যায়। লগতে গায়—

লাও খা, বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা,
মাৰ সৰু বাপেৰ সৰু
তই হবি বৰ গৰু।
দীঘলতি দীঘল পাত
মাখ মাৰোঁ জাত জাত॥

এই লাও-বেঙেনাৰ চকলাবিলাক বাঁহৰ শলাত সি লোৱা হয়, তাক 'চাট মাৰি' বোলে। এই চাট মাৰিডাল অৱশিষ্ট লাও-বেঙেনাৰ অংশৰে গোহালিত থৈ দিয়ে। গৃহস্থৰ মনত বিশ্বাস, গৰুৰ বছৰটোলৈ ৰোগ ব্যাধি নহয়। সন্ধিয়া গোহালিৰ পদূলিত মৰলীয়া বন, অগৰা বন আৰু তুঁহৰ যাগ দিয়ে আৰু মাখিয়তী গছৰ পাতৰে গৰুৰ গা জাৰি মাখি-মহৰ উৎপাতৰ পৰা ৰক্ষা পোৱাৰ কামনাৰে মন্ত্ৰ মাতে। তাৰ পিছত বিচনীৰে বিচে আৰু পিঠা খুৱায়।

গৰুৰ চাটত ব্যৱহাৰ কৰা ফলৰ ৰংবিলাকে শস্যৰ বিভিন্ন অৱস্থাৰ বিভিন্ন বৰ্ণকে দেখুৱায়। দীঘলতি, মাখিয়তী, মৰলীয়া আদি বিশেষ গছ-বনৰ ব্যৱহাৰত হয়তো আমাৰ আদিম পুৰুষসকলৰ বিশ্বাস আৰু সংস্কাৰ সোমাই আছে। ই এসময়ৰ প্ৰকৃতি-পূজাৰে অৱশিষ্টাংশ হয়তো। আৰ্য্যসকলো প্ৰথমতে প্ৰকৃতিপূজক আছিল। য়ুৰোপৰ আৰ্য্যসকলো প্ৰথমে বিশেষ বিশেষ বৃক্ষৰ উপাসক আছিল। য়ুৰোপৰ খেতিয়কসকলৰ উছৱতো এতিয়াও 'মে ট্ৰী' নামৰ বিশেষ এবিধ গছৰ ব্যৱহাৰ কৰে, তাৰ ডাল আনি ঘৰে ঘৰে পোতে। য়ুৰোপৰ ছুইদেনৰ কোনো কোনো অংশত 'মে দিবস' উছৱ উপলক্ষে লৰাবিলাকে এবিধ বিশেষ গছৰ ঠাল লৈ ঘৰে ঘৰে আমাৰ হুচৰি গোৱাৰ দৰে গীত গাই ফুৰে। এই গীতৰ দ্বাৰা ভাল বতৰ, ভাল খেতি-বাতি আৰু গৃহস্থৰ কুশল বাঞ্ছা কৰে। গৃহস্থই তেওঁলোকক উপহাৰ আদিৰে সন্তুষ্ট কৰিলে তেওঁলোকে সেই গছৰ ঠাল ঘৰৰ চালত খুচি থৈ আহে। এনে ধৰণৰ উছৱ আদিত বিশেষ ধৰণৰ গছৰ ব্যৱহাৰ—যেনে "মে ট্ৰী" সাঁচি গছ আদি য়ুৰোপৰ বহুত অংশত তথা পৃথিৱীৰে বিভিন্ন অংশত প্ৰচলিত। মুঠতে প্ৰকৃতি-জগত, জন্তু-জগত আৰু মানুহৰ জগতখনৰ ভিতৰত এক অপূৰ্ব্ব সংহতি আৰু ঐক্যসূত্ৰ ৰচনা কৰা হৈছে ৰঙালী বিহুৰ পালনীয় অনুষ্ঠানবিলাকৰ যোগেদি।

সমুখত আগন্তুক খেতিৰ সম্ভাৱনা লৈ ৰঙালী বিহু পালন কৰা হয়। খেতি-বাতিৰে পথাৰ উপচি পৰিব লাগিব, খেতিৰ প্ৰধান সমল

গৰু-গাই নিৰোগী হব লাগিব, নতুন বছৰত গৃহস্থৰো সৰ্ব্বপ্ৰকাৰ কুশল হব লাগিব। নতুন বছৰ সকলো ফালেই নতুন।

ৰঙালী বিহুৰ আন এটা ঘাই অঙ্গ হল হুচৰি। বিহুৰ দ্বিতীয় দিনৰ পৰা হুচৰি গোৱাৰ নিয়ম। হুচৰিৰ গীত বেলেগ ধৰণে ৰচিত। বিহু নামৰ দৰে নহয়। বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱত কীৰ্ত্তনৰ ঘোষা-পদ ব্যৱহাৰ হ'ল। লগে লগে লৌকিক হুচৰি গীতো চলি থাকিল বা কীৰ্ত্তনৰ আদৰ্শত ভগৱানৰ লীলা বুজোৱা ঘোষা মুখে মুখে ৰচনা হ'ল, পদ হয়তো কীৰ্ত্তন আদি পুথিৰে থাকিল। যেনে—

হুচৰি এচ'ত,
আমি যে ওমলো য'ত,
ভুবৰি নগজে ত'ত।
দেউতাৰ পদূলিত
গোন্ধাইছে মধুৰি,
কেতেকী মলেমলাই ঐ গোৱিন্দাই ৰাম!

কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোৱিন্দাই ৰাম!

কলমৌ খাওঁতে বুঢ়া হনুমন্তই
নগৰী কৰিলে চন ঐ গোৱিন্দাই ৰাম।

গেন্ধাই মালতী ফুল চালতে শুকাল
হৰি নাম লওঁতে ৰাতিপুৱাল ঐ গোৱিন্দাই ৰাম॥

ৰঙালী বিহুৰ আন এটা স্বকীয়া বিশেষত্ব হল কড়ি-খেল। ছটা কড়িৰ সহায়ত এই খেল খেলা হয়। খেলখনলৈ লক্ষ্য কৰিলে বুজিব পাৰি ইয়ো বছৰৰ খেতি-বাতিৰে প্ৰতীক। কড়ি যদি প্ৰজনন অঙ্গৰ প্ৰতীক, এই কড়িৰ সহায়ত গুটি গজোৱা হয় আৰু পকোৱাও হয়। গোটেই কড়িঢালখন পৃথিৱীৰ প্ৰতীক। খেলখন কৃষি-জীৱনৰ প্ৰতীক।

কড়িৰ ব্যৱহাৰে হয়তো আদিম সমাজৰ শস্য সম্পৰ্কীয় যৌন-বিশ্বাসৰ কথাই সোঁৱৰায়।

ৰঙালী বিহুৰ অন্যতম মাধুৰ্য্যপূৰ্ণ আৰু ঐশ্বৰ্য্য সমৃদ্ধ অঙ্গ হল বৰদৈচিলাৰ অভিনৱ কল্পনা। বিহু উপলক্ষত অন্তৰ উথলি পৰা সকলোবিলাক পাথৰ আৰু নিস্বাৰ্থ স্নেহপ্ৰীতি মৰম কেন্দ্ৰীভূত হৈ মূৰ্ত্তিমতীৰূপ লৈছে অসমী আইৰ বিয়া দি উলিয়াই দিয়া এগৰাকী ছোৱালী বৰদৈচিলা—যি বছৰে বছৰে মাকৰ ঘৰলৈ বিহু খাবলৈ আহে। বিহুৰ সময়ৰ প্ৰবল ধুমুহা-বতাহক অসমৰ এগৰাকী জীয়াৰী কল্পনা কৰাত অভিনৱত্ব যেনেকৈ আছে জাতিৰ উৰ্ব্বৰ কল্পনাশক্তিৰ পৰিচয়ো সেইদৰে ফুটি উঠিছে। বৰদৈচিলা জাতীয় ঐক্যৰ প্ৰতীক। জাতিৰ অন্তৰৰ নিস্বাৰ্থ মৰম প্ৰীতিৰ প্ৰতীক।

ৰঙালী বিহু যাইকৈ সাত দিন ব্যাপি চলে। গৰু বিহুৰ দিনা আৰম্ভ হয় আৰু সাত বিহুৰ দিনা ইয়াৰ সামৰণি পৰে। এই বিহু সপ্তাহটোৰ প্ৰতি দিনৰে ভিন ভিন নাম আৰু কাৰ্য্য। যেনে প্ৰথম দিনটো গৰু-বিহু, দ্বিতীয় দিনটো বৰ বিহু বা মানুহ বিহু, তৃতীয় দিনটো গোসাঁই বিহু ইত্যাদি। দেশৰ বিভিন্ন অঞ্চলত এই দিনবোৰত স্বকীয়াকৈ নাম,/ভঠেলি, মেলা আদিও পতা হয়।

গৰুৱে যেনেকৈ ন পঘা লয়, মানুহেও তেনেকৈ এই বিহুত বিহুৱান লয় আই-ভনীসকলৰ আশীৰ্ব্বাদ আৰু মৰমৰ প্ৰতীক হিচাপে। অসমীয়াৰ মানত এই বিহুৱানৰ মূল্য কি বহলাই কোৱাৰ সকাম নাই। জেতুকা পাতেৰে আঙুলি বোলোৱা, বৰ্হমথুৰী, সাত-শাকৰ আঞ্জা খোৱা আদি বিবিধ লৌকিক আচাৰ এই উছৱৰ লগত ওতঃপ্ৰোতভাবে মিহলি হৈ আছে। সামৰণিত দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াৰ ভাষাৰে কওঁ—

"বৰ্ত্তমান যুগৰ জাতীয় ভাবে মুক্তিকামী ভাৰতবাসীৰ মনৰ পৰা প্ৰাদেশিক সঙ্কীৰ্ণতা বহু পৰিমাণে গুচাইছে। আগেয়ে প্ৰদেশৰ হিত সাধনেই দেশৰ শ্ৰেষ্ঠ সেৱা বুলি মানি লৈছিল। এতিয়া প্ৰদেশৰ মঙ্গলকাৰ্য্য ভাৰতৰ হিত সাধনৰ লগত অভিন্নভাবে মিলি চলিছে। এজন

ভাৰতবাসী কোন প্ৰদেশৰ মানুহ বাহিৰৰ সাজপাৰৰ পৰা অনুমান নকৰিলে কাৰ্য্যৰ পৰা চিনি উলিওৱা টান। শিক্ষিত মানুহ এজনে আত্ম-গোপন কৰোঁ বুলিলে তেওঁৰ প্ৰদেশ নিৰ্ণয় কৰা সহজ নহব। কিন্তু চ'তৰ শেষৰ বিহুৰ কথা উলিয়ালে দুখ-ভাৱৰে ঢাকি থকা মলিন মুখতো যদি প্ৰতিপদৰ জোনৰ দৰে একণ ধুনীয়া হাঁহি নোলায় তেন্তে জানিবা নিশ্চয় তেওঁৰ অসমীয়া ভাব বা অসম-প্ৰীতি নাই। তেওঁ আচলতে বছেৰা।

জাতীয় উৎসৱেই জাতীয়তাৰ প্ৰাণ, জাতীয়তা ৰক্ষাৰ হেতু। বিহু গলে অসমীয়াৰ অসম হৈ নেথাকিব। অনাহাৰ আৰু অত্যাচাৰত আজি ভাৰত মৰাৰ দৰে। অসমৰ অৱস্থা কিন্তু সৰাতোকৈ বেয়া। কিন্তু মৰা বুলি পেলাই দিলেই নহব। আনন্দৰ সঞ্জীৱনী ছটিয়াই মৃতকল্পা জননীক জীয়াবই লাগিব।

দেৱতাৰ শাপত বিৰহী যক্ষই শোকত বিমোৰ হৈ মেঘক কোৱাদি—

"তেনাথিত্বং ত্বয়ি বিধিবশাদ্দূৰবন্ধুৰ্গতোঽহং।
যাচঞা মোঘা বৰমধিগুণে নাধমে লব্ধকামা।"

আমিও আজি আমাৰ হিয়াভগা দুখপাহৰোৱা নিচেই আপোন বিহুক কওঁ—

আহিছে বসন্ত বলিছে মলয়,
কুলিৰো সুৱদি মাত,
আয়ে মোৰ শোকত চকুলো টুকিছে,
হিয়া-মোৰ নপৰে শাঁত।
হেৰা বিহু মোৰ সাদৰি মাতিছোঁ,
ধৰাঁহে মোহিনী বেশ;
লাহ-বিলাহত দুখ পাহৰাই
ৰঙতে পূৰোৱা দেশ।"

# কঙালী বিহু

( ১ )

অসমৰ জাতীয় পৰ্ব্ব তিনটা বিহুৰ ভিতৰত কাতি বিহুৱেই হৈছে আড়ম্বৰশূন্য আৰু ভোগসম্ভাৰবিহীন। এই সময়ত 'সন্তোষীয়া সৰল চহাৰ বিনন্দীয়া প্ৰাণৰ পথাৰ' সেউজীয়া ধানেৰে উপচি পৰে। এই সেউজীয়া ধানেই দুদিনৰ পিছতে বৰণ সলাই হালধীয়া হব। পথাৰৰ লখিমীয়ে সোণবৰণীয়া ভঁৰালৰ লখিমী হৈ মানুহৰ ঘৰত সোমাব। এই লখিমীকে লৈ ভোগৰ পৰ্ব্ব ভোগালী বিহু আৰম্ভ হব। ইয়াৰ সম্ভাৱনাৰ বীজেই নিহিত আছে কাতি বিহুত। দৰাচলতে কাতি বিহু এই লখিমীৰেই আদৰণী উছৱ। সেই কাৰণে নামত কঙালী হলেও ইয়াৰ পুণ্য দীপ্তিত আহিনৰ শেষ দিনত বিশেষকৈ অসমৰ গাঁও-ভূঁই উদ্ভাসিত হৈ উঠে। আমাৰ গঞা-ৰাইজে বৰ সন্তৰ্পণে, বৰ আশাৰে এই কাতি বিহুৰ প্ৰতি ওলগ জনায়।

এই পৱিত্ৰ দিনটোৰ সন্ধিয়াত এই ধানৰ খেতিত, গো-সাঁই-ঘৰত আৰু তুলসীৰ তলত চাকি-বন্তি জ্বলোৱা হয়। তুলসী তলত ভক্তি-নৈবেদ্য আগবঢ়াই গোৱা হয়—

"তুলসীৰ তলে তলে মৃগ পত্ত চৰে।
তাকে দেখি ৰামচন্দ্ৰই শৰ-ধেনু ধৰে॥"

এই দিনতে আকাশ-বন্তিৰ সূচনা কৰা হয় আৰু গোটেই কাতি মাহটোৰ প্ৰতি সন্ধিয়া এই আকাশ-বন্তিৰ পুণ্য দীপ্তিয়ে ভক্তিপ্ৰাণত গিৰিহঁতৰ মনপ্ৰাণ উজ্জ্বল কৰি তোলে। কাতি মাহত এই আকাশ-বন্তি প্ৰদানৰ মন্ত্ৰ হৈছে এনেকুৱা—

"দামোদৰায় নভসি তুলায়াং লোলয়া সহ।
প্ৰদীপং তে প্ৰযচ্ছামি নমোঽনন্তায় বেধসে॥"

ধৰ্ম্মপ্ৰাণ হিন্দুসকলৰ মনত কাতি মাহ আৰু মাঘ মাহ হৈছে ধৰ্ম্মৰ মাহ। এই কাতি মাহত দীপ-প্ৰদান সম্পৰ্কেও শাস্ত্ৰকাৰসকলে কৈছে

বোলে—বিষ্ণুবেশ্মনি যো দদ্যাৎ কার্ত্তিকঃ মাসি দীপকং। অগ্নিষ্টোমসহস্রস্য ফলং প্ৰাপ্নোতি মানবঃ॥ উচ্চৈ প্রদীপমাকাশে যো দদ্যাৎ কার্ত্তিকে নৰঃ। সৰ্ব্বং কুলং সমদ্ধৃতে বিষ্ণুলোকম বাপ্নুয়াৎ॥

সি যি নহওক ভোগালী বিহুৰ ভোগৰ পৰ্ব্ব নাইবা ৰঙালী বিহুৰ ৰংৰহইচৰ একোৰে একোটো নহলেও খেতিপ্ৰধান অসমৰ খেতিয়ক ৰাইজে এই কঙালী বিহুটোকো অতি আদৰেৰে আৰু ভক্তিভাৱে গ্ৰহণ কৰে। কোনো আড়ম্বৰ নোহোৱাকৈ এই বিহু উৎসৱো পালন কৰে।

( ২ )

কৃষিজীৱী সমাজেই যদি বিহুৰ বাহক তেনেহলে কাতি বিহুৰ বিষুবৰ সম্পৰ্কতকৈ কৃষিৰ সম্পৰ্কৰ লগতহে ঘনিষ্ঠতা বেছি। সেয়ে হলে কাতি বিহু ছমহীয়া শ্ৰমৰ ভাগৰ-অৱসাদ জোকাৰি পেলাবলৈ আৰু লগে লগে নতুন আশাৰে উদ্দীপ্ত হৈ উঠা লখিমীৰ আগমনিক স্বাগতম জনাবলৈ আয়োজন কৰা মধুৰ অনুষ্ঠান। দ্বিতীয়তে কৃষিজীৱী সমাজৰ সুখ, সপোন আৰু আশাৰ মূৰ্ত্ত প্ৰতীক ধানগোছাই এই সময়তে গৈৰেলি মেলি সোণৰ ভৱিষ্যতৰ সন্ধান দিয়ে। এইটো জানো কম আনন্দৰ কথা? তদুপৰি এই একেখন অসমৰে পৰ্ব্বতে-ভৈয়ামে বেঢ়ি থকা অঞ্চল বিশেষত এবিধ আগতীয়া লাহী ধান এই সময়তে পকে নতুবা কল পকা দিয়ে। ছমাহ বুকুত সাৱটি লৈ থকা সপোন এটা বাস্তৱত পৰিণত হয়। এটা সুকীয়া পৰিবেশৰ মাজত এনেকৈ খেতি-বাতি কৰি জীৱন যাপন কৰা জনজাতি গোষ্ঠীসমূহে সিবিলাকৰ আশা-আকাঙ্ক্ষাৰ লাখমীক আদৰণি জনাই উৎসৱ পাতে। এই লখিমী আদৰা আনন্দৰ উৎসৱ আজিও অঞ্চল বিশেষত উলহ-মালহেৰে পাতে। তদুপৰি এসময়ত দক্ষিণ-পূৱ এছিয়াত চান্দ্ৰমতে গণনা কৰি এটা সুকীয়া মাহ আৰু বছৰ গণনাৰ পদ্ধতি অনুসৰণ কৰা হৈছিল। এই বছৰ গণনাৰ প্ৰথম মাহ ডিং-চিং (আহোমমতে) কাতি-আঘোণৰ মূৰামূৰিৰ পৰাই আৰম্ভ হৈছিল। নতুন বছৰৰ আৰম্ভণিতে এটা আনন্দৰ

উৎসৱ পালন কৰাৰ ৰীতি বহুতো দেশতে প্ৰচলিত আছে। দক্ষিণ-পূৱ এছিয়াত বাস কৰা মঙ্গোলীয় অষ্ট্ৰিকসকলেও এই বছৰ গণনা চলাইছিল বুলি পণ্ডিতসকলে কয় আৰু তেওঁবিলাকে এটা উৎসৱ সমাৰোহেৰে পালন কৰাৰ প্ৰমাণ পোৱা যায়। ব্ৰহ্মদেশত 'তেজাওমো' উৎসৱ আজিকালিও এই সময়তে পতা হয়। দক্ষিণ-পূৱ এছিয়াৰ পৰা অসমত সোমোৱা কৃষিজীৱী মঙ্গোলীয় লোকসকলে এই সময়ত ধানে গেৰেলি মেলা আৰু এবিধ ধানে কল পকা দিয়াৰ বাবে ৰং-আনন্দ উপভোগ কৰাৰ উপৰিও নতুন বছৰৰ উৎসৱো পালন কৰিছিল। গতিকে আজিৰ এই কঙালী উৎসৱ একালত বহুতো কালৰ পৰা ৰং-আনন্দ আৰু ভোগবিলাসৰ উৎসৱ আছিল। আমাৰ দেশত বৈদিক সংস্কৃতিৰ প্ৰভাৱ পৰাৰ আগতেও জনজাতিসকলে বা অনাৰ্য্যসকলে কৃষিজীৱী হিচাপে বাস কৰিছিল আৰু তেওঁবিলাকে এই উপৰোক্ত কাৰণ কেইটাত স্থানীয়ভাৱে বা গোষ্ঠীগতভাৱে উৎসৱ পাতিছিল। এয়েই আজিৰ কাতি বিহুৰ আঁতিগুৰি। দেশত বৈদিক সংস্কৃতিৰ প্ৰভাৱ পৰাৰ লগে লগে আৰু জ্যোতিষৰ চৰ্চ্চা আৰু সিদ্ধান্ত সৰ্ব্বসন্মতবাদী হৈ উঠাত অশ্বিনী নক্ষত্ৰই সংক্ৰমণ কৰা সংক্ৰান্তিৰ দিনটোকে কাতি বিহু দিন বুলি আটায়ে মানি লয়। যুগৰ প্ৰভাৱ পৰি দেশ আৰু জাতিক একেটা ভাৱত উদ্বুদ্ধ কৰাৰ লগে লগে সেই ৰীতি মানিবলৈ সংক্ৰান্তিৰ দিনাই বিহু পাতে কিন্তু খেতি-উঠা, ভাত-খোৱা, নাঙল-ধোৱা, পিঠা খোৱা, লখিমী আদৰা উৎসৱ আদি স্থানীয় সুবিধা আৰু বিশ্বাস মতে চলি থাকিল। জ্যোতিষে ধৰি দিয়া নিৰ্দ্ধাৰিত দিনটোত বিহু পাতিবলৈ মানুহৰ অৱস্থাই যেতিয়া টনাটনি লগালে তেতিয়া এদিনৰ ভোগালী-ৰঙালী কাতি বিহু কঙালী বুলি অভিহিত হ'ল আৰু এগছি চাকিশলিতা জ্বলোৱা আৰু এটা তুলসী পুলি ৰোৱা উৎসৱত পৰিণত হ'ল। আদিম মানৱ-সমাজৰ কৃষ্টি-সংস্কৃতি আৰু সভ্যতাৰ ক্ৰমবিকাশৰ স্মৃতি সামৰি লৈ কঙালী ৰূপত কাতি বিহু আহিছে, আহি থাকিব।

---

# ভোগালী বিহু

( ১ )

বিহু অসমৰ জাতীয় উৎসৱ। জাতি-ধৰ্ম্ম, পৰ্ব্বত-ভৈয়াম নিৰ্ব্বিশেষে অসমৰ সকলো থলুৱা অধিবাসীয়ে এই বিহু উৎসৱ পালন কৰে। 'বিষুব' শব্দটোৰ পৰাই বিহু নামটোৰ উৎপত্তি হৈছে বুলি যদিও অনুমান কৰা যায় তথাপি এই বিহু উৎসৱ কেতিয়াৰ পৰা আৰু কোন ঠাইত প্ৰথমতে প্ৰচলন হৈছিল সেই বিষয়ে সঠিককৈ কোৱা টান। মুঠতে ইয়াকে কব পাৰি যে অসমৰ বুকু ভেদ কৰি পৰশু কুণ্ডৰে পৰা ধুবুৰীলৈকে বৈ যোৱা বহল চিৰিলুইতখন অসমীয়াৰ কাৰণে যিমান পুৰণি আৰু সাতামপুৰুষীয়া, বিহু উৎসৱো সিমান পুৰণি আৰু মান্ধাতাৰ আমোলৰ। বিহুৰ সংস্কৃতি অসমৰ সংস্কৃতি, অসমীয়াৰ সংস্কৃতি। এই উৎসৱ কোনে প্ৰথমতে প্ৰৱৰ্ত্তন কৰিছিল কব পৰা নেযায় আৰু আদি বিহু উৎসৱৰ অলিখিত বুৰঞ্জী কৈ শুনাওঁতাও আজি আমাৰ মাজত নাই। কিন্তু এই কথাও ঠিক যে সেই অলিখিত যুগৰ কাহিনী আৰু আদিম কালৰ সেই অজ্ঞাত বিহু পাতোঁতাসকলৰ নাম আমি জনা হলে প্ৰাচীন বৈদিক ঋষিসকলৰ লগতে তেওঁলোককো স্থান দিব পৰা গলহেঁতেন। সি যি নহওক এই বিহু উৎসৱ যে অসমৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ মাধ্যম স্বৰূপে পালন কৰা হৈছিল আৰু হয় সেই বিষয়ে সন্দেহ নাই।

আমি জানো অসমীয়া মানুহৰ ধানেই ডাঙৰ ধন। যাৰ ধান নাই তাৰ মান নাই বুলি আজিও আমাৰ মানুহে কয়। সেই কাৰণেই পথাৰত ধান খেতি কৰি লখিমী দেৱীক আগতীয়াকৈ আদৰ্ঝাণ জনাবলৈ চাকি-বন্তি জলাই কঙালী বিহু পতা হয়। তাৰ পিছত আঘোণ আৰু পুহ মাহত সোণবৰণীয়া সোণালী ধানেৰে পথাৰ উপচি পৰে। ৰচকী মলয়া বা'ই ধানৰ খেতিত নাচন মাৰি লখিমী দেৱীৰ চৰণ বন্দনা কৰি যায়। সেই স্বৰ্গীয় দৃশ্য

দেখি আমাৰ খেতিয়কসকলৰ মনপ্ৰাণ আনন্দত সাতখন আঠখন হৈ নাচি উঠে। চাওঁতে চাওঁতে পথাৰৰ লখিমী আহি ভঁৰালৰ ভিতৰত সোমায়। গৃহস্থৰ আনন্দ আৰু বাঢ়ে। তেওঁলোকে বছৰৰ দিনৰ পৰিশ্ৰম সাৰ্থক হ'ল বুলি ভাবি আনন্দ উৎসৱৰ আয়োজন কৰে, ন-খোৱা পাতে। আনন্দই মানুহৰ জীৱন। এই আনন্দ নহলে মানুহ জীয়াই থাকে কেনেকৈ? ভগৱান নিজে সদানন্দময়। এই আনন্দই মূৰ্ত্তিমান হৈ দেখা দিয়ে বিহু উৎসৱত—মাঘৰ ভোগালী বিহুত।

গৰখীয়া লৰাই পথাৰৰ নৰা আনি কলচোচনি গোটাই হাড়লি ঘৰ, হোমঘৰ বা ভেলাঘৰ সাজে। জয়দৌল, শিৱদৌলৰ আৰ্হিৰে একোটা মেজি সাজে। পথাৰত, নৈৰ পাৰত এই হাড়লি ঘৰ বা মেজিকে আশ্ৰয় কৰি মাঘ বিহুৰ খেলো পতা হয়। উৰুকাৰ দিনা গৃহস্থসকলে নিলিজুলি মাছ মাৰে। তিৰোতাবিলাকে কাপোৰকানি ধুই নিকা হয়। নিশা গৃহস্থ-জ্ঞাতিয়ে মিলি ভোজ-ভাত পাতে। সকলোৱে মিলিজুলি ৰংমনেৰে সেই লগভাত খাই আনন্দ কৰে। ৰাতিটো উজাগৰে থাকে। বুঢ়াসকলে নাম-কীৰ্ত্তন গায়। ডেকাসকলে নানা খেল খেলে। ধিতিঙালি কৰে। ৰাতিটো খিকিন্দালি কৰি কটায়। পুৱে বগাডাঁৰ দিয়াৰ লগে লগে গা-পা ধুই হৰিধ্বনি দি মেজিত জুই লগাই দিয়ে। অগ্নিদেৱতাই ৰঙা যেঁখাত উঠি আকাশ চুব খোজে। মেজিৰ ভিতৰত থকা বাঁহবোৰৰ-পৰা ধুম্ ধুম্ হিলৈ ফুটিবলৈ ধৰে।

বিহুৰ মেজিত এই অগ্নিপ্ৰদান প্ৰাচীন অগ্নিহোত্ৰী আৰ্য্য-ঋষিসকলৰ অগ্নিপূজাৰ নিদৰ্শন। এই মেজি পোৰা প্ৰথা ভাৰতীয় বসন্ত-উৎসৱৰ এটি অঙ্গ বুলিও কব পৰা যায়। দৌল-পূৰ্ণিমাৰ আগদিনা এটা ভেৰাছাগলী দাহ কৰি মেষদাহ কৰাৰ নিয়ম ফাকুৱা উৎসৱৰ লগত আজিও চলি আছিছে। এই ভেৰা ঘৰৰ পৰাই হয়তো আমাৰ মেজিৰ ভেলাঘৰ হব পাৰে। পশ্চিম ভাৰতত ইয়াকে হোলিকা পোৰা বোলে। এই হোলিকা ৰাৱণৰ ভনীয়েক আছিল বুলি শুনা যায়। এইদৰে মেজি পোৰাৰ থাই উদ্দেশ্য পৃথিৱীৰ সাৰবৃদ্ধি কৰা বুলিও পণ্ডিত-

সকলে ভাবে। সেই কাৰণেই হবলা মেজিৰ আধাপোৰা বাঁহবোৰ আজিও লাগনি গছৰ মাজত আৰু খেতিৰ পথাৰত পুতি থোৱা নিয়ম আজিও চলি আহিছে।

মানুহৰ আদিম জীৱনত জুয়েই যে জীৱনৰ প্ৰধান সাৰথি আছিল সেই বিষয়ে সন্দেহ নাই। অগ্নিপূজা কেৱল যে আমাৰ ভৈয়ামৰ ৰাইজৰ মাজতেই প্ৰচলিত এনে নহয়, পৰ্ব্বতৰ জনজাতিসকলেও বিশেষভাবে অগ্নিক আদৰ কৰা দেখা যায়। মৰং ঘৰত একুৰা জুই সদায়ে জ্বলি থকা দেখা যায়। সি যি নহওক মেজিত অগ্নিপূজা শেষ কৰি পুণ্য মাঘ মাহক স্বাগত সম্ভাষণ জনাই গঞাজ্জাতি ৰাইজ সকলোটি ঘৰাঘৰি উলটি আহে। ঘৰত গুৰুজনক সেৱা-সৎকাৰ জনাই ভোগালী বিহুৰ ভোগৰ পৰ্ব্ব আৰম্ভ কৰে। এই পৰ্ব্বত থাকে নিজৰ খেতিত উৎপন্ন হোৱা ধান-চাউল, গুৰ-গাখীৰ, তিল-মাহ আদিৰে তৈয়াৰী নানা তৰহৰ চিৰা, পিঠা, লাৰু, এঠা দৈ আদি লোভনীয় জলপান। ঘৰৰ আই, বাই, ভনী আদিয়ে বিহুৰ আগ ৰাতি এপৰলৈ উজাগৰে থাকি আগৰ পৰা এইবোৰ যতনাই ৰাখে। এই পিঠা-পনা, চিৰা-সান্দহৰ মাজত কি এক স্বৰ্গীয় তৃপ্তি সোমাই আছে সেই কথা আজিৰ যুগৰ লুচি-ভাজি, সন্দেশ-ৰসগোল্লাৰ জুতি পোৱা জিভাই বিচাৰি পাব নোৱাৰে। কিন্তু জাতিৰ পিতা মহাত্মা গান্ধীয়ে ইয়াৰ মূল্য বুজি পাইছিল। সেই জন মহাপুৰুষে স্বদেশী পিন্ধন, স্বদেশী খাৱন আৰু স্বদেশী ৰীতি-নীতিক যোগ্যস্থান দিব জানিছিল।

বুৰঞ্জীয়ে কয়, পুৰণি কালত এই বিহু উৎসৱকে আলম লৈ অসমীয়া জাতিয়ে নিয়মিতভাৱে শাৰীৰিক শক্তিৰ চিনাকি দিছিল। বিহু উৎসৱত অসমীয়া ডেকাই মালযুঁজ, লৰ মৰা, জাপ মৰা, হিলৈ মৰা, কাৰ মৰা, তৰোৱাল চলোৱা, সাঁতোৰা, গছত উঠা আদি শাৰীৰিক বিদ্যাৰ প্ৰদৰ্শন কৰিছিল। তদুপৰি মহযুঁজ, শেনযুজ কুকুৰাযুঁজ আদিও পতা হৈছিল। বুৰঞ্জীৰ পাতত ৰজাদিনীয়া খেলধেমালিবোৰৰ বিস্তৰ উল্লেখ আছে। ৰংঘৰ, কাৰেংঘৰৰ সমুখত

থকা মুকলি খেলমাটিবোৰে পূৰণি অসমীয়াৰ বল-বীৰ্য্যৰ কথা আমাক সকীয়াই কব লাগিছে। সেইবোৰৰ পৰাই তেতিয়া যে অসমীয়া এটা জীয়া জাতি আছিল সেই কথা উপলব্ধি কৰিব পাৰি। সেই কাৰণে অৰ্থাৎ অসমীয়া জাতিয়ে এনেদৰে নিয়মিতভাবে শাৰীৰিক চৰ্চা কৰাৰ বাবে এদিন মোগলবিজয়ী জাতি হিচাপে পৰিগণিত হব পাৰিছিল আৰু ৰজা ৰামসিংহই মুক্তকণ্ঠে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল, প্ৰতি অসমীয়াই কাঁৰ মাৰিব পাৰে, হিলৈ মাৰিব পাৰে, নাও বাব জানে, মাটি খান্দিব পাৰে ইত্যাদি। সি যি নহওক আজিৰ ভোগালী বিহুত আমি তাহানিৰ দৰে সকলোবিলাক খেলধেমালি সজীৱ হৈ থকা দেখা নেপাওঁ। তথাপি আজিও আমাৰ গাঁৱৰ ডেকা-লৰাই মাঘ বিহুত লৰাধাপৰা, সাঁতোৰা, জপিওৱা খেল খেলে, কণী যুঁজায়। বৰ্ত্তমানে স্বাধীন ভাৰতত খেল-ধেমালিবোৰে বিশেষভাবে প্ৰাধান্য লাভ কৰাটো সন্তোষৰ বিষয়। আমি আশা কৰোঁ বিহুৰ খেলধেমালিবোৰকো যথোচিত সমাদৰ দেখুৱাই মৰিবলৈ ভয় নোহোৱা সুহৃত্তৰ পানৰ ডেকা লৰাই জীৱন-যুদ্ধত জয় লাভ কৰি আগবাঢ়ি যাবলৈ সমৰ্থ হব।

শীতল সমীৰে ঘৰে ঘৰে ফুৰে
ভোগৰ বতৰা কই—
আজি এটি বাৰ তাঁহি লোৱা ভাই
সকলো বিবাদ থই।
ভোজ-ভাত খাই ৰং-ধেমালিৰে
কটাই সুখৰ ৰাতি,
বিহুক আদৰি আনাচো সৱাই
নিলি যত গঞা-জ্ঞাতি।
হিংসা-দ্বেষ হাই পুৰি হক ছাই
অলক সহস্ৰ মেজি—
ভোগালী বিহুৰ ভোগা স্বৰ্গসুখ
পাথৰ বাসনা তেজি।

( ২ )

মাঘ বিহুৰ মাজত আৰ্য্য জাতিৰ অতীত-যুগৰ অস্পষ্ট বুৰঞ্জী লুকাই থকা বুলি পণ্ডিতসকলে অনুমান কৰিবৰ কেইবাটাও কাৰণ আছে।

প্ৰথমতে উত্তৰায়ণ-সংক্ৰান্তিত বা তাৰ ওচৰাউচৰি সময়ত উত্তৰ গোলাৰ্দ্ধত থকা আৰ্য্য জাতিৰ বংশধৰসকলৰ মাজত এটা নহয় এটা উৎসৱ থকা কথাৰ পৰা কোনো কোনো গৱেষকে আৰ্য্য জাতিৰ অতীত বসতি উত্তৰ মেৰু বা তাৰ নামনি ঠাইত আছিল বুলি অনুমান কৰিব খোজে। ছমাহ দিন, ছমাহ ৰাতিৰ এই অদ্ভুত দেশত উত্তৰায়ণ ক্ৰান্তি-পাতৰ লগে লগে যেতিয়া দীঘলীয়া ৰাতি পুৱাবৰ সূচনা হয়, আলোক-প্ৰাপ্তিৰ আনন্দপূৰ্ণ আশাই স্বভাৱতে মানুহৰ প্ৰাণত এটা অভিনৱ স্পন্দন তোলে। সিয়েই উৎসৱ ৰূপে বাহিৰত নানাৰূপে প্ৰকাশ পাইছিল। পিছৰ কালত সেই অদ্ভুত দেশৰ পৰা দিন-ৰাতিৰ দেশলৈ নামি আহোঁতেও লগত কৌটীকলীয়া প্ৰথাবোৰো লৈ আহিছিল। উত্তৰ মেৰুত থকা কালত উত্তৰায়ণৰ পিছৰ পোহৰৰ মাহ কেইটা মঙ্গলজনক বুলি যেনেকৈ ভাবিছিল, ভাৰতবৰ্ষৰ আৰ্য্যবিলাকেও পিছৰ কালত ভাৰতত থাকিও এই কালডোখৰ সকলো বিষয়ে শুভ বুলি গণি আহিছিল। আনকি উত্তৰায়ণৰ মাহ কেইটাৰ ভিতৰত মৃত্যু হলেও আলোকৰ বাটেদি আনন্দময় ধামলৈ মৃতকৰ আত্মাই গতি কৰে বুলি বিশ্বাস কৰিছিল।

দ্বিতীয়তে আৰ্য্য-সভ্যতাৰ আন এটা প্ৰাচীন লক্ষণ হৈছে কৃষি। কৃষিৰ শেষত লখিমী ঘৰ চপাৰ পিছতে দীঘলীয়া পৰিশ্ৰমৰ সাফল্যই আশা-আকাঙ্ক্ষাৰ ভীতিচঞ্চল মনত যেতিয়া নিশ্চিন্ত আনন্দ দান কৰে, সমাজৰ মাজত আপোনাআপুনি আমোদপ্ৰমোদৰ ধল উঠে। সেই বাবেই কৃষি সমাপ্তিৰ লগে লগে প্ৰায় দেশতে সকলো খেতিয়ক সমাজতে একপ্ৰকাৰ উৎসৱ চলিছিল আৰু আজিকোপতি চলি আহিছে।

তাহানিও আৰু আজিও অসম খেতিৰ দেশ। এতেকে অসমত মাঘ বিহু এটা উৎসৱ মাথোন হৈ নেথাকি ভোগালী বিহু বুলি আদৰৰ

হৈ পৰিছে। মূলতে কৃষিলক্ষ্মীৰ আগমনী উছৱ হলেও, অসমৰ মাঘ বিহু কেৱল এটা কৃষি-উৎসৱেই হৈ থকা নাই আৰু কোনো অসমীয়াই ভোগালী বিহুক অকল এই দৃষ্টিৰে নেচায়ো। কৃষি-লক্ষ্মীৰ আগমন উপলক্ষ্য হোৱাত সাৰ্ব্বজনীন হ'ল সঁচা কিন্তু স্বাস্থ্য আৰু শাৰীৰিক কাৰণত সৰ্ব্বৰহী হৈ পৰিল, লগতে ধৰ্ম্মৰ বোল লাগি মহীয়ান ৰূপ ললে। এক কথাত মাঘ বিহু অসমীয়াৰ মন, দেহ আৰু আত্মাৰ প্ৰয়োজনৰ ওপৰত প্ৰতিষ্ঠিত। আন দুটা বিহুৱে এই আটাই কেইটা প্ৰয়োজন সাধিব পৰা বুলি দাবী কৰিব নোৱাৰে।

পুহৰ শেহত সোণালী লখিমীৰে খেতিয়কৰ ভঁৰাল মেটমৰা হৈ পৰে। উভৈনদী কালত কোনো বস্তুলৈকে মোহ নেথাকে গতিকে গৃহস্থই উলিয়াই দিবলৈ হাত টানি নধৰে, ঘৈণীয়েও মনে অটাকৈ জলপান কৰে। বহাগত কিন্তু ভঁৰাল আধা খীণাই যায়, কোনো কোনোৰ বা উদি হবৰে উপক্ৰম হয় গতিকে গৃহস্থই টান পায় সৰহীয়া ধান উলিয়াই দিবলৈ, ঘৈণীয়েও উপচি পৰাকৈ জলপান কৰিবলৈ আগপিছ গুণে। লগে লগে পুহত পেৰা ন গুৰৰ সুৱদি গোন্ধ মাৰ যায়, বৰা চাউলৰ আধা কমি আহে, তিলো পুৰণি হয়। এতেকে প্ৰাচুৰ্য্যৰ আনন্দই মাঘ বিহুৰ মানসিক প্ৰয়োজন। সেই বাবেই মাঘৰ বিহু ভোগালী।

মাঘত প্ৰকৃতিৰ প্ৰাচুৰ্য্যৰ পৰিবৰ্ত্তে বহাগৰ প্ৰকৃতিৰ সৌন্দৰ্য্যই এই মানসিক প্ৰয়োজন সাধন কৰে। মাঘত প্ৰাচুৰ্য্য, বহাগত সৌন্দৰ্য্য। মাঘত ফল, বহাগত ফুল। সেই বাবেই মাঘত ভোগ, বহাগত ৰং।

মাঘৰ বিহুৰ আন এটা বৈশিষ্ট্য শৰীৰ-চৰ্চ্চা আৰু শক্তি পৰীক্ষা। বিনোদ-হিচাপে শৰীৰ চৰ্চ্চাৰ উপযুক্ত সময় অবসৰপূৰ্ণ জাৰৰ দিন মাঘত। সেইদেখি মাঘৰ বিহুতে অসমীয়া ডেকাই মালযুঁজ কৰে, মহ যুঁজায় আৰু হাতীকো পৰস্পৰ লগাই চায়। এই খেলবোৰ এদিন অসমীয়া পাইক-কাঁৰীৰ পৰা ডা-ডাঙৰীয়া ৰজালৈকে সকলোৰে সৰ্ব্বৰহী খেল আছিল। লুইতৰ বালিত মুকলি ওখ চাপৰিত এমাহ আগৰে পৰাই এদিন অসমীয়া ডেকাই আখৰা পাতিছিল, ঘৰত মাক-বাপেকেও নেযাবি

বুলি হাক নিদিছিল। আজি এই খেলবোৰ কৰোঁতাজনৰ কথা আছোক চাৰি দেখোঁতাজনকো খেদি বিচাৰিহে উলিয়াব লাগিব।

কণীযুজ ভাৰতৰ আন ঠাইত আছে নে নাই নেজানো। অসমত কণীযুজৰ প্ৰথাৰ পৰাই অনুমান হয় এসময়ত কণী অসমীয়া মানুহৰ মাছ-গাখীৰৰ দৰে প্ৰধান খাদ্যৰ ভিতৰুৱা আছিল।

মাঘ বিহুৰ আগনিশাই ভেলা বা মেজি ঘৰত সকলোৱে ৰাজহুৱা নামেৰে বিহুৰ আগমনি জনায়। পিছ-দিনা ঠেৰেঙা লগোৱা শীতৰ স্তব্ধ আকাশ চমকিত কৰি হৰিধ্বনিৰ যি ৰোল উঠে, গোটেই মাঘৰ মাহেক জুৰি অসমীয়াৰ গাঁৱে গাঁৱে এই ধ্বনিৰ শাম নেকাটে। মাঘ মাহত লৰা বুঢ়া তিৰোতাই নিতৌ প্ৰাতঃস্নান কৰি ঠেটুৰাই ধৰা জাৰকো লাজ দিয়ে। ইদিনৰ পিছত সিদিন ঘৰে ঘৰে পাল নাম পাতে। ইখন গাঁও এৰি সিখন গাঁৱত ৰাজহুৱা নামৰ দিন পৰে। ব্ৰাহ্মণ-ভোজন, ভকত-সেৱাত ইঘৰে সিঘৰৰ লগত অৰিয়াঅৰি লগায়। এই সকলোবোৰৰ কিন্তু ওৰা পাতি লয় বিহুৰ দিনাই। ধৰ্ম্ম-কৰ্ম্মৰ বাবেও এই মাঘৰ বিহুতে আৰম্ভ হোৱা মাহটোহে যেন অসমীয়াই বাছি লৈছে। মাঘ বিহুৱে আধ্যাত্মিক প্ৰয়োজন এই দৰেই সাধি আহিছে।

# বড়ো-কছাৰীসকলৰ বিহু

## মাঘ বিহু

বড়ো-কছাৰীসকলে মাঘ বিহুক দোমাসী বা দোমাহী বুলি কয় আৰু সেই দিনা যি মেজি পোৰা হয় তাক 'বিলাগুৰ' বুলি কয়। বড়ো-কছাৰীৰ এই দোমাহী-পৰ্ব্বৰ অনুষ্ঠানৰ পৰাই মাঘ বিহুৰ তাৎপৰ্য্য বিশেষকৈ উপলব্ধি কৰা যায়। কৃষি, গো-পালন আৰু কুটিৰ-শিল্পই বড়ো-কছাৰীসকলৰ মুখ্য জীৱনোপায় আছিল। গো-ধন বা গৰুৰ প্ৰতি এওঁলোকৰ অগাধ শ্ৰদ্ধা। এওঁলোকে গাইগৰুক শাউলী, ধাউলী ইত্যাদি মধুৰ নামেৰে মাতে। অতীতত প্ৰতি বড়ো পৰিয়ালে বহু সংখ্যক গৰু ৰাখিছিল। গো-ৰক্ষা কৰিবৰ কাৰণে প্ৰত্যেক গাঁৱত এওঁলোকৰ মাজত গৰখীয়া শ্ৰেণীৰ বেলেগ ব্যৱস্থা আছিল। গৰখীয়াক এওঁলোকে 'লাওখাৰ' বুলি কয়। 'লাওখাৰ' শ্ৰেণীক সমাজে শ্ৰদ্ধাৰ চকুৰে চাইছিল। কোনো এটা পুণ্য কাম কৰিবলৈ হলে এই 'লাওখাৰ'বিলাকৰ দ্বাৰাই কৰোৱা হৈছিল। 'লাওখাৰ'বিলাক অবিবাহিত অৱস্থাত থাকিছিল। এই 'লাওখাৰ'বিলাকৰ দলপতিক "লাওখাৰ গাহাই" বা বৰগৰখীয়া বুলি কোৱা হৈছিল। বড়োসকলে লাঠীক 'লাওঠি' বা 'লৰু' বুলি কয় আৰু 'খাৰ' শব্দৰ মানে লৰ মাৰি যোৱা। গতিকে 'লাওখাৰ' শব্দৰ দ্বাৰা যিজনে লাঠী বা লৰু লৈ লৰ মাৰি যায় তাক অৰ্থাৎ গৰখীয়াক বুজাইছে। 'ৰাখাল' শব্দটো এই 'লাওখাৰ' শব্দৰ পৰা হোৱাটো বিচিত্ৰ নহয়। সি যিকি নহওক বড়োসকলৰ এই দোমাহী বিশেষকৈ মেজি পোৰা কামটো এই গৰখীয়াবিলাকৰ দ্বাৰাহে অনুষ্ঠিত হৈছিল। প্ৰত্যেক গাঁৱৰ গৰখীয়াবিলাকে পথাৰত ধান কটা শেষ হৈ গলে—ধান চপাই লোৱাৰ লগে লগে নিজ নিজ গাঁৱত বাঁহ আৰু ধান-খেৰেৰে 'মেজি' বা 'বিলাগুৰ' তৈয়াৰ কৰিবলৈ আৰম্ভ কৰে আৰু এওঁলোকৰ বাদ্যযন্ত্ৰ 'বিণ্ডি' বা বীণা লৈ ৰাতি গাঁৱে গাঁৱে কণী, পইচা, চাউল মাগি ফুৰে। পুহ

মাহৰ শেষ দিনা ৰাতি গা ধুই উঠি মেজিত বা বিলাগুৰত জুই লগাই দি সমস্বৰে গো-ধন আৰু গাঁৱৰ মঙ্গল কামনা কৰে। তাৰ পিছ দিনা সকলোৱে মিলি ভোজ খায়। সেই দিনা ৰাতি প্ৰত্যেক বড়ো-পৰিয়ালে তিল, গুড়, পিঠাগুৰি আদিৰে নানা প্ৰকাৰৰ পিঠা ( চৌবায়, এনথাও, পিঠা ) তৈয়াৰ কৰাত লাগি যায়। মেজি বা বিলাগুৰ পুৰিবৰ সময়ত গৰখীয়াবিলাকে গাঁৱৰ আন আন লৰাৰে সৈতে জুইৰ আগত থিয় দি তলত লিখামতে প্ৰাৰ্থনা বা মঙ্গল কামনা কৰে। 'লাওথাৰ গাহাই' বা বৰগৰখীয়াই কৈ যায় আৰু বাকী গৰখীয়াবিলাকে গাঁৱৰ আন আন লৰাবিলাকৰে সৈতে সমস্বৰে প্ৰাৰ্থনা কৰে—

(১) "জৈ, জৈ, জৈ ;—জোংনি লাগোনি জৈ।"

অৰ্থ—জয়, জয়, জয়,—আমাৰ গাঁৱৰ জয়।

(২) "খীলানি ৰোগ-বিয়াদি খীলাহা থাংথোং—
সোনাব্‌নি ৰোগ-বিয়াদি সোনাব্‌হা থাংথোং—
স্বাহানি ৰোগ-বিয়াদি স্বাহা থাংথোং—
সান্‌জানি ৰোগ-বিয়াদি সানজাহা থাংথোং—
জোংনি লাগোয়া মায়ৈ ডৈয়ৈ জৈ-জৈ মৈ-মৈ জাথোং।

অৰ্থ—দক্ষিণ ফালৰ ৰোগ-ব্যাধি দক্ষিণ ফালে যাওক।
পশ্চিম ফালৰ ৰোগ-ব্যাধি পশ্চিম ফালে যাওক।
উত্তৰ ফালৰ ৰোগ-ব্যাধি উত্তৰ ফালে যাওক।
পূৱফালৰ ৰোগ-ব্যাধি পূৱফালে যাওক।
ধনে-ধানে আমাৰ গাঁৱৰ জয়জয় ময়ময় হওক।

(৩) "জোংনি লাগোনি মোসোয়া গাওা ফিছাবাদি,
মৈদেৰ ফিছাবাদি চক্ৰ-বক্ৰ গেদেৎ বোলোগোবা
জাথোং, যায় মানসিয়া জোংনি মোসোয়া মায়
জায়ালাবানো মায় জাদোং হন্‌নানৈ জোংনো
বুথ্‌ৰ্‌ বুথ্‌ৰ্‌ থালাম্‌দোংমোংন বি মানসিহা
নিদানৈনো দিন থাংথোং।"

অৰ্থ—আমাৰ গাঁৱৰ গৰুবিলাক গঁড় আৰু হাতীৰ পোৱালীৰ নিচিনা লোদোৰপোদোৰ, ডাঙৰ, শক্তিমান হৈ উঠক। যি মানুহে আমাৰ গৰুৱে ধান নোখোৱাকৈ ধান খোৱা বুলি আমাক মাৰধৰ কৰিছিল তাৰ নিদানতে দিন যাওক।

(৪) "জৈ, জৈ, জৈ জোংনি লাগোৰি জৈ।"

অৰ্থ—জয়, জয়, জয়, আমাৰ গাঁৱৰ জয়।

এয়ে হ'ল বড়ো-কছাৰীসকলৰ মেজি বা বিলাগুৰ পোৰা উছৱ। সেয়ে দেখা যায় ধান বা লক্ষ্মীক পথাৰৰ পৰা চপাই লোৱাৰ পিছত ভোগ কৰাৰ লগে লগে গাঁৱৰ আৰু গো-ধনৰ মঙ্গল কামনা কৰাই বড়ো-কছাৰীসকলৰ এই মাঘ বিহুৰ প্ৰধান উদ্দেশ্য। বড়ো-কছাৰীসকলে ধানক 'মায়' বুলি কয় আৰু লক্ষ্মীক 'মায়নাও' বুলি কয়। ধানক এওঁলোকে লক্ষ্মীৰূপে অতীব শ্ৰদ্ধা কৰে। বড়োসকলে season বা ঋতুক 'বথৰ' বুলি কয়। এওঁলোকৰ বছৰৰ ঋতু তিনিটা—'উদাং বথৰ' (উদং বতৰ), 'গোলাম্ বথৰ (জহ কাল), 'গোজাং বথৰ' (শীত কাল)। ইয়াৰ বাহিৰেও বছৰৰ ভিতৰত দুটা ডাঙৰ কাল এওঁলোকে নিৰ্ণয় কৰে, যেনে 'সান্‌বা গোলাও' (দীঘল দিন) আৰু 'সান্‌বা গুচুং' (চুটি দিন)।

মেজি বা বিলাগুৰ পুৰি মঙ্গল কামনা কৰাৰ পিছ দিনাৰ পৰাই এওঁলোকৰ 'উদাং বথৰ' আৰু 'সান্‌বা গোলাও' বা দীঘল দিন আৰম্ভ হয়। 'উদাং' মানে বড়ো ভাষাত মুক্ত বা খোলা। এই 'উদাং' বতৰৰ কালছোৱাত পথাৰত গৰু এৰি মুকলি কৰি দিয়া হয় আৰু গৰখীয়া-বিলাকেও দিনত আৰু গৰু ৰখিব নেলাগে। 'উদাং বথৰ' শেষ হৈ গলে চ'ত, বহাগত খেতি আৰম্ভ কৰে।

গধূলি লগনত 'লাওখাৰ' বা গৰখীয়াবিলাক পথাৰৰ পৰা যেতিয়া ঘৰলৈ গৰুৰ জাক খেদি ধূলি উকৰাই লৈ যায় তেতিয়া সিহঁতে নানান ছেও ধৰি সমস্বৰে "ছেংয়ে ছেংয়ে; হৈ! হৈ!!" গীত গাই গাই যায়। এই গীতক বড়ো-কছাৰীসকলে "ছেংয়ে" বুলি কয়।

## বহাগ বিহু

বড়ো-কছাৰীসকলে ৰঙালী বিহু বা বহাগ বিহুক "বৗইছাগু" বুলি কয়। তেওঁলোকে চ'তৰ দোমাহীৰ ৰাতিপুৱা গৰুক গা ধুৱায়। গা ধুৱাবলৈ পুখুৰী বা নৈলৈ নিয়াৰ আগতে তেওঁলোকে গোহালিত থকা প্ৰতিটো গৰুৰ শিং আৰু খুড়াত মিঠাতেল ঘহে আৰু ভাতৰ চৰুৰ ক'লা ছাই মিঠাতেলৰ লগত মিহলাই এড়া গছৰ ঠাৰি বা তেনে ধৰণৰ বাঁহৰ চুঙাৰে গৰুৰ গোটেই গাতে ফুট ফুটকৈ দাগ দিয়ে। তাৰ পিছত আগদিনাই চকল চকলকৈ কাটি থোৱা লাও-বেঙেনাৰ মালা কেধাৰমান হাতত লৈ গোহালিৰ গৰুবোৰক মুকলি কৰি দি দীঘলতি আৰু 'মখনা' গছৰ ডালেৰে কোবাই কোবাই গা ধুৱাবলৈ খেদি লৈ যায়। মালাৰ পৰা দুই এচকল লাও-বেঙেনা উলিয়াই গৰুৰ গালৈ মাৰি পঠিয়ায় আৰু গীত গাই গাই ৰংৰহইচ কৰি গৰু-গাইবোৰক গা ধুৱায়গৈ। বিহুৰ দিনা হেনো দীঘলতিয়েই গৰুৰ ঔষধ। এই ঔষধৰ গুণত গৰুবিলাকে বেছিকৈ গাখীৰ দিব পৰা হব বুলি তেওঁলোকে ভাবে। দীঘলতিৰ ঘন ঘন গাঠিৰ লগত ছন্দ মিলাই তেওঁলোকে গোৱা গীতত গৰু গাইবোৰ বলদৰ দৰে ডাঙৰ আৰু বলবান হব বুলি আশা প্ৰকাশ কৰা হয়। গীতত আৰু কোৱা হয় তেওঁলোকৰ গৰুবোৰ চুটি চাপৰ কুজা কেকোৰা নহব আৰু পালৰ ভিতৰত শ্ৰেষ্ঠ যুজাৰু হব। সেই দিনাৰ দিনটোক গৰুক গা ধুউৱা দিন বুলি ধৰি লোৱা হয়। তদুপৰি আগন্তুক নতুন বছৰৰ উছৱৰ বাবে গোহালিৰ পৰা আখল ঘৰৰ চৰু-হাড়িলৈকে নকৈ সলোৱা হয়। বুঢ়া-মেথা, লৰা-ছোৱালী, মতা-তিৰোতা সকলোলৈকে নতুন কাপোৰ আগবঢ়োৱা হয়। গাঁৱৰ প্ৰণয়িনী ৰাংচালী গাভৰুহঁতেও নানাপ্ৰকাৰ ৰংবেৰঙৰ ফুল থকা চেলেং কাপোৰ গাত লৈ লগৰীহঁতৰ লগত জাক পাতেগৈ। জুম বান্ধি প্ৰিয়জনক নতুন বছৰৰ বিহু উছৱত নতুন কাপোৰ উপহাৰ দিবলৈ সহায় বিচাৰেগৈ। সেই দিনৰ দিনটো তেনেকৈয়ে যায়।

পিছ দিনা বিহুৰ প্ৰথম দিন। ৰাতিপুৱাই শুদ্ধ নিষ্ঠাৰে তেওঁলোকে বুঢ়াবাথৌ মহাৰজা দেৱাদিদেৱ ঘৰৰ দেৱতাক প্ৰথমে পূজা দিয়ে। তাৰ

পিছত চোতালত মৃত উপৰিপুৰুষসকলক ভক্তিভাৱে স্মৰণ কৰি বছেৰেকত আয় হোৱা বস্তু বাহানিৰ দ্বাৰা মদ খোৱাক মদ, চাহপানী খোৱাক চাহপানী আৰু সান্দহ-পিঠা তৈয়াৰ কৰি নিষ্ঠাৰে আগবঢ়ায়। অলপ দিনৰ আগতে পৰলোক হোৱা মৃতকজনলৈ ঘৰৰ পোহনীয়া জীৱজন্তুৰ প্ৰতি আশা বৈ যোৱা বুলি ভাবি তেওঁলোকৰ উদ্দেশ্যে মঙহ ভাজি আগবঢ়োৱা দেখা যায়। সিফালেদি ঘৰৰ ভিতৰতো 'খুংখা' তিতা নামৰ এবিধ শাকৰ লগত কুকুৰা চৰাইৰ মঙহ ভাজি ঘৰৰ প্ৰতি জনকে আৰু তাত উপস্থিত থকা মানুহকো একো খামোচকৈ খাবলৈ দিয়া হয়। গাঁৱৰ বুঢ়ামেথা আহিলে তেওঁলোকক সোধপোছ কৰিবলৈ তাৰে কিছু অংশ বাকী ৰখা হয়। সেই দিনা ঘৰৰ নবোৱাৰীয়ে গিৰিয়েকক লগত লৈ মাকৰ ঘৰলৈ যাবলৈ ওলায়। গিৰিয়েকজনেও শহুৰ-শাহুক উপযুক্ত জোঁৱায়েক বুলি চিনাকি দিব পৰাকৈ সাজপাৰ কৰি যায়। গাঁৱৰ বুঢ়াবুঢ়ীহঁতেও প্ৰথম দিনৰ বিহুৰ প্ৰথামতে ইঘৰ সিঘৰ কৰি ফুৰি মদ আৰু খুংখাৰ লগত ভজা কুকুৰাৰ মঙহ খাই ফুৰে। ওচৰকাষৰীয়া গাঁওত সংক্ৰামক ৰোগ হোৱা শুনিলে তেওঁলোকে গাঁৱৰ ডেকা-গাভৰুহঁতক তালৈ যাবলৈ হাক দিয়ে। সন্ধিয়াৰ সময়ত বয়সিয়াল মতা মানুহবিলাকৰ দুই এজনে মদ খায় নাচবাগ কৰে। এনেকৈ নাচ আৰম্ভ কৰাৰ লগে লগে সেই দিনাৰ বিহু ভেনেকৈয়ে পাৰ হৈ যায়।

তাৰ পিছ দিনা বিহুৰ দ্বিতীয় দিন। বড়োকছাৰীসকলৰ মতে সেই দিনাহে বিহুৰ ভৰপক। তেওঁলোকে সেই দিনা প্ৰতি ঘৰে ঘৰে বিহুৰ উজান দি উঠে। ডেকাবিলাকে বাঁহী (ছিফুং), মাদল (খাম), মঞ্জুৰী (জোথা) বীণ (বিডি—চাপৰি বজাবলৈ বাঁহ ফালি সজা এবিধ বাদ্য) আৰু গাভৰুবিলাকে গগনা (গং গোনা) আদি নানা তৰহৰ বাদ্য লৈ দল বান্ধি নানাপ্ৰকাৰ গীত গাই ফুৰে।

---

# মিৰিসকলৰ বিহু

## ধান বোৱা বিহু

ধান ববলৈ আৰম্ভ কৰাৰ আগতে মিৰিসকলে বছৰি এটা বিহু পাতে। সেই বিহুক তেওঁলোকে আলি-আই-লিগাং বা চমুকৈ লিগাং বিহু বুলি কয়। লিগাং শব্দৰ অৰ্থ মুঠি লোৱা বা ধান ববলৈ যাত্ৰা কৰা। এই লিগাং বিহুক সম্পূৰ্ণৰূপে বিহু নুবুলি এটা পৰ্ব্ব দিন বুলিও কব পাৰি। কিয়নো সেই দিনটোত তেওঁলোকৰ সমাজৰ এটা ধৰ্ম্ম ভাব আৰু আদিম বিশ্বাস জড়িত আছে।

অতীজত গৰু-ম'হৰ ব্যৱহাৰ জনাৰ আগতে কোৰেৰে মাটি চহাই খেতি কৰিছিল কাৰণে মিৰিসকলে লিগাং বিহুত কোৰ কেইখনক ক'লা আপং বা ছাই ফটিকা খুৱায়। কোৰ কেইখনত কৌপাত বান্ধি বাটিৰ নিচিনা কৰি তাতে আপং ঢালি দিয়ে। লিগাং বিহুৰ ৰাতিপুৱা কুকুৰা-ডাকতে প্ৰতি ঘৰত বৰকাঁহ বাজি উঠে। তেওঁলোকৰ বিশ্বাস বৰকাঁহৰ মাত শুনি মেঘ-দেৱতাই সাৰ পাব, পৃথিৱী শস্যশ্যামলা কৰিবলৈ বৰষুণ নামি আহিব।

লিগাং বিহু পতিবলৈকো প্ৰথমতে গাঁৱৰ ডেকা গাভৰুসকলেই আলোচনা কৰি দিন স্থিৰ কৰে। সাধাৰণতে মাঘ মাহৰ আঁউসীৰ আগৰ বুধবাৰতে পাতিলেই ধান বোৱাত সুবিধা হয়। বুধবাৰটোক তেওঁলোকে লক্ষ্মীবাৰ বুলি মানে। লিগাং বিহু পতাৰ আগতে ডেকা-গাভৰুসকলে গাঁৱৰ সমৰ্থ মানুহ এঘৰত এদিন ৰাতি মানুহ-দুনুহ শোৱাৰ পিছত দুৱাৰমুখতে এটা শিলগুটি সৰু টোম এটাত ভৰাই আঁৰি থৈ আহে। পিছ দিনা গৃহস্থই ঘৰৰ পৰা ওলায়েই টোমটো দেখা পালেই বুজিব পাৰে যে গঞাই তেওঁলোকৰ ঘৰত সমূহীয়া লিগাং বিহু পাতিবলৈ বিচাৰিছে। গৃহস্থজনৰ ইচ্ছা থাকিলে তেওঁ ৰাইজক মাতি পাত-পচলা আদি অনাত সহায় কৰিবলৈ ভাৰসা কৰিব আৰু যদি সমৰ্থ নহয় ৰাইজক জনাই দিব।

তেতিয়া ডেকা-গাভৰুসকলে আকৌ আন এঘৰত লিগাং বিচাৰিব। লিগাং পাতিবলৈ দিয়া মানুহে গোটেই গাঁৱৰ ৰাইজে খাব পৰাকৈ গাহৰি আৰু ভাত আপঙৰ দিহা কৰিব লাগিব।

নিৰ্দ্দিষ্ট দিনত লিগাং বিহু পাতিবলৈ লোৱা মানুহ ঘৰৰ চোতালত এযোৰ খুটি পুতি ওপৰত ডাং দি বৰকাঁহ আঁৰি দিয়া হয়। সেই দিনা গধূলিৰ পৰাই বিহু আৰম্ভ হয় যদিও পিছ দিনা বৃহস্পতিবাৰেহে ওৰে দিন বিহু পতা হয়। বৰকাঁহ আঁৰি থোৱা খুটি দুটাৰ চাৰিওফালে ঘূৰি ঘূৰি লিগাং বিহুৰ নাচ দিয়ে। সেই দিনাই ৰাইজেও ভোজ-ভাত খায়। ওৰে দিন বিহু মৰাৰ পিছতো বহু ৰাতিলৈকে বিহু চলি থাকে। এই বিহুত লৰা, বুঢ়া, ডেকা, জীয়ৰী, বোৱাৰী সকলোৱে “গাপা” আৰু “গাৰে” নামৰ নিজে তৈয়াৰ কৰা বস্ত্ৰ পিন্ধি নাচে। তেওঁলোকৰ বিশ্বাস যে নাচি নাচি তেওঁলোকে বসুমতীক সন্তুষ্ট কৰিব আৰু সেই বিহু পতা ঘৰলৈ আৰু গাঁৱলৈ লক্ষ্মী দেৱীক আদৰি মাতি আনিব। সেই কাৰণে বিহুত কংকাল পৰা বুঢ়ীবো গা উঠি আহে আৰু এপাক দি নিজৰ মনোবাঞ্ছা পূৰ্ণ কৰে।

লিগাং বিহুৰ দিনা অৰ্থাৎ নিৰ্দ্দিষ্ট বুধবাৰে ৰাতিপুৱা পৰাপক্ষত ঘৰৰ ঘাই তিৰোতা গৰাকীয়েই হোৰাত কেইটামান ধান, এটা খিলা, এটা শিলগুটি আৰু হাতত এখন কোৰ লৈ পথাৰলৈ যায়। পথাৰৰ এচুকত অলপমান ঠাই কুৰি লৈ তাতে “গুৰুক দিম, ভকতক দিম, গাধ শৰীৰক পূজিম” বুলি কৈ ধানৰ কঠীয়া সিঁচি দিয়ে আৰু উপৰিপুৰুষসকলক “ৰবা বান্দৰ, পোক-পৰুৱা নেমেলিবা” বুলি প্ৰাৰ্থনা জনাই ঘৰলৈ গুচি আহে আৰু পথাৰৰ পৰা আনি থোৱা কোৰ কেইখনক আগেয়ে উল্লেখ কৰা ব্যৱহাৰে আপং খুৱায়। সেই দিনা আত্মীয়স্বজন আৰু অওহী-বওহীসকলে ইজনে সিজনক নিমন্ত্ৰণ কৰি বিহু খুৱায় আৰু গধূলিৰ পৰা লিগাং বিহু দিয়া মানুহ ঘৰৰ চোতালত বিহু আৰম্ভ কৰে। কোনো বছৰত লিগাং বিহু দিবলৈ কোনো এজনো মানুহ যদি সমৰ্থ নহয়, তেতিয়া ঘৰে ঘৰেই তেওঁলোকে ঢোল, তাল আৰু বৰকাঁহ লৈ যথা

নিয়মে গোমৰাগ ঢোলৰ বাজনাৰে বিহু পাতি যায় আৰু প্ৰতি ঘৰে যি পাৰে বিহুৱা দলক খুৱাই সন্তুষ্ট কৰি পঠিয়ায়। এইদৰেই মিৰিসমাজে বছৰি বছৰি আলি-আই-লিগাং বা ধানবোৱা বিহু পাতি তেওঁলোকৰ কাম্য পৃথিৱীক চিৰসেউজীয়া কৰি ৰাখে।

## নৰাছিগা বিহু

মিৰিসকলে সাধাৰণতে চাপৰি মাটিত বাস কৰে। সেই কাৰণে ধানৰ ভিতৰত তেওঁলোকে আহু ধানৰ খেতিকেই বেছিকৈ কৰে। আহু ধান ভাদ মাহত চপোৱা শেষ হয়। গতিকে খেতি চপাই শেষ কৰি আহিন-কাতি-মহীয়া তেওঁলোকে নৰাছিগা বিহু পাতে। তেওঁলোকৰ মতে এই বিহুৰ নাম 'প-ৰাগ', নৰা ছিঙি অৰ্থাৎ ধান কাটি শেষ কৰি পাতে কাৰণেই এই বিহুক অসমীয়াত নৰাছিগা বিহু বুলি কোৱা হয়।

প-ৰাগ বা নৰাছিগা বিহু মিৰিসকলৰ এটা ডাঙৰ জাতীয় উৎসৱ আৰু জাতীয় কৃষ্টি-বিকাশৰ এটা ডাঙৰ স্থল। মৰংঘৰ নামে এটা ৰাজহুৱা ঘৰত নৰাছিগা বিহু অনুষ্ঠিত হয়। চিত্ৰবিচিত্ৰ ফুলকটা চাঙেৰে সৈতে মুকলি ঠাইত মৰংঘৰ সজা হয়। এই মৰংঘৰেই নৰাছিগা বিহুত মিৰি ডেকা-গাভৰুৰ মন খুলি নাচ-ধেমালি কৰাৰ ঠাই। নৰাছিগা বিহু পতাৰ আগতে ডেকা-গাভৰুৰ এখন মেল হয়। সেই মেলত সৰ্ব্বসম্মতিক্ৰমে বিষয়ববীয়া নিৰ্ব্বাচিত হয়। ডেকা-গাভৰুৰ সকলো দোষ বিচাৰ কৰিবৰ বাবে বৰমূৰীয়া চাই এজন 'সোধৰ বৰা' নিৰ্ব্বাচিত হয়। ডেকাসকলক চলাই লৈ ফুৰিবৰ বাবে এজন 'ডেকা বৰা', ছোৱালীৰ বাবে 'তিৰী বৰা', ঢুলীয়া গোটাই দিবৰ বাবে 'ঢুলীয়া বৰা', ডেকা-গাভৰু গোটাই অনা আৰু সকলো ধৰণৰ বা-বতৰা ৰাখিবৰ বাবে বাৰিক, টেকেলা আদি পাতি লোৱা হয়। গাভৰু-সকলৰ মাজৰ পৰাও বৰমূৰীয়া সন্মান দি পাটগিৰী আৰু বৰাণী পাতি লোৱা হয়। ডেকাৰেই হওক বা গাভৰুৰেই হওক, বৰমূৰীয়াসকলক বাকী ডেকা-গাভৰুৱে মানি চলিব লাগিব। যদি কোনো ডেকা-গাভৰুৱে

অমান্য কৰে, কিম্বা বিষয়ববীয়াসকলেও যদি নিজৰ কৰ্ত্তব্যত অৱহেলা কৰে, তেতিয়া সোধৰ বৰাই বিচাৰ কৰি উপযুক্ত দণ্ড বিধান কৰিব।

এখন গাঁৱত নৰাছিগা বিহু পাতিবলৈ আৰম্ভ কৰাৰ আগতেই সেইখন গাঁৱৰ ডেকা-গাভৰুৱে গোট খাই কোনখন গাঁৱৰ ডেকা-গাভৰুক নিমন্ত্ৰিত বিশেষ অতিথি হিচাপে মাতিব ঠিক কৰে। বিশেষভাবে নিমন্ত্ৰিত ডেকা-গাভৰুৰ দলটোক 'মিনম্' বুলি কোৱা হয়। সেই মিনম্ দলতো ডেকা বৰা, তিৰী বৰা গাভৰুৰ ভিতৰত পাটগিৰা আৰু বৰানী থাকে। সেই চাৰিও গৰাকী বিষয়ববীয়াই নিমন্ত্ৰণ কৰোঁতা দলৰ পৰা বিশেষ সন্মান লাভ কৰে। বিহুৰ আগদিনাই মিনম্ দলটো নিমন্ত্ৰণকাৰীসকলৰ গাঁৱত উপস্থিত হ'ব লাগে। তেওঁলোকক আদৰি নিবৰ বাবে বিহুতলীলৈ অহা বাটত কেইবাটাও বাটঘৰ সজাই ৰখা হয়। গোটেই বাটটোত কলপুলি পুতি নিমন্ত্ৰণকাৰী দলে মিনম্ দলক আদৰিবলৈ সাজু হৈ থাকে। মিনম্ দল আহি প্ৰথম বাটঘৰ পোৱাৰ লগে লগেই বিহুপতা ডেকা বৰা তিৰী বৰা, আৰু পাটগিৰী বৰানীয়ে তেওঁলোকৰ ডেকা বৰা, তিৰী বৰা আৰু পাটগিৰী বৰানীক যথাবিহিত সন্মানেৰে আদৰণি জনায়। বিহুতলী পোৱাৰ আগমুহূৰ্ত্তলৈকে নৃত্য-গীতেৰে উলহমালহৰ মাজেদি মিনম্ দলক আদৰি নিয়া হয়।

নৃত্য-গীতত কৃতিত্ব দেখুৱাব পৰাটোৱেই মিনম্ দলৰ বিশেষত্ব। ৰাইজক যিমানেই আমোদ দিব পাৰে সিমানেই মিনম্ দল প্ৰশংসাৰ পাত্ৰ হয়। নৰাছিগা বিহুলৈ গাঁৱৰ পৰা উলিয়াই দিয়া সকলো জীয়ৰী নিমন্ত্ৰিত হোৱাৰ বাহিৰেও যিমান অভহীবভহী থাকে সকলোকে নিমন্ত্ৰণ জনোৱা হয়। বিহুপতা ডেকা-গাভৰুসকলে মিনম্ দল গৈ পোৱাৰ লগে লগেই যাতে তেওঁলোকৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰিব পাৰে তাৰ কাৰণে সাজু থাকে। তেওঁলোকক খুৱাই-বুৱাই শেষ কৰাৰ পিছৰ পৰাই নাচ-ধেমালি আৰম্ভ হয়।

সেই দিনা বহুত ৰাতিলৈকে নাচ-ধেমালি কৰাৰ পিছত পিছ দিনা ৰাতিপুৱাৰ পৰাই আকৌ বিহু আৰম্ভ হয়। খোৱা-বোৱাৰ সময়খিনি বাদ দি ওৰে দিন আৰু সেই দিনাও বহুত ৰাতিলৈকে নাচ-ধেমালি চলিয়েই থাকে। এই বিহুৱেই হৈছে মিৰিসকলৰ নৃত্যগীতৰ পাৰস্পৰিক আদান-প্ৰদানৰ মাধ্যম। ইদলৰ ডেকাই সিদলৰ গাভৰুক আৰু সিদলৰ ডেকাই ইদলৰ গাভৰুক নচুওৱাৰ ঢোলৰ চেও আন ঠাইৰ গাভৰুৱে বুজিব পাৰে। এঠাইৰ নাচৰ মুদ্ৰা বা ভঙ্গিমা আন ঠাইৰ গাভৰুৱে আয়ত্ব কৰিব পাৰে। সাধাৰণতে কঁকালত হাত দি, মাজে মাজে হাত তুলি ঘূৰি ঘূৰি নচা নাচক 'পোৱাৰী' নাচ বুলি কয়। য'তে ত'তে নাচিব পাৰে কাৰণে পোহাৰী শব্দৰ পৰাই পোৱাৰী হৈছে। নানা ৰকমৰ ভঙ্গিমাৰে যেনে ধান ৰোৱা, কাপোৰ বোৱা আদি কৃষি বা ঘৰুৱা শিল্প আদিৰ বিষয় বুজাবলৈ নচা নাচক কে-চি-কেপাৰ নাচ বুলি কোৱা হয়। এই নাচবোৰত একালত অন্যান্য নৃত্যৰ আভাস আহি পৰাত আজিকালি এইবোৰ নাচক ন-কলী নাচো বোলে।

বিহু নভগালৈকে মিনম্ দলক গাহৰিৰ মঙহ আৰু আপঙেৰে ভোজ-ভাত খুৱাই থকা হয়। দ্বিতীয় দিনাই নৰাছিগা বিহুৰ ভৰপক নাচ-ধেমালি চলে। সেই দিনা বহুত ৰাতিলৈকে নাচ-ধেমালি কৰাৰ পিছত তৃতীয় দিনাও আকৌ ৰাতিপুৱাৰ পৰা বিহু আৰম্ভ হয়। সেই দিনা দুপৰীয়া খোৱা বোৱা কৰা সময়লৈকে বিহু হয়। খাইবৈ উঠাৰ পিছত মিনম্ দলে বিদায় লবলৈ আকৌ এবাৰ নাচ্-ধেমালি কৰে। তাক' পিম্পৰ-চ'-পাগ' নাচ বুলি কয়। সেই নাচৰ পিছতে নিমন্ত্ৰণকাৰী দলে মিনম্ দলক আদৰি অনাৰ দৰেই আকৌ উলহমালহৰ মাজেদি প্ৰথম তোৰণলৈকে যথাবিহিত নীতিৰে আগবঢ়াই বিদায় দি থৈ আহে। এই নৰাছিগা বিহুৰ যোগেদিয়েই মিৰি সমাজে নিজৰ কৃষ্টি-সংস্কৃতিৰ আদানপ্ৰদান কৰি তেওঁলোকৰ সামাজিক জীৱন সজীৱ আৰু ৰসাল কৰি ৰাখে

## ৰঙালী বিহু

বিহু-উৎসৱ পৰ্ব্বতীয়া কৃষ্টিয়েই হওক নাইবা ভৈয়ামীয়া কৃষ্টিয়েই হওক মুঠতে এই বিহু অসমীয়াৰ আৰু মিৰি সমাজৰ ভৈয়াঃবাসৰ আদিম যুগৰে আপুৰুগীয়া সম্পদ। মিৰিসকলে এই বিহু এনে মনপ্ৰাণ ঢালি পালন কৰে যে ইয়াক তেওঁলোকৰ স্বকীয়া বৈশিষ্ট্য বুলিও কব পাৰি। বিশেষকৈ তেওঁলোকৰ ৰঙালী বিহুৰ আদৰণি আৰু বিদায় অতি মৰ্ম্মস্পৰ্শী।

বিহু থাকে মানে বিহুকে বিনাবি
বিহু গলে বিবাবি কাক ?

বসন্ত কালত গছৰ ডালত কপৌফুল ফুলে। মিৰিজীয়ৰীয়ে তাৰে চানেকী লৈ সাজি লয় কপৌফুলীয়া বা-পুন অৰ্থাৎ কপৌ ফুলৰ নিচিনা উলৰ ফুল। কুলি-কেতেকীয়ে আকাশত বিনায়—মিৰিজীয়ৰীৰ প্ৰাণত তাৰ প্ৰতিধ্বনি উঠে—

পেত্তাং কাংহুৰ্ণে বেৰ্‌গ' বেৰ্‌গলা,
আচিনাং অহুৰ্ণে ৰংকি ৰংকিলা।।

ইয়াৰ অৰ্থ হৈছে ঃ—

আকাশত উৰি উৰি চৰায়ে বিনাইছে,
মোৰ মনটো কিহৰাই খুলি খুলি খাইছে।

প্ৰকৃত বিহু আহি পোৱাৰ বহু দিনৰ আগৰে পৰাই মিৰি ডেকা-গাভৰুৱে হুচৰিৰ আখৰা কৰে। হুচৰিৰ ঘোষা আৰু পদবোৰ অৱশ্যে মিৰি দোৱানেৰে ৰচা নহয়। কিন্তু বহুতো পদ তেওঁলোকৰ স্বৰচিত বুলি ধৰিব পাৰি। তেনেকুৱা বহুত পদ 'হুচৰী কীৰ্ত্তন' আদি কিতাপত পোৱা নেযায়।

ৰংপুৰৰ ৰঙা মণি
পিন্ধাই যাওঁ সৰু মাণ
ডিভিয়ো নধৰে মণি ঐ
গোৱিন্দাই ৰাম।

এনে ধৰণৰ পদবোৰ তাহানি কাৰেংঘৰৰ চোতালত স্বৰ্গদেউসকলৰ আগত গাবৰ কাৰণে খেও খুৱাই নিজে ৰচনা কৰা বুলি নোৱাৰি।

ৰঙালী বিহুৰ প্ৰথম দিনা গৰুক গা ধুউৱা, গৰুক মাহ-হালধি তেল-কুৰ সনা, নতুন তৰা-পখাৰে গৰু বন্ধা, সন্মানীজনক সন্মান কৰা আদি কাম মিৰি সমাজৰ মাজতো চলিত আছে। বিহুৰ দিনা আত্মীয়-স্বজনক মাতি খুউৱা আদি অন্যান্য প্ৰথাও অসমীয়া সমাজৰ পৰা বেলেগ নহয়। হুচৰি গোৱা নীতিও প্ৰায় একে। সাত দহ দিন জুৰি ঘৰে ঘৰে হুচৰি গোৱা নীতিও মিৰি সমাজৰ মাজত আছে। হুচৰি গোৱাৰ আগতে গাঁওখনৰ মুখিয়াল মানুহজনৰ চোতালত গোৱাৰ নিয়ম আছে। গাঁৱৰ গাম বা গাঁওবুঢ়া, সাতোলা বা সদাচাৰৰ ঘৰত গাই লৈহে আন মানুহৰ ঘৰত গাব পাৰি। নহলে গাঁৱৰ সন্মানী মানুহৰ সন্মানত আঘাত লাগে। আনফালে আকৌ গাঁৱৰ মুখিয়াল মানুহৰ অৰিহণাৰ অনুপাতেহে আন মানুহবিলাকে অৰিহণা দিয়ে। আনে বেছি অৰিহণা দিলে মুখিয়াল মানুহৰ সন্মান নষ্ট হোৱা বুলি ভবা হয়। সেই কাৰণে বিহুৱা দলটোৱে মুখিয়ালজনৰ চোতালত বহু পৰ ধেমালি কৰে আৰু পৰাপক্ষত বেছি আদায় কৰিবলৈ যত্ন কৰে। বিহুত ৰাইজৰ পদধূলি কামনা কৰি থকা গিৰিহঁতে বিহুৱাসকলক অসন্তুষ্ট কৰি পঠোৱাটো দোষৰ কথা বুলি ধৰা হয়। গতিকে গিৰিহঁতে বিহুৱাসকলক কাবৌকোকালি কৰি আগত শৰাই থৈহে আঠু লয়।

মিৰি-ডেকা গাভৰুৱে দিনৰ দিনটো বিহু মাৰিও মাজৰাতিলৈকে বিহু পাতিয়েই থাকে। মাজনিশা কোনো গৃহস্থ টোপনিত পৰিলেও চোতালত যদি হৰিধ্বনি আৰু ঢোলৰ মাত শুনে তেওঁ তেতিয়াই উঠি আহি বিহুৱা ৰাইজক সন্মান কৰিব লাগে। বিহুৰ সময়ত সেই কাম শান্তি ভঙ্গ কৰা বুলি ধৰা নহয়। সাধাৰণতে হুচৰি গাবৰ সময়ত গৃহস্থজনৰ কিবা পদবী থাকিলে সেই পদবী ধৰিহে কীৰ্ত্তন গায়। হাতীগিৰী হলে "হাতীগিৰীৰ ঘৰতে গাওঁ", মহগিৰী হলে "মহগিৰীৰ ঘৰতে গাওঁ" তিৰীবৰা, ডেকাবৰা আদি উপাধি থকা মানুহকো উপাধি ধৰিহে তেওঁলোকৰ চোতালত হুচৰি গায়। হুচৰিৰ প্ৰথম ষোৰাটো বা পদাখনি গৃহস্থজনৰ সন্তোষৰ কাৰণে গোৱা হয়।

"সাতোলাৰ পদূলিত ঐ ৰাম
গোন্ধাইছে মাধুৰী ঐ ৰাম
কেতেকী মলেমলায়,
গোপাল গোবিন্দ ৰাম।
শবদত শুনিছো ঐ ৰাম
তুমি ভাণ্ডৰীয়া ঐ ৰাম
ধনৰে কাৰেঙত বহে,
গোপাল গোবিন্দ ৰাম।"

এনে ধৰণৰ পদ গাই গৃহস্থৰ মনত সন্তোষ দিয়া হয়। কোনো পদবী থকা মানুহৰ চোতালত পদবী ধৰি হুচৰি কীৰ্ত্তন নেগালে সাধাৰণতে সেই গৃহস্থজন অসন্তুষ্ট হয়। সেই কাৰণে অচিনাকি গাঁৱত হুচৰি গাবলৈ গলেও বিহুৱা দলটোৱে সেই গাঁৱৰ মুখিয়াল কোন, কোন ঘৰ কি পদবী মানুহ প্ৰথমতে বিচাৰ কৰি লয়।

সাধাৰণতে এক গৃহস্থৰ চোতালত বিহুৱা দলে প্ৰথমতে হৰিধ্বনি কৰি তাৰ পিছত দুবাৰ হুচৰি পদ গায়। তাৰ পিছত আৱশ্যক অনুসাৰে যিমান পাৰে মুকলিকৈ নাচ-ধেমালি কৰে। হুচৰি গাই ধেমালি কৰা ক্ষেত্ৰত মিৰি সমাজৰ ডেকা-গাভৰু উভয়েই যোগ দিয়ে। বাদ্য বজোৱাৰ ভাৰ ডেকা আৰু নাচৰ ভাৰ গাভৰুৰ। নাম গোৱা আৰু গগনা বজোৱাত গাভৰুৱেও ভাগ লব পাৰে। ঢোল, তাল, পেঁপা বজোৱা ডেকাৰ স্বতন্ত্ৰ দায়িত্ব। চোতালত হুচৰি গোৱা বা ধেমালি কৰাৰ কাৰণে প্ৰত্যেক ঘৰেই বিহুৱা দলক টকা-পইচা, গামোচা আদি দি মান ধৰিব লাগে। যি গাঁৱত হুচৰি গোৱা হয়, সেই গাঁৱৰ মানুহে গাঁৱত হুচৰি গাই শেষ নকৰালৈকে বিহুৱা দলৰ খোৱা-বোৱাৰ দায়িত্বও লব লাগে।

হুচৰি গাই গোটোৱা ধনৰ একাংশ হয়তো ৰাজহুৱা কামত খৰচ হয়, কিন্তু যি প্ৰকাৰেই নহওক মিৰি সমাজৰ মাজত বিহু-বিদায় উৎসৱ পালন কৰিবই লাগিব। বিহু-বিদায় উৎসৱ বৰ্ত্তমান ঠাইভেদে বিভিন্ন ধৰণৰ যদিও এই বিদায় উৎসৱ পূৰ্ব্বৰে পৰা আধ্যাত্মিক ভেটিত পালন কৰি অহা

হৈছে। ডেকা-গাভৰুৰ কাৰণে বিহু আহে, কিন্তু আকৌ গুচি যায়। বছৰৰ মূৰত বিহু আহিব, আকৌ যাব। বিহু পুৰণি হৈ যোৱাৰ পিছতো আকৌ নতুন হয়। কিন্তু মানুহৰ বয়স গলে আৰু ঘূৰাই নাহে। বিহুটো মিৰি ডেকা-গাভৰুৰ একপ্ৰকাৰে যৌৱনৰ স্মৃতি। গতিকে বিহুক কেন্দ্ৰ কৰি তেওঁলোকে জীৱনৰ গতিপথ নিৰ্দ্ধাৰণ কৰে। বিহু যেতিয়া শেষ হয়, তেতিয়া তেওঁলোকে হাবিৰ মাজত বিহু-দেৱতাৰ এটা বেদী সজায়। এই বেদীতে নানা ৰকমৰ বনফুল ছটিয়াই, কেউপিনে বনফুলৰ মালা আঁৰি দিয়ে। দিনৰে পৰা গাঁৱৰ ডেকা-গাভৰুহঁতে গাঁৱত বহু ৰাতিলৈকে ভোজ-ভাত খাই পাৰেমানে ৰংধেমালি কৰে। ৰাতি ঢোল-তাল লৈ নাচিবাগি বিহু-দেৱতাৰ বেদীৰ ওচৰ পায়গৈ। বিহু-দেৱতাৰ বেদীৰ কাষত এজোপা শিমলু গছৰ পুলি ৰোৱা হয়। শিমলু গছৰ পুলি ৰোৱাৰ গূঢ়াৰ্থ আছে। শিমলু গছ বহু দিন জীয়ে। এই বহু দিন জীয়াই থকা শিমলু গছৰ দৰেই গাঁৱৰ ডেকা-গাভৰু জীয়াই থকাৰ কামনাতেই তেওঁলোকে শিমলু গছ ৰোৱে। তদুপৰি তেওঁলোকৰ বিশ্বাস যে শিমলুজোপা যদি লহপহকৈ বাঢ়ি যায়, তেতিয়া হলে গাঁৱৰ ডেকা গাভৰুসকলো লহপহকৈ বাঢ়ি আহিব আৰু যদি শিমলুজোপা মৰি যায়, তেতিয়া গাঁৱৰ ডেকা-গাভৰুৰ হানিবিঘিনি হব। যাতে গাঁও আৰু গাঁৱৰ ডেকা-গাভৰুহঁতৰ মঙ্গল হয় সেই কাৰণেই তেওঁলোকে বিহু-দেৱতাৰ বেদীৰ কেউফালে ঘূৰি ঘূৰি বহু ৰাতিলৈকে নাচ-ধেমালি কৰে। ডেকা-গাভৰুহঁতে হাতত ধৰাধৰিকৈ সেই বিহু-বিদায়ৰ ৰাতিয়েই অন্তৰৰ সকলো আবেগ ঢালি দি বিহু-দেৱতাৰ বেদীৰ কেউফালে ঘূৰি ঘূৰি পাৰেমানে নাচে। নাচি নাচি শেষত সেই বিহু-দেৱতাৰ বেদীৰ ওপৰত জ্বলাই থোৱা বন্তিৰ আগত যি যেনেকৈ পাৰে অৰিহনা দি সেৱা কৰি সকলোৰে কুশল কামনা কৰি ঘৰাঘৰি গুচি আহে। আহিবৰ সময়ত তেওঁলোকে পাছলৈ উভতি নেচায়। তেওঁলোকৰ এটা বিশ্বাস যে উভতি চালেই ।বহু আকৌ লগত লাগি আহিব। বিহু লগত লাগি আহিলে ঘৰৰ বা পথাৰৰ কাম-বনত মন নবহিব।

বিহু-বিদায়ৰ দিনৰ পৰাই মিৰি গাঁৱত ঢোল তাল বা পেঁপাৰ মাত শুনা নেযায়। আহুধান কাটি শেষ নকৰালৈকে তেওঁলোকে ঢোল-তাল হাতেৰে নোচোৱে। ধান কাটি শেষ কৰাৰ আগতে ঢোল বজোৱা মিৰি সমাজৰ অবৈধ। ধান চপাই শেষ কৰি আহিন-কাতি মহীয়া' তেওঁলোকে 'প-ৰাগ' নৰাছিগা বিহু পাতে।

বিহু-বিদায়ৰ ৰাতি গোৱা হুচৰিত বিহু-দেৱতাৰ উদ্দেশ্যত দিব লগা ফুল বন্তি বিহুৱা ডেকাৰ হাতত থাকে। ঘূৰি ঘূৰি হুচৰি গাই থাকোঁতেও সেই জ্বলা বন্তি নুমাব নোৱাৰে। জ্বলি থকা অৱস্থাতেই সেই বন্তি বিহু-দেৱতাৰ বেদীৰ ওচৰ পাবগৈ লাগিব। গৰুক নোৱাওঁতে কেৰেলা-বেঙেনাৰ আৱশ্যক হয়। গৰু বিহুৰ পিছত মানুহৰ বিহু আহে। বিহু শেষ হৈ গলে গোটেইখন নিটাল মাৰে। তাৰে বেজাৰত' জানোচা বিহুক বিদায় দি মিৰি ডেকা গাভৰুৱে গায়—

"কেৰেলা ঐ! বেঙেনা ঐ!
আমাৰ বিহু এবছৰ ( এবছৰলৈ ) যায়ে নাহৈ।
অতি চেনেহৰে বহাগৰ বিহুটি
হাততে মলডি যায়।"

বিহু যোৱাৰ পিছত বছেৰেকৰ মূৰত নতুনকৈ আকৌ বিহু অহাৰ আগতে হয়তো বহুতো ডেকা-গাভৰুৰ বিয়া হৈ যাব পাৰে। বিয়া হৈ যোৱাৰ পিছত তেওঁলোকৰ যৌৱন-মতলীয়া প্ৰাণৰ মুকলি আনন্দবো ওৰ পৰে। কিন্তু বিহু বিদায়ৰ সময়ত ৰুই যোৱা সেই শিমলু গছজোপাই শেষ বয়সলৈকে তেওঁলোকক পাব হৈ যোৱা যৌৱনৰ কথা সোঁৱৰাই থাকে। ই যেন স্মৃতিৰ প্ৰতীক।

মিৰি সমাজৰ নাচ-ধেমালিত কোনো অশ্লীলতা বা বেয়া ভাব নাই। আত্মীয় কিম্বা তেজৰ সম্বন্ধ থকা জনবো ডেকা-গাভৰুৰ নাচ-ধেমালি চোৱাত কোনো বাধানিষেধ নাই। আনন্দৰ কাৰণেই তেওঁলোকৰ উৎসৱ। সেই কাৰণেই 'আলি-আই-লিগাঙত' ( ধান বোৱা বিহু ) তেওঁলোকৰ মতা-মাইকী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে অবাধে নাচিব

পাৰে। উৎসৱৰ সময়ত ককায়েক, দদায়েক বা মোমায়েকে বাজনা বজালেও মুকলিমূৰীয়া প্ৰকৃতি-কুঁৱৰী মিৰি ছোৱালীৰ নচাত কোনো লাজৰ বা সঙ্কোচৰ কাৰণ থাকিব নোৱাৰে।

বিহু বা এনে উৎসৱত মিৰি ডেকা-গাভৰুসকল এক সংগঠনৰ মাজেদি পৰিচালিত হয়। ডেকা বৰাৰ তলত ডেকাদল, ঢুলীয়া বৰাৰ তলত বাদ্যকাৰসকল আৰু তিৰী বৰাৰ তলত থাকি গাভৰুসকল পৰিচালিত হয়। গাভৰুসকলৰ মাজতো পাটগিৰী আৰু বৰানী উপাধি দি বৰমূৰীয়া পাতি দিয়া হয়। সমাজ গোট খুৱাবলৈ এজন বাৰিক থাকে। বাৰিকৰ নিমন্ত্ৰণ কোনেও অগ্ৰাহ্য কৰিব নোৱাৰে। কোনো ডেকা বা গাভৰুৱে কিবা দোষ কৰিলে বা অনীতিত চলিলে সোধৰ বৰাৰ ওচৰত গোচৰ দিয়া হয়। সোধৰ বৰাই দোষ অনুপাতে দণ্ড বিধান কৰে। এই দণ্ডবিধানত কোনো অভিভাৰক কিম্বা বুঢ়া লোকৰো হাত নেথাকে। সততে পাচিবলৈ এজন টেকেলা থাকে। মিৰি ডেকা-গাভৰুৰ মাজত এনে সংগঠন শক্তি থকা কাৰণে তেওঁলোকৰ মাজত দুৰ্নীতি বা ব্যভিচাৰ নাই বুলিলেই হয়। কোনো অভিভাৰক নোহোৱাকৈয়ে ডেকা-গাভৰু লগ লাগি মুকলিভাবে ফুৰিব পাৰে।

আকাশত জোন-বেলিয়ে পোহৰ দিয়ে মানে অসমত বিহু থাকিব। শৰীৰত প্ৰাণ থাকে মানে অসমীয়াৰ অন্তৰত বিহুৰ আনন্দ থাকিব। অসম অসমীয়াৰ হৈ থাকে মানে সোৱণশিৰীৰ পাৰে পাৰে, কঁহুৱাৰ আঁৰে আঁৰে মিৰিজীয়ৰীয়ে বনগীত গাব। বছৰি বছৰি মিৰি গাৱঁত 'ভঙ্কি'ৰ হাতৰ ঢোল বাজিব, 'পানেই'ৰ নাচোনৰ লহৰ উঠিব। নল মৰিব, গজালি গজিব। চামে চামে মিৰি ডেকা-গাভৰুৰ দলে বছৰি বছৰি চেনেহৰ বৰণালী বিহুক আনন্দ মুখৰিত কৰি থাকিব।

# লালুংসকলৰ বিহু

লালুংসকলে কাচিৎ কেতিয়াবাহে চ'ত আৰু বহাগৰ দোমোজাত বিহু পাতে। তেওঁলোকে বিহু পাতে ৰঙালী বিহু হৈ যোৱাৰ পিছৰ বুধবাৰে নাইবা দুই এসপ্তাহৰ পিছত। তেওঁলোকে যে বুধবাৰে বিহু পাতিব লাগিব এইটো ধ্ৰুৱপ। বুধবাৰে হেনো তেওঁলোকৰ দেৱতা পূজিবৰ সুচল হয়। নগাঁও জিলাৰ ভৈয়াম অঞ্চলৰ লালুংসকলে বহাগ মাহটো মেলা উলিওৱাৰ কাৰণে ব্যৱহাৰ কৰে বাবে আনবিলাকৰ পিছৰ বুধবাৰতে বিহু পাতে। কিন্তু পৰ্ব্বতৰ নামনি অঞ্চলৰ লালুংসকলৰ বিহু পোন্ধৰ কুৰি দিনৰ পিছতহে হয়। বিহুৰ আগদিনা গধূলি বংশৰ পূজা কৰা ঘৰ 'বৰঘৰ'ত সকলোৱে গোট খায়। পিছ দিনা বিহুটো কেনেদৰে সম্পন্ন কৰিব লাগিব বংশৰ মুখিয়াল 'ঘৰৰ বুঢ়া'ই সকলোকে দিহাপৰামৰ্শ দিয়ে। ৰাতিৰ শেষত পিছ দিনা পৰে। ৰাতিপুৱাই কেইজনমান ডেকা লৰা ওলাই আহি বৰঘৰৰ চোতালৰ আগৰ এডোখৰ ঠাইৰ বন-পাত গুচাই পৰিস্কাৰ কৰি লয়। সেই পৰিস্কাৰ কৰা ঠাই ডোখৰতে ইকৰাৰ কুমলীয়া আগ কিছুমান আনি শাৰীকৈ লানি লগাই পুতি দিয়ে। বনমলাৰ পাত কিছুমান বিচাৰি আনে। সেই বনমলাৰ পাতেৰে মালা গাঁথি মালাবোৰ লানি লগাই পোতা ইকৰাৰ প্ৰত্যেক ডালতে বান্ধি ওলমাই দিয়ে। কাষতে এটি বাঁহৰ চুঙাত মদ ভৰাই দুডাল বাঁহৰ ফেৰেঙনিৰে মাজত ৰাখি দিয়ে। তাৰ পিছত গোটেই বংশৰ নাঙল-যুঁৱলিবিলাক ভালদৰে ধুই বৰঘৰলৈ আনে। এটা বাটিত কিছুমান পিঠাগুৰি গুলি লৈ শান্তিয়নী পানীৰ নামত পিঠাগুৰিবোৰ ছটিয়ায়। ইতিমধ্যে ঘৰৰ বুঢ়া আহি পায়। পূজা আৰম্ভ হয়। ইফালে পূজা চলি থাকোঁতে কেইজনমান ডেকা লৰাই লগ লাগি লাও, বেঙেনা, ঠেকেৰা আৰু হালধি কুটে। সেই কুটা বস্তুবোৰ নিয়ম অনুসাৰে তিনিদলীয়া, সাতদলীয়া শলিত ভৰায়। পিছত তামোলৰ ডাঙৰ চকুৰা এটিত

সেইখিনি থৈ ছুয়ো মূৰে নতুন পঘাৰে বান্ধি দিয়ে। এটি ডোনাত কিছু মিঠাতেল আৰু এলাঙ্খু লৈ এটি ব'চুঙাৰে গোটেই গৰুবিলাকৰ গাত ফুট দিয়ে। ইতিমধ্যে যদি পূজা কৰাৰ কাম শেষ হয়, বাঘৰজা, মহাদেও আৰু কুবেৰৰ নামত চৰাই যদি কটা হৈছে ; তেনেহলে গৰু গা-ধুৱাবলৈ নিবৰ সময় হৈছে বুলি শিঙাৰে ডাক দিব। তেতিয়া প্ৰত্যেকেই নিজৰ নিজৰ গোহালিৰ গৰুৰ গাত মাহ, হালধি আৰু তেল ঘঁহি দিয়ে। কাৰোবাৰ বাঘৰজা, মহাদেও, কুবেৰৰ নামত তুলি থোৱা চৰাই থাকিলে সেইবোৰ ঘৰতে কাটিব ( লালুং মানুহৰ বিশ্বাস বাঘৰজাৰ নামত চৰাই নেকাটিলে বাঘে গৰুৰ অনিষ্ট কৰে )। তাৰ পিছত নিয়ম অনুসাৰে এটি বংশৰ পিছত এটি বংশৰ গৰুবিলাক মেলি লৈ যায়। প্ৰত্যেকে গৰু মেলি লৈ যাওঁতে লগত একোপাট যাঁঠী, নতুন-পুৰণি পঘা, মাহ-হালধি আৰু গৰু খেদিবৰ কাৰণে হাতত দীঘলতি, বিহুগছ আদি লৈ যায় আৰু লগতে লাও-বেঙেনাৰ টোপোলাটিও ভাৰ বান্ধি নিয়ে। পাৰিলে প্ৰত্যেক দলেই এটি ঢোল, এটি মহৰ শিঙৰ পেঁপা, এটি শিঙা আৰু এযোৰকৈ তাল লগত নিয়ে। গৰুবিলাক গোহালিৰ পৰা উলিয়াই আগৰ নিৰ্দ্দিষ্ট ঠাই ডাঙৰ জুৰি নাইবা বিলৰ পাৰলৈ লৈ যায় আৰু তাতে এদলৰ পিছত এদলকৈ গৰুবিলাক গা ধুৱাই পাৰত লাও, বেঙেনা, হালধি, থেকেৰা গৰুৰ গাত দলিয়াই দি গৰুৰ নাম গায় :

সেই সময়তে গৰখীয়া ল'ৰাবিলাক তাত বৈ থাকেগৈ। বংশৰ প্ৰতি ঘৰৰ গৰুবোৰ বুজি লয়। তেতিয়া আন ডাঙৰ মানুহবিলাকে প্ৰথা অনুযায়ী পুৰণা পঘাবিলাক তাতে পেলাই দি নতুন পঘাবিলাকৰ এডাল আনৰ লগত সলাই নিজৰ বিলাক বেলেগে বেলেগে ৰাখে আৰু তাৰ পিছত সেই বিল বা জুৰিৰ পাৰতে যাঁঠী খেল পাতে। লাও-বেঙেনা বান্ধি নিয়া তামোলৰ ঢকুৰাবিলাক পোন্ধৰ গজমান দূৰত গোটাই বান্ধি পেলাই দিয়ে আৰু তালৈ লক্ষ্য কৰি প্ৰত্যেকে যাঁঠী মাৰে। এইদৰে প্ৰায় ডেৰ ঘণ্টামান সময় যাঁঠী-খেল খেলি সকলোৱে ঢোলত চাপৰ মাৰি আৰু পেঁপাত ফুক দি ঘৰলৈ ওভতে। ঘৰ আহি পালে প্ৰত্যেকে

বৰঘৰলৈ আহে আৰু আহিয়েই ঈশ্বৰৰ নামত অৰ্পণ কৰা অৱশিষ্ট মদ, সান্দহ, পিঠা আৰু ৰান্ধি থোৱা আঞ্জা খাই ঘৰাঘৰি যায়গৈ।

ভাটিবেলা ঘৰৰ গৃহস্থনীবিলাকে মাহ-হালধিৰে গা ধুই নতুন পঘাবিলাকত তুলসী পাত ভৰাই গৰু বন্ধা গোহালিত খুটাই খুটাই বান্ধি থয়। আবেলি সময়ত গাভৰুবিলাক কিছু আঁতৰত কচু কাটিবলৈ যায়—শুনাকৈ বিহুনাম জোৰে আৰু এপাক দুপাক নাচে। ডেকাবিলাকেও গৰু আগবঢ়াবলৈ যোৱাৰ চলতে গৈ মহৰ শিঙৰ পেঁপাত ফুঁক দিয়ে। গৰু আহি পোৱাৰ আগতে পদূলিৰ মূৰে মূৰে তুঁহ আৰু বিহলঙনিৰে জুই ধৰে। ঘৰে ঘৰে পদূলিয়ে পদূলিয়ে চাকি-বন্তি জ্বলি উঠে। গধূলি হোৱাৰ লগে লগে পুনৰ সকলোৱে বৰঘৰত গোট খাই নাঙল-যুঁৱলিৰ আগত পূজা দি চৰাই কাটে। তাৰ পিছত ঘৰৰ বুঢ়াই কেইজনমান বুঢ়া লগত লৈ বংশৰ প্ৰত্যেক গৃহস্থীলৈ গৈ গোহালিত সোমাই গৰুৰ প্ৰতি সেৱা জনাই বছৰটোত কৰা ব্যৱহাৰৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰে আৰু লগত নিয়া পিঠাগুৰি বনমলাৰ পাতেৰে গৃহস্থৰ দুৱাৰত ছটিয়াই দি আন এঘৰলৈ যাত্ৰা কৰে। এইদৰে বংশৰ গোটেই কেইঘৰতে ঘূৰাৰ পিছত বৰঘৰলৈ গুচি আহে। বৰঘৰত ৰান্ধি থৈ দিয়া আঞ্জাৰে মদ-পানী খাই ঘৰাঘৰি গুচি যায়।

ঘৰত সকলোৱে ডাঙৰক সেৱা কৰে আৰু খাইবৈ উঠি শোৱাপাটীত পৰি পিছ দিনাৰ বিহুৰ সপোন দেখে। পিছ দিনাৰ পৰা ভৈয়ামত হুচৰি আৰু পৰ্ব্বতৰ নামনিৰ লালুঙৰ মাজত বোকা-নাচৰ আৰম্ভ হয়। বিহুৰ পিছৰ দেওবাৰৰ পৰা নগাৱৰ ভৈয়াম অঞ্চলত মেলা উলিয়ায়। এইদৰে এদিন বাদে এদিনকৈ গোটেই নগাও জিলাতে বহাগ মাহটোত মেলা উলিওৱা হয়। ইংৰাজ ৰাজত্বৰ আগতে গোভা, চহৰি, টোপাকুচি আদিত লালুংসকলৰ নিজা শাসনকৰ্ত্তাই সেই অঞ্চলবোৰ শাসন কৰিছিল। এই শাসনকৰ্ত্তা-সকলক পোৱালী ৰজা বুলিছিল। মেলা মানে সেই ৰজা থকা পুৰণি দিনটোৰ বাৰ্ষিক সোঁৱৰণ। মেলাৰ আগদিনা বৰঢোল বাজে। বাইজ গোট খায়। কেনেভাবে মেলা সম্পন্ন কৰা হব আলোচনা কৰে।

পিছ দিনা ভাগে ভাগে মান খোৱা, ৰজা, সেনাপতি আদি বিষয়াবিলাক বহিবৰ কাৰণে সৰু চালি সাজি দিয়ে। সেই দিনাই পুৰণি ঢাল-অৰোৱালবোৰ দেখুওৱা হয় আৰু ঢাল-বাৰু লৈ ৰণচালি ধৰে। এইদৰে গোটেই নগাও জিলাতে বহাগ মাহটোত মেলা উলিওৱা হয়।

পিছ দিনা ৰাতিপুৱা গাঁৱৰ ডেকা-গাভৰুবিলাকে গোট খাই গাঁৱৰ গাঁওবুঢ়া, ঘৰৰ বুঢ়া আৰু মুখিয়াল বুঢ়াসকলক মাতি আনি ভালদৰে বহুৱাই তেওঁলোকৰ পৰা আগৰ নিয়মেৰে ঘৰে ঘৰে গৈ গীত-মাত গাই নাচি নাচি পইচা তোলাৰ অনুমতি খোজে। বুঢ়াসকলে ডেকা-বিলাকৰ মাজৰ পৰা এজন মুখিয়াল আৰু গাভৰুবিলাকৰ মাজৰ পৰাও এজনী মুখিয়ালনী পাতি দি সিহঁতৰ ওপৰতে দলৰ সকলো ভাল-বেয়াৰ দায়িত্ব দি ঘৰে ঘৰে গৈ নাচি গীত-মাত গাবলৈ অনুমতি দিয়ে। তেতিয়া সিহঁতে বুঢ়াসকলৰ পৰা অনুমতি পাই গাঁৱৰ ভাল ঢুলীয়া, তালীয়া আৰু পেঁপা বজাওঁতাৰ ওচৰলৈ গৈ সিহঁতৰ লগত ঢোল, তাল আৰু পেঁপা বজাব লাগে বুলি এটি এটি তামোল-পাণৰ বটা দিয়েগৈ। তেওঁলোকেও নিজৰ পূৰ্ব্বাপৰ নিয়মৰ কাম বুলি মান্তি হৈ ওলায়। বেলি ভাটি দিয়ে। ডেকা-গাভৰুবিলাকে সেই সপ্তাহটোৰ কাৰণে আৱশ্যকীয় কানি-কাপোৰ লগত লৈ ঘৰৰ পৰা বাহিৰ ওলায়। একেবাৰে নাচ-গীত আৰু মাতৰ অলায়ক বয়সীয়া হলেও সম্বন্ধত সৰু এনে এজন মানুহক সিহঁতৰ কাপোৰ-কানিখিনিৰ ভাৰ দিয়ে। তেতিয়া সকলো ডেকা-গাভৰুৱে নিজৰ নিজৰ পদূলিমুখ পায়েই গীত জুৰি ঢোল, তাল আৰু পেঁপাৰে ওলোৱাৰ আগজাননী দিয়ে। তাৰ পিছত সিফালৰ পৰাও ওলোৱাৰ গম পোৱাৰ সঙ্কেত ধ্বনিৰে গীত জুৰি পাছ পৰি থকা ডেকা-গাভৰুসকলে গীত জুৰি ওলাই আহে। সকলোৱে আহি গাঁৱৰ মাজৰ আলিবাটত গোট খায়হি। গোট খাই গাঁৱৰ এমূৰৰ পৰা সিমূৰলৈ ঘৰে ঘৰে যাবলৈ ধৰে। পদূলিমুখ পাই গীত জোৰেগৈ। ঘৰত যদি বুঢ়া-বুঢ়ী মানুহ থাকে, তেনেহলে তেওঁলোকেই আগবে পৰা ডেকা-গাভৰুসকল তেওঁলোকৰ ঘৰলৈ আহিব বুলি সাজু হৈ থাকে। ডেকা-গাভৰুৰ

গীত শুনিয়েই তেওঁলোকেও ডেকা-গাভৰু কালত গোৱা গীত জুৰি সকলোটিকে আহ্বান জনায়। সমদলে মানুহ ঘৰৰ চোতাল পায়গৈ। গৃহস্থই চোতালত ঘূৰণীয়াকৈ শাৰী পাতি ডেকা-গাভৰুক বহিবলৈ আসন দিয়ে। বহাৰ পিছত শাৰীৰ পৰা ঢোল-পেঁপা বাজি উঠে। শাৰীৰ মাজৰ পৰা কেইজনমান ডেকা আৰু কেইজনীমান গাভৰু ওলাই আহি নৃত্য প্ৰদৰ্শন কৰে। শৰাইত তামোল-পাণ, টকা-পইচা লৈ গৃহস্থই সপৰিয়ালে ডেকা-গাভৰুৰ আগত আঁঠু লয়হি। লৰা-ছোৱালীবিলাকে গৃহস্থৰ কুশলৰ হৰিধ্বনি দিয়ে আৰু শৰাইত যি পায় সামৰি লৈ তাৰ পৰা বিদায় মাগে। এইদৰে এঘৰৰ পিছত এঘৰলৈ গৈ দেখে যে আৰু দুঘৰমান গলেই ৰাতি হব। তেতিয়া সিহঁতে যি ঘৰত গৈ পালেই ৰাতি হব বুলি অনুমান কৰে সেই ঘৰলৈ দুটা লৰা আৰু দুজনী ছোৱালী আগতে পঠিয়াই দিয়ে। সিহঁতে গৈ গৃহস্থক জনায় যে লৰা-ছোৱালীবিলাক আহি আছেহি, সেই দুঘৰ আহোঁতে ৰাতি হব; গতিকে তাতে সকলোৱে ৰাতি ৰবৰ কাৰণে মন কৰিছে। তেতিয়া গৃহস্থই লৰা-ছোৱালী কেইটিক সমদলটিৰ মানুহৰ জোখাৰে চাউল, শাক-পাচলি, থাকে. যদি মাছ-মঙহৰ যোগান ধৰি ৰন্ধা-বঢ়াৰ দিহা কৰি দিয়ে।

ৰাতি পুৱায়। গৃহস্থৰ ঘৰতে গীত-মাত জোৰে। লৰা-ছোৱালীৰ সম্মানাৰ্থে গৃহস্থই যি দিয়ে তাকে লৈ পুনৰ ফুৰিবলৈ আৰম্ভ কৰে। এইদৰে ফুৰোঁতে ফুৰোঁতে দুপৰীয়া আহাৰ খোৱাৰ সময় হোৱাৰ আগতে পুনৰ অনুমান কৰি দুজন লৰা আৰু দুজনী ছোৱালী এঘৰলৈ পঠিয়াই দিয়ে। আগৰ দৰে গৃহস্থক জনাই গৃহস্থৰ সহায়ত সিহঁতে লৰা-ছোৱালীবোৰৰ কাৰণে আহাৰ প্ৰস্তুত কৰে। সময়মতে সমদলটি গৈ সেই গৃহস্থৰ ঘৰত সোমায়, হাত-ভৰি ধোৱা আৰু দুপৰীয়াৰ ভোজন সমাপন কৰে। আহাৰৰ পিছত জিৰাই-শতাই তাতেই গীত-মাত জুৰি সসম্মানে গৃহস্থৰ পৰা বিদায় লৈ এঘৰৰ পিছত এঘৰত নাচ-গীত, ধেমালি আদি কৰিবলৈ ধৰে। এইদৰে এই নাচ-গীত এসপ্তাহ কাল ধৰি চলে। বিহুৰ পিছৰ বুধবাৰ পৰে। নাচ-গীত-মাত গোৱা লৰা-

ছোৱালীবিলাক ঘৰাঘৰি যায়। তেওঁলোকে এই সপ্তাহটোত ফুৰোঁতে পোৱা টকা-পইচা, চাউল-পাত লৈ ডেকালৰা কেইটামানে গাহৰি বিচাৰি যায়। চাউলখিনিৰে মদ বান্ধে।

তাৰ পিছৰ বুধবাৰ পৰে। ৰাতিপুৱাই লৰাবিলাকে ওচৰৰ ডাঙৰ জুৰি বা বিলৰ পাৰলৈ গৈ বৃত্তাকাৰে এডোখৰ বোকা থকা ঠাইত পুখুৰী খান্দি বোকাখিনি ভালদৰে ফেনেকি মিহি কৰি আহে। তাৰ পিছত গাহৰি, মদ, চাউল আদি যোগাৰ যতন কৰা সকলো বস্তু সেই ঠাইলৈ লৈ যায়। গাঁৱৰ ডেকা-বুঢ়া, লৰা-ছোৱালী সকলোবিলাক সেই বিলৰ পাৰলৈ যায়। বুঢ়াসকলে ঠাই-খলি পৰিস্কাৰ কৰি ঈশ্বৰৰ নামত স্তুতি জনায়। ডেকা-গাভৰুবিলাকে বৃত্তাকাৰে ফেনেকি থৈ অহা বোকাখিনিৰ ওপৰত লুতুৰি-পুতুৰি হৈ ৰংধেমালি কৰে, নাচে-বাগে, গীত গায়। এইদৰে ডেকা-গাভৰুবিলাক ডেৰঘণ্টামান সময় ধেমালি কৰাৰ পিছত জুৰি বা বিলত পৰিস্কাৰকৈ গা ধোৱেগৈ। তাৰ পৰা আহি বুঢ়াসকলৰ লগত সকলোটিয়ে স্তুতিত যোগ দিয়ে। লৰা-ছোৱালীবিলাকৰ মঙ্গল কামনা কৰি ঈশ্বৰৰ নামত গাহৰিটো কাটে। গাহৰিটো কাটি, ভাত-আঞ্জা ৰান্ধি সকলোৱে মিলিজুলি খায়। খাই উঠি ঠাই-খলি পৰিস্কাৰ কৰি ডেকা-গাভৰুবিলাকে বুঢ়াসকলৰ আগত আঠু লয়। বুঢ়া-সকলে সেইদৰে আগলৈকো মিলিজুলি খাইবৈ থাকিব লাগে বুলি আশীৰ্ব্বাদ দি ঘৰাঘৰি বিদায় লয়।

নাচৰ ভঙ্গীত ছোৱালীৰ কোনোৱে ঢেকী দিয়ে, কোনোৱে ধানবোৰ বঢ়াই-চালি দিয়ে, কোনোৱে পথাৰৰ ৰোৱনী হৈ বহে, আৰো কোনোৱে কঁকালত হাত থৈ টাকুৰি ঘূৰা দি ঘূৰে। লৰাবিলাকৰ কোনোৱে মাজত মৰা শ হৈ পৰে, কেইজনমানে শগুণৰ দৰে জপিয়াই শ খোৱাৰ ভঙ্গী দেখুৱায়; আৰো কোনোৱে জাল-খাঁঠী লৈ চিকাৰলৈ যোৱা আৰু কোনোৱে মাছ মৰা দৃশ্য দেখুৱায়। এইদৰে লালুংসকলে দুই সপ্তাহ জুৰি ৰং-ধেমালি কৰি ৰঙালী বিহুটিক বিদায় দিয়ে।

# আবৰসকলৰ বিহু

পৃথিৱীৰ প্ৰত্যেক জাতিৰে যেনেকৈ নিজৰ নিজৰ একোটা জাতীয় উৎসৱ থাকে, সেইদৰে আমাৰ আবৰবিলাকৰো কেইটামান জাতীয় উৎসৱ আছে। সেইবিলাকৰ ভিতৰত উক্ৰিং বা আৰাণ, এতৰ আৰু চলো এই তিনিটাই প্ৰধান। কেতিয়াৰ পৰা এই উৎসৱবোৰ আবৰ সমাজত পালন কৰা হৈ আহিছে সেই কথা সঠিককৈ জনা নেযায়। তেওঁলোকৰ কিম্বদন্তীমতে এই উৎসৱবোৰ স্মৰণাতীত কালৰে পৰা যুগ-যুগান্তৰ ধৰি আবৰ সমাজত চলি আহিছে।

উপৰোক্ত তিনিটা উৎসৱকে প্ৰধান কৰি আবৰ সমাজত যিমানবোৰ সৰু সৰু উৎসৱ আৰু দেৱদেৱীৰ পূজা আছে সেইবোৰ প্ৰত্যেক ঋতু আৰু প্ৰকৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকে। সেয়েহে প্ৰত্যেকটো উৎসৱক প্ৰকৃতিৰ ঋতুৰ লগত মিল ৰাখি পালন কৰিব লগা হৈছে বা কৰে। বেলেগ উৎসৱক বেলেগ বেলেগ ঋতুৰ লগত মিল ৰাখি পালন কৰা হয়। আমাৰ আবৰবিলাকৰ বিশ্বাস যে প্ৰত্যেক উৎসৱত একোজন দেৱতা আছে। সেই দেৱতাক পূজা দি সন্তুষ্ট কৰি ৰাখিব লাগে নহলে দেশত নানা ৰকম অমঙ্গল ঘটিব পাৰে নাইবা দুৰ্দ্দিন দুৰ্ভিক্ষ আদিয়ে দেখা দিয়ে। সেই কাৰণে এই উৎসৱবোৰ বছৰে বছৰে সময়মতে পালন কৰা হয় আৰু উৎসৱবোৰ পালন কৰোঁতে পূজাৰীয়ে (আগম আনে ) সেই উৎসৱৰ দেৱতাৰ নামত মন্ত্ৰ মাতি পূজা দিয়ে।

এতিয়া উক্ৰিং উছৱৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওক। অতিকৈ চেনেহৰ বহাগ বিহু বা ৰঙালী বিহু আগমনিৰ লগে লগে প্ৰত্যেক অসমীয়া মানুহৰ অন্তৰত যেনেকৈ আনন্দৰ ঢৌৱে মনৰ সাগৰত খলকনি লগাই মন চঞ্চল কৰি তোলে তেনেকৈ প্ৰত্যেক আবৰ ডেকা-গাভৰু, লৰা ছোৱালী, বুঢ়া-বুঢ়ী সকলোৱে উক্ৰিং উৎসৱ আগমনৰ আনন্দত আপোন-পাহৰা হৈ যায়। যিদৰে অসমীয়া বহাগ বিহুত বিহুনাম, গৰুপূজা

আদিয়েই প্ৰধান সেইদৰে আবৰসকলৰ উভ্ৰিং উৎসৱতো নাচ-গান, খোৱা-বোৱা, মেথোন পূজা আদিয়েই প্ৰধান।

এই উভ্ৰিং উৎসৱ ইংৰাজী মাৰ্চ্চ মাহৰ শেষত নাইবা এপ্ৰিলৰ আগভাগত পতা হয়। গতিকে অসমীয়া বহাগ বিহুৰ লগত ইয়াৰ প্ৰায় মিল দেখা যায়। এই উৎসৱ ১৫ দিনৰ পৰা ২০।২৫ দিনলৈকে চলে। অৱশ্যে বৰ্ত্তমান নামনি অঞ্চলৰ (পাছিঘাট অঞ্চল) ফালে কিছুমানে এই উৎসৱৰ দিনবোৰ কমাই দিব ধৰিছে। কিন্তু ওপৰৰ ফালে এতিয়াও আগৰ দৰে চলি আছে। এই উৎসৱৰ কাৰণে মতা মানুহবিলাকে এমাহ ডেৰমাহৰ আগৰে পৰা পহু-চিকাৰ, চৰাই-চিকাৰ কৰাত লাগি যায়। সেই পহু বা চৰাইবোৰ ঘৰত নাইবা হাবিত পঁজা সাজি তাতে শুকান কৰি ৰাখে। এই উভ্ৰিং উৎসৱত গাঁৱৰ কেতবোৰ ধনী সম্প্ৰদায়ে 'এ'চ পানাম'—মেথোন বলি দিয়া, য়েকৰা বানাম—গাহৰি বলি দিয়া, আৰু 'এত্‌তিং তিনাম'—আধাগুৰি চাউল কৰা কামবোৰ কৰে। কেতিয়াবা গাঁৱত সৰ্ব্বমুঠ সংখ্যা ঘৰৰ ৬০।৭০ সংখ্যালৈকে হয়। যিবিলাক গাঁৱৰ ঘৰৰ সংখ্যা আৰু ধনী সম্প্ৰদায়ৰ সংখ্যা বেছি তাত ধুমধাম বেছি হয়। 'চ'ৰ পানা' বিলাকে (যিজনে গাহৰি কাটে) গাঁৱৰ নিজৰ খেলৰ মানুহবিলাকক মঙহ, ভাত, আপং খুউৱাৰ বাদেও গোটেই গাঁওখনত মাংস, ভাত, আপং আদিৰ ভাগ বিলাই দিয়ে। তাৰ পৰা যিজনে ('এত্তিং তিনা') আধা গুৰি কৰা চাউল বিলায় তেওঁ আধা গুৰিকৰা চাউল বিলোৱাৰ পিছত নিজে আৰু গুৰি কৰি বেছিকৈ তৈয়াৰ কৰি লয়। সেই জনে গোটেই গাঁওখন সমান জোখত প্ৰতি ঘৰত প্ৰায় দহ সেৰ কৰি দিয়ে। তদুপৰি আপং, ভাত, মাংস আদি খুৱায়। সেই 'চ'ৰ পানাম' 'এত্তি তিনাম' 'য়েকৰা বানাম' ইত্যাদিবোৰত বহুত চাউল, ভাত, আপং, মাছ মাংস ইত্যাদিৰ খৰচ পৰে। সেইবোৰত অন্ততঃ বাৰ তেৰ হেজাৰৰ পৰা প্ৰায় পঁচিছ ত্ৰিছ হেজাৰ টকালৈকে খৰচ হয়। সেইবোৰ কিন্তু সকলোৱে কৰিব নোৱাৰে। যিবোৰ ধনী সম্প্ৰদায় তেওঁলোকেহে কৰে। তাতেই আবৰ সমাজৰ ধনী দুখীয়াৰ প্ৰভেদ বা উদাহৰণ ওলায়।

সি যি নহওক উক্রিং-উৎসৱ আৰম্ভ হোৱাৰ দুদিনৰ আগে 'ৰামপান' নামৰ এটা পূজা কৰে। সেইটো অকল আগৰ উক্রিং উৎসৱৰ পিছত যিবোৰ ঘৰত মানুহ মৰিছে সেই ঘৰেহে কৰে। ৰামপান শ্মশানত কৰা হয়। ঘৰৰ পৰা ধান, চাউল, গোমধান, কচুৰ লগতে সেই উক্রিং পূজাৰ কাৰণে মৰা চৰাই (কেচা) আদি লৈ মৃতক জনৰ মৈদামৰ ওপৰত মন্ত্ৰ মাতি আঁৰি থৈ দিয়ে অৰ্থাৎ মৰা মানুহজনৰ আত্মাৰ সদগতিৰ কাৰণে সেই ৰামপান পূজা কৰে। ইয়াক শ্ৰদ্ধবেকীয়া শৰাধ বুলি কব পাৰি। ৰামপান কৰাৰ দুদিনৰ পিছত অৰ্থাৎ তৃতীয় দিনা পুৱাতে তিৰোতা মানুহবিলাকে ঘৰ-দুৱাৰ, বাচন-বৰ্তন আদি চাফ কৰি ভাত, আপং, মাছ-মঙহ আদি তৈয়াৰ কৰি থয়। সিফালে বেলি ভাটি দিয়াৰ লগে লগে মতাবিলাকে হাবিৰ পৰা চিকাৰ কৰা চৰাই, পহু আৰু লগতে আগতে হাবিৰ পঁজাত ৰখা চৰাই আদি লৈ ঘৰলৈ দলে দলে আহে। সৰু সৰু জন্তু নাইবা চৰাইবোৰ (কেচা) তেওঁলোকৰ নিজৰ সম্বন্ধৰ জ্ঞাতিকুটুম্বসকলৰ লৰাছোৱালীক উপহাৰ দিয়ে। সেই দিনা গধূলি প্ৰত্যেকে নিজৰ নিজৰ সম্বন্ধীয়া আৰু মিতিৰ-কুটুমক মাতি—প্ৰত্যেকে প্ৰত্যেকক ভাত, আপং, মঙহ খুৱায়। ডেকাগাভৰু, লৰাছোৱালী-বিলাকে দলে দলে ঘৰেচোতালে গৈ নাচগান কৰি ফুৰে। যি ঘৰলৈ যায় সেই ঘৰত ভাত, আপং, মাছ-মাংসাদি খোৱাবোৱা কৰিবই। সেই পূজাত সকলো বুঢ়াবুঢ়ী, ডেকাগাভৰু, লৰাছোৱালীয়ে খোৱাপিয়া, স্ফূৰ্ত্তি কৰাতহে সময় কটায়।

উৎসৱৰ দ্বিতীয় দিনা পুৱাৰ পৰা ডেকা লৰাবিলাকে উৎসৱত কাটিবলগীয়া মেথোনবোৰ মুচুপলৈ (মু চুপ আবৰ সমাজৰ এটা দীঘল আৰু উমৈহতীয়া ঘৰ) আনি চোতালত গোটেই দিনটো মেথোন-যুঁজ দিয়ে। মেথোন-যুঁজ বৰ আনন্দদায়ক আৰু আমোদজনক। পিছ দিনা মেথোন বলি দিয়ে। অৱশ্যে হিন্দু সমাজত দুৰ্গা পূজাত ছাগলী বলি দিয়াৰ দৰে আবৰবিলাকৰ সেই উৎসৱত মেথোন বলি দিয়া নহয়। তেওঁলোকৰ বলি দিয়াৰ প্ৰথা বেলেগ।

সেইদৰে চাৰি দিনলৈকে মেথোন বলি দিয়া পূজাৰ কাৰবাৰ চলি থাকে। বিহুৰ দিনা নতুন পঘা বাটে। সপ্তম দিনা হাবিৰ পৰা নিজৰ নিজৰ মেথোনবোৰ বিচাৰি ঘৰলৈ আনি নতুন পঘা লগায় আৰু মেথোনবোৰ পিল্লোঙত (গোহালিৰ নিচিনা মেথোন ৰখা ঠাই) এৰাতিৰ কাৰণে বান্ধি থয়। সেই দিনা গধূলি আৰু এটা ডাঙৰ উৎসৱ পাতে।

সেই দিনাৰ পৰা অৰ্থাৎ উৎসৱৰ সপ্তম দিনাৰ পৰা মেথোন পূজা আৰম্ভ হয়। সেই দিনাৰ গধূলি আগাম আনে এটোপোলা চাউল (প্ৰায় আধাসেৰ) আপং (কেচা) এটোপোলা (প্ৰায় পাঁচসেৰ) লগতে চাৰিটা শুকান মাছ, সেইবোৰ জৰীত বান্ধি ঘৰৰ এচুকত আঁৰি থৈ দিয়ে। পিছ দিনা অৰ্থাৎ অষ্টম দিনা পুৱা হাবিৰ পৰা 'টান' আৰু 'এক্‌কাম' নামৰ আবৰবিলাকৰ পৱিত্ৰ দুবিধ গছৰ ডাল-পাতেৰে সৈতে আনি 'চপিত' (মেথোন বন্ধা খুটি), গাহৰি, কুকুৰা আদি ৰখা ঠাইত লগতে এটোপোলা 'নকৃনে তাকেঙ'ৰ (কটা আদা আৰু নৰনোৱা আপং মিহলোৱা বস্তু) সৈতে খুঁচি আৰি থৈ দিয়ে। সেইটো কৰাৰ এঘণ্টাৰ পিছত মেথোনবোৰক পিল্লোঙৰ পৰা আনি ঘৰৰ চোতালত পঘা খুলি দিয়ে। পঘা খোলাৰ আগে ডাঙৰ পাত্ৰত পানীৰ লগত লোণ মিহলাই মেথোনবোৰক খাবলৈ দিয়ে। লগতে আগাম আনেই মেথোনবোৰক আশীৰ্ব্বাদ দিয়ে যেন বছৰে বছৰে মেথোন-বোৰৰ পোৱালি জগে, পোৱালিবোৰ ভালকৈ সাৱধানে ৰাখে, কোনো ৰোগব্যাধি নহয়, শকতআৱত হয় ইত্যাদি।

উৎসৱৰ দশম দিনা যিবোৰ গছৰ ডাল-পাত হাবিৰ পৰা আনি পূজাত লগোৱা হৈছিল সেইবোৰ আৰু পূজাৰ জাবৰ আদি গোটাই আগাম আনেই পাচিত ভৰাই লৈ গাঁৱৰ বাহিৰৰ যি কোনো পৱিত্ৰ ঠাইত পেলাই দিয়ে। অৱশ্যে প্ৰত্যেক বছৰে একে ঠাইতে পেলায়। জাবৰ পেলোৱাৰ প্ৰথম দিনাৰ গধূলি অৰ্থাৎ উৎসৱৰ দশম দিনা আগ দিনাৰ গধূলি আগামক দিয়া চাউল আৰু আপঙৰ টোপোলাবোৰ আগাম

আনেই তৈয়াৰ কৰি খাব। সেয়া ডেকা-গাভৰুবিলাকক খাবলৈ নিদিয়ে—শুচি নহয় বুলি। সেই উৎসৱৰ জাবৰ পেলোৱাৰো নিয়ম আছে। সেই মতে বেছি নহলেও তিনি দিন জাবৰবোৰ পেলায়। সেই তিনি দিন অৰ্থাৎ উৎসৱৰ বাৰ দিনৰ পিছত আৰু তিনি-চাৰিটা পূজা কৰে। সেইটোও উঞ্জিং উৎসৱৰেই অংশ। বিশেষকৈ বসুন্ধৰা আৰু প্ৰাকৃতিক আদি কৰি সেইবোৰ পূজা দিয়া আগাম আনেজন সকলো কালে পৱিত্ৰ হব লাগিব। যিমান দিন উৎসৱ চলি থাকে সেই সময়ছোৱা আগাম আনে আনন্দ মনেৰে থাকিব লাগে। কাৰো লগত ঙৰ্ঙ হাই-কাজিয়া কৰিব নেপায় আৰু খং কৰিব নেপায়। তেনে কৰিলে ঘৰত কিবা অমঙ্গলৰ ঘটনা ঘটিবই ই ধ্ৰুব সত্য। তদুপৰি ঘৰৰ যিদৌ চুকত উৎসৱৰ দেৱতা আগামক পূজা দিয়ে সেইঠাই সদায় পৱিত্ৰ কৰি ৰাখে। তালৈ ঘৰৰ মানুহ হলেও যাকে তাকে যাবলৈ নিদিয়ে। ইয়াক 'আগাম কেঞ্জুং' বোলা হয়।

উৎসৱ চলি থকা সময়ত গাঁৱৰ কোনো মানুহে খেতি-পথাৰ নাইবা হাবিলৈ গৈ গছ-গছনি, তৃণ-লতা বা মাটি কটা আদি কাম কৰিব নোৱাৰে। তেনে কৰাটো একেবাৰে নিষেধ। সেই সময়ত গাঁৱৰ কোনোবাই গাঁৱৰ বাহিৰলৈ বা খেতিলৈ গৈ হাবি কটা নাইবা খেতি কৰা দেখিলে তেওঁক সমাজৰ বিধিমতে দণ্ড কৰে। সেই নিয়মবোৰ আবৰ সমাজত বৰ কঠোৰ ভাবে পালন কৰা দেখা যায়।

অকল এই উঞ্জিং উৎসৱৰেই নহয় আবৰ সমাজত যিবোৰ পূজা-পাতল, উৎসৱাদি আছে সেইবোৰ ঠিকমতে নেপাতিলে দেশত, গাঁৱত নাইবা ঘৰত অমঙ্গলে দেখা দিয়ে। পূজা ভালমতে দিলে দিয়া বস্তুবোৰ 'আগামে' (দেৱতা) গ্ৰহণ কৰি আশীৰ্ব্বাদ দিয়ে যেন দেশৰ, গাঁৱৰ নাইবা ঘৰৰ সকলো মানুহ মঙ্গলে থাকে, কাৰো একো বেমাৰ-আজাৰ নহয়, পথাৰৰ শস্যবোৰ নদনবদন হৈ উঠে, সকলো মেথোন, গৰু আদিৰ বছৰে বছৰে পোৱালি জগে, শকতআৱত হয়, ঘাঁহ আদি খাবলৈ পায় ইত্যাদি। তদুপৰি এই উৎসৱত খোৱাপিয়া স্ফূৰ্ত্তি

কৰাটো উছৱৰ আন এটা প্ৰধান কাম। যিমানেই দুখীয়া নহওক এই উৎসৱৰ সময়ত যথেষ্ট খোৱাবোৱা কৰাটো তেওঁলোকৰ নিয়মৰ ভিতৰত। ধনী-দুখীয়া, মুনিহ-তিৰোতা সকলোৱে উৎসৱৰ সময়ত নতুন সাজপাৰ পিন্ধে। ইমানবোৰ আপং খোৱাৰ বাবে নিশ্চয় সেই সময়ত সমাজত বিশৃঙ্খলা নাইবা কিবা ঘৃণনীয় ঘটনা ঘটে বুলি হয়তো বাহিৰা মানুহে ভাবিব পাৰে। কিন্তু সেইটো নহয়। অকল সেই উঞ্জিং উৎসৱতেই নহয়, আবৰ সমাজত যিবোৰ জাতীয় উৎসৱ আছে সেই সকলোতে খোৱা, পিয়া, স্ফূৰ্ত্তি কৰাই প্ৰধান ৰূপ লয় যদিও তেওঁলাকৰ নীতিমতে সেই সময়ত খং কৰা, কাৰোবাৰ লগত হাই-কাজিয়া কৰা, সমাজত বিশৃঙ্খলা ঘটোৱা কামবোৰ একেবাৰে নিষিদ্ধ। সেই দেখি ৰাগী ধৰাকৈ আপং খায়ো সমাজত একো অঘটন নঘটায়।

যি নহওক সেই উঞ্জিং উৎসৱত আৰু নানা ৰকম দেৱতাৰ পূজা হয় যেনে—মেথোন দেৱতাৰ পূজা, বসুমতী আইৰ পূজা, ভূতৰ পূজা ইত্যাদি। অসমীয়া সমাজৰ বিহু-উৎসৱত গৰু পূজা কৰা হয়। আবৰবিলাকৰ সেই উৎসৱবোৰত মেথোন পূজা কৰা হয়। তদুপৰি অকল উঞ্জিং উৎসৱেই নহয়, আবৰ সমাজৰ কিছুমান উৎসৱ আছে যিবোৰ অসমীয়া বিহু উৎসৱৰ লগত প্ৰায় মিলে। যেনেকৈ অসমীয়াৰ অতিকে চেনেহৰ ৰঙালী বা বহাগ বিহুৰ দৰে উঞ্জিং-উৎসৱ, কঙালী বা কাতি বিহুৰ দৰে চলোং উৎসৱ আৰু ভোগালী বা মাঘ বিহুৰ দৰে তেওঁলোকৰ দকুং উৎসৱ। ইয়াৰ বাহিৰেও আবৰ সমাজত আৰু কেইটামান জাতীয় উৎসৱ আছে। গোটেই আবৰ সমাজে এই উৎসৱবোৰ কোনো এটা নিৰ্দ্ধাৰিত তাৰিখত পালন কৰিবলৈ সক্ষম হব পৰা নাই যদিও একে মাহত উৎসৱবোৰ পতা হয়।

---

# ভথেলি

বহাগৰ লোক-উৎসৱ বুলিলে বিহুকে সকলোৱে জানে। ভথেলিক জানোতা মানুহ সকলো নহয়, নিশ্চয়কৈ কম। তথাপি 'দীপালী'ৰ কৱিৰ ভাষাৰে কবলৈ গলে—"পাগলাদিয়াৰ ভথেলি গাটো উঠে উথলি"। নামনি অসমত ভথেলি উছৱে গা-মন বিহুবলিয়া কৰি তোলে।

চ'তে চ'তে গৈ বহাগ পালেই প্ৰকৃতিৰ বুকুত যিদৰে অপৰূপ ৰূপৰেখা ফুটি ওলায়, মানুহৰ হিয়াতো সেইদৰে বসন্তৰ মধুৰ বা-বতাহে শিহৰণ তোলে। বহাগ বুলিলেই বিহু—বিশেষকৈ অসমীয়া মানুহৰ মনত। বহাগ নেথাকিলে বিহুৰ কল্পনা, বৰদৈচিলাৰ ছবি অঙ্কণ কৰা অসম্ভৱ। বিহু বুলিলে আকৌ ৰঙালী বিহুৱে আমাৰ হিয়া-মন সামৰি লয়। বহাগ বিহু বা ৰঙালী বিহুৰ সাদিনীয়া উলহমালহ বছৰৰ ভিতৰতে চমকলগা। ৰঙালী বিহুৰ ৰং-ধেমালি, টকা-পেঁপা, ঢোল আৰু বিহুগীতৰ বোল অসমৰ জাতীয় জীৱনৰ একোটাইত বাপতিসাহোন।

ৰঙালী বিহু অসমৰ এটি বাসন্তী বা বহাগী লোক-উৎসৱ। সদৌ অসমতে বিশেষকৈ গীত-বাদ্য, নৃত্য-ভোজৰ যোগেদি এই বাসন্তী উৎসৱ নানা বিধ ৰূপত পৰ্ব্বতে-ভৈয়ামে পালন কৰা হয়। উজনি অসমত বিহুমেলা আৰু বিহুগীতৰ যি সমাৰোহ, নামনি অসমত তাৰ সিমান প্ৰাধান্য নাই। ৰঙালী বিহুৰ অন্যান্য লোকাচাৰ স্থান-কাল-পাত্ৰভেদে উজনি-নামনিত অনুৰূপেই অনুসৰণ কৰা হয়। নামনি অসমত ৰঙালী বিহুৰ ৰং-ধেমালিৰ উপৰিও ভথেলি, স'ৰি আদি লোক-উৎসৱ পালন কৰা হয়। বৰপেটা অঞ্চলৰ বাহিৰে কামৰূপৰ উত্তৰ পাৰত বহাগত হোৱা এই লোক-উৎসৱক ভথেলি বোলে। কামৰূপৰ দক্ষিণ পাৰে এই উছৱক স'ৰি ( সুঁৱৰি ) বোলে। মঙ্গলদৈ মহকুমাত এনে উছৱক দেউল বোলা হয়। গোৱালপাৰা জিলাৰ কিছুমান ঠাইত স'ৰি উছৱ পতা হয়। বৰপেটা অঞ্চলত এনে উছৱ স'ৰি বুলি জনাজাত। অসমীয়া মানুহে বাৰ মাহত তেৰ উছৱ

নপতাকৈ নেথাকে। বহাগৰ পৰা চতলৈকে প্ৰতি মাহে এনে কিছুমান উছৱ আৰু অনুষ্ঠান চলি আহিছে যিবোৰে ৰাজহুৱা আনন্দৰ বাহিৰেও স্বাস্থ্য-নীতি-সন্মত আৰু ঋতুসুলভ ৰুচিৰ পৰিচয় দিয়ে।

বহাগী লোক-উৎসৱ ভথেলি গঞা-ৰাইজৰ সমূহীয়া আনন্দৰ থলী। বহাগ মাহৰ যি কোনো এটি নিৰ্দ্ধাৰিত তাৰিখত বেলেগ বেলেগ গাঁৱত ভথেলি পতা হয়। উদাহৰণ স্বৰূপে উত্তৰ কামৰূপৰ বালিলেছাৰ ভথেলি বহাগৰ সাত তাৰিখে প্ৰতি বছৰে পতা হয়। তেৰ তাৰিখে খাৰখাৰাৰ সন্যাসীৰ ভথেলি হয়। দক্ষিণ পাৰে হোৱা স'ৰি আৰু মণ্ডলদৈ অঞ্চলত হোৱা দেউলৰো এইদৰে ধৰাবন্ধা নিৰ্দ্দিষ্ট তাৰিখ আছে। ভথেলি উছৱ এদিনীয়াকৈ হয়।

পুৱা বেলাতে ভথেলিৰ দিনা গাঁৱৰ ডেকা-চেমনীয়া-লৰাহঁতে ধুতিকৈ ডালবাঁহ কাটি আনি বেছকৈ চাচিচুৰুকি ধুইপখালি লয়। তাৰ পিছত সেই ডালবাঁহ ৰং-বেৰঙৰ কাপোৰ আৰু চোঁৱৰেৰে সজাইপৰাই জাতিস্কাৰ কৰি তোলে। তাৰ পিছত শঙ্খ, বৰকাঁহ, ঢোল-খোল, উৰুলি-জোকাৰ আদি মাঙ্গলিক ধ্বনিৰ মাজত এই সুসজ্জিত ডালবাঁহ থিয়কৈ তুলি দি গুৰিটো মাটিত পোতা হয়। এই সুসজ্জিত ডালবাঁহ পাৰ বুলি জনাজাত। ভথেলিত কম পক্ষেও দুটাকৈ পাৰ পোতা হয়। কাচিৎহে এটা পাৰ থাকে। ইয়াৰে দীঘল পাৰটোক মতা পাৰ বা বৰপাৰ আৰু চুটি পাৰটোক মাইকী পাৰ বা কন্যাপাৰ বোলে। কন্যাপাৰ চুটি হোৱা উচিত কিয়নো বৰতকৈ কন্যা চাপৰ হব লাগে বুলি সৰ্ব্বসাধাৰণৰ ধাৰণা। যিখন গাঁৱৰ ভথেলি সেইখন গাঁৱেই সাধাৰণতে মতা পাৰ উত্তোলন কৰে আৰু চুবুৰীয়া গাঁৱৰ পৰা কন্যাপাৰ অনা হয়। ভথেলি উছৱ গাঁৱৰ নামঘৰ বা থান আদি উমৈহতীয়া আৰু পৱিত্ৰ ঠাইত অনুষ্ঠিত হয়। পাৰ দুটিৰ উপৰিও এটা বাঁহৰ খুটি পুতি তাৰ মূৰত সৰুকৈ এটি কলপাতৰ ঘৰ সজা হয়। ইয়াকে ভথেলি ঘৰ বোলে। দিনৰ দিনটো এই ভথেলিলৈ ওচৰপাজৰৰ আৰু দূৰদূৰণিৰো ল'ৰা-বঢ়া, ডেকা-গাভৰুসকলে মুকলি মনেৰে আহে।

তিৰোতাসকলৰ কাণত থুৰীয়া বা ফুলচাকি, হাতত খাৰু, মুঠি বা শাঁখা, নাকত নলক বা নাকফুল, গলত গলপতা বা হাৰ কাৰোবাৰ আকৌ কাণত সোণা, হাতত বাজু, গলত পোৱালমণি, কঁপালত সেন্দূৰৰ জমকাফুলীয়া ফোঁট, সুগন্ধি গোন্ধ-তেলেৰে ঘঁহি চুচি-মাজি বন্ধা চুলিতাৰিৰ উচল খোপা, পিন্ধনত ৰিহা-মেখেলা, চেলেং বা আণ্ডৰান আৰু মুখত এমোকোৰা তামোল-পাণ। হাঁহি-খিকিন্দালি কৰি বা জোৰা নাম (খিচাগীত) গাই গাই গাঁৱৰ আলিবাট বজনজনাই তেওঁলোকে দলে দলে ভথেলিৰ পথাৰলৈ আহে। ভথেলিত কানি-কাপোৰ,মণি-মুকুতা আদি বিবিধ বস্তুৰ মনোহাৰী দোকান আৰু চাহ-মিঠাইৰ দোকান বহে। এইবোৰ বস্তু-বাহানি আৰু গাঁৱৰ বাঁহ-বেতৰ বস্তু ওৰে দিন বেচাকিনা হয়। কোনো জনীয়ে এধাৰি পোৱালমণি বা পীতমণি, কোনোবাই চুলিত মৰা পিন, কোনোবাই গা-ধোৱা চাবোন আৰু কোনোবাই বা খোপাত বন্ধা ছুডাল ঘুমুচাকে কিনিব। বয়সিয়াল ছুই-চাৰিজনীয়ে মিতিৰ-কুটুম বিচাৰি, বিশেষকৈ বিয়নীসকলক আৰু নবোৱাৰীক চোৱা-চিন্তা কৰিবলৈকে ঘূৰিপকি ফুৰে। এনে অনুভৱ হয় যে ভথেলি উছৱ চাৰি বেৰৰ মাজত বান্ধ খাই থকা গঞা তিৰোতাৰ কাৰণে এখনি মুকলি মেলা। ঘৰুৱা বোজাৰ পৰা ৰেহাই পোৱা এটি আপুৰুগীয়া আজৰিৰ অনুষ্ঠান। গাঁৱৰ ডেকাসকলেও সেই দিনা লাহবিলাহ কৰি সাজপাৰ পিন্ধে। বনিয়ন চোলা পিন্ধি, গোন্ধতেল ঘঁহি চিকুণকৈ সেওঁতা কাঢ়ি গা ঘেলাই ফুৰে। সময়ৰ সলনিৰ লগে লগে গঞা সমাজৰ পিন্ধন-উৰণ আৰু ৰুচিবোধৰ ক্ষেত্ৰত হোৱা পৰিবৰ্ত্তনবোৰ এনে উছৱৰ মাজেদিয়ে বিৰিঙি উঠে। এই উছৱত লৰা-বুঢ়া, ডেকা-গাভৰু সকলোৱে জাতি-বৰ্ণ-ধৰ্ম্ম-নিৰ্ব্বিশেষে যোগ দিয়ে। হিন্দু সমাজেই ভথেলি উছৱৰ উদ্যোক্তা যদিও সকলো সম্প্ৰদায়ৰ লোকেই ইয়াত যোগদান কৰে। সন্ধিয়া ভথেলি শেষ হয়। তাৰ পিছত গাঁৱৰ ডেকাইতে ভথেলি ঘৰটো ভাঙে। দোকান-বজাৰৰ পৰা মিঠাই-বিস্কুট আদিও বৰঙনি স্বৰূপে লৈ ভগাই খায়। এয়ে হ'ল ভথেলি উছৱৰ চমুৰে লেখা চমু বৰ্ণনা।

ভথেলি উছৱৰ আঁতিগুৰি সম্বন্ধে ভিন্ ভিন্ পণ্ডিতৰ বেলেগ মত দেখা যায়। বিহগী কৰি শ্ৰীৰঘুনাথ চৌধাৰী ডাঙৰীয়াৰ মতে ভথেলি শব্দটো ভূঁইথলী শব্দৰ পৰা আহিছে। ভূঁইথলী মানে হ'ল খেতিৰ পথাৰ বা ঠাই। স্বৰ্গীয় শৰৎ গোস্বামীদেৱে কিন্তু ভথেলি ভাথি শব্দৰ পৰা ওলোৱা বুলি অনুমান কৰিছিল। কিছুমানে আকৌ ভাটিয়ালী শব্দৰ পৰা ভথেলি শব্দটো অহা বুলি ভাবে। স্বৰ্গীয় ডঃ বাণীকান্ত কাকতিদেৱে ভূস্থলী বা ভস্থলিকা শব্দৰ পৰা ভথেলি অহাটো সম্ভৱ বুলি জনাইছিল। আকাশত উৰি থকা সুসজ্জিত বাঁহৰ পাৰটোক লক্ষ্য কৰিয়ে 'ভস্থলিকা' বা শূন্য ঠাইৰ সপক্ষে যুক্তি দেখুৱাব পাৰি। এইবোৰ গধুৰ আলোচনালৈ নগৈ আমি মাথোন কওঁ—ভথেলি নামনি অসমৰ বহাগী লোক-উৎসৱ বা গঞ্জা উছৱ। ইয়াত লোকাচাৰ, ৰং-ধেমালিৰ প্ৰাচুৰ্য্য আছে; পূজাপাতল, তন্ত্ৰমন্ত্ৰৰ প্ৰাধান্য নাই। ইয়াৰ আঁতিগুৰি বৈদিক, শাস্ত্ৰীয় যিয়েই নহওক এই উছৱৰ আচাৰ-বিচাৰ আৰু ৰং-ৰগৰত থলুৱা ৰহন বেছিকৈ পৰিছে। গঞ্জা সমাজৰ কাৰণে ভথেলিয়ে বহুতো উপকাৰ সাধন কৰে, মুকলি মনত কাম-বনৰ কাৰণে দুগুণে উছাহ যোগায়।

---

# ষাঁঠ

সৌৰ জেঠ মাহৰ শেষৰ তিনি দিন, সৌৰ আষাৰ মাহৰ প্ৰথম তিনি দিন আৰু মাজতে সংক্ৰান্তিৰ দিন, এই সাত দিনকে ষাঁঠি বা ভূমিদাহ বোলে। সেই কেইদিনত নিত্যনৈমিত্তিক আৰু পূৰ্ব্বসংকল্পিত কামৰ বাহিৰে আন বৈদিক কৰ্ম্ম, গুটি সিঁচা, হাল বোৱা আদি কাম শাস্ত্ৰই নিষেধ কৰিছে। সাতোদিনে নহ'লেও জেঠৰ শেষ দিন দোমাহীৰ আৰু আষাৰৰ পহিল দিনা বিশেষকৈ নিষেধ কৰিছে। লোকাচাৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়। আমাৰ কামৰূপ তথা অসমত এই কেইদিনত বিবাহাদি বৈদিক কৰ্ম্ম আৰু যাত্ৰাদি শুভ কৰ্ম্ম মানুহে নকৰে যদিও গুটি সিঁচা, হাল বোৱা আদি কাম কৰা হয়। আষাৰৰ তিনি তাৰিখে ষাঁঠ ভাঙে। তাৰ পিছতে আষাৰৰ ছয় বা সাত তাৰিখে অম্বুবাচী বা আমতী লাগে। অম্বুবাচী শুদ্ধি বা শুচিৰ দিনে সৈতে পাঁচ দিন। সেয়েহে মানুহে ষাঁঠে আমতী বাৰ দিন বুলি কয়। এই কেইদিনত বৰষুণ হয় বুলি আমাৰ অসমত প্ৰবল জনবিশ্বাস আছে। আচলতে হয়ো কাৰণ এইটো বাৰিষাকালৰ আৰম্ভণি। এইখিনি কাল আমাৰ খেতিয়কৰ শালিখেতিৰ কঠীয়া সিঁচাৰ সময়। এই সময়ত সিঁচা কঠীয়াৰহে ভাল খেতি হয় বুলি মানুহে বিশ্বাস কৰি আহিছে। সেই বাবে আমাৰ খেতিয়কে হালো বায় আৰু গুটিও সিঁচে।

শাস্ত্ৰীয় বচনে ষাঁঠত যাগ-যজ্ঞ, দান, ব্ৰত, আৰু স্বাধ্যায় কৰ্ম্মাদিও নিষেধ কৰিছে। এই সময়ত কামৰূপৰ ঠায়ে ঠায়ে এবিধ ব্ৰত বা বৰত কৰে। এই ব্ৰতৰ কোনো শাস্ত্ৰীয় প্ৰমাণ নাই। এই ব্ৰত অকল সধবা তিৰোতা আৰু কুমাৰী ছোৱালীয়েহে কৰিব পাৰে। আন আন শাস্ত্ৰীয় ব্ৰতবিলাক স্ত্ৰী-পুৰুষ, সধবা-বিধবা নিৰ্ব্বিশেষে সকলোৱে কাৰণে কিন্তু এই ব্ৰত তেনে নহয়। এই ব্ৰত এগৰাকী অশাস্ত্ৰীয় দেৱীৰ কৰুণা লাভৰ নিমিত্তে কৰা হয়। দেৱী অশাস্ত্ৰীয় ( শাস্ত্ৰ পুৰাণাদিত নাম নথকা ) হলেও স্বয়ং আবিৰ্ভূতা, ধনাম্বধন্যা আৰু অপাৰ

মহিমামণ্ডিতা। দেৱীৰ তন্ত্ৰ-মন্ত্ৰও সংস্কৃতীয়া নহয়। ই এটা দেশাচাৰ বা লোকাচাৰ আৰু অলিখিতভাবে কোনোবা অতীতৰ পৰা পৰম্পৰাগতভাবে চলি অহা ব্ৰতহে।

ষাঁঠ লগাৰ দিনা আগবেলা বৰতীজনীয়ে অনাকটা (দহিকটা) কাপোৰ বা আগুৰাণ পিন্ধি বিয়াৰ পানী তোলাৰ দৰে আয়তী-সকলৰে সৈতে গৈ পুখুৰী বা নৈত তিনটা বুৰ মাৰি গা ধুই মানুহে আসন হিচাপে ব্যৱহাৰ নকৰা এখন পীৰাত বোকামাটি তুলি আনে। ইয়াক ষাঁঠৰ মাটি তোলা বোলা হয়। মাটি তোলোঁতে আয়তীসকলে উৰুলিজোকাৰ দিয়ে। এই বৰত কৰা মানুহৰ বাবে ষাঁঠৰ মাটি তোলা একোখন আচুতীয়া বৰপীৰা থাকেই। বৰতীজনীয়ে সেই মাটি তোলা পীৰাখন মূৰত তুলি আনি চোতালত তুলসীৰ তলত থয়। বোকাখিনি গোটেই পীৰাখনৰ ওপৰতে সমানকৈ পাৰি দি তাত পঞ্চশস্য (ধান, মাহ, মগু, সৰিয়হ আৰু কলা মাহ) চটিয়াই দিয়ে। সেন্দূৰৰ তিনিটা ফোট দিয়ে। এযোৰা তামোল-পাণ দিয়ে। পাঁচ, সাত বা নবিধ ফল দিয়ে। ফুল চটিয়াই দিয়ে। এখন পহুৰ শিঙৰ ডাবুৰা কটাৰী, এটা টেমী আৰু এযোৰ খাৰু দিয়ে। ইয়াৰ পিছত কটাৰীখনেৰে পীৰাখনৰ তল ফালে খুটখুটকৈ কোবাই এই বতৰ উপাস্যা দেৱী আই উকুনী বুঢ়ীক জগায় অৰ্থাৎ বোধন বা আৱাহন কৰে আৰু দেৱীক ধূপ-ধুনা, নৈবেদ্য, ফুল-চন্দনাদিৰে পূজা কৰে। দেৱীক জগোৱা আৰু পূজাৰ মন্ত্ৰ একেটাই। যেনে—

উকুনী বুঢ়ী জাগো।
মোৰ কাজত লাগো॥
হেৰালে পায়।
মৰিলে জীয়ে॥
সাৱিত্ৰী কৰে দিনে দিনে।
আমি কৰোঁ বছৰ দিনে॥
সাৱিত্ৰীক যি বৰ দিছিলা।
মোকো সেই বৰ দিয়া॥

সেই পীৰাখনক ষাঁঠ বোলে। ষাঁঠখন নি গোসাঁই-ঘৰত আৰু গোসাঁই-ঘৰ নেথাকিলে ভাখৰি বা ভঁৰালঘৰত থয়। প্ৰতি দিনে ষাঁঠ ধুৱায়। সন্ধিয়া চাকি-বন্তি দিয়ে। ব্ৰতীজনীও এই কেইদিন পৱিত্ৰ-ভাবত থাকে। এই নিয়মেৰে ছয় দিন অতিবাহিত হয়। ষাঁঠত চটিওৱা পঞ্চশস্য গজি লহপহকৈ বাঢ়ি আহে। ষাঁঠ ভাঙিবৰ দিনা (আষাৰৰ তিনি তাৰিখে) ব্ৰতো ভাঙে। সেইদিনা ষাঁঠ ধুৱাই থাপনাত থয়। পূজাৰ নিয়মে নৈবেদ্য আদি যতনাই দিয়ে। ষাঁঠৰ গুৰিত আগলতি কলাপাত পাৰি (ইয়াক পাতালী বা পাতেলী বোলে) তাৰ ওপৰত তিনটা পুতলা সাজে। পুতলা তিনিটা হল :—আগহাতে সত্যবান, বাঁওহাতে সাৱিত্ৰী আৰু মাজত তেওঁলোকৰ লৰাটো। সত্যবান আৰু লৰাটোৰ পুতলা দুটা আৰৈ চাউল বটাৰে আৰু সাৱিত্ৰীৰ পুতলাটো কেঁচা হালধি বটাৰে সাজে। তাৰ পিছত আই উকুনী বুঢ়ীক জগাই ফল-ফুলেৰে অৰ্চ্চনা-বন্দনা কৰি ব্ৰত কথা বা সাধুকথা শুনে। এই প্ৰক্ৰিয়াত পৌৰোহিত্য কৰে গাঁৱৰ নামতী বা ওজাই, পুৰোহিতে নহয়। সাধুকথাও নামতী বা ওজায়েই কয়। তিনটা সাধুকথা কয়।

প্ৰথমটো হৈছে এই ব্ৰতৰ উদ্ভৱ আৰু প্ৰচলন সম্পৰ্কে। তাত কোৱা হয় যে প্ৰথমতে হেনো স্বৰ্গৰ সাতজনী অপেস্বৰীয়ে বিমানেৰে নামি আহি কোনোবা হাবিৰ মাজত এই ব্ৰত কৰিছিল। কোনোবা বামুণৰ বেটী ছোৱালী দুজনীয়ে হাবিত ছাগলী চৰাওঁতে হঠাতে এদিন তাত উপস্থিত হল। তেওঁলোকে সাত অপেস্বৰীৰ ব্ৰত দেখিলে। অপেস্বৰীহঁতে ছোৱালী দুজনীৰ পৰিচয় ললে আৰু তেওঁলোকক এই ব্ৰত কৰিবলৈ কলে। ছোৱালী দুজনীয়ে যথানিয়মে এই ব্ৰত কৰি পৰম ভাগ্যৱতী হল। কালক্ৰমত দুয়ো কোনোবা ৰজাৰ ৰাজৰাণী হলগৈ। কিন্তু ৰাণী হয়ো তেওঁলোকে ব্ৰত কৰিবলৈ নেৰিলে। ৰজা আৰু মন্ত্ৰীয়ে এই ব্ৰতক ভূত-পূজা বুলি নিন্দা কৰাত কেনেকৈ আই উকুনী বুঢ়ীৰ কোপত পৰি নগুৰনাগতি হৈছিল তাকো সাধুটোত বৰ্ণোৱা হৈছে।

দ্বিতীয় সাধুটো হৈছে সাৱিত্ৰী-সত্যৱানৰ আৰু তৃতীয় সাধুটো কোনোবা বামুণী আৰু বেটীৰ। এই দুটা সাধুত এই ব্ৰতৰ প্ৰচলন আৰু মাহাত্ম্য দেখুৱা হৈছে। সাধুবিলাকত ঠাইৰ নাম নাই। ব্যক্তিৰ নাম সৰহভাগে অজ্ঞাত আৰু সময়ৰ কোনো উমান নাই। এইবোৰ মুখে মুখে প্ৰচলিত আৰু কাণবাগৰা সাধু কিন্তু ৰসাল। সাধুকথা কোৱা সমাপন হলে আয়তীসকলে নাম ধৰে। নাম ধৰা শেষ হলে বৰতীজনীয়ে সেৱা কৰি আশীৰ্ব্বাদ লয়। তাৰ পিছত যাঁঠ আৰু পাতেলী নি পানীত উটাই দিয়ে। আয়তীসকলক মাহপ্ৰসাদ, ফলমূল ভগাই দিয়ে আৰু জা-জলপানো খুৱায়। ইয়াতে ব্ৰত সমাপন হয় আৰু যাঁঠো ভঙা বুলি কোৱা হয়। এই ব্ৰতৰ মাহাত্ম্য অপাৰ। এই ব্ৰত কৰিলে "হেৰালে পায়, মৰিলে জীয়ে"। গৃহস্থীৰ ধনে-ধানে, জনে-প্ৰাণীয়ে জয়জয় ময়ময় অৱস্থা হয়। ঘৰৰ গৃহিণীহতৰ বৈধব্য, বন্ধ্যা আদি দোষ নাশ হয়।

এই ব্ৰতত সাৱিত্ৰী-সত্যৱানৰ পুতলা সজা, সাৱিত্ৰীয়ে এই ব্ৰত কৰা সাধু কোৱা আদিৰ পৰা সাৱিত্ৰী ব্ৰতৰ লগত ইয়াৰ কিবা মিল থাকিব পাৰে। জেঠ মাহৰ কৃষ্ণা-চতুৰ্দ্দশীক সাৱিত্ৰী-চতুৰ্দ্দশী বা যম-চতুৰ্দ্দশী বোলা হয়। সেই দিনা সাৱিত্ৰী চতুৰ্দ্দশী ব্ৰত হয়। সেই দিনতে সত্যৱান কালপ্ৰাপ্ত হৈছিল আৰু সাৱিত্ৰীয়ে নিজৰ সতীত্বৰ বলত যমক সন্তুষ্ট কৰি যমৰ বৰত সত্যৱানক পুনৰ জীয়াইছিল। এই ব্ৰত পৌৰাণিক আৰু শাস্ত্ৰীয়। মহাভাৰতত থকা সাৱিত্ৰী উপাখ্যানৰ পৰা ইয়াৰ উদ্ভৱ। কাম্যক বনবাসী ধৰ্ম্মৰাজ যুধিষ্ঠিৰে সোধা কুলস্ত্ৰীৰ ধৰ্ম্মবিষয়ক প্ৰশ্নৰ উত্তৰ স্বৰূপে মাৰ্কণ্ডেয় মুনিয়ে এই উপাখ্যানটো ব্যাখ্যা কৰিছে। এই ব্ৰত একেলে-ঠাৰীয়ে চৈধ্য বছৰ কৰিব লাগে। এই ব্ৰতো অকল সধবা তিৰোতাৰ বাবেহে। এই ব্ৰত কৰাৰ পৰা কুলস্ত্ৰীৰ বৈধব্য, বন্ধ্যা আদি দোষ নাশ হয়, গৃহস্থীৰ শ্ৰীবৃদ্ধি হয়। ইয়াত বৰতীজনীয়ে উক্ত দিনত দিনটো উপবাসে থাকি গধূলি ধৰ্ম্মৰাজ যম, সাৱিত্ৰী, সত্যৱান, নিজৰ স্বামী (স্বামী ঘৰত নেথাকিলে স্বামীৰ পাদুকা) শহুৰ-শাহুক (যদি জীৱিত থাকে) যথাবিধি আৰু যথোপচাৰে পূজা কৰি ব্ৰতকথা শুনিব লাগে। ব্ৰতকথা

মহাভাৰতৰ সাৱিত্ৰী উপাখ্যান। বৰতীজনীৰ বাহিৰে আনেও এই সাধুটো শুনাৰ পৰা সুখী হয় আৰু মনৰ সকলো অভীষ্ট সিদ্ধ হয়। মাহাত্ম্যৰ ফালেদি মিল থাকিলেও যাঁঠৰ ব্ৰতৰ প্ৰক্ৰিয়া সাৱিত্ৰী-ব্ৰতৰ প্ৰক্ৰিয়াতকৈ সম্পূৰ্ণ বেলেগ। সাৱিত্ৰী-ব্ৰত পৌৰাণিক, শাস্ত্ৰীয় আৰু সংস্কৃত। যাঁঠৰ ব্ৰতৰ উপাস্যা দেৱী আৰু পূজা দুয়োটাই অশাস্ত্ৰীয়। পূজাৰ উপচাৰ আদি যেনে ফল-ফুল আদিবো কোনো বাচ-বিচাৰ নাই। আন আন দেৱ-দেৱীৰ পূজাত নলগা বহুত বনৰীয়া ফুলফলো ইয়াত লাগে আৰু সেইবোৰহে বেছি প্ৰশস্ত। যাঁঠৰ ব্ৰতৰ সাধুকথা তিনটাও কোনো পুৰাণাদিত নথকা, আনকি সাৱিত্ৰী-সত্যৱানৰ সাধুটোও মহাভাৰতৰ সাৱিত্ৰী উপাখ্যানৰ লগত অলপো নিমিলে। মহাভাৰতৰ সাৱিত্ৰী উপাখ্যানত সাৱিত্ৰী আৰু সত্যৱান যথাক্ৰমে ৰাজকুমাৰী আৰু ৰাজকুমাৰ কিন্তু উক্ত সাধুটোৰ সাৱিত্ৰী আৰু সত্যৱান উভয়ে ব্ৰাহ্মণকুমাৰী আৰু ব্ৰাহ্মণকুমাৰ। সাদৃশ্য কিন্তু এইখিনিতে যে অপত্যহীন অশ্বপতিয়ে সাৱিত্ৰী দেৱীৰ বৰত সাৱিত্ৰীক লাভ কৰাৰ দৰে আঁঠখুৰীয়া (বন্ধ্যা) বামুণীয়েও আই উকুনী বুঢ়ীৰ কৃপাত সাৱিত্ৰীক লাভ কৰে। সাৱিত্ৰী উপাখ্যানৰ সাৱিত্ৰী স্বয়ম্বৰা কিন্তু উক্ত সাধুটোত সত্যৱানে সাৱিত্ৰীক বিচাৰি গৈছে নিজৰ যোগ্যা পত্নী হব নে পৰীক্ষা কৰি চাবলৈ। "একে গছৰ পাত খৰিকা একে গছৰ পানী; একে গছৰ খৰি খুটী ভোজন কৰোঁ আনি॥" এই সাঁথৰৰ দ্বাৰা সত্যৱানে সাৱিত্ৰীক পৰীক্ষা কৰিছে। সাৱিত্ৰী উত্তীৰ্ণ হোৱাত নিজৰ যোগ্যা ভাৰ্য্যা হব বুলি চিনি পাইছে। ইয়াৰ বাহিৰে সত্যৱানৰ আৰু কেইটামান পৰীক্ষাত সাৱিত্ৰী উত্তীৰ্ণ হবলগীয়া হৈছে। এই সাৱিত্ৰীয়ে শিশু কালৰ পৰাই এই যাঁঠৰ ব্ৰত বা উকুনী বুঢ়ীৰ ব্ৰত সদায় কৰি উকুনী বুঢ়ীৰ পৰা "হেৰালে পায় মৰিলে জীয়ে" এই বৰ লাভ কৰিছিল। সাৱিত্ৰী উপাখ্যানতো সাৱিত্ৰীয়ে ব্ৰত কৰা কথা উল্লেখ আছে। কিন্তু এই ব্ৰত সাৱিত্ৰীয়ে দিনে দিনে বা বছৰে বছৰে কৰা নাছিল। মাত্ৰ এবাৰহে কৰিছিল—সত্যৱান কালপ্ৰাপ্ত হবৰ তিনদিন আগৰ পৰা। সেই ব্ৰতৰ বৰ্ণনাও দিয়া আছে।

সাৱিত্ৰীয়ে সূৰ্য্যোদয়ৰ পূৰ্ব্বে স্নানাদি নিত্যনৈমিত্তিক ক্ৰিয়া সমাপন কৰি অগ্নিত আহুতি দিছে। তাৰ পিছত তপোবনবাসী তাপস-তাপসীসকলক নিজৰ শহুৰ, শাহু আৰু স্বামীক কৃতাঞ্জলিপূৰ্ব্বক অভিবাদন কৰি সকলোৰে আশীৰ্বাদ লৈছে। এইদৰে ধ্যান-যোগ আদিৰ মাজেদি দিনৰ সময়খিনি কটাই গধূলি ফল-মূল আহাৰ কৰি ব্ৰতৰ পাৰণ কৰিছে। এইদৰে তিনি দিনব্ৰত কৰে। ব্ৰতৰ তৃতীয় দিনা আবেলি সত্যৱান ফল-মূল গোটাই আনিবলৈ হাবিলৈ যায়। লগত সাৱিত্ৰীও যায়। তাতে সত্যৱান কালপ্ৰাপ্ত হয়। সাৱিত্ৰীয়ে যমৰ পৰা বৰ লৈ সত্যৱানক পুনৰ জীয়ায়। তেতিয়া গধূলি হৈছিল। সেয়েহে আজিকালি এই ব্ৰত গধূলি কৰা নিয়ম।

যঁাঠৰ ব্ৰত মূলতে যে এটা অনাৰ্য্য আচাৰ ই ধ্ৰুপ। কোনোবা স্মৰণাতীত কালত ই আৰ্য্য সমাজত সোমাই অবিকৃতভাবে আৰ্য্য-ঐতিহ্যত জাহ গৈছে। ইয়াক কোনো অনাৰ্য্য হাবিতলীয়া মানুহৰ কৃষিমূলক আচাৰ যেন লাগে। সাত অপেচৰীৰ কথা বাদ দিলে পোনতে বামুণৰ ছাগলী চৰোৱা বেটী ডুজনীয়ে এই ব্ৰত কৰা কথাই তাকে ইঙ্গিত কৰে। আকৌ হাবিত ব্ৰত কৰা সাত অপেচৰী কোনোবা হাবিতলীয়া মানুহৰ জীয়াৰীও হব পাৰে—যি নিজকে অপেচৰী বুলি পৰিচয় দিছিল। এই ব্ৰতৰ সময় খেতিয়কৰ কঠীয়া সিঁচাৰ সময় আৰু এই ব্ৰততো শস্য সজাই তুলি সেই শস্য গজোৱা পীৰা যঁাঠখনকে উপাস্যা দেৱীৰ প্ৰতীক যেন বিবেচনা কৰা হয়। এই আই উকুনী বুঢ়ীৰে হয়তো ধৰিত্ৰী দেৱী—যাক বিশাল আৰ্য্য-ঐতিহ্য পৰম্পৰাৰ শক্তিৰূপত কল্পনা কৰা হৈছে। ধৰিত্ৰীৰ বুকুত শস্য গজোৱা প্ৰচেষ্টাই কালক্ৰমত এই ব্ৰতৰ ৰূপ ললে। ইয়াৰ উদ্দেশ্যও আমাৰ আন আন কৃষিমূলক উৎসৱ বা আচাৰবিলাকৰ উদ্দেশ্যৰ অনুৰূপ।

---

## শস্য-ব্ৰত

প্ৰকৃতিৰ জয়শ্ৰীমণ্ডিত অসমীৰ লুইতপলসুৱা মাটিত গঢ়ি উঠিছে আমাৰ গাঁওবোৰ। কৃষিজাত সম্পদৰ লগত গ্ৰামজীৱনৰ ওতঃপ্ৰোত সম্বন্ধ। গতিকে স্ত্ৰীপুৰুষ সমন্বিতে কৃষিৰ উন্নতিকল্পে বিভিন্ন ৰূপত কৃষিদেৱতাক কল্পনা কৰি উৎসৱ-পাৰ্ব্বণৰ সৃষ্টি কৰিলে। শস্যব্ৰতো কৃষি উৎসৱেই। ই যুগ যুগ ধৰি ধৰ্ম্মৰ সংৰক্ষণশীল আচাৰৰ মাজেৰে প্ৰতিপালিত হৈ আহিছে অৱশ্যে উৎপত্তিৰ নিৰ্দ্ধাৰিত সময় বিস্মৃতিৰ গৰ্ভত।

প্ৰাচীন কালত মন্ত্ৰীত্বত কিম্বা পৌৰোহিত্যত নাৰীৰ সক্ৰিয় স্থান নাছিল। পিছে বিভিন্ন ব্ৰতত পোৱা 'আয়ু যশ, ধন, পতিৰ সৰ্ব্বমঙ্গল' —ঐহিক কামনাৰ মূলতেই মাতৃজাতি। শস্যব্ৰতো মাতৃকেন্দ্ৰিক, লোকাচাৰীয়। ব্ৰতচাৰিণীও হ'ল নাৰীয়েই, পৌৰোহিত্যও কৰে বৃদ্ধা বিধবা আৰ্য্যকাই।

বৰত, ষাঁঠা বৰত, শস্যব্ৰত, মহালক্ষ্মী ব্ৰত ইত্যাদি বিভিন্ন নামকৰণ বিভিন্ন ঠাইত পোৱা যায়। আষাৰ মাহৰ ষাঁঠৰ (অম্বুবাচীৰ) ভিতৰত এই ব্ৰত পালন কৰা হয় বাবেই 'ষাঁঠা ব্ৰত', লক্ষ্মীৰ উদ্দেশ্যে কৰা হয় বাবে 'মহালক্ষ্মী ব্ৰত' নামকৰণ হ'ল। যদিও বিভিন্ন ব্ৰত আমাৰ অসমীয়া সমাজত প্ৰচলিত আছে, এই শস্যব্ৰতকেই ব্ৰত-শ্ৰেষ্ঠ বুলি পৰিগণিত কৰা হৈছে। সেই বাবেই বোধহয় 'বৰত' (ব্ৰত) বুলিলে শস্যব্ৰতকে ধৰি লোৱা হয়। প্ৰাচীন শাস্ত্ৰকাৰসকলে অম্বুবাচীৰ মূলতে শস্য-উৎসৱ বুলি মত পোষণ কৰে কিয়নো এই সময়ত বসুমতী ঋতুমতী হয়। এই ফালৰ পৰা শস্যব্ৰত নামকৰণ যুক্তিযুক্ত। উদ্দিষ্ট দেৱীৰ নাম পাঁচটা পাওঁ—মহালক্ষ্মী, বোৱন্তী (?) কামাখ্যা, উপনিগৌৰী (?) মনকামিনী। সাধুকথাবোৰৰ মাজত উপনিগৌৰী নামটোৰ প্ৰাধান্য পোৱা যায়। কিছুমান ঠাইত অৱশ্যে উকুনী বুঢ়ীও বোলা হয়। সাধাৰণতে কৃষি-জীৱনৰ লগত শিৱ-পাৰ্ব্বতীৰ সম্বন্ধ আছে গতিকে 'উকুনী বুঢ়ী' 'গৌৰীৰ' পৰা 'বুঢ়ীলৈ' ভ্ৰষ্টও হব পাৰে।

বৰ্ত্তমানে নিৰুৎসাহৰ মাজেদি হলেও কামাখ্যা, নলবাৰী আৰু বৰ্ত্তিয়া

অঞ্চলত সমূহীয়াভাবে বা পৃথককৈ ষাঁঠ ব্ৰত উদযাপন কৰা হয়। ঠাই বিশেষে আচাৰ আনকি সাধুকথাবোৰৰো অমিল পোৱা যায়। আমাৰ এই প্ৰবন্ধৰ সমল কামাখ্যাৰ প্ৰচলিত নিয়মৰ পৰাই লোৱা হৈছে। এই ব্ৰতৰ উদ্দেশ্য হৈছে গৃহস্থৰ অপায় অমঙ্গল দূৰ কৰা, পতিৰ উন্নতি কামনা কৰা কিম্বা ভাল শস্যৰ উৎপাদন হোৱা—এয়েই। বিবাহিতা স্ত্ৰীয়ে বা কুমাৰীয়ে উপবাসে থাকি, দুপৰীয়া বিশেষ ধৰণে সজা পীৰা লৈ (মাটিৰ বহল পাত্ৰ বা পিতলৰ ডাঙৰ কাঁহী লৈ) কোনো ভাল পুখুৰী কিম্বা নৈলৈ যায়। সাধুকথাৰ মাজত অৱশ্যে সৰোবৰৰ ঘাটলৈ যোৱাৰ কথাও পোৱা যায়। বৰতীয়ে পীৰাখন আৰু পীৰা পৰা ঠাইখিনি ভালদৰে শুদ্ধভাবে ধুই লয়। পীৰাখনত সেন্দূৰৰ ফোট দিয়ে। পাঁচবাৰ বা সাতবাৰ বুৰ মাৰি মাটি আনে। প্ৰত্যেক বাৰেই মাটিখিনি বেলেগ বেলেগকৈ ভাগ কৰে। কিছুমান ঠাইত অৱশ্যে এন্দুৰ বা কেঁকোৰাৰ গাঁতৰ মাটিও ব্যৱহাৰ কৰিব পাৰে। যুতি ফুল, তিঁযহ, জিকা, বাড়ি, ডালিম আদিৰ ফুলৰ উল্কা কৰি মাটিৰ ভাগবোৰত পুতি দিয়ে। মাজে মাজে কক্কা, নেমু টেঙা, লেটেকু, পনিয়াল (কমেও পাঁচ বিধ ফল) তামোল-পাণ, কল এআসি দিয়া হয়। লগত কটাৰী এখনো দিয়া হয়। এই কটাৰীখনেৰে তলত দিয়া মন্ত্ৰফাঁকি পাঁচ বাৰ উচ্চাৰণ কৰি, পীৰাখনত পাঁচবাৰ কোবোৱা হয়। চাকি আদি জ্বলাই মন্ত্ৰ উচ্চাৰণ কৰাৰ আগতে ধান, মাহ, সৰিয়হ আদি পাঁচ বিধ বা সাত বিধ শস্যৰ বীজ ৰোপণ কৰা হয়। গোসাঁনীক জগোৱা মন্ত্ৰফাঁকি হ'ল ঃ—

"ফল কটাৰী জাগো
আমাৰ কাজে লাগো।
হৰিলেও পায়
মৰিলেও পায়
অপন্থে পন্থ হয়
ভাঙা ঘৰত শ্ৰীপা হয়।

মাটি তুলিলে সেন্দূৰমুঠি হয়
লাৰিবা চাৰিবা প্ৰাণ নামাৰিবা।"

ৰবতীজনীয়ে পীৰাখন মূৰত লৈ ঘৰলৈ ওভতে। আয়তীসকলে উৰুলি দি, হৰগৌৰী বা লক্ষ্মীৰ গুণ বৰ্ণাই নাম গায়। গোসাঁইঘৰত পীৰাখন থাপনা কৰা হয়। ঘৰত সোমোৱাৰ আগে আগে ঘৰৰ চালত বিয়াৰ দৰে পানী ঢালি দিয়া হয়। প্ৰথম তিনি দিন নিতৌ পুৱা-গধূলি শস্যবোৰত পানী দি, চাকি আদি জ্বলাই ঢাকি ৰাখে। সংক্ৰান্তিৰ দিনা তুলসীতললৈ পীৰাখন উলিয়াই আনি পুৰণি ফুলবোৰ আঁতৰায়, মাহ হালধিৰে (বিয়াৰ দৰে) নোৱায়। উক্ত মন্ত্ৰফাকিৰে গোসাঁনীজনাক জগায়। আবাৰ মাহৰ তৃতীয় দিনা বাহিৰলৈ উলিয়ায়। পুৰণি ফুলবোৰ আঁতৰায়। গোসাঁনীজনাক মাহহালধিৰে ধুৱায়, উক্ত মন্ত্ৰফাকি পাঁচবাৰ মাতি জগায়। আগলতি কলপাত পাৰি মাজত সেন্দূৰৰ ফোঁট দি বিশেষ ধৰণে পূজা আৰম্ভ কৰে। পূজাৰ সম্ভাৰ হ'ল —মোহৰীয়া বন, সোণাৰুপাৰ (এবিধ গছ) ফুল-পাত, ঢেকিয়া, ওলকচু, মৰাপাত ইত্যাদি দৈনন্দিন জীৱনত ব্যৱহৃত হোৱা শস্যসমূহ। নামতী আহি বহে। আয়তীসকলে উৰুলি দিয়ে, পূজা আৰম্ভ কৰে। উপচাৰ আৰু বিভিন্ন আচাৰ সাধুকথা কোৱাৰ ক্ৰমেৰে দিয়া হয়। এই ব্ৰতত বিধি-সন্মত কোনো মন্ত্ৰ নাই। উক্ত জগোৱা কথাফাকি আৰু সাধুকথাবোৰকেই মন্ত্ৰহিচাপে লোৱা হয়। অৱশ্যে কথিকাৰ মুখত এটা স্বলয় আছে। এটা সাধুকথা শেষ হোৱাৰ পৰা আনটো আৰম্ভ কৰালৈ আয়তীসকলে উৰুলি দিয়ে, নাম গায়। বৰ্তমানে সাতোটা সাধুকথাৰ প্ৰচলন পোৱা যায়। কিছুমানে সত্যৱান-সাবিত্ৰীৰ সাধুকথাও কয়। সংযম, নৈতিক উৎকৰ্ষ সাধনৰ বাবেই হয়তো এই সাধুকথা কোৱা হয়। আমি যি সাতটা সাধুকথা পাইছোঁ তাৰ মাজৰ পৰা ব্ৰতৰ লগত বিশেষভাবে সম্বন্ধ থকা সাধু কথাটোৰহে উল্লেখ কৰা হ'ল।

উল্লেখযোগ্য যে অসমীয়া ব্ৰতচাৰিণীয়েও শস্যবোৰ পূজাৰ পিছত নিজ নিজ পতিৰ হাতত অৰ্পণ কৰি সেৱা কৰে। মূৰ্ত্তিৰ ব্যৱহাৰ প্ৰায়েই পোৱা

নেযায়। কিছুমান ঠাইত অৰণ্যে সাৱিত্ৰী-সত্যৱানৰ মূৰ্ত্তি সজা হয় বুলি জনা যায়। পতিসকলে শস্যবোৰ হয় নৈত উটাই দিয়ে নাইবা বাগিচাত ৰোপন কৰে। ব্ৰতভঙ্গৰ পিছত প্ৰতিপালিকাই সামিষ ভোজন কৰিব পাৰে। বাকী কেইদিন অৰণ্যে দুই সন্ধ্যাই ভাত খাব পাৰিলেও কিছু সংযমৰ মাজেৰে চলিব লাগে। প্ৰসাদ লবৰ, সেৱা কৰিবৰ সকলো হিন্দুৰেই সমান অধিকাৰ আছে। এইটো উল্লেখযোগ্য যে এই ব্ৰতৰ দ্বাৰাই বছৰৰ ভিতৰত কোন শস্য কেনে হয় তাকো নিৰ্দ্ধাৰণ কৰিব পাৰে।

মন কৰিবলগীয়া কথা এয়ে যে ব্ৰতকথাৰ চৰিত্ৰবোৰৰ কোনো বিশিষ্ট পৰিচয় পোৱা নেযায়। নিৰ্বিশেষ পৰিচয়হে পোৱা যায়,—যেনে 'এক বামুণ বা এক ৰজা বা এক সদাগৰ আছিল' বুলিয়েই কোৱা হয়। এই ব্ৰতকথাৰ পৰিকল্পনা ৰক্ষণশীল—দেৱমাহাত্ম্য প্ৰকাশক অলৌকিক বৰ্ণনাৰ বিশিষ্টৰূপ। প্ৰধান আৰু প্ৰথম সাধুকথাটোৰ নাম হ'ল—'বামুণ-বামুণী'। তেওঁলোকৰ সন্তান এজন লৰাহে মাথোন আছিল। তাক পঢ়াশালিত দিলে কিন্তু তাৰ পঢ়াশুনাত মন নবহিল। বামুণে পুতেকক বহুত শাস্তি দিলে আনকি ভাতৰ লগত এঙাৰ মিহলায়ো দিলে তথাপি সি নপঢ়ে। মনৰ বেজাৰত এদিন বামুণৰ লৰাই ফলিপুথি, জাপি লৈ ওলাই গ'ল। বহু দূৰ গৈ গৈ তাৰ ভাগৰ লাগিল। ইতিমধ্যে উপনিগৌৰীয়ে সাত বোৱেকৰ লগত সৰোবৰলৈ ব্ৰত পালন কৰিবলৈ গৈছিল। তেওঁলোকক যোৱা দেখা পাই সি জাপি, লাখুটী পাৰি নিজে বাট আগুৰি শুই থাকিল। তেওঁলোকে তাক বাটটো এৰি দিবলৈ কলে। বৰ ভাগৰ লগা বুলি কৈ সি নুঠিল। তাৰ ওপৰেদি তেওঁলোকক যাবলৈ সি কলে। সাত বোৱেক গ'ল। গৌৰী মহালক্ষ্মীয়ে কিন্তু পাৰ নহ'ল। বৰকৈ কাকুতি-মিনতি কৰাত সি লাখুটীডাল অলপ আঁতৰাই দিলে। গৌৰী পাৰ হ'ল। তেওঁলোকে গা ধুবলৈ ধৰিলে। বামুণৰ লৰাই দূৰৈৰ পৰা চাই আছিল। বুৰ মাৰি মাটি আনোতে গৌৰীৰ হাতত সেন্দূৰ কিন্তু বাকী বোৱেক কেইগৰাকীৰ হাতত মাটিহে আছিল। তাকে দেখি বামুণৰ লৰাৰ মনত সন্দেহ হ'ল। সি অনুমান কৰিলে—এওঁ কোনোবা মহিমাময়ী। ওপৰৰ

মন্ত্ৰফাঁকি তেওঁলোকেও গালে আৰু অন্যান্য পূজাপাতল কৰি ঘৰলৈ উভতিল। বামুণৰ লৰা আকৌ আগৰ দৰে শুই থাকিল। গৌৰীৰ বাহিৰে বাকী সাত বোঁৱেক তাৰ ওপৰেৰে পাৰ হৈ গ'ল। গৌৰীয়ে লৰাজনক তুলিলে, প্ৰসাদ খাবলৈ দিলে আৰু তেওঁ তাক ঘৰলৈ লৈ গ'ল। তেওঁ দেউতাকক কোৱাত দেউতাকে লৰাজন ৰাখিলে। গৌৰীৰ লগতে লৰাজনৰো পঢ়াশুনাৰ দিহা কৰি দিলে। পঢ়াশালিত তাৰ নাম লিখি দিলে। 'ফল কটাৰী জাগো…' এই কথাফাঁকিকে গৌৰীয়ে পূজাত মাতিছিল। তাৰ প্ৰমাণ চাবৰ বাবে বামুণৰ লৰাই চেষ্টা কৰিলে। ইতিমধ্যে 'বালিমুঠি আনিলে, সেন্দুৰমুঠি হয়' তাৰ প্ৰমাণ পালে। 'হেৰালেও পায়' এই কথাফাঁকিৰ প্ৰমাণ চাবৰ বাবে পঢ়াশালিলৈ গৈ প্ৰথম দিনা কলমডাল বাটত পেলাই থৈ সি ঘৰলৈ আহি নজনা ভাও ধৰি শুই থাকিল। গৌৰীয়ে গা ধুই ফলকটাৰীত ফুল দিলে। কলমডাল আহি পৰিল। পিছ দিনা আকৌ ফলি ভাঙিলে। তাঁকো গৌৰীয়ে উদ্ধাৰ কৰিলে। তৃতীয় দিনা পুথিখন নৈত পেলাই ঘৰলৈ আহি সি শুই থাকিল। এই বাৰো গৌৰী কৃতকাৰ্য্য হ'ল। প্ৰমাণ চাবৰ বাবে সি তেওঁক তেনে কৰিছে বুলি গৌৰীৰ সন্দেহ হ'ল। ক্ৰমে দুয়ো ডাঙৰ হ'ল। উভয়ৰ প্ৰতি উভয়ৰ মৰম উপজিল, আকৃষ্ট হ'ল। এদিন ভাত নেখাই গৌৰী শুই থাকিল। দেউতাকে আহি কাৰণ সোধাত তেওঁ কলে—"মোৰ সত্য ৰক্ষা কৰিলেহে ভাত খাম। বামুণৰ লৰাৰ লগত মোক বিয়া দিব লাগিব। যৌতুকত ফলকটাৰীযোৰো দিব লাগিব।" দেউতাকে প্ৰতিজ্ঞাত বান্ধ খালে। ফলকটাৰীৰ ব্যৱহাৰ অসমীয়া সমাজৰ বিবাহত মন কৰিবলগীয়া আচাৰ। বিয়াৰ বন্দবস্ত হ'ল। গৌৰীয়ে ভাবী স্বামীক কেইটামান কথা শিকাই দিলে—"হোম পোৰোঁতে দেউতাই এই কেইটা মন্ত্ৰ মাতিবলৈ দিলে মনতে ভাবিবা, ওলোটাই কবা, যেনে অগষ্টি—নাস্তি, বৰ—লৰচৰ সোঁহাত—বাঁওহাত। কিন্তু ফলকটাৰী দিলেহে স্বস্তি বুলি কবা" সেইমতে হ'ল। গৌৰীয়ে দেউতাকক ফলকটাৰীৰ কথা কোৱাত দেউতাকে দিলে। তেতিয়াহে বামুণৰ লৰাই স্বস্তি বুলি কলে।

যথাসময়ত তেওঁলোকৰ ল'ৰা এজন হ'ল। সেই লৰাজনো ডাঙৰ হ'ল। এদিন এজনী পোহাৰী কল বেচিবলৈ আহিল। আইতাকক কল লবলৈ কোৱাত তেওঁ তাক বেয়াকৈ কৈ উঠিল। লৰাজন ঘৰলৈ আহি মাক গৌৰীক কলে। মাকে কল কিনি দিলে। এইখিনিতে এটা কথা কব পাৰি যে সোণাৰুপাৰ গছৰ (বনৰীয়া) ডাল এটা আনি পূজাৰ সময়ত কাষত পুতি থয়। তাত তাৰেই ফুল পাঁচটা লগাই দিয়ে। গৌৰীৰ বিয়াৰ দিনা এটা ফুল কমে। ঘৰৰ পৰা গৈ বেলেগ ঘৰক নিজ পতিৰ লগত থকাৰ দিনা আন এটা কমে। লৰাটো হবৰ দিনা আন এটা কমে আৰু যিদিনা গৌৰীয়ে নিজ স্থান এৰি যায় সেই দিনা গছডালত এটাও ফুল নোহোৱা হয়, গছডালো মৰে। সাধুকথাৰ ক্রমৰ লগত মিলাই গছডালৰ অৱস্থা তেনে কৰা হয়।

'মৰিলেও পায়' এই কথাফাঁকিৰ প্ৰমাণ চাবৰ বাবে বামুণৰ লৰাই এদিন গা ধুবলৈ যাওঁতে পুতেককো লৈ যায়। কটোৱাল এজনক দেখা পাই তেওঁ নিজৰ লৰা নহয় বুলি কৈ লৰাটো কাটি তাৰ গাৰ পৰা আ-অলঙ্কাৰ লৈ যাবলৈ কলে আৰু ঘৰলৈ অতি দুখ মনেৰে ঘূৰি আহিল। ঘৰত কথাটো কলেহি। ঘৈণীয়েকে ফলকটাৰী জগাই অলঙ্কাৰেৰে সৈতে লৰাটোক উদ্ধাৰ কৰিলে। পিছ দিনা আকৌ তেওঁ নিজেই লৰাটি কাটি কাউৰ, শগুণ, পিপৰা আদিক তাৰ মঙহ বিলাই দিলে। তাকে কৰি তেওঁ আহি ঘৰ ওলাল বিমৰ্ষ মনেৰে। গৌৰীয়ে বৰ দুখ কৰি আকৌ ফলকটাৰীত ফুল দিলে। আন দিনা জগোৱা মন্ত্ৰ তিনি বাৰ মাতোঁতেই হয়, কিন্তু সেই দিনা পাঁচবাৰ মাতিবলগীয়া হ'ল। এনে কাম-নকৰিবলৈ গৌৰীয়ে গিৰিয়েকক অনুৰোধ কৰিলে।

এই বাৰ বামুণৰ লৰা মাকবাপেকৰ কাষলৈ যাবলৈ ওলাল। গৌৰী আচৰিত হ'ল! কাৰণ আগেয়ে গিৰিয়েকে তেওঁক মাউৰা বুলিহে চিনাকি দিছিল। তেওঁৰ লগত গৌৰীও ওলাল। গৌৰী যিফালে যায় সেইফালে পৰিস্কাৰ হৈ সেন্দুৰৰ আলি হবলৈ ধৰিলে। দেউতাকৰ সকলো সম্পত্তি আনকি গছবোৰো গৌৰীৰ লগত যাবলৈ ওলায়। বামুণৰ লৰাই তেওঁক কিন্তু

সকলো বস্তু এৰি যাবলৈ কলে কিয়নো তেওঁৰ দেউতাক দুখীয়া, ঘৰত বস্তু থবৰ ঠাই নাই। গৌৰীয়ে নখ এটা এৰিলে, কেইপদমান বস্তু ৰ'ল। আকৌ বহুত বস্তু যোৱা দেখি চুলি এডাল ছিঙি থলে তথাপিও বহুত বস্তু লগত যাবলৈ ধৰিলে। তেতিয়া গৌৰী বহিল, সকলো বস্তু তাতে ৰল। তেওঁলোকে গৈ এটা সৰোবৰ পালে। ঘৰলৈ আৰু বেছি দূৰ নাই। তেওঁক এইবাৰ লৰাজনকো এৰিবলৈ কলে। অৱশেষত উপায় নেপাই ঈশ্বৰক আৰাধনা কৰি গৌৰীয়ে লৰাটি বৰালি মাছ এটাক দি গ'ল। এই কথাটো আচাৰ হিচাপে দেখুৱাবৰ বাবে পিঠাগুৰিৰে এজন মানুহ আকৃতি কৰা হয—দুফালে দুটা সোণৰূপাৰ পাত দি বৰালি মাছৰ প্ৰতীক কৰি কলপাতৰ তলত লুকাই থোৱা হয়।

পোবোৱাৰী গৈ ঘৰ পোৱাত বামুণ-বামুণী আচৰিত হোৱাটো স্বাভাৱিক। মাকে আদৰি আনিবলৈ যোৱাত লৰাই কলে—"এইজনী তোৰ বোৱাৰী নহয়। ঘৰৰ কাম কৰিবলৈ বান্দীহে আনিছো।' বান্দীৰ দৰেই লক্ষ্মীক শাহুৱেকে ঘৰত বেলেগে থলে। সকলোৱে খোৱাৰ পিছত তেওঁক খাবলৈ দিলে।

বামুণ-বামুণীয়ে পুতেকৰ বিয়াৰ বন্দবস্তৰ বাবে লাগিল। ছোৱালী চাবলৈ গ'ল। গৌৰীয়ে কটাৰীত ফুল দিলে। ছোৱালী চাবলৈ যোৱা মানুহক বাটতে শিল-বৰষুণে থেকেচি পেলালে। তেওঁলোক উলটিল। দ্বিতীয় দিনা আন এঘৰলৈ গৈ তাত ছোৱালী চালে। গৌৰীয়ে কটাৰীত ফুল দিলে। ছোৱালী চাই মানুহবিলাক অহাৰ পিছতেই ছোৱালীজনীৰ এখন ভৰি খোৰা হ'ল। দুয়ো ঘৰ গৃহস্থৰ মাজত দোৰ্ঘোৰ কাজিয়া লাগিল। আন এজনী ছোৱালী চাবলৈ গ'ল। বিয়াৰ দিনবাৰ ঠিক হ'ল। বামুণৰ লৰাই মাছ আনি ভোজ দিলে। মাছটো কাটিব নোৱাৰি গৌৰীক কাটিবলৈ দিয়াত তেওঁ মাছটো কাটিলে আৰু মাছৰ পেটত থকা লৰ'টোক নিজে শোৱাচাঙৰ তলত পাঁচিৰে ঢাকি লুকাই থলে। ভোজভাত খালে, দৰা ওলাল। গৌৰীয়ে কটাৰীত ফুল দিলে। ধাৰাসাৰে বৰষুণ হ'ল। অৱশেষত বান্দী হৈ থকা গৌৰীৰ লগতে বিয়া হোৱাৰ প্ৰস্তাৱ উঠিল আৰু বিয়াও

হ'ল। লৰাজনো উলিয়ালে। তেতিয়া পিঠাগুৰিৰ মানুহৰ প্ৰতীকটো উলিয়া হয়। বামুণৰ ভঙা ঘৰ নদনবদন হ'ল। ইয়াত "অপন্থে পন্থ হয়, ভঙাঘৰত শ্ৰীপা হয়—" এই কথাফাঁকি ফলিল। মহাসুখেৰে পাৰিবাৰিক জীৱন অতিবাহিত কৰিবলৈ ধৰিলে।

কথিত আছে যে এবাৰ দেশত দুৰ্ভিক্ষ হওঁতে গৌৰীয়ে এই বৰত পালন কৰে, ফলকটাৰী জগায়। তেতিয়া পৃথিৱীত বৰষুণ হয়, নানান শস্যও হয়। মানুহৰ জীৱন ৰক্ষা পৰে। সেই বাবে প্ৰায় সকলো মানুহেই এই শ্ৰেষ্ঠ ব্ৰত পালন কৰিবলৈ ধৰিলে। সাধুকথাৰ শেষত দেৱীৰ সুদৃষ্টি কামনা কৰি গোৱা হয়—

"সাধুৰ কোঁৱৰে পৰীক্ষা ধৰিছে
তুমি কৰা নিতে নিতে, আমি কৰোঁ বছৰে বছৰে
তুমি পালা যি বৰ আমাকো দিয়া সেই বৰ।"

পণ্ডিতসকলৰ মতে কৃষিবিদ্যা নাৰীৰ আৱিষ্কাৰ। সেয়েহে প্ৰাথমিক পৰ্য্যায়ৰ কৃষিকেন্দ্ৰিক সমাজ নাৰীপ্ৰধান। বিভিন্ন ব্ৰত, পূজা পাৰ্ব্বণৰো কাৰণ বোধকৰোঁ নাৰীৰ প্ৰজনন শক্তিৰ সহায়ত ফলপ্ৰসূতাক আয়ত্ব কৰাৰ প্ৰচেষ্টা। শস্যব্ৰতৰো মূল উৎস এই বুলিয়েই অনুমান কৰিব পাৰি।

# আমতী

আমতী দৰাচলতে হিন্দুসকলৰ এটি ব্ৰত। অৱশ্যে ইয়াক উছৱ বুলিলেও হানি নাই কিয়নো কামাখ্যা আদি তীৰ্থস্থানত ইয়াক উছৱৰ দৰে পালন কৰা হয় আৰু আমতী ভাগিবৰ দিনা তিতোৰা-বুৰুৱা, চৰু আদি খোৱাপখলা কৰাৰ উপৰিও গাঁৱে-ভূঁঞে সেই দিনা ভাতৰ পৰিবৰ্ত্তে জলপানৰ নিচিনাকৈ ফলাহাৰ আদি কৰা হয়। উজনি অসমত আমতীকে সাত বোলা হয়। ইয়াৰ আগৰ প্ৰবন্ধত বৰ্ণনা কৰা যাঁঠ আৰু সাত একে নহয়। বাৰমাহৰ বিবৰণ দিওঁতে ভাওনি-কোঁৱৰ আগৰৱালাই লিখি থৈ গৈছে—

আষাৰত সাত লাগে বৰ বাৰিষাৰ
শাওণত বৰষুণ দিয়ে ধাৰাসাৰ।

'দীপালী'ৰ কৱিয়েও এঠাইত গাইছে—

ৰূপোৱালি ধ'ল ৰূৰে টলমল
আহিল মুদৈৰ নাও,
মকুৱা ফুলিল, মেটেকা ফুলিল,
বুৰিল নগৰ গাঁও।
লেটেকু-কঠাল পকা পনিয়াল
আম-জাম ভৰা বাৰী—
আমতী লাগিল, আমতী ভাগিল,
খাব যে লাগিল পাৰি।
আই বসুমতী শুচি হবলই
মেঘে বৰষিছে পানী,
থমকি থমকি নাচিছে চমকি
বিজুলী আকাশী-ৰাণী।

আমতীৰ সংস্কৃত নাম অম্বুবাচী। ভাৰতবৰ্ষৰ ভিতৰত অসম আৰু বঙ্গদেশৰ মানুহকহে এই ব্ৰত বিশেষভাবে পালন কৰা দেখা যায়। অতি পুৰণি কালতে আমাৰ কামৰূপৰ সংস্কৃতজ্ঞ পণ্ডিত এজনে লিখা গ্ৰন্থমতে অম্বুবাচী শব্দৰ অৰ্থ জলৰ প্ৰকাশ। অম্বু শব্দৰ অৰ্থ জল বা পানী আৰু বাচী শব্দই অন্তৰ প্ৰকাশ কৰা আৰু প্ৰস্ফুটিত হোৱাটো বুজায়। সেই বাবে এই শব্দই পৃথিৱী পুষ্পিতা বা ঋতুমতী হোৱা অৰ্থও প্ৰকাশ কৰে। আষাৰ মাহৰ আৰম্ভণিৰ এই সময়ছোৱাত সাধাৰণতে পৃথিৱী সদায় প্লাৱিতা নহলেও বৰষুণৰ দ্বাৰা আৰ্দ্ৰ হৈ থাকে। সেই গতিকে ইয়াৰ বাহ্যিক অৰ্থ পানীৰ মাজতে পৃথিৱীৰ প্ৰকাশ আৰু আভ্যন্তৰিক অৰ্থ হ'ল পৃথিৱী ঋতুমতী বা ফলনোন্মুখী হোৱাটো। অম্বুবাচীব্ৰতী এই দুইটা শব্দৰ সংযোগতো আমতী শব্দৰ উদ্ভৱ হব পাৰে। আন পক্ষে এই কালছোৱাত আমৰ প্ৰাচুৰ্য্য হোৱাৰ কাৰণেও ইয়াক আম্ৰৱতী বা আমতী বোলা হয়, এনে এটা সাধাৰণ ধাৰণাও আমাৰ মাজত চলি আহিছে।

ডঃ শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱাই কয়—"প্ৰাচীন শাস্ত্ৰকাৰসকলৰ মতে অম্বুবাচী মূলতে শস্য-উৎসৱ। বাৰিষাৰ বৰষুণৰ লগে লগে পৃথিৱীত শস্য গজি উঠে; সেই কাৰণে অম্বুবাচীত পৃথিৱী ঋতুমতী হোৱা বুলি বিশ্বাস। বিধবাসকলে উৎসৱৰ দিন কেইটা উপবাসে থাকি ব্ৰত পালন কৰে। কোনো কোনো অঞ্চলত মাটিৰ চৰুত মাটি পানী থৈ তাত শস্যৰ বীজ সিঁচা হয়। উৎসৱৰ অন্তত গজি উঠা সেই শস্য চৰুৰে সৈতে নদীত উটাই দিয়ে।"

ৰাশি আৰু নক্ষত্ৰৰ সঞ্চাৰ অনুসৰি আষাৰ মাহৰ ছয় দিন মান যোৱাৰ পৰা আমতী আৰম্ভ হয়। শাস্ত্ৰত আছে—

"যস্মিন্ বাৰে ক্ষণে চৈব ৰবিৰ্ম্মিথুনগোৰ্ভবেৎ।
তস্মিন্ বাৰে ক্ষণে চৈব ভবেৎ পৃথ্বী ৰজস্বলা॥"

অৰ্থাৎ যি দিন আৰু ক্ষণত ৰবিয়ে মিথুন ৰাশিত প্ৰৱেশ কৰে, সেই সময়তে পৃথিৱী ঋতুমতী হয়। সেই সময়ত আকৌ ৰবি আৰ্দ্ৰা নক্ষত্ৰৰ

প্ৰথম ভাগত থাকে। এই কাল তিনিদিন এৰাতি বা ৮৪ ঘণ্টা। সেই কাৰণে মানুহে সাধাৰণতে ইয়াক আৰম্ভ হোৱাৰ পৰা ৮৪ ঘণ্টা পালন কৰে। কামৰূপৰ কামাখ্যাধামত ইয়াৰ অৱশ্যে সামান্য ব্যতিক্ৰমো আছে। তাত আমতী ৭২ ঘণ্টা বা সম্পূৰ্ণকৈ তিনি দিন মাত্ৰ পালন কৰা হয়।

পূৰ্ব্বসঙ্কল্পিত কাৰ্য্যৰ বাহিৰে প্ৰায় আন সকলো ধৰ্ম্মানুষ্ঠান আৰু নিত্য নৈমিত্তিক কাৰ্য্যৰ ভিতৰত উপাসনা আদি আমতীৰ কেইদিনত বন্ধ থাকে। এই কেইদিনত খেতিয়কসকলে হাল নেবায়, আনকি মাটি খান্দিবলগীয়া কোনো কামকে নকৰে। মানুহৰ বিশ্বাস যে আমতীৰ ভিতৰত উই বা আন পৰুৱাই, কেচুঁৱে মাটি নোতোলে আৰু গাহৰি আদি জন্তুৱেও মাটি নেখান্দে।

এই সময়ত স্বভাৱতে নেৰানেপেৰাকৈ আৰু ধাৰাসাৰে বৰষুণ হয়। আহু ধানকে আদি কৰি প্ৰধান শস্যসমূহ ফুলে, তাঁমোলৰ মাণিক ওলাবলৈ ধৰে। এনে সময়ত মাটি খান্দিলে শস্যৰ অপকাৰ হয়। গতিকে অতিপাত বৰষুণৰ এই চাৰি বা তিনি দিন খেতিয়কসকলে মাটি খন্দা কোনো কাম নকৰি নিজে যেনেকৈ জিৰণি লয়, খেতিপথাৰ আৰু তামোল-পাণৰ বাৰীখনকো তেনেকৈ জিৰণি দিয়ে। ঋতুমতী তিৰোতাক ঘাইকৈ ঋতুৰ তিনি দিন যাবতীয় ঘৰুৱা কামৰ পৰা অব্যাহতি দি জিৰণিৰ সুবিধা দিয়াৰ দৰেই যেন ক্ষেত্ৰৰ গৰাকী খেতিয়কসকলে পৃথিৱীক আমতীৰ কেইদিন বিশ্ৰাম দিয়ে।

দৰাচলতে এই তিনি দিনৰ ভিতৰতে যে সকলো ফলনোন্মুখী শস্যৰ ফুল ধৰা শেষ হয়, বা ঠিক এই কেই দিনৰ ভিতৰতে সকলো বাৰিষাৰ শস্য পুষ্পিত হয় এনে নহয়। ইয়াৰ কাৰণে ভালেমান দিন লাগে। দ পথাৰ অঞ্চলত আগতীয়া ধানবোৰে জেঠতে ভিল মেলিবলৈ আৰম্ভ কৰে। ফুমলীয়াবোৰৰ এই কাৰ্য্য ঠাইবিশেষে আহাৰৰ শেষলৈকে হৈ থাকে। সেই কাৰণে এই ইমান দীঘলীয়া গোটেই সময়ছোৱাত হালকোৰ নোবোৱাকৈ থকা বা মাটি সমূলি নখন্দাকৈ থকাটো সম্ভৱ নহয়। গতিকে

এই ছোৱা সময়ৰ মাজভাগৰ যি কেইদিন প্ৰাকৃতিক যোগাযোগৰ ফালৰ পৰা চাই অত্যন্ত আৱশ্যকীয় বুলি বিবেচনা কৰা হয়, কেৱল সেই কেইদিনতে যাবতীয় মাটি খন্দা কাৰ্য্য নিসিদ্ধ কৰি মানুহক ব্ৰত হিচাপে এই দিনকেইটা পালন কৰিবলৈ তত্ত্বজ্ঞ শাস্ত্ৰকাৰসকলে বিধান দিছে। প্ৰকৃতিৰ লগত সম্বন্ধ থকা আন আন উৎসৱৰ বেলিকাও এনে নীতি লোৱা হয়। বসন্ত কাল ভাৰতবৰ্ষত দুমাহৰো অধিক; কিন্তু বসন্ত উৎসৱ বিহু ঘাইকৈ ছয় বা সাত দিনহে পালন কৰা হয়।

অসম আৰু বঙ্গদেশত আমতী পালন কৰা হয় যদিও সকলো মানুহে এই ব্ৰত সমানে পালন নকৰে। কেৱল মাটি খন্দা কাৰ্য্য বা নিত্যপূজা উপাসনা আদিৰ পৰা প্ৰায় সকলো হিন্দুৱেই বিৰত থাকে। ইয়াৰ বাহিৰে যতি, ব্ৰতী, ব্ৰহ্মচাৰী, বিধৱা আৰু শৰণীয়া মানুহৰ পক্ষে সিজোৱা খাদ্য, হাল বাই কৰা খেতিৰ পৰা উৎপন্ন হোৱা খাদ্য আদি নিষিদ্ধ। নৈষ্ঠিক বিধবাসকলে পৰাপক্ষত ভূমি স্পৰ্শ নকৰাকৈয়ে থাকে। ব্ৰতীসকলে এই কেইদিন আম, কঠাল আদি ফল, চাগু, কল, এৰাঁ গাখীৰ আদি খাই থাকে। এই কেইদিন এৰাঁ গাখীৰ খাই থাকিব পাৰিলে সাপৰ পৰা ভয় নেথাকে বুলি কোৱা হয়।

অম্বুবাচী বা আমতী নিবৃত্তি হলে চৰু-হাড়ি আদি সকলো ৰন্ধনপাত্ৰকে আদি কৰি নিত্য ব্যৱহাৰ্য্য বসন-আসনাদি পৰিস্কাৰকৈ ধুই পেলোৱা হয়। লগতে ঘৰদুৱাৰ পৰিস্কাৰ কৰা আৰু সৰামচা আদি কৰা, গোটেই ঘৰখনেই এটা নিৰ্ম্মল ৰূপ আৰু পৱিত্ৰ ভাব লয়। বাৰিষাৰ বৰষুণে বাহ্যিক প্ৰকৃতিক ধুই নিকা কৰি এটা নতুন সজীৱ ৰূপ দান কৰে। আমতীয়েও ঘৰখনক সেইদৰে নতুন কৰি তোলে।

# পঁচতি

—: এক :—

বাৰ মাহৰ তেৰ পৰব আমাৰ অসমীয়া সমাজতো দেখিবলৈ পোৱা যায়। অসমীয়া হিন্দু সমাজৰ তিথিপৰ্ব্ববোৰৰ পটভূমিত অকল বৈদিক বা শাস্ত্ৰীয় অনুশাসনেই যে আছে এনে নহয়, যুগে যুগে পৰিবৰ্ত্তিত ৰুচি আৰু লোকাচাৰৰ আঁচোৰো সেইবোৰত পৰিছে। শাস্ত্ৰীয় পূজা-পৰ্ব্বৰ চৌপাশে এনে কিছুমান লোকাচাৰ বা লোক-উৎসৱ গঢ়ি উঠিছে, যিবোৰৰ আঁতিগুৰি বিচাৰি উলিওৱা বৰ টান। ভাৰতীয় সংস্কৃতিৰ দৰেই অসমীয়া সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰো বিভিন্ন লোকপ্ৰবাহৰ সংমিশ্ৰণৰ ফল। অষ্ট্ৰিক, দ্ৰাবিড়ী, তিব্বত-বৰ্ম্মী, আৰ্য্য আদি ভিন্ ভিন্ স্তৰৰ ৰুচি আৰু লোকাচাৰ অসমীয়া সংস্কৃতিৰ বুকুত নিহিত হৈ আছে। জন্মাষ্টমীৰ সময়ত পালন কৰা পঁচতি অসমীয়া হিন্দু সমাজত পূৰ্ব্বাপৰ চলি অহা এনে এটি লোকাচাৰ বা লোক-উৎসৱ। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী সম্বন্ধে শাস্ত্ৰীয় বিধিনিয়ম, পূজাপাতল আছে কিন্তু পঁচতি গোৱা অনুষ্ঠানৰ পিঠিতহে তেনে ধৰণৰ শাস্ত্ৰীয় চাবমোহৰ নাই। শাস্ত্ৰীয় অনুষ্ঠান জন্মাষ্টমীৰ কাষে কাষে এই লৌকিক উৎসৱ পঁচতি আমাৰ সমাজত বহু যুগ ধৰি চলি আহিছে।

পঁচতি শব্দটোৰ সাধাৰণ অৰ্থ হৈছে—লৰা-ছোৱালীৰ জন্ম হবৰ পাঁচ দিনৰ মূৰত কৰা এটি জন্মকৃত্য। কিন্তু এই পঁচতি বা পাঁচতি ( পঞ্চতি বা পাঞ্চতি ) উৎসৱ সাধাৰণ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত অভিহিত নহয়। আমাৰ চিৰশিশু শ্ৰীকৃষ্ণৰ জন্মতিথি জন্মাষ্টমীৰ পাঁচ দিনৰ মূৰতহে এই পঁচতি উৎসৱ পালন কৰা দেখা যায়।

সাধাৰণতে লৰা-ছোৱালীৰ জন্ম হবৰ পাঁচ দিনৰ পিছত মাকে পাঁচদিনীয়া গা ধোৱে। সন্তানকো হালধি-পানীৰে গা মচি অন্যান্য তিৰোতাসকলৰ কোলাত তুলি দিয়ে। সেই দিনা গিৰিহঁতৰ ওচৰচুবুৰীয়া জ্ঞাতি-কুটুমক মাছ, আদা জলকীয়া, জালুক আদি ( জলা বটা বা

জলাগুৰি ) বিতৰণ কৰা হয়। অসমীয়া সমাজত জন্ম, বিবাহ আৰু মৰণক লৈ বহুতো লোকাচাৰ আবহমান কাল ধৰি চলি আহিছে। সেইবোৰৰ আঁতিগুৰি নিৰ্ণয় কৰা সহজ নহয় কিন্তু এই আটাইবোৰৰ আচাৰ-অনুষ্ঠান দেহ-মনৰ মঙ্গলবিধায়ক কৃত্য। পঁচতি শব্দটোৰ মূল বিচাৰি গলে—পঞ্চতি পাঞ্চতি, আদি পুৰণি ৰূপ পোৱা যায়। ইয়াৰ অৰ্থ পাঁচদিনীয়া কৃত্য অৰ্থাৎ জন্মৰ পঞ্চম দিনত পালনীয় লোকাচাৰ্-সমূহ। লৰা-ছোৱালীৰ জন্ম হলে তিৰোতাসকলে ৰংৰহইচ কৰে ; সন্তান আৰু সন্তানৰ মাকক বেঢ়ি ধৰি নানা নীতিনিয়ম আৰু ক্ৰিয়াকলাপ সম্পন্ন কৰে। জন্ম হবৰ দিনা নাড়ীছেদন, শঙ্খ উৰুলি আদি মাঙ্গল্য ধ্বনি কৰাৰ নিয়ম আছে। সেইদৰে পাঁচ দিন, এঘাৰ দিন, একৈছ দিন ( লৰাৰ ক্ষেত্ৰত ) আৰু এমাহৰ ( ছোৱালীৰ পক্ষে ) মূৰত ভালেমান মাঙ্গলিক আচাৰ-অনুষ্ঠান পালন কৰা হয়। এই বিষয়ে মুখে মুখে চলিত এফাঁকি বাক্য আছে :—

পাঁচ দিনতে পঁচতি কৰিলা<br>
ছয় দিনতে চাতি ( কি ) ;<br>
এঘাৰ দিনতে গ্ৰহ পূজা কৰে<br>
পণ্ডিত-বামুণক মাতি।

শ্ৰীকৃষ্ণক পূৰ্ণ অৱতাৰ বুলি হিন্দুসকলে পূজা-আৰাধনা কৰে। কৃষ্ণৰ জন্মাষ্টমী ভাদ মাহত পালন কৰা হয়। কেতিয়াবা চান্দ্ৰ গণনামতে শাওণৰ মাহত জন্মাষ্টমী তিথি পৰিলেও অসমৰ বৈষ্ণৱসকল আৰু গাঁৱলীয়া ৰাইজে ভাদৰ মাহতহে জন্মাষ্টমী পালন কৰি আহিছে। জন্মাষ্টমী কেৱল অসমতে নহয়—সমগ্ৰ হিন্দু সমাজৰে পালনীয় তিথি। অসমীয়া বৈষ্ণৱ ধৰ্ম্মই কৃষ্ণৰ কাৰণে এনে এখন অত্যুচ্চ আসন দিছে যে সাধাৰণ লোকমাত্ৰেই শ্ৰীকৃষ্ণৰ প্ৰত্যেক কৰ্ম্মক লীলা-অৱতাৰ বুলি মানে। জন্মাষ্টমীৰ দিনা অসমৰ মঠে-মন্দিৰে, নামঘৰে শ্ৰীকৃষ্ণৰ পূজা-সেৱা, নামকীৰ্ত্তন হয়। প্ৰতি বছৰে নৱজাত শিশু কৃষ্ণৰ আৱিৰ্ভাৱ উছৱ পালন কৰা হয়। ই যেন পুৰণি স্মৃতিৰ পৱিত্ৰ সোঁৱৰণি আৰু নিত্য

নতুন কল্পনাৰ নব আৰাধনা। তিৰোতাসকলৰ পক্ষে এই জন্মাষ্টমী উৎসৱৰ তাৎপৰ্য্য বেছি। আই দৈৱকী, যশোদা মাতৃ, গোকুলৰ গোপীসকল এই জন্মোৎসৱৰ লগত বিশেষভাৱে জড়িত। সেয়েহে সদৌ হিন্দু মাতৃ-সকলৰ কাৰণেই জন্মাষ্টমীৰ আকৰ্ষণ অতি প্ৰবল। জন্মাষ্টমীৰ পিছ দিনাক নন্দোৎসৱ বোলে। ভাদ মাহৰ কৃষ্ণাষ্টমীৰ মাজনিশা দৈৱকীৰ গৰ্ভত শ্ৰীকৃষ্ণৰ জন্ম হ'ল। সেই মাজ নিশাই বসুদেৱে গোকুলৰ নন্দৰ ঘৰত শ্ৰীকৃষ্ণক পলুৱাই থৈ আহিলগৈ। পিছ দিনা পুৱাহে নন্দৰ পুৰীত এই উৎসৱ পালন কৰা হয়। পাঁচতি উৎসৱ জন্মাষ্টমীৰ পৰবৰ্ত্তী আচাৰ-অনুষ্ঠান। সাধাৰণতে জন্মাষ্টমীৰ পাঁচ দিনৰ দিনা পাঁচতি গোৱা নিয়ম চলি আহিছে। কোনো কোনো ঠাইত এই নিয়মৰ ব্যতিক্ৰম কৰি জন্মাষ্টমীৰ পিছ দিনা বা দুই তিনি দিনৰ অন্তৰতো পাঁচতি অনুষ্ঠান পালন কৰা হয়।

জন্মাষ্টমীৰ দিনা পুৰুষসকলে নাম-কীৰ্ত্তন কৰে যদিও তিৰোতাসকলৰ নাম-পদ আৰু ৰংৰহইচৰ মাত্ৰা বেছি। অসমীয়া তিৰোতাসকলে এই পাঁচতি উছৱতে জন্মাষ্টমী সংক্ৰান্ত আচাৰ-অনুষ্ঠানৰ পূৰ্ণ পৰিণতি লাভ হয়। পাঁচতি, লোক-ভাওনা, দধিমথন আদি শিশু শ্ৰীকৃষ্ণৰ জন্ম আৰু শৈশৱ সংক্ৰান্ত লোকাচাৰ আৰু লোকানুষ্ঠান এইবোৰৰ পটভূমিত অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ আদৰ্শ আৰু বাৎসল্য প্ৰেমৰ বৰ্ণনা প্ৰকাশ পাইছে। শ্ৰীকৃষ্ণৰ চিৰশিশু ৰূপৰ বিষয়ে ডক্টৰ বাণীকান্ত কাকতিদেৱে অভিমত দিছে ঃ—"অসমীয়া বৈষ্ণৱ সাহিত্যৰ মূল প্ৰেৰণা দাস্য ভাব হলেও ইয়াত বাৎসল্য ভাবৰ প্ৰবল আধিপত্য আছে।" জন্মোৎসৱ আৰু শৈশৱ সম্বন্ধীয় শিশু কৃষ্ণৰ কাৰ্য্যাৱলীৰ বিশদ বৰ্ণনাই ইয়াৰ প্ৰকৃষ্ট প্ৰমাণ।

পাঁচতি গোৱা প্ৰথা অসমত বৈষ্ণৱ আন্দোলনৰ আগতেও বোধকৰোঁ আছিল কিন্তু শ্ৰীমন্ত শঙ্কৰৰ বৈষ্ণৱ ধৰ্ম্মই পাঁচতি অনুষ্ঠানত নতুন ৰূপ, ৰহণ আৰু লৌকিক আকৰ্ষণৰ সৃষ্টি কৰিলে। পাঁচতি গোৱা ৰীতি আৰু নাম-গীতৰ আহিৰে অসমীয়া বৈষ্ণৱ সাহিত্যত কেবাখন নাট-পদ

ৰচিত হৈছে। ভৱানীপুৰীয়া গোপাল আতাই ৰচনা কৰা 'জন্মযাত্ৰা' আৰু 'নন্দোৎসৱ' নাট শ্ৰীকৃষ্ণৰ জন্মকাহিনী বিজড়িত। অঙ্কীয়া নাটৰ আহিৰে এই নাট দুখন ৰচনা কৰা হৈছিল। শ্ৰীমন্ত শঙ্কৰৰ ৰচিত কীৰ্ত্তনৰ শিশু-লীলা আৰু আদ্য দশমৰ প্ৰভাৱো গোপাল আতাৰ ৰচনাত পৰিছে। মূল ভাগৱতক অবলম্বন কৰি শ্ৰীমন্ত শঙ্কৰ মাধৱে শ্ৰীকৃষ্ণৰ শিশু-লীলা আৰু অন্যান্য মাহাত্ম্য যিদৰে লোকসমাজত প্ৰচাৰ কৰিলে তাৰ লোকপ্ৰিয়তাৰ লগে লগে পঁচতি আদি অনুষ্ঠানৰ অধিক প্ৰসাৰণ হল। আমি জনাত কামৰূপৰ উত্তৰ আৰু দক্ষিণ পাৰে, দৰং জিলাত পঁচতি গোৱা প্ৰথাৰ প্ৰচলন আছে। এই বিষয়ে অনুসন্ধান কৰিবলগীয়া ভালেমান বিষয় আছে বুলি আমাৰ বিশ্বাস।

সম্প্ৰতি 'পঁচতি' নামৰ দুখন কিতাপ সাহিত্যিক-নিদৰ্শন স্বৰূপে পোৱা যায়। এখনৰ ৰচক দ্বিজ ৰতিকান্ত। আন এখন পুথিৰ লিখকৰ নাম মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ দিয়া হৈছে। তাৰ কাৰণ প্ৰকাশক দুজনে এনেদৰে দৰ্শাইছে—"এই পুথিৰ লেখক বহুতো কিন্তু সৰহভাগ মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কদেৱৰ ৰচিত হোৱা গতিকে পুথিৰ ওপৰত তেৰাৰেই নাম দিয়া হল। আমি কিন্তু জানো শ্ৰীমন্ত শঙ্কৰদেৱে 'পঁচতি' নামৰ কোনো পুথি লিখা নাই গতিকে 'কৃষ্ণৰ কিঙ্কৰ' ভনিতা পালেই শ্ৰীমন্ত শঙ্কৰৰ নামকৰণ কৰাটো সবল যুক্তি নহয়। অৱশ্যে দুয়োখন পুথিতে শঙ্কৰদেৱৰ ৰচিত পদ, ভটিমা আদি বহুল পৰিমাণে প্ৰয়োগ কৰা হৈছে। পঁচতিৰ গীতপদবোৰ এতিয়াও নামতীসকলৰ মুখে মুখে ঠাইভেদে স্বকীয়া ভাষ্য হিচাপে প্ৰচাৰ হৈ আহিছে।

'পঁচতি'ৰ কৰি ৰতিকান্ত দ্বিজৰ বিষয়ে সেই পুথিৰ প্ৰকাশকেও ঠিৰাংকৈ একো কব পৰা নাই। পঁচতি প্ৰথাৰ উদ্ভাৱনা মহাপুৰুষ শঙ্কৰদেৱে কৰিছিল বুলি একশ্ৰেণীৰ লোকে বিশ্বাস কৰে। পিছত শঙ্কৰদেৱৰ আদৰ্শ আৰু তেওঁৰ গীত, পদ, ভটিমা, গুণমালা আদিকে প্ৰধান অবলম্বন কৰি বহুতে পঁচতিৰ পুথি লিখিছে কিন্তু কোনেও শঙ্কৰদেৱৰ প্ৰভাৱৰ পৰা মুক্ত হব পৰা নাই। মহাপুৰুষ শঙ্কৰদেৱৰ ৰচিত বুলি অভিহিত কৰা পঁচতিখনৰ

প্ৰথম অধ্যায়তে জয়দেৱ কৃত দশাৱতাৰৰ স্তৱ "প্ৰলয় পয়োধি জলে ধৃত বানসি বেদং" আৰু তাৰ অসমীয়া ডাঙনি আছে। জয়দেৱৰ শ্লোকৰ অসমীয়া ৰূপান্তৰ সুৰলা হৈছে ঃ-

"জয় জয় কুৰ্ম্মৰূপে স্থুল দেহা অতি।
মথিলা সাগৰ গিৰি ধৰি পিঠি পাতি॥
দীঘলে বহলে যাৰ নপাৰন্ত সীমা
জয় জয় ঈশ্বৰৰ অতৰ্ক মহিমা॥"

পুথিৰ দ্বিতীয় আধ্যাত শ্ৰীকৃষ্ণৰ জন্ম শিতানত দিহা আৰু পদ সম্বলিত সাতছোৰা কৰিতাক ঠাই দিয়া হৈছে। "যমুনা! পাৰ কৰি থৈযোৰে নন্দৰ কানাই" এই দিহাৰে বসুদেৱে শ্ৰীকৃষ্ণক নন্দৰ ঘৰত থৈ অহাৰ পিছলৈকে কাহিনী বৰ্ণাইছে। তৃতীয় আধ্যাত শ্ৰীকৃষ্ণৰ পঁচতি শিতানত "জযতি জগন্নিৱাসো........" আদি শ্লোক এটিৰ অৱতাৰণা কৰা হৈছে। তাৰ পিছতে সূত্ৰৰ বচন ঃ— "ভহে সামাজিক লোক! সোহি শ্ৰীকৃষ্ণৰ জন্মযাত্ৰা পঁচতি কৰ্ম্ম সভামধ্যে কহে, তাহাক দেখহ, শুনহ, নিৰন্তৰে হৰি ৰাম হৰি ৰাম॥" ইয়াৰ পিছত গীত, পদ, ঝুমুৰি, ভটিমা, লেচাৰি আদিৰে সূত্ৰৰ বচন সহ পঁচতিৰ দীঘলীয়া বৰ্ণনা পোৱা যায়।

কৱি ৰতিকান্ত দ্বিজ ৰচিত পাঁচতিখনৰো কাব্যিক সৌন্দৰ্য্য আৰু লোকপ্ৰিয় আকৰ্ষণ আছে। গোপীসকলে উৰুক-মুৰুক কৰি অলঙ্কাৰ পিন্ধি যশোদাৰ পুত্ৰ চাবলৈ যোৱাৰ বৰ্ণনা ঃ—

যশোদাক বেঢ়ি গৈযা ৰঙ্গে হুযা উঠিব।
দেয় আশীৰ্ব্বাদ শিশু হৌক চিৰঞ্জীৱ॥
হালধিৰ গুৰি আনি পানী মিশলাই।
অন্যো অন্যে সিঞ্চে গোৱিন্দৰ গুণ গাই॥

লাহে লাহে এই ৰংৰহইচৰ মাত্ৰা চৰি গৈছে ঃ—

হৃষ্ট-পুষ্ট গোপীগণে খেলে ৰঙ্গে খেড়ি।
সিঞ্চে দধিদুগ্ধক আউৰক আউৰে বেঢ়ি॥

নন্দই এই গোপীসকলক বস্ত্ৰ অলঙ্কাৰ, তাম্বুল, পুষ্প চন্দনেৰে’ সন্মান কৰিছে। গীতবোৰৰ সুৰ, তাল বৰ মনোগ্ৰাহী। দুৰ্গাবৰ বা সুকৰি নাৰায়ণৰ গীতপদৰ দৰেই পাঁচতিৰ বচন কিছুমানো মানুহৰ মুখে মুখে চলি আহিছে ঃ—

“নন্দে দিলা আদা, লোণ, গোপীৰ ঘৰে ঘৰে হে।
কৃষ্ণৰ পাঁচতি শুনি গোপী আনন্দ কৰে হে॥”

এনেকুৱা গাঁৱলীয়া চিত্ৰ আৰু ঘৰুৱা পৰশ ভালেমান ঠাইত আছে। কাহিনী হিচাপে পাঁচতিৰ মূল দশম, কীৰ্ত্তন আৰু বৈষ্ণৱ যুগৰ নাটবোৰেই। পাঁচতি অনুষ্ঠানৰ লোকপ্ৰিয়তা আৰু লোকাচাৰেই অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ফালৰ যথোচিত মূল্য।

—ঃ দুই ঃ—

স্ত্ৰীপ্ৰধান উৎসৱ ৰূপে গোপিনী সবাহ, নাম-ভাওনা আদি উৎসৱৰ সৈতে বহু বিষয়ত পাঁচতিৰ সাদৃশ্য আছে। এই উছৱত আদিৰ পৰা অন্তলৈকে তিৰোতাসকলেই প্ৰধান ভাগ লয়। পুৰুষৰ স্থান গৌণ। তিৰোতাসকলৰ গীত-মাত, নৃত্য-অভিনয় আদিয়েই পাঁচতি উৎসৱৰ মনমোহা ভেটি আৰু আকৰ্ষণীয় বিষয়।

ই এটা ৰাজহুৱা উৎসৱ। কেতিয়াবা কোনো কোনো ঠাইত ঘৰুৱা উৎসৱ ৰূপেও পতা হয়। ৰাজহুৱাভাবে পাতিলে ৰাজহুৱা নামঘৰ বা নামঘৰ সদৃশ অইন ৰাজহুৱা ঠাইৰ অভাৱত অস্থায়ী ঘৰ বা ৰভা সাজি এই উৎসৱ পতা হয়। আন আন ৰাজহুৱা উৎসৱৰ দৰে ইয়াতো ৰাজহুৱাভাবে কাৰ্য্যকৰী সমিতি গঠন কৰি দিয়া হয় আৰু সমিতিৰ পৰ্য্যবেক্ষণত কাৰ্য্য পৰিচালনা কৰা হয়। ঘৰুৱা হলে গৃহস্থই নিজৰ সুবিধা মতে যথাযোগ্য দিহাযুগুতি কৰি লয়। পাঁচতি উৎসৱ হবৰ ছমাহমান আগৰে পৰা ৰাইজৰ মনত উলাহ-আনন্দ। সকলোৱে নিৰ্দ্দিষ্ট দিনটোলৈ আঙুলিৰ মূৰত দিন গণি থাকে মাত্ৰ।

পাঁচতি উৎসৱৰ বিভাগ প্ৰধানকৈ দুটা—ধৰ্ম্ম আৰু সংস্কৃতি; অৱশ্যে

এই বিভাগ নামতহে। কাৰণ এটাৰ অবিহনে আনটো হৈ নুঠে অথবা এটাক বাদ দি আনটো সমাধা কৰিব নোৱাৰি। ধৰ্মোৎসৱৰূপে উৎসৱটোৰ আৰম্ভণিৰে পৰা শেষলৈকে হৰিনাম কীৰ্ত্তন বা শ্ৰীকৃষ্ণৰ জয় ঘোষণা অবিৰাম চলি থাকে। উৎসৱ-থলীখিনি গোবৰ-মাটিৰে লিপিমচি পবিত্ৰ কৰি ৰাখিব লাগে। সমুখত এটা বেদী। বেদীৰ ওপৰত থাপনা। থাপনাৰ ওপৰত ধৰ্ম্মগ্ৰন্থ—কীৰ্ত্তন, দশম আদি। তাৰ ওচৰত ধুপধুনা, বন্তি। অশুচি, অপৱিত্ৰ অৱস্থাত কাকো তাত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। বেদীৰ কাষতে মাহ-চাউলৰ বিৰাট দ'ম দেউল সদৃশ আৰু বিবিধ উপকৰণৰ সম্ভাৰ। এই বাবে ইয়াক গোঁসাইনীসবাহ, নামঘোৰা আদিৰ সৈতে প্ৰায় একে পৰ্য্যায়ত স্থাপিত কৰিছে বুলিব পাৰি।

পঁচতিৰ সাংস্কৃতিক দিশটো বেছি মনোৰম আৰু জনপ্ৰিয়। ইয়াৰ বাবেইহে লৰাছোৱালী ডেকাগাভৰু সকলো বেছি উত্ৰাৱল হৈ পৰে। এই বিভাগত ভাগলওঁতাসকল নিশ্চয় শিল্পপটু হব লাগিব যাতে সকলো দৰ্শকে তৃপ্তি পাব পাৰে। সেয়েহে বছা বছা তিৰোতাসবেহে ইয়াত আগভাগ গ্ৰহণ কৰে। স্থানীয় শিল্পীৰ অভাৱ হলে, কেতিয়াবা আন ঠাইৰ পৰাও পঁচতিদল আহ্বান কৰি আনি উৎসৱ সাফল্যমণ্ডিত কৰি তোলা হয়। এই দুয়োটা দিশৰ মধু মিলনত ই মূলত সাত্বিক উৎসৱ হলেও জাকজমকতাপূৰ্ণ আৰু গাম্ভীৰ্য্যপূৰ্ণ উৎসৱ ৰূপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। সাংস্কৃতিক বিভাগৰ মূল বিষয় অভিনয় প্ৰদৰ্শন— আঙ্গিক আৰু বাচিক। শ্ৰীকৃষ্ণৰ শিশুলীলাৰ কাহিনী অৱলম্বন কৰি ইয়াৰ বাবে স্বকীয়া পুথিও ৰচিত হৈছিল। অঙ্কীয়া নাটৰ কলাকৌশলৰ সৈতে ইয়াৰ সাদৃশ্য ভালেখিনি আছে। পঁচতি ভাওনাত যশোদা কেন্দ্ৰ চৰিত্ৰ, সূত্ৰধাৰ প্ৰধান চৰিত্ৰ, গৰ্গ মুনি, পুতনা ৰাক্ষসী, গোপগোপী আদৰ্শ পাৰ্শ্ব চৰিত্ৰ। কাপোৰ মোটোকাই কেঁচুৱা কৃষ্ণ সাজি যশোদাৰ কোলাত থোৱা হয়। ভাওনাথলীৰ দৰে পঁচতি উৎসৱটোৰ থলীখনৰো দুটা ভাগ থাকে—ৰঙ্গভূমি আৰু প্ৰেক্ষাথলী। যিখিনি ঠাইত ভাৱৰীয়াসকল ওলাই ভাও প্ৰদৰ্শন কৰে সেয়ে ৰঙ্গভূমি।

যিখিনি ঠাইত দৰ্শকবৃন্দ বহে সেয়ে প্ৰেক্ষাস্থলী। প্ৰকৃততে এই বিভাগ দুটাও নাম মাত্ৰহে, প্ৰায় অভিন্ন ; ব্যৱধান লক্ষ্য কৰিব লগীয়া নহয়। ভাওনাৰ দৰে সূত্ৰধাৰেই পঁচতি ভাওনাৰ কাৰ্য্য সকলোখিনিৰে সূত্ৰ সংৰক্ষক। কাৰ্য্যক্ৰমণিকাৰ ঘোষণাৰে পৰা আৰম্ভ কৰি মাঙ্গলিক স্তুতিগীতি আদি ভালেখিনি কাম তেওঁৰ দ্বাৰাই সমাধা হয়। তেওঁ প্ৰথমতে দেখা দিয়েই এটি মঙ্গলস্তোত্ৰ যা নান্দী পাঠ কৰে। অভিনয়ৰ বিভিন্ন কাহিনীৰ ভিতৰত এটা হৈছে শ্ৰীকৃষ্ণৰ নামকৰণ। এগৰাকী তিৰোতা গৰ্গ মুনিৰ বেশত ওলায়। তেওঁৰ এহাতে পুথিপাঁজি, আনহাতে ফলি পেঞ্চিল। ৰঙ্গভূমিত দেখা দিয়েই তেওঁ এদাঁতিত বহি একাণপতীয়াভাবে গণনা কৰিবলৈ ধৰে—

"ত্ৰেতাত ৰাতুল দ্বাপৰত ভৈলা শ্যাম।
এবে কৃষ্ণ পদে ভৈল কৃষ্ণ নাম॥
পূৰ্ব্বত আছিল বসুদেৱ তনয়।
সিকাৰণে বাসুদেৱ হৈবেক অন্বয়॥
বহু নাম আছে গুণ কৰ্ম্ম অনুসাৰে।
তোমাসাৰ কল্যাণ সাধিব বীৰ মাৰে॥"

এইদৰে ৰাশিচক্ৰ আদি নিৰ্ণয় কৰি নামকৰণ কাৰ্য্য সমাপ্ত হয়। ইয়াতে 'আগপঁচতি' অৰ্থাৎ আগবেলাৰ পঁচতি শেষ। তেতিয়া নিমন্ত্ৰিতসকলক অভ্যাৰ্থনা আৰু শোধপোচ কৰা হয়। তাৰ পিছত সকলো ঘৰাঘৰি যায়গৈ।

আবেলি পৰত 'পাছপঁচতি' অৰ্থাৎ পিছবেলাৰ পঁচতি আৰম্ভ হয়। এইবাৰো আগৰ দৰে নাম-কীৰ্ত্তন আৰু ভাওনা চলে। এই বাৰ পুতনা ৰাক্ষসীৰ প্ৰৱেশ হয়। তাই মনমোহিনী নাৰীবেশ ধাৰণ কৰি আহে। তাইৰ মুখত মৌবৰষা কোমল মাত, পেটত দুৰভিসন্ধি ; আহ্লাদপূৰ্ণ ভাষণ, লয়লাস গতি কোনেও পোনতে ৰাক্ষসী বুলি ধৰিব নোৱাৰে। তাই ৰঙ্গভূমিত প্ৰৱেশ কৰিয়েই কেঁচুৱা কৃষ্ণৰ ওচৰ চাপে। কেঁচুৱাটিক এবুকু মৰম দেখুৱাই কোলাত তুলি লৈ তাই টপৰ টপৰ চুমা খাবলৈ ধৰে। কিন্তু

মনৰ গুপুত অভিসন্ধি কাৰ্য্যত পৰিণত কৰাৰ ছেগ চাই আছে। কেৰেঁ নেদেখাকৈ এবাৰ নিমিষতে কেঁচুৱাৰ মুখ আচঁলেৰে ঢাকি তাই লাহেকৈ বিষস্তন পান কৰিবলৈ দিয়ে। ৰাক্ষসীয়ে তেতিয়াও জনা নাই যে এই কৃষ্ণ বিষ্ণুৰ অৱতাৰ। ভগৱান শ্ৰীকৃষ্ণ অৱতাৰৰ প্ৰধান উদ্দেশ্য দুষ্টৰ দমন, সন্তুক পালন। ৰাক্ষসীৰ উদ্দেশ্য বুজি কৃষ্ণযো খিতাতে উচিত শাস্তিৰ উপায় আৱিষ্কাৰ কৰি পেলায়। একে হোঁপাতে স্তন ছিঙি পেলায়। অসহ্য বিষ আৰু যন্ত্ৰণাত ৰব লোৱাৰা হৈ তাই। ডেডনি পাৰি সাত লুটি খাই ৰাক্ষসী মাটিত পৰি যায় আৰু চিৰদিনলৈ চকু মুদে। তেতিয়াহে দৰ্শক সবে আচল কথাটো গম পালে যে সেই সুন্দৰীজনী সাধাৰণ তিৰোতা নহয়, ছদ্মবেশিনী-ৰাক্ষসী, শিশুঘাতিনী পুতনাহে— "শিশু মাৰি ফুৰে গ্ৰাম নগৰত পশি।

বালকঘাতিনী তাই দাৰুণী ৰাক্ষসী॥"

পুতনাবধৰ পাছৰ দৃশ্যটোত ভালেখিনি হাস্যৰসৰ সৃষ্টি হয়। গোপ-গোপীসবে পুতনাৰ মৃত দেহৰ কেউপিনে জুমুৰি দি ধৰে আৰু তাইৰ দেহাটো লিৰিকিবিদাৰি চাবলৈ ধৰে। বিবিধ উপায় অবলম্বন কৰি তাইৰ মৃত দেহটোৰ অঙ্গ-প্ৰত্যঙ্গবোৰ বিকৃত কৰি দেখুৱাই হাস্যৰসৰ সৃষ্টি কৰা হয়। কোনো জনীয়ে চকুত তেল দি ফেকুৰি ফেকুৰি কান্দি ভাওনা দেখুৱায়। কোনোজনীয়ে তাইৰ ওখ বুকুৰ ওপৰত উঠি নৰ্ত্তন কৰি বিলাপ-বিনন্দ উপভোগ কৰে। কোনোজনীয়ে গুজৰি-গুমৰি টোকন কোজাৰি কৌতুক কৰে। পুতনা বধৰ লগে লগে 'পাছ পঁচতি' অৰ্থাৎ পিছ বেলাৰ পঁচতিৰ কাৰ্য্য শেষ হয়। তাৰ পিছত আকৌ নাম-কীৰ্ত্তন আৰম্ভ হয়, মাহ-প্ৰসাদ বিতৰণ হয়। এইদৰে উলাহ-আনন্দৰ মাজেদি দিনটো কটাই সন্ধিয়া ৰাইজ দিহাদিহি গুচি যায়। ইমানতেই পঁচতি উৎসৱৰ সামৰণি পৰে।

কোনো কোনো ঠাইত আজিকালি পঁচতিৰ লগতে ইয়াৰ আনুষঙ্গিক উৎসৱ, যেনে নাওখেল, যাত্ৰা, অন্যান্য ভাওনা আদিও পতা হয়। এইবোৰ আধুনিকতাৰ পৰশ মাথোন।

# মহোহো বা মহখেদা উছৱ

সৌন্দৰ্য্যৰ লীলাভূমি অসম লোকগীতি আৰু লোকউৎসৱৰো লীলাভূমি। যুগে যুগে জনসাধাৰণৰ মাজেদি কিমান গীতপদ আৰু ৰংৰহইচ যে বাগৰি আহিছে তাক কৈ ওৰ পেলাব নোৱাৰি। অৱশ্যে এইটো ঠিক যে এই আটাইবোৰ লোকগীতি আৰু লোকউৎসৱৰ প্ৰচলন অসমৰ সকলো ঠাইতে দেখা নেযায়। ঠাই বিশেষেহে ভিন্ ভিন্ লোকগীতি নাইবা লোকউৎসৱ পালন কৰা হয়। উজনি অসমৰ ফালে হুচৰি আৰু বিহুগীতৰ আদৰ বৰ বেছি; কিন্তু নামনি অসমত তাৰ প্ৰচলন প্ৰায় নাই বুলি কব পাৰি। সেইদৰে উজনি অসমত নামনি অসমত প্ৰচলিত জগন্নাথৰ গীত, ভথেলি উৎসৱ আদিৰ নাম-গোন্ধেই নাই।

মহোহো নামনি অসমত প্ৰচলিত এটি লোকউৎসৱ। আন আন উৎসৱৰ দৰে এই উৎসৱ পতাৰো এটা নিৰ্দ্দিষ্ট দিন আছে আৰু সেইটোৱে হল আঘোণী পূৰ্ণিমাৰ ৰাতি। মহোহো বুলিলে বুজিব লাগিব যে ই এটা মহখেদা উৎসৱ। এই উৎসৱ গধূলি গাঁৱৰ প্ৰায়বোৰ লৰা আৰু ডেকাই কেবাটাও দল বান্ধি হাতত টোকন বা লাঠী লৈ মহ খেদি ফুৰে। হাতত টোকন লৈ মহ খেদি ফুৰা বুলিলে এইটো বুজিব নেলাগিব যে সিহঁতে লাঠীৰে মহবোৰ কোবাই খেদি দিয়ে। আচলতে মহ খেদোঁতাসকলে তেনে একো নকৰে। আগৰে পৰা মহ খেদা উৎসৱত গোৱা কিছুমান গীত জনসাধাৰণৰ মুখে মুখে চলি আহিছে। ইয়াক মহোহো গীত নাম দিব পাৰি। মহখেদাৰ সময়ত এই উৎসৱত যোগ দিয়া ল'ৰা বা ডেকাবিলাকে প্ৰত্যেক ঘৰ মানুহৰ চোতালত বৃত্তৰ আকাৰত ঘূৰি ঘূৰি মহোহো গীতবোৰ গায়। গীত গোৱাৰ সময়ত সিহঁতৰ এজনে হাতত অনা টোনডালৰ এটা মূৰ মাটিত ৰাখি আনটো

মূৰ হাতেৰে ধৰি থাকে আৰু দলৰ বাকীবিলাকে নিজৰ টোকনেৰে গীতৰ তালে তালে সেই টোকনডালত কোবাই ঘূৰি থাকে। গীতৰ সুৰ আৰু তাৰ তালে তালে ল'ঠীবোৰেৰে কৰা ঠনৰ ঠনৰ শব্দ সঁচাকৈয়ে উপভোগ্য হৈ পৰে। নামৰ দৰে এই গীত প্ৰথমে এজনে লগাই দিয়ে, তাৰ পিছতহে বাকীবিলাকে ধৰে। উদাহৰণ তলত দিয়া হল ঃ -

| এজনে লগাই দিব ঃ— | বাকীবোৰে ধৰিব ঃ— |
| --- | --- |
| ভাল হওক | হওক। |
| কুশল হওক | হওক। |
| গোলিৰ গৰু বাঢ়ক | বাঢ়ক। |
| ভাখ্ৰিৰ ধান বাঢ়ক | বাঢ়ক। |
| গৃহস্থে এটি পয়চা দিবব | শক্তিমন্ত হওক। |
| জয় ৰাম বোলা। | জয় হৰি বোলা। |

এই গীতটো লাঠীৰে বাজনা নমৰাকৈ এনেযে গোৱা হয়। গীতটোক আশীৰ্ব্বাদ বচন বুলিয়ে কব পাৰি কিয়নো ইয়াৰে গৃহস্থৰ মঙ্গল কামনা কৰা হয়। 'ভাল হওক' এই শব্দ দুটাৰ অৰ্থৰ মিল ৰাখিয়ে 'ভাওল দিয়া' শব্দটো উল্গিওৱা হৈছে বুলি অনুমান কৰিব পাৰি। এই গীতটোৰ পিছতে টোকনেৰে বাজনা বজাই তলৰ গীতটো গায়।

| এজনে লগাই দিব— | আনবিলাকে ধৰিব ঃ - |
| --- | --- |
| অ' হৰি মহোহো। | মহ খেদিব টোকান লৌ ॥ |
| মহে বোলে মইল্লো দে। | টেপৰ পুৰা খালু দে ॥ |
| টেপৰত নহল ঘুণ। | চাউল লাগে দুন দুন ॥ |
| চাউল নেদি দিলাক কড়ি। | ইহঁতৰ ঘৰ লৰিচৰি ॥ |
| লৰিচৰি যাওঁতে। | সোণাৰ নাঙল পাওঁতে ॥ |
| সোণাৰ নাঙল ৰূপাৰ ফাল। | ইহঁতৰ ঘৰ দেইখৰ ভাল ॥ |
| বাঁহৰ পাত পকা। | আমাক লাগে টকা ॥ |
| বাঁহৰ পাত চিকিমিকি। | আমাক লাগে আধলি সিকি ॥ |

হাল গেল সীৰালে। মহ গেল পাতালে ॥
সকল মহক পাৰ কইল্লো। বুঢ়াদিয়াৰ ঘাটে ॥

বুঢ়াদিয়া নলবাৰী চহৰৰ পৰা সাত মাইল পশ্চিমে অৱস্থিত ব্ৰহ্মপুত্ৰৰ এখনি উপনৈ। বুঢ়াদিয়া নামটোৰ পৰা এই মহোহো গীতটো যে নলবাৰী অঞ্চলত প্ৰচলিত তাক সহজতে ঠাৱৰ কৰিব পাৰি। এই গীতটোৰ এফাঁকি পদৰ লগত আনফাকি পদৰ অৰ্থৰ বিশেষ মিল দেখা নেযায়। আনকি গোটেই গীতটোৰ মাজতো এটা সম্পূৰ্ণ অৰ্থ উলিয়াব নোৱাৰি। কেৱল এইটোতে নহয় মহোহোৰ কোনো গীততেই অৰ্থৰ সঙ্গতি দেখা নেযায়। আটাইবোৰেই মুখজোৰণি। সম্ভৱতঃ এই গীত ৰচোঁতা-সকলে গীতৰ অৰ্থলৈ লক্ষ্য নেৰাখি কেৱল শ্ৰুতিমধুৰতালৈহে লক্ষ্য ৰাখিছিল। নলবাৰীৰ পূৱ অঞ্চলত কিছুমান মুছলমান মানুহে মহোহো উৎসৱৰ দিনা মানুহৰ ঘৰে ঘৰে কিছুমান মুখজোৰণি গীত গাই পয়চা বা চাউল লোৱা দেখা যায়। এওঁলোকে মহ খেদোঁতাসকলৰ দৰে হাতত কোনো টোকন বা লাঠী নালে, কেৱল গীতহে গায়।

নলবাৰীৰ বাহিৰেও কোচবেহাৰ, টংলা, বৰপেটা গোৱালপাৰা আদি নামনি অসমৰ ভিন্ ভিন্ অঞ্চলত মহোহো গীত আৰু উৎসৱৰ প্ৰচলন এতিয়াও দেখা যায়। এইবোৰ অঞ্চলত প্ৰচলিত মহোহো গীতবোৰৰ প্ৰায়ে মিল দেখা যায়; কেৱল ঠাই বিশেষে দুই চাৰিটা শব্দ আৰু পদৰ অমিল দেখা যায়। সেইদৰে প্ৰত্যেক ঠাইৰ গীতৰ সুৰো বেলেগ বেলেগ। মহোহো উছৱত কিছুমান ঠাইৰ লৰাই লগৰ এজনক কলৰ চোঁচনি বা কলপতুৱা গাত মেৰিৱাই ভালুক সজাই ঘৰে ঘৰে মহ খেদি ফুৰে। কিছুমানৰ বিশ্বাস যে আচল ভালুকে দেখিলে সেই ভালুক সজা লৰাটোক মাৰিবলৈ খেদি আহে নাইবা সেই কলচোঁচনি পালে কুমন্ত্ৰ কৰি ভালুক হোৱা লৰাটোক মাৰি পেলাব পাৰি। সেয়েহে মহখেদা উৎসৱৰ পিছতেই হেনো লৰাটোৱে সেই ৰাতিতে কলচোঁচনিবোৰ আনে গম নোপোৱা ঠাইত পুতি থৈ আহেগৈ। অৱশ্যে এইবোৰ ধাৰণা আজিকালি মানুহৰ মাজৰ পৰা

জাতৰি যাবলৈ ধৰিছে আৰু আজিকালি লৰা-ভালুক নচ্ছ। এটো প্ৰায়ে নাই বুলি কব পাৰি।

মহখেদোঁতাসকলে এই উছৱত যি ধন বা চাউল পায় তাক তেওঁলোকে হয় নৈৰ পাৰত বালিভাত নাইবা ঘৰতেই 'লগভাত' খায়। কিছুমানে আকৌ এই ধন আৰু চাউল বেচি পোৱা ধন লগ কৰি মাঘৰ উৰুকালৈ সাঁচি থয়। উৰুকাৰ ৰাতি মেজিৰ গুৰিত ভেলাঘৰ বান্ধি সেই ধনেৰে দলভাত বা লগভাত খায়।

মহোহো উৎসৱ পতাৰ ফলত মহ আতৰ হওক বা নহওক সি সুকীয়া কথা; কিন্তু এই উৎসৱত গাঁৱৰ ডেকা আৰু লৰাবিলাকে যে বিমল আনন্দ লাভ কৰে সি ধ্ৰুৱ। আঘোণী পূৰ্ণিমা আহিলেই লৰা-ডেকাসকলৰ মনত আনন্দই নধৰা হয়। পূৰ্ণিমাৰ দুই তিনিদিনমান আগৰ পৰাই তেওঁলোক এই উৎসৱৰ কাৰণে ব্যস্ত হৈ পৰে। দ্বিতীয়তে এই উৎসৱৰ পৰা ডেকাবিলাকৰ মাজত স্বাভাৱিকতে ঐক্য ভাব বঢ়াত সুবিধা মিলে। সেয়েহে আমি বৰ্ত্তমান সভ্যতাত দীক্ষিত হৈ পুৰণি কালৰ পৰা চলি অহা মহোহোৰ দৰে লোকউৎসৱসমূহক অৱজ্ঞাৰ চকুৰে চোৱা উচিত নহয়।

---

# দক্ষিণপাট আৰু মণিপুৰৰ ৰাস

## দক্ষিণপাটত

দক্ষিণপাট সত্ৰ অসম দেশৰ অন্যতম প্ৰধান সত্ৰ। ইয়াৰ প্ৰতিষ্ঠাতা প্ৰাতঃস্মৰণীয় শ্ৰীশ্ৰী৺বনমালীদেৱ গোস্বামী। এখেত দৰং জিলাৰ অন্তৰ্গত কলাবাৰী গ্ৰামত ইং১৫৭৬ চন, ১৪৯৮ শকৰ মাঘ মাহত বুধবাৰে ব্ৰাহ্মমুহূৰ্ত্ত সময়ত পৰাশৰগোত্ৰী ব্ৰাহ্মণ যদুদেৱৰ ভাৰ্য্যা মাধৱপ্ৰিয়া দেৱীৰ পৱিত্ৰ গৰ্ভত জন্মগ্ৰহণ কৰে। এইজনা পুৰুষ পূৰ্ব্বজন্মৰ সিদ্ধ অলৌকিক প্ৰতিভাশালী আৰু বিচক্ষণ বুদ্ধিমান আছিল। এখেতে ছবছৰ বয়সতেই ভাগৱতৰ কথা ব্যাখ্যা কৰি শুনাই সকলোকে আশ্চৰ্য্যান্বিত আৰু মুগ্ধ কৰিছিল।

বনমালীদেৱ অধিকাৰ নৌ হওঁতেই অশ্বক্ৰান্তলৈ আহোঁতে ভেলাই শৰ্ম্মা নামে এজন খ্যাতিমন্ত ব্ৰাহ্মণে লগ পাই শিষ্য হৈ তেওঁ গুৱাহাটী টকৌবাৰীত সত্ৰ পাতি দি ৰাখিছিল। কিছু দিনৰ পিছত দৰঙি ৰজাই তাৰ পৰা দৰঙলৈ অনাই সোণাৰিশালত সত্ৰ পাতি দি তাতে গোসাঁইক ৰাখি নিতৌ গোসাঁইৰ মুখে ভাগৱত-ব্যাখ্যা শুনি গোসাঁইৰ শিষ্যত্ব গ্ৰহণ কৰে।

আহোম স্বৰ্গদেৱ জয়ধ্বজসিংহই দৰঙৰ ৰজাৰ জীয়ৰী এগৰাকী তামুলী-কুঁৱৰী কৰি ৰাখিছিল। কোনো এদিন কথাপ্ৰসঙ্গত সেই তামুলী কুঁৱৰীয়ে স্বৰ্গদেৱৰ আগত গুৰু বনমালীদেৱৰ বহুত গুণ মহিমা বখানি তেৰেঁইহে স্বৰ্গদেৱৰ উপযুক্ত গুৰু হব বুলি অভিমত প্ৰকাশ কৰিলে। কুঁৱৰীৰ কথা শুনি জয়ধ্বজসিংহ স্বৰ্গদেৱেও বনমালীদেৱক আনি নিজ ৰাজ্যত স্থাপন কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ মনতে আলচি থলে।

ইয়াৰ পিছত অনুমান ১৫৭০ শকত জয়ধ্বজসিংহ স্বৰ্গদেৱে ভটীয়া-পাৰত পুখুৰী খন্দাই উছৰ্গা কৰিবলৈ পানী উলিয়াব নোৱাৰি বিমোৰত

পৰিল। মহাৰজাই নিৰঞ্জনদেৱৰ লগত পৰামৰ্শ কৰি নিৰঞ্জনদেৱে কলে বোলে বেহাৰত বনমালীদেৱ সিদ্ধপুৰুষ আছে। যি কোনো প্ৰকাৰে তেওঁক অনাব পাৰিলে স্বৰ্গদেৱৰ মনোৰথ পূৰ্ণ হব। ইয়াৰ আগেয়েও তামুলীকুঁৱৰীৰ মুখে বনমালীদেৱৰ সিদ্ধালি গুণৰ কথা শুনা আছিল। এতিয়া নিৰঞ্জনদেৱৰ মুখেও শুনি বনমালীদেৱক অনোৱাৰ মন কৰিলে। গোসাঁইলৈ নিমন্ত্ৰণপত্ৰ দি যদুচৰণ কটকী আৰু বনিয়াৰ সিংহ উভয়কে গোসাঁইৰ সমীপলৈ পঠাই দিলে। গোসাঁইয়ে আহোম ৰজাৰ সকলো কথা সেই দুইলোকৰ পৰা জানি প্ৰাণনাৰায়ণ ৰজাৰ ওচৰত সকলো কথা জনালে। কোচবিহাৰৰ প্ৰাণনাৰায়ণ ৰজা বনমালীদেৱৰ শিষ্য আছিল। কথা শুনি প্ৰাণনাৰায়ণ ৰজাই গোসাঁইক যাবলৈ অনুমতি দিলে যদিও বনমালীদেৱে "মই এতিয়া যাব নোৱাৰোঁ। সম্প্ৰতি ৺শ্ৰীশ্ৰীজগন্নাথদৰ্শনৰ বাবে বিদায় কৰোঁ।" এই বুলি কৈ ৰজাৰ ওচৰত বিদায় হৈ জগন্নাথক্ষেত্ৰলৈ গমন কৰে। যাওঁতে বাটত মুৰ্চ্ছিদাবাদ পাই গোটেই মাঘ মাহ গঙ্গাস্নান কৰাৰ অভিপ্ৰায় কৰাত বঙ্গৰ নবাবে এখন সত্ৰ সজাই দিয়ে। তাতে থাকি মাঘ মাহটো গঙ্গাস্নান কৰাৰ পিছত গৈ শ্ৰীক্ষেত্ৰ পাই জগন্নাথ মহাপ্ৰভুক দৰ্শন কৰে। তত্ৰস্থ লোকসকলৰ আহ্বানক্ৰমে জগন্নাথক্ষেত্ৰতো এখন সত্ৰ স্থাপন কৰিছিল। বৰ্ত্তমান সেই সত্ৰৰ কোনো চিনচাব নাই।

জগন্নাথক্ষেত্ৰৰ পৰা ঘূৰি আহি বিজয়পুৰত গোপা কৰি থাকিলহি। এই কথা আহোম স্বৰ্গদেৱে শুনি বৰফুকনলৈ কৈ পঠালে বোলে গোসাঁইক শীঘ্ৰ কৰি মানুহ দি অনাব লাগে। ৰজাৰ আজ্ঞা পাই বাহুলি বৰফুকনে এখন চৰানাৱতে গোসাঁইক উজনিলৈ অনাই মহাৰজাৰ কাষলৈ পঠাই দিলে। স্বৰ্গদেৱৰ অনুৰোধ মতে গোসাঁয়ে যাগ-যজ্ঞ কৰি ভটীয়াপাৰ পুখুৰীৰ পানী উলিয়াই ১৫৭৬ শকৰ পুহত পুখুৰী উছৰ্গা কাৰ্য্য সমাধা কৰিলে। মহাৰজাই গোসাঁইৰ সিদ্ধালি গুণত মুগ্ধ হৈ গোসাঁইক বেহাৰলৈ যাবলৈ নিদি কলিয়াবৰ, শাকবাৰী আদি ঠাইত সত্ৰ পাতি থাকিবলৈ দি অৱশেষত মাজুলীত লুইতৰ দক্ষিণে ৰজাৰ বাঙলী

বাহৰৰ পাট নগৰৰ সমীপত ডাঙৰকৈ সত্ৰ কৰাই দিলে। তেতিয়াৰ পৰা এই সত্ৰৰ বৈকুণ্ঠপুৰ নাম তল পৰি 'দক্ষিণপাট' নাম প্ৰচাৰ হ'ল।

চক্ৰধ্বজ সিংহ, উদয়াদিত্য, ৰামধ্বজসিংহ, ৰত্নধ্বজসিংহ ( ল'ৰা ৰজা ) বনমালীদেৱৰে শিষ্য আছিল। প্ৰভু বনমালীদেৱে জীৱনৰ শেষ ছোৱাত ধৰ্ম্মপ্ৰচাৰৰ প্ৰসাৰ বৃদ্ধিৰ কাৰণে বৈষ্ণৱ সাহিত্যৰ ৰচনাত আত্মনিয়োগ কৰিছিল। তেখেতে কিছুমান ঘোষা আৰু গীত, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী বৈকুণ্ঠপ্ৰয়াণ পৰ্য্যন্ত এখন অঙ্কীয়া নাট ৰচনা কৰিছিল। এই দৰে জীৱনৰ সকলো কৰ্ত্তব্য সমাধা কৰি ১৬০৫ শকত ১০৭ বছৰ বয়সত নশ্বৰ দেহা ত্যাগ কৰি প্ৰভুৱে বৈকুণ্ঠপ্ৰয়াণ কৰে।*

দক্ষিণপাট সত্ৰৰ প্ৰধান উপাস্য দেৱতা ৺শ্ৰীশ্ৰীযাদৱৰায় মহাপ্ৰভু। এই মূৰ্ত্তি জগন্নাথক্ষেত্ৰৰ পৰা শ্ৰীশ্ৰী৺বনমালীদেৱে আনি স্থাপন কৰিছিল। দক্ষিণপাট সত্ৰৰ বৈশিষ্ট্য এই যে মূৰ্ত্তি ভাগৱত সহ প্ৰভু ৺দামোদৰদেৱৰ অধিকৃত ধৰ্ম্ম-আসন দক্ষিণপাটে পাইছে আৰু পূৰ্ব্বৰ পৰা এতিয়ালৈকে দৈনন্দিন প্ৰসঙ্গত অধিকাৰসকলে নিজেই ভাগৱত ব্যাখ্যা কৰি আহিছে। প্ৰভু যাদৱৰায়ৰ সুকৃপাত বনমালীদেৱৰ বংশধৰসকলেই সত্ৰাধিকাৰ পদতো অধিষ্ঠিত হৈ আহিছে। সত্ৰাধিকাৰসকলে ঘোষা, গীত, ভাওনা পুথি আদি ৰচনা কৰি বৈষ্ণৱ সাহিত্যৰ বৰঙনিও যোগাই আহিছে।

এই সত্ৰৰ শ্ৰীশ্ৰী৺বাসুদেৱ গোস্বামী প্ৰভুৱে স্বপ্নত ভগৱন্তৰ আদেশ পাই জন্মাৱধি অৰিষ্টাসুৰ বধ পৰ্য্যন্ত শ্ৰীশ্ৰীকৃষ্ণৰ লীলাসমূহেৰে 'ৰাসলীলা' নামৰ নাটকখনি ৰচনা কৰে। শ্ৰীমদ্ভাগৱতৰ মতানুসাৰেই এই নাটকখন লিখা হৈছিল। ইয়াৰ ভাষা সেই সময়ৰ প্ৰচলিত অসমীয়া

---

* প্ৰভু বনমালীদেৱৰ পৰা বৰ্ত্তমান সময়লৈকে অনুক্ৰমে হোৱা অধিকাৰসকলৰ তালিকা এই—শ্ৰীশ্ৰী৺বনমালীদেৱ, শ্ৰীশ্ৰী৺ৰামদেৱ, শ্ৰীশ্ৰী৺কৃষ্ণদেৱ, শ্ৰীশ্ৰী৺আত্মাদেৱ, শ্ৰীশ্ৰী৺কামদেৱ, শ্ৰীশ্ৰী৺মহাদেৱ, শ্ৰীশ্ৰী৺ৰন্তিদেৱ, শ্ৰীশ্ৰী৺বিষ্ণুদেৱ, শ্ৰীশ্ৰী৺বিভুদেৱ, শ্ৰীশ্ৰী৺বাসুদেৱ, শ্ৰীশ্ৰী৺শুভদেৱ, শ্ৰীশ্ৰী৺নৰদেৱ, শ্ৰীশ্ৰী৺নাৰায়ণদেৱ, শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী বৰ্ত্তমান সত্ৰাধিকাৰ।

ভাষা আৰু মাজে মাজে সংস্কৃত ভাষাৰ ৰচনায়ো ঠাই পাইছে। এই নাটক ভক্তি-ৰসেৰে পৰিপূৰ্ণ। ইয়াৰ বাছকবনীয়া নৃত্যসমূহ আৰু শুশ্ৰাব্য গীতবাদ্যই দৰ্শকসকলৰ মন-প্ৰাণ ৰৰকৈ আকৰ্ষণ কৰে। আধ্যাত্মিক ৰসিক আৰু প্ৰাচীন কলানুৰাগীসকলৰ ই বিশেষ আকৰ্ষণীয় বস্তু।

সত্ৰীয়াসকলে গায়ক, বাদক, ভাও, ভাৱৰীয়াসকলৰ গাত আচল বস্তুৰ তেজ সেই সময়ত আহি পৰে বুলি বিশ্বাস কৰে। সেই গুণেই সভাস্থলিত ৰাম, কৃষ্ণৰ, প্ৰবেশ হওঁতে সকলো জনতাই অভ্যুত্থান কৰি ডবা আদি বাদ্য বজাই হৰিধ্বনি কৰি বিপুল অভ্যৰ্থনা জনায়।

নামঘৰৰ ভিতৰত কল্পিত বৃন্দাবনৰ মাজত ধুনীয়াকৈ এটি 'ৰাস মণ্ডপ' সজা হয়। সেই মণ্ডপৰ চাৰিওফালে চাৰিখন দুৱাৰ ৰাখি প্ৰতি দ্বাৰতে দুজন দুজন দ্বাৰপাল আৰু এটি এটি গৰুড় মূৰ্ত্তি স্থাপন কৰে। মণ্ডপৰ ভিতৰত সৰ্ব্বতোভদ্ৰ মণ্ডলৰ ওপৰত সুসজ্জিত আসনত অধিস্থিত 'শ্ৰীশ্ৰীবৃন্দাবনচন্দ্ৰ' বিগ্ৰহৰ উভয়পাৰ্শ্বে ৰাধা, ললিতা চন্দ্ৰা আদি গোপীসবৰ প্ৰতিমা স্থাপন কৰাৰ বাহিৰেও নাটকোল্লিখিত শ্ৰীকৃষ্ণ-লীলাৰ প্ৰতি মূৰ্ত্তি ঠায়ে ঠায়ে স্থাপি পূজা কৰা হয়।

বন্দনাৰ পিছত স্বৰ্গৰ গন্ধৰ্ব্বাদিৰ উদ্দেশে নাটত এইদৰে প্ৰাৰ্থনা কৰিছে ;—

"স্বৰ্গপুৰে গান কৰ্ত্তা গন্ধৰ্ব্বাদি বিদ্যাধৰ।
গোলোকে নাৰদ মুনি তুম্বুৰু মুনিবৰ ॥
হই আছে শ্ৰীকৃষ্ণৰ ক্ৰীড়ানু কীৰ্ত্তন।
মনুষ্য শৰীৰে আমি কৰিবো কমন ॥
ঘামাসাৰ দেহে স্থিতি হইবাৰ কাৰণ।
প্ৰাৰ্থিত হইলো আমি সবাৰে বৰণ ॥

ৰাসোৎসৱৰ পূৰ্ব্ব দিনা সন্ধ্যা। আৰতিৰ পিছত মহাপ্ৰভুক (প্ৰভুশ্ৰীশ্ৰীবৃন্দাবনচন্দ্ৰক) সমদল যাত্ৰা কৰাই মণ্ডপলৈ আনি অধিবাস কৰে। প্ৰত্যুষত ১০৮ গছ ঘৃত প্ৰদীপেৰে আৰতি কৰা হয়। আৰতিৰ সময়ত ওজা, কীৰ্ত্তনীয়া, গায়ন-বায়নসকলে মিলি এপালি কীৰ্ত্তনীয়া গান

গায়। দেৱৰ্ষি নাৰদে গোলোকলৈ গৈ অমৃত সৰোবৰত বুৰ দি স্ত্ৰীদেহ ধৰি কৃষ্ণৰ ৰাসলীলা চায়। পুনৰ সেই সৰোবৰত বুৰ মাৰি ঋষিদেহ পোৱাৰ কথা বৃহৎ গৌতমী গ্ৰন্থৰ পৰা উদ্ধৃত কৰি গোসাঁই ৺বাসুদেৱে এইপালি গান ৰচিছে।

ৰাসৰ দিনা দৈনিক পূজা শেষ কৰি প্ৰাতসতে ৰাসৰ পূজা আৰম্ভ কৰা হয়! ৰাতি ২ মান বজালৈকে পূজা, হোম আদি চলিয়েই থাকে। কীৰ্ত্তন-ঘৰত দিনৰ নিত্যপ্ৰসঙ্গৰ পিছতে উঠা 'হৰিনাম', নামৰ পিছত গায়ন-বায়নৰ নাট, নটুৱা নাচ, তাৰ পিছত ওজাকীৰ্ত্তন হয়। নিশা ৮ বজাৰ ভিতৰতে নিত্য-প্ৰসঙ্গ শেষ কৰি ৰাস-লীলাৰ অভিনয় আৰম্ভ কৰা হয়। লীলাৰ অনুক্ৰমণিকা এই —

১। প্ৰথমে ধৰণ অৰ্থাৎ খোল নৃত্য কৰে।

২। তাৰ পিছত বন্দনা গীত।

৩। গন্ধৰ্ব্বাদিৰ ওচৰত প্ৰাৰ্থনা।

৪। সূত্ৰধাৰৰ প্ৰৱেশ আৰু নৃত্য।

৫। সূত্ৰধাৰাদিৰ বৰণ (পূজামণ্ডপৰ পৰা আহি বৰপূজাৰীয়ে সূত্ৰধাৰকে আদি কৰি গায়ন-বায়নসকলক একোধাৰি মাল্য দি বৰণ কৰে।)

৬। লীলাৰম্ভ।

৭। নন্দ-যশোদাদিৰ প্ৰৱেশ।

৮। কংসৰ কাৰাগাৰত দ্বাৰপালৰ পহৰা।

৯। সদ্যোজাত কৃষ্ণক লৈ বসুদেৱৰ নন্দগৃহলৈ গমন আৰু যোগমায়াক লৈ পুনৰ কাৰাগাৰলৈ আগমন।

১০। নন্দোৎসৱ।

১১। নন্দৰ মথুৰাগমন।

১২। পুতনাবধ আৰু যশোদাৰ বিলাপ।

১৩। গোপীৰ কৃষ্ণ অন্বেষণ।

১৪। যশোদাৰ দ্বাৰা কৃষ্ণৰ ৰক্ষাবন্ধন।

১৫। গোপগণ দ্বাৰা পুতনাৰ নিহাৰণ।

১৬। চক্ৰবাত বধ।

১৭। কৃষ্ণৰ দধিভাণ্ড ভঞ্জন আৰু কপিগণক লৱণু দান।

১৮। যশোদাৰ দ্বাৰা উৰালত কৃষ্ণ বন্ধন।

১৯। যমলাৰ্জ্জুন উৎপাতন।

২০। নলকুবেৰ, মণিগ্ৰীবৰ স্তুতি আৰু প্ৰস্থান।

২১। উপানন্দ সহ গোপগণৰ মন্ত্ৰণা।

২২। গোকুল এৰি বৃন্দাবনলৈ নন্দাদিৰ গমন।

২৩। খবৰদ্বাৰীৰ নৃত্য আৰু উক্তি।

২৪। গোপবালক সহ কৃষ্ণ, বলোৰামৰ প্ৰৱেশ আৰু নৃত্য।

২৫। সভাসদৰ অভ্যৰ্থনা আৰু পঞ্চোপচাৰে কৃষ্ণ-বলৰামৰ পূজা।

২৬। ৰামকৃষ্ণৰ গোষ্ঠলৈ যাত্ৰা।

২৭। বৎসাসুৰ নিধন।

২৮। বকাসুৰ বধ।

২৯। অঘাসুৰ বধ।

৩০। ব্ৰহ্মা-মোহন।

৩১। অন্ন ভোজন।

৩২। ইন্দ্ৰ দৰ্পচূৰ।

৩৩। শ্ৰীকৃষ্ণৰ ৰাজবেশ।

৩৪। কালীয় দমন।

৩৫। নাগপত্নীৰ স্তুতি।

৩৬। প্ৰলম্বাসুৰ বধ।

৩৭। ধেনুকাসুৰ বধ আৰু তাল ফল ভক্ষণ।

৩৮। বনাগ্নি পান।

৩৯। ৰামকৃষ্ণৰ গৃহাগমন আৰু যশোদাৰ আৰতি।

৪০। ৰাত্ৰি কদম্ব তলত বেণুনাদ।

৪১। গোপীৰ প্ৰৱেশ নৃত্য।

DISTRICT LIBRARY

৪২। গোপী, গোপালৰ উক্তি, প্ৰত্যুক্তি।
৪৩। গোপী, গোপালৰ খেলা।
৪৪। জলক্ৰীড়া।
৪৫। গোপীৰ গৃহাগমন।
৪৬। প্ৰভাত কালত কৃষ্ণ-বলোৰামৰ পুনৰ গোষ্ঠলৈ গমন।
৪৭। কৃষ্ণ বিৰহাতুৰা গোপীৰ দধি মথোঁতে কৃষ্ণৰ গুণানুকীৰ্ত্তন।
৪৮। সন্ধ্যা সময়ত কৃষ্ণ-বলোৰামৰ গৃহগমন।
৪৯। শঙ্খচূড় বধ।
৫০। গোপীৰ গৰ্ব্ব ভাব।
৫১। গোপী এগৰাকী লৈ শ্ৰীকৃষ্ণৰ অন্তৰ্দ্ধান।
৫২। কৃষ্ণৰ বিৰহব্যাকুলা গোপীৰ কৃষ্ণলীলা অনুকৰণ।
৫৩। গোপীৰ কৃষ্ণান্বেষণ।
৫৪। কৃষ্ণপদ চিহ্ন দৰ্শন।
৫৫। কৃষ্ণপৰিত্যক্তা গোপীৰ ক্ৰন্দন শুনি গোপীসকলৰ দৰ্শন।
৫৬। গোপীৰ কৃষ্ণ আৰাধনা।
৫৭। শ্ৰীকৃষ্ণৰ সাক্ষাত। গোপীগোপালৰ কথোপকথন। মহাৰাস।
৫৮। অৰিষ্টাসুৰ বধ।
৫৯। সমৰ্পণা গীত।

পৰ দিনা পূৰ্ব্বাহ্নত 'ইন্দ্ৰাভিষেকৰ পূজা'। আবেলি গায়ন-বায়নৰ গানবাজনা আৰু অপ্সৰা নৃত্য। সুৰভীৰ লগত ইন্দ্ৰ বৃন্দাবনলৈ আহি শ্ৰীকৃষ্ণক অভিষেক কৰি ত্ৰৈলোক্যৰ ৰজা পতাৰ কাহিনী। শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ মতানুসাৰে গোসাঁই ৺বাসুদেৱে এই গানত বৰ্ণনা কৰিছে। গানৰ পিছত মহাপ্ৰভুক হাতীৰ ওপৰত তুলি সমদল যাত্ৰা কৰাই সত্ৰলৈ আনি 'ৰাধা শ্ৰীদাম সম্বাদ' নামৰ সংক্ষিপ্ত অভিনয় এটি কৰা হয়। গোসাঁই ৺বাসুদেৱে ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ আভাস লৈ গোলোকত ৰাধা-শ্ৰীদামৰ অভিশাপৰ আখ্যানটিৰে এই নাটখনি যুগুত কৰিছিল। ইয়াৰ পিছত মহাপ্ৰভুক মণিকূটলৈ নি সন্ধিয়াৰ আৰতি কৰি সামৰি থয় আৰু নিশা

নিত্য নামৰ অন্তত 'পদঘোষা' গাই অচিন্ত্যাৰাধাৰণ কৰে। ইয়াৰ মতে ৰাসৰ কৃত্যবো ওৰ পৰে।

ৰাস-লীলা নাট অভিনয় হোৱা অৱধি এতিয়ালৈকে প্ৰতি বছৰে কাৰ্ত্তিকী-পূৰ্ণিমাত সমাৰোহেৰে ৰাসোৎসৱ পতা হয়। এই ৰাস চাবলৈ জনতাৰ বিপুল সমাবেশ হয়। সমৱেত ৰাইজক সত্ৰৰ পৰা যথাশক্তি সিধা-পাতি দি শুশ্ৰূষাও কৰা যায়। চমুকৈ এয়ে দক্ষিণপাটৰ প্ৰসিদ্ধ ৰাস।

## মণিপুৰত

আজি প্ৰায় বহু হাজাৰ বছৰৰ আগৰ কথা। কোনো এক কাতি মাহৰ মহাপূৰ্ণিমাৰ নিশা বৃন্দাবনৰ কুঞ্জবনত শ্ৰীকৃষ্ণৰ মোহন মুৰুলী বাজি উঠিল। তাৰ চিত্ত আকুল কৰা সুৰত ব্ৰজধামৰ গোপীসকলে ঘৰ নোৱাৰি ঢপলিয়াই আহিল বৃন্দাবনলৈ—লগত আহিল কৃষ্ণপ্ৰাণা ৰাধা। গোপী-সকল আৰু ৰাধাক লৈ শ্ৰীকৃষ্ণই আৰম্ভ কৰিলে এক অপূৰ্ব নৃত্য-নাটৰ। নূপুৰৰ ৰুণুজুনু সুৰ, নৃত্যৰ লয়লাস আৰু বাঁহীৰ মধুৰ তানৰ লহৰ উঠিল বৃন্দাবনপুৰীত। যমুনাৰ পাৰত খলকনি তুলিলে সেই লহৰে। নদীৰ বুকুও যেন হেন্দোলি উঠিল। নিস্তব্ধ প্ৰকৃতিয়ে বিমুগ্ধ নয়নে ওৰে ৰাতি উপভোগ কৰিলে এই নৃত্য। যুগ-যুগান্তৰৰ পিছতো গোটেই ভাৰত জুৰি এই ৰাসলীলা পালন কৰা হয়।

কথিত আছে যে যমুনাৰ তীৰত এই নৃত্য চলি থাকোঁতে কৈলাসপতি শিৱহে তাৰ একমাত্ৰ পুৰুষদৰ্শক আছিল। শিৱই উভতি গৈ পাৰ্ব্বতীৰ আগত ইয়াৰ যি বৰ্ণনা দাঙি ধৰিলে, তাৰ পৰাই ইয়াক চাবলৈ পাৰ্ব্বতীৰ মন উদ্বাউল হৈ উঠিল। সেই নৃত্যৰ পুনৰ অনুষ্ঠান কৰিবলৈ তেওঁ শিৱক নেৰোপানি হৈ খাটনি ধৰিলে। পাৰ্ব্বতীৰ জয়দেউ কাকূতি এৰাব নোৱাৰি শিৱই নিজেই ইয়াৰ পুনৰ অনুষ্ঠান কৰিলে; কিন্তু কৈলাসত নহয়—মণিপুৰত। সেয়েহে আজিও মহা পয়োভৰেৰে মণিপুৰত ৰাসলীলা পালন কৰা হয়।

নাটা-নৃত্য, কলা আৰু সঙ্গীতপ্ৰিয় মণিপুৰীসকলৰ কাৰণে ৰাসলীলা

একমাত্ৰ এটি আমোদ উৎসৱেই নহয়, ইয়াৰ সৈতে তেওঁবিলাকৰ ধৰ্ম্ম-বিশ্বাসো জড়িত আছে। ভাৰতৰ প্ৰধান প্ৰধান নৃত্যৰ ভিতৰত মণিপুৰৰ এই নৃত্যইও স্থান অধিকাৰ কৰিছে।

মণিপুৰৰ ৰাসলীলা উৎসৱ চাৰি ভাগত ভগোৱা হয়। সেই কেইটা হৈছে ঃ—কুঞ্জ ৰাস, বসন্তৰাস, নৃত্যৰাস আৰু মহাৰাস। এই আটাই কেইবিধ ৰাসৰ ভিতৰত মহাৰাসেই অতি পয়োভৰ আৰু আড়ম্বৰপূৰ্ণভাবে পালন কৰা হয়। প্ৰতি বছৰ কাতিৰ পূৰ্ণিমাৰ দিনাই মহাৰাস পতা হয়। মণিপুৰীসকলে তেওঁবিলাকৰ এই নৃত্যক বৃন্দাবনত ৰাধা-কৃষ্ণই নচা মূল ৰাসনৃত্যৰ সৈতে প্ৰায় একে বুলিয়েই দাবী কৰে।

মণিপুৰৰ প্ৰত্যেক গাঁৱতে ৰাধা-কৃষ্ণৰ একোটা মন্দিৰ আছে। প্ৰত্যেক মন্দিৰতে ৰাসলীলাৰ নৃত্যৰ কাৰণে একোটাকৈ মঞ্চ আছে। এই নৃত্যত যিসকলে ভাগ লব, তেওঁবিলাকৰ প্ৰত্যেকেই উৎসৱৰ দিনা ৰাতিপুৱাৰ পৰা ব্ৰত পালন কৰে। যি চুগৰাকী নৰ্ত্তকীয়ে ৰাধা আৰু কৃষ্ণৰ ভাও দিব, তেওঁবিলাকক গধূলি বেলিকা পূজা কৰা হয় আৰু তাৰ পিছত তেওঁবিলাকক 'ভোগ' দিয়া হয়। ইয়াৰ পিছতে আৰম্ভ হয় বাদ্য-যন্ত্ৰবিলাকৰ পূজা আৰু কীৰ্ত্তনপাঠ। কীৰ্ত্তনপাঠৰ আগতে গীতগোবিন্দ কল্পতৰু, গোবিন্দ লীলামৃত আদি শাস্ত্ৰ পাঠ কৰা হয়।

নৃত্য আৰম্ভ হোৱাৰ আগতে পিঠাগুৰি ছটিয়াই মঞ্চ পবিত্ৰ কৰি লোৱা হয়। তাৰ পিছতে নৰ্ত্তকীসকলে দক্ষিণা আদিৰে নৃত্যগুৰুক ভক্তি-অভিবাদন জনায়। ইয়াৰ পিছতে সূত্ৰধাৰীয়ে নৃত্যৰ প্ৰত্যেক চৰিত্ৰকে দৰ্শক-সকলক পৰিচয় কৰি দিয়ে আৰু নাট্যৰ সকলো দৃশ্যৰ একোটা বৰ্ণনা দিয়ে।

খোল-মৃদং, বাঁহী আৰু টোকাৰীৰ সমলয়ত হোৱা এলানি নৃত্যৰে সৈতে গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত ভগৱান কৃষ্ণ আৰু ৰাধিকাক প্ৰণতি জনোৱাৰ পিছত মূল নৃত্য আৰম্ভ হয়। এই প্ৰণতি জনোৱা নৃত্যটোক বোলে 'ভাঙ্গি—পাৰেং'। নৃত্য-নাট্যৰ আন কেইবিধ নৃত্যৰ নাম হল 'খুকম্ পাৰেং' আৰু 'ব্ৰিন্নাম্ পাৰেং'। ইয়াৰ বাহিৰেও আৰু কেইবিধমান নৃত্য আছে যেনে ঃ—'গোষ্ঠ-পাৰেং' আৰু 'গোষ্ঠ বৃন্দাবন পাৰেং'।

আগদিনাৰ নিশাৰ পৰা পিছদিনাৰ পুৱালৈকে এই ৰাসলীলা উৎসৱ চলে। ৰাধা আৰু কৃষ্ণৰ ভাও লোৱা নৰ্ত্তকী দুজনীৰ প্ৰতি যথেষ্ট ভক্তি প্ৰদৰ্শন কৰা হয়। নৃত্যনাট্যৰ শেষত দৰ্শকৰ প্ৰত্যেকে তেওঁবিলাকৰ আশীৰ্ব্বাদ পাবৰ কাৰণে তেওঁবিলাকৰ আগত মূৰ দোঁৱায়।

মণিপুৰৰ ৰজা মহাৰাজ জয়সিংহই (১৭৫৯-৯৮) প্ৰথমে ৰাসনৃত্যক ৰাজকীয়ভাবে পৃষ্ঠপোষকতা কৰে। ৰাসলীলাক জনপ্ৰিয় কৰি তুলিবলৈ ইম্ফলত তেওঁ গোবিন্দজী মন্দিৰ সজাই দিয়ে। ৰাজকীয় পৃষ্ঠপোষকতাত হোৱা প্ৰথম ৰাসলীলাতে মহাৰাজ জয়সিংহৰ পুত্ৰী ছেইজা লাইৰোইবোৱে (ৰাজকুমাৰী বিম্বাৱতীয়ে) ৰাধাৰ নৃত্যৰ ভূমিকা গ্ৰহণ কৰিছিল।

# বৰপেটাৰ কীৰ্ত্তন আৰু দেউল

## কীৰ্ত্তন

উজনিৰ কমলাবাৰী, নগাৱৰ বৰদোৱা, কামৰূপৰ বৰপেটা আৰু কোচবিহাৰৰ মধুপুৰ এই চাৰিখনেই প্ৰধান মহাপুৰুষীয়া সত্ৰ। ইয়াৰ ভিতৰত বৰপেটা কেন্দ্ৰীয় সত্ৰ। বৰপেটা সত্ৰক দুজনা গুৰুৰ ( শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ ) থান বোলা হয়। কিয়নো এই সত্ৰত গুৰু দুজনাই নিজ হাতে জ্বলোৱা বন্তি এতিয়াও জ্বলি আছে। ইয়াকেই অক্ষয়বন্তি বোলা হয়। মহাপুৰুষীয়াসকলৰ মানত বৰপেটা সত্ৰ 'মথুৰাপুৰী'— দ্বিতীয় বৈকুণ্ঠ। এই ঠাইত দেহত্যাগ কৰিলে মৃতকৰ আত্মা স্বৰ্গবাসী হয় বুলি মহাপুৰুষীয়াসকলৰ বিশ্বাস। 'নিজৰা'ৰ কৰিয়ে গাইছে ঃ—

অসমৰ কাশীপুৰী দ্বাৰকা মথুৰাপুৰী  
অসমৰ বৰপেটাধাম।  
চাই যোৱা বাটকৰা, পৰাণ জুৰাই যোৱা  
শুনি যোৱা হৰিগুণ নাম॥  
আকাশত হৰিনাম, বতাহত হৰিনাম,  
হৰিনাম শিশুৰ মুখত।  
নাৱে নাৱে হৰিনাম, ই যেন বৈকুণ্ঠধাম  
হৰিনাম বঠাৰ কোবত॥

অসমৰ বিশুদ্ধ একশৰণ ধৰ্ম্মৰ প্ৰতিষ্ঠাতা আৰু প্ৰচাৰক মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে, তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ আৰু অন্যান্য শিষ্যবৰ্গৰে সৈতে উজনিৰ ধুৱাহাটৰ ( বৰ্ত্তমান বেলগুৰি সত্ৰ ) পৰা ধৰ্ম্মপ্ৰচাৰৰ উপযুক্ত ঠাই বিচাৰি বৰপেটা আহি পায়। শ্ৰীশঙ্কৰদেৱে বৰপেটাৰ অন্তৰ্গত চুণপোৰা ঠাইত চাৰিটি শুভলক্ষণ দেখা পাই সেই ঠাইতে থাকিবলৈ লয়। এই চাৰিটি শুভলক্ষণ হৈছে—(১) বন নাগেশ্বৰ

(২) কৃষ্ণসাড় হৰিণ (৩) বৈষ্ণৱ ব্ৰাহ্মণ আৰু (৪) হৰিভক্তি-পৰায়ণ লোক। চুণপোৰাত ছমাহমান থাকি মহাপুৰুষে কুমাৰকুঁছিলৈ যায় আৰু তাৰ পিছত পাটবাউসীত প্ৰায় ওঠৰ বছৰ ছমাহ বাস কৰে।

পাটবাউসীত থকা সময়তে কোচ ৰজা নৰনাৰায়ণৰ অনুৰোধত শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, মথুৰাদাস বুঢ়া আতা আৰু তাঁতীকুঁছিৰ গোবিন্দ তাঁতীৰ সহায়ত পাট আৰু আঁচুসূতাৰে বৰ্ত্তমান কীৰ্ত্তনঘৰৰ ভেটিত ১২০ হাত দীঘল আৰু ৬০ হাত পুতলৰ বৃন্দাবনী কাপোৰ বয়। এই কাপোৰত ফুলেৰে সাত বৈকুণ্ঠ আৰু বৃন্দাবনৰ লীলা তোলাই দিছিল। এই ঠাই ডোখৰত হেনো এটি ডাঙৰ পীঠ (সংস্কৃত টোল) আছিল আৰু এই পীঠতে গোপাল আতাই (পিছত মথুৰাদাস বুঢ়া আতা) সংস্কৃত অধ্যয়ন কৰিছিল। এই বৰপীঠৰ পৰাই বৰপেটা নাম হোৱা বুলি অনুমান হয়। মাধৱদেৱে এই ঠাইডোখৰতে সককৈ এটি ধুনীয়া কীৰ্ত্তনঘৰ সজায়। এই কীৰ্ত্তনঘৰটো নানা ৰঙেৰে কাৰুকাৰ্য্য কৰা আছিল কাৰণে এই ঘৰটোক ৰঙিয়াল গৃহ বোলা হয়। ৰঙিয়াল গৃহটো পুৰি যোৱাত বৃন্দাবনী কাপোৰ বোৱা ঠাইডোখৰৰ ওপৰত মথুৰাদাস বুঢ়া আতাই ১২০ হাত দীঘলৰ আৰু ৬০ হাত পুতলৰ এটি ডাঙৰ কীৰ্ত্তনঘৰ সজায়। এয়েই বৰপেটাৰ বৰ্ত্তমান কীৰ্ত্তনঘৰৰ প্ৰাৰম্ভণি। বৰ্ত্তমানে থকা কীৰ্ত্তনঘৰটো সজাৰৰ এশ বছৰৰো ওপৰ হৈছে। এতিয়া এই কীৰ্ত্তনঘৰটো পুনৰ নতুনকৈ সজা হব ধৰিছে। আহোম ৰজা স্বৰ্গদেৱ শিৱসিংহই এই সত্ৰৰ ভৰণ-পোষণৰ উদ্দেশ্যে বহুতো মাটি দান কৰে। এই মাটি বৰপেটাৰ ৰাইজে আজিও ভোগদখল কৰি আছে। কোচৰজা নৰনাৰায়ণে সত্ৰৰ কাৰণে ভেলেঙি বিল আৰু সাতখন গাঁও দান কৰিছিল। কোচৰজা ৰঘুৰায়ে এই সত্ৰত সেৱা জনাবলৈ আহোঁতে শ্ৰীকৃষ্ণৰ সোণৰ মূৰ্ত্তি দান কৰে। কীৰ্ত্তন-ঘৰৰ মণিকূটৰ ভিতৰত এই মূৰ্ত্তিৰ দৈনন্দিন পূজা আজিও চলি আছে।

দৰাচলতে মথুৰাদাস বুঢ়া আতাই এই সত্ৰৰ খাই প্ৰতিষ্ঠাতা। এইজনা বুঢ়া আতাই বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ হৈ সত্ৰৰ সেৱা-কৰ্ম্ম চলোৱাৰ নীতি-নিয়মবোৰ প্ৰচলন কৰি যায়। মহাপুৰুষীয়া ধৰ্ম্মৰ

তিনিওজনা গুৰুৱাল শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ আৰু মথুৰাদাস বুঢ়া আতাই তেখেতসকলৰ গৌৰৱময় জীৱনৰ শেষ কালাখিনি বৰপেটাতে কটাই একশৰণ নাম-ধৰ্ম্ম প্ৰচাৰ কৰি যাউতিযুগীয়াকৈ থৈ যায়।* সেয়েহে বৰপেটাৰ ৰাইজে এই তিনিওজনা মহাপুৰুষৰ তিৰোভাৱ মহোৎসৱ অতি সমাৰোহেৰে আৰু ভক্তিভাবে পালন কৰে। এই তিৰোভাৱ মহোৎসৱক 'কীৰ্ত্তন' বোলা হয়। প্ৰত্যেকটো কীৰ্ত্তন কেবাদিন ধৰি পালন কৰা হয়। মূল তিথিৰ দিনটোক 'সভা' আৰু তাৰ আগৰ দিনটোক 'গোন্ধ' বোলা হয়।

## শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন

১৪৯০ শকৰ ভাদৰ একৈছ দিন যাওঁতে শুক্লা দ্বিতীয়া তিথিত বৃহস্পতিবাৰে কোচবিহাৰৰ কাকতকুটাত ১১৯ বছৰ বয়সত শ্ৰীশ্ৰীশঙ্কৰদেৱে বৈকুণ্ঠপ্ৰয়াণ কৰে। সেই সময়ত মাধৱদেৱ মহাপুৰুষ বৰপেটাত আৰু শ্ৰীশঙ্কৰদেৱৰ পত্নী আইগোসাঁনী পাটবাউসীত আছিল। এই শোকৰ বাতৰি মাধৱদেৱে সাত দিন পিছত জানিব পাৰি তেতিয়াই পাটবাউসীলৈ

* বেজবৰুৱা ডাঙৰীয়াই 'বাঁহী'ত লিখি থৈ গৈছে—"মহাপুৰুষীয়া ধৰ্ম্মত কোচবেহাৰৰে সৈতে অসমক তিনি ৰাজ্যত তিনি ভাগ কৰা হৈছে। এই তিনি ৰাজ্যৰ তিনিখন প্ৰধান থান। বেহাৰত মধুপুৰ থান, কামৰূপত বৰপেটা থান, উজানত কমলাবাৰী থান। এই বিভাগ মহাপুৰুষ মাধৱদেৱে কৰে। তেওঁ বৰপেটা এৰি কোচবেহাৰৰ ভেলাত থকাৰ কিছু দিনৰ পিছত বৰপেটা থানৰ বৰঙিয়াল ঘৰটো জুই লাগি পোৰে। মথুৰাদাস বা বুঢ়া আতাৰ হাতত বৰপেটা থানৰ ভাৰ আছিল। বুঢ়া আতাই ভেলালৈ গৈ মাধৱদেৱক সেই বাতৰি দি আৰু পোৰা বৰপেটা থানলৈ উভতি নাহি মাধৱদেৱৰ লগতে থাকিবৰ ইচ্ছা প্ৰকাশ কৰিলত, মাধৱদেৱে তেওঁক বৰপেটালৈ উভতি গৈ থানৰ নামঘৰ, মণিকূট, হাটীবাটী প্ৰভৃতি কৰি বস্তিগছি জ্বলাই থাকিবলৈ আজ্ঞা দি কলে—'শুনা মথুৰাদাস! বৰপেটা থান মোৰ মথুৰা নগৰ। তোমাক সেই বৰপেটা মথুৰা নগৰৰ মই যুৱৰাজ পাতিলোঁ। সেই থানৰ প্ৰভাৱ আকৌ জ্বলি উঠিব। সকলোৱে তোমাক কৰভাৰ যোগাব। উজনি খণ্ড এজন বিশিষ্ট লোকৰ নিমিত্তে থলোঁ আৰু বেহাৰ এই বুঢ়াগোটলৈকে ৰাখিলোঁ—' অৰ্থাৎ তেওঁ নিজলৈ ৰাখিলে। এই বুলি মাধৱদেৱে নিৰ্ম্মালি-বস্ত্ৰ দি মথুৰাদাসৰ অভিষেক কৰি, ছুটকা ৰূপ তেওঁক দি কলে—'মইও এৰা কৰ বৰপেটা থানলৈ দিলোঁ।' মথুৰা দাসে গুৰুৰ বাক্য মতে উভতি আহি বৰপেটা সত্ৰ পুনৰবাৰ পাতিলে। তেতিয়াৰে পৰা বৰপেটাৰ পয়োভৰ।'—সম্পাদক

গৈ আইগোসাঁনীক শোকৰ বতৰা দিয়েগৈ। এই মৰ্ম্মন্তুদ বাতৰি পাই মাধৱদেৱে তলত লিখা বৰগীতটো ৰচনা কৰি গায়—

"আলো মঞি কি কহবো দুখ।
পৰাণ নিগড়ে নেদেখিয়া চান্দমুখ॥"

মহাপুৰুষৰ বৈকুণ্ঠপ্ৰয়াণৰ বাতৰি সাত দিনৰ পিছত বৰপেটা সত্ৰ পাইছিলহি কাৰণে বৰপেটা সত্ৰত এই উৎসৱ সাতদিন ধৰি পালন কৰা হয়। ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিৰ আগৰ একাদশীৰ দিনা এই কীৰ্ত্তন স্থাপন কৰা হয় আৰু সেই দিনাৰ পৰা শুক্লা দ্বিতীয়ালৈ সাতদিন দিনেৰাতিয়ে অবিচ্ছিন্নভাবে কীৰ্ত্তনঘৰত নামপ্ৰসঙ্গ চলি থাকে। মহাপুৰুষীয়া সত্ৰৰ চৈধ্যটি প্ৰসঙ্গৰ উপৰিও এই কীৰ্ত্তনৰ সময়ত কেইটিমান বিশেষ পদ্ধতিৰে হৰিনাম কীৰ্ত্তন কৰা হয়। যেনে গোন্ধৰ দিনা ৰাতি শ্ৰীশঙ্কৰদেৱৰ ৰচিত 'কালীয় দমন' নাট, সভাৰ দিনা দুপৰীয়া মাধৱদেৱৰ 'ভোজন-বিহাৰ' আৰু ৰাতি শ্ৰীশঙ্কৰদেৱৰ 'সীতা-স্বয়ম্বৰ' নাট ভাওনা কৰা হয়। এই দুদিন ভকতসকলে ৰাতি কীৰ্ত্তনঘৰৰ ভিতৰত থকা বৰ-গছাবোৰ জ্বলায়। সভাৰ দিনা উৎসৱৰ ভিতৰত নাওখেল আৰু কৰতাৰ উল্লেখযোগ্য।

## মাধৱদেৱৰ কীৰ্ত্তন

শ্ৰীশঙ্কৰদেৱৰ প্ৰিয়তম যোগ্য শিষ্য আৰু মহাপুৰুষীয়া একশৰণ ধৰ্ম্মৰ খাই প্ৰচাৰক শ্ৰীমাধৱদেৱে ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণা পঞ্চমীত কোচবিহাৰৰ ওচৰত ভেলা সত্ৰত ১০৭ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। এইজনা মহাপুৰুষৰ বৈকুণ্ঠপ্ৰয়াণৰ বতৰা দহদিনৰ পিছত বৰপেটা পায়হি। সেই কাৰণে এই কীৰ্ত্তন দহদিন ধৰি পালন কৰা হয়। উক্ত তিথিৰ আগৰ একাদশীত অথবা দশমীত এই কীৰ্ত্তন স্থাপন কৰা হয়। মুঠতে উক্ত পঞ্চমীলৈ দহ দিন হব লাগে। এই দহ দিন অহৰহ একেৰাহে কীৰ্ত্তনঘৰত নামকীৰ্ত্তন চলি থাকে। বেলেগ বেলেগ কীৰ্ত্তনত বেলেগ বেলেগ ঘোষা, যুগল আদি গোৱাৰ নিয়ম আছে। গোন্ধৰ দিনা ৰাতি কীৰ্ত্তনঘৰৰ ভিতৰত থকা বৰগছাবোৰ জ্বলোৱা হয় আৰু শ্ৰীশঙ্কৰদেৱ

ৰচিত 'ৰুক্মিণী-হৰণ' নাট ভাওনা কৰা হয়। সভাৰ দিনা নাম-কীৰ্ত্তনৰ পিছত 'ভোজন-বিহাৰ', আবেলি নাওখেল আৰু কৰভাৰ উৎসৱ হয়। সেই দিনা ৰাতি বৰ গছাবোৰ জ্বলোৱা হয় আৰু শ্ৰীশঙ্কৰদেৱৰ 'পাৰিজাত-হৰণ' নাট ভাওনা কৰা হয়।

## বুঢ়া আতাৰ কীৰ্ত্তন

মহাপুৰুষ মাধৱদেৱে অন্তিম কালত তেখেতৰ প্ৰিয় শিষ্য মথুৰাদাস বুঢ়া আতাক তিনিও ৰাজ্যৰ ( উজনিৰ কমলাবাৰী, মধ্যত বৰপেটা আৰু ভাটীত মধুপুৰ ) ভাৰ দি মহাপুৰুষীয়া ধৰ্ম্মৰ ঘাই প্ৰচাৰক পাতি থৈ যায়। এইজনা বুঢ়া আতাৰ জন্ম আৰু মৃত্যু বৰপেটাতে হৈছিল। এওঁৱেই বৰ্ত্তমান আকাৰত বৰপেটাৰ কীৰ্ত্তনঘৰ পোনপ্ৰথমে আৰম্ভ কৰে আৰু বৰপেটা সত্ৰৰ প্ৰথম সত্ৰাধিকাৰ হৈ সত্ৰৰ সেৱা-কৰ্ম্ম সুচাৰুৰূপে চলাবলৈ নিয়ম-পদ্ধতিবোৰ পৰিপাটি কৰি থৈ যায়। সেই কাৰণে বৰপেটাৰ ৰাইজৰ মানত এইজনা বুঢ়া আতাৰ স্থান দুজনা মহাপুৰুষৰ পাছতেই। এই জনা মহাপুৰুষৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবৰ উদ্দেশ্যে তেওঁৰ তিৰোভাৱ মহোৎসৱ এই সত্ৰত পাঁচদিন ধৰি পালন কৰা হয়।

"আহিন মাহৰ কৃষ্ণ চতুৰ্থী মিলিল।
মঠ জুৰি বুঢ়া আতা কণ্ঠত বহিল॥
গুৰুক স্মৰিয়া আতা ৰাম নাম লৈলা।
নৰলীলা সম্বৰিয়া বৈকুণ্ঠক গৈলা॥"

সেয়েহে বুঢ়া আতাৰ কীৰ্ত্তন আহিন মাহৰ কৃষ্ণা-চতুৰ্থীত পৰে। এই তিথিৰ আগৰ পূৰ্ণিমাত আৰম্ভ কৰি পাঁচ দিন যথাবিহিতভাবে নামকীৰ্ত্তন কৰি কৃষ্ণা-চতুৰ্থীৰ দিনা অন্ত কৰা হয়। গোধৰ দিনা ৰাতি দৈত্যাৰি ঠাকুৰৰ 'নৃসিংহ-যাত্ৰা' আৰু সভাৰ ৰাতি ৰামচৰণ ঠাকুৰ আতাৰ 'কংস-বধ' নাট ভাওনা কৰা হয়। সভাৰ দিনা নাম-কীৰ্ত্তনৰ পিছত দুপৰীয়া 'ভোজনবিহাৰ' ভাওনা, আবেলি নাওখেল আৰু কৰভাৰ উৎসৱ হয়।

এই প্ৰসঙ্গতে এটি কথা উল্লেখিয়াই থোৱা উচিত হব যে মহাপুৰুষীয়া ধৰ্ম্মৰ গুৰুসকলৰ তিৰোভাৱ তিথিহে সমাৰোহেৰে আৰু ভক্তিপূৰ্ণভাবে

পালন কৰা হয়। সেই কাৰণে উক্ত উৎসৱক তিথিৰ মহোৎসৱ বোলা হয়। আজিকালি অৱশ্যে শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ জন্মতিথিও পালন কৰা হয়।

## নাওখেল

বৰপেটাৰ তিনিও কীৰ্ত্তনত নাওখেল এটি ডাঙৰ উৎসৱ। এই খেল চাই লৰাৰ পৰা বুঢ়ালৈকে সকলোৱে আনন্দ লাভ কৰে। বিদেশীসকলে তাতোকৈ বেছি আনন্দ পায়। কিয়নো এনে ধৰণৰ ধুনীয়া নাও আৰু নাওৰ খেল আন ঠাইত কমেইহে দেখিবলৈ পোৱা যায়। এই কীৰ্ত্তন তিনিওটা বাৰিষা কালত হোৱা বাবে সময়টো নাওখেলৰ কাৰণে বৰ উপযোগী হৈ পৰে। কীৰ্ত্তনঘৰৰ কাষেদি এটি জান বৈ গৈছে। সেই জানটোত সকসুৰা নাওৰ খেল পতা হয়। ডাঙৰ প্ৰতিযোগিতাবোৰ বৰপেটা চহৰৰ উত্তৰেদি বৈ যোৱা মৰানদীত হয়। পাৰত থাকি নাওখেল চাবলৈ বৰ সুবিধা। বৰপেটা চহৰ চাৰিওফালে নৈ আৰু বিলেৰে পৰিপূৰ্ণ। আগৰ দিনত বৰপেটাৰ দাঁতিকাষৰীয়া গাঁৱৰ ভকতসকলে কীৰ্ত্তন চাবলৈ নাৱেৰে আহিব লাগিছিল। কীৰ্ত্তনৰ সভাৰ দিনাৰ কৰভাৰৰ কাৰণে তেওঁলোকে পদুম ফুল, পদুমৰ পাত, ঔ টেঙা, কোমোৰা, চাউল আদি লগত আনিছিল। তেনেকৈ বৰপেটাৰ ভকতসকলেও নাও খেলি গৈ গাঁৱৰ পৰা উক্ত বস্তুবোৰ লৈ আহিছিল। এয়েই নাওখেলৰ উৎপত্তি। 'ছিল্ড' আৰু 'কাপ'ৰ প্ৰতিযোগিতাবোৰ পিছৰ কালত হয়। নাওখেলৰ কাৰণে কিছুমান বেলেগ ধৰণৰ নাও থাকে। এইবোৰক খেলনাও বোলা হয়। ধনী লোকসকলেহে খেলনাও সজাব পাৰে কিয়নো এই নাৱৰ লগত বহুত খৰচ হয়। এই নাওবোৰ সুদক্ষ সূতাৰৰ হতুৱাই বিশেষ যত্ন সহকাৰে অতি ধুনীয়াকৈ সজোৱা হয়। নাও যিমানেই নিখুঁত হয় সিমানেই বেগী হয়। খেলুৱৈসকলৰ দক্ষতাতো লাগিবই। এই নাওবোৰৰ গাত লতা, ফুল আদি কটা হয়। নাওৰ আগফালে ময়ূৰপংখী আৰু গুৰিৰ ফালে মগৰৰ চিত্ৰও অঙ্কিত কৰা হয়। এইবোৰ আকৌ নানা ৰঙেৰে ৰং কৰা হয়।

এই নাওৰ নিৰ্ম্মাণ কাৰ্য্যই অসমীয়া চিত্ৰশিল্প আৰু সূতাৰৰ দক্ষতাৰ চিনাকি দিয়ে। নাওখেলৰ গীতবোৰ অসমীয়া লোকগীতৰ এটি বিশিষ্ট অঙ্গ।

তলত দুটিমান নাওখেলৰ গীতৰ চানেকী দিয়া হল—

( ১ )

ঘোষা : কন্যা ফুলেশ্বৰী এ
ফুলৰে ঘন ঘন পাহি
কি এহে ফুলে চমৎকাৰ ॥

ইয়াৰ পিছত বাৰমাহী পদ দিয়া হয়।

( ২ )

অ' মোৰ মলুৱা ৰে
মোৰে মলুৱাক কোনে মাৰিলা
হায় মোৰ মলুৱা ৰে।
কাপাহ কাপাহ কৰে তাই।
কাপাহ আনি দিলোঁ মই ॥
কাপাহত ধৰি ধৰি কান্দে—
মোৰ মলুৱা ৰে ॥ ইত্যাদি

( ৩ )

ঘোষা : অৰ্জ্জুনৰ ৰথৰ সাৰথি নাৰায়ণ
হৰি এ এহে ৰাম।

ইয়াৰ পিছত খাপ খুৱাই কীৰ্ত্তন ঘোষাৰ পদ দিয়া হয়।

**কৰভাৰ**

বৌদ্ধ ভিক্ষুসকলৰ দৰে মহাপুৰুষীয়া ধৰ্ম্মৰ উদাসীন ভকতসকলেও ভিক্ষা কৰি যি সামান্য আহাৰ পাইছিল তাৰেই পেট প্ৰৱৰ্ত্তাইছিল। এই প্ৰথা আজিও সত্ৰৰ উদাসীন ভকতসকলৰ মাজত প্ৰচলিত আছে। দুজনা গুৰুৰ পৰমভক্ত শ্ৰীৰাম আতাই এনেদৰে ভিক্ষা কৰি কিছু চাউল আৰু লোণ সঞ্চয় কৰিছিল। অৱশেষত এই সাঁচত বস্তুখিনি আন আন ভকতসকলৰ মাজত তেৱাই ভগাই দিছিল। এয়েই কৰভাৰৰ

আদি কথা। এইটোকে অনুকৰণ কৰি পিছৰ কালত বৃন্দাবনহাটীৰ ভকতসকলে শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তনত, দক্ষিণহাটীৰ ভকতসকলে শ্ৰীমাধৱদেৱৰ কীৰ্ত্তনত আৰু নহাটীৰ ভকতসকলে মথুৰাদাস বুঢ়া আতাৰ কীৰ্ত্তনত গুৰুকৰ দিয়ে। এই গুৰুকৰত চাউল, লোণ, মিঠাতেল, আলু, ক্ৰোমোৰা, ঔ টেঙা, জালুক আদি থাকে। ভকতসকলে নাম-কীৰ্ত্তন কৰি খোল, তাল বজাই কান্ধত ভাৰ বৈ এই গুৰুকৰ কীৰ্ত্তনঘৰলৈ লৈ যায়। সেই কাৰণে ইয়াক কৰভাৰ বোলে। বৰপেটাবাসী সত্ৰৰ ভকতসকলে কীৰ্ত্তনঘৰত 'ভাগ লোৱা' বুলি এটি প্ৰথা আছে। ঘৰে প্ৰতি এটি অথবা তাতোকৈ বেছি ভাগ লব পাৰে। এই ভাগৰ কাৰণে প্ৰতি ঘৰে কীৰ্ত্তনঘৰত তিনিও কীৰ্ত্তনত চাউল আদি দিব লাগে। এই চাউলবোৰ কীৰ্ত্তনঘৰৰ ভড়ালত ৰখা হয়। কীৰ্ত্তনৰ সময়ত হাটীৰ ভকতে কৰভাৰত লৈ অহা খাদ্য-দ্ৰব্যৰ লগত কীৰ্ত্তনঘৰৰ পৰা যথা পৰিমাণে চাউল লগ লগাই ভকতসকলৰ মাজত ভাগ হিচাপে ভগাই দিয়া হয়। ইয়াকে 'চাউলভোজনি' বোলে। ভকতসকলে এই চাউলভোজনিক পবিত্ৰ বস্তু বুলি ধৰি লয়।

## ভোজনবিহাৰ

শ্ৰীকৃষ্ণই ব্ৰজৰ বালক সখিসকলৰ লগত গৰু চৰাই ফুৰোঁতে সকলোৱে মিলি এদিন বনভোজ খাইছিল। ভাগৱতৰ পৰা এই আখ্যানটোকে লৈ মাধৱদেৱে ভোজনবিহাৰ ঝুমুৰা নামৰ অঙ্কীয়া নাট ৰচনা কৰে। বৰপেটা সত্ৰত তিনিও কীৰ্ত্তনতে দুপৰীয়া এই ভোজনবিহাৰ ঝুমুৰা ভাওনা কৰা হয়। শ্ৰীকৃষ্ণৰ বৃন্দাবনৰ লীলাখেলা অনুসৰণ কৰি এই উৎসৱ কৰা হয়। ভাওনাৰ শ্ৰীকৃষ্ণই সখিসকলৰ লগত যেতিয়া মণিকূটৰ পৰা ওলাই আহে তেতিয়া সত্ৰাধিকাৰসকলেও নিজৰ নিজৰ বহা আসনৰ পৰা উঠি শ্ৰীকৃষ্ণক সেৱা জনায়। ভাওনাৰ শেষত ভোজন বিতৰণ কৰা হয়। এই ভোজনত থাকে জহাচাউল, কল, দধি, দুগ্ধ, ঘৃত আৰু মধু। ভকতসকলে ইয়াক ভগৱানৰ নিৰ্মালি বুলিয়ে গ্ৰহণ কৰে।

## দেউল

### কীৰ্ত্তনঘৰ

স্বৰ্গীয় ৰজনীকান্ত বৰদলৈদেৱে তেওঁৰ 'মনোমতী'ত লিখিছে বোলে বৰপেটাৰ কীৰ্ত্তনঘৰটোৰ নিচিনা ডাঙৰ কীৰ্ত্তনঘৰ অসমৰ কোনো ঠাইতে নাই। কীৰ্ত্তনঘৰৰ বাটচ'ৰাটোৰ বাহিৰে প্ৰথমে আটাইবোৰ ঘৰ খেৰৰ আছিল। বাটচ'ৰাটোহে অকল পকী আছিল। কীৰ্ত্তনঘৰৰ চালবোৰ খেৰৰ, খুটাবোৰ তুলসীৰ আছিল বুলি শুনা যায়। প্ৰকাণ্ড প্ৰকাণ্ড খুটাবোৰ আজিও দেখিলে বিস্ময় মানিব লাগে। কোন সেই অজান দেশৰ কোন ঠাইত বা এই খুটাবোৰৰ গছবোৰ জন্মিছিল, কোন খনিকৰে বা ইয়াক নিখুঁতকৈ কাটিছিল, কোনেবা ইয়ালৈ আনিছিল এইবোৰ কথা ভাবিলে আচৰিত হব লাগে। সৰুতে ককাদেউতাৰ মুখত শুনিছিলো— এদিনাখন বোলে স্বয়ং কলীয়া ঠাকুৰে জগতগুৰুক সপোন দেখুৱায় যে ইয়াত এটা ডাঙৰ কীৰ্ত্তনঘৰ সাজি অসমত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিব লাগে। সেইহে হবলা এদিন এই প্ৰকাণ্ড খুটাবোৰ কোনো অজান দেশৰ পৰা আহি কীৰ্ত্তনঘৰৰ খাটখৰিত লাগি ৰয়। বৰপেটাৰ সমূহ ভকতে হেনো তাল, খোল, মৃদঙ্গ বজাই এই খুটাবোৰ তাৰ পৰা তুলি আনি স্থকলমে কীৰ্ত্তনঘৰটো সাজে।

স্বৰ্গদেৱ শিৱসিংহৰ দিনত তেওঁ হেনো সত্ৰৰ ঠাইডোখৰ বৰপেটাৰ সমূহ ভকতক দান কৰে। বৰ্ত্তমান সত্ৰৰ ঠাইডোখৰ প্ৰায় চাৰিপুৰা মাটিৰ ইটাৰ গড় এটাৰে আবৃত হৈ আছে। মুঠতে গড়টোত দুৱাৰমুখ চাৰিখন। পশ্চিমফালে বাটঘৰটো। এইখনেই কীৰ্ত্তনঘৰৰ মাই দুৱাৰমুখ বা সিংহদুৱাৰ। আগতে এই বাটঘৰটো সাধাৰণ পকীঘৰ আছিল, পিছে দৈবদুৰ্বিপাকত ১৮৯৭ চনৰ বৰভূঁইকঁপত বাটঘৰটো হবহৰকৈ খঁহি পৰে। এতিয়া তাক আধুনিক ধৰণেৰে ৰমকজমককৈ সজোৱা হৈছে। বাট-ঘৰত প্ৰৱেশ কৰিলেই সন্মুখত চকুত পৰে বৃহৎ কায়ৰ প্ৰকাণ্ড কীৰ্ত্তন-ঘৰটো। আগতেই কৈ আহিছোঁ ই প্ৰথমে খেৰৰ আছিল, পিছত মানে অসম আক্ৰমণ কৰা সময়ত ই সম্পূৰ্ণৰূপে জুইত ভস্মীভূত হৈ যায়। ফলত

নতুন টিনৰ ঘৰৰ সৃষ্টি হয়। আজিকালি যদিও নতুনকৈ সাজিব ধৰিছে, সেই টিনৰ ঘৰৰ চিনচাব আজিও দেখিবলৈ পোৱা যায়। কীৰ্ত্তন ঘৰটোৰ তিনিফালে উত্তৰ, দক্ষিণ আৰু পশ্চিমফালে তিনিখন কাথি। কাথিৰ ওপৰৰ বেৰবিলাকৰ আধাডোখৰত ৰংবেৰংকৈ সজোৱা শ্ৰীকৃষ্ণৰ মূৰ্ত্তি আছে। কীৰ্ত্তনঘৰৰ দুৱাৰমুখ দুখন। দুয়োখন দুৱাৰতেই ৰূপৰ কাম কৰা। কীৰ্ত্তন-ঘৰৰ পূৱমূৰত গাতে গা লগাকৈ এটি ভাজঘৰ। ইয়াৰ ভিতৰত কলীয়া ঠাকুৰৰ মন্দিৰ। ভাজঘৰৰ পূৱে এটি ধুনীয়া চাংঘৰ। বিদেশৰ পৰা অহা যাত্ৰীসকলে এই চাংঘৰটোত জিৰণি লয়। চাংঘৰৰ উত্তৰে দক্ষিণে দুটা পূৱা-পশ্চিমা দালান ঘৰ। এটা বাহুলা আতাৰ মঠ, আনটো মথুৰা আতাৰ মঠ। কীৰ্ত্তনঘৰৰ উত্তৰফালে বাহুলা আতাৰ মঠৰ পশ্চিমফালে মহাপুৰুষ জগৎগুৰু শঙ্কৰদেৱৰ মঠটো। মঠৰ সন্মুখত সৰু ঘৰ এটিৰ ভিতৰত থকা নিৰ্ম্মল পানীৰ নাদ এটা। গড়ৰ উত্তৰ পশ্চিমে চকুত পৰে ফাকুৱাৰ দৌলটো। শুধ শুভ্ৰদৌলটোতে মুঠতে সাতোটা ঠাক। তলৰ ঠাক কেউটি বহা। কীৰ্ত্তনঘৰৰ পূৱ ফালে এটি কুণ্ড। বৰপেটাৰ মানুহে তাক 'খটখটি' বুলিয়েই পৰিচয় দিয়ে। আটাই কেইটা কীৰ্ত্তনতে এই কুণ্ডটোত নাওখেল খেলা হয়। কীৰ্ত্তনঘৰৰ উত্তৰ আৰু দক্ষিণ ফালে শাৰী পাতি থকা কেৰলীয়া আতৈতৰ অকণি অকণি বহাবোৰ। দক্ষিণ দুৱাৰৰ কাষতে অস্থায়ী চিকিৎসালয় ঘৰটো আৰু উত্তৰ ফালে অফিচ আৰু ভড়াল ঘৰটোও চকুত নপৰাকৈ নাথাকে। গোটেইটো গড়ৰ ভিতৰখনতে নাৰিকল আৰু বকুল গছেৰে পৰিপূৰ্ণ। ইমান ধুনীয়া দেখি, ভিতৰত প্ৰৱেশ কৰিলেই মনৰ দুখ-শোক সকলো যেন ম্লান হৈ যায়।

## গোন্ধ বা মেৰদাহ

দেউল-উৎসৱৰ প্ৰথম দিনাখনক গোন্ধ বোলে। গোন্ধৰ দিনাখন বিয়লিত বাহিৰে দিনৰ আন সময় সিমান উল্লেখযোগ্য নহয়। গধূলি হলে মহাপ্ৰভু কলীয়া ঠাকুৰে মেজি ফুৰাই ধুদুচাক পাবৰ আশাৰে দৌলত উঠে। গোসাঁয়ে মেজি ফুৰাই দৌলত উঠিব বুলি সেই দিনা

অৰ্থাৎ গোন্ধৰ দিনাখন মহাপ্ৰভুৰ প্ৰজাই ( যি ঠাইত দৌল উৎসৱ কৰিব সেই ঠাইৰ সকলো মানুহেই হল মহাপ্ৰভুৰ প্ৰজা ) পৱিত্ৰভাৱে পথাৰৰ পৰা ইকৰা-খাগৰি কাটি আনি কীৰ্ত্তনঘৰৰ সমুখত এটি বৃহৎ মেজি সাজে। আবেলিতে 'শালগ্ৰাম' আৰু 'দৌলগোৱিন্দ'ক কীৰ্ত্তনঘৰৰ পূৱদুৱাৰেদি উলিয়াই আনি এখন বৰশৰাইত থয়, ঘাইদুৱাৰেদি মহাপ্ৰভু কলীয়া ঠাকুৰকো আনি একেলগে থয়। তাতে যথাবিধিমতে পূজাপাতল কৰি গধূলি খোল, ঢোল, তাল, মৃদঙ্গ বজাই গায়নে-বায়নে সৈতে নানা বিধ খাৰ-বাৰুদ জ্বলাই গোটেই কীৰ্ত্তনঘৰৰ হাউলিটো ধুঁৱলিকুঁৱলি কৰি গোসাঁইক মেজি ফুৰাবলৈ নিয়া হয়। গোসাঁইৰ সমদলৰ পাছত হাজাৰ হাজাৰ মানুহৰ দলদোপ হেন্দোলদোপ। কি যে এক অপাৰ্থিব স্বৰ্গীয় দৃশ্যৰ সৃষ্টি হয়, তাক নেদেখাজনক বুজোৱা টান। মেজিৰ চাৰিওফালে গোসাঁইক খাটোলাত তুলি সমদল কৰি সাত বাৰ ঘূৰাই দৌলত স্থাপন কৰিবলৈ নিয়া হয়। প্ৰথম ঠাকৰ পৰা সপ্তম ঠাকলৈ সাত বাৰ ঘূৰাইহে গোসাঁইক দৌলত স্থাপন কৰা হয়।

## গোসাঁই দৌলত

প্ৰসঙ্গৰ নিয়মমতে গোসাঁই দৌলত থকাত সকলো কৃত্য দৌলৰ আগতহে কৰা হয়। আবেলি ঘোষা-কীৰ্ত্তন আৰু ব্যাস। ৰাতি গুণমালা, লীলামালা, ভটিমা আৰু সেৱা কীৰ্ত্তন কৰি ভাওনা কৰা হয়।

দেউলৰ প্ৰথম দিনা পুৱাৰ গীত আদি পঢ়া হলে শৰাই আঠখন পাতি বত্তি জ্বলাই প্ৰথমে নাম ডাকি 'গোপাল গোৱিন্দ হৰি ৰাম ৰাম' 'ৰাম নিৰঞ্জন' 'কিমতে ভকতি' এই বোৰ ক্ৰমে গাই ওৰেষাৰ ঘোষা 'ভাই ৰাম কহ ৰাম কহ ৰাম মন্ত্ৰ সাৰ' 'কমলাকান্ত কৰা কৃপা' এইটো গায়। তাৰ পিছত 'কৃষ্ণ মুৰাৰী ৰাম কৰোঁ পৰিয়া প্ৰণাম' এইটো ঘোষা লগাই কেইপদমান গোৱা হলে 'ভাই দেখো কমলাপতি দৌলৰ উপৰে' এইটো গীত ভাঙি দি পদবিলাক শেষ হলে পুনঃ ঘোষাৰ বাকী পদো গীততে গাই শেষ কৰি জয় দিয়ে।

দ্বিতীয় দিনা পুৱাৰ প্ৰসঙ্গত যুগল 'হৰি হৰি পৰমানন্দ প্ৰভু পীতাম্বৰ' 'হৰি করুণা সিন্ধু' এইটো গাই ওৰেষাৰ ঘোষা আগৰ দিনা গোৱাৰ পাছৰখিনি গায়। দিনত ঢুলীয়া, ওজাপালী, গায়ন-বায়নে নৃত্য কৰে। ৰাতি হলে হাটীৰ ফালৰ পৰা যাত্ৰাগান অভিনয় হয়। দূৰণিৰ পৰা অহা অনেক যাত্ৰীয়ে ৰাতি চাৰিদাৰ যাত্ৰাগান চায়েই কটাই দিয়ে। যাত্ৰীসকলক দেউলৰ সেই কেইদিন খাবলৈ সিধা দিয়া হয়, থাকিবলৈ ঘৰ দিয়া হয়, দৰবপাতিৰ বাবে এখন অস্থায়ী চিকিৎসালয় খোলা হয়। আলহীক আশ্ৰয় দিয়াটোৱেহে কীৰ্ত্তনঘৰৰ খুব ডাঙৰ সমস্যা হৈ পৰে। মুঠতে কীৰ্ত্তনঘৰত যি কেইটা আলহীঘৰ আছে, সি আলহীৰ তুলনাত নিচেই তাকৰ। প্ৰায়ভাগ যাত্ৰীয়েই স্থানীয় মানুহৰ ঘৰতেই আশ্ৰয় লব লগাত পৰে।

দেউলৰ তৃতীয় দিনা পুৱাৰ প্ৰসঙ্গত আগৰ দিনা গোৱা ঘোষাৰ পাছৰ ঘোষা গাই জয় দিয়ে। পূৰ্ব্বৰ দৰে ৰাতি যাত্ৰাগান, ভাওনা আদি চলি থাকে।

## সুঁৱেৰি

দৌলৰ চতুৰ্থ দিনা অৰ্থাৎ শেষৰ দিনাক সুঁৱেৰি বোলে। সেই দিনা গোসাঁইক ফাঁকুগুৰিৰে ৰাঙলী কৰি ভকতসকলে মহাপ্ৰভুক দৌলৰ পৰা নমাই এখন দোলাত বহুৱায়। আজি যেন মহাপ্ৰভুৰ ঘুমুচাৰ গৃহৰ পৰা লক্ষ্মী আইৰ গৃহলৈ যাত্ৰা। মহাপ্ৰভুৱে যাবলৈ বৈ থাকোঁতেই সিফালে 'বাৰাদি'ৰ পৰাও দৌলৰ গোসাঁই আহি লগ লাগে। শঙ্খ-ঘন্টা, ডবা-কাঁহৰ শব্দত গোটেই বৰপেটা নগৰ ৰজনজনাই উঠে। লৰা-ডেকা, বুঢ়া সকলোৱে ইজনে সিজনৰ গাত ৰং-ফাঁকুগুৰি ছটিয়াবলৈ ধৰে। ইয়াকে 'হোলি খেলা' বুলি কয়। প্ৰতি হাটীৰ পৰা দলে দলে মানুহবিলাকে বৰপেটাৰ দক্ষিণ ফালে থকা 'কনৰিয়াপাৰা' বুলি ঠাই এডোখৰলৈ সমদল কৰি গোসাঁই লৈ যায়। কনৰিয়াপাৰা বৰপেটাৰ দক্ষিণে প্ৰায় আধা মাইলমান দূৰৈত। সমদলত মানুহৰ ইমান সমাগম হয় যে এই আধা মাইল দূৰৈত থকা ঠাইডোখৰলৈ মহাপ্ৰভু গৈ পাওঁতে

প্ৰায় তিনি ঘণ্টা সময় লাগে। কনৰিয়া পাই তাত মহাপ্ৰভুক দোলাৰ পৰা নমোৱা হয়। ভকতৰ লৰাবিলাকে মহাপ্ৰভুক পথাৰৰ পৰা হেকতীয়া মাহ আনি খাবলৈ দিয়ে। ইয়াকে বৰপেটাৰ মানুহে 'গসাঁই হেকতা খোৱা' বুলি কয়। সত্ৰাধিকাৰে সমৱেত ৰাইজক দেউল-উৎসৱৰ বিষয়ে তুআষাৰমান কোৱাৰ পিছত মহাপ্ৰভুক আকৌ কীৰ্ত্তনঘৰলৈ লৈ অনা হয়।

কীৰ্ত্তনঘৰৰ বাটচ'ৰাৰ তুৱাৰমুখত এডাল হোলোকা বাঁহ বন্ধা হয়। মহাপ্ৰভুৱে দৌল এৰি আজি তিনিদিন ঘুনুচাৰ ঘৰত থকা দেখি লক্ষ্মী আইৰ খং উঠি থাকে। সেয়ে লক্ষ্মী আইৰ আদেশমতে তেওঁৰ ফলীয়া ভকতসকলে বাঁহ বান্ধিয়েই যেন মহাপ্ৰভুক আজি টোলত প্ৰৱেশ কৰিবলৈ নিদি বাটভেটা দি ধৰিছে। মহাপ্ৰভুৰ ভকতসকলে লক্ষ্মী আইৰ ভকতসকলক বাট এৰি দিবলৈ খাটনি ধৰে। পিছে লক্ষ্মী আইৰ ভকত-সকলে কথাও নুশুনে, বাটো এৰি নিদিয়ে। বাট এৰি নিদিয়াত তুয়ো দলৰ ভকতৰ মাজত এখন তুমুল সংগ্ৰাম লাগে। বাঁহডাল ভাঙি কীৰ্ত্তনঘৰৰ ভিতৰত প্ৰৱেশ কৰা সময়খিনি খুব বিপদজনক। কিয়নো সেই সময়-খিনিত যেতিয়া যৌৱনমতলীয়া ডেকাসকলে বাহঁডাল ভাঙিবলৈ চেষ্টা কৰি হৈচৈ লগাই দিয়ে, তেতিয়া বস্তুতৰে জখমো হয়। তদুপৰি ইমান মানুহৰ সমাগম হয় যে মানুহে কীৰ্ত্তনঘৰৰ ভিতৰত প্ৰৱেশ কৰি বাহিৰলৈ ওলাই অহাটো টান হৈ পৰে। বহু সময় হৈচৈৰ পিছত বাঁহডাল ভাঙি মহাপ্ৰভুৰ ভকতসকলে ভিতৰত প্ৰৱেশ কৰি টোলৰ ভিতৰত সাতবাৰ ঘূৰে। ঘূৰোঁতে ঘূৰোঁতে মহাপ্ৰভুৰ ভাগৰ লাগে। মহাপ্ৰভুৱে কীৰ্ত্তন-ঘৰৰ সমুখত অলপ সময় জিৰণি লয়। এই জিৰণি লোৱা সময়খিনিতে লক্ষ্মী আইৰ ফলীয়া ভকত এজনে মহাপ্ৰভুক নিন্দা কৰি গালি পাৰিবলৈ ধৰে। মহাপ্ৰভুৰ ফলীয়া ভকত এজনেও লক্ষ্মী আইক নিন্দা কৰি গালি পাৰিবলৈ ধৰে। তুয়ো ভকতৰ মাজত তুমুল বাকবিতণ্ডা লাগে। অৱশেষত মহাপ্ৰভুৱে বাকবিতণ্ডাত হাৰি লক্ষ্মী আইক টকাকড়ি ভাৰভেটীৰে সন্তুষ্ট কৰি মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰে।

---

# সুন্দৰীদিয়া সত্ৰৰ দুটি উৎসৱ

"সুন্দৰী দিয়াতে এই বহি গুৰুজন
গীতা-ভাগৱত শাস্ত্ৰ কৰিলে মন্থন
গীত-নাট কৰিলে ৰচনা,
সমাজৰ আৱৰ্জ্জনা নীতি-অনাচাৰ
বিদ্ৰোহ-অগনি জ্বালি কৰি ছাৰখাৰ
মুক্তি-শঙ্খ বজালে বাজনা।

সুন্দৰীদিয়াৰে এই সুন্দৰীসবক
মাতৃ বুলি কৰি সম্বোধন
উৰ্ব্বশীৰ সমুখত
সব্যশাচী অৰ্জ্জুনৰ দৰে
কৰিছিল গুৰুজন প্ৰবৃত্তি দমন।"

—হাজৰিকা

এয়েই সুন্দৰীদিয়া। ই এখন পুৰণি মহাপুৰুষীয়া সত্ৰ। এই সত্ৰত মহাপুৰুষ মাধৱদেৱে চৈধ্য বছৰ, ছমাহ কাল থাকি একশৰণ নামধৰ্ম্ম প্ৰচাৰ কৰিছিল। ইয়াতেই মাধৱদেৱে পবিত্ৰ নামঘোষা শাস্ত্ৰ ৰচনা কৰিবলৈ আৰম্ভ কৰে আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ভাৰ্য্যা কালিন্দী গোসাঁনী ইয়াত থাকিয়েই বৈকুণ্ঠী হয়। এনেকুৱা নানা কাৰণত সুন্দৰীদিয়া সত্ৰৰ প্ৰতিটো ধূলিকণাই পৰম পবিত্ৰ। বৰ্ত্তমানে সুন্দৰীদিয়া এখন শিক্ষাদীক্ষা সকলোতে আগবঢ়া উন্নত ডাঙৰ গাঁও। ইয়াত শিক্ষিত লোকো অনেক আছে। এই ঠাইত আন আন জাতীয় উৎসৱ পালন কৰাৰ উপৰিও শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু মথুৰাদাস বুঢ়া আতাৰ তিথি তিনিহাটীৰ ভকতসকলৰ সহায়ত সমাৰোহেৰে পালন কৰা হয়। সুন্দৰীদিয়াৰ নামপ্ৰসঙ্গৰ সুৰ অতি সুললিত—শুনি থাকিবলৈ মন যায়। প্ৰসঙ্গত এই সুমধুৰ সুৰ বহু দিন

আগৰে পৰা পৰম্পৰাভাৱে চলি আহিছে। ইয়াৰ বৰচৰিয়াত যি প্ৰসাদ দিয়া হয়, সি অতি পৱিত্ৰ, সুঘ্ৰাণ আৰু সোৱাদ। সত্ৰৰ বিষয়ে আন কথা এৰি সুন্দৰীদিয়া সত্ৰত প্ৰতি বছৰে অনুষ্ঠিত হোৱা দুটি উৎসৱৰ বিষয়ে চমুকৈ আলোচনা কৰা যাওক।

## ঘাটসেৱা

সুন্দৰীদিয়াৰ ডাঙৰ নামঘৰৰ পৰা দুই ফাৰ্লংমান উত্তৰ-পশ্চিম ফালে কলীয়া বিলৰ পাৰত কলীয়া কীৰ্ত্তনঘৰ অৱস্থিত। তাকে কিছুমানে 'আলীৰ কীৰ্ত্তনঘৰো' বোলে। তাৰ পৰা কিছু উত্তৰে মৰামানাহ আৰু চাউলখোৱা নৈ মিলিছে। কলীয়া বিলখন আগতে ডাঙৰ আছিল। আজিকালি সৰু হৈছে। এই ঠাইডোখৰক চৰিতপুথিত পেকদৰা বা ভেৰভেৰী বুলিছে। জনা লোকসকলে এই বিলৰ পানীক পঞ্চতীৰ্থ বা গঙ্গাজলৰ দৰেই পৱিত্ৰ বুলি মানে। বৰ্ত্তমানৰ নামঘৰটো সত্ৰৰ মূল নামঘৰতকৈ সৰু কিন্তু টিনৰ; নিলগৰ পৰা জিলিকি থকা দেখা যায়। সত্ৰৰ মেনেজিং কমিটীয়েই যাবতীয় উৎসৱ আদি যথাবিধি সম্পন্ন কৰে। ইয়াত ৰাইজে গোপালভোগ, নতুন গছৰ ফল, এৰাঁ গাখীৰ আৰু ফেন্ত আদিও দিয়ে। এই কলীয়া কীৰ্ত্তনঘৰতেই মাঘৰ পহিলা তাৰিখে বৰদোমাহী বা বৰবিহুৰ দিনাখন ঘাটসেৱা উৎসৱ হয়।

বৰদোমাহীৰ দিনা ৰাইজে গা-পা ধুই ভেলাঘৰ বা মেজি ফুৰাই কীৰ্ত্তন-ঘৰত সেৱা কৰি প্ৰসাদ-নিৰ্ম্মালি লৈ দুপৰীয়া কলীয়া কীৰ্ত্তনঘৰলৈ যায়। তালৈ বৰপেটা, বামুণা, বুদকুৰতপ, দণ্ডৰকুছি, গণককুছি, কৰৈৰতল, মনদিয়া, কনৈৰাপাৰা, বাৰাদি, কেওটকুছি, পাটবাউসী, নসত্ৰ, গহেৰপাম, ফুলৰগুৰি, বামুণবড়ি, তাপা, ভৱানীপুৰ, গলিয়া, হাউলী, কালজাৰ, খাটালপাৰা, দলাগাঁও, কলবাৰী, সৰুপেটা, চাপাৰবৰি, আৰু বাংনিপাৰা আদি গাঁৱৰ পৰা অনেক মানুহে সেৱা কৰিবলৈ আহে। ইয়াত প্ৰতি বছৰে মাঘৰ বৰদোমাহীৰ দিনা কম পক্ষেও সাতখন গাঁৱৰ ৰাইজ লগ হব লাগে বুলি মহাপুৰুষৰ বাণী আছে। মতা মানুহতকৈ মাইকী মানুহৰ সমাগম বেছি হয়।

পুৰুষসকলে কীৰ্ত্তনঘৰৰ গুৰুভেটিত আৰু আইসকলে, কলীয়া বিলৰ পাৰত বা ঘাটত সমৱেত হৈ সেৱা কৰে। তাত সেৱা কৰিলে নিধনৰ ধন, অপুত্ৰকৰ পুত্ৰ আৰু বেমাৰীৰ বেমাৰ নাইকিয়া হয় বুলি মানুহৰ বিশ্বাস। আইসকলে সেৱা কৰোঁতে অৰিহণা হিচাপে চেনি, গুৰ, সুমথিৰা টেঙা আৰু পইচা দিয়ে। অৰিহণাৰ সেই বস্তুবোৰ তিনি হাটীৰ আইসকলে ভগাই নিয়ে।

এসময়ত মহাপুৰুষ মাধৱদেৱে বুঢ়া আতা, ঠাকুৰ আতা, শ্ৰীৰাম আতা, গোপাল আতা, বড়ুলা আতা, বৰবিষ্ণু আতা আৰু কানেৰী সত্ৰৰ হৰিগুৰুৰ লগত এই ঠাইতেই সাত দিন, সাত ৰাতি সমাধিস্থ হৈ নামকীৰ্ত্তন কৰিছিল। তেৰাসকল নাম-ৰসত ইমান তন্ময় হৈছিল যে সাতদিন, সাত ৰাতি কেতিয়া পাৰ হৈ গ'ল গমকে নেপালে। সেই দিন ধৰি এই পুণ্য ঠাইত ঘাটসেৱা হয়। সত্ৰৰ গুৰুচৰিতত এই বিষয়ে বহল বিবৰণ পোৱা যায়।

য'ত নৰ, তাতেই নাৰায়ণ। ঘাটসেৱাৰ এই নৰ-নাৰায়ণ সমাবেশটি কিছু নিলগৰ পৰা চাই বিমল আনন্দ উপভোগ কৰা হয়। কিছুমানে এই সুযোগতে মিঠাই আৰু শাকপাচলিও বিক্ৰী কৰে।

## সুঁৱেৰি

সুঁৱেৰি সোঁৱৰণ বা সোঁৱৰাণ শব্দৰ অপভ্ৰংশ। শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা সৰ্ব্বভাৰতীয় উৎসৱ। ইয়াক অসমীয়া মানুহেও ফাগুনী পূৰ্ণিমাত পালন কৰে। দেউলৰ পৰা গোসাঁই বা বিগ্ৰহ নমাই অনাৰ পিছত ৰাইজে সমৱেত হৈ সমদল কৰি পথাৰলৈ গোসাঁই ফুৰাবলৈ নিয়ে। তাকে গোসাঁই ফুৰোৱা, হোলি খেলা বা সুঁৱেৰি বোলে। সুন্দৰীদিয়া সত্ৰতো এই সুঁৱেৰি উৎসৱ হয়।

এই সত্ৰত আকৌ প্ৰতি বছৰে বহাগৰ ছয় তাৰিখে দেউলৰ দৰেই গোসাঁই ফুৰোৱা বা সুঁৱেৰী হয়। দেউলত গোসাঁই দক্ষিণ পথাৰলৈ আৰু বহাগৰ সুঁৱেৰীত উত্তৰ পথাৰলৈ ফুৰাবলৈ নিয়ে। ঘাটসেৱাৰ দৰেই এই সুঁৱেৰিলৈকো ওচৰৰ বহু গাঁৱৰ ৰাইজ তাগি আছে।

এসময়ত এই সত্ৰত সংক্ৰামকভাবে জহনী ৰোগ হৈছিল। সেই মহামাৰীত বহুত মানুহৰ মৃত্যু হোৱাত মানুহৰ মনত বৰ ভয় হয়। সেই কাৰণে সমূহ ভকতে মিলি বিহু সামৰণি নাম-পৰ্ব্বৰ আগদিনা ( বহাগৰ ছয় তাৰিখ ) নাম-কীৰ্ত্তন কৰি গোসাঁই ফুৰোৱাৰ ব্যৱস্থা কৰে। কামটো এবাৰ হাতত লোৱা হ'ল যেতিয়া, তাক আৰু পিছতো নেৰিলে। কাৰণ আগ বঢ়োৱা কাম বোলে এৰিব নেপায়। সেই দিন ধৰি বহাগৰ দোমাহীৰ সুঁৱেৰি চলি আছে। সেই দিনাই আইসকলে নানা গীত গাই পথাৰত সাত শাক তুলিবলৈ যায়।

সময়ৰ সোতত সুঁৱেৰিৰ জাকজমক কিছু কমিছে। তেনে পুৰণি উৎসৱৰ প্ৰতি মানুহৰ অৱহেলা হব নেপায়। এই উছৱবিলাক নাইকিয়া হৈ গলে এ.কোটা জাতিৰ প্ৰাণৰ স্পন্দন নাইকিয়া হৈ যাব।

---

# জামুগুৰিৰ বাৰচহৰৰ ভাওনা

বাৰচহৰৰ কথাই 'দোচোৰা'। ৰাইজৰ বাহুত হেজাৰ হাতীৰ বল। চ'তৰ পূৰ্ণিমা—দেহৰো, মনৰো, আত্মাৰো। পকামূৰী পথাৰত সজা বিৰাট সভামণ্ডপ—যি মণ্ডপৰ বিচিত্ৰ কাৰুকাৰ্য্য আৰু কলাকৌশলে বুঢ়াৰ বুকু ফুলায়, ডেকাক আচৰিত কৰে। এয়াই বাৰচহৰ। ইয়াত ৰাইজৰ দৰ্শন আৰু ভগৱানৰ দৰ্শন একেলগে হয়। বাৰেচহৰীয়া ভাওনাৰ বিচিত্ৰ মণ্ডপ ডাঙৰ ডিগ্ৰী ডিপ্লোমা লৈ ইঞ্জিনিয়াৰে দিয়া প্লেনত নহয়। আপোন বুদ্ধিৰে আমাৰ উপৰিপুৰুষৰ সুযোগ্য উত্তৰাধিকাৰী গাঁৱৰ ৰাইজে এই মণ্ডপ সাজি উলিয়ায়। মটীয়াবাৰী চাপৰিৰ খেৰ আৰু বাৰীৰ বাঁহ-বেতেৰেই ইয়াৰ নিৰ্ম্মাণকাৰ্য্য সমাধা কৰা হয়। মণ্ডপ সাজি উলিয়ায় স্বেচ্ছাপ্ৰণোদিত হৈ গাঁৱৰ ৰাইজে। মূৰত মথুৰা পাগ মাৰি লৰাইতক বুদ্ধি-ভাৰসা দিয়ে গাঁৱৰ বয়সে গৰকা অভিজ্ঞসকলে। হাতত লাখুটী লৈ খোজকাঢ়ি আহি তিনিমূৰীয়া বুঢ়াই পৰামৰ্শ আগবঢ়াই কয়—'বাৰেচহৰীয়া ভাওনা পাতিবই লাগিব, নহলে যে ৰাইজৰ মন নেথাকে, ল'ৰাইঁত বিজতৰীয়া হব।' এটি পদুম ফুলৰ আহিত নিৰ্ম্মিত হোৱা এটা বিৰাট আকাৰ চক্ৰাকৃতি মণ্ডপৰ তলত একেলগে আৰু একে সময়তে বহুসংখ্যক নাট-ভাওনা (কেতিয়াবা কুৰি পাঁচিছখনৰো ওপৰ) অনুষ্ঠিত হয়। ত্ৰিশ-পয়ত্ৰিছ হেজাৰ নৰ-নাৰীয়ে এই ভাওনাসমূহ দৰ্শন কৰি নয়ন সাৰ্থক কৰে।

এনেকুৱা ৰঙ্গমঞ্চ জানো পৃথিৱীত কোনোবাই কেতিয়াবা পৰিকল্পনা কৰিছিল? মুকলি মঞ্চৰ কথা আজি নকৈহে প্ৰচাৰৰ চেষ্টা চলিছে। উন্নত দেশৰ মানুহে আজি মুকলি মঞ্চ প্ৰচলনৰ বাবে কিমান যে কি নকৰিছে! আমাৰ এইখন দেশতে এই চাম মানুহৰ উপৰিপুৰুষে সংস্কৃতিৰ বৰঢাপত এইপাহ ফুলৰ গছ ৰুই গল শ শ বছৰৰ আগতে।

আপুনি যেতিয়া এই বৈকুণ্ঠপুৰীত পতুমৰ পাহিৰ দৰে চাৰি শ জন গায়ন-বায়নে সুনিপুণ বেশভূষাৰে জোৰা উঠি বৰধেমালি কৰা দৃশ্যটো দেখিব, তেতিয়া ভাবিব যে ভি-শান্তাৰামৰ ছবিধ নাচৰ 'টপ ছট্' লোৱা দৃশ্যতকৈ ই কোন গুণে হীন? সোঁমাজতে সিংহাসন—বৰ বৰ ফুলেৰে বোৱা আৰু ভকতিৰ চকুলোৰে ধোৱা বৰকাপোৰৰ ওপৰত থাপনা। লেখিব নোৱাৰা শৰাইত মাহপ্ৰসাদ আৰু ধূপধুনাৰ ধোঁৱাই আত্মাৰামলৈ মনত পেলায়। চৌঘৰৰ পৰা ভাৱৰীয়াসকল প্ৰৱেশ কৰি নিৰ্দ্দিষ্ট হৈ থকা নিজৰ সভাত নৃত্য কৰে আৰু ক্ৰমে সোঁফাললৈ গৈ থাকে। এইদৰে চাৰিওফালে ঘূৰি পূৰ্ব্বৰ ঠাইত আহি নাট্যাৰম্ভ কৰেহি। একেলগে কমেও ২০।২২ খন নাট মঞ্চস্থ কৰা হয়। এই বহুকলীয়া নাট্যানুষ্ঠানত শৃঙ্খলা ৰক্ষাৰ ব্যৱস্থাও বিশেষভাবে লক্ষ্য কৰিবলগীয়া।

ভাওনালৈ দুমাহ থাকোঁতেই পকামূৰা পথাৰত ৰাইজ গোট খাই কথা বান্ধিলে। গাঁৱৰে জগৎ পণ্ডিতক ৰাইজে বৰমেধি পাতিলে। সেই দিনাৰ পৰাই আউল নলগাকৈ কাম চলিবলৈ ধৰিলে। ঘনাই সভাও নবহে। বৈধতাৰ প্ৰশ্ন তুলি কোনেও ঠেহ পাতি গুচি নেযায়। ৰাইজৰ চৰণলৈ চাই কান্ধৰ গামোচা পেলাই সেৱা কৰিলেই গায়ন বৰাই আশীৰ্ব্বাদ দি দায় মৰিষণ কৰে। এয়েই আমাৰ বাৰেচহৰ; ৰাইজেই ৰজা জাতিয়েই গঙ্গা। ভাওনাৰ দিনা ঘাই ছাউনিৰ পৰা বৰমেধিয়ে নিৰ্দ্দেশ দি আছে—"ৰাইজসকল! এতিয়া ৬ বাজিল। দূৰণিৰ অভ্যাগতসকলৰ জলযোগ কৰা হল নে? হ'ল যদি আপোনালোকে জলযোগ কৰি লওক।" কিছু সময়ৰ পিছত নিৰ্দ্দেশ আহিল—"জোৰা আৰম্ভ কৰিবৰ হ'ল—খনিকৰসকলে বৰণ মাৰক।" এইদৰে নিৰ্দ্দেশৰ পিছত নিৰ্দ্দেশ আহিল। লগে লগে একেলগে ছকুৰিমান ডবা, বৰকাঁহ, শঙ্খ বাজি উঠিল। শব্দ ব্ৰহ্মই পৃথিৱী কঁপাই তুলি নটনাৰায়ণ সুৰৰ সৃষ্টি কৰিলে। এই বাৰ আকৌ বৰমেধিৰ নিৰ্দ্দেশ শুনা গ'ল। লগে লগে তিনি চাৰি শ গায়ন-বায়ন সভাত প্ৰৱেশ কৰি ঘূৰিবলৈ আৰম্ভ

কৰিলে। গায়ন-বায়নে ক্ৰমে ক্ষিপ্ৰ গতিৰে প্ৰদক্ষিণ কৰিবলৈ ধৰোঁতে এনে হেন লাগে যেন নটনাৰায়ণ স্বৰূত আৱিৰ্ভাৱ হৈ মহাপুৰুষ শঙ্কৰদেৱে নিজে বৰবায়ন হৈ গায়ন-বায়নৰ জোৰাৰ গুৰি ধৰিছে।

তাৰ পিছতেই সকলো ৰভাতে নিজ নিজ খেলৰ সূত্ৰধাৰসকলে প্ৰৱেশ কৰিলে। প্ৰতি জনেই নাচি নাচি সভা প্ৰদক্ষিণ কৰিলে। এইদৰেই নাটৰ অন্যান্য ক্ৰিয়াও আৰম্ভ কৰিলে। ২৫।৩০ হেজাৰ দৰ্শকে চকুৰ টিপ নমৰাকৈ ভাওনা উপভোগ কৰিলে। এই সাত বৈকুণ্ঠত বাইজে দুৰাতি কটালে। এয়াই 'বাৰে চহৰ'। ইয়াত নৱবিধ ভক্তিৰ মধুৰ সমাবেশ।

আধ্যাত্মিক দৃষ্টিত এই চক্ৰাকৃতি মঞ্চই বিষ্ণুৰ চক্ৰ—নাভিকমল। আত্মাৰ কুণ্ডলিনী শক্তিৰ উৎস। একোখন ৰভাত সাত যোৰা খুটা মুঠতে ১৪টা। এয়া চৈধ্য সাক্ষী চৈধ্যজন পাৰিষদ। এযেই গুৰুজনাৰ দান, শ্ৰীমন্ত শঙ্কৰৰ ভক্তিৰাজ্যৰ মাণিক চেকুৰা। এই মেলাধৰ্মী ভাওনাত জাতি আৰু ধৰ্ম্মই প্ৰাচীৰ নগঢ়ে।

কালৰ সোঁতত এনে অনুষ্ঠান দুৰ্লভ হৈ উঠিছে। দেশৰ ডেকাচামে বাহিৰৰ জোনাকী খেদিবলৈ এৰি ভিতৰৰ মাটিৰ প্ৰদীপৰ কাষ চাপিব নে? বাৰচহৰীয়া ভাওনাৰ অভিজ্ঞতাই আৰু প্ৰশ্ন কৰে—আজি জানো কিবা বেছি শিকিছোঁ? হয়তো মহাকালে হুতাশ আৰু তিক্ততাৰে নিষ্ঠুৰ উত্তৰ দিব—ঘৰৰ সোণ তইঁতে পিতলালৈ সলাইছ।

# শিঙৰি আৰু শিৱসাগৰৰ শিৱৰাত্ৰি মেলা

## শিঙৰিৰ গোপেশ্বৰত

এসময়ত শৈৱ বাণ ৰজাৰ আধিপত্য থকাৰ বাবেই হওক বা আন যি কোনো কাৰণতেই হওক দৰংজিলাখন শিৱলিঙ্গ আৰু শিৱমন্দিৰেৰে পৰিপূৰ্ণ। তেজপুৰৰ মহাভৈৰৱ, নাগশঙ্কৰ দেৱালয়, বিশ্বনাথৰ শিৱমন্দিৰ আদি প্ৰসিদ্ধ দেৱ-দেৱালয়বিলাকৰ কথা সকলোৱে জানে।. এইবোৰৰ উপৰিও শিঙৰিৰ গোপেশ্বৰ মন্দিৰো অতিকৈ বিখ্যাত। হৰি নাম গাওঁতেই লোকে এই বুলি নাম লয় যে—

আউনিআটীৰ গোবিন্দ ঠাকুৰ
দক্ষিণপাটৰ যাদৱ।
শিঙৰিৰ গোপেশ্বৰ
হাজোৰ মাধৱ ॥

শিঙৰি অঞ্চলৰ অসমীয়া, বঙালী আৰু ওচৰৰ চাহবাগিচাৰ লোকৰ বাবে এই গোপেশ্বৰ মন্দিৰ অগতিৰ গতি স্বৰূপ। এই অঞ্চলৰ ৰাইজৰে সৈতে এই মন্দিৰৰ সম্পৰ্ক অতি ঘনিষ্ঠ। বাগিচাৰ বন্নুৱা-গাভৰুৱে মন্দিৰত সেৱা জনায় বৰ পাবলৈ; বেল, নাৰিকল ফুল-তুলসীৰে পতি-কামনা কৰে। বছৰৰ পথাৰৰ লখিমী ঘৰ চপাই খেতিয়ক ৰাইজ এই মন্দিৰলৈ আহি ভোগ দিয়ে। দূৰদূৰণিৰ পৰা অহা অলেখ যাত্ৰীৰ সমাগমত এই নিজম নিজান ঠাই ডোখৰত উখলমাখল হৈ থাকে।

শিঙৰিত থকা এই গোপেশ্বৰ মন্দিৰটিৰ বিষয়ে বুৰঞ্জীত উল্লেখযোগ্য কোনো কথা নাই। যিবা এখন তামৰ ফলি আছিল, তাকো বোলে তাহানিৰ কৃষ্ণাই ঠাকুৰৰ দিনতে জুয়ে পুৰি নোহোৱা কৰিলে। কালিকা পুৰাণ, পুৰণি চৰিতপুথি আদিত শিঙৰিৰ উল্লেখ পোৱা যায়, কিন্তু ইয়াত থকা মন্দিৰটোৰ বিষয়ে হলে একো পোৱা নেযায়। এই মন্দিৰটো শিঙৰি পাহাৰৰ নামনিতে। উদ্যোগ-নগৰী ঢেকীয়াজুলিৰ পৰা আঠ মাইল

দক্ষিণে। মন্দিৰটো দেখিবলৈ ঠিক শিৱসাগৰৰ শিৱদৌলটোৰ দৰেই। ওখই প্ৰায় ২৫ হাত। মন্দিৰটোৰ ভিতৰত এটা কুণ্ড আছে। তাতে মহাদেৱ গুপ্ত হৈ থকা বাবে ইয়াক 'গুপ্তেশ্বৰ মন্দিৰ' বুলি জনা যায়। এই গুপ্তেশ্বৰ মন্দিৰেই মানুহৰ মুখত 'গোপেশ্বৰ' হৈ প্ৰসিদ্ধ হৈ পৰিছে। প্ৰবাদ আছে যে ইয়াতে বোলে বাণ ৰজাই শিৱক গুপ্তভাবে আৰাধনা কৰিছিল।

অতীতৰ কথা। বৰ্ত্তমান তেজপুৰ তেতিয়া শোণিতপুৰ নামে প্ৰখ্যাত। তাত মহাপ্ৰতাপী বাণ ৰজাই ৰাজত্ব কৰিছিল। তেতিয়া পুণ্যসলিলা কৌশিক নৈয়ো আজিকালিৰ দৰেচেৰিয়া নামে ঠাইৰ ওচৰেদিয়েই বৈ গৈছিল। এতিয়া কিন্তু সেই নদীৰ কোনো চিনচাব নাই। অতীতৰ লগে লগে সেই পুণ্যসলিলা কৌশিক নদীও বিলীন হৈ গল। বাণ ৰজাই সেই নদীতে সদায় প্ৰাতসতে স্নান আদি কৰি শিৱক আৰাধনা কৰিছিল। তেতিয়াৰ এদিনৰ কথা। বাণে আশুতোষ সদাশিৱক স্তুতি-মিনতি কৰি কলে—'ভোলানাথ! সদায়নো কাশীলৈ গৈ তোমাক পূজা কিমান কৰিম? যাওঁতে যাওঁতে ভাগৰি পৰিছোঁ। প্ৰভুৱে কৃপা কৰি অইন এখন কাশী ঠাইতে পোৱা কৰি দিলে দাস কৃতাৰ্থ হম।' অলপতে তুষ্ট বোম ভোলানাথ শিৱ বাণৰ কাতৰ আহ্বানত তুষ্ট হল আৰু সেইমতেই বৰ্ত্তমান তেজপুৰৰ পৰা উজনিত থকা বিশ্বনাথত অইন এখন কাশী প্ৰতিষ্ঠা কৰিলে। এই বিশ্বনাথৰ শিৱ আজিও বিখ্যাত হৈ আছে। তেওঁ বছৰিবাৰ কেইমাহ ব্ৰহ্মপুত্ৰৰ পানীত বুৰ গৈ থাকিবলগীয়া হয়। সেই কাৰণে মানুহে কয়—

বিশ্বনাথৰ গোসাঁই লৰকফৰক

ছমাহ জলত, ছমাহ থলত।

তেখন কাশী প্ৰতিষ্ঠা হোৱাত দেৱতাসকলৰ মনত ত্ৰাসৰ সঞ্চাৰ হল। বিশেষকৈ যম ৰজাই হলে প্ৰমাদকে গণিলে। তেখনকৈ কাশী হলে পাপীবোৰক যমৰ নগৰলৈ অনাৰ মুদাই মৰিব দেখোন! নিৰুপায় হৈ যমকে আদি কৰি সকলো দেৱগণ আই পাৰ্ব্বতীৰ কাষ পালেগৈ।

আই পাৰ্ব্বতীয়ে গণেশৰ কাষলৈ ভেটিলে! গণেশৰ আগত সকলো বিবিৰ কৈ দেৱতাসকলে তেওঁৰ প্ৰাৰ্থনা জনালে যে তেওঁ (গণেশ) দ্বিতীয় কাশীৰ পৰা এটা শিৱলিঙ্গ লুকুৱাই থব লাগে। কিয়নো তেতিয়া হলে এটা মাত্ৰ লিঙ্গৰ অভাৱতে দ্বিতীয় কাশীৰ মাহাত্ম্য লোপ পাব। গণেশ মান্তি হল। সেই দিনাই গজানন গণেশে বিশ্বনাথত প্ৰতিষ্ঠিত দ্বিতীয় কাশীৰ পৰা পৰা এটা শিৱলিঙ্গ নি নগাৱৰ জখলাবন্ধাৰ ওচৰৰ এটা পাহাৰৰ মাজত লুকুৱাই থলেগৈ। সেই ঠাইখন আজিও বাণেশ্বৰ দেৱালয় বুলি প্ৰখ্যাত হৈ আছে।

পিছদিনা শিৱই যোগবলত জানিব পাৰিলে যে তেওঁ প্ৰতিষ্ঠা কৰা দ্বিতীয় কাশীৰ মাহাত্ম্য লোপ হল, তেতিয়া তেওঁ বাণক আকৌ তেওঁৰ পীঠ কত লাগে বুলি সুধিলে। বাণে বিখ্যাত মুনি ঋষ্যশৃঙ্গৰ আশ্ৰমতে লাগে বুলি কলে। এই শিঙৰি পাহাৰৰ ওপৰতে ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰম আছিল বুলি লোকে কোৱা শুনা যায়। এই পাহাৰৰ ওপৰত ঋষ্যশৃঙ্গই হোম-যজ্ঞ কৰা কুণ্ড এটাও আছে। বৌদ্ধ ধৰ্ম্মাৱলম্বী ভুটীয়াসকলে এই পাহাৰটো তেওঁলোকৰ তীৰ্থস্থান বুলি ভাবে। সেই দেখি বছৰি ইয়ালৈ ভালেমান ভুটীয়াৰ আগমন হয়। শিৱই বাণক তেওঁক আৰাধনা কৰা মন্ত্ৰ আদি দি বিদায় ললে। বাণাসুৰেও সেই ঠাইতে অৰ্থাৎ ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰমৰ কাষতে শিৱক আৰাধনা কৰাৰ মন্ত্ৰ উচ্চাৰণ কৰাৰ লগে লগে শিৱ আহি আৱিৰ্ভাব হয় আৰু পূজা হোৱাৰ লগে লগে অদৃশ্য হয়। এইদৰেই গুপ্তেশ্বৰ বা গোপেশ্বৰৰ সৃষ্টি হল।

আন এটা কিংবদন্তীৰ মতে শিৱই হেনো বিশ্বকৰ্ম্মাক তেওঁৰ মন্দিৰটো সাজিবলৈ দিছিল। পাহাৰৰ বিপৰীত ফালে বিশ্বকৰ্ম্মাই নিজলৈ বুলিও আন এটি সাজিলে। মন্দিৰ সজা শেষ হলত সদাশিৱ আহি দুয়োটো মন্দিৰ দেখা পালে আৰু তেওঁলৈ সজা মন্দিৰটো ভাল হোৱা নাই বুলি আক্ষেপ কৰিলে। তেতিয়া বিশ্বকৰ্ম্মাই নিজলৈ বুলি সজা মন্দিৰটো ভাঙি পেলালে—মনৰ দুখতে। আজিও এই ঠাইত সেই ভঙা মন্দিৰৰ চিনচাব দেখা যায়। ডাঙৰ শিলত কটা পদুম ফুল—নানা ধৰণৰ মূৰ্ত্তি আপডাল

নোহোৱাৰ ফলত আই বসুমতীৰ গৰ্ভত লীন যাবলগীয়া হৈছে। এই ঠাই আজি বনৰীয়া জন্তুৰ লীলাভূমি।

শিওৰিৰ শিৱ-মন্দিৰটোৰ কাৰুকাৰ্য্যও অতি বিতোপন। ১৫ ফুট ওপৰলৈকে শিলেৰে বন্ধোৱা। আগতে উম্মুকিয়াই অহা জুয়ে পোৰা তামৰ ফলিত হেনো শিৱসিংহ ৰজাই এই গুপ্তেশ্বৰ মন্দিৰ সংস্কাৰ কৰে বুলি উল্লেখ আছিল। তাহানি বোলে এই গুপ্তেশ্বৰ ব গোপেশ্বৰ মন্দিৰটোৰ কাষেদিয়েই লুইত বৈ গৈছিল। কুসুম্বৰে এই ঠাইতে শিৱক আৰাধনা কৰি শঙ্কৰ গুৰুক পুত্ৰ স্বৰূপে লাভ কৰাৰ কথা 'কথা-গুৰুচৰিত' পুথিত পোৱা যায়। মাঘ আৰু ফাগুন মাহত বছৰি ভুটীয়াসকল আহি বছৰটোৰ ভিতৰত মৃত্যু হোৱা লোকসকলৰ কাম-কাজ এই দেৱালয়তে সম্পন্ন কৰেহি।

শিৱৰাত্ৰিৰ সময়ত এই ঠাইত এখন বৰ ডাঙৰ মেলা বহে। এদিন দুদিন নহয়, একেৰাহে সাদিন ধৰি এই মেলাত পয়োভৰ চাবলগীয়া হয়। দূৰদূৰণিৰ গাঁও-ভূঁই বাগিচা আদিৰ পৰা মেলা চাবলৈ ৰাইজ ভাগি আহে। শিৱৰাত্ৰিৰ পুণ্য তিথিত গোপেশ্বৰ শিৱক দৰ্শন কৰি পুণ্য অৰ্জ্জাৰ লগতে এই মেলাত মহানন্দ লাভ কৰিবলৈ অগণন নৰনাৰীৰ দলদোপ হেন্দোলদোপ লাগি পৰে। নানা বিধ যানবাহনৰ খদমদম্ লাগে। মেলাত বেহা মেলি ধন আৰ্জ্জিবলৈ খাপ দি থকা দোকানী-পোহাৰীবিলাকে বিধে বিধে নানা তৰহৰ বস্তুৰ দোকান-পোহাৰেৰে মেলাখন ওপচাই পেলায়। এই কেইদিন নাচগান ৰংধেমালিৰো যেন অন্ত নাই। এইখন মেলাৰ খোলাতে একেলগে তিনিচাৰিখন গাঁৱৰ ৰাইজে ভাওনা পাতে। নামকীৰ্ত্তনৰ ধ্বনিত, ভোৰতালৰ শব্দত আকাশ-বতাহ নিনাদিত হয়। এই পবিত্ৰভূমিত দেৱাদিদেৱ মহাদেৱ ব'ম্ ভোলানাথ বছৰ দিন গুপুতভাৱে থাকিলেও মেলাৰ এই কেইদিন তেওঁৰো যেন ৰক্ষা নাই। তেওঁ যেন এই মেলাৰ মাজলৈ জীৱন্ত জাগ্ৰত হৈ ওলাই নাহি নোৱাৰে। জনে জনে অগণন ভকতৰ হৃদয়ত স্থিতি হৈ তেওঁ যেন কয়—"শিওৰিবাসী ৰাইজ! ভয় নকৰিবা। মই তোমালোকৰ গুৰিতে

আছোঁ। আপদে-বিপদে দুৰ্যোগে-দুৰ্দ্দিনে, তোমালোকে মোক পাবা মই তোমালোকে ৰক্ষা কৰিম, অসমবাসীক ৰক্ষা কৰিম।”

## শিৱসাগৰৰ শিৱদ'লত

পূৰ ভাৰতৰ ভিতৰতে লেখত লবলগীয়া শিৱসাগৰৰ এই শিৱৰাত্ৰি মেলা। শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত থকা শিৱমন্দিৰৰ পূত স্থানৰ মাহাত্ম্যত অতীত কীৰ্ত্তিমণ্ডিত শিৱসাগৰ নগৰ বছৰৰ ভিতৰত এবাৰ শিৱৰাত্ৰি উপলক্ষত এক মহাক্ষেত্ৰত পৰিণত হয় আৰু অসমৰ এটা বৃজন খণ্ডৰ উপৰিও ভাৰতৰ আন ঠাইৰো লোক আৰু তীৰ্থযাত্ৰীৰ এই তীৰ্থলৈ সমাগম হয়।

শিৱ-চতুৰ্দ্দশী তিথি হিন্দুধৰ্ম্মীসকলৰ বিশেষকৈ শৈৱপন্থীসকলৰ অতি পৱিত্ৰ তিথি। সেই দিনা এই বিগ্ৰহ দৰ্শন তথা শিৱদৰ্শন হলে সধবা, বিধবা, জীয়াৰী, বোৱাৰী সকলো লোকে মঙ্গলময় আশুতোষ শিৱৰ নিৰ্ম্মালিৰ দ্বাৰা ধন্য হয়। শিৱসাগৰৰ শিৱ'দল এনে হেন তীৰ্থভূমিত কেতিয়াৰ পৰা পৰিণত হ'ল খাটাংকৈ কোৱা টান। ১৬৫৫ শকৰ জেঠ মাহত (ইং ১৭৩৩ চন) আহোম ৰজা স্বৰ্গদেৱ শিৱসিংহৰ দ্বিতীয়া মহিষী অম্বিকা আইকুঁৱৰীয়ে শিৱসাগৰৰ বৰপুখুৰীৰ দক্ষিণ পাৰত এই দ'ল বন্ধাই তাত বিগ্ৰহ প্ৰতিষ্ঠা কৰে। বিগ্ৰহৰ বৈশিষ্ট্য হল, ইয়াত লিঙ্গ আৰু যোনী দুই পীঠ একত্ৰিতৰূপে এচটীয়া শিলত খোদিত হৈ আছে। কিম্বদন্তি আছে যে আইকুঁৱৰীদেৱে সপোনত এই বিগ্ৰহৰ কথা গম পায় আৰু সেই মতে হিমালয়ৰ নামনিৰ পৰ্ব্বতীয়া অঞ্চলত পৰি থকাৰ পৰা আনি এই পীঠ প্ৰতিষ্ঠা কৰে। আৰু এটা মতে জনবিশ্বাস বিগ্ৰহ দৰঙৰ বিশ্বনাথৰ পৰা আনি প্ৰতিষ্ঠা কৰা হয়। দুয়ো মত চালিজাৰি চালে বিশ্বনাথৰ ওচৰত হিমালয়ৰ পাদস্থানৰ পৰা বিগ্ৰহ উদ্ধাৰ কৰা হয় বুলি ঠাৱৰ কৰিব পাৰি। একালত অসমৰ এইখণ্ড শক্তি-শৈৱপন্থী লোকৰ কেন্দ্ৰ আছিল। সেয়েহে ঠায়ে ঠায়ে শিৱলিঙ্গ বিগ্ৰহ আদি এতিয়াও পোৱা যায়। এই বিগ্ৰহক প্ৰতীক শিৱ বুলিও কোৱা হয়।

শিৱদ'ল ভাৰতবৰ্ষৰ সৰ্ব্বোচ্চ হিন্দুমন্দিৰবিলাকৰ ভিতৰতে অন্যতম। খাৰু, ত্ৰিশূল আৰু কলচী ধৰি এই শিৱদ'ল ১২০ হাত ওখ, তলৰ পৰা ওপৰলৈকে গোটেই দ'ল চটীয়া শিলেৰে বন্ধা। শিলবোৰ চাৰিচুকীয়াকৈ প্ৰায় ৪ বৰ্গফুট জোখত তৰপাতৰপিকৈ বন্ধা। দ'লৰ আকৃতি আন শিৱমন্দিৰৰ দৰেই অষ্টকোণীয়া। তাৰ চাৰি চুকত তলৰ পৰা, ওপৰলৈকে কৰদৈশিৰীয়াকৈ চাৰিশাৰী কাট খাই আছে। দ'লৰ জোৰাৰ গাৰ মেৰ ১৩০ হাত। তলৰ ভেটি মাটিত সমান হওঁতেই তিনিপতীয়া বাজু। মাজতো তেনে ধৰণৰ তিনিপতীয়া বাজু। দ'লৰ তলৰ পৰা ওপৰৰ মাজভাগলৈকে একে জোখেৰেই গৈ মাজৰ পৰা আকৌ ক্ৰমাৎ থুপ খাই কলদিলীয়া গঢ় লৈছে। ঠিক কলচীৰ তলতে তিনিশিৰীয়া খাৰু। তাৰ তলতে বাজু। কলচীটো বাজুৰ ওপৰত শিলৰ চাপ এটাত পোত খাই থকা চৰিয়াৰ ওপৰত খাজ কাটি বহুৱাই দিয়া আছিল। কলচীটো তামৰ চটীয়া আকাৰৰ ওপৰত সোণ এনেদৰে চৰাই থোৱা আছে যে বাহিৰে-ভিতৰে গোটেই কলচীটো সোণৰ যেনহে অনুমান হয়। কলচীটো চৰিয়াকে ধৰি পাঁচ হাত ওখ। বুৰঞ্জী মতে কলচীৰ তামে সৈতে ওজন এমোন। দ'লৰ গাত নানা ধৰণৰ চিত্ৰ-বিচিত্ৰ শিলত কটা ছবি খুৱাই থোৱা আছে। দ'লৰ বেৰ বাৰ হাত ডাঠ। যোৱা ১৯৫০ চনৰ বৰভুঁইকঁপে শিৱদ'লৰ তলছোৱা ঘটালি পেলায়। কলচী খহি পৰে। মন্দিৰৰ বাহিৰে-ভিতৰে চপৰাচপৰে বৰ বৰ শিল খহিবলৈ ধৰে। তাৰ আগতে ১৮৯৭ চনৰ বৰভূইকঁপেও দ'লৰ গুৰি কিছু লৰালেও বিশেষ ক্ষতি সাধিব পৰা নাছিল। তাৰো আগতে সোণৰ কলচী খহাবলৈ মানৰ আক্ৰমণৰ সময়ত কলচীৰ গালৈ টোপ মৰা চিন ভালেমান এতিয়াও দেখিবলৈ পোৱা যায়। ভাৰত চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ যোগেদি কলচী আগৰ দৰেই ওপৰত তোলা হয়। মাত্ৰ খাজত খুৱাবলৈ কলচী আৰু দ'লৰ টুপৰ ভাগৰ জোখ কেইইঞ্চিমান কমিল। মেৰামতি কাম বছৰি হৈ থাকে।

দ'লৰ ভিতৰত লিঙ্গ থকা স্থানৰ পৰা শিৱসাগৰ বৰপুখুৰীলৈকে এটা পানীৰ নলা সংলগ্ন হৈ আছে। তেনে হোৱাৰ পৰা পুখুৰী আৰু

লিঙ্গ উভয়ে নিত্য ধৌত হোৱাৰ উপৰিও দ'লৰ ভিতৰত পুখুৰীৰ পানী থিতাতে পাই থকা হৈ আছে। শুনাত আচৰিত হলেও কব লাগিব, বৰভূইকঁপৰ পিছত দ'লৰ ভিতৰত ওপৰৰ পৰা বৰ বৰ শিল চটাচট্‌কৈ খঁহি থাকিলেও কুণ্ডত পূজাসেৱাত ৰত পূজাৰী বা সেৱক কাৰো গাত অত দিনে কুটা এগছকে নপৰাকৈ আছিল। কুণ্ডৰ ভিতৰত প্ৰকাণ্ড ফেঁটী সাপ এযোৰাও বহু দিন ধৰি কাৰো ক'তো অপকাৰ নকৰাকৈ বিচৰণ কৰি ফুৰে বুলি পূজাৰীসকলৰ পৰা জনা যায়। এনে ভালেমান দৃষ্টান্তৰ পৰা শিৱদ'লৰ মাহাত্ম্যৰ প্ৰতি জনসাধাৰণৰ বিশ্বাস দিনে দিনে বাঢ়ি গৈছে বুলি ধৰ্ম্মপ্ৰাণসকলে ডাঠি কব খোজে। বছৰি শিৱৰাত্ৰি মেলাৰ ৰূপ আকাৰ বাঢ়ি যোৱাও এই প্ৰসঙ্গতে উল্লেখযোগ্য।

হিন্দুৰ প্ৰায় ধৰ্ম্মানুষ্ঠানেই মেলাত পৰিণত হোৱাৰ দৰে শিৱৰাত্ৰি অনুষ্ঠানো এখন বিৰাট মেলাত পৰিণত হ'ল। এনে হোৱাৰ পৰা ধৰ্ম্মানুষ্ঠানৰ সাত্বিক মৰ্য্যাদা আৰু গাম্ভীৰ্য্য হানি হৈছে বুলি কোনোৱে হয়তো শঙ্কা কৰিব পাৰে কিন্তু ইয়াৰ দ্বাৰা যে জনসাধাৰণৰ মাজত সাময়িকভাবে হলেও আনন্দমুখৰ পৰিবেশ, উদাৰতা, ব্যৱসায়-বাণিজ্যৰ সাফল্য আৰু পৰস্পৰ জনাশুনা মিলাপ্ৰীতি ভাবৰ সৃষ্টি হৈ এই অনুষ্ঠান বাস্তৱ যুগধৰ্ম্মমুখীহে হৈছে সেই কথা উলাই কৰিব পাৰি জানো?

শিৱৰাত্ৰি অনুষ্ঠানে শিৱসাগৰত এনে বিৰাট আকাৰৰ মেলাৰ ৰূপ ললে যোৱা দ্বিতীয় মহাসমৰৰ লগে লগে। যুদ্ধৰ মহাৰ্ঘৰ বাবে দ'ল চৌহদত কোনোবা দূৰদৰ্শী বেপাৰীয়ে বেচিবলৈ অনা বস্তু কেইপদেই জনসামাবেশৰ সৃষ্টি কৰে। ইপিনে যুদ্ধৰ অনিশ্চয়তাৰ বাবে হিন্দু ধৰ্ম্মাৱলম্বী বহুতো সৈন্যই এফেৰা পুণ্য কৰাও সমীচিন বুলি ভাবি স্বাভাৱিকতে শিৱৰাত্ৰি উপলক্ষে শিৱমন্দিৰত গোট খাইছিলহি। সুবিধাবাদীসকলৰ বেলিকা সেই কালত নীতি-নিয়ম আঁতৰত থকা সুযোগতে পয়চাখেল, জুৱাখেলৰ আকৰ্ষণেও বহুতকে দ'লৰ চৌহদৰ যেই কোনো ঠাইতে আটককৈ বাধিছিল। এয়ে সেয়ে গঢ় লৈ হ'লে শিৱৰাত্ৰি মেলা।

যাত্ৰীৰ সংখ্যা বছৰে বছৰে বাঢ়ি আহিছে। অৱশ্যে বতৰ বেয়া হ'লে সংখ্যা স্বাভাৱিকতে কমে। দুপৰীয়া দহ বজাৰ পৰা একমান বজাৰ ভিতৰতে সাধাৰণতে যাত্ৰীৰ ভিৰ আটাইতকৈ বেছি।[1] দ'লৰ কেউপিনৰ-পৰা এনে সমাগম হয় যে দ'ল-প্ৰাঙ্গণৰ পৰা চাই পঠিয়ালে লক্ষ্মীনাথ পথৰ মূৰলৈকে প্ৰায় ৯ ফাৰ্লং আলিবাটত লোকে লোকাৰণ্য- ৰিৰ দি বাট পাবলৈ নাই। একেৰূপ দৃশ্যই অৰুণোদয়, হেমচন্দ্ৰ পথ, বজাৰ আলি, অক্ষয় ঘোষ আলি আৰু ৰাজকুমাৰ বৰুৱা আলিয়েদিও পোৱা যায়। যাত্ৰীৰ সংখ্যা খাটাংকৈ কোৱা টান। অহা আহিয়েই থাকে, যোৱা গৈয়ে থাকে। চৰকাৰী পৰিবহন বিভাগে প্ৰতি বছৰে অকল যোৰহাট-শিৱসাগৰৰ মাজত ৪০।৫০ খনকৈ আৰু শিৱসাগৰ-ডিব্ৰুগড়ৰ মাজত ৩০।৪০ খনকৈ বাছৰ যোগান ধৰে। শিৱসাগৰ-শিমলুগুৰিৰ ভিতৰত ৮।১০ খনকৈ বিশেষ গাড়ী চলাচল কৰে। শিৱসাগৰ, সোণাৰি, শিমলুগুৰি, নাজিৰা এই ঠাইবোৰৰ বাবে চলাচল কৰা বাছ, ৰিজাৰ্ভ বাছ আৰু ইং তঁৰ পৰা অহা বাছ-ট্ৰাকৰ সীমা-সংখ্যাই নাই। যাত্ৰীসমূহৰ বেছিভাগেই বিহাৰী, নেপালী আৰু বাগিচাৰ বনুৱা। অসমীয়া গাঁৱলীয়া মানুহ নিচেই তাকৰ সংখ্যক। নগৰৰ ডেকা-গাভৰুৰ কিছু সংখ্যক দিনৰ ভাগতে আহে, যাইকৈ মেলাৰ বস্তু-বাহানি কিনিবলৈ। পূজা-সেৱাৰ কাৰণে নগৰৰ আইসকল জুম পাতি সন্ধিয়া পৰতহে আহে।

কেতিয়াবা চতুৰ্দ্দশী তিথি দুদিনীয়াকৈ মিলে। সেয়ে হ'লে মেলাও দুই-তিনিদিনীয়া হয়।

শিৱসাগৰ মাৰোৱাৰী পঞ্চায়তে সাজি দিয়া দ'লৰ নাটঘৰৰ সন্মুখৰ অতিথিশালাৰ সোঁমাজেদি পুৰুষৰ প্ৰৱেশ পথ। পুখুৰীত গা ধুই তিতা তিয়নীৰে হাতত একো ঘটি পানী, ঘিউ, গাখীৰ আদি লৈ দ'লত সোমায়। পুৰুষ-মহিলা পাল পাতি বেলেগে দ'ললৈ সুমুওৱা হয়। মহিলাৰ প্ৰৱেশদ্বাৰ পশ্চিম পিনৰ দুৱাৰেদি। যাই কুণ্ডৰ থলি তেনেই ঠেক আৰু পিছল আৰু সোমোৱা বাটো অনুৰূপ হেতু আজিকালি যাত্ৰীসকলৰ জলধাৰা কাৰ্য্য নাটঘৰতে সমাধা হয়। তাতে সকলো যাত্ৰীয়ে গৈ

নিজৰ বৰীয়া পানী, গাখীৰ যি হয় ঢালি দিয়ে। সকলো গৈ কুণ্ডত পৰেগৈ। ভিতৰলৈ সোমোৱা-মেলা নিয়ন্ত্ৰণ কৰিবলৈ ঠায়ে ঠায়ে সেৱক ৰয়। দ'ল সোমাবলৈ যাওঁতে আৰু ভিতৰতো তীৰ্থযাত্ৰীৰ দলে সমস্বৰে তোলা ধ্বনি "বলিয়ে বলিয়ে মুক্তিনাথ বাবাকি জয়" শিৱৰাত্ৰি উৎসৱৰ এৰাব নোৱাৰা নিদৰ্শন। মেলাৰ সমুদায় কাৰ্য্য নিয়ন্ত্ৰণ কৰে দ'ল সমিতিয়ে। পোহাৰ পাতিবলৈ শাৰী শাৰী ঘৰৰ বাবে দ'লৰ চৌহদৰ কেউপিনে কেৰেয়ালৈ মাটি ভগাই দিয়া হয়। পোহাৰৰ সংখ্যা বছৰি বাঢ়ি আছে বুলি কব নোৱাৰিলেও গঢ়গতি কিন্তু সলনি হৈ আছে। প্ৰতি বেলি অভিনৱ অনুষ্ঠান একোটাইঁত মেলাৰ বিশেষ আকৰ্ষণ হৈ পৰে। মেলালৈ অহা একোটা অনুষ্ঠানৰ নামেই বা কেনে ৰসব্যঞ্জক! ই এখন অভিনৱ প্ৰদৰ্শনী: নাম 'দি নিউ বৈকুণ্ঠদৰ্শন কোম্পানী।' কোম্পানীয়ে প্ৰকাণ্ড টাম্বু তৰি তাৰ তলত তিনি চাৰি ফুট ওখ ওখ মানুহ আকৃতিৰ পুতলা কিছুমান তৰি সেইবোৰক বিবিধ ভঙ্গিমাৰে নৰকত পাপীৰ শাস্তি, স্বৰগত ধাৰ্ম্মিকৰ শান্তি বেচ অৰ্থব্যঞ্জক আৰু আনন্দদায়ক কৰি দেখুৱায়। এবাৰৰ আন এখন অনুৰূপ প্ৰদৰ্শনী 'ভজো সুকুমাৰ কলা শিল্পী সঙ্ঘৰ' অনুষ্ঠান। এবেলি সঙ্ঘই শিৱসাগৰৰ (জয়মতীৰ) কাহিনী সৰু সৰু মূৰ্ত্তিৰ যোগেদি দেখুৱাইছিল। এবেলি এইদৰে গান্ধীজীৰ জীৱনৰ উল্লেখযোগ্য ঘটনাৱলী প্ৰদৰ্শন কৰা হৈছিল। আৰু যে কত কি!

মেলাৰ বজাৰত সোণপাপৰিৰ পৰা ভাঙৰ লাৰুলৈকে, সোণৰ অলঙ্কাৰৰ পৰা ভুটীয়া বেপাৰীৰ ঔষধ-পাতিলৈকে, কোৰ-কটাৰীৰ পৰা জাকৈ-জলুকিলৈকে সকলো বস্তু পোৱা যায়। কাপোৰ-কানি, ফটোৰ দোকান বিধে বিধে; লেখজোখ নাই। এচুকত আকৌ ভোজবাজী দেখুৱা টানী ঘৰাটোৰ আগত বিজ্ঞাপন জাৰি কৰা এজনে ওৰে দিনটো ছেদভেদ নোহোৱাকৈ ভোজবাজীৰ সূচনা কৰি উধাইমুধাই কাগজকে গিলিব লাগিছে। খোৱা বস্তু—বিশেষকৈ পুৰী-ভাজিৰ দোকানত ভিৰ আনবোৰৰ তুলনাত বেছি। বস্তুতঃৰে দিনটোৰ উপবাসৰ পিছত আহাৰৰ সমল সেইখিনিয়েই। শিৱৰাত্ৰি মেলাত খাদ্য বিষয়ৰ কাৰবাৰত পুৰী-ভাজিৰ

পূৰ্ণ পয়োভৰ। খেজুৰ, সাধাৰণ পিঠাপনা, ছাটু গুৰিৰ লাড়ু, বুটভজা আদিত কিন্তু মাখি-পোকৰ অবাধ ৰাজত্ব চলে।

এতিয়া সন্ন্যাসীৰ বিষয়লৈ আহোঁ। ৰৰভুঁইকঁপৰ ফলত পৰশুৰাম কুণ্ড ভালে কেইবছৰ নিশ্চিহ্ন হৈ পৰাত সন্ন্যাসীৰ আগমন আগতকৈ কিছু কমিছিল। আগতে পুহ-মাঘ মাহত পৰশুৰাম কুণ্ড দৰ্শন কৰি প্ৰায় সকলো সন্ন্যাসীয়ে শিৱৰাত্ৰি উপলক্ষে ইয়ালৈ আহে। এতিয়া পৰশুৰাম কুণ্ডৰ যাত্ৰা আকৌ সুচল হোৱাত সন্ন্যাসীৰ সমাগম দুনাই বাঢ়ি আহিছে। এবেলি এজন সন্ন্যাসী আহিছিল, তেওঁ অনবৰত থিয় হৈ থাকে। শোৱা-খোৱা, শৌচাচাৰ সকলো থিয় হৈয়েই চলে। শুবলৈ হলে গছৰ ডালৰ পৰা ওলোমাই থোৱা পীৰা এখনত মূৰ পেলাই শুই থাকে। তেওঁ এইৰূপে ত্ৰিছ বছৰ থকাৰ ব্ৰত লৈছিল। সেই বেলি তাৰে সাত বছৰ উকলিছিল। এজনে অনবৰত এটা ঠেঙৰ ওপৰত থকাৰ ব্ৰতত ব্ৰতী। এজনৰ হয়তো গোটেই গাটোতে বেজীৰে শিয়ন দি থকা। একোজন সন্ন্যাসীৰ জটাত দুই তিনিটা চৰাইৰ বাহ। এজনৰ কেৱল বায়ুসেৱনেই একমাত্ৰ আহাৰ। এইৰূপে কত ধৰণৰ সিদ্ধ, সাধক ইয়াত গোট খায়হি গম ললেহে তাক বুজিব পাৰি। সেই জটাধাৰী-ভস্মধাৰী লোক একোজনৰ গাত মাহাত্ম্য কিমান! এবেলি বাৰানসীৰ পৰা প্ৰসিদ্ধ নগাসন্ন্যাসী কেইবা গৰাকীও আহিছিল। তাৰে প্ৰধানজন বিদগ্ধ পণ্ডিত। তেখেতে মেলৰ পিছত ৰাজহুৱা সভাত বেদান্ত-দৰ্শনৰ সম্যক ব্যাখ্যা কৰে। এগৰাকী শিখ সাধুপুৰুষেও শিৱৰাত্ৰি উপলক্ষে আহি আহলবহল বাহৰ পাতি গ্ৰন্থ-সাহিবৰ অখণ্ড-কীৰ্ত্তন কেবাদিনো ধৰি কৰিবলৈ লৈছে। উজনি অসমৰ সকলো ঠাইৰ পৰা শিখপন্থীসকল আহি কীৰ্ত্তনত যোগ দিয়ে। সেই শিবিৰত কেউদিন দিনে-নিশাই অতিথি আৰু দৰিদ্ৰ-নাৰায়ণৰ ভোজন চলি থাকে।

মেলা বুলিলে অসাধাৰণ কিবা এটাৰ প্ৰদৰ্শন হবই লাগিব। এবেলি শিৱৰাত্ৰি মেলালৈ অনা হৈছিল ছঠেঙীয়া গাই এজনী। মেলাৰ দিনা গাইজনী গৰুগাড়ী এখনৰ ওপৰত তুলি কেইটাপনে আঁৰ দি নগৰত ঘূৰাই

ফুৰা হৈছিল। আঁৰ গুচাই গাই চাবলৈ হলে শিকি এটি ভৰিব লাগে। গাইজনীৰ গুহ্যদ্বাৰ দুখন। বাওনা ফকীৰ এজন কেইবছৰমান আহিছিল। তেওঁ দুফুট আঠ ইঞ্চি ওখ, বয়স ৫৫ বছৰ। এবাৰ কিম্ভুত-কিমাকাৰ শিশু এটি প্ৰদৰ্শন কৰা হৈছিল। শিশুটিৰ মূৰ প্ৰকাণ্ড। হাত-ভৰিত আঙুলি ছটাকৈ। গাত ভালুকৰ নিচিনা নোম। এনে ধৰণৰ প্ৰাকৃতিক বৈচিত্ৰ্যৰ লগতে কৃত্ৰিম বৈচিত্ৰ্যৰো সৃষ্টি হয়। একোদল যাত্ৰীয়ে মন্দিৰ দৰ্শন কৰিবলৈ ৫০।৬০ জনীয়া জুম বান্ধি সংকীৰ্ত্তন কৰি আহোঁতে নাচিবাগি কৰ নোৱাৰা হয়—তেওঁলোকে পুৰুষ-মহিলাৰ স্বকীয়া প্ৰৱেশ নিৰ্দ্ধাৰণ বা মেলাৰ স্নান নীতি-নিয়ম একো মানিব নোখোজে। এনে দলৰ দলপতি ডুগৰাকী নপুংসক।

মেলালৈ নানা তৰহৰ ৰোগীও আহে। সেইবিলাকে নিজেও আৰু সিহঁতৰ যোগেদি আনেও প্ৰচুৰ অৰ্থ উপাৰ্জ্জন কৰে। খাদ্য-শস্য আদি যোগানৰ বিষয়ত নগৰপালিকা আৰু স্বাস্থ্যবিভাগৰ তৰফৰ পৰা স্বাভাৱিকতে বিশেষ তৎপৰতাৰ আৱশ্যক হয়। দ'ল-সমিতিয়ে মেলাৰ দোকান-পোহাৰৰ পৰা কেৰেয়া লোৱা ধনৰ পৰা কিছু টকা ৰাহি হয়। এই টকাৰে এতিয়ালৈকে কেইটামান স্থায়ী কাম কৰা হৈছে।

এনে এখন বিৰাট মেলাত শান্তি-শৃঙ্খলা আদি অটুট ৰখা বাবে সংশ্লিষ্ট কৰ্তৃপক্ষ শলাগৰ পাত্ৰ। মেলাৰ স্বেচ্ছাসেৱকৰূপে সাধাৰণতে শিৱসাগৰ কলেজ, নবযুৱক সঙ্ঘ আৰু নগৰৰ বিভিন্ন শিক্ষানুষ্ঠানৰ সেৱকসকল থাকে। লগত অৱশ্যে পুলিচ-ব্যৱস্থাও থাকে।

চতুৰ্দ্দশী তিথি শেষ হবৰ পৰত গোটেই তিথিৰ সময় জুৰি চলি থকা পূজাভাগ সমাপন কৰি দ'লৰ পূজাৰীসকলে সদৌ মানৱ সমাজৰ মঙ্গলৰ অৰ্থে মঙ্গলময় ভগৱন্তৰ ওচৰত সাষ্টাঙ্গে প্ৰণিপাত জনায়। অশান্তিৰ ভাৱৰে আৱৰি থকা পৃথিৱীখন ধৰ্ম্মপ্ৰাণ মাত্ৰৰে অন্তৰত এই প্ৰাৰ্থনাই প্ৰতিধ্বনি নোতোলে নে বাৰু ?

# শিলঘাট আৰু শুৱালকুছিৰ অশোকাষ্টমী মেলা

## শিলঘাটত

অতুলন সৌন্দৰ্য্যেৰে সুসজ্জিত পুণ্যভূমি শিলঘাট। ওপৰত নীলা আকাশী চন্দ্ৰাতপ, তলত ধৰণী হিয়াৰে শোভা কৰে পুণ্যতোয়া মহানদ ব্ৰহ্মপুত্ৰ। উজ্জ্বল বৰণ পৰি হিমালয়ৰ তিনি শৃঙ্গই স্বৰ্গজ্যোতি জিলিকাই আছে উত্তৰত, বুকত লৈ সেউজীয়া শাৰী শাৰী পৰ্ব্বতমালা। ইপাৰত গিৰি, সিপাৰতো শৈলেশ্বৰে সাৱটি আছে ব্ৰহ্মাৰ পুত্ৰক। বিশ্ব-যজ্ঞ-হোতা মহানদে একেই শতেক হৈ নিজক আহুতি দিছে বিশ্বৰ কল্যাণ-যজ্ঞত। হিমালয় গৰ্ভত আছে সঞ্চিত বিভুৰ অগণন বিত্তৰ। তাকে কঢ়িয়াই আনি বিলায় জগতৰ প্ৰাণীক। স্থলচৰ, জলচৰ, খেচৰ মহাযজ্ঞৰ যাত্ৰী। থোকিবাথোকি হিয়াৰে অটিনী ভৰলীয়ে জিলমিল সাজেৰে নাচিবাগি মিলিছেহি ব্ৰহ্মপুত্ৰৰ বুকুত। পুণ্যতীৰ্থ নদ-নদী সঙ্গমৰ স্থল। সন্ধিয়া বেলিকা দৃশ্য অতি মনোৰম হয়—যেতিয়া হেঙুলী বৰন সানি পশ্চিম আকাশত ভাগৰত লালকাল হৈ লুইতৰ বুকুত সূৰ্য্যদেৱে জিৰণি লব খোজে। শৰতৰ ৰূপালী জোনাকত বহল ৰূপালী হিয়াৰে ৰাতি যেতিয়া বৰনৈয়ে ৰূপৰ জেউতি চৰায়, পাৰত বহি ভাবুক কৰি আপোনপাহৰা হয়। উত্তৰী সদৃশ মাজে মাজে সুঁতি বোৱাই মহানদে পৱিত্ৰ মূৰ্ত্তি ধাৰণ কৰে। সমুদ্ৰৰ মাজত শিলঘাট যেন এটি উপদ্বীপ। পূবলৈ চাওক, ব্ৰহ্মপুত্ৰই আপোনাক বহল বুকুৰে সাৱটি ধৰিছে। উত্তৰলৈ চাওক, সাগৰসঙ্কাশ নদ-নদীৰ মিলনক্ষেত্ৰ। পশ্চিমত বিয়পি আছে এখন সীমাহীন সাগৰ। দুই পাৰে পৰ্ব্বতশ্ৰেণী। মাজতে আছে অসংখ্য শিলাখণ্ড লৈ দুটা প্ৰকাণ্ড শিল। অনুমান হয় পৰ্ব্বতৰাজি সৃষ্টিৰ বহু কালৰ পিছতহে মহাবাহু নদে সেইবোৰ ভাঙি সমুদ্ৰ থিয়াই আপোনাৰ

যাত্ৰাপথ মুকলি কৰি লৈছিল। দক্ষিণপাৰৰ পৰ্ব্বত সামন্তই জন্ম দিলে ৰূপহী সোণাই নৈক—ব্ৰহ্মপুত্ৰৰে উপনৈ। এই নৈয়ে ভিন ভিন অংশত বিভিন্ন নাম লৈছে। এই সামন্তগিৰিয়ে নাম ল'লে প্ৰমত্তসিংহ স্বৰ্গদেৱৰ দিনত কামাখ্যা, কিয়নো তেওঁ ইয়াৰ মাজৰ শৃঙ্গটোত কামাখ্যা মন্দিৰ নিৰ্ম্মাণ কৰায়।

ব্ৰহ্মপুত্ৰৰ জন্মৰ এটা অলৌকিক কাহিনী পুৰাণত আছে। ব্ৰহ্মাৰ ঔৰসত অমোঘাৰ গৰ্ভত শান্তনু কুলত এওঁৰ জন্ম। অলৌকিকতাতো আছে সত্য। সৃষ্টিকৰ্ত্তাৰ সৃষ্টি প্ৰকৃতি মাতৃৰ গৰ্ভতে ব্ৰহ্মপুত্ৰৰ জন্ম হৈছিল নিশ্চয়। পিতৃবাক্য পালি জমদাগ্নি ৰামে মাতৃ ৰেণুকাক বধ কৰাত হাতৰ মুঠিৰ পৰা কুঠাৰে এৰা নিদিয়া হ'ল। পিতৃৰ উপদেশ পালি ব্ৰহ্মকুণ্ড নামে এটা প্ৰকাণ্ড সৰোবৰৰ পাৰ কাটি এখন পৱিত্ৰ তীৰ্থ নৈ নিৰ্ম্মাণ কৰিলে। তাৰ ফলত পৰশুৰাম পাপমুক্ত হ'ল আৰু হাতৰ পৰশু খঁহি পৰিল। ধাৰাসাৰে বৈ আহি নৈয়ে ঘটনাক্ৰমে অশোক মুনিৰ আশ্ৰম বুৰাই পেলালে। খঙত মুনিয়ে নদীক অভিশাপ দিলে—তাৰ পৱিত্ৰতা নষ্ট হওক বুলি। অশেষ কাকূতি-মিনতিত সন্তুষ্ট হৈ মুনিয়ে ব্ৰহ্মপুত্ৰক আশীৰ্ব্বাদ দিলে—বছৰত এদিন মাত্ৰ তীৰ্থৰ মাহাত্ম্য থাকিব বুলি। সেই দিনেই হ'ল অশোক মুনিৰ নামেৰে অশোকাষ্টমী।

এই তিথিত সীতাৰ জন্ম হৈছিল কাৰণে সীতাৰ নামে তিথিৰ নাম সীতাষ্টমী। চ'ত মাহৰ এই সীতা-অষ্টমীত যি লোকে ইন্দ্ৰিয় সংযম কৰি ব্ৰহ্মপুত্ৰৰ জলত স্নান কৰিব তেওঁ ব্ৰহ্মপদ পায় বুলি শাস্ত্ৰই কয়। চ'ত মাহৰ পুনৰ্ব্বসু নক্ষত্ৰৰ বৃষলগ্নত সীতা-অষ্টমীৰ দিনা লোহিতৰ জলত স্নান কৰিলে সকলো পাপৰ পৰা মুক্তি পায়।

মন্ত্ৰ মাতি স্নান কৰি অশোক ফুলৰ আঠোটা কলি জলেৰে সৈতে ভক্ষণ কৰিলে শোক দূৰ হয়।

পান মন্ত্ৰ,—"ত্বামশোক হৰাভীষ্ট মধুমাসসমুদ্ভৱ।
পিবামি শোকসন্তপ্তো মামশোকং সদা কুৰু।"

অশোক ফুলকলিত দ্ৰব্যগুণ কি আছে ৰসায়নবিদসকলে জানে।

এই সকলো কাৰ্য্য যাত্ৰীসকলে ধৰ্ম্মবিশ্বাসৰ ওপৰতে নিষ্ঠাবান হৈ পালন কৰি আহিছে।

অলৌকিকতাৰে সানমিহলি পৌৰাণিক কাহিনীবিলাকে শিলঘাটৰ পুৰণি কথা কয়। সংখ্যাহীন শিলাখণ্ড বুকুত লৈ থকা দুই মুনি শিলা নামৰ দুটা প্ৰকাণ্ড শিল নদৰ মাজত জিলিকি আছে ব্ৰহ্মপুত্ৰৰ জন্ম দিন ধৰি। তেওঁলোক বোলে কুমুদ আৰু কৌস্তুভ নামৰ দুজনা মুনি; অসংখ্য ছাত্ৰ লৈ ইয়াতে পঢ়াশালি পাতি আছিল। এই সম্পৰ্কে আখ্যান এটা আছে। শিৱভক্ত বাণ ৰজাই তেওঁৰ নিজৰ ৰাজ্যত দ্বিতীয় কাশীধাম নিৰ্ম্মাণ কৰিবলৈ মন কৰি শিৱলিঙ্গ সংগ্ৰহ কৰিলে। মহামায়া শিৱানীয়ে বাণ ৰজাৰ এই পৰিকল্পনা ভাল নেপালে। তেওঁ ইয়াৰ বিৰোধিতা কৰিবলৈ স্থিৰ কৰিলে। বাণৰ কাৰ্য্যত বিঘিপথালি দি গোসাঁনীয়ে বাণৰ সংগৃহীত শিলা-স্তূপৰ পৰা এটা শিৱলিঙ্গ অপহৰণ কৰাই বৰঘোপ পৰ্ব্বতত মনে মনে থৈ দিলেগৈ। বাণ ৰজাই সেই শিৱলিঙ্গটো পাত পাতকৈ বিচাৰিবলৈ ধৰিলে। অৱশেষত তেওঁ গৈ কুমুদ আৰু কৌস্তুভ মুনিৰ আশ্ৰম পালেগৈ। সেই সময়ত মুনি দুজনাই একান্তমনে অধ্যয়ন কৰি আছিল। তেওঁলোকে শিৱলিঙ্গৰ স্তূপটো চকুৰ আগতে থকা স্বত্বেও বাণ ৰজাৰ প্ৰশ্নৰ কোনো সমিধান নিদিলে। তেওঁলোকৰ আচৰণ দেখি বাণ ৰজা বৰ অসন্তুষ্ট হল। তেওঁ উপাস্য দেৱতা মহাদেৱৰ ওচৰত প্ৰতিকাৰ প্ৰাৰ্থনা কৰিলে। ভক্তপ্ৰাণ মহাদেৱে ভক্তৰ ইচ্ছা পূৰ্ণ কৰিবলৈ মুনি দুজন তেওঁলোকৰ শিষ্য সমন্বিতে শিলা হওক বুলি অভিশাপ দিলে। তাৰ লগে লগে কুমুদ, কৌস্তুভ আৰু তেওঁলোকৰ আশ্ৰমৰ শিষ্যবোৰ শিলাখণ্ডত পৰিণত হল। সেই বিদ্যালয় আশ্ৰমস্থলীতে আজিও অসংখ্য শিষ্য সমন্বিতে মুনি দুজনা শিলা হৈ থাকিল। আজিও শিলঘাটত এই দুই মুনি শিলা দেখা পোৱা যায়। তেওঁলোকৰ আশ্ৰমৰ নাম আছিল কন্থকা আশ্ৰম। কালত ব্ৰহ্মপুত্ৰই এই আশ্ৰমৰ অধিকাংশ ঠাই নিজৰ বুকৰ ভিতৰ কৰি ললে। অভিশাপগ্ৰস্ত মুনি দুজনাৰ জয়দেউ-কাকুতিত সন্তুষ্ট হৈ ভোলানাথে তেওঁলোকৰ উদ্ধাৰৰ উপায় নিৰ্ণয় কৰি দিছিল। ঈশান

কোণত যেতিয়া সপ্ত ম্লেছৰ যুদ্ধ হব আৰু তাৰ তেজ আহি শিলত পৰিব ইয়াৰ দক্ষিণে ব্ৰহ্মপুত্ৰই গতি সলাব তেতিয়া শিষ্য সমন্বিতে মুনি দুজনাই শাপমুক্ত হৈ বৈকুণ্ঠগামী হব।

ইফালে অপহৃত শিৱলিঙ্গটো বিচাৰি উলিয়াব নোৱাৰি ব্যৰ্থমনোৰথ হৈ অসন্তোষ মনেৰে বাণ ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত বিশ্বনাথ নাম দি অপূৰ্ণ কাশীধাম নিৰ্ম্মাণ কৰিলে। বাণৰ জীৱন কালৰ পিছতহে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত বৰঘোপ পৰ্ব্বতৰ শৃঙ্গত অপহৃত শিৱলিঙ্গটো আৱিষ্কাৰ হৈছিল। ৰাজভক্ত শিৱভক্তসকলৰ যত্নত তাতে বাণেশ্বৰ নামেৰে এখন দ্বিতীয় তীৰ্থক্ষেত্ৰ নিৰ্ম্মিত হল। বহু দিনৰ মূৰত এইদৰে শিৱভক্ত বাণ ৰজাৰ মনস্কামনা পূৰ্ণ হল। পুণ্যতোয়া মহানদৰ উত্তৰ আৰু দক্ষিণ দুয়ো পাৰত দুভাগ হৈ পূৰ্ণ কাশীধাম জিলিকি উঠিল।

জনবিশ্বাস এটাৰ মতে সামন্ত গিৰিশৃঙ্গত নৰৰক্ত পিপাসু বকাসুৰৰ ৰাজধানী আছিল। তেতিয়াৰে পৰা এই পাহাড়ৰ এক শৃঙ্গত নৰবলি শালৰ চিন-মোকাম আছে। ভীমৰ হাতত বকাসুৰৰ নিধন ইয়াতে হৈছিল বুলি মানুহে ভাবে।

পিছৰ যুগৰ কথা। আৰু এটা জনশ্ৰুতিৰ মতে যেতিয়া ভাৰতৰ পশ্চিম আকাশ বিক্ৰমাদিত্যৰ শাসন-পোহৰে পোহৰাইছিল তেতিয়া পূৱত, এই সামন্ত গিৰিশৃঙ্গতে আছিল সামন্ত নামৰ এজন ধৰ্ম্মৰজাৰ ৰাজধানী। এওঁৰ কন্যা বিদ্যাৱতীৰ লগতে মূৰ্খ কালিদাসৰ পৰিণয় ঘটে। পত্নীৰ কটু বাক্য আৰু কটাক্ষ দৃষ্টিত ক্ষোভিত হৈ কালিদাস ঘৰ এৰি বনবাসী হল। তেওঁ দৃঢ়প্ৰতিজ্ঞ হৈ অধ্যয়ন ব্ৰত ল'লে। কালত মহাকৱি কালিদাসৰ সৃষ্টি হল। সৌৱা উত্তৰ পাৰে শ্ৰৱন মুনিৰ আশ্ৰম। চিনচাৰবিলাককে ভোমোৰাগুৰিয়ে পূৱমুৱাকৈ আঁঠু লৈ সেৱা কৰিছে। নদৰ বুকত এটা বৃহৎশিলাখণ্ডই "বৰলা শিল" নাম লৈ শিৱপুত্ৰ বীৰভদ্ৰৰ সমাধিক্ষেত্ৰ বুলি পৰিচয় দি আছে। দক্ষযজ্ঞ ধ্বংসকাৰী এই বীৰে সোঁৱৰায় সতীৰ পৱিত্ৰ কাহিনী। মহানদে সাৱটি ৰাখিছে পৰ্ব্বত প্ৰাঙ্গণত ত্ৰিশূলধাৰী নামৰ এখন তীৰ্থক্ষেত্ৰ। বৃহৎ পাষাণত অঙ্কিত হৈ

আছে শিৱৰ ত্ৰিশূল। শৈৱসকলে ইয়াতে আহি দেৱাদিদেৱৰ গুণ কীৰ্ত্তন কৰেহি শিৱৰাত্ৰিত মহামহোৎসৱ পাতি। মেলা-প্ৰাঙ্গণৰ মধ্যদেশ শোভা কৰে গান্ধীজীৰ মন্দিৰে।

১৫২৭ খ্ৰীষ্টাব্দত লগা মুছলমানৰ ৰণত ইয়াতে পৰিছিল কেবাজনো আহোম সেনাপতি। ১৫৩২ চনত আকৌ অসম মাৰিবলৈ আহিছিল মুছলমান সেনাপতি তুৰ্ব্বক। বীৰাঙ্গনা মূলাগাভৰুৱে এই ক্ষেত্ৰ পৱিত্ৰ কৰি গ'ল যুদ্ধত নামি শত্ৰুক বিস্ময় মনাই। কনচেং বৰপাত্ৰগোহাঁয়ে ইয়াতে পাঠানক বিষমৰূপে ঘটুৱাই ৯শ শত্ৰু সৈন্য বন্দী কৰিলে। ৰাজপ্ৰতিনিধি কৰ্ম্মবীৰ কলিয়াভোমোৰা বৰফুকনে এই শিলঘাটৰ পৰ্ব্বতৰ পৰা সিপাৰে ভোমোৰাগুৰিৰ টিলাত লগাই বৃহৎ সাঁকো নিৰ্ম্মাণ কৰিবলৈ আয়োজন কৰিছিল। সামগ্ৰীৰ অৱশিষ্টই এতিয়াও ঘোষণা কৰে সেই বীৰপুৰুষৰ কীৰ্ত্তি। মহৎ অনুষ্ঠানৰ সামৰণি পৰিল কৰ্ম্মবীৰৰ অকাল মৃত্যুতহে। পৰ্ব্বতৰ পশ্চিম শৃঙ্গত প্ৰহৰীৰ আবাসভূমিৰ চিনচাব এতিয়াও আছে।

কামাখ্যা পৰ্ব্বতৰ ইমূৰসিমূৰ লগাই বন্ধোৱা সুদীৰ্ঘ শিমলুগড় আছে ইয়াতে। তাৰ মাজত আছিল অসম ৰজাৰ সৈন্যৰ ছাউনি। মিৰজুম্‌লাই ইয়াতে যুদ্ধত জিকি গড়গাঁও পাইছিলগৈ। স্বাধীনতা সূৰ্য্য কিছু দিন ম্লান হৈ আছিল। গড়ৰ মাজত ৰাজভৱনৰ চিনচাবে এতিয়াও কয়, এই ঠাই এসময়ত ৰমকজমক সুন্দৰ নগৰ আছিল বুলি। যুদ্ধক্ষেত্ৰত প্ৰমাণ স্বৰূপ বৰটোপৰ বাৰুদৰ অংশবিশেষ এতিয়াও দেখা পোৱা যায়।

ইয়াত আছিল কোনো কালত এখন বিদ্যালয়। 'ছাত্ৰৰ পুখুৰী' নামে এটা পুষ্কৰিণীয়ে এতিয়াও তাকে কয়। এই স্থানতে আজি কলিয়াবৰ হাই স্কুলৰ প্ৰতিষ্ঠা হ'ল।

পয়ত্ৰিছ বছৰমান হৈছে। ইয়াত স্নানোৎসৱ আৰম্ভণ হ'ল কেজনমান নিষ্ঠাৱান হিন্দুৰ দ্বাৰা। বছৰবিলাকে ক্ৰমে যাত্ৰীজনতাৰ সংখ্যা বঢ়াই নি আজি প্ৰায় পঁচিছ হেজাৰমান কৰিলে। তিনি চাৰিদিন দিনেৰাতিয়ে তৰহে বিভিন্ন উদ্দেশ্যত নৰ-নাৰীৰ সমাগম হয়। শাস্ত্ৰ-

বাক্যত নিষ্ঠাৱানসকলে মন্ত্ৰপাঠ কৰি পুণ্যতোয়া নদত স্নান-দান কৰি জখলাখুপীয়া একাবেকা বাটে স্বৰ্গাৰোহন কৰি ভৱানীৰ দৰ্শন লাভ কৰেগৈ। তাতোগৈ দেখে, মন্দিৰ পৰিবেষ্টিত অগণন যাত্ৰী। দুৰ্গা, কালী মূৰ্ত্তিৰ আগত আঁঠু লৈ সেৱা জনাই আশিস ভিক্ষা কৰে। আশিস, নিৰ্ম্মালি, প্ৰসাদ, ভোগ তৰহে তৰহে চলি থাকে। পূজাৰী পাইকৰ তৎপৰতা চাবলগীয়া। ইয়াৰ সংগৃহীত পুঁজিৰে আজি ৰাইজে মন্দিৰ সংস্কাৰ কৰিছে। সংসাৰৰ অশান্তি মোচনকাৰী তীৰ্থক্ষেত্ৰ এই শিলঘাট। আত্মাৰ উৎকৰ্ষ সাধনকাৰী মানসিক সংকীৰ্ণতা হৰণকাৰী ৰোগ-জৰা নাশনকাৰী এই মহাতীৰ্থ, অশোকাষ্টমীৰ দৃশ্য হয় অতি মন-মোহা। ধৱলা বালিত শোভে বিচিত্ৰ সাজেৰে অসংখ্য মূৰুতি ধৰি নৰ-নাৰায়ণ। অন্ধকাৰ ভেদ কৰি বিজুলী বন্তিৰে ভো-ভো শব্দ কৰি উজানে-ভাটীয়ে, ৰমকজমক কৰি ভাপৰ পাঞ্চৈ অহাযোৱা কৰে অগনণ যাত্ৰীক বুকুত লৈ। কুক্ কুক্ উকি মাৰি দীঘলী গাড়ীয়ে ৰঙা চকু মেলি যেন সৰ্প ইন্দ্ৰজিত শৰীৰত ফুল বাছি শাৰী শাৰী অহোৰাত্ৰ কঢ়িয়াই নৰ-নাৰী অসংখ্যাত। ভো-ভো-পোত-পোত্ গগন নিনাদি ধূলাৰেই ৰাজআলি ধূসৰিত কৰি বায়ুবেগে আহে যায় নৰবাহী ৰথ। বিধে বিধে দ্ৰব্যসমূহৰ শাৰী শাৰী দোকানপোহাৰ। পৰ্ব্বত-প্ৰাঙ্গণে শোভা কৰে দীপজ্যোতি—তৰা যেন আকাশমণ্ডলত। প্ৰকৃতিয়ে গঢ়া এই শিলঘাট মানৱৰ মিলনমন্দিৰ। মনৰ সংকীৰ্ণ ভাব ইয়াত দূৰতে বিদূৰ।

দেশীবিদেশী নানা তৰহৰ শিল্পদ্ৰব্য আৰু কৃষিদ্ৰব্যৰ দোকান-পোহাৰত কিনাবেচা চলে। সিদ্ধহস্তসকলৰ আনন্দ আৰু তৎপৰতা দেখি অন্তৰত আশাৰ সঞ্চাৰ হয়, উন্নতিৰ আগন্তুক দেখি। স্থানীয় কোনো লোকৰ প্ৰকাশ হোৱা অকৰ্ম্মণ্যতা লক্ষ্য কৰিও হতাশৰ ভাবে হেচা মাৰি ধৰে দৰ্শকৰ মনক। জ্ঞানবুদ্ধিহীনতাৰ দোষত এতিয়াও আমাৰ বহুত ভাইককায়ে আৰ্থিক অৱস্থা টনকিয়াল কৰিব পৰা নাই। এই মেলাৰ সুযোগ ল'ব জনা নাই। চাৰ্কাচ, বোলছবি আদি খেলধেমালি

অনুষ্ঠাতাসকলক সোণালী সুযোগ দিছে দৰ্শকৰ চকুত চমক লগাই শই শই টকা ঘটিবলৈ এই মেলা উৎসৱে। কলিয়াবৰ হাই স্কুলৰ পাতনিৰ যুগতে কলিয়াবৰ যুৱকবৃন্দই স্কুলৰ শিক্ষক-ছাত্ৰৰ সহযোগত এখন মেলা-কমিটী সংগঠন কৰি মেলাৰ যাৱতীয় সা-সুবিধা দি পৰিচালনা কৰিলে। বিনিময়ত পালে কমিটীয়ে যাত্ৰীসকল আৰু ব্যৱসায়ীবিলাকৰ পৰা অৰ্থ-দান। তাৰে টনকিয়াল হৈছিল স্কুলৰ পুঁজি। আজিও শিলঘাটৰ স্থানীয় লোকে মেলা পৰিচালনা কমিটী গঠন কৰি মেলা-কাৰ্য্য সুচাৰুৰূপে চলাই আছে। প্ৰতিদানৰ সহায়ত ৰাজহুৱা অনুষ্ঠান গঢ়াত উৎসাহ পাইছে।

জাতিৰ পিতা মহাত্মা গান্ধীৰ তিৰোভাব মহোৎসৱ সদৌ নগাওবাসীয়ে সম্পাদন কৰিছিল এই শিলঘাটৰ ব্ৰহ্মপুত্ৰৰ পাৰত। মহানদৰ পূত সলিলত দিছিল মহাত্মাজীৰ চিতা-ভস্ম মহাসমাৰোহেৰে। সেই দিন ধৰি সেই বাৎসৰিক উৎসৱ ত্ৰিছ জানুৱাৰী দিনা ইয়াতে নগঞা ৰাইজে পালন কৰে। বিসৰ্জ্জনৰ পূৰ্ব্বে চিতাভস্ম স্থাপন কৰা থানতে স্থানীয় সেৱকবৃন্দই এটি মন্দিৰ কৰিছিল। সেই মন্দিৰেই হ'ল অশোকাষ্টমী মেলাৰ কেন্দ্ৰস্থল। এই পৱিত্ৰ তীৰ্থক্ষেত্ৰকে পৰিবেষ্টন কৰি বছৰি নগাওবাসীয়ে সৰ্ব্বোদয় মেলা-উৎসৱ সম্পাদন কৰে।

## শুৱালকুছিত

কামৰূপ জিলাৰ শুৱালকুছিত অতি পুৰণি কালৰে পৰা অশোকাষ্টমী উৎসৱ মহাসমাৰোহেৰে পালন কৰা হৈ আহিছে। এই উৎসৱ গোনতে ইয়াত কেনেকৈ প্ৰবৰ্ত্তিত হৈছিল সেই কথা সঠিককৈ জানিবৰ উপায় নাই যদিও এই কথা ঠিৰাং যে গাঁওখনি যিমান পুৰণি, তাৰ অশোকাষ্টমী উছৱো তাতোকৈ কম পুৰণি নহয়। হয়তো এদিন প্ৰসিদ্ধ সিদ্ধেশ্বৰ দেৱালয়কে বা আন তেনে কোনো ধৰ্ম্মানুষ্ঠানকে কেন্দ্ৰ কৰি গোনতে এই ঠাইৰ কাষেদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদত অশোকাষ্টমী স্নানৰ প্ৰৱৰ্ত্তন হৈছিল। পিছত তাৰে আলম লৈ আৰু সেই ফালেদি ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ সুবিধা থকা বাবে আৰু তাত ব্যৱসায়-বাণিজ্যৰ সুচল হোৱাৰ

কাৰণে লাহে লাহে লোকবসতি ঘন হৈ আহিল আৰু সি কালক্ৰমত এখন বৃহৎ গাঁও বা সৰু চহৰত পৰিণত হ'ল।

শুৱালকুছি নামটোৰ অৰ্থই হ'ল শুৱনি গাঁওখনি। এই নামটো শুৱলা বা স্বৰ্ণ এই দুটা মূল শব্দৰ পৰা আহিছে। শুৱলাৰ পৰা শুৱাল হোৱাটো সম্ভৱ। সেই দৰে স্বৰ্ণ শব্দৰ পৰাও সোৱন্ন আৰু তাৰ পৰা সোৱাল হব পাৰে। সেই দুটা কাৰণতে আজিও গাঁওখনৰ নাম কোনো কোনোৱে সোৱালকুছি বুলিও লিখে। গাঁওখন জনবহুল; জনসংখ্যাৰে সৰুসুৰা বহুতো নগৰকে চেৰ পেলাব আৰু মানুহবিলাক শিল্পবাণিজ্যপ্ৰিয়। উচ্চ শিক্ষিত মানুহৰ সংখ্যাও ইয়াত তাকৰ নহয়; কিন্তু ইয়াৰ মানুহে আগৰে পৰা ৰজাঘৰীয়া চাকৰিতকৈ স্বাধীন ব্যৱসায় ভাল পায়। গাঁওখনৰ ওচৰ পালেই ইয়াৰ মানুহৰ মাতৰ ৰোল প্ৰথমে কাণত পৰে আৰু গাঁওখন যে মানুহেৰে ঠাহ্‌খাই আছে এই কথা গাঁওখন নৌ দেখোঁতেই অনুমান কৰিব পাৰি। সুখৰ কথা যে কোনো মানুহকে ইয়াত প্ৰায় কোনো সময়তে অলস ভাবে কথা পাতি বা বহি থকা দেখা নেযায়। হয়তো ৰাতিপুৱা গা-পা ধুই ডিঙিত গামোছাখন লৈ সুদা হাতে লৰালৰিকৈ কীৰ্ত্তনঘৰলৈ গৈছে, নহলে আবেলি হাতত সূতাৰ উঘা এটাকে লৈ তাৰে পৰা সূতা ভাঙিছে বা পকাইছে। লগতে লগৰীয়াৰ লগত কথাবতৰা পাতি আমোদো কৰিছে। সিফালে তাঁতশালবোৰৰ ঠক্‌ঠকনিয়ে গাঁওখন ৰজনজনাই থাকে। এনে হেন লাগে ই যেন কৰ্ম্মব্যস্ত জাপান দেশৰ এটি ক্ষুদ্ৰ তাওৰণহে।

অশোকাষ্টমীৰ দিনাখন এই গাঁওখনে যেন এটা নতুন জীৱন লাভ কৰে। সেই দিনা মানুহবিলাকৰ উলহমালহৰ মাজতে গাত ৰংচোৱা কাপোৰজোৰে গাঁওখনিক এটি উজ্জ্বল ৰূপ দিয়ে। শুৱালকুছিৰ বসন্তোৎসৱ এই অশোকাষ্টমীয়েই। আগদিনাখনৰে পৰা শুৱালকুছিত অশোকাষ্টমীৰ আয়োজন কৰিবলগীয়া হয়। গাঁৱৰ নেতৃস্থানীয় লোকসকলে অষ্টমীৰ মেলা হবলগীয়া উপযুক্ত ঠাই এখন ব্ৰহ্মপুত্ৰৰ পাৰতে আগৰে পৰা চাইচিন্তি ঠিক কৰি থয় আৰু সপ্তমীৰ দিনা সেই ঠাইলৈ গৈ বিগ্ৰহসকলৰ কাৰণে স্নানৰ সুবিধাজনক ঠাই এডোখৰ আছুতীয়াকৈ ৰাখি বাকী ঠাইখিনি বিধে

বিধে বজাৰ বহুৱাবলৈ ভাগ ভাগ কৰি থৈ দিয়ে। বতৰ ভালে থাকিলে কিছুমান দোকানীয়ে সেই দিনাই গধূলি দোকানৰ কাৰণে চাংচালি সাজি লয়গৈ। গাঁৱৰ ভিতৰতো সেইদৰে আয়োজন চলে। স্নানৰ সময় ৰাতিপুৱাই প্ৰশস্ত। সেইদেখি দূৰণিবটীয়া গাঁৱৰ মানুহবিলাক প্ৰায়ে অষ্টমীৰ আগদিনা গধূলিতে আহি শুৱালকুছি পায়। সেই তীৰ্থযাত্ৰীসকলক আলহীৰূপে ৰাখিবলৈ সঙ্গতিসম্পন্ন প্ৰত্যেক ঘৰ গৃহস্থই যথোপযুক্ত ব্যৱস্থা কৰে। এই আলহীসকল প্ৰায়ে বয়সিয়াল মানুহ। নিজৰ আত্মীয়কুটুম্ব নহলে তেওঁলোকে নিজ হাতে সিজাই চাউলমুঠি খাবে। সেই দেখি যাৰ ঘৰত বাহিৰা তেনে এডুখৰি ঠাই আছে, তেওঁলোকে সেই দিনা নিজ নিজ ঘৰ, পদূলিমুখ আদি চিকুণোৱাৰ লগতে সেই আছুতীয়া ঠাইকণো মচিকাছি পৰিস্কাৰকৈ থয়। কিছুমান লোকে নিজৰ আৰু যাত্ৰীসকলৰ উপকৰণৰ লগতে অশোক ফুল বিচাৰি আনে।

অশোকাষ্টমীৰ দিনা দোকমোকালিৰে পৰা গাঁওখনত খলক লাগি উঠে। যাত্ৰীসকলে যিমান সোণকালে পাৰে, পোহৰ হোৱাৰ লগে লগে স্নানৰ উপকৰণবোৰ লৈ নৈৰ ঘাটলৈ যায়। স্নানৰ মন্ত্ৰ সাধাৰণতে ব্ৰাহ্মণ এজনে পাঠ কৰে, কিন্তু নিজে মন্ত্ৰটো জানিলে সেই মন্ত্ৰ গাই ক্ৰম অনুসৰি নিজেও অশোকাষ্টমী বিহিত স্নান তৰ্পণাদি ক্ৰিয়া সমাধা কৰে। পোনতে ব্ৰহ্মপুত্ৰ স্নান এই মন্ত্ৰেৰে কৰা হয়—

“ব্ৰহ্মপুত্ৰো মহাবাহো শান্তনুকুলনন্দন।
অমোঘাগৰ্ভসম্ভূত পাপং লোহিত্য মে হৰ॥”

তাৰ পিছত অশোক ফুলৰ কলি এটি ধাৰণ কৰি মন্ত্ৰ গায়। মন্ত্ৰ পাঠ কৰা শেষ হলেই পানীত বুৰ মাৰি অশোকৰ কলিটি গিলি থয়। চমুকৈ এয়ে অশোকাষ্টমীৰ সাধাৰণ প্ৰক্ৰিয়া। ইয়াৰ উপৰিও বহুতে ইয়াত পিতৃপুৰুষৰ তৰ্পণাদি কৰে। সেই দিনা এই ব্ৰহ্মপুত্ৰৰ অশোকাষ্টমীৰ স্নানত গঙ্গাস্নানৰ সমান ফল লাভ হয়। সেই কাৰণে গঙ্গাত লগাবলৈ ৰখা মৃতকসকলৰ অস্থি অশোকাষ্টমীৰ দিনা গঙ্গাৰ সলনি ব্ৰহ্মপুত্ৰতে যথাবিহিতভাবে প্ৰদান কৰা হয়।

এই উৎসৱৰ আন এটা মুখ্য আকৰ্ষণৰ বিষয় হৈছে ঢোলে-ডগৰে, গায়নে-বায়নে সমদল কৰি গোসাঁইসকলক ( বিগ্ৰহসকলক ) খাটোলাত তুলি মহাসমাৰোহেৰে আনয়ন। প্ৰভুসকলক সজাইপৰাই স্নানৰ উদ্দেশ্যে সেই দিনা ইয়ালৈ অনা হয়। সেই উপলক্ষে প্ৰজাসমাৰোহৰ দলদোপ হেন্দোলদোপ চায় কোনে? প্ৰভু কেইজনাক মহাআড়ম্বৰেৰে আনি নৈৰ বালিৰ নিৰ্দ্দিষ্ট স্থানত শাৰী শাৰীকৈ ৰখা হয়। এই প্ৰভু কেইজনা হৈছে হাজোৰ মাধৱ, কেদাৰ, কামেশ্বৰ, বংশৰৰ ভৃঙ্গেশ্বৰ ( ভাঙ্গাৰা গোসাঁই ), বামুন্দীৰ ধাৰেশ্বৰ আৰু শুৱালকুছিৰ পশ্চিম সীমান্তত থকা সিদ্ধেশ্বৰ আদিৰ চলন্তা বিগ্ৰহ। এই প্ৰভুসকল এজনৰ পাছত আন জন অহা সমদলৰ দৃশ্য বৰ চাবলগীয়া হয়। হাজোৰ মাধৱৰ আড়ম্বৰ সৰাতোকৈ অধিক। এই গোসাঁই কেইজনাৰ উপস্থিতিত শুৱালকুছিৰ অশোকাষ্টমীৰ ঘাট স্বৰ্গপুৰীত পৰিণত হয়। যথাবিহিতভাবে স্নান কৰাই প্ৰভুসকলক পুনৰ নিজ নিজ আসনত উপবেশন কৰোৱা হয়। তেতিয়া যাত্ৰীসকলৰ গোসাঁই দৰ্শন কৰিবলৈ সুযোগ মিলে। তেওঁলোকে হেঁচাঠেলা লগাই আগবাঢ়ি গৈ গোসাঁই কেইজনাক সেৱা জনায়। সেৱা-পৰ্ব্ব শেষ হোৱাৰ লগে লগে বেলি ভাটী দিয়ে আৰু সন্ধিয়াৰ লগে লগে নিজ নিজ স্থান পোৱাকৈ গোসাঁই কেইজনাৰ ওলোটা যাত্ৰা আৰম্ভ হয়। তেওঁলোকৰ অন্তৰ্দ্ধানৰ লগে লগে মেলাস্থলীৰ গাম্ভীৰ্য্য যেন বহু পৰিমাণে কমি যায়।

অশোকাষ্টমীৰ এই মেলা উপলক্ষে শুৱালকুছিত জনসমাগম বৰ বেছি হয়—লোকে লোকাৰণ্য হয় বুলি কব পাৰি। বতৰ ভালে থাকিলে গোটেই দিনটো অগণন তীৰ্থযাত্ৰীৰ দলদোপ হেন্দোলদোপ এই উৎসৱৰ এটা বৈশিষ্ট্য। এই অঞ্চলৰ মানুহে বিপুল জনসমাগমৰ কথা কব লাগিলে কথাই কথাই এই অশোকাষ্টমীৰ ৰজিতা দি কয়।

অষ্টমীৰ দিনা ৰাতিপুৱাৰে পৰা ব্ৰহ্মপুত্ৰ পাৰ হোৱা যাত্ৰীৰ ভিৰ বৰ বেছি হয়। বতৰ ভাল হলে চাৰি-পাঁচ মাইল পশ্চিমৰ পৰা নাও আৰু মানুহে ব্ৰহ্মপুত্ৰখন জেনেই ঢাকি পেলায়। চ'ত মাহৰ শেষভাগৰ সেই সময়ত বতৰ বেয়া হোৱাৰ সম্ভাবনা থাকে; বিশেষকৈ অষ্টমীৰ দিনা

আবেলি পচোৱা বতাহ প্ৰায়েই হয়। বতাহৰ কাৰণে ব্ৰহ্মপুত্ৰত ঢৌ উঠিলে কোনো কোনো বছৰ অষ্টমী চাই উলটি যোৱা যাত্ৰীসকল পাৰ হোৱাত বিপৰ্য্যয় ঘটে। এই নিচিনাকৈ হোৱা পছোৱা বতাহৰ ধূলিয়ে প্ৰায়েই অষ্টমীৰ বজাৰত উলিওৱা মিঠাইবোৰ নষ্ট কৰি পেলায়। ইয়াত ওচৰৰ চাপৰিবোৰৰ পৰা অহা ৰঙালাও, তৰমুজ, ছাৰিও ফালৰ গাঁওবোৰৰ পৰা অনা কুঁহিয়াৰ, তেতেলী, আগতীয়াকৈ ওলোৱা জিয়ঁহ, নতুন বছৰৰ পঞ্জিকা, নানা বিধ লোৰ সজুলি, জাপি, নানা বিধ পুতলা আৰু লৰা'ছোৱালীৰ খেলৰ বস্তু আদি প্ৰধানকৈ বেচাকিনা হয়। অষ্টমী চাই ঘূৰি যোৱা লৰাছোৱালীবিলাকৰ হাতত স্থানীয় কুমাৰে সজা হাতীঘোঁৰা পুতলাৰ দৃশ্য আৰু আৰু মুখত নানা বিধ পেঁপাৰ শব্দই মাৰ নোযোৱা সাঁচ মানুহৰ অন্তৰত বছৰাই দি বছৰেকৰ কাৰণে শুৱালকুছিৰ অশোকাষ্টমীয়ে মেলানি লয়।

---

# কামাখ্যাৰ অম্বুবাচী-মেলা

প্ৰকৃতিৰ কাম্যকানন, দেৱতাৰ লীলাভূমি, মানৱৰ পুণ্যক্ষেত্ৰ, অতীতৰ কামৰূপ ৰাজ্যৰ মধ্যভাগত পৱিত্ৰ ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ তীৰত নীলাচল শিখৰত ভাৰতবৰ্ষৰ তীৰ্থস্থানসমূহৰ ভিতৰত নামজ্বলা কামাখ্যা মন্দিৰ অৱস্থিত। ইয়াতেই দেৱী মহামায়া আদ্যাশক্তিয়ে কামাখ্যা ৰূপ ধাৰণ কৰি বিৰাজ কৰিছে। নদৰাজ ব্ৰহ্মপুত্ৰই নীলাচল পৰ্ব্বত বা কামগিৰিৰ পাদদেশ স্পৰ্শ কৰি কল্ কল্ ধ্বনিৰে আপোন উদ্দেশ্যেৰে গতি কৰিছে। যি স্থানত কামাখ্যা মন্দিৰে শোভাবৰ্দ্ধন কৰিছে সেই স্থান ব্ৰহ্মপুত্ৰ নদৰ বুকুৰ পৰা প্ৰায় ৫৫০ ফুট উৰ্দ্ধত। এই নীলাচল পৰ্ব্বতৰ ওপৰ ভাগত বৰ্ত্তমান এখনি সুন্দৰ চহৰ নিৰ্ম্মাণ হৈছে। ভূৱনেশ্বৰী মন্দিৰলৈকে গোটেই কামাখ্যা পৰ্ব্বত জুৰি এটি অকোৱাপকোৱা বাটেৰে যানবাহন যাব পৰা হোৱাত বৰ্ত্তমানে কামাখ্যামন্দিৰ দৰ্শনৰ সুচল হৈছে।

কামাখ্যা মহাপীঠৰ কেনেকৈ উৎপত্তি হ'ল আৰু কামাখ্যা নাম কেনেকৈ পালে ইয়াৰ আখ্যান বিভিন্ন প্ৰাচীন গ্ৰন্থত পোৱা যায়। কালিকা পুৰাণৰ মতে পুৰাকালত দক্ষ নামেৰে এজন ৰজা আছিল। সতী নামেৰে দক্ষ ৰজাৰ এজনী অতি ৰূপৱতী কন্যা আছিল। স্বয়ং দেৱাদিদেৱ মহাদেৱে সতীৰ ৰূপত ভোল গৈ তেওঁক বিয়া কৰালে। দক্ষ ৰজাই ভিকহু মহাদেৱক সতীয়ে পতি বৰণ কৰা কাৰ্য্যত বৰ অপমান বোধ কৰি মহাদেৱক হেয় প্ৰতিপন্ন কৰিবৰ উদ্দেশ্যেৰে মহাসমাৰোহেৰে এক শিৱহীন যজ্ঞ আৰম্ভ কৰে। দক্ষ ৰজাই দেৱৰ্ষি নাৰদৰ হতুৱাই সকলো দেৱতাকে যজ্ঞলৈ নিমন্ত্ৰণ কৰালে কিন্তু শিৱ আৰু সতীক নিমন্ত্ৰণ নকৰিলে। সতীয়ে পিতৃগৃহত যজ্ঞৰ কথা শুনি স্ব ইচ্ছাই যজ্ঞস্থলীত উপস্থিত হলগৈ। দক্ষৰাজে সতীৰ আগতে শিৱক নিন্দা কৰিবলৈ ধৰিলে। পতিনিন্দা সহিব নোৱাৰি সতীয়ে যজ্ঞস্থলীতে প্ৰাণ বিসৰ্জ্জিলে।

সতীয়ে দেহত্যাগ কৰা শুনি শিৱই প্ৰলয়ঙ্কৰ মূৰ্ত্তি ধাৰণ কৰি সহচৰসকলৰ সৈতে দক্ষ ৰজাৰ যজ্ঞৰ ঠাইত উপস্থিত হৈ যজ্ঞকুণ্ড লণ্ডভণ্ড কৰি দক্ষ ৰজাৰ মুণ্ড ছিঙি পেলালে। পিছে দক্ষ ৰজাৰ মাদৈৰ স্তুতিত সন্তুষ্ট হৈ দক্ষ ৰজাৰ কান্ধত ছাগ-মুণ্ড লগাই প্ৰাণদান কৰিলে। সদাশিৱই শোকমোহত অৱসন্ন হৈ পগলাৰ দৰে সতীৰ মৃতদেহ কান্ধত তুলি লৈ ত্ৰিভুৱন ভ্ৰমণ কৰিবলৈ ধৰিলে। ব্ৰহ্মা আদি দেৱতাসকলে শিৱৰ তেনে অৱস্থাত ত্ৰিভুৱন ধ্বংস হোৱাৰ ভয়ত বিষ্ণুৰ ওচৰ চাপিলগৈ। বিষ্ণুৱে সুদৰ্শন চক্ৰেৰে সতীৰ দেহ খণ্ডবিখণ্ড কৰি কাটি পেলালে। পিছত সতীৰ অঙ্গ পৰি হোৱা প্ৰত্যেক ঠাইতেই একোখনি মহাপীঠৰ সৃষ্টি হ'ল। নীলাচল পৰ্ব্বতৰ ওপৰত সতীৰ গুপ্ত অঙ্গ পৰিছিল। এই অঙ্গই শিলাৰূপ ধাৰণ কৰি মহামায়া কামাখ্যা নামেৰে তীৰ্থজগতত জনাজাত হ'ল।

যেতিয়া বিষ্ণুৱে সুদৰ্শন চক্ৰেৰে সতীৰ দেহ খণ্ডবিখণ্ড কৰি কাটি পেলালে, তেতিয়া দেৱাদিদেৱ মহাদেৱ সতীৰ বিৰহত জৰ্জ্জৰিত হৈ হিমেৰে ঢাক খাই থকা হিমালয় পৰ্ব্বতৰ বিশাল বুকুত ঘোৰ তপস্যাত মগ্ন হৈ আছিল। ঠিক সেই সময়তে তাৰকাসুৰ নামেৰে এক অসুৰে তপস্যাত সিদ্ধি লাভ কৰি স্বৰ্গৰাজ্যৰ সিংহাসন দেৱৰাজ ইন্দ্ৰৰ পৰা কাঢ়ি ললে। তেতিয়া ইন্দ্ৰ আদি দেৱতাসকলে স্বৰ্গচ্যুত হৈ ব্ৰহ্মাৰ ওচৰ চাপিল। দেৱতাসকলৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ ব্ৰহ্মাই কামদেৱ আৰু তেওঁৰ ভাৰ্য্যা ৰতি দেৱীক শিৱৰ তপস্যা ভঙ্গ কৰিবলৈ পঠিয়ালে। কামদেৱে পুষ্পবাণ নিক্ষেপ কৰাৰ লগে লগে দেৱাদিদেৱ মহাদেৱৰ ধ্যান ভঙ্গ হ'ল আৰু তেওঁ সংহাৰ মূৰ্ত্তি ধাৰণ কৰি কোপাগ্নিত কামদেৱক ভস্ম কৰিলে। কামদেৱৰ ভাৰ্য্যা ৰতি দেৱীৰ আৰু দেৱতাসকলৰ স্তুতিত সন্তুষ্ট হৈ মহাদেৱে কামদেৱৰ পুনঃ জীৱন দান দিলে। কিন্তু কামদেৱে আগৰ মনোমুগ্ধকৰ কান্তি লাভ কৰিব নোৱাৰি পুনাই মহাদেৱক স্তুতি কৰিবলৈ ধৰিলে। স্তুতিত সন্তুষ্ট হৈ মহাদেৱে কলে,—"ভাৰতবৰ্ষৰ ঈশান কোণত কামৰূপৰ অন্তৰ্গত নীলাচলত সতীৰ গুপ্ত অংশ এতিয়াও প্ৰকাশ পোৱা নাই।

সেই ঠাইত মন্দিৰ নিৰ্ম্মাণ কৰি দেৱীৰ মাহাত্ম্য প্ৰচাৰ কৰিলে তুমি পূৰ্ব্বৰ ৰূপকান্তি লাভ কৰিব পাৰিবা।" মহাদেৱৰ কথা শুনি কামদেৱে নীলাচললৈ আহি ৰতিৰ সৈতে মহামায়াক স্তুতি কৰিবলৈ ধৰিলে আৰু মহামায়াক সন্তুষ্ট কৰি পূৰ্ব্বৰ বিশ্ববিমুগ্ধকৰ ৰূপ লাভ কৰিলে। তেতিয়া অতি আনন্দ চিত্তেৰে কামদেৱে আদ্যাশক্তি মহামায়াৰ প্ৰতিষ্ঠা আৰু মাহাত্ম্য প্ৰচাৰ কৰিবৰ অৰ্থে বিশ্বকৰ্ম্মাক মন্দিৰ নিৰ্ম্মাণ কৰিবলৈ প্ৰাৰ্থনা জনালে। বিশ্বকৰ্ম্মাই মন্দিৰ আৰু মহাপীঠৰ সংলগ্ন হৈ থকা লক্ষ্মী-সৰস্বতী দেৱীৰ পীঠ, মন্দিৰৰ গাত অষ্টাদশ ভৈৰৱ মূৰ্ত্তি আৰু চৌষষ্ঠি যোগিনী নিৰ্ম্মাণ কৰি মন্দিৰৰ কাম শেষ কৰে। তেতিয়াৰ-পৰাই কামৰূপ কামাখ্যা দেৱীৰ মাহাত্ম্য দেশদেশান্তৰত প্ৰচাৰিত হয় আৰু এই দেশ কামৰূপ নামেৰে জনাজাত হ'ল।

আন এটি আখ্যান মতে যেতিয়া ধৰিত্ৰীৰ তনয় নৰকাসুৰে কিৰাত নৃপতি ঘটকাসুৰক বধ কৰি কামৰূপৰ অধিপতি হয় তেতিয়া তেওঁৰ পিতৃ নাৰায়ণে ৰাজ্যৰ মঙ্গলৰ কাৰণে আদ্যাশক্তি কামাখ্যাক উপাসনা কৰিবলৈ কৈ যায়। সেইমতে তেওঁ কাৰ্য্য কৰি ৰাজ্যৰ শ্ৰীবৃদ্ধি সাধন কৰে। কিন্তু পিছত বাণ ৰজাৰ লগ লাগি তেওঁ অত্যাচাৰী হৈ উঠিল। মহামায়া কামাখ্যা দেৱীয়ে এদিন নিজ ৰূপ ধাৰণ কৰি পৰীক্ষা কৰিবৰ অৰ্থে নৰকাসুৰৰ আগত দেখা দিলে। অতি প্ৰতাপী নৰকাসুৰে গোসাঁনীৰ ৰূপত মোহ গৈ দেৱীক বিবাহ কৰিবলৈ ইচ্ছা কৰিলে। অসুৰৰ দুৰাকাঙ্ক্ষা জানিব পাৰি ভগৱতীয়ে বিবাহ হ'ব পৰা এটি স্বত্ব দিলে। সেইমতে যদি একে ৰাতিৰ ভিতৰতে কামাখ্যা মন্দিৰলৈ উঠিব পৰাকৈ তেওঁ শিলৰ খট্‌খটী সাজিব পাৰে আৰু প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হোৱা বিশ্বকৰ্ম্মাই গঢ়ি দিয়া মন্দিৰটো পুৰ্ননিৰ্ম্মাণ কৰি দিব পাৰে তেতিয়া হলে বিবাহ হোৱাৰ সম্ভাৱনা আছে। মদগৰ্ব্বী অসুৰে দেৱী লাভৰ আশাত সেই মতেই একেৰাতিৰ ভিতৰতে খট্‌খটী আৰু মন্দিৰো প্ৰায় আধামান নিৰ্ম্মাণ কৰিলে। এনেতে মহামায়াই ৰাতি নো পুৱাওঁতেই কুকুৰাৰ ডাক

দিয়ালে। তাৰ ফলত কামো অসম্পূৰ্ণ হৈ ৰল আৰু অম্বুবৰো ইচ্ছা পূৰণ নহ'ল।

পুৰাণত সতীৰ গুপ্ত অঙ্গ পৰা পৰ্ব্বতটোৰ নাম কেনেকৈ নীলাচল হল তাকো এনেদৰে উল্লেখ কৰা আছে যে সতীৰ গুপ্তাঙ্গ যেতিয়া পৰ্ব্বতত পতিত হয় আৰু পৰ্ব্বতৰূপধাৰী অঙ্গই মহামায়াৰ যোগনিদ্ৰাত লীন হৈ যায়, তেতিয়া এই পৰ্ব্বতে নীল ৰূপ ধাৰণ কৰে। সেই কাৰণেই কামাখ্যা পৰ্ব্বতৰ নাম দেৱতাসকলে নীলপৰ্ব্বত থলে।

যোগিণীতন্ত্ৰৰ মতে আকৌ মহাদেৱে পাৰ্ব্বতী দেৱীৰ অনুৰোধমতে কামাখ্যা মহাপীঠৰ উৎপত্তি সম্পৰ্কে বৰ্ণনা কৰিবলৈ ধৰিলে। তেওঁ কলে —"হে দেৱী! স্বয়ম্ভু বিধাতাই সৃষ্টিৰ অহঙ্কাৰত মত্ত হৈ মহাকালীৰ হিত উপদেশ পাহৰি গ'ল। ব্ৰহ্মাৰ এই অহঙ্কাৰ লক্ষ্য কৰি মহাকালীয়ে ব্ৰহ্মাৰ দেহত থকা অহঙ্কাৰৰ পৰাই দুৰ্দ্ধৰ্ষ কেশী নামেৰে দৈত্যৰ সৃজন কৰিলে। এই দৈত্যই জন্ম গ্ৰহণ কৰিয়েই "ব্ৰহ্মাক মাৰ" "ব্ৰহ্মাক মাৰ" এই শব্দ কৰি ব্ৰহ্মাক ধাও মাৰি খেদি গ'ল। তাকে দেখি সৃষ্টিকৰে বিষ্ণুৰ কাষ পালেগৈ। "ব্ৰহ্মাক মাৰ" "ব্ৰহ্মাক মাৰ" এই শব্দ তেতিয়াও বিশ্বব্ৰহ্মাণ্ডত উচ্চাৰণ হবলৈ ধৰিলে। ব্ৰহ্মাই নিৰুপায় হৈ বিষ্ণুৰ লগত পৰামৰ্শ কৰি মহাকালীক স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মা আৰু বিষ্ণুৰ স্তুতিত সন্তুষ্ট হৈ মহাকালীয়ে কলে—"হে ব্ৰহ্মা! তুমি যি অহঙ্কাৰত মত্ত হৈছিলা, তোমাৰ সেই অহঙ্কাৰ এতিয়া চূৰ্ণ হৈছে: এতেকে আকৌ জগত তোমাৰে অধীন হব। হে ব্ৰহ্মা! তোমাৰ অহঙ্কাৰৰ পৰা জন্ম হোৱা কেশী দৈত্যক মই বধ কৰিম, সেই কাৰণে কোনো চিন্তা নকৰিবা।" মহাকালীয়ে এনেকুৱা আশ্বাস দি পিছত কেশী দৈত্যক হুঙ্কাৰৰ দ্বাৰাই সংহাৰ কৰিলে। তাৰ পিছত দনুজকুল উগ্ৰতন্ত্ৰী মহাকালীয়ে জীৱকুলৰ অধিকাৰী পিতামহ ব্ৰহ্মাক চেনেহসনা মাতেৰে কবলৈ ধৰিলে—"হে ব্ৰহ্মা! মোৰ মঙ্গলময় কথা শুনা। কেশী দৈত্য বিনাশৰ কাৰণে যি ঠাইত মোক স্তুতি কৰিছিলা, সেই ঠাইৰ পিনে চোৱা। দেখিবা তাত এখন যোনিমণ্ডলৰ উদ্ভৱ হৈছে। এই যোনিমণ্ডল মোৰ তেজৰ পৰা উদ্ভৱ।

এই যোনিমণ্ডলৰ পৰাই সৰ্ব্বসাধাৰণৰ উৎপত্তি হৈছে, ইয়াত কোনো সন্দেহ নাই। মোৰ যি প্ৰকৃতি সেয়ে যোনিমণ্ডল : গতিকে ইয়াক মহা পুণ্যপীঠ বুলি ভাবিবা।”

নৰকাসুৰৰ দিনৰ পৰা ডেৰহাজাৰ দুহেজাৰ বছৰ মন্দিৰ কেনে অৱস্থাত আছিল আৰু পূজাসেৱা কেনেকৈ চলিছিল তাৰ কোনো বিবৰণ জনা নেযায়। কোচৰজা বিশ্বসিংহই কমতাপুৰ আক্ৰমণ কৰি জয় কৰাত নিজৰ ৰাজ্যৰ ভিতৰত নীলাচল পৰ্ব্বত পৰাৰ পিছত মাটিৰ তলত পোত খাই থকা ভগা মন্দিৰ সহ যোনীপীঠ উদ্ধাৰ কৰে। এই বিষয়েও অৰ্থাৎ ৰজা বিশ্বসিংহই কামাখ্যা মহাপীঠ পুনৰ আৱিষ্কাৰ কৰা সম্পৰ্কেও এটা কাহিনী আছে। এইজন ৰজাই যেতিয়া ভায়েক শিৱসিংহৰ লগত ৰাজ্য বিস্তাৰ কৰিবলৈ পূৱফালে আগুৱাই আহে তেতিয়া এইবোৰ ঠাইত অকণ্টকা হাবি আছিল। এই হাবিত বিবিধ বনৰীয়া জন্তুৱে বিচৰণ কৰিছিল। ভাল বাটপথ নাছিল বুলিলেই হয়। এদিন বিশ্বসিংহ ৰজাই এই হাবিৰ মাজত বাট হেৰুৱাই অকলশৰীয়া হৈ পৰিল। অনুচৰবিলাক তেওঁৰ পৰা আঁতৰত ৰবাতে থাকিল। বিশ্বসিংহ মহাৰাজে পকুৱাই পোৱা মানুহৰ দৰে হাবিৰ মাজত অনাইবনাই ঘূৰি ফুৰিবলৈ ধৰিলে। অৱশেষত কৰবাত আশ্ৰয় মিলিব পাৰে বুলি তেওঁ নীলাচল পৰ্ব্বতত উঠিল। পৰ্ব্বতৰ ওপৰতো হাবি। তাতো ভাইককাই দুজনে কোনো মানুহৰ সঁহাৰি নেপালে। কিছু সময় ইফালে সিফালে ঘূৰি ফুৰাৰ পিছত তেওঁলোকে হঠাতে এজোপা বৰগছৰ তলত এজনী বুঢ়ী বহি থকা দেখা পালে। তেতিয়া তেওঁলোকৰ পিয়াহত অণ্ঠকণ্ঠ শুকাই গৈছিল। বুঢ়ীৰ ওচৰলৈ গৈ দুয়ো পানী খুজিলে। বুঢ়ীয়ে তেওঁলোকক অলপ সময় বহিবলৈ কৈ পানী আনিবলৈ গ'ল আৰু খন্তেক পিছতে এটা মাটিৰ হাফলুৰ তলৰ পৰা পানী আনি খাবলৈ দিলে। সেই পানী খাই দুয়ো ভাই-ককায়ে যেন নতুন জীৱনহে লাভ কৰিলে। সেই পানীটুপি তেওঁলোকৰ মানত অমৃত যেন হ'ল। বিশ্বসিংহ মহাৰাজে বুঢ়ীক

সুধি জানিব পাৰিলে যে সেই হাফলুটো মহাশক্তিৰ থান। তাত থকা দেৱীজনাই সকলোৰে মনোবাঞ্ছা পূৰ্ণ কৰে, তেওঁ সৰ্ব্বসিদ্ধি-দাত্ৰী। সেই কথা শুনি দুই ভাতৃয়ে সাষ্টাঙ্গে দেৱীক প্ৰণিপাত জনাই সেই বিপদৰ সময়ত করুণা ভিক্ষা কৰিলে। অতি আচৰিত কথা, অলপ সময় পিছতে ৰজাৰ সৈন্যসামন্তবিলাক আহি তাতে লগ লাগিল। ৰজাই দেৱীজনাৰ মাহাত্ম্যৰ প্ৰত্যক্ষ প্ৰমাণ পালে। মহামায়াৰ কৃপাত তেওঁৰ ৰাজ্যত শান্তি স্থাপন হলে আৰু শত্ৰুবিলাকক মথিমুৰ কৰিব পাৰিলে তেওঁ সেই হাফলুৰ ওপৰত এটা সোণৰ মন্দিৰ সজাই দিম বুলি মানস কৰিলে। বুঢ়ীয়ে শিকাই দিয়ামতে যথাবিধি দেৱীক পূজা-পাতল দি দুয়ো সসৈন্যে নিজৰ ৰাজ্যলৈ উলটি গ'ল। তাৰ পিছত অলপ দিনৰ ভিতৰতে তেওঁৰ ৰাজ্যত শান্তি স্থাপন হল আৰু শত্ৰুৰ পৰাও নিষ্কৃতি পালে। ৰাজ্যত উভৈনদী সুখ আৰু শান্তিয়ে দেখা দিলে। এই সকলোবোৰ সেই নীল পৰ্ব্বতৰ ওপৰত গুপ্তভাবে থকা দেৱীজনাৰ কৃপাতে হৈছে বুলি ৰজাৰ মনত দৃঢ়বিশ্বাস জন্মিল। পণ্ডিতসকলে বহু আলাপ-আলোচনা, গণনা-গৱেষণা কৰি ৰজাক জনালে বোলে মহাৰাজে নীলপৰ্ব্বতৰ ওপৰত দেখা পোৱা হাফলুটোৰ ভিতৰতে মহামায়া কামাখ্যা দেৱীৰ পীঠ গুপ্ত হৈ আছে। ৰজাই সেইমতে পৰ্ব্বতৰ ওপৰত হাবিবন পৰিষ্কাৰ কৰাই মাটিৰ হাফলুটো খান্দি চোৱাত কামদেৱে নিৰ্ম্মাণ কৰা মহামায়াৰ শিলৰ মন্দিৰ ওলাই পৰিল আৰু তাত দেৱীৰ যোনিমণ্ডলো আৱিষ্কৃত হল। তাৰ ওপৰতে মহাৰাজ বিশ্বসিংহই এটা ইটাৰ মন্দিৰ সজাই দিলে। পূৰ্ব্বতে মানস কৰা মতে তেওঁ সেই মন্দিৰ সোণেৰে নসজালে। কিন্তু কিছু দিনৰ পিছতে সেই মন্দিৰ ভাঙি পৰাত ৰজাৰ মনত কেনেবা কেনেবা লাগিবলৈ ধৰিলে। তেওঁৰ মনত শান্তি নোহোৱা হ'ল। এদিন গোসাঁনীয়ে তেওঁক সপোনতে দেখা দি কলে -"মহাৰাজ! তুমি প্ৰতিজ্ঞা ভঙ্গ কৰিলা, সেই কাৰণেহে মন্দিৰটো ভাঙি পৰিল। পুনৰ সেই মন্দিৰ সাজি দিয়া। যদি প্ৰতিটো ইটাত এক ৰতি সোণ

দিয়া তেতিয়াও তোমাৰ প্ৰতিজ্ঞা ৰক্ষা হব। বিশ্বসিংহ ৰজাই দেৱীৰ নিৰ্দ্দেশ অনুযায়ী সেইমতে পুনৰ কামাখ্যা মন্দিৰ নিৰ্ম্মাণ কৰাই দিছিল। তেৱেঁই পূজাৰী আদি আনি নিযমিতৰূপে কামাখ্যা দেৱীৰ পূজা-সেৱা হোৱাৰ দিহা কৰি দিযে।

পিছত যেতিয়া কোচৰজা নৰনাৰায়ণৰ ভাযেক চিলাৰায় ৰজাৰ পৰা আঁতৰত দেশজযৰ যুদ্ধত ব্যস্ত হৈ থাকে সেই সমযতেই গৌৰেশ্বৰৰ সেনাপতি হিন্দুবিদ্বেষী কালাপাহাৰে কমতাপুৰৰ পশ্চিমাংশ জয কৰি হাজোৰ মাধৱ আৰু নীলাচলৰ কামাখ্যা মন্দিৰ সম্পূৰ্ণ ধ্বংস কৰে। শত্ৰু-সকলক পৰাজয় কৰি যুদ্ধত জয়ী হৈ চিলাৰাযে উলটি আহি কামাখ্যা মন্দিৰৰ ধ্বংসাৱস্থা দেখি মনত বৰ দুখ পালে আৰু ককাযেক মহাৰাজ নৰনাৰায়ণৰ আদেশক্ৰমে ১৪৮৭ শকত কাম্যাখ্যা মন্দিৰ পুনৰ নিৰ্ম্মাণ কৰে।

কালাপাহাৰে ধ্বংস কৰাৰ পিছত কামাখ্যা মন্দিৰ পুনৰ নিৰ্ম্মাণ কৰা সম্পৰ্কে দৰং ৰাজবংশাৱলীত তলত দিয়া বিবৰণটো পোৱা যায়।

"যুৱৰাজ পাইলা যেবে আপুন ভৱন।
পৰম আনন্দ ভৈলা নৰনাৰায়ণ॥
সুধিলন্ত কমনে আসিলা চিলাৰায।
বোলো মোক কৃপা কৰিলন্ত কামাখ্যা আই॥
শুনিয়া সবাৰ মনে আনন্দিত ভৈলা।
মেৰামুকহুমক আনি দুযো আতো কৈলা॥
দূতে গৈয়া কহিলন্ত নৃপতিৰ আগে।
মঠ বান্ধাভৈলা আজ্ঞা কৰে যেন লাগে॥
তেবে নৃপতিৰ মন আনন্দিত ভৈলা।
উছৰ্গা কৰিবে দুয়ো ভাই চলি গৈলা॥
বিধিমতে মঠক প্ৰতিষ্ঠা কৰাইলন্ত।
যতেক দক্ষিণা দিলা নাহি আদি অন্ত॥
তিনি লক্ষ হোম দিলা, এক লক্ষ বলি।
সাত কুৰি পাইক দিলা কৰি তাম্ৰ ফলি॥"

কামাখ্যা মন্দিৰ ভিতৰফালে মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ শিলৰ মূৰ্ত্তি মন্দিৰসংস্কাৰৰ নিদৰ্শন স্বৰূপে এতিয়াও দেখা পোৱা যায়। তাৰ পিছত আহোম ৰজাসকলৰ দিনত কামাখ্যাৰ নাটমন্দিৰ, তাম্ৰঘৰ, দহমহাবিদ্যাৰ মন্দিৰ, শিৱৰ মন্দিৰ আদিৰ সংস্কাৰ হয়।

কামাখ্যা মন্দিৰৰ বিষয়ে অলপ কোৱা হল। এতিয়া আমি দহ-মহাবিদ্যা মন্দিৰবিলাকৰ চিনাকিলৈ আহোঁহক। দহমহাবিদ্যানো কি? যেতিয়া সতীয়ে মহাদেৱৰ আগত পিতাক দক্ষ ৰজাৰ যজ্ঞলৈ যাবলৈ অনুমতি প্ৰাৰ্থনা কৰি নিৰাশ হল, তেওঁ তেতিয়া ক্ৰোধত কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূম্ৰাৱতী, বগলা, মাতঙ্গী, কমলা এই দহমূৰ্ত্তি ধাৰণ কৰি স্বামীৰ আগত নিজৰ প্ৰভাৱ দেখুৱালে। এই দহমূৰ্ত্তিৰ মন্দিৰকে দহমহাবিদ্যা মন্দিৰ বোলে। এই মন্দিৰবোৰৰ ভিতৰত ভুৱনেশ্বৰী মন্দিৰৰ স্থান চাবলগীয়া। ই কামাখ্যা মন্দিৰৰ পূব দিশত ব্ৰহ্ম পৰ্ব্বতৰ ওপৰত।

এই মনোৰম কামাখ্যাপীঠে দেশদেশান্তৰৰ পৰা যাত্ৰী, দৰ্শক, সাধক আদি আকৰ্ষণ কৰি আনি আমাৰ দেশৰ গৌৰৱ বঢ়াইছে। এই মহামায়া কামাখ্যাধামতে প্ৰত্যেক বছৰে অম্বুবাচী বা আমতীৰ মেলা হয়। এই মেলাক সাতৰ মেলা বুলিও কয়। আষাৰ মাহৰ আমতীৰ সাতলগা কেইদিনতে কামাখ্যাত অম্বুবাচী মেলা হয়। মেলাৰ দিনকেইটা বৰষুণ প্ৰায় নেৰাতেই পৰে। মন্দিৰৰ গোটেই টোলটো এই মেলাত লোকে লোকাৰণ্য হয়। যাত্ৰীসকলৰ ভিতৰত বঙালী যাত্ৰীৰ সংখ্যাই লেখত লবলগীয়া। আমতীৰ কেই দিন কামাখ্যা দেৱী দৰ্শন বন্ধ থাকে। অম্বুবাচী নিবৃত্তিৰ দিনা মন্দিৰৰ দুৱাৰ খোলা হয় আৰু যাত্ৰীসকলক মহামায়া কামাখ্যা দেৱীক দৰ্শন কৰিবলৈ দিয়া হয়।

এই মেলাত বেপাৰী-দোকানীবিলাকৰ সমাগম বৰ বেছি হয়। নানা ৰকমৰ পুতলা, আচী-ফণি, সুগন্ধি তেল, চেলুলয়ডৰ ছুৰি, মূৰত মৰা কাটা, ফিটা, ফাউণ্টেন পেন আদি আৰু লৰা-ছোৱালীৰ মন আকৰ্ষণ কৰিব পৰা বহু ধৰণৰ বস্তু মেলাত দেখিবলৈ পোৱা যায়। মিঠাইৰ দোকানী-

সকলেও মেলাত বিবিধ মিঠাইৰ পোহাৰ মেলেহি। এইবোৰৰ বাহিৰেও বঙ্গ-বিহাৰ আদিৰ পৰা চালান হোৱা নানাৰকমৰ আম যেনে—লেঙ্‌ৰা, ফজলি, মালদহীয়া আদি মেলাত পোৱা যায়। দোকানী আৰু গ্ৰাহকসকলৰ এই মেলাত ব্যস্ততা দেখি সঁচাকৈয়ে মন বৰ ভাল লাগি আছে। বাঁহী, পেঁপাৰ সুললিত সুৰত গোটেই কামাখ্যাধাম মুখৰিত হৈ পৰে। ইয়াৰ লগে লগে ঠায়ে ঠায়ে কলৰ গান, মাইক আদি বাজিবলৈ ধৰি দৰ্শকসকলক সেইবোৰ স্থানলৈ আকৰ্ষণ কৰি লৈ যায়। কোনোৱে আকৌ কৃত্ৰিম ছায়াচিত্ৰ দেখুৱাই ধন আৰ্জ্জে। এই সময়ত বৰ জহ পৰাৰ কাৰণে বৰফৰ ব্যৱসায়ীবিলাকৰ বৰফ আৰু চৰবৎ আদিৰ বিক্ৰি বেছি পৰিমাণে হয়। মেলাৰ শেষৰ দিনা বিশেষকৈ মালীসকলে বকুল, গুলঞ্চী, আকন, যুতি, খৰিকাজাঁই, গুটিমালী আদি সুন্দৰ সুগন্ধি ফুলৰ ধুনীয়া ধুনীয়া মালা গাঁথি পোহাৰ মেলি যাত্ৰীসকলৰ পৰা যথেষ্ট ধান উপাৰ্জ্জন কৰে। দেৱীদৰ্শনৰ সময়ত এই মালাবিলাক ব্যৱহাৰ কৰা হয়। কুমাৰীসকলে এই মেলাত ফল-মূলৰ থাল লৈ যাত্ৰীসকলৰ ওচৰ চাপে। কামাখ্যাধামত 'কুমাৰী পূজা' এটি বৰ পুণ্যৰ কাম। এই মেলাৰ পাঠক আৰু নামতীসকলৰ নামৰ জাউৰিয়ে দৰ্শকসকলৰ মন আকৰ্ষণ কৰে।

এই সময়ত মন্দিৰৰ ভিতৰত যাত্ৰীৰ ভিৰ হোৱাত স্কুল, কলেজৰ ছাত্ৰসকলে আৰু আন সঙ্ঘৰ স্বেচ্ছাসেৱকসকলে শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ আগবাঢ়ি আছে। সন্ন্যাসী, বৈৰাগীসকলে নানান ৰূপ ধৰি এই মেলাত দেখা দিয়েহি। বেমাৰী আৰু খোজনীয়াৰ সংখ্যাও এই মেলাত বৰ কম হয় বুলি কব নোৱাৰি। মুঠৰ ওপৰত কামাখ্যাৰ অম্বুবাচী মেলা এখন চমকপ্ৰদ মেলা।

# দেৱধ্বনি

কামৰূপ কামাখ্যাধামত অনুষ্ঠিত হোৱা আকৰ্ষণীয় উৎসৱসমূহৰ ভিতৰত দেৱধ্বনিও অন্যতম। এই উৎসৱক মাৰৈ ব্ৰতো বোলা হয়। শাওণ আৰু ভাদ মাহৰ দোমাহীৰ দিনাৰ পৰা ভাদৰ দুই তাৰিখলৈকে কামাখ্যা পৰ্ব্বতত মহাসমাৰোহেৰে তিনদিনীয়াকৈ এই উৎসৱ সম্পন্ন হয়. উৎসৱৰ দুটা ফাল— মনসা বা মাৰৈ পূজা আৰু দেওধা নাচ। দেওধাসকলে সেই কেইদিনত দেৱশক্তি লাভ কৰি নিজৰ উপাস্য দেৱতা বা দেৱীৰ প্ৰেৰণাত ধ্বনি কৰে অৰ্থাৎ চিঞৰে আৰু বাদ্যৰ ছেৱে ছেৱে নাচে। ইয়াকে দেৱধ্বনি বোলা হয় আৰু উৎসৱটো এই একেই নাম। দেওধাসকলক জঁকি বা ঘোঁৰা'ও বোলা হয়। নাচৰ সময়ত জঁক উঠাৰ কাৰণে জকি বোলা হব পাৰে। দেৱদেৱীসকলে দেওধাজনক ঘোঁৰাৰ দৰে বাহন স্বৰূপে ব্যৱহাৰ কৰাৰ বাবে ঘোঁৰা নাম হৈছে। মাইকী দেওধাক দেওধনী বোলে কামাখ্যাৰ দেৱধ্বনিত আজিলৈকে দেওধনীয়ে নচা নাই

সৰ্প দেৱী মনসাৰ এটি নাম মাৰৈ এই সম্পৰ্কে 'মনসা কাব্য'ৰ পাতনিৰ পৰা জানিব পাৰি যে "কামৰূপত মনসা দেৱীয়ে ক্ষমতাৰ পৰিধি বহুতখিনি বহলাই লসে মনসাদেৱী কেৱল সৰ্পৰ অধিষ্ঠাত্ৰী দেৱীয়েই হৈ নেথাকি মাৰি-মৰক, অপায়-অমঙ্গল বিনাশিনী আৰু পুত্ৰ, ধন ঐশ্বৰ্য্যদাত্ৰী দেৱীত পৰিণত হল। মনসাক পূজা কৰিলে নিৰ্ধনীৰ ধন, অপুত্ৰকৰ পুত্ৰ লাভ হয়। এওঁ অসন্তুষ্ট হলে মাৰি-মৰক, অপায় অমঙ্গল বৃদ্ধি পায়। মাৰি-মৰকৰো অধিষ্ঠাত্ৰী দেৱী বুলিয়েই বোধকৰোঁ মনসা দেৱীৰ কামৰূপত আন নাম মাৰৈ দেৱী। মাৰক বা মাৰিকা শব্দৰ পৰাই সম্ভৱতঃ মাৰৈ শব্দ হৈছে। দক্ষিণ ভাৰতত ক্ষহনি, বসন্ত আদি ভয়াবহ আৰু সংক্ৰামক ব্যাধিৰ অধিষ্ঠাত্ৰী দেৱী হল 'মাৰাম্মা' বা 'মাৰি আম্মা'। আমাৰ দেশত আই নামত উল্লেখ থকা আইৰ

সাতো ভনীৰ দৰে মাৰি আম্মাৰ সাত গৰাকী বাইভনী। এওঁলোকক হাঁহ, পাৰ, ছাগলী আদি বলি দি সন্তুষ্ট কৰা হয়। মনসা পূজাতো হাঁহ, পাৰ, ম'হ, ছাগলী বলি দিয়া হয়। আমাৰ মাৰৈ দেৱীৰ লগত মাৰি আম্মাৰ কিবা সম্বন্ধ থাককেইট বা নেথাকক নাম বিষয়ক সাদৃশ্য মন কৰিবলগীয়া। বৰোসকলে নাগ পূজাক মাৰৈ পূজা বোলে। গতিকে মাৰৈ নামটো বৰোসকলৰ পৰাও লোৱা সম্ভাৱনা।"*

কামাখ্যাত পোনপ্ৰথমে মনসা বা মাৰৈপূজাৰ কেনেকৈ প্ৰৱৰ্ত্তন হ'ল সেই বিষয়ৰ কাহিনী এটা মনসা কাব্যত উল্লেখ কৰা আছে। মনসা বা বিষহৰি দেৱী মহাদেৱৰ মানসকন্যা কিন্তু পৃথিৱীত দুৰ্গা দেৱীতকৈ তেওঁৰ প্ৰভাৱ আৰু পূজাপাতল বৰ কম। সেই কাৰণে দেৱীজনাৰ মনত বৰ দুখ। নীলাচল পৰ্ব্বতত কেৱল কামাখ্যা গোসাঁনীৰ পূজা হয়। মনসাৰ তাত কোনো স্থান নাই। মনসা দেৱীয়ে তেওঁৰ মাতৃ কামাখ্যা দেৱীৰ আগত তেওঁৰো পূজা তাত প্ৰচলন হব লাগে বুলি মিনতি জনালে কিন্তু মাকৰ পৰা মনৰ জোখাৰে তেওঁ সমিধান নেপালে। এই কথাত তেওঁ বৰ কষ্ট হল আৰু যি কোনো প্ৰকাৰে কামাখ্যাধামত নিজৰ প্ৰতিপত্তি বঢ়াই তুলিবলৈ দৃঢ়প্ৰতিজ্ঞা কৰিলে। সেই সময়ত হাজোৰ দুৰ্গাবৰ কায়স্থ নামেৰে কায়স্থ পণ্ডিত এজন কামাখ্যাত বসবাস কৰি আছিল। দেৱীয়ে দুৰ্গাবৰক সপোনত দেখা দি তেওঁৰ মাহাত্ম্য বৰ্ণনা কৰি পুথি এখন ৰচনা কৰিবলৈ আদেশ দিলে। দেৱীৰ আকাঙ্ক্ষা পূৰ্ণ কৰি দুৰ্গাবৰে পদ্মপুৰাণৰ আৰ্হি লৈ চান্দো সাউদ আৰু বেউলা-লখিন্দৰৰ কাহিনীটো গীতৰ আকাৰত লিখি মনসা বা বিষহৰি গোসাঁনীৰ মাহাত্ম্য প্ৰচাৰ কৰিলে। তেওঁৰ যত্নতে সেই কালৰে পৰা কামাখ্যাধামত মনসা পূজা শাওণ-ভাদৰ সংক্ৰান্তিৰ পৰা তিনদিন ধৰি অনুষ্ঠিত হৈ আহিছে। সেই তিনদিন পূজাৰ থলীত এই মনসা কাব্যখনি সুৰ লগাই পাঠ কৰা হয়। কামাখ্যাৰ পৰা এই পূজা উত্তৰপাৰৰ

* বৰুৱা আৰু শৰ্ম্মা সম্পাদিত 'মনসা কাব্য'ৰ পাতনিৰ পৰা।

শুৱালকুছি, পচৰীয়া আৰু গেৰুৱাতো প্ৰচলন হয়। কামাখ্যাৰ দৰে গেৰুৱাত তিনদিনীয়াকৈ আৰু পচৰীয়া আৰু শুৱালকুছিত পাঁচদিনীয়াকৈ মহাসমাৰোহেৰে এই মাৰৈ পূজা সম্পন্ন হৈ আহিছে। কেৱল যে এইবোৰ ঠাইতে মাৰৈ পূজা হয় এনে নহয়, কামৰূপ, মঙলদৈ, নগাঁও আৰু গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত মাৰৈ পূজাৰ প্ৰচলন দেখা যায়। কামাখ্যা, শুৱালকুছি আদিৰ দৰে এইবোৰ পূজাৰ কোনো ধৰাবন্ধা নিৰ্দ্দিষ্ট তাৰিখ নাই। কোনো কোনো গাঁৱৰ থানত বছৰত দুবাৰকৈও মাৰৈপূজা হয়।

ওপৰত উল্লেখ কৰা মতে নিৰ্দ্দিষ্ট দিনত কামাখ্যা পীঠৰ সংলগ্ন নাটমন্দিৰত মনসা দেৱীৰ ঘট স্থাপন কৰা হয়। দেৱীজনাৰ কোনো মূৰ্ত্তি সজা নহয়। কিন্তু মাটিৰে সজা অষ্ট নাগৰ মূৰ্ত্তি ব্ৰাহ্মণে দেৱীৰ পূজাৰ বেদীত স্থাপন কৰে। এই নাগ মূৰ্ত্তিবোৰ আগেয়ে মানস কৰা মতে দেৱীৰ ভক্তসকলে দান কৰে। দেওধাসকলৰ গাত স্বয়ং কামাখ্যা দেৱী আৰু আন আন দেৱ-দেৱীসকলে ভৰ হৈ নৃত্য পৰিচালনা কৰে। এই সম্পৰ্কেও এটা কাহিনী শুনা যায়। পূৰ্ব্বতে হেনো কামাখ্যা দেৱীয়ে কুমাৰীৰ বেশেৰে পূজাৰীৰ আগত আৱিৰ্ভূতা হৈ নিতৌ গধূলি কুণুজুনু নেপুৰ বজাই মন্দিৰৰ ভিতৰত নৃত্য কৰিছিল। পূজাৰীৰ বাহিৰে আন কোনো নৰমনিষৰ সেই নৃত্য চাবৰ অধিকাৰ নাছিল। সেযেহে আমাৰ আইসকলে আজিও নামত ভক্তিভাৱে গায়,

আই ঠাকুৰাণী আই !<br>
তোমাৰ নীলাচলে বসতি,<br>
তুয়ো চৰণলৈ প্ৰাৰ্থনা কৰিছোঁ<br>
তুষ্ট হোৱা ভগৱতী।<br>
আই ঠাকুৰাণী আই !<br>
ৰাতিকে কৰাইলা দিন,<br>
এক হস্তে লৈলা কৈলাসৰ টোকাৰী<br>
আউৰ হস্তে লইলা বীণ।

আই ঠাকুৰাণী আই !
কেন্দুকে চাপৰি বায়,
ৰুদ্ৰাক্ষৰ জলাই ৰজাই জুমি চায়
নাচে দুৰ্গাদেৱী আই ।

দুৰ্ভাগ্যৰ বিষয় অৰ্থৰ লোভত কেন্দুকলাই নামেৰে পূজাৰী এজনে এদিন নৰনাৰায়ণ ৰজাক গোসাঁনীৰ নৃত্য চাবলৈ মন্দিৰৰ এঠাইত লুকাই ৰাখিলে। অন্তৰ্যামী ভগৱতীয়ে মন্দিৰত পাপ প্ৰৱেশ কৰা জানি অতিকৈ কুপিতা হ'ল। তাৰ বিষময় ফল স্বৰূপে কেন্দুকলাই দেউৰ মূৰ ছিগি মাটিত পৰিল। নৰনাৰায়ণ ৰজা আৰু আৰু তেওঁৰ বংশৰ মানুহে কামাখ্যাপীঠ দৰ্শনৰ সৌভাগ্যৰ পৰা চিৰকাললৈ বঞ্চিত হ'ল। কেৱল সিমানেই নহয়, মন্দিৰত চিৰকাললৈ গোসাঁনীৰ নৃত্য বন্ধ হ'ল। তেওঁ আৰু কোনো দিনে পপীয়া মানুহৰ আগত সোঁশৰীৰে দেখা দিবলৈ ভাল নোপোৱা হ'ল। কিন্তু সেয়ে হ'লেও তেওঁ যে দয়াৱতী ভগৱতী! ভক্তসকলক তেওঁৰ দয়াৰ পৰা বঞ্চিত কৰে কেনেকৈ? তেতিয়াৰে পৰা বছৰত এবাৰকৈ দেৱধ্বনি উৎসৱত নচা দেওধাসকলক গোসাঁনীয়ে অকলশৰীয়াকৈ দেখা দি নৃত্যৰ প্ৰেৰণা দিবলৈ ধৰিলে। আন এটা কাহিনীৰ পৰাও এই দেৱধ্বনি নাচৰ ইতিবৃত্তৰ কিছু আভাস পোৱা যায়। এসময়ত হেনো এজন মহাৰজা কামাখ্যা দৰ্শন কৰিবলৈ আহিছিল। তেওঁ অপুত্ৰক আছিল। মহাৰাজে ষোড়শোপচাৰে গোসাঁনীক পূজা দি কায়মনবাক্যে প্ৰাৰ্থনা জনাই পুত্ৰ এটি পাবলৈ আকাঙ্ক্ষা কৰিছিল আৰু পুত্ৰ এটি পালে তাৰ বিনিময়ত নিজৰ মূৰটোকে কাটি দেৱীৰ চৰণত উছৰ্গা কৰিম বুলি প্ৰতিজ্ঞা কৰিছিল। গোসাঁনীয়ে মহাৰাজৰ মনোবাঞ্ছা পূৰ্ণ কৰিলে। যথাসময়ত তেওঁ এটি সুলক্ষণীয়া পুত্ৰৰ বাপেকী হ'ল। কিন্তু পুত্ৰ লাভ কৰি তেওঁ পূৰ্ব্বৰ প্ৰতিজ্ঞাৰ কথা পাহৰি পেলালে। গোসাঁনীয়ে সপোনতে দেখা দি ৰজাক অঙ্গীকাৰ পালন কৰিবলৈ আদেশ দিলে। পুত্ৰটিৰ অকল্যাণ হোৱাৰ ভয়ত তেওঁ এখন তীক্ষ্ণ সোণৰ খড়্গ লৈ মন্দিৰলৈ গ'ল আৰু ভৈৰৱী গোসাঁনীৰ চোতালত নিজ হাতে

শিৰচ্ছেদ কৰি আত্মবলি দিলে। তাৰ চিন এতিয়াও দেখা যায় বুলি কামাখ্যাৰ মানুহে কয়। আন্ধাকুৰা নামে কামাখ্যাৰ অধিবাসী এজন সেই মহাৰাজজনৰ অনুচৰ আছিল। কথিত আছে একেৰাহে সাত বছৰ আন্ধাকুৰাই মনসাপূজাত ভৈৰৱী দেৱীৰ ঘোঁৰা হৈ দেওধা নাচ নাচিছিল। এইটো উল্লেখযোগ্য, বিভিন্ন দেৱদেৱীৰ নিজ নিজ ঘোঁৰা (বাহন) বা জঁকি আছে। আনকি কোনো কোনো দেৱদেৱীৰ একাধিক জঁকি থকাও দেখা যায়। দক্ষিণকালী, শ্মশানকালী, কামাখ্যা, চলন্তা, তাৰা, ভূৱনেশ্বৰী, কেচাইখাইতী, ছিন্নমস্তা, বগলা, ভৈৰৱী, ত্ৰিপুৰা, সদাশিৱ, গণেশ, ধনকুবেৰ, জলকুবেৰ আদি দেৱদেৱীৰ স্বকীয়া জঁকি আছে।

কামাখ্যা দেৱালয়ৰ দলৈ, পূজাৰী, মালী, বলিকটীয়া প্ৰভৃতি বজা-দিনীয়া মন্দিৰৰ কেইশ্ৰেণীমান সেৱায়তৰ দৰে জঁকিসকল কোনো নিৰ্দ্দিষ্ট শ্ৰেণীৰ অন্তৰ্ভুক্ত নহয়। মন্দিৰৰ পৰা তেওঁলোকে কোনো বিশেষ সুবিধাও উপভোগ কৰাৰ ব্যৱস্থা নাই। তেওঁলোকক মন্দিৰৰ এচাম ভক্ত বুলিহে অভিহিত কৰিব পাৰি। তেওঁলোকে জঁকি উঠি অৰ্থাৎ দেৱালযত নাচি পেট প্ৰবৰ্ত্তন নকৰে। কামাখ্যাৰ পাইক ভকতসকলৰ প্ৰায় সকলো শ্ৰেণীৰ লোকৰ মাজতেই জঁকি থাকে। আনকি অসমৰ বাহিৰৰ আন ৰাজ্যৰ মানুহকো গোসাঁই-গোসানী-সকলে নিজৰ বাহন বা জঁকি কৰি লোৱাৰ প্ৰমাণ আছে লালবাহাদুৰ নামে বিলাসপুৰৰ এজন চাওতালীয়ে কামেশ্বৰ মহাদেৱৰ জঁকি হৈ ছবছৰ নাচিছিল। অমৰ নামেৰে বিহাৰী এজনে ছিন্নমস্তা ভগৱতীৰ জঁকি হৈ একেৰাহে কুৰি বছৰ নচিছিল। এই জঁকিসকলে আষাঢ় আৰু শাওণৰ দোমাহীৰ দিনাৰ পৰাই নিজ নিজ উপাস্য দেৱদেৱী-সকলৰ পৰা অলৌকিক প্ৰেৰণা আৰু অসাধাৰণ শক্তি লাভ কৰে। তেওঁলোকে হেনো সেই উপাস্য দেৱদেৱীসকলক সশৰীৰে দৰ্শন লাভ কৰে। এই কথা সকলোৱে সন্দেহ নকৰাকৈ মানি লয়। পূজাৰীসকলে নতুন দেওধাসকলৰ কথাৰ সত্যতা পৰীক্ষা কৰি চায়। প্ৰকৃত দেওধাসকলৰ অসাধাৰণ কাৰ্য্যকলাপ লক্ষ্য কৰিলে তেওঁলোকৰ কথা অবিশ্বাস কৰিবৰ

থল নেথাকে। সি যি নহওক গোটেই শাওণ মাহটো দেওধাসকলে বিশেষ নীতিনিয়মৰ মাজতে থাকি নিজকে নাচৰ বাবে প্ৰস্তুত কৰি লয়। শাওণৰ প্ৰথম দিনাই আনুষ্ঠানিকভাবে নিজ নিজ দেৱদেৱীৰ পূজাৰ বেদীত থাপনা পাতে। প্ৰতি দিনা সন্ধিয়া থাপনাৰ আগত বন্তি জ্বলায়। এই সময়-ছোৱাত তেওঁলোকৰ শৰীৰৰ বলশক্তি দিনে দিনে বাঢ়ি আহে আৰু নেমাৰ-আজাৰ আদিও নাইকিয়া হয়। ভাত-পানীৰ প্ৰতি তেওঁলোকৰ বিৰাগ ভাব ওপজে, নিৰামিষ আহাৰ কৰে আৰু সদায় দেৱমন্দিৰ আদি নিৰ্জ্জন ঠাইত থাকিবলৈহে ভালপায়। আনকি মাজনিশাও তেওঁলোকে দেৱমন্দিৰ-বিলাকত ঘূৰি ফুৰেগৈ আৰু মাজে মাজে টানকৈ একোটা চিঞৰ মাৰে। মুঠতে শাওণ মাহটো তেওঁলোকৰ পক্ষে ব্ৰতৰ মাহ। এই মাহটো ধৰতীয়া হৈ কটাই দিব পাৰিলেহে জঁকি উঠিবলৈ উপযুক্ত হয়। কিন্তু বহু সময়ত ইয়াৰ ব্যতিক্ৰম হোৱাও দেখা গৈছে। এবাৰ চলন্তা গোসাঁনীৰ জঁকি এজনে বহু দিন তেজগ্ৰহণী ৰোগত পাটী লবলগীয়া হৈছিল। তেওঁৰ যমে মানুহে টানাটানি অৱস্থা দেখি বেজজ্ঞানীসকলেও আশা এৰি দিছিল আৰু সকলোৱে তেওঁৰ মৃত্যু আসন্ন বুলি ধৰি লৈছিল। আচৰিত কথা পূজাৰ সময়ত ঢোল-কালিৰ মাত শুনি তেওঁ মৃত্যু-শয্যাৰ পৰা উঠি বহিল আৰু সুস্থ মানুহৰ দৰে মন্দিৰলৈ লৰ দিলে। তাত গৈ তেওঁ জঁকি উঠিল আৰু আনবিলাক জঁকিৰ লগত যোগ দি সমানে নাচিবলৈ ধৰিলে। ক'ব নোৱাৰা কলৈ গল ঠিকনা নাই। তাৰ পিছত তেওঁ সম্পূৰ্ণ আৰোগ্য হল। এই দেওধাজন আজিও জীয়াই আছে। ভুৱনেশ্বৰী দেৱীৰ জঁকি এজনেও পূজাৰ ভূমাহ আগতে এইদৰে টান গ্ৰহণীত ভুগিছিল। পিছে তেওঁ পূজাৰ সময়ত উঠি গৈ নাচত যোগ দিছিল। উপাস্য গোসাঁনীৰ আদেশমতে তেওঁ হেনো সেইদৰে নাচিবলৈ প্ৰেৰণা লাভ কৰিছিল।

শাওণৰ দোমাহীৰ দিনা আৰম্ভ হোৱা মনসাপূজাৰ দেৱধ্বনি নাচ এটা অপৰিহাৰ্য্য অঙ্গ। তাৰ পিছ দিনা দেওধাসকলে মহাদেউৰ মন্দিৰত নৃত্য আৰম্ভ কৰে। মহাদেউৰ জঁকিয়ে এই নৃত্যৰ নেতৃত্ব কৰে। গা

উঠাকৈ ঢোল-কালি বাজন। বজাব পাৰিলে তেওঁলোকে মন্দিৰৰ চোতাল-লৈকো আহি নাচে। ভাদ মাহৰ এক আৰু দুই তাৰিখে কামাখ্যা মন্দিৰত গোসাঁনীৰ দৈনন্দিন পূজাপাতল, ভোগভাত লগোৱাৰ পিছত আনুষ্ঠানিকভাবে দেওধ্বনি নাচ আৰম্ভ হয়। এই নাচ দুয়ো দিনে শেষ নিশালৈকে চলি থাকে। মন্দিৰত যেতিয়া ঢোল, কালি, ডবা আদি বাদ্য বাজিবলৈ ধৰে তেতিয়া দেওধাসকলৰ গা উঠি আহে। বাদ্য শুনাৰ লগে লগে তেওঁলোকে ঘৰত থাকিব নোৱাৰা হয়, লৰি লৰি মন্দিৰলৈ আহি বাদ্যৰ ছেৱে ছেৱে নাচিবলৈ ধৰে। এইদৰে কিছু সময় নাচ কৰাৰ পিছত তেওঁলোকে নিজ নিজ দেৱদেৱীৰ ভূষণৰ বৰণেৰে বোলোৱা সাজপাৰ পিন্ধে আৰু মন্দিৰলৈ গৈ দেৱদেৱীক সেৱা কৰে। ইয়াকে লাহৰ-বা বা লাসবেশ কৰা বোলা হয়। তাৰ পিছত মন্দিৰৰ পূজাৰীসকলে তেওঁ-লোকক শান্তি কৰি গাত সেন্দুৰ চন্দন আদি ঘঁহি, মালা আৰু ফুলেৰে সজাই দিয়ে। সেই সময়ত তেওঁলোকে অলৌকিক শক্তি লাভ কৰি ভূত-ভৱিষ্যতৰ সকলো কথা কব পৰা হয় বুলি মানুহে বিশ্বাস কৰে। নাচৰ সময়ত তেওঁলোকলৈ পূজাৰ দ্ৰব্য পঠা, পাৰ, নতুন কাপোৰ আদি আগ-বঢ়াই মানুহে নিজৰ নিজৰ ভাগ্যৰ কথা সুধি লয়। অপুত্ৰকে পুত্ৰ বিচাৰে, নিৰ্ধনীয়ে ধন বিচাৰে, ৰোগীয়ে নিৰোগী হবলৈ কামনা কৰে। দেওধাসকলে দৈৱী শক্তিৰে প্ৰাৰ্থীসকলৰ উপযুক্ত সমিধান দিয়ে। তেওঁলোকৰ অদৃশ ভৱিষ্যতৰ কথা কয়। কিছুসকলে নাচি নাচি চোকা দাৰ ওপৰত উঠি জপিওৱা, জ্বলা জুইৰ শিখা মুখৰ ভিতৰত সুমাই দিয়া, পাৰ, পঠা আদিৰ তেজ পি পেলোৱা, কেঁচা মঙহ আদি কেচেম কেচেমকৈ চোবোৱা আদি অসাধাৰণ কামবোৰ চকুৰে নেদেখিলে বিশ্বাস কৰিবলৈকে টান হয়। কিন্তু কিছুসকলে দেওধ্বনিৰ সময়ত প্ৰতি বছৰে এনেবোৰ অদ্ভুত কাম কৰি আহিছে। তেওঁলোকে কিছু সময় নাচ কৰাৰ পিছত যাত্ৰীসকলে আগবঢ়োৱা পূজাৰ দ্ৰব্য যেনে—ডাব নাৰিকলৰ পানী, কল, কুঁহিয়াৰ, ৰসগোল্লা, আৰু হাঁহ পাৰ, পঠা আদিৰ কেচা মঙহ আৰু তেজ খায়। নাচিবৰ সময়ত তেওঁলোকে বেত, তৰোৱাল, ঢাল, ডাঙৰ ডাঙৰ দা আদি লয়। দিনৰ

তিনি আৰু চাৰে পাঁচ বজাৰ ভিতৰত তেওঁলোকৰ নাচৰ ভৰ হয়। মুঠতে দেওধাসকলে তিনিটা বিশেষ সময়ত তেওঁলোকৰ উপাস্য দেৱদেৱীসকলৰ পৰা অসাধাৰণ প্ৰেৰণা লাভ কৰে। সেই সময়ত তেওঁলোকক অতিশয় অস্থিৰ আৰু উন্মাদ যেন দেখা যায়। প্ৰথম বাৰ নৃত্যত যোগ দিবলৈ ঘৰৰ পৰা ওলাই অহাৰ সময়ত, দ্বিতীয়বাৰ লাহ কৰাৰ সময়ত আৰু তৃতীয়বাৰ ৰাতি উপাস্য দেৱদেৱীক স্তুতি-মিনতি জনাই নৃত্য শেষ কৰাৰ সময়ত তেওঁলোকৰ এই অৱস্থা হয়। এই বিশেষ তিনিটা সময়ৰ সুযোগলৈ আগ্ৰহেৰে ভক্তসকলে অপেক্ষা কৰি থাকে—তেওঁলোকৰ মুখৰ পৰা ভৱিষ্যবাণী শুনিবলৈ। কেৱল যে এইবোৰ সময়তে তেওঁলোকে ভূত-ভৱিষ্যতৰ কথা কয় এনে নহয়, নাচৰ বাবে ঘৰ এৰি বাহিৰ ওলোৱাৰে পৰা নৃত্যৰ সামৰণি পৰালৈকে তেওঁলোকে ভৱিষ্যবক্তাৰ কাম কৰে।

দেওধাসকলে এমাহ আগৰে পৰা ব্ৰত পালন কৰে যদিও আৰু অশুচি বা অশৌচীয়া গাৰে মন্দিৰৰ ভিতৰত প্ৰৱেশ কৰাৰ নিয়ম নাই যদিও সময় বিশেষে ইয়াৰ ব্যতিক্ৰম নোহোৱাকৈ থকা নাই। এইখিনিতে আজি বহু বছৰৰ আগতে ঘটা শুৱালকুছিৰ মাৰৈপূজাৰ কাহিনী এটা উল্লেখ কৰিব পাৰি। এজন দেওধাই হেনো পূজাৰ দিনা মৃত্যু হোৱা মাকৰ খৰি দিবলৈ শ্মশানলৈ যাবলগীয়া হৈছিল। কিন্তু শৱদাহ কৰি থকা অৱস্থাতে পূজাৰ বাদ্যধ্বনি শুনিবলৈ পাই সি তাত স্থিৰ হৈ থাকিব নোৱাৰিলে। বালিৰ পৰা সাঁতুৰি নৈ পাৰ হৈ পূজাৰ প্ৰাঙ্গণলৈ লৰ দিলে। তেনে অশুচি গাৰে অহা দেখি পূজা চোৱা মানুহবিলাকে চেষ্টা কৰিও কোনেও তাক বাধা দি ৰাখিব নোৱাৰিলে। সি পূজাৰ বেদীত থকা নাগৰ ঘটৰ পৰা জীৱন্ত সাপ এটা উলিয়াই আনি সকলোকে স্তম্ভিত কৰিলে আৰু পূৰ্ব্বাপৰ নাচিবলৈ ধৰিলে। ঠিক এই নিচিনাই ঘটনা এটা কামাখ্যাতো হৈছিল বুলি শুনা যায়।

দেওধাসকলে তেওঁলোকৰ নিজ নিজ দেৱদেৱীৰ স্বকীয়া ভঙ্গীত আৰু তালত নৃত্য কৰে। একোবাৰ সমূহীয়াকৈও নাচে। নাচৰ লগত ঢোল আৰু কালি সাধাৰণতে বজোৱা হয়। কোনো সময়ত আকৌ নাচৰ

লগত বাদ্যৰ পৰিবৰ্ত্তে জাত লগাই গোৱা মনসা-কীৰ্ত্তনহে চলি থাকে। সঙ্গীতশাস্ত্ৰৰ ফালৰ পৰা বিচাৰ কৰি চালে দেৱধ্বনি নাচ যে উচ্চ স্তৰৰ হব এনে কথা কব পৰা নেযায়। সেয়ে হলেও আধ্যাত্মিকতাৰ ফালৰ পৰা ইয়াৰ মূল্য যে যথেষ্ট বেছি সেই কথাও হুই কৰিব নোৱাৰি।

যদিও ভাদ মাহৰ চাৰিদিন যোৱাত দেওধাসকলৰ ব্ৰত ভঙ্গ হয় তথাপিও তেওঁলোকে ভাদ মাহৰ বাকী দিন কেইটাও সংযমেৰে থাকে আৰু নৃত্যৰ সময়ত হাতত লোৱা বেত, তৰোৱাল, দা আদিৰ আগত নিতৌ ধূপ-ধুনা জ্বলাই ভক্তি প্ৰদৰ্শন কৰে। গোটেই ভাদ মাহটোৱেই এইদৰে থাকি ভাদ-আহিনৰ দোমাহীৰ দিনা ফুল আদি দি ঘৰৰ আচুতীয়া ভাল ঠাইত সেইবোৰ তুলি থৈ দিয়ে। সেই দিনাই মনসা দেৱীৰ গুণানুকীৰ্ত্তনৰ পুথি পঢ়াৰো সামৰণি মৰা হয়। *

---

* এই প্ৰবন্ধ যুগুত কৰোঁতে অধ্যাপক শ্ৰীযাধৱচন্দ্ৰ গোস্বামীদেৱে লিখা ইংৰাজী প্ৰবন্ধ এটাৰ পৰা সহায় পোৱা হৈছে।

# শ্ৰীসূৰ্য্য পাহাৰৰ মাঘীপূৰ্ণিমাৰ মেলা

অসমৰ পশ্চিম সীমান্তত অৱস্থিত গোৱালপাৰা চহৰৰ এমাইলমান দূৰত মৰা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে থিয় হৈ আছে এখনি মনোৰম পৰ্ব্বত, নাম শ্ৰীসূৰ্য্য পাহাৰ। এই সৰু পাহাৰখনিৰ লগালগিকৈ পূৱফালে আছে কোদালধোৱা আৰু মৰণৈ গাঁও। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰাই এই গাঁও দুখনি আৰু ওচৰকাষৰীয়া গাঁওবোৰৰ লগত শ্ৰীসূৰ্য্য পাহাৰৰ নিবিড় সম্বন্ধ চলি আহিছে। শ্ৰীসূৰ্য্য পাহাৰৰ অস্তিত্ব কেৱল গছগছনি আৰু ইয়াৰ শিলবোৰেই নহয়, ই প্ৰাচীন ভাস্কৰ্য্যৰ আঁকৰ। ইয়াত আৱিষ্কাৰ-গৱেষণাৰ অলেখ সজুলি অনাদৃত আৰু অৱহেলিত হৈ পৰি আছে। কিমান যুগৰ সভ্যতা-সংস্কৃতি এই পাহাৰৰ লগত জড়িত হৈ পোত গৈ আছে সেই কথা আজি সঠিকভাবে জানিবৰ উপায় নাই। এই পাহাৰখনৰ চাৰিওফালে অসংখ্য বিগ্ৰহ আৰু মূৰ্ত্তিৰে ভৰা। অনুমান হয় আৰু বহুতো তেনে বিগ্ৰহ হয়তো পাহাৰৰ তলত অনাৱিষ্কৃত অৱস্থাতে এতিয়াও আছে। ইয়াত থকা অসংখ্য শিৱলিঙ্গৰ উপৰিও দ্বাদশভুজা দুৰ্গামূৰ্ত্তি, গণেশ, সূৰ্য্য, চন্দ্ৰ আদি দেৱতাৰ বিগ্ৰহ আৰু মূৰ্ত্তি আছে। পঞ্জিকাত অঁকা গণনা সম্বন্ধীয় চক্ৰাকাৰ চিত্ৰৰ নিচিনা ইয়াৰ নামনিত নানা ৰেখা দি অঙ্কিত যি শিলাখণ্ড আছে তাকেই মানুহে শ্ৰীসূৰ্য্য দেৱতাৰ প্ৰতীক বুলি ভাবে আৰু তাৰ পৰাই পাহাৰখনিৰ নাম শ্ৰীসূৰ্য্য পাহাৰ হৈছে। প্ৰাগ্‌জ্যোতিষ যে এসময়ত জ্যোতিষ চৰ্চ্চাৰ কেন্দ্ৰস্থল আছিল সেই কথা গুৱাহাটীৰ নৱগ্ৰহ, কণ্বাচল আৰু গোৱালপাৰাৰ এই শ্ৰীসূৰ্য্য পাহাৰে আমাৰ আগত সকীয়াই কব লাগিছে। এই পাহাৰৰ নামনিত পূৱফালে নিজৰা এটিৰ দাঁতিত এলানি মূৰ্ত্তি জিলিকি আছে। এই মূৰ্ত্তিৰ থুপটোৰ দক্ষিণপূৱে এটা ডাঙৰ পুখুৰীৰ পাৰত

চক্ৰাকৃতিৰ মূৰ্ত্তিটোৱেই সূৰ্য্য-দেৱতাৰ মূৰ্ত্তি। ইয়াৰ কাষত থকা আয়তক্ষেত্ৰাকাৰ পুখুৰীটোৰ পাৰ কেইটা একালত ইটাৰে বন্ধোৱা আছিল। সেই ইটাবিলাক খুব ভাল আৰু মজবুত। নানা মূৰ্ত্তিৰে পৰিপূৰ্ণ এই অঞ্চলটোৰ চাৰিওফালে এটা সুদৃঢ় গৰখাৈৰ স্মৃতি-চিন আজিও দেখিবলৈ পোৱা যায়। মুঠতে এইখিনি ঠাই ভালকৈ নিৰীক্ষণ কৰি চালে সহজে অনুমান কৰিব পাৰি যে এই ঠাই অতীতৰ এসময়ত এখনি গৌৰৱোজ্জ্বল তীৰ্থস্থান আছিল আৰু নিতৌ ত্ৰিসন্ধ্যা ইয়াত পূজা-সেৱা চলিছিল। কিন্তু এইখিনিতে প্ৰশ্ন উঠে ইমান আড়ম্বৰেৰে ইয়াত পূজা-সেৱা চলাইছিল কোনে? বিস্মৃতিৰ অটল গৰ্ভত সেইসকল পূজাৰী আজি বিলীন হৈ গল কেনি?

ওপৰত উল্লেখ কৰা হৈছে যে শ্ৰীসূৰ্য্য পাহাৰৰ লগালগিকৈ পূৱফালে কোদালধোৱা আৰু মৰনৈ গাঁও অৱস্থিত। এই ঠাইখিনিত অসংখ্য সৰু-ডাঙৰ পুখুৰী দেখিবলৈ পোৱা যায়। এতিয়াকৈকে ভেৰকুৰি তুকুৰিটা এনে পুখুৰী লেখত পোৱা হৈ আছে। এই পুখুৰীবোৰৰ উপাৰও ঠায়ে ঠায়ে ইটা-দালানৰ ভগ্নাৱশেষ আদিও দেখা যায়। কেইটামান দালানৰ স্মৃতিচিন কালৰ বুকুত লয় হৈ গৈছে। কোদালধোৱা গাঁৱৰ কাষতে থকা পদুমপুখুৰীৰ পাৰত এটা প্ৰকাণ্ড ইটাৰ দালানৰ চিন দেখিবলৈ পোৱা যায় ঠায়ে ঠায়ে দেখিবলৈ পোৱা এই ইটাৰ বোৰৰ লগত শ্ৰীসূৰ্য্য পাহাৰত থকা পুখুৰীৰ ইটাৰ বেচ মিল আছে। ইটাৰ পকি-দালান সৰু ডাঙৰ পুখুৰীবোৰ আৰু আন আন স্মৃতিচিহ্নৰ পৰা এই কথা সহজে অনুমান কৰিব পাৰি যে এসময়ত এই অঞ্চলটোত কোনোবা প্ৰতিপত্তিশালী ৰজাই ৰাজত্ব কৰিছিল আৰু সেই ৰাজবংশৰেই পূজিত তীৰ্থ আছিল এই শ্ৰীসূৰ্য্য পাহাৰ। এই তীৰ্থৰ বিগ্ৰহসমূহেই সেই ৰাজবংশৰ নিশ্চয় আৰাধ্য দেৱতা আছিল।

শ্ৰীসূৰ্য্য পাহাৰত অসংখ্য শিৱলিঙ্গ দেখিবলৈ পোৱা যায়। কথিত আছে যে ইয়াত হেনো এটা কম একলাখ শিৱলিঙ্গ আছে। ব্যাসদেৱে হেনো ইয়াত কাশী ৰচনা কৰিবৰ মনেৰে ইমানবিলাক মূৰ্ত্তি কটাইছিল।

সেই কাৰণে এতিয়াও এই পাহাৰক ব্যাসকাশী বুলি জনা যায়। ইয়াত বিভিন্ন হিন্দুৰ দেৱদেৱীৰ উপৰিও বুদ্ধদেৱৰ মূৰ্ত্তিও দেখিবলৈ পোৱা যায়। শিৱলিঙ্গবিলাকৰ পৰা ইয়াকে অনুমান কৰিব পাৰি যে এসময়ত এই অঞ্চলত শৈৱ ধৰ্ম্মৰ বৰকৈ প্ৰতিপত্তি আছিল। তাত মহাদেউ বা শিৱৰ থান এতিয়াও আছে। হিন্দু ধৰ্ম্ম বৌদ্ধ ধৰ্ম্মতকৈ আগৰ ধৰ্ম্ম। সেই কাৰণে নিঃসন্দেহে কব পাৰি যে হিন্দুৰ দেৱদেৱীৰ মূৰ্ত্তি-বিলাকৰ পিছতহে বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱ পৰাতহে বুদ্ধ মূৰ্ত্তিবিলাক লগা-লগিকৈ শ্ৰীসূৰ্য্যা পাহাৰৰ শিলত খোদিত কৰা হৈছিল।

কামৰূপ অতি প্ৰাচীন কালৰে পৰা তন্ত্ৰমন্ত্ৰৰ দেশ হিচাপে বিখ্যাত। তান্ত্ৰিক হিন্দু ধৰ্ম্ম হেনো কামৰূপতেই উৎপত্তি হয়। গুৱাহাটীৰ ওচৰৰ কামাখ্যা তান্ত্ৰিক হিন্দুধৰ্ম্মৰ এখনি মহাপীঠ। শ্ৰীসূৰ্য্যা পাহাৰৰ পৰা আঠ মাইলমান দক্ষিণ-পশ্চিমে টুক্ৰেশ্বৰী নামে এখনি সৰু পাহাৰ আছে। এই পাহাৰতো এখনি দেৱীপীঠ বৰ্ত্তমান। এই পীঠ ক্ষুদ্ৰ নীলা পাহাৰ এটিৰ ওপৰত অৱস্থিত। গোৱালপাৰা চহৰৰ পৰা ই তেৰ মাইল দক্ষিণ-পূৱত। পৰ্ব্বতৰ ওপৰলৈ উঠিবৰ বাবে অসুবিধাজনক ঠাইবোৰত লোৰ জখলা দিয়া আছে। জনশ্ৰুতিমতে এসময়ত টুকুৰা নামে এজন মানুহে এই পাহাৰৰ ওচৰতে গৰু ৰখিছিল। কেইদিন-মানৰ পৰা সি মন কৰিলে যে তাৰ পালৰ পৰা এজনী গাখীৰতী গাই দুপৰীয়া নোহোৱা হয়। সন্ধিয়া সময়ত তাই আকৌ পালত মাজত হাজিৰ হয়হি। টুকুৰাই গাইজনীলৈ লক্ষ্য কৰি দেখিবলৈ পালে যে গাইজনী পালৰ পৰা আঁতৰি পোনে পোনে পাহাৰৰ ওপৰলৈ উঠি যায়। এদিন সি গাইজনীৰ পাছ ললে। গাই একেবাৰে পাহাৰৰ টিং পালেগৈ। সি গৈ অলপ আতৰত গছৰ আঁৰত লুকাই থাকি দেখা পালে যে গাইজনীয়ে একেবাৰে ওপৰৰ এখন চোতাল যেন বৃহৎ শিলৰ-পূৱ কোণত গৈ থিয় হৈছে আৰু তাইৰ ওহাৰৰ বাটৰ পৰা চৌ চৌ-কৈ গাখীৰ ওলাই শিলত পৰিছে। এই দৰে গাখীৰ দিয়া হলত গাইজনী পাহাৰৰ পৰা নামি আহিল আৰু টুকুৰাও তাইৰ পাছে পাছে

নামি আহিল। এই ঘটনা দেখা পোৱাৰ পিছৰ পৰাই টুকুৰাৰ মনটো উগুলথুগুল লাগিবলৈ ধৰিলে। অৱশেষত এদিন সি সকলো কথা বিজনীৰ ৰজাৰ আগত ভাঙিপাতি কলেগৈ। ৰজাই এজন গৰখীয়াৰ কথা বিশ্বাস কৰিবলৈ টান পালে। টুকুৰা নিৰাশ হৈ ঘৰলৈ উলটি আহিল। ইয়াৰ পিছতে বিজনী ৰজালৈ স্বপ্নাদেশ হল—এই পাহাৰত মন্দিৰ এটি সাজি পূজা-সেৱাৰ দিহা লগাই দিব লাগে বুলি। স্বপ্নাদেশ শিৰোধাৰ্য্য কৰি অৱশেষত ৰজাই পাহাৰত মন্দিৰ এটি সজাই দিলে আৰু দেৱোত্তৰ ব্ৰহ্মোত্তৰ মাটি দান কৰি পূজা-সেৱাৰ ব্যৱস্থা কৰিলে। টুকুৰাৰ নাম অনুসৰি এই মন্দিৰৰ নাম ৰখা হল টুক্ৰেশ্বৰী মন্দিৰ। আন এটা জনশ্ৰুতিয়ে কয় যে সতীৰ যোনী-দেহৰ পৰা যিদৰে কামাখ্যা মহাপীঠৰ উৎপত্তি হৈছিল সেইদৰে সতী-দেহৰ কোনো এক অংশ বা টুকুৰা এই পাহাৰত পতিত হৈছিল। সেয়েহে টুকুৰা শব্দৰ পৰা এই পীঠস্থানৰ নামকৰণ হয় টুক্ৰেশ্বৰী। এই মন্দিৰৰ পৰ্ব্বতত অসংখ্য বান্দৰৰ বাস। সিহঁতৰ ভিতৰত এটা দলপতি আছে। সি সৱাতকৈ ডাঙৰ। ইয়াক সেই বান্দৰবিলাকৰ ৰজা বোলা হয়। ৰজাই প্ৰসাদ গ্ৰহণ নকৰালৈকে আনবিলাক বান্দৰে একো নেখায়। বান্দৰ ৰজাক বৰ সন্মান কৰি ৰূপৰ বাটিত প্ৰসাদ দিয়া হয়। সি যি নহওক এসময়ত এই টুক্ৰেশ্বৰী মহাপীঠৰ লগত শ্ৰীসূৰ্য্য পাহাৰৰ যোগাযোগ যে আছিল তাৰ চিন আজিও দেখিবলৈ পোৱা যায়। শ্ৰীসূৰ্য্য পাহাৰৰ পৰা দক্ষিণ-পশ্চিমমূৱাকৈ টুক্ৰেশ্বৰী পাহাৰলৈ এটি আলিবাটৰ ভগ্নাৱশেষ এতিয়াও আছে। শ শ বছৰ ধৰি নানা পৰিবৰ্ত্তনৰ পিছত ঠায়ে ঠায়ে ইয়াৰ চিন একেবাৰে নাইকিয়া হৈ গৈছে, আকৌ ঠায়ে ঠায়ে সুন্দৰ অৱস্থাত আছে। শ্ৰীসূৰ্য্য পাহাৰৰ পৰা দুমাইলমান দক্ষিণে থকা লালাবৰি গাঁৱৰ কাষেদি বৈ যোৱা কৃষ্ণাই আৰু চিনাবী নৈক সংলগ্ন কৰিছে বালিজনা নামেৰে এটি সৰু জুৰিয়ে। এই বালিজনা জুৰিৰ ওপৰত থকা এসময়ৰ দলঙৰ কাঠৰ খুটাৰ ভগ্নাৱশেষ এতিয়াও আছে। মাটিৰ তলত শ শ বছৰ পোত গৈ থকাৰ বাবে শাৰীকৈ থকা খুটা কেইটাৰ নামমাত্ৰ চিহ্ন দেখিবলৈ

পোৱা যায়। এই আলিবাটটোক মানুহে এতিয়াও দেওমালি বুলি কয়। অতীতত এই পীঠস্থান দুখনৰ যোগাযোগ থকাটো নিশ্চিত।

শ্ৰীসূৰ্য্য পাহাৰক মানুহে সাতালী পৰ্ব্বতো বোলে। পাহাৰখন সাতোটা শৃঙ্গৰে পৰিবেষ্টিত হোৱাৰ বাবে সাতালী নাম হব পাৰে নাইবা একালত হয়তো সাতটা আলিবাট এই পাহাৰৰ লগত সংলগ্ন হোৱাৰ বাবে এই নাম হৈছিল। যুগৰ বিবৰ্ত্তনৰ মাজেদি শ্ৰীসূৰ্য্য মহাপীঠক মানুহে বিভিন্ন দৃষ্টিৰে ভাকি কৰি আহিছে। কেতিযাবা হয়তো ধৰ্ম্মশীল ৰজাৰ পৃষ্ঠপোষকতাত ইযাৰ গৌৰৱ জয়জয়ময়ময় হৈছিল আৰু কেতিযাবা হয়তো আপেক্ষিকভাবে ম্লান হৈছে। কুমাৰ ভাস্কৰবৰ্ম্মাৰ নিচিনা পৰম ধৰ্ম্মশীল ৰজাৰ আমোলত ইযাৰ পূৰ্ণতা প্ৰাপ্ত হৈছিল বুলি আমাৰ অনুমান কৰিবৰ মন যায়।

বিজনী জমিদাৰৰ আমোলত এই তীৰ্থস্থান পৰিচালনাৰ কাৰণে এটি মাহিলী পোদ্দৰটকীয়া বৃত্তি আৰু দহ বিঘা দেৱোত্তৰ মাটিৰ ব্যৱস্থা আছিল। পূজাৰী. বাবাজীসকলে ইযাৰ দ্বাৰাই কোনো ৰকমে নিতৌ পূজা-সেৱা চলাইছিল। আজি প্ৰায় ডেৰ কুৰিমান বছৰ আগৰ পৰা এই তীৰ্থক্ষেত্ৰত মাঘী পূৰ্ণিমাৰ সময়ত মেলাৰ আয়োজন চলি আহিছে। চৰকাৰে এই তীৰ্থস্থান পৰিদৰ্শন কৰি যাত্ৰীসকল থকাৰ কাৰণে এটি যাত্ৰীঘৰ তৈয়াৰ কৰি দিছে আৰু মেলাৰ সময়ত অস্থায়ীভাবে যাত্ৰীসকলৰ খোৱা পানীৰ ব্যৱস্থা কৰি দিয়ে যদিও সেই ব্যৱস্থা সন্তোষজনক হোৱা বুলি কব পৰা নেযায়। যাতায়তৰ সুবিধাৰ লগে লগে মেলাৰ সময়ত যাত্ৰীৰ ক্ৰমবৰ্দ্ধমান সমাবেশ দেখিবলৈ পোৱা যায়। বৰ্ত্তমানে মেলাৰ সময়ত প্ৰায় আঠ দহহেজাৰ মানুহ ইযাত সমৱেত হয়। পাহাৰৰ গুহাসদৃশ সমতলভূমিত হাজাৰবিজাৰ নৰনাৰীৰ সমাগমে সঁচাকৈয়ে এই ঠাইত এটি অপূৰ্ব্ব দৃশ্য গঢ়ি তোলে। এই মেলাখনি এই অঞ্চলৰ এটি উদ্দীপনাময় আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছে।

# নন্দেশ্বৰ আৰু বাঘেশ্বৰীৰ মেলা

মহাদেউ শাসন

গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে নন্দেশ্বৰ পাহাৰৰ ওপৰত নন্দেশ্বৰ দেৱালয় অৱস্থিত। ইয়াৰ পশ্চিম দিশেদি দুধনৈ নৈ বৈ গৈছে। নন্দেশ্বৰ পাহাৰৰ পৰা এমাইল আঁতৰত বামুণপাৰা গাঁও। মহাদেৱ গোসাঁইৰে আন এটা নাম নন্দেশ্বৰ। এইজনা দেৱতা অৰ্দ্ধনাৰীশ্বৰ নামেও জনাজাত। এই দেৱালয় সম্পৰ্কে এটি পুৰণি কাহিনী প্ৰচলিত আছে। সেইসময়ত হেনো বামুণপাৰা গাঁৱত এঘৰ দুখীয়া বামুণ আছিল। সেই বাপুদেৱে যজন আদি কাম কৰি কোনোমতে পেটেভাতে খাই আছিল। তেওঁৰ এজনী খীৰতী গাই আছিল। গাইজনী পুৱা গোহালিৰ পৰা মুকলি কৰি দিলেই ওলাই যায় আৰু তাই গোটেই দিনটো ঘৰলৈ নহাকৈ থাকে। তাইৰ সৰু পোৱালিটোৱে ওৰে দিনে ৰৈ থাকে তথাপি গাইজনী পোৱালিক পিয়াবলৈ নাহে। এইদৰে প্ৰতি দিনে গাখীৰ খাব নোপোৱাৰ বাবে গৰুপোৱালিটো শুকাই-খীনাই যাবলৈ ধৰিলে। তাকে দেখি গিৰিহঁত বামুণৰ মনত বৰ বেজাৰ লাগিল। গাইজনী যেতিয়া গধূলি ঘৰলৈ উলটি আহে, তেতিয়া তাইৰ সৰ্ব্বশৰীৰ তিতি থাকে আৰু ওহাৰত গাখীৰ ভৰ হৈ নেথাকে। খং উঠি এদিন বামুণে গাইজনীক বাহিৰ ওলাই যাবলৈকে নিদিলে, ঘৰতেই এৰাল দি বান্ধি ৰাখিলে। সেই দিনা পোৱালিটোৱে পেট ভৰি গাখীৰ খাবলৈ পালে। সেই ৰাতি বামুণে এটা আচৰিত সপোন দেখিলে। সপোনতে এজনা জ্যোতিৰ্ম্ময় পুৰুষে দেখা দি কলে "তুমি গাইজনীক আজি কিয় বান্ধি ৰাখিছিলা? যদি তুমি কাইলৈ গাইজনীক এৰি নিদিয়া তেন্তে নিশ্চয় তোমাৰ অমঙ্গল হব বুলি জানিবা। তুমি মোক পূজা কৰিবলৈ ধৰা, তোমাৰ মঙ্গল হব।" পিছ দিনাখন বামুণে অনিচ্ছা স্বত্বেও ৰাতিপুৱা মাত্ৰকে গাইজনীক এৰি দিলেগৈ আৰু

তেওঁ নিজেও গাইজনীৰ পাছে পাছে যাবলৈ ধৰিলে। গাইজনী পোনেই নন্দেশ্বৰ পাহাৰমুৱা হল। নৈ পাৰ হৈ গৈ তাই পাহাৰ বগাবলৈ ধৰিলে। পাহাৰৰ ওপৰত এঠাইত তাই যত থিয় হলগৈ তাতে এজোপা বিৰিণা আছিল। সেই বিৰিণাজোপাত তাই গাখীৰ এৰি দিবলৈ ধৰিলে। সম্পূৰ্ণ গাখীৰ এৰি দিয়াৰ পিছত গাইজনী তাৰ পৰা উলটি আহিল। বামুণেও সকলো দেখিশুনি ঘৰমুৱা হল। তেওঁ ঘৰলৈ আহি বামুণীৰ আগত আদ্যোপান্ত সকলো কথা বিবৰি কলে। বামুণবামুণী দুয়ো বহি আলোচনা কৰি স্থিৰ কৰিলে যে দেৱতাজনাক পূজা কৰাটোহে উচিত হব। স্বপ্নাদেশমতে চলিলে তেওঁলোকৰ মঙ্গলৰ বাহিৰে অমঙ্গল নিশ্চয় নহব। এই কথাকে সাৰোগত কৰি বামুণে নন্দেশ্বৰ পাহাৰলৈ গৈ তাত গাইজনীয়ে গাখীৰ দিয়া ঠাইখিনি চাফচিকুণ কৰি ললে আৰু তাত নিত্যপূজা চলাবলৈ ধৰিলে। খৰাঙ্গি কালত নৈত পানী নেথাকে। সেই কাৰণে তেতিয়া নৈ পাৰ হৈ পূজা কৰিবলৈ যোৱাত বামুণৰ কষ্ট নহয়। কিন্তু বাৰিষা যেতিয়া নৈত ধল নামে আৰু ফেনেফোটোকাৰে নৈ উপচি পৰে তেতিয়া নৈ পাৰ হোৱাটো বৰ টান হৈ পৰে। সেই সময়ত নিত্যপূজা বন্ধ হোৱাত মহাদেৱে সপোনত বামুণক দেখা দি সুধিলে—"কিয় মোৰ পূজা বন্ধ কৰা হৈছে?" বামুণে জনালে,—"যদি তুমি নৈখন পাহাৰৰ পশ্চিম ফালেদি লৈ যাব পাৰা, তেন্তে মই এদিনো ক্ষতি নকৰাকৈ তোমাৰ পূজা চলাই থাকিব পাৰিম। সেয়ে নহলে আঁচলৰ গাঁথিত জীউটো বান্ধি নৈ পাৰ হৈ গৈ মই তোমাক পূজা দিব নোৱাৰোঁ।" অতি আচৰিত কথা, আৰাৰ মাহত এনে সোঁতা ধৰিলে যে একেবাহে কেবাদিনো ধাৰাসাৰে বৰষুণ হল। নৈখন পানীৰে উপচি পৰিল। মানুহ-গৰু পাৰ হৈ অহাযোৱা কৰা বন্ধ হল। পাহাৰৰ উজনিৰ ফালে গৰাগহনীয়া হবলৈ ধৰিলে। এৰাতিৰ ভিতৰতে ভাঙৰ পৰিবৰ্ত্তনে দেখা দিলে। পাহাৰৰ পশ্চিম ফালেদি নৈখনৰ গতি চাল খালে। পুৱ পিনে বালিৰে পোত খাই বাম হৈ গ'ল। তাত নৈ থকাৰ চিনস্বৰূপে মাজত

এডোখৰ ঠাইত এটা দ কুড় পৰি বল। এতিয়া সেই কুড়ৰ পানী বিল এখনত পৰিণত হৈছে। ইয়াক শুকুৰশাক বিল বোলে। বামুণৰ মনোবাঞ্ছা পূৰ্ণ হল। দেৱতাৰ শক্তি আৰু মাহাত্ম্য চাৰিওফালে বাষ্ট্ৰ হৈ পৰিল। পাহাৰখন মহাদেৱ বা নন্দেশ্বৰ নামে প্ৰখ্যাত হল।

এই দেৱালয়ত এতিয়া ব্ৰাহ্মণ পূজাৰীয়ে নিত্য পূজা কৰে। বিজনী বজাই দান কৰা দেৱোত্তৰ মাটিৰ আয়েৰে ইয়াৰ পূজাসেৱা চলে। শিৱৰাত্ৰি, দুৰ্গাপূজা আৰু দৌলযাত্ৰাৰ সময়ত ইয়াত সমাৰোহেৰে পূজা হয় আৰু বিৰাট মেলা বহে। মেলা-উৎসৱ পাহাৰৰ নামনিত থকা ঘাঁহনি পথাৰখনত পতা হয়। বহু ঠাইৰ পৰা মানুহ আহি ভৰি পৰে। দৌল-উৎসৱত দেওধা নাচ হয়। মহাদেৱৰ দেওধাই আটাইতকৈ আগভাগ পায়।

## বাঘেশ্বৰাৰ সিদ্ধেশ্বৰী থানত

গোৱালপাৰা জিলাৰ বঙাইগাঁওৰ পূৱ-দক্ষিণ কোণত বাঘেশ্বৰী দেবালয় অৱস্থিত। দেৱালয়ৰ পূৱ-উত্তৰ ফালে বাঘেশ্বৰী পাহাৰ আৰু পূৱে নিচেই ওচৰতে বাঘেশ্বৰী ডোবা। এই দেৱালয়ত ব্যাঘ্ৰ-বাহিনী বাঘেশ্বৰী দেৱী প্ৰতিষ্ঠিতা। দেৱীৰ প্ৰতীক এখন তৰোৱাল। ই সিংহাসন এখনৰ ওপৰত ৰক্ষিত। বাঘেশ্বৰী দেৱীৰ সম্পৰ্কে তিনটা কাহিনী শুনা যায়।

প্ৰথমটোৰ মতে এজন খেতিয়কে এদিন কান্ধত ধানৰ ভাৰ এখন লৈ বীৰঝৰা জানটো পাৰ হবলৈ ধৰিছিল। তেওঁৰ ভাৰখন এফালে পাতল হোৱাত জানৰ বুকুৰ পৰা উধান হেন শিল এটা তুলি দি জান পাৰ হৈ ঘৰ পালেগৈ। তাৰ ঘৈণীয়েকে সেই শিলটোকেই তিনটা উধানৰ এটা উধান কৰি ধান সিজালে। ৰাতি মানুহজনে সপোনত দেখিলে, বুকুত মেখনি মৰা সুঠাম খোপাৰে এজনী হৃষ্টপুষ্ট গাভৰুৱে, মূৰশিতানত থিয় হৈ তাক কৈছে- "তই মোক নিজৰাৰ বুকুৰ পৰা তুলি লৈ আহিলি, তদুপৰি মোক পুৰি কষ্ট দিলি। তই কাইলৈ

ৰাতি পুৱালেই মোক আকৌ নিজৰাৰ পানীত থৈ আহিবিগৈ। তোক মই যি ৰূপেৰেই দেখা নিদিওঁ তই ভয় নকৰিবি। মোক তুলি আনি তই পূজা কৰি থাকিবি।” পিছ দিনা পুৱা মানুহটোৱে সপোনৰ কথামতে জানটোত শিলটো পেলাই দিলেগৈ। সি গাপা ধুই থিয় হৈ দেখা পালে যে এখন তৰোৱাল পানীৰ তলে তলে উটি আহিছে। সি সেই তৰোৱালখন তুলি লৈ ঘৰ পালেহি আৰু সেই দিনাৰ পৰা হাঁহ, কুকুৰা, পাৰ বলি দি তৰোৱালখনকে পূজা কৰিবলৈ ধৰিলে। সেই সময়ত হেনো এই অঞ্চলত বাঘৰ বৰ উপদ্ৰৱ আছিল। তৰোৱাল-ৰূপী দেৱীক বলিবিধানেৰে পূজা দিয়াৰ পিছৰ পৰা তাত হেনো বাঘৰ উপদ্ৰৱ নোহোৱা হৈ পৰিল।

দ্বিতীয় কাহিনীমতে নাৰায়ণে সুদৰ্শন চক্ৰেৰে সতীৰ দেহত্যাগৰ পিছত তেওঁৰ দেহ খণ্ডবিখণ্ড কৰি কাটি পেলায় আৰু তাৰ ফলতেই বাৱন্নখনি পীঠৰ উৎপত্তি হয়। এই ঠাইত হেনো সতীৰ হাতৰ খড়্গখন খহি পৰিছিল আৰু সেই খড়্গই বাঘেশ্বৰী দেৱীৰূপে পূজিত হৈ আহিছে।

তৃতীয় কাহিনীমতে অসম-জীয়ৰী মলা গাভৰুৱে এটি নাৰী-বাহিনী লৈ পাঠানৰ লগত ৰণ দিবলৈ আহোঁতে এক বীৰাঙ্গনা যুদ্ধত নিহত হয় তেতিয়া তেওঁৰ হাতত থকা তৰোৱালখনি সৈন্যবাহিনীয়ে শ্ৰদ্ধাৰে থাপনাত থৈ পূজা কৰিবলৈ ধৰে। সেই বীৰাঙ্গনা নাৰীৰ নাম কি আছিল জনা নেযায়। কিন্তু তেওঁৰ গাত বাঘৰ নিচিনা বলশক্তি থকাৰ বাবে মানুহে তেওঁক বাঘেশ্বৰী আখ্যা দিয়ে।*

সি যি নহওক দেৱীজনাৰ নিত্যপূজা আৰু সন্ধ্যাআৰতি হয়। তদুপৰি অম্বুবাচী, দুৰ্গাপূজা আৰু মাঘবিহুৰ সময়ত হোম-যজ্ঞৰে ষোড়শোপচাৰে পূজা দিয়া হয়। দেৱালয়ৰ পূজাৰীক দেউৰী বোলে। দেউৰীসকলে পুৰুষানুক্ৰমে পূজা চলাই আহিছে। এওলোক ৰাজবংশী মানুহ। বিশেষ পূজাৰ সময়ত ব্ৰাহ্মণ-পূজাৰীয়ে হোম-যজ্ঞাদি কৰে বিজনী ৰজাই দেৱোত্তৰ মাটি দান কৰিছে। ৰাণী অভয়েশ্বৰীয়ে ১৯০৪

* এই কাহিনী তিনটা ৰৰপেটাৰ শ্ৰীতিলক দাসৰ দ্বাৰা সংগৃহীত।

চলত এই মন্দিৰলৈ দিয়া তামৰ নাগেৰা আৰু কাঁহৰ ঘণ্টা আজিও দেখিবলৈ পোৱা যায়। দেৱীজনা জাগ্ৰতা। মানুহে তেওঁৰ ওচৰত কামনা কৰা অনুসাৰে ফল পায়। দূৰ-বিদেশৰ যাত্ৰী দেৱী-দৰ্শন কৰিবলৈ সকলো সময়তে আহে। বিশেষকৈ দুৰ্গাপূজাৰ সময়ত ইয়াত বিপুল জন-সমাগম হয়। ওচৰত বাঘেশ্বৰী পাহাৰত উত্তৰবাহিনী আৰু দক্ষিণবাহিনী দুটা প্ৰসিদ্ধ নিজৰা আছে। দেৱালয়ৰ সমুখত এটি উত্তৰবাহিনী জুৰি আছে। ইয়াক উত্তৰাগঙ্গা বুলি ভবা হয় এই উত্তৰাগঙ্গাৰ পানীৰে পূজিলেহে দেৱী সন্তুষ্ট হয়। এই দেৱালয়ৰ ওচৰতে বাঘেশ্বৰী পাহাৰৰ ওপৰত সিদ্ধেশ্বৰী নামৰ আন এখনি কালী গোসাঁনীৰ থান আছে। শিৱৰাত্ৰি, বহাগৰ ৯ তাৰিখ ( দহ বিচ ) আৰু শ্যামা পূজাত ইয়াত ডাঙৰ মেলা বহে।

---

# দৰঙা মেলা

ৰঙিয়াৰ পৰা প্ৰায় ত্ৰিশ মাইল দূৰত কামৰূপ জিলাৰ উত্তৰপ্ৰান্তৰ ভুটান পৰ্ব্বত পাদদেশত দৰঙা নামে এখন ঠাই আছে। এই ঠাইখন তামোলপুৰ চাৰ্কলৰ অন্তৰ্গত। বাৰিষা ভূটানৰ পৰা নামি অহা পৰ্ব্বতীয়া নদীবিলাকৰ ৰূপ প্ৰলয়ঙ্কৰী। এই খৰস্ৰোতা নদীসমূহে উন্মত্ত হস্তীৰ নিচিনা ওপৰৰ পৰা ভৈয়ামলৈ নামি আহোঁতে পৰ্ব্বত খহাই মাটি খান্দি ভৈয়ামত আনি পেলাই দিয়ে অসংখ্য শিলাখণ্ড, মাটিৰ দ'ম আৰু কত কি! আৰু এইবিলাকেই দৰঙাক বাৰিষা কালত লোক-সমাজৰ পৰা বহিৰ্ভূত কৰি ৰাখে। কিন্তু শৰৎ কালৰ আৰম্ভণিৰ পৰাই বসন্তৰ শেষলৈকে বৰ্ষাকালৰ অনাদৃত এই ঠাইডোখৰতেই হৈ উঠে জনকোলাহল পৰিপূৰ্ণ এখন আন্তৰ্জ্জাতিক বাণিজ্যকেন্দ্ৰ আৰু ভুটীয়া আৰু অসমবাসীৰ সাংস্কৃতিক মিলনক্ষেত্ৰ। হাজাৰ হাজাৰ ভুটানবাসী ৰাইজ ডেকা, বুঢ়া, শিশু, ডেকা-গাভৰু পৰ্ব্বতৰ পৰা নামি আহে পিঠিত বোজা লৈ লৈ। আজিৰ যুগতো এই বোজাই এওঁলোকৰ একমাত্ৰ সম্বল ভুটানত উৎপন্ন হোৱা বস্তু ৰপ্তানিৰ বাবে আৰু তেওঁলোকৰ প্ৰয়োজনীয় পণ্য আমদানিৰ কাৰণে। বহু সংখ্যক অসমীয়া আৰু মাৰোৱাৰী বেপাৰীয়ে ভুটীয়াসকলৰ পৰা বস্তু কিনে আৰু তেওঁলোকৰ ওচৰত প্ৰয়োজনীয় বস্তু বিক্ৰী কৰে। ইয়াকেই বোলা হয় দৰঙা মেলা।

ভুটানৰ তৎকালীন প্ৰধানমন্ত্ৰী ৰাজা উৰগেন দৰজীয়ে ১৮৯৬ চনত এই মেলা বা বজাৰ আৰম্ভ কৰা বুলি জনা যায়। তেওঁক ইংৰাজ চৰকাৰে ৰাজা উপাধিৰে বিভূষিত কৰিছিল। তেওঁ তেওঁৰ দেশৰ কৃষিজাত বস্তুবিলাক ভাৰতবৰ্ষৰ বজাৰত বিক্ৰী কৰিবৰ মানসে এখন উপযুক্ত ঠাই উলিয়াবলৈ গোটেই সীমান্ত অঞ্চল পৰিভ্ৰমণ কৰে। সেই সময়ত ভুটানৰ ঘাই উৎপন্ন বস্তু আছিল লা আৰু এই লাৰেই প্ৰথমে দৰঙাত এই মেলা আৰম্ভ হয়। ৰঙিয়াৰ পৰা এই ত্ৰিছ মাইল দূৰ তেতিয়া আছিল জঙ্গলাকীৰ্ণ

নানা হিংস্র জীৱ-জন্তুৰ বাসভূমি। পোনপ্ৰথমে বৰপেটাৰ পৰা ২।৩ জন বেপাৰীয়ে কঠোৰ পৰিশ্ৰম কৰি দৰঙা মেলালৈ আহি ভুটীয়া ৰাইজৰ লগত বাণিজ্য-সূত্ৰ স্থাপন কৰে। বৰ্ত্তমান ৰঙিয়াৰ পৰা দৰঙালৈ গড়কাপ্তানী বিভাগৰ আলি হৈছে আৰু এতিয়া চলাচল পথ অতি সুগম হৈ উঠিছে।

দৰঙাৰ বাহিৰেও সৰভাং ( ভুটান ) কালিংপুং, ফলাকাটা, আলিপুৰ ( উত্তৰ বঙ্গ ) আৰু ওদালগুৰি ( দৰং জিলা ) আদি ঠাইত ভুটীয়াসকলৰ বাণিজ্যকেন্দ্ৰ। কিন্তু ৰাজা উৰগেন দৰজীয়ে দৰঙাকেই অসমৰ ভিতৰত সৰ্ব্ববৃহৎ বাণিজ্যৰ কেন্দ্ৰ হিচাপে নিৰ্দ্ধাৰণ কৰাৰ ঘাই কাৰণ হৈছে-- ভুটানৰ উৎপন্ন সামগ্ৰীবিলাক কঢ়িয়াই আনিবলৈ দৰঙাৰ বাহিৰে আন ঠাইবোৰ সিমান সুগম নহয়। সেয়েহে এতিয়াও ওপৰত উল্লিখিত বজাৰবিলাকৰ ভিতৰত আটাইতকৈ বেছি বস্তু আমদানি হয় দৰঙা মেলাত। ইয়াৰ আন এটা কাৰণ হৈছে হাজোৰ হয়গ্ৰীবমাধৱৰ মন্দিৰ। ভুটীয়া ৰাইজ বৰ ধৰ্ম্মভীৰু আৰু তেওঁলোকৰ প্ৰায় আটায়ে বৌদ্ধ ধৰ্ম্মাৱলম্বী। হাজোৰ মাধৱৰ মন্দিৰক তেওঁলোকে বৌদ্ধ মন্দিৰ বুলি জ্ঞান কৰে আৰু বছৰে বছৰে এই মন্দিৰ দৰ্শন কৰে।

১৭৭৫ চনত ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে পোনপ্ৰথমে তেতিয়াৰ ভুটানৰ মহাৰাজা ৰাজা দেৱৰ পৰা ভুটান আৰু ভাৰতবৰ্ষৰ মাজত বাণিজ্য-সূত্ৰ স্থাপন কৰিবলৈ সম্মতি লয় আৰু ১৮৬৫ চনত ছিনচুলা সন্ধিৰ নৱম দফামতে ভাৰতবৰ্ষ আৰু ভুটানৰ মাজত শুল্কবিহীন বেহাবেপাৰৰ চুক্তি হয়। এই সন্ধি স্বত্বেও ৱাৰেন হেষ্টিংছৰ শাসন কালত কোনো ভাৰতীয় বা ইংৰাজ বণিকক ভুটান এলেকাত বাণিজ্য কৰিবলৈ দিয়া বন্ধ আছিল। ভুটীয়াসকলে এতিয়াৰ দৰে তেতিয়াও ওপৰোক্ত বজাৰবিলাকত বেহা-বেপাৰ চলায়ে আছিল। ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত ভুটান আৰু ভাৰত চৰকাৰৰ সম্বন্ধ বেছি সৌহাৰ্দ্দপূৰ্ণ আৰু সুদৃঢ় হৈছে। অসমৰ উত্তৰাঞ্চলৰ বত্ৰিছ বৰ্গমাইল মাটি ভাৰত চৰকাৰে ভুটান চৰকাৰক দান কৰাৰ ফলত দুয়ো ৰাষ্ট্ৰৰ মাজত মিত্ৰতাৰ সম্বন্ধ আৰু বেছি দৃঢ়তৰ, আৰু শুল্কহীন বাণিজ্য সম্বন্ধ উন্নততৰ হৈছে।

ভুটানবাসী ৰাইজৰ অৰ্থনৈতিক অৱস্থা বৰ উন্নত নহলেও অভাৱো তাত সিমান নাই। তাৰ কাৰণ— তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহৰ প্ৰণালী এতিয়াও আদিম। এই প্ৰকৃতিৰ সন্তানসকলে এতিয়াও প্ৰকৃতিৰ বুকুতে তেওঁলোকৰ অন্নসংস্থান কৰিযেই সন্তুষ্ট আছে। তেওঁলোকৰ জীৱনযাপন প্ৰণালী সৰল সহজ আৰু সেয়েহে আধুনিক যুগৰ সমস্যাবহুল জীৱন-ধাৰণৰ ঘাতপ্ৰতিঘাতৰ পৰা তেওঁলোক এতিয়াও বহু দূৰত। তদুপৰিও কোনো ভুটীয়া পৰিয়ালে প্ৰয়োজনতকৈ অধিক সম্পত্তি অধিকাৰ কৰিলে ৰাজকোপত পৰে। সেই কাৰণে ভুটানত ধনী মানুহ নাই বুলিলেই হয়। কৃষিৰ কাৰণে জলসিঞ্চনৰ সুবিধা থকা বহুত মাটি ইয়াত এতিয়াও আছে. কিন্তু জলসিঞ্চনত অধিক ব্যয় কৰিবলৈ কোনেও আগ নেবাঢ়ে ৰাজাকোপৰ ভয়ত বা ভৱিষ্যতৰ অনিশ্চয়তাৰ কাৰণে। ইয়াৰ ঘাই উৎপন্ন শস্য হ'ল ধান, গম, মাকৈ আৰু সৰিয়হ। আলু, সুমথিৰা, জলকীয়াও ইয়াত প্ৰচুৰ পৰিমাণে হয়। কুটীৰশিল্পও ইয়াৰ অতি পুৰাণকলীয়া। যিখিনি বস্তু তেওঁলোকে তৈয়াৰ কৰে, সেইখিনি প্ৰায় নিজ ব্যৱহাৰৰ কাৰণেই। কৃষিৰ সাজসজুলিবিলাকো এওলোকে নিজেই তৈয়াৰ কৰি লয় নিজৰ প্ৰয়োজনৰ বাবে। কম্বল, বিচনাৰ চাদৰ আৰু বাহৰ তৈয়াৰী কিছু বস্তু এওঁলোকে ৰপ্তানি কৰে।

ভুটানৰ বনাঞ্চল সুবৃহৎ আৰু ইয়াত অতি মূল্যবান কাঠ পোৱা যায়। কাঠ আৰু লা ভুটীয়া ৰাইজৰ আটাইতকৈ বেছি মূল্যবান জাতীয় সম্পত্তি। গো-পালনও ভুটান ৰাষ্ট্ৰৰ এটা ডাঙৰ ব্যৱসায়, অৱশ্যে এই বেপাৰৰ সৰহখিনি ভুটানবাসী নেপালীসকলৰ হাতত।

ভুটানবাসী ৰাইজে দৰঙা মেলালৈ সাধাৰণতে আলু, সুমথিৰা, জলকীয়া, লা, মম, কস্তুৰী, মাখন, ভুটীয়া কাপোৰ, ঘোঁৰা, গৰু, কুকুৰ আদি বস্তুবিলাক বিক্ৰী কৰিবলৈ লৈ আহে। প্ৰতি বছৰে এই মেলাত ভুটীয়াসকলে প্ৰায় দহ পোন্ধৰ লাখ টকাৰ বস্তু বিক্ৰী কৰে। তেওঁলোকে দৰঙা মেলাৰ পৰা বহুৰি লোণ, নাৰিকল তেল, কেৰাচিন তেল, কাপোৰ, সূতা, কাঁহ-পিতলৰ বাচন, এলুমিনিয়াম,

ধপাত, বিড়ি, লোৰ সাসজুলি, চিগাৰেট, দিয়াচলাই, শুকান মাছ আৰু এভিয়া বস্তুবোৰ কিনি লৈ যায়। এইকাপোৰ আদি বোৰ বস্তুৰ মূল্যও প্ৰতি বছৰে ভূটীয়াসকলে বিক্ৰী কৰা বস্তুৰ মূল্যৰ সমান অৰ্থাৎ দহ পোন্ধৰ লাখ টকা।

এই মেলা চাবলৈ বহু দৰ্শকৰ বছৰে বছৰে সমাবেশ হয়। দৰঙা মেলাৰ অসমীয়া ব্যবসায়ীসকলৰ সকলোৱে ভূটীয়া ভাষা জানে, কিয়নো ভূটীয়াসকলে সাধাৰণতঃ তেওঁলোকৰ ভাষা নজনা মানুহৰ লগত আদান প্ৰদান কৰিবলৈ ইচ্ছা নকৰে। তদুপৰি তেওঁলোকৰ সৰহ ভাগেই আন ভাষা বুজিও নেপায়। নজনাৰ বাবে অহা কোনো মানুহে দৰঙা মেলাত কোনো ভূটীয়াৰ পৰা বস্তু কিনিবলৈ খুজিলে বস্তুৰ অত্যাধিক দাম শুনি আচৰিত হয়। ইয়াৰ কাৰণ এয়ে যে তেওঁলোকে তেওঁলোকৰ পৰিচিত আৰু ভাষা জনা মানুহৰ বাহিৰে আনৰ ওচৰত বস্তু বিক্ৰী কৰিবলৈ সন্দেহ কৰে আৰু সেই বাবে অত্যাধিক দামৰ কথা কৈ কিনোতাক বিব্ৰত আৰু বিমুখ কৰে। বেহাবেপাৰৰ যোগেদি ভূটীয়া আৰু অসমীয়া ব্যবসায়ীসকলৰ মাজত এটা সম্প্ৰীতিক সম্বন্ধ গঢ়ি উঠিছে। আহৰি সময়ত ভূটীয়া লোকসকলে অসমীয়া বেপাৰীসকলৰ ঘৰলৈ গৈ তেওঁলোকৰ পৰিয়ালৰ লগত বন্ধুত্ব গঢ়ি তোলে

প্ৰতি বছৰে কুমাৰীকাটাৰ পৰা দৰঙালৈ এই পাঁচ মাইল আলিবাট মেলাৰ সময়ত অসম-চৰকাৰৰ পথ পৰিবহন বিভাগে মেৰামত কৰি যান বাহনৰ বাবে সুচল কৰি দিয়ে তদুপৰি এই বিভাগে মেলা বহিবৰ সুবিধাৰ্থে দৰঙাৰ হাবি আদিও পৰিষ্কাৰ কৰিবলগীয়া হয়। জনস্বাস্থ্য বিভাগৰ এটা শাখাও মেলাৰ সময়ত ইয়াত ৰখা হয় — ভূটীয়াসকলৰ বেমাৰ-আজাৰ পৰিচৰ্য্যা কৰিবলৈ অসম ৰাইফেলৰ এটা ইউনিটে আৰু চিভিল পুলিচ বিভাগে মেলাত শান্তিৰক্ষাৰ ভাৰ লয়। সৰল সহজ ভূটীয়াসকলৰ মাজত কোনো বেয়া মানুহ সোমাই তেওঁলোকৰ অন্যায় অপকাৰ কৰিব নোৱাৰাকৈ ইয়াত চোৰাংচোৱা বিভাগৰ কৰ্মচাৰীও ৰখা হয় তদুপৰি বিচাৰকৰ ক্ষমতাপ্ৰাপ্ত এজন কৰ্মচাৰীক দৰঙা মেলা পৰিচালনাৰ ভাৰ দিয়া হয়

মেলাৰ সময়ত বেছি অভাৱ আৰু অসুবিধা দেখা যায় খোৱা পানীৰ। দৰঙাৰ কাষেদি বৈ যোৱা দৰঙা নৈৰ পানী অস্বাস্থ্যকৰ হোৱাৰ উপৰিও ফাগুন-চ'ত মাহত ই প্ৰায় শুকাই যায়। ইফালে আকৌ এই পৰ্ব্বতীয়া ঠাইখনত কুঁৱা দমকলৰ ব্যৱস্থাও সন্তৱপৰ হৈ উঠা নাই। কিন্তু দূৰৰ পৰ্ব্বতীয়া নিজৰাৰ পৰা নলীৰ সহায়েৰে পানীযোগানৰ ব্যৱস্থা কৰিব পাৰিলেহে এই অভাৱ মোচন কৰিব পৰা যাব বুলি অনুমান হয়। তদুপৰি বাহিৰৰ পৰা অহা দৰ্শকৰ কাৰণেও ইয়াত এটি জিৰণিশালা নিতান্ত প্ৰয়োজন। কিন্তু আটাইতকৈ দুখৰ বিষয় যে ভুটীয়াসকলে আজি এই কুৰি শতিকাতো ১৫০।২০০ মাইল দূৰৈৰ পৰা অগম্য গিৰিপথেদি আৰু নানা হিংস্ৰ বনৰীয়া জন্তুৰ মাজেদি লৰা-ছোৱালীৰে সৈতে তেওঁলোকৰ উৎপন্ন বস্তু বিক্ৰী কৰিবলৈ বা তেওঁ-লোকৰ প্ৰয়োজনীয় আহাৰ্য্য গোটাবলৈ পিঠিৰে বস্তু কঢ়িয়াই অনা-নিয়া কৰিবলগীয়া হৈ আছে। অটুট স্বাস্থ্যসম্ভাৰ, দুৰ্দ্দমনীয় মনোবল আৰু অসীম সাহসৰ কাৰণেই হয়তো তেওঁলোকে এই কঠোৰ অৰ্থনৈতিক সংগ্ৰামত আজিও পৰাজিত হোৱা নাই। পৃথিৱীৰ ভিতৰত বোধ কৰোঁ ভুটানেই একমাত্ৰ দেশ, য'ত আজিও কেৱল ঘোঁৰাৰ বাহিৰে কোনো যানবাহনৰ প্ৰচলন হোৱা নাই। দৰঙাৰ পৰা দেৱানগিৰিলৈ এই দহ মাইল দূৰ অসম চৰকাৰৰ গড়কাপ্তানি বিভাগে এটা আলি নিৰ্ম্মাণ কৰিছিল। অসমৰ উত্তৰ ভূখণ্ড ভুটানলৈ স্থানান্তৰিত হোৱাৰ পিছত দেৱানগিৰি ভুটান ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হয় আৰু তেতিয়াৰে পৰা তত্বাৱধানৰ অভাৱত এই আলিৰ ভগ্নাৱশেষহে এতিয়া দেখিবলৈ পোৱা যায়।

# সৰ্থেবাৰী আৰু কঁহৰাৰ সভা

## সৰ্থেবাৰীৰ সভা

সৰ্থেবাৰী কামৰূপ জিলাৰ এখনি সুপ্ৰসিদ্ধ ঘন জনবসতিপূৰ্ণ উন্নত গাঁও। এই সৰ্থেবাৰীৰ সভাখন কোন চনত কেতিয়াৰ পৰা আৰম্ভ হৈছিল তাৰ সঠিক বুৰঞ্জী জনা নগ'লেও সংস্কৃতিয়ে আমাক ইয়াৰ মূল উৎস বিচাৰি শবছৰৰো আগলৈ লৈ যায়। হয়তোবা শ বছৰৰো আগতে কোনোবা এক মহান পৱিত্ৰ ক্ষণত কেইজনমান ব্যক্তিৰ উৰ্বৰ মগজুৱেই উদ্ভাৱনা কৰিছিল এই পৱিত্ৰ উৎসৱৰ মোহনামুখ। ভিন ভিন সম্প্ৰদায়ৰ মানুহে সৰ্থেবাৰীত বাস কৰে। সেয়েহে জাতিবৰ্ণনিৰ্বিশেষে সকলোৱে সমূহীয়াভাৱে যাতে অন্ততঃ বছৰেকৰ মূৰকত হ'লেও একেলগ হৈ অন্তৰ বিনিময় কৰাৰ অকণ সুবিধা পায় তাৰ কাৰণেই এই মহান পৱিত্ৰ তিথিত সৰ্থেবাৰী মহাসভাৰ পূৰ্ণ আয়োজন। অতীজৰে পৰা সৰ্থেবাৰী বিভিন্ন সম্প্ৰদায় আৰু জাতিৰ সংস্কৃতিক মিলনভূমি। সৰ্থেবাৰী গাঁৱৰ জনসাধাৰণৰ ব্যৱসায়ী জীৱনো বৈচিত্ৰময়। তথাপিও সকলোৱে অন্তৰ-বীণৰ পৰা নিগৰি ওলোৱা এই মহান অনুষ্ঠানৰ যজ্ঞ-ধূমে অগণন নৰ-নাৰীক অনুপ্ৰাণিত কৰি যি এক মহান ঐক্যতানত সমন্বয় সাধিত কৰি আহিছে তাতেই সাম্প্ৰদায়িক সংঘৰ্ষ আৰু অনিষ্টকাৰী ভাব দলিয়াই মনক মানুহৰ সেৱা আৰু পৱিত্ৰ ধাৰ্মিক চিন্তাধাৰালৈ উন্নীত কৰাৰ আহ্বান কৰি আহিছে। ককাআজোককসকলৰ পৰা পাই অহা বাপতিসাহোন 'কাঁহশিল্প'ই ইয়াৰ বাইজৰ একমাত্ৰ জীৱন ধাৰণৰ মানদণ্ড। অসম তথা ভাৰতৰ কুটীৰশিল্পৰ উচ্চ আসনত সৰ্থেবাৰীৰ কাঁহশিল্পই এখন আঁচুতীয়া আসন লাভ কৰি আহিছে সেয়েহে কৰ্মব্যস্ত জীৱনত উমৈহতীয়াভাৱে কোনো এক শুভ ক্ষণত সমৱেত হৈ ৰং-ধেমালি কৰাৰ উপৰিও হাড়ভগা পৰিশ্ৰমৰ আৰু অৱসাদৰ পৰা কিছু অব্যাহতি বিচৰাটো স্বাভাৱিক। কৰ্মব্যস্ত মনবোৰত ধূপ খাই থকা তাপ আৰু আবেগ বাশিৰ

বহিঃপ্ৰকাশৰ আৰু মিলনৰ দুৰ্ব্বাৰ আকৰ্ষণতে এই সভাখনৰ জন্ম। বহু ক্ষেত্ৰত থলুৱা উৎসৱবোৰে জনসাধাৰণৰ নৈতিক আৰু মানসিক উৎকৰ্ষসাধনত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰে। লগে লগে কৰ্ম্মৰ মাজেৰে ভগৱৎচিন্তা কৰা আৰু ভিতৰত লুকাই থকা প্ৰেমভাবক বহিঃপ্ৰকাশৰ বাট মুকলি কৰি দিয়ে এইবোৰেই।

পূত-পবিত্ৰ মাঘীপূৰ্ণিমা তিথিক কেন্দ্ৰ কৰি পাঁচ দিন ব্যাপী এই উৎসৱ মহাসমাৰোহেৰে পালন কৰা হয়। চতুৰ্দ্দশী তিথিৰ পৰা আৰম্ভ কৰি পূৰ্ণিমাৰ পিছৰ কৃষ্ণা তৃতীয়া তিথিত ইয়াৰ সামৰণি মৰা হয়। সভা আৰম্ভ হোৱা সময়টোও বিশেষ মন কৰিবলগীয়া। ধূসৰ শীতে প্ৰকৃতি ৰুখা মানৱ মনলৈ জঠৰতা আনে। মনবোৰ -প্ৰকৃতিৰ বুকুখনো উকঙা উকঙা লাগে। তেনেও বতাহৰ কোবত গছ-লতাৰ ৰঢা পাতত মৰমৰ প্ৰতিধ্বনি উঠে। জড়-জগত জীৱজগত সেমেকি উঠে এনেকুৱা পৰিবেশত ঋতুৰাজ বসন্তকোঁৱৰৰ আগমন আৰু মৃদু পৰশৰ কাৰণে আকুল হৈ পৰে জড়-জীৱজগত। বসন্তকোঁৱৰৰ মৰমসনা পৰশ পাই গছ-লতাই কুঁহিপাত মেলিব, কুলি-কেতেকীৰ মাতত মৌ বৰষিব, মানৱ-মন নতুন মাদকতা আৰু সপ্নময় আশাত উথলি উঠিব। সকলোৰে মানসপটত আশাৰ হেঙুলী বোল ৰসৰ ঢকল উপচোৱা বন ঠিক এনে শুভ মুহূৰ্ত্তত কেতিয়াবা শীতৰ বিদায় বেলাত আৰু কেতিয়াবা বসন্তকোঁৱৰৰ পদাৰ্পণৰ লগে লগে এই পবিত্ৰ সভাৰ তিথিক্ষণ মিলে মাঘ মাহৰ পূত পবিত্ৰ মাঘীপূৰ্ণিমা তিথিত। 'মাঘীপূৰ্ণিমা' আৰু 'কলিযুগাদ্যা' তিথি সমগ্ৰ ভাৰতৰ নৰনাৰীৰ কাৰণেই এক স্মৰণীয় তিথি। এই মোহময় মহান পৰবৰ আগমনৰ লগে লগে মানৱ-প্ৰাণৰ জঠৰতা ভাঙি প্ৰকৃতি আৰু সন্তানসকলক প্ৰাণময় কৰ্ম্মঠ কৰি তুলিবলৈকেহে যেন এই সভাৰো আয়োজন। 'পঞ্চদেৱতা' অৰ্থাৎ সূৰ্য্য, গণেশ, দুৰ্গা, শিৱ আৰু বিষ্ণুক স্মৰণ কৰিয়েই বোধহয় 'পঞ্চ' শব্দটোক আগত ৰাখি পাঁচদিন ব্যাপী এই সভাৰ আয়োজন কৰা হৈছিল আৰু আজিও ঠিক সেইদৰেই চলি আহিছে। মনত নতুন আনন্দ আৰু

ভাবৰ উদ্রেক ঘটাই অনুভূতি আৰু প্ৰেম ভালপোৱাক জগাই তুলিবৰ বাবে আৰু উৎসৱৰ যোগেদি সেইবোৰৰ সংযোগ ঘটাবলৈকে বাহ্যিক আড়ম্বৰাদিৰ মাধ্যমেৰে উৎসৱ উদ্‌যাপিত হয়। আধ্যাত্মবাদৰ উৎকৰ্ষ আৰু কৰ্ম্মশক্তিক উদ্দীপ্ত কৰিবলৈ সৰ্থেবৰীয়া ৰাইজৰ এই সভাখন অপৰিহাৰ্য্য। সৰ্থেবাৰী গাঁওৰ, সমাজৰ আৰু কাঁহশিল্পৰ আৰু কাঁহশিল্পৰ এই মহোৎসৱ কৰ্ম্মমুখৰ জীৱনৰ আনন্দ সঁফুৰা। সৰ্থেবাৰী গাঁওখন চৈধ্যখন চুবুৰীৰে পাঁচখন খেলৰ সমষ্টি। সেয়েহে আকৌ ইয়াক 'পাঁচ খেল'ৰ সভাও বোলা হয়। প্ৰতি খেলৰ এশ টকাকৈ পাঁচখেলৰ পাঁচশ টকাৰে পোন প্ৰথম বাৰৰ বাবে সভাখন আৰম্ভ হৈছিল বুলি শুনা যায়। অৱশ্যে তেতিয়াৰ পৰিবেশ আৰু সময় আছিল বেলেগ। পাঁচদিনীয়া সভাখন এনেভাবে ভাগ কৰা হয়—প্ৰথম দিনা অৰ্থাৎ 'গোন্ধৰ দিনা' (পূৰ্ণিমাৰ আগদিনা চতুৰ্দ্দশী তিথিত) প্ৰতি চুবুৰীৰ গোসাঁইঘৰৰ গোসাঁইৰ আসনবোৰ আবেলিতে ঘঁহিমাজি চিকুণোৱা হয়। সন্ধিয়া নানা ৰং-বেৰঙৰ কাপোৰেৰে সেই আসনবোৰ চকুত লগাকৈ সজাই ৰংৰহইচ আৰু নামকীৰ্ত্তন কৰি সভাৰ খোলাৰ মূল গোসাঁইঘৰলৈ উলিয়াই অনা হয়। মতা মানুহৰ লগতে তিৰোতাসকলেও ইয়াত সমানে সমানে যোগদান কৰে। মতা-তিৰোতা বুলি ইয়াত কোনো ব্যৱধান নাই। এই শ্ৰেণীহীন সমন্বয় সাধনো সভাৰ অন্যতম বিশেষত্ব বুলি কব পাৰি। সভাৰ খোলাখনত সেই দিনা আগবেলাতেই প্ৰায় চৈধ্য-পোন্ধৰখন ছাউনি বাহ-বনেৰে দিয়া হয়, চুবুৰীৰ ভাগ অনুসৰি। ইয়াৰ চৌহদৰ বাহিৰে চাৰিওফালে দোকানী-পোহাৰীসকলৰ কাৰণে স্থান সংৰক্ষিত থাকে। দুলানি ছাউনিৰ মাজত দীঘলে দীঘলে কিছু অংশ খোলা ৰখা হয়। ইয়াতে ঢুলীয়া ভাওনা আৰু যাত্ৰাভিনয় হয়। পশ্চিমৰ বাটঘৰটোৰ পৰাই পূৱলৈ অৰ্থাৎ হোমৰ বেদীলৈকে এই দুলানি ছাউনিৰ সমুখত হোমৰ বেদী ৰচনা কৰা হয়। তাৰ সমুখতে ভকতনী আইসকল সজোৱা বাটটোৱে বুকুত অতীত বুৰঞ্জীৰ ভাণ্ডাৰ লৈ থিয় হৈছে। পুৰুষৰ লগতে সমানে

ৰাজহুৱা কামত তিৰোতাইও যে ভাগ পাব পাৰে আৰু পোৱা উচিত এই গোসাঁইঘৰটো তাৰেই উজ্জ্বল চানেকী। এই ঘৰটোৰ সমুখত উত্তৰ-দক্ষিণমুৱাভাবে মূল বৰগোসাঁইঘৰটি। অতীজতে এই গোসাঁই ঘৰটিও ভকতনী আইসকলৰেই অৱদান আছিল। শেষত ভাঙিছিঙি যোৱাত ৰাইজে নতুনকৈ সজাই লৈছে। বৰ্ত্তমান আকৌ ইয়াৰ একেবাৰে পৰিবৰ্ত্তিত ৰূপহে হৈছেগৈ। বৰ্ত্তমানৰ বৰগোসাঁইঘৰটি পকা আৰু পাঁচখোটলীয়া (আগতেও আছিল) কৰা হৈছে। ইয়াৰ ভগ্নাংশবোৰ আৰু নতুনকৈ তাৰে সৈতে কিছুমান আহিলাপাতি লগ লগাই সভাৰ খোলাৰ উত্তৰফালে ভকতনী আইসকলৰ নামেৰে ভঁৰাল ঘৰটো সজোৱা হৈছে। সভাৰ সময়ৰ বাহিৰে আজিকালি এই ঘৰটোক 'সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰাল'ৰূপে ব্যৱহাৰ কৰা হয়। এই ঘৰটোত সভাৰ যাৱতীয় বস্তু-বাহানিবোৰ ৰখা হয় আৰু ইয়াৰ পৰাই সভাৰ কাম পৰিচালনাদি কামবোৰ কৰা হয়। ৰাতি বিগ্ৰহসকলক হৰিনাম কীৰ্ত্তন কৰি মহাআড়ম্বৰেৰে আনি মূল গোসাঁইঘৰটিত যথাস্থানত থোৱা হয়। মুঠ গোসাঁই দহজনা। প্ৰত্যেক গোসাঁইৰ লগত পূজাৰীপুৰো-হিতসকল তাত থাকে। বস্তিৰ পোহৰত ঠাইখন জিকমিকাই উঠে। মনলৈ ভগবৎভক্তি-প্ৰেমৰ দুকূল ওপচোৱা নিজৰা বাগৰে। সেই দিনা ৰাতি আৰু কোনো যাত্ৰা ভাওনাদি নহয়। এইদৰে সৰ্থেবাৰীৰ মহাসভাৰ প্ৰথম দিনৰ অন্ত পৰে।

পিছৰ দিনা অৰ্থাৎ মাঘীপূৰ্ণিমা তিথিত কলিযুগাব্দা মিলাৰ লগে লগে হোম আৰম্ভ হয়। আটাইৰে বহু প্ৰতীক্ষিত, মহিমামণ্ডিত এই হোমৰ দিনটোৰ কাৰণে এক অভূতপূৰ্ব্ব পূৰ্ব্বৰঙ্গই মানুহক থৌকিবাথৌ কৰে। 'সৰ্থেবাৰীৰ সভাৰ হোম' বুলিলে মানুহৰ গাত তত নাইকিয়া কিবা যেন ঐশ্বৰিক শক্তিয়ে মনৰ মাজত উগুলথুগুল বিজুলীৰ খেল আৰম্ভ কৰে। হোমৰ স্বৰ্গীয় গোন্ধ লবলৈ মন-প্ৰাণ মতলীয়া হৈ পৰে। ডেকা-বুঢ়া সকলোৰে অন্তৰ অপাৰ আনন্দত নাচি উঠে। এই মহান দিনটোৰ গুৰুকাৰ্য্যভাৰ নিয়াৰিকৈ সুসমাধা কৰাৰ কাৰণে

ভাগে ভাগে তত্বাৱধায়ক আৰু স্বয়ংসেৱকৰ দলসমূহ সজাগ হৈ উঠে। নাৰী-পুৰুষ উভয়ে শান্তিপূৰ্ণভাৱে উৎসৱ উপভোগ কৰিব পৰাকৈ বেলেগ বেলেগ ব্যৱস্থা সুন্দৰভাবে কৰি দিয়া হয় আৰু অতি তৎপৰতাৰে এইবোৰ চোৱাচিতা কৰা হয় যাতে কোনো প্ৰকাৰ অশান্তিকৰ পৰিবেশৰ সৃষ্টি নহয়। ৰাতি নৌ পুৱাওঁতেই বিভিন্ন কামত ভাগে ভাগে পূৰ্ব্বৰ নিৰ্দ্দিষ্ট সূচী অনুসৰি মানুহ কৰ্ত্তব্যত ৰত হৈ পৰা দেখিলে মনত নতুন ভাবৰ উদয় হয়, যেন এক পৰিয়ালভুক্ত সমাজ এখনৰ মানুহে বিনাবাক্যব্যয়ে দ্বিধাহীনভাবে কাৰ্য্য সম্পাদন কৰি গৈছে। হোমৰ যাবতীয় যা-যোগাৰ হৈ উঠাৰ লগে লগে যথাসময়ত শাৰী পাতি ব্ৰাহ্মণমণ্ডলীয়ে পূজাত ব্যস্ত হৈ পৰে। শঙ্খ-ঘণ্টা ডবা-কাঁহৰ আকাশ কঁপোৱা নিনাদৰ লগে লগে 'কৰ্ত্তাই' হোমত ঘৃতাহুতি দি বৈদিক মন্ত্ৰ পাঠ কৰি হোম আৰম্ভ কৰে। ভাগৱত-শাস্ত্ৰ পাঠ আৰম্ভ হয। হৰিনামৰ ধ্বনিত মেদিনী কঁপি উঠে। ভোৰতাল লৈ পাঠকসকলে থিয় হৈ জাউৰিয়ে জাউৰিয়ে হোম-মন্ত্ৰ গাবলৈ ধৰে। ব্ৰাহ্মণমণ্ডলীৰ বেদধ্বনি, হোমৰ মন্ত্ৰগান, ভাগৱতৰ সুৱলা ৰাগ, পাঠকসকলৰ ভোৰতালৰ শব্দ আৰু হৰিনামৰ ধ্বনিত আকাশ বতাহ মুখৰিত হৈ পৰে। এই সময়ত সভাতলীৰ দৃশ্য দেখিলে মহাভাৰতৰ যুগৰ ৰাজসূয় যজ্ঞৰ কথালৈ মনত পৰে। বাস্তৱিকতে যেন কোনোবা এখন বৈমাপুৰীহে। তদগত চিত্তে সকলোৱে জগন্নাথ মহাপ্ৰভুৰ চৰণতলত জীৱনৰ পোহৰ বিচাৰে। উচ্চ-নীচ বা জাতি-ভেদৰ ভাব পাহৰি গৈ একেখন ৰভাতলীত একেলগে সমৱেত হৈ এনেদৰে গোট খাই প্ৰাণৰ আবেগ ঢালি ভগবৎ প্ৰেমত স্নান কৰিব পৰা দৃশ্যই সকলোকে মনত আনন্দানুভূতি নিদিয়ে নে বাৰু? ভগৱানৰ ৰাজ্যত যে সৰুবৰ বা উচ্চনীচৰ বিচাৰ নাই, সকলো এক পৰমাত্মাৰ পৰাই স্ফুলিঙ্গৰ দৰে চিটিকি আহিছে ইয়াতেই তাৰ চমু আভাস পোৱা যায়। সকলোৱে সমানে ভগৱানৰ নাম লোৱাৰ অধিকাৰ ইয়াত আছে। কোনো ৰকমৰ সাম্প্ৰদায়িকতাৰ গোন্ধেও এই উৎসৱক

স্পৰ্শ কৰিব পৰা নাই আৰু ইয়াৰ ৰূপো ম্লান কৰিব পৰা নাই। হোমৰ অন্তত পূজাৰী-ব্ৰাহ্মণসকলে নিৰ্ম্মালি আৰু শান্তিপানী ছটিয়াই শুদ্ধ ভাবাপন্ন কৰাৰ উপৰিও প্ৰাণত নতুন কৰ্ম্মশক্তিৰ সঞ্চাৰ হবলৈ আশীৰ্ব্বাদ দিয়ে। অতদিনৰ অভিলষিত হাবিয়াসৰ হোমৰ ফোটটি পাই নিজকে ধন্য মানে আটায়ে। এই সকলোৰে অন্তত মহাপ্ৰভুৰ প্ৰসাদ লৈ ঘৰাঘৰি গৈ দিনটোৰ উপবাসব্ৰত ভঙ্গ কৰে আৰু কোমল চাউল বা সান্দহ আদি খায়। সেই দিনা দিনত আৰু ভাত খোৱা নহয়। পুৱাগধূলি দূৰদূৰণিৰ পৰা অহা মানুহবিলাকক যথোপযুক্ত সিধা-পাতি আৰু খৰি আদি দিয়া হয় যাতে খোৱাবোৱাত কোনেও কোনো প্ৰতিকূল অৱস্থা'ৰ সন্মুখীন হবলগীয়া নহয়। সন্ধিয়াৰ লগে লগে ভকত আৰু তাৰ পিছত ভকতনী আইসকলৰ নামপ্ৰসঙ্গ হয়। তাৰ পিছতেই ঢুলীয়া ভাওনা আৰম্ভ হয়।

হোমৰ পিছদিনাখন অৰ্থাৎ কৃষ্ণাপ্ৰতিপদ তিথিত মহাপয়োভৰেৰে সভাই তৃতীয় দিনত প্ৰৱেশ কৰে। এই দিনা 'ভৰসভা।' সভাৰ প্ৰতি দিনে গোসাঁইঘৰত ৰাতিপুৱা আৰু সন্ধিয়া, আগতে ভকতনী আইসকলৰ আৰু পিছত ভকতসকলৰ দ্বাৰাই নাম কীৰ্ত্তন অনুষ্ঠিত হয়।

তৃতীয় দিনাও অৰ্থাৎ ভৰসভাৰ দিনাও অনুৰূপ প্ৰসঙ্গ আদি কৰা হয়। বেলি লাহ দিয়াৰ লগে লগে ঢুলীয়া ভাওনা হয়। ঢুলীয়া-ভাওনাৰ পিছত যাত্ৰাভিনয় আৰম্ভ হয়।

সভাই চতুৰ্থ দিনত প্ৰৱেশ কৰে। পূৰ্ব্বানুৰূপ নামপ্ৰসঙ্গ, ঢুলীয়া ভাওনা আৰু যাত্ৰাভিনয় আদি পূৰ্ণোদ্যমে চলি থাকে। মানুহৰ মন-প্ৰাণ উৎসৱমুখৰ। চাৰিওপিনে ৰংৰহইচৰ মেলা। বেচাকিনাৰ ধুমধামত মানুহৰ গাঁথিৰ সাঁচতীয়া ধনখিনিও নিঃশেষ হৈ আছে। লৰা-তিৰোতাৰ গাত নতুন নতুন পোছাক-পৰিচ্ছদৰ ঢৌ। লাগতিয়াল বস্তু-বাহানিৰ বেচা-কিনাৰ সমাৰোহ। হোমৰ দিনৰ পৰা এই দিনলৈকে গোটেই তিনিটা দিনেই দূৰৰ যাত্ৰীবিলাকক সিধাপাতি দি সোধপোছ

কৰা হয়। মানুহৰ খদমদমত, হাঁহিধেমালিৰ চিঞৰবাথৰত উৎসৱমুখী উজ্জ্বল মুখবোৰত এক প্ৰশান্তিৰ স্পষ্ট ইঙ্গিত ভাহি উঠে।

টকা খৰচ কৰি আয়োজন কৰা এই বিৰাট সভাৰ শেষত বিচাৰিলে আমি পাম—ইয়াৰ মাজতে সোমাই আছে মানুহৰ সম্মিলিত কৰ্ম্মশক্তিৰ ধাৰা, ঐকান্তিক শ্ৰম, আধ্যাত্মিক আৰু নৈতিকতাৰ প্ৰতি অচঞ্চল আগ্ৰহ আৰু কৰ্ম্মক্লান্তিৰ অৱসাদ দূৰ কৰাৰ প্ৰচেষ্টাসমূহ। মানুহৰ মনৰ জড়তা ভঙ্গ কৰি হেবোৰা বল ঘূৰাই দি বছৰেকৰ মূৰত জগন্নাথ মহাপ্ৰভুৱে সৰ্থেবাৰীৰ জনসাধাৰণক এই পূত পৱিত্ৰ পৰবৰ নিমিত্তে সতেজ আৰু শক্তিশালী কৰি তোলে। হিয়া-মন আনন্দত অভিভূত হৈ পৱিত্ৰ ভাবত নাচি উঠে। প্ৰত্যেকৰে অন্তৰত যেন অজান ফল্গুৰ তীব্ৰ স্ৰোত প্ৰৱাহিত হয়। 'ঈশ্বৰ প্ৰেমময়' বোলা কথাষাৰ যেন এই ফল্গুৰ দুৰ্ব্বাৰ স্ৰোতত উপলব্ধি কৰিবলৈ সক্ষম হয়। নাম, ধৰ্ম্ম, আদৰ্শ ৰীতি-নীতি ভিন ভিন সমাজত ভিন ভিন হলেও সকলোৰে মূল লক্ষ্য একেটাই। এই উৎসৱে আমাক তাকেই শিকায়। মানুহৰ ভিতৰত লুকাই থকা শ্ৰেষ্ঠ সম্পদ ভালপোৱা ভাবক বহিঃপ্ৰকাৰ সুযোগ দিয়াই এই সভাৰ বৈশিষ্ট্য।

মাঘ মাহৰ প্ৰথম অমাৱস্যা তিথিৰ দিনা গাঁৱৰ মুখিয়াল লোকসকলে সভাৰ খোলাত বহি এই সভাখন পৰিচালনাদি সম্পৰ্কে আলোচনা কৰে। সাধাৰণতে ইয়াক 'মেল বহা' বোলা হয়। প্ৰথম দিনৰ মেলত ভক্তি ধৰ্ম্মমূলক আলোচনা কৰি মেলৰ সামৰণি মৰা হয়। তাৰ পিছত নিতৌ সন্ধিয়া মেল বহে। চতুৰ্দ্দশীৰ পৰা সভাৰ বৰঙনি সম্পৰ্কীয় আলোচনাদি হয়। শক্তি অনুসৰিহে ভক্তি। গতিকে অৱস্থা বুজিহে বৰঙণিৰ নিৰিখ নিৰ্ণয় কৰা হয়। তদুপৰি চাউল এদোন আৰু খৰি এক আটিকে সকলোৱে বৰঙণি হিচাপে দিব লাগে। গাঁৱৰ নানা ধৰণৰ জটিল সমস্যাদিবো আনকি দোষ-গুণৰ জটিল বিচাৰবোৰো ইয়াতেই নিষ্পত্তি কৰা হয়। ইয়াত সকলোৱে মত আৰু যুক্তিসাপেক্ষে বিচাৰবোৰৰ ৰায় দিয়া হয়। এইখিনিতে সামাজিক নিয়মশৃঙ্খলা ৰক্ষাৰ এক মহতী আদৰ্শ সংৰক্ষিত হৈ আছিছে, তাক

সকলোৰে বুলি নতশিৰে পালন কৰি আহিছে। ই যেন বিচৰালয় বা আদালতৰ বিচাৰতকৈও অধিক শক্তিশালী অধ্যাদেশহে। সভাৰ কাম নিয়াৰিকৈ চলাবলৈ বাৰজন বা অলপ বেছি সংখ্যক সভ্যৰে এখন কমিটী গঠন কৰা হয়। তাত এজনক ধনভঁৰালী আৰু এজন কাকতী বাছি দিয়া হয়। এই কমিটীয়ে সমূহ ৰাইজৰ মতৰ অনুকূলে সভাৰ কাম পৰিচালনা কৰে। শান্তিশৃঙ্খলা ৰক্ষাৰ বাবে আগতে ৰঙা পাগুৰি আৰু হাতত বেত এডাল দি একোজন 'সাৰা' নিৰ্ব্বাচন কৰিছিল। এতিয়া তাৰ ঠাইত স্বেচ্ছাসেৱক বাহিনী এটা এই কমিটীয়ে গঠন কৰে। এই বাহিনীক বিশেষ ধৰণৰ 'বেজ' একোটাৰে চিনাক্ত কৰা হয়। অকল এয়েই নহয় আৰু অনেক ব্যৱস্থাই সংৰক্ষিত থাকে এই পৰিচালনা সমিতিৰ হাতত। এনে এক বিৰাট আৰু মহান অনুষ্ঠান এটা সুসমাধা কৰিবলৈ লাগে ৰাইজৰ সামূহিক প্ৰচেষ্টা আৰু সকলো ধৰণৰ সহানুভূতি। কিন্তু মানুহবোৰ সদায় বছৰৰ বাৰেওমাহে মূল ব্যৱসায়ত লাগি ঘৰৰ পৰা বাহিৰতে থাকিবলগীয়া হয়। কিন্তু ইফালে আকৌ এই অনুষ্ঠানৰ কাম কৰিবলৈও মানুহৰ দৈহিক শক্তিৰ আৱশ্যক। গতিকে যিসকলে সভাত সমূলি উপস্থিত থাকিব নোৱাৰে তেওঁলোকে এক বিশেষ ধৰণৰ ভৰণি ভৰিবলগীয়া হয়। তাকেই সাধাৰণতে 'খুইটা' বোলা হয়। প্ৰতিজন কৰ্ম্মী মানুহে গোটেই সভাত অনুপস্থিত থাকিলে মুঠ পাঁচ টকাকৈ এই খুইটা ভৰিব লাগে। প্ৰথম মেল বহাৰ দিনৰ পৰা প্ৰতিদিনে দহ অনা হিচাপে এই খুইটা বন্ধা হয়। ওজা কঁঠাৰজনৰ (গোটেই সভাত অনুপস্থিতিৰ কাৰণে) পাঁচ টকা 'ভাইগা', কঁাহৰ সকলো কাম জানে কিন্তু ওজা কঁহাৰ নহয়, সেইসকলৰ আঢ়ৈ টকা আৰু দৰমহা খোৱাকৈ থকাসকলৰ পাঁচ সিকিকৈ এই বিশেষ ভৰণি ধৰা হয়। আগৰ পৰা মানা থকা হেতুকে চাকৰিয়াল, ৰুগীয়া, মোকৰ্দ্দমাদিত বন্ধ হৈ অনুপস্থিত থকাসকলৰ এই ভৰণি ধৰা নহয়। সময়ত যাতে কামৰ আউল নেলাগে সেই কাৰণে প্ৰতি চুবুৰীৰ ওপৰত বিশেষ বিশেষ দায়িত্বৰে কামৰ ভাগ কৰি দিয়া হয়। এনেদৰে পূৰ্ব্বাপৰ ৰীতিনীতি আৰু ক্ৰমপদ্ধতি অনুসৰি

উৎসৱৰ কাম চলি আহিছে। অৱশ্যে সময়ৰ লগত খাপ খোৱাকৈ সেইবোৰৰ কিছু সলনিও যে হোৱা নাই তেনে নহয়।

বৰ্ত্তমানৰ অৰ্থনৈতিক হেঁচাত চেপেটা খাই মানুহৰ উৎসাহ-উদ্যমৰ বোৱতি সুঁতিত বালিচৰ পৰিছে। জীয়াই থকাৰ প্ৰশ্নই মানুহ সমাজক জুৰুলা কৰিছে। মনৰ মাজৰ সেউজবুলীয়া আশাৰ স্বপ্নক দাৰিদ্ৰতাৰ ডাঠ আবৰণে ঢাকি ধৰিছে। উৎসৱৰ নামত মানুহে এদিন মুঠিয়ে মুঠিয়ে টকা ছটিয়াবলৈকো কুণ্ঠাবোধ কৰা নাছিল কিন্তু নিষ্ঠুৰ নিয়তিয়ে মানুহৰ মানসপটৰ পৰা সেই ৰাম ৰজাৰ অযোধ্যাক আঁতৰাই নিলে। আনন্দৰ পুলকৰ ঠাইত হতাশাৰ হাহুমুনিয়াহ আহি ভৰি পৰিছে। সৰ্থেবাৰীৰ মহাসভাখনতে প্ৰবীন দৃষ্টিৰে চালে এই চলমান সত্তাৰ ছায়া-প্ৰচ্ছায়াক স্পষ্টৰূপে দেখা পাম। তথাপিতো চৰায়ে সকলো প্ৰাকৃতিক আৰু মানুষিক দুখনিৰ্য্যাতন মূৰ পাতি লৈ পাখিৰ আঁৰত বুকুৰ উমেৰে পোৱালী তোলাৰ দৰে ইয়াৰ দুখীয়া ৰাইজেও এই মহান উৎসৱক কোনোপধ্যে মলিন হবলৈ এৰি নিদি জীপ দি ৰাখিছে। এই উছৱৰ মাজেৰে ইয়াৰ ৰাইজে পাই আহিছে প্ৰকৃত কৰ্ম্মৰ প্ৰেৰণা—আধ্যাত্মিকতাৰ পৱিত্ৰ পোহৰ, অনাবিল ভাতৃত্বৰ আস্বাদ আৰু একতাৰ পৰম শক্তি। ইচ্ছা আৰু একাগ্ৰতাই মানুহক অসাধ্য সাধনৰ কাৰণে শৰীৰ আৰু মনত শক্তিৰ সঞ্চাৰ কৰে। সৰ্থেবাৰীৰ পাঁচদিনীয়া সভাখনৰ বৈশিষ্ট্যও এইখিনিতে।

## কঁহবা সভা

উত্তৰগুৱাহাটীৰ পৰা পাৰঘাটৰ ন মাইল উত্তৰফালে ট্ৰাঙ্কৰোডৰ কাষতে কঁহবা নামেৰে এখন প্ৰসিদ্ধ গাঁও আছে। এই একে নামেৰেই ইয়াত এখনি সত্ৰও আছে। এই সত্ৰলৈ আহোম ৰজা ৰাজেশ্বৰসিংহ স্বৰ্গদেৱে ১৬৯০ শকাব্দত মাটি দান দিছিল। তামৰ ফলিমতে মাটিৰ পৰিমাণ ১৩৪ পুৰা। ইয়াৰ বাহিৰেও বজিয়াৰ ওচৰত ভেৰাখাট নামেৰে কঁহবা সত্ৰৰ খাট এখনো আছিল। মুঠতে স্বৰ্গদেৱে কঁহবা সত্ৰক ৮৩৪ পুৰা মাটি দান দিছিল। এই কঁহবা সত্ৰৰ সত্ৰাধিকাৰসকল আদিতে

ব্ৰহ্মচাৰী আছিল। নতুন সত্ৰাধিকাৰ পাতিবলৈ প্ৰয়োজন হলেই এজনক 'বেটা'সূত্ৰে ৰাখি অধিকাৰ পতা হৈছিল। ৺লক্ষ্মীকান্ত গোস্বামী সত্ৰাধিকাৰৰ দিনৰ পৰা সেই প্ৰথা উঠি যায় আৰু অধিকাৰসকল গৃহস্থী হয়।

অনুমান ১৭২০ শকাব্দ ৺শঙ্কৰষণদেৱ গোস্বামীৰ দিনৰ পৰা কঁহৰা সভাৰ প্ৰচলন হয়। গোস্বামী প্ৰভুৰ মৃত্যুতিথি উপলক্ষে মাঘ মাহৰ কৃষ্ণা ষষ্ঠী তিথিত এই মেলাধৰ্মী সভা পোনতে আৰম্ভ হৈছিল। তাৰ পৰা বছৰি সেই তিথিতে সত্ৰৰ সমূহ শিষ্য আৰু ভকতৰ সহযোগত সেই অঞ্চলৰ ৰাইজে এই সভা পাতি আহিছে। সভাৰ দিনা উক্ত সত্ৰাধিকাৰ প্ৰভুৰ বছেৰেকীয়া শ্ৰাদ্ধ হয়। দোকান পোহাৰেৰে ঠাইখন ভৰি পৰে। আনন্দ, উলহমালহৰ যেন অন্তই নাই। সেই দিনা বহু দূৰদূৰণিৰ পৰা যেনে—দৰং জিলাৰ তেজপুৰ অঞ্চল, মঙলদৈ অঞ্চল, নগাৱৰ নেলী, মকৰীয়া, লাউপানী অঞ্চল, কামৰূপৰ নলবাৰী, ৰঙিয়া অঞ্চল আদিৰ পৰা শিষ্যসকলে ভাৰভেটী আদি লৈ আহি সভাত যোগদান কৰে, গুৰুজনাৰ স্মৃতিত ভক্তি-নিবেদন কৰে, শাস্ত্ৰ-ভাগৱতৰ ব্যাখ্যা শুনি জীৱন ধন্য কৰে।

ধৰ্মীয় ফালটোৰ বাহিৰেও এই সভাৰ আন এটা উল্লেখযোগ্য দিশ আছে। সেইটো হৈছে ব্যৱসায়-বাণিজ্যৰ আহলবহল প্ৰচাৰ, কুটীৰশিল্পৰ বাছকবনীয়া মেলা। বিশেষকৈ দা, কটাৰী আদি লোৰ অস্ত্ৰশস্ত্ৰ, কঁাহপিতলৰ বাচন, বাঁহবেতৰ বস্তু, কঠ-ঢৰা, কাঠেৰে সজা নানা বিধ দ্ৰব্য যেনে—তাঁতশালৰ সামগ্ৰী, তোলোঠা, যঁতৰ, উঘা-চেৰেকী আদি এই সভাত ব্যাপকভাবে বেচাকিনা হয়। আজিৰ দিনৰ উদ্যোগনগৰীৰ উৎপন্ন চৰকাৰী কুটীৰশিল্পৰ মেলা আদিত পোৱা প্ৰায়বোৰ বস্তুকে ইয়াত কিনিবলৈ পোৱা যায়। এইবোৰ কিনিবলৈকে আৰু লগতে আনন্দ-উৎসৱ চাবলৈ ৰাইজ ভাগি আহে। ওপৰত উল্লেখিত বস্তুৰ উপৰিও ইয়াত নিত্যব্যৱহাৰ্য্য বহু বস্তু পোৱা যায়। মাছ, কাছ, শাকপাচলি, হাঁহপাৰ শৰালি, কাম চৰাই আদি বিবিধ

চৰাই অপৰ্য্যাপ্ত পৰিমাণে ওলায়। গুড়, গাখীৰ, মিঠৈ সৰবৎ, মিঠাপানী আদিৰ কথা নকলেও হব। সূতানেতা, কাপোৰকানি আদিও প্ৰচুৰ পৰিমাণে পোৱা যায়। সেয়ে হলেও এই সভাত বিশেষকৈ কুটীৰ-শিল্পজাত বস্তুৰ প্ৰাচুৰ্য্য মন কৰিবলগীয়া।

এই সভাত কামৰূপৰ নলবাৰী, পলাশবাৰী, বৰপেটা আদি, দৰঙৰ ছিপাঝাৰ আৰু গুৱাহাটীৰ পৰাও ভালেমান ব্যৱসায়ী লোক গোট খায়। কেবা হেজাৰো মানুহৰ তাত সমাবেশ হয়। কোনো জাননী আদি প্ৰচাৰ নোহোৱা স্বত্বেও নিৰ্দ্দিষ্ট দিনত মহাসমাৰোহেৰে কঁহবা সভা সম্পন্ন হয়।

# গুৱাহাটীৰ বিহুতলী

আজি বহু বছৰ আগতে দেশভক্ত তৰুণৰাম ফুকন ডাঙৰীয়াই লিখিছিল ঃ—"বিহু অসমীয়াৰ সৰ্ব্বশ্ৰেষ্ঠ জাতীয় উৎসৱ। যেয়ে য'তে থাকক বিহুৰ দিনা ঘৰ চাপিবই লাগিব। বিশেষ কাৰণত আহিব নোৱাৰিলেও ঘৰলৈ মনত পৰিবই লাগিব। পাটপটস্বৰে ভৰি থাকিলেও আয়ে বোৱা বিহুৱানখনলৈ লোভ লাগিবই। বিহুচেৰা বুলিলে দেশৰ প্ৰতি প্ৰীতি নথকাকে বুজায়। আজি মোৰ আই নাই, ঢুকাবৰ ভালেমান দিন হ'ল তথাপিও বিহু বুলিলে বিহুৱানখনি হাতত লৈ আয়ে সেৱা লোৱাৰ চিত্ৰ স্পষ্ট হৈ উঠে। অলেখ প্ৰকাৰৰ মিঠাই-মিষ্টান্ন খায়ো আয়ে কৰা তিলদিয়া পিঠাৰ কথা ভাবিলে আজিও জিভাৰ পানী পৰে আৰু তেতিয়াই আই নাই কথা মনত পৰিলে অজান ভাবত চকুৰ লো বৈ যায়। বিহু বুলিলে কি আনন্দ! বয়স পাহৰোৱা কি উৎসৱ, কি উত্ৰাৱল ভাব, তাক অনা-অসমীয়াক বুজোৱা অসম্ভৱ। বিহুৱে অসমীয়াৰ ব্যক্তিত্ব ৰক্ষা কৰিছে। জাতীয়তাৰ ভাব বঢ়াইছে। হিয়াত দেশপ্ৰেমৰ অনুপ্ৰেৰণা জগাই তুলিছে। এই বিহুৱেই বছেৰেকীয়া কায়কল্প প্ৰক্ৰিয়াৰে দেহ-মন-প্ৰাণক সবল কৰি ৰাখিছে। খৃষ্টমাছত ছুটী পাওঁ, কলিকতা আদি মহানগৰীৰ উৎসৱত যোগ দি অশেষ আনন্দ পাওঁ। দুৰ্গাপূজাত সাজপাৰ পিন্ধি জয়-উৎসৱৰ উলাহত উত্ৰাৱল হওঁ। কিন্তু আইৰ মৰমেৰে বাতি কটা, সাদৰেৰে মাৰ দিয়া, হিয়াৰ তেজেৰে ৰাঙলীকৈ বোলোৱা সূতাৰে ফুল তোলা অনুপম বিহুৱানখনি পাহৰা টান। অন্তৰৰ জাতীয় ভাবেৰে বোৱা অনুপমা বিহুৱানখনি বলেৰেও আঁতৰাব নোৱাৰি। আয়ে সজা পিঠাগুৰিৰ তিল দিয়া পিঠাৰ লগত অমৃত সলনি কৰা মোৰ পক্ষে অসম্ভৱ যেন লাগে। অমৃতে অমৰত্ব আনিব পাৰে কিন্তু বিহুৱে আনে পৰম সন্তোষ, অতুল আনন্দ, অসীম উদাৰতা আৰু আনে পৱিত্ৰ দেশপ্ৰেম। আইৰ পিঠাই অমৰত্ব নিদিব পাৰে কিন্তু তাৰ সোৱাদে সুৰদি কৰি ৰাখে।

আজি আমাৰ ক্ৰটিত অসমীয়াৰ ঘৰত বিহুৰ আয়োজন নাই গতিকে অসম আইৰ মন মৰা। বিহুৰ বিপুল আয়োজন কৰা। অসমী আইৰ হিয়া আনন্দত উপচি পৰিব। আইৰ চেনেহ আৰু আশীৰ্ব্বাদ পাবা। বিহুৱান আৰু লাকপিঠাৰ উপৰিও বুঢ়া মিৰি ককাইৰ লগত সুৰ মিলাই আমিও কণ্ঠ আহাঁ—বিহু মাৰ, বিহু মাৰ, দেহৰ হলে মনৰ সুখ ইত্যাদি।”

সুখৰ বিষয় দেশভক্তৰ এই উদাত্ত আহ্বানত দেশবাসীয়ে বিশেষকৈ গুৱাহাটীৰ ৰাইজে সঁহাৰি নজনোৱাকৈ থকা নাই। বৰ্ত্তমানে গুৱাহাটীত সমূহীয়াভাবে পতা সাৰ্ব্বজনীন ৰঙালী বিহু-উৎসৱৰ কথা সকলোৱে জানে। পুৰণি কথা সুঁৱৰি মনত ভাল লাগে আৰু সেই পুৰণি কাহিনী লিপিবদ্ধ হৈ ভৱিষ্যতৰ বাবে সংৰক্ষিত হোৱাটো উচিত।

এইটো কিন্তু সঁচা কথা যে অতীজৰ বিহু আৰু আজিৰ বিহুৱে অলপঅচৰপ ৰূপ সলনি নকৰাকৈ থকা নাই। আজি কেই বছৰমানৰ-পৰা গুৱাহাটীত এই বিহু-উছৱ জাতীয় পৰ্ব্বত পৰিণত হৈছে। এনেভাবে—এনে বহল পৰিকল্পনাৰে পাতিব নোৱাৰিলেও আজিৰ নিচিনা এই বিহুৰ গুৱাহাটীত পৰিকল্পনা কৰিছিল সেই সময়ৰ প্ৰসিদ্ধ ছাত্ৰ অনুষ্ঠান একতা সভাই প্ৰায় ডেৰ কুৰি বছৰৰ আগতে। তেতিয়া আছিল ১৮৫৮ শক (ইং ১৯৩১)। একতা সভাৰ উদ্যোগত গুৱাহাটীত সেই বাৰ যি ৰাজহুৱা বিহু পতা হৈছিল তাৰ গুৰি ধৰিছিল স্বৰ্গীয় সঙ্গীতকবি উমেশচন্দ্ৰ চৌধাৰীদেৱে। পুৰণি বাতৰি কাকতৰ উৱলি যোৱা পিঠিত তাৰ বিবৰণ দিয়া আছে এনেদৰে ঃ—

“এই বাৰ গুৱাহাটী একতা সভাৰ উদ্যোগত ৰঙালী বহাগ বিহু উৎসৱৰ তিনি দিন গুৱাহাটী নগৰ ৰঙালী আৰু ভোগালী হৈ উঠিছিল। যোৱা বহাগ বিহুৰ উৰুকাৰ (১২-৩-৩১) নিশাৰ পৰাই এই উৎসৱ আৰম্ভ হয়। সন্ধিয়াৰ আগৰ পৰাই লুইতৰ দাঁতিত আশাতীতৰূপে দৰ্শকৰ সমাগম হয়। আইসকলেও জুমে জুমে গৈ উৎসৱৰ শোভা বঢ়াইছিল। নিৰ্দ্দিষ্ট সময়ত একতা সভাৰ এজন অসমীয়া ডেকাই আতহবাজীৰে ৰঙালী বিহুৰ আগলি-বতৰা দিয়ে। গৰুবিহুৰ ৰাতিপুৱা

লতাশিল খেলমাটিত সৰু লৰা-ছোৱালীৰ বিবধ খেল হয়। দুপৰীয়া ১১ মান বজাত লুইতত সাঁতোৰ আৰু নাওখেলৰ প্ৰতিযোগিতা হয়। সেই সময়ত লুইতৰ বালিত আৰু বুকুত সঁচাকৈয়ে অভূতপূৰ্ব্ব দৃশ্য হৈছিল। জাকে জাকে গৰু-গাইবোৰ নাম গাই গাই ধুৱাবলৈ নিয়া দৃশ্যৰ উপৰিও নৈৰ বুকুৰ অসংখ্য নাৱে শৰাইঘাটৰ অসমীয়া নৌ-বাহিনীৰ স্মৃতি মনত পেলাই দিছিল। সিপাৰৰ পৰা নাও আহি ইপাৰত ভালেমান নাওৰ লগত প্ৰতিযোগিতাত যোগ দিছিল। ৺হেম গোসাঁইৰ ঘাটৰ পৰা নাওপ্ৰতিযোগিতা আৰম্ভ হৈ পুৰণি জাহাজঘাটত শেষ হয়। নাওখেল শেষ হোৱাত সাঁতোৰাৰ প্ৰতিযোগিতা হয়। প্ৰায় দুকুৰিমান ডেকাই সেই প্ৰতিযোগিতাত যোগ দিয়ে। পানীকলৰ পৰ্ব্বতৰ গুৰিৰ পৰা মাজপানীৰ উমানন্দলৈকে সাঁতোৰাৰ দূৰত্ব স্থিৰ কৰা হৈছিল। গধূলি দেড় বজাৰ পৰা কুমাৰভাস্কৰত শ্ৰীদৈবচন্দ্ৰ তালুকদাৰৰ 'লহঙা' আৰু ৺পজ্জিৰুদ্দিন আহ্মদৰ নিমাতী ভাওনা 'চোৰৰ বিপদ' অভিনীত হয়। অভিনয়ৰ মাজত সুমাই দিয়া নিশাবিহুৰ দৃশ্য বৰ উপভোগ্য হৈছিল। বৰবিহুৰ দিনা পুৱা পুনৰ লতাশিল খেল-মাটিত ডেকাসকলৰ বিবিধ খেল হয। সেই দিনাই আবেলি পানীকলৰ পৰ্ব্বতৰ ওপৰত সমূহীয়া জলযোগৰ ব্যৱস্থা হৈছিল। সেইবোৰ ঠাইলৈ সচৰাচৰ নোযোৱা ভালেমান নগৰীয়া ভদ্ৰলোকে আনন্দ মনেৰে গৈ সেই বনভোজনত যোগদান দিছিল। জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৱে আনকি ৰাজনীতি ক্ষেত্ৰত অহি-নকুলপন্থীসকলেও মুকলি আকাশৰ তলত দুবৰিৰ ওপৰত একেলগে বহি অসমীয়া জলপান ফেনীপিঠা, তিলপিঠা, ঘিলাপিঠা আদি আৰু চাহপানী খোৱাত সকলোৱে বিমল আনন্দ উপভোগ কৰিছিল। সেই দিনা নিশাই ৭ মান বজাৰ পৰা কুমাৰ ভাস্কৰ নাটামন্দিৰত সঙ্গীতৰ প্ৰতিযোগিতা হয়। প্ৰতিযোগিতাৰ সামৰণি পৰাত শ্ৰীশৰৎচন্দ্ৰ কাকতীয়ে শলাগৰ শৰাই আগবঢ়ায় আৰু উমেশচন্দ্ৰ চৌধাৰী ডাঙৰীয়াই এটি চুটি বক্তৃতা দি সকলোৰে শলাগ লৈ এই বিহু-উৎসৱ আগলৈ আৰু বহলভাবে পতাৰ ই

মাথোন সূচনাহে বুলি কয় আৰু অসমৰ সকলো ঠাইতে এই উৎসৱ পালন কৰিবলৈ গোহাৰি জনায়। 'অ' মোৰ আপোনাৰ দেশ' জাতীয় গীতেৰে সেই বিহু-উৎসৱৰ সামৰণি মাৰে।'

ইয়াৰ পিছৰ বছৰো অৰ্থাৎ ১৯৩২ চনত আগৰ বাৰৰ দৰে তিনি-দিনীয়াকৈ বিহু উৎসৱ সমাধা হ'ল। এই বাৰৰ উৎসৱৰ সম্পাদক আছিল শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আৰু শ্ৰীযোগেশ্বৰ বৰুৱা (ভঁাজা)। ১ বহাগ বৃহস্পতিবাৰৰ পৰা লুইতৰ উজানবজাৰ ঘাটৰ বালি লোকাৰণ্য হবলৈ আৰম্ভ কৰে। প্ৰায় ১০ মান বজাৰ পৰা নৌপ্ৰতিযোগিতা আৰম্ভ হ'লত সিপাৰৰ বালিচাপৰিৰ পৰা ১০।১২ খন নাৱে একে সময়তে ইপাৰলৈ যাত্ৰা কৰে। তীব্ৰ প্ৰতিযোগিতাৰ পিছত 'জল যাত্ৰীৰ' দলে ১ম, 'জলতৰঙ্গৰ' দলে ২য় আৰু 'পানীকাউৰীৰ' দলে ৩য় স্থান অধিকাৰ কৰি লক্ষ্যস্থানত উপনীত হ'ল। আবেলি ৪ বজাৰ পৰা লতাশিল খেলমাটিত সৰু সৰু লৰাছোৱালীৰ বিবিধ খেল হয়। সেই খেলৰ লাখুটীজাপ, হাফোলা দিয়া, মাল-যুঁজ আদি চাই দৰ্শকসকলে বৰ তৃপ্তি পাইছিল। ২য় দিনা ২ বহাগ শুকুৰবাৰে পুৱা ৭ বজাৰ পৰা পুনৰ লতাশিল খেলমাটিতে চেমনীয়া আৰু ডাঙৰ প্ৰতিযোগীসকলৰ বিবিধ দেশীয় খেল আৰম্ভ হয়। আবেলি লতাশিল খেলমাটিত মালযুঁজ আৰু ছোৱালীৰ খেল হৈছিল। নিশা ৭ বজাৰ পৰা কুমাৰভাস্কৰ নাট্যমন্দিৰত সঙ্গীত প্ৰতিযোগিতা আৰম্ভ হয়। কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী আৰু হেৰাচং উল্লা নিৰ্দ্দিষ্ট বিচাৰক আছিল। ৩য় দিনা ৩ বহাগ শনিবাৰে পুৱা ৭ বজাৰ পৰা শ্ৰীকীৰ্ত্তি বৰুৱা আৰু তেওঁৰ লগৰীয়াবিলাকে লতাশিল খেলমাটিত লাঠীখেল, কটাৰীখেল আদি দেখুৱায়। শ্ৰীমতী মিনি আৰু শ্ৰীমতী হিৰণ্ময়ী আইদেউৰ কটাৰীখেল বিশেষ প্ৰশংসনীয় হৈছিল। আবেলি ৪ বজাৰ পৰা পানীকলৰ পৰ্ব্বতৰ ওপৰত বিহু-জলপানৰ দিহা কৰা হৈছিল। ডাঙৰ সৰু জাতিধৰ্ম্ম নিৰ্ব্বিশেষে প্ৰায় ৩।৪শ লোকে যোগ দিছিল। পধূলি

৭ বজাৰ পৰা কুমাৰ ভাস্কৰ নাট্যমন্দিৰত সঙ্গীত-প্ৰতিযোগিতা হয়। সেই সভাতে উমেশচন্দ্ৰ চৌধাৰীদেৱে, ঘনকান্তি দেৱীয়ে বিহুমেলৰ নিমিত্তে আগবঢ়োৱা বিবিধ অসমীয়া পিঠাপনা, চিৰাসান্দহ আদিৰ চানেকী দেখুৱায়। শ্ৰীপদ্মধৰ চলিহাদেৱে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায় আৰু স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই প্ৰতিশলাগ জনোৱাত সভা ভঙ্গ কৰা হয়।

ইয়াৰ পিছত গুৱাহাটীত আৰু কেইবাৰমান এই উৎসৱ ৰাজহুৱা-ভাবে পালন কৰা হৈছিল। ১৯৩৮ চনত গুৱাহাটীৰ ব্যায়ামসঙ্ঘ আৰু আন ৰাইজে লগ লাগি গুৱাহাটী বিহু সন্মিলন পাতি এই উৎসৱ পালন কৰিছিল। সেই উৎসৱৰ গুৰি ধৰিছিল শ্ৰীৰবীন্দ্ৰনাথ নবীশ আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী আদিয়ে। আৰু এবাৰ ডাঙৰকৈ বিহু পতা আমাৰ মনত পৰে। সেই বাৰ সম্পাদক আছিল শ্ৰীললিতচন্দ্ৰ বৰা। কেইবাটাও হাতীৰে সৈতে এটা ডাঙৰ বিহু-সমদলে নগৰ পৰিভ্ৰমণ কৰিছিল। এই সমদলৰ নেতৃত্ব কৰিছিল স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াই। ইয়াৰ পিছতো গুৱাহাটী জাতীয় উৎসৱ সমিতি আৰু আন অনুষ্ঠানে এই উৎসৱ পালন কৰি আহিছে। গুৱাহাটী বিহু-উছৱৰ যিসকল আগৰণুৱা প্ৰদৰ্শক আছিল সেইসকলক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ।

## গুৱাহাটী বিহু-সন্মিলনী

এতিয়া আমি আজিৰ বিহু সন্মিলনীৰ জন্মলৈ আহোঁ। ১৯৫২ চনৰ ফাগুন মাহত গুৱাহাটী কুমাৰ ভাস্কৰ নাট্যমন্দিৰত এই বিহু-উৎসৱ সম্পৰ্কে আলচ কৰিবলৈ এখনি ৰাজহুৱা সভা বহিছিল। সেই সভাত ডাঃ ৺ভুৱনেশ্বৰ বৰুৱা, ডঃ শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, শ্ৰীৰাধাগোবিন্দ বৰুৱা, ডাঃ শ্ৰীকনকচন্দ্ৰ বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীপ্ৰবীণ ফুকন, ৺তিলক দাস আদি নগৰৰ বহু গণ্যমান্যলোকে আৰু স্থানীয় ডেকাদলে যোগ দিছিল। কেনেকৈ এই বিহু গোটেই নগৰৰে

প্ৰধান আকৰ্ষণীয় সাৰ্ব্বজনীন উৎসৱত পৰিণত কৰিব পাৰি সেই বিষয়ে কেইবাটাও প্ৰস্তাৱ আগবঢ়োৱা হৈছিল আৰু সেইবোৰ ভালিজাৰ্গ্ৰি চাই তাক কাৰ্য্যকৰী কৰিবলৈ এটা উপসমিতি পাতি দিয়া হয়। সেই কমিটিয়েই গুৱাহাটী বিহু সম্মিলনী প্ৰতিষ্ঠা কৰি অভিনৱ আঁচনি এখনি আগত লৈ অসমীয়া ৰঙালী বিহু মহাসমাৰোহেৰে পালন কৰিবলৈ হাতত লয়—এই উপসমিতিয়ে আগবঢ়োৱা কাৰ্য্যক্ৰমনিকাৰ যোগে।

অভূতপূৰ্ব্ব সমাৰোহ আৰু উলহমালহৰ মাজেদি গুৱাহাটী বিহু সম্মিলনীয়ে ১৯৫২ চনৰ প্ৰথম বাৰ ৰঙালী বিহু-উৎসৱ পালন কৰে। এই বাৰ সম্পাদক আছিল শ্ৰীপ্ৰবীণ ফুকন আৰু সভাপতি আছিল ডাক্তৰ ৺ভুৱনেশ্বৰ বৰুৱা। শ্ৰীৰাধাগোবিন্দ বৰুৱা, ডাঃ শ্ৰীকনক চন্দ্ৰ বৰুৱা আদি সহকাৰী সভাপতি আছিল। ধনভঁৰালী আছিল ৺তিলক দাস। বিহুৰ দৰে সাংস্কৃতিক উৎসৱত পতাকা অভিবাদন কৰাটো জাতীয়তাৰ ফালৰ পৰা এটা অভূতপূৰ্ব্ব বিষয়। গুৱাহাটীৰ বিহুতলীত গৰুবিহুৰ দিনা পুৱাই কেইবা হেজাৰো মুনিহ-তিৰোতা লোকৰ সমাবেশত গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানেৰে বিহুপতাকা উত্তোলন কৰে গুৱাহাটীৰ প্ৰসিদ্ধ বয়োবৃদ্ধ নাগৰিক ডাক্তৰ ৺হৰেকৃষ্ণ দাস ডাঙৰীয়াই। পাটৰ গামোছা এখনৰ সোঁমাজত শৰাই, বিহুৱান আৰু ঢোল, পেঁপা তালৰ ছবি আঁকি বিহুপতাকাখন সজোৱা হৈছিল। বিহু-উছৱৰ সকলোটি ভাগেই প্ৰেম আৰু আনন্দৰ প্ৰতীক। এই জাতীয় উছৱৰ ঐতিহ্যৰ কথা সুঁৱৰিয়ে বিহুপতাকা ৰচনা কৰা হৈছে। বিহু-উছৱৰ পাতনিতে অসমীয়া ৰাইজে এই পতাকা উৰুৱাই অসমৰ ঐতিহ্যৰ সঁহাৰি জনায়। ৰঙালী বিহু গীত-নাচ, আনন্দ আৰু প্ৰেমৰ উৎসৱ। বিহুপতাকাত বিহুৰ ঐতিহ্য তথা অসমীয়াৰ ঐতিহ্যৰ কথাকে ৰূপ দিয়া হৈছে। এই পতাকাৰ সোঁমাজত এখনি শৰাই, এখনি ফুলাম গামোছাৰে ঢাকি ৰখা হৈছে। অসমীয়াৰ মানত শৰাইৰ স্থান আচুতীয়া। ই মণিকূটৰ পৰা ৰাজচ'ৰালৈকে সকলোতে সমান সমাদৰ পাই আহিছে। ই সন্মানৰ প্ৰতীক। বিহুপতাকাত শৰাই থাপনা কৰি

জাতিয়ে অতি আদৰৰ এই কৌটীকলীয়া জাতীয় উছৱৰ প্ৰতি সাদৰ-সূচক আদৰণি জনাইছে। শৰাইখনি ঢাকি থোৱা গামোছা বা বিহুৱানখন হৈছে শ্ৰদ্ধা, প্ৰীতি আৰু আন্তৰিকতাৰ প্ৰতীক। এই ভমকাফুলীয়া গামোছাখনি অসমীয়া গাভৰুৰ, অসমীয়া জীয়ৰী-বোৱাৰীৰ আলফুলীয়া আঙুলিৰ পৰশসনা অসমীয়া জাতিৰ সুকুমাৰ কলাৰ অন্যতম নিদৰ্শন। ৰঙালী বিহু ৰঙৰ উছৱ। নতুন বছৰৰ লগে লগে অসমীয়া জাতিয়ে ৰঙীন ভৱিষ্যতৰ নতুন সপোন দেখে। এই আনন্দ-উছৱৰ অন্যতম আহিলা 'ঢোল' 'তাল' 'পেঁপা'। ইয়াকো এই পতাকাত ঠাই দিয়া হৈছে। অসমীয়াৰ কৌটীকলীয়া সম্পদ এই ঢোল, তাল, পেঁপাই বিহু নাচৰ আনুসঙ্গিক ঐক্যতানৰ যোগান ধৰি আহিছে। ই আনন্দ আৰু জীৱন সূচায়। এই বিহুপতাকাৰ অভিবাদনৰ গীতটি ৰচনা আৰু সুৰসংযোগ কৰি দিয়ে শ্ৰীপুৰুষোত্তম দাসদেৱে। গীতটি হৈছে এই ঃ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন,
জাগে—গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন-উপবন।
ভেদাভেদ পৰিহৰি কত জাতি উপজাতি
মহাপীঠ কৰে নিৰমান,
উলাহঅধীৰ ছন্দে কোটি কোটি কণ্ঠে
গায় সবে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে-ভৰা
উচ্ছল যত প্ৰাণ মন,
সৃষ্টিৰ সুৰ বাজে, প্ৰীতিৰ পতাকা উৰে
নতুনৰ লৈ আৱাহন।

"শ্ৰীময়ী অসমীয়াৰ শীতল বুকত উঠে" এই সমদলীয় গীত আৰু বাদ্যধ্বনিৰ লগে লগে লাহে লাহে ওপৰলৈ উঠি গৈ উৎসৱ সমাৰোহৰ

মধুৰ আৰম্ভণি সূচনা কৰে। পতাকা অভিবাদনৰ পিছত শ্ৰীনবীন শৰ্ম্মাৰ পৰিচালনাত ছাত্ৰীসকলৰ সমূহীয়া কুচ্‌কাৱাজ আৰু ব্যায়াম-সঙ্গীত প্ৰদৰ্শন কৰা হয়। মুঠতে তিনিদিন ধৰি গুৱাহাটী মহানগৰীত উজনি অসম আৰু নামনি অসমৰ নিজ নিজ কলাকৃষ্টিৰ সংযোগ ঘটাই যিবোৰ নিভাঁজ অসমীয়া সংস্কৃতিৰ প্ৰদৰ্শন হৈছিল সি সচাঁকৈয়ে সকলোৰে বাবে অতিশয় তৃপ্তিদায়ক হৈছিল। জয়জয়তে শিৱসাগৰৰ জৰাবাৰী সত্ৰৰ ভাওনাৰ কথাকে কওঁ—প্ৰথম দিনা 'পত্নীপ্ৰসাদ' ভাওনা আৰু নটুৱা নাচ, চালিনাচ আদি অনা-অসমীয়া কলাবিদসকলে মনোযোগেৰে চাইছিল আৰু সেইবোৰ দেখিশুনি অপাৰ আনন্দ পাইছিল। বিৰাট জনতাৰ বাবে বাইজে হেঁপাহ পলুৱাই পুতলা নাচ চাবলৈ নেপালে কিন্তু জৰাবাৰী সত্ৰৰ পৰা অহা ৰামকৃষ্ণ নামৰ চাৰি বছৰীয়া লৰা ছুটিৰ নটুৱা নাচতেই জীৱন্ত পুতলাৰ নাচ দেখি বাইজে তৃপ্তি লাভ কৰিলে। ভাওনাৰ উপৰিও বিহুতলীত দেখুৱা ৰামপুৰৰ ঢুলীয়া চাৰ্কাছে যি কোনো বাহিৰৰ চাৰ্কাছকো চেৰ পেলাব পৰা হৈছিল। নলবাৰীৰ বিখ্যাত নবো ওজাৰ নেতৃত্বত গোৱা ওজাপালিয়ে হেজাৰবিজাৰ দৰ্শকৰ প্ৰশংসা লাভ কৰিছিল! মাল-যুঁজ, লাঠীখেল, চুৰীখেল আদিৰ কথা উল্লেখ নকৰি নোৱাৰি। কলেজীয়া ডেকাহঁতৰ হুচৰি, অনাতাৰ কেন্দ্ৰই অনা যোৰহটীয়া বিহুৱাকাইহঁতৰ বিহুনাচ আৰু বিহুঢোল বাদ্য অতি উপাদেয় হৈছিল। বৰপেটাৰ দক্ষিণহাটীৰ ভকতসকলৰ থিয়নামে "হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশি প্ৰেম অমৃতৰ নদী" বোৱাই আনিছিল। চহৰৰ বৰহাকিম শ্ৰীযাদৱ ভূঞা, শ্ৰীকামাখ্যা ঠাকুৰ, শ্ৰীপ্ৰবোধ দাসকে প্ৰমুখ্যে ডেকা-বুঢ়াসকলে লগ লাগি মঞ্চৰ ওপৰত বিহুনাচ দিছিল। সিকালে আকৌ বিহুৰ খেলপথাৰতো লৰা আৰু ডেকা-সকলতকৈও বয়সীয়া মুনিহ আৰু আইসকলৰহে উৎসাহ বেছি হৈছিল! উদাহৰণ স্বৰূপে ডঃ শ্ৰীসূৰ্য্যকুমাৰ ভূঞাদেৱে বয়সীয়া সকলৰ দৌৰত প্ৰথম বঁটা লাভ কৰিলে। তৃতীয় দিনা আবেলি ৺জ্ঞানদাভিৰাম বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত বঁটাবিতৰণী সভা হয়।

ৰাতিৰ ভোজত জাতি বৰ্ণনিৰ্বিশেষে ডাঙৰ-সৰু সকলোৱে যোগদান দিছিল

এইদৰে গুৱাহাটী বিহু-সন্মিলনীয়ে লতাশিল খেলমাটিত পাতনি মেলা বিহু-উছৱ সম্প্ৰতি গুৱাহাটীৰ এটা আকৰ্ষণীয় বছেৰেকীয়া উছৱত পৰিণত হৈছে। প্ৰথম বছৰৰ নিচিনা ৪।৫ দিনীয়া কাৰ্যক্ৰমণিকাৰে লতাশিল বিহুতলীত প্ৰতি বছৰে উছৱৰ হেন্দোলনি উঠিছে—বিৰাট বিপুল জনসমাগম হৈছে। ই আৰু এতিয়া লতাশিল খেলমাটিতে আৱদ্ধ হৈ থকা নাই। ইয়াৰ সম্প্ৰসাৰণ হৈ সম্প্ৰতি মহানগৰীত পাঁচখন বিহুতলীৰ সৃষ্টি হৈছে। পূৰ্ব্বৰ লতাশিল বিহুতলীৰ উপৰিও পূব গুৱাহাটী (চান্দমাৰী), মধ্যগুৱাহাটী (টকৌবাৰী) পশ্চিম গুৱাহাটী (ভৰলুমুখ) আৰু দক্ষিণ গুৱাহাটীতো (নিউ ফিল্ড) একোখনি বিহুতলী সৃষ্টি হৈছে। প্ৰতিখন বিহুতলীতে হাজাৰবিজাৰ বিহুবলিয়া ৰাইজৰ উখলমাখল, দলদোপ হেন্দোলদোপ। এই বিহু এতিয়া কেৱল অসমীয়াৰে নহয়—অসমত বাস কৰা অসমীয়া, বঙালী, পাহাৰী, বিহাৰী, হিন্দু, মুছলমান, খৃষ্টান সকলো মানুহে ভাগ লৈ অসমৰ সেউজীয়া সংস্কৃতিৰ মাধ্যমৰে জাতীয় সংহতিৰ জয়দোলৰ ভেটি সুদৃঢ় কৰি তুলিবলৈ যত্ন কৰিছে। গুৱাহাটীৰ উপৰিও অসমৰ গাঁৱে-ভূঞে সকলো ঠাইতে আনকি অসমৰ বাহিৰতো। ৰঙালী বিহুৱে ৰিং মাৰি শুনাইছে—

"The 'Rongaali' Bihu which the Assamese people, irrespective of castes and communities celebrate with passion, pomp and great devotion is truly the greatest national festival of Assam. It is a festival of dance and music through which is sought to welcome the new era of peace, prosperity and love and with it the old year in the local calender is given a good-bye and the new year is welcomed with great hopes and aspirations. Every item connected with this festive occasiou symbolizes this great human truth of love and devotion to one another and to the country and the people as a whole."

# জয়মতী উৎসৱ

আমি ৰামায়ণ-মহাভাৰতত সীতা, সাবিত্ৰী, শৈব্যা, দময়ন্তী আৰু পুৰাণত বেউলা আদি সতীৰ আখ্যান পাইছোঁ। তেওঁলোকক আজি হিন্দুৰ ঘৰে ঘৰে পূজা কৰে। তেওঁলোকৰ প্ৰতিজনাই স্বামীৰ প্ৰতি অচলা ভক্তি আৰু জীৱনে-মৰণে স্বামীৰ সমদুখুনী আৰু সহচাৰিণী হৈ স্বাৰ্থত্যাগ আৰু সতীত্বৰ জ্বলন্ত দৃষ্টান্ত ৰাখি থৈ গৈছে। আজি প্ৰায় এশ বছৰৰ আগলৈকে হিন্দুবিলাকৰ মাজত সতীযোৱা প্ৰথা প্ৰচলিত আছিল। স্বামীৰ জ্বলন্ত চিতাত তিৰোতাসকলে জাপ দি নিজৰ প্ৰাণত্যাগ কৰিছিল। ভাৰতবৰ্ষৰ বৰলাট লৰ্ড ৱিলিয়াম বেণ্টিঙ্কৰ দিনত এই প্ৰথা আইনবিৰুদ্ধ বুলি বন্ধ কৰা হয়। সেই সতীসকলে সাধাৰণতে সমাজৰ এটি নিয়ম ৰক্ষা কৰিবলৈ প্ৰাণ বলিদান দিছিল কিন্তু জয়মতীকুঁৱৰীৰ সতীত্ব স্বাৰ্থত্যাগ, নৈতিক বল সকলো অপূৰ্ব্ব আৰু অলৌকিক ধৰণৰ। তেওঁ যে কেৱল সতী এনে নহয়, সাক্ষাৎ মূৰ্ত্তিমতী শক্তি। তেওঁ যে কেৱল সতীত্বৰ চানেকী তুলি ধৰি গৈছে এনে নহয়—নাৰীৰ শক্তিয়ে যে সকলো পাৰ্থিব শক্তিক পৰাভৱ কাৰব পাৰে, সেই শক্তিৰ আগত ৰাজদণ্ড খহি পৰে, পাশবিক অত্যাচাৰ কেনিবা পলায়, ইয়াৰ জ্বলন্ত দৃষ্টান্ত তেওঁৰ জীৱনীৰ পৰা পোৱা যায়।

আমি সংসাৰৰ বেলেগ বেলেগ কাৰ্য্যত আৰু বেলেগ বেলেগ বিভাগত তিৰোতাৰ শক্তি-সামৰ্থ্যৰ জাজ্বল্যমান প্ৰমাণ পাই আহিছোঁ। কিন্তু জয়মতীকুঁৱৰীয়ে যুগযুগান্তৰলৈ জগতৰ মহিলাসকললৈ যি মহৎ দৃষ্টান্ত, যি উদাৰ শিক্ষা, যি উজ্জ্বল আদৰ্শ থৈ গৈছে তাৰ তুলনা জগতত হোৱা নাই আৰু বোধকৰোঁ নহবও। স্বামীৰ জীৱন বিপদত পৰা গম পাই বুকুৰ সন্তান দুটি আৰু নিজক আলাইআথানি কৰি স্বামীক দূৰলৈ আঁতৰাই পঠাব পৰা শক্তি কেইগৰাকী তিৰোতাৰ আছে? প্ৰবল শত্ৰুৰ চক্ৰান্ত আৰু পাকচক্ৰত পৰি, কপটীয়া ৰজাৰ গৰাহত পৰি

অসীম নৈতিক বল, প্ৰবল সৎ সাহ, অলৌকিক ধৈৰ্য্য, অসাধাৰণ সহিষ্ণুতা, অতুলনীয় স্বাৰ্থত্যাগ দেখুৱাই ৰজাৰ কোপদৃষ্টিলৈ কেৰেপকে নকৰি এদিন দুদিন নহয়, যোল দিন যোল ৰাতি নেৰানেপেৰাকৈ পাশবিক-প্ৰকৃতি চাওডাঙৰ হাতত চোৰাত, চমতা, আমৰলী কোব—যিবোৰৰ নাম শুনিলেই গা শিঁয়ৰি উঠে—সকলো শাস্তি, সকলো অত্যাচাৰ বুকু পাতি লৈ, নিজৰ স্বামীয়ে অসহনীয় হৈ স্বয়ং ছদ্মবেশেৰে আহি দঢ়াই দঢ়াই স্বামীৰ বাৰ্ত্তা কৈ ৰক্ষা পৰিবলৈ কোৱা স্বত্বেও নিজৰ উজ্জ্বল প্ৰভাৱে স্বামীৰ চকুত চমকনি লগাই তেওঁক আঁতৰাই পঠাই অন্তিম কাললৈকে নিজৰ সন্তান দুটিৰ কাৰণে বিশেষ চিন্তা নকৰি স্বামীৰ মঙ্গলৰ কাৰণে ঈশ্বৰক বাৰম্বাৰ কাকুতি কৰি স্বামীৰ নাম মুখত লৈ হাঁহি হাঁহি প্ৰাণ বলিদান দিয়া তিৰোতাৰ কোনোবা কাহিনী এই জগতত পোৱা হৈছে নে? হোৱা নাই, নিশ্চয় হোৱা নাই। জয়মতীৰ তুলনা নাই, জয়মতীৰ উপমা জয়মতীয়েইহে। স্বামীৰ লগতে প্ৰাণত্যাগ কৰা নাইবা স্বামীৰ মৃত্যুৰ পিছত আত্মহত্যা কৰা তিৰোতাৰ লেখ অনেক। কিন্তু জয়মতীৰ দৰে স্বামীৰ প্ৰাণ ৰক্ষা কৰি নিজৰ প্ৰতিজ্ঞাৰ পৰা একেৰিও নিপিছলি নিজৰ দেশ উদ্ধাৰ কৰা তিৰোতা অসমত নেলাগে, ভাৰতত নেলাগে, জগতত কোনোবা আছে নে? প্ৰতিধ্বনিয়ে কয় আছে নে?

মানৱৰ আত্মা এটি পবিত্ৰ বস্তু। এই আত্মাৰ আচৰিত বল। যিজন মহাপুৰুষে হিমালয়ৰ পৰা কুমাৰিকালৈকে গোটেই ভাৰতৰ প্ৰাণত চেতনা সঞ্চাৰ কৰি দি গ'ল, যাৰ জয়গানেৰে আজি ভাৰত-গগন প্ৰতিধ্বনিত হৈছে, যাৰ একেষাৰ বাক্য বেদবাক্য বুলি গ্ৰহণ কৰি শত শত ভাৰত-বাসী অশেষ স্বাৰ্থত্যাগ কৰি দেশৰ মঙ্গলৰ নিমিত্তে প্ৰাণ দিবলৈ আগ-বাঢ়িছিল, যাৰ মোহিনী মন্ত্ৰত মুগ্ধ হৈ শত শত ৰমণীয়ে তিৰোতাৰ আদৰৰ বস্তু গাৰ অলঙ্কাৰ খঁহাই মাতৃভূমিৰ চৰণত সমৰ্পণ কৰি দিছিল সেই মহাত্মা গান্ধীৰ মূলমন্ত্ৰই হৈছে—আত্মবল। এই আত্মবলৰ ওপৰত ভিৰ দি থাকিলে বাহ্যিক যন্ত্ৰণা, শাৰীৰিক উৎপীড়ন সকলো জঁয় পৰে। সেই আত্মবলৰ প্ৰভাৱতে সতী জয়মতীয়ে পাশবিক আৰু অমানুষিক উৎপীড়ন

তুচ্ছ জ্ঞান কৰিছিল। ৰাজআজ্ঞা হেলাৰঙে অৱমাননা কৰি নিজেই বসুমতীৰ দৰে ধীৰা আৰু গম্ভীৰা হৈ দর্শকমণ্ডলীক স্তম্ভিত কৰিছিল। ৰজাঘৰৰ পৰা কত প্রলোভন দেখুৱালে, কত ভয় প্রদর্শালে তথাপিও তেওঁ আত্মবলৰ আশ্রয় লৈ নিজৰ প্রতিজ্ঞাত স্থিৰ থাকিল; অৱশেষত ৰজাৰ আদেশত কর্মচাৰী চাণ্ডালসকলে অশেষ দণ্ড বিহিলে তথাপিও সেইবিলাকৰ লগত যেন তেওঁৰ শৰীৰৰ নাইবা আত্মাৰ একো সম্বন্ধ নাই—এই ভাবকে হৃদয়ত বান্ধি নিজৰ জন্মভূমি কেনেকৈ অন্যায় অত্যাচাৰৰ হাত সাৰি সুশাসন, সুশৃঙ্খলতাৰ সুশীতল ছাঁ লাভ কৰে—এই মহান ব্রত শিৰত লৈ প্রাণ পৰিত্যাগ কৰিলে। কিন্তু জয়মতীকুঁৱৰী মৰিল নে? তেওঁৰ সেই মহামৰণে তেওঁৰ জগতত অমৰ কৰা নাই নে? সেই অলৌকিক মৰণে তেওঁৰ মানৱ জন্ম সার্থক কৰা নাই নে? সৰগৰ দেৱাঙ্গনাসকলে আকাশী বিমানত মৰতৰ লীলাক্ষেত্রৰ পৰা তেওঁক তুলি নি জয়মালাৰে ভূষিত কৰি স্বর্গৰ সিংহাসনত বহুৱালেগৈ। স্বর্গৰ কিন্নৰকিন্নৰী-সকলে দুন্দুভি বজাই তেওঁৰ আদৰণী গীত গালে। মৰতত থাকে কি? অক্ষয় অবিনশ্বৰ কীর্ত্তি, যাউতিযুগীয়া আদর্শ আৰু উদ্দীপনা, সতীৰ জন্মধাৰিণী মাতৃ অসমৰ বিপুল যশস্যা।

জয়মতীকুঁৱৰীৰ সোঁৱৰণিৰ কাৰণে কৱিতাও নেলাগে, ৰচনাও নেলাগে, নাট্যও নেলাগে, উপাখ্যানো নেলাগে, ইতিহাসো নেলাগে। জয়দ'ল আৰু সাগৰেই কৱিতা, ৰচনা, নাটক, উপাখ্যান, বুৰঞ্জী সকলো। সুযোগ্য পুত্রই মাতৃৰ স্মৃতি ৰক্ষাৰ কাৰণে অস্থি ৰাখি গয়া আদি তীর্থত সমর্পণ কৰে। জয়মতীকুঁৱৰীৰ সুযোগ্য পুত্র ৰুদ্রসিংহ স্বর্গদেৱে এই মন্দিৰকে অস্থি স্বৰূপে ৰাখিলে। ধন্য তেওঁৰ মাতৃভক্তি, ধন্য মাতৃৰ কীর্ত্তিস্তম্ভ! লৰাৰজাৰ পাশৱিক পীড়নত সতী জয়মতীৰ যি অমূল্য পৱিত্র শোণিত প্রবাহিত হ'ল, সেই শোণিতেৰে এই মহাসাগৰ, এই মহাতীর্থ উপচি পৰিল। এই সাগৰৰ প্রত্যেক বিন্দু পানীয়েই পৱিত্র। ইয়াত স্নান কৰিলে কলুষ নাশ হয়, প্রাণ সুশীতল হয়, জীৱন ধন্য হয়।

জয়মতীক সন্মান নকৰা মানে সতীত্বক সন্মান নকৰা। জয়মতীক অৱজ্ঞা কৰা মানে সতীত্ব শক্তি আৰু ধৰ্ম্মক অৱজ্ঞা কৰা কিয়নো জয়মতীৰ আন নাম সতীত্ব—শক্তি-ধৰ্ম্ম। জয়সাগৰৰ পাৰত পতা জয়মতী উৎসৱে অন্ততঃ বছেৰেকত এবাৰ আইসকলৰ প্ৰাণত এটি জাগৰণ তুলি দিয়ে। তিৰোতাই যে গুণেৰে, জ্ঞানেৰে, ধৈৰ্য্যেৰে মনোবলেৰে গোটেই জগতক ৰক্ষা কৰিব পাৰে এই কথা তেওঁলোকৰ অন্তৰত সুন্দৰকৈ প্ৰতিপন্ন কৰি দিয়ে। জয়মতীকুঁৱৰীৰ নামে তেওঁলোকে যিটুপি চকুলো টোকে সেই চকুলো-টুপিৰ মূল্য হেজাৰ হেজাৰ টকা। তাৰ পৰা যিফেৰি শিক্ষা হয় সেইফেৰি শিক্ষা স্কুল-কলেজৰ শিক্ষাতকৈও শতগুণে লাগতিয়াল। এই উৎসৱৰ পৰা পুৰুষ জাতিয়েও বুজি পায় যে নাৰী জাতিক আমি আওহেলা নকৰি তেওঁলোকক যোগ্য আসন দিব লাগে, তেওঁলোকৰ গুণৰ পূজা কৰিব লাগে, তিৰোতা মাত্ৰকেই মাতৃজ্ঞান কৰিব লাগে। নাৰী জাতিৰ মাজতে জয়মতীকুঁৱৰীৰ নিচিনা এগৰাকী সতী, সাধ্বী, পুণ্যৱতী দেৱীৰ আৱিৰ্ভাৱ হৈছিল। আহক, আমি সকলো ক্ষুদ্ৰ অভিমান কাটি কৰি থৈ জন্মভূমিৰ উন্নতিৰ অৰ্থে চ'তৰ শুক্লা একাদশী তিথিৰ দিনা জয়মতী উৎসৱত যোগ দি নিজৰ হৃদয় উজ্জ্বল কৰি মঙ্গলময় পৰমেশ্বৰৰ আশীৰ্ব্বাদ ভিক্ষা কৰোঁহক।

---

DISTRICT LIBRARY
৯৯১
GAUHATI.

# চৰাইদেও মৈদামত তৰ্পণ

চৰাইদেও এটা সৰু চাপলিকা পৰ্ব্বত। ইয়াতেই এদিন স্বৰ্গদেও চুকাফাই দেওশাল পাতি বলি-বাহন দি আহোম ৰাজ্যৰ পোনপ্ৰথম ৰাজধানী পাতিছিল। তেতিয়াৰে পৰা কেইবাশও বছৰ জুৰি চৰাইদেও ৰাজনগৰ হিচাপে প্ৰখ্যাত হৈ উঠিছিল। পিছলৈ চৰাইদেও আহোম-সকলৰ পবিত্ৰ তীৰ্থ আৰু মৈদামৰ নগৰত পৰিণত হয়।

আহোমসকল আদিতে তাও ধৰ্ম্মৰ মানুহ আছিল। তেওঁবিলাকে মৃতকৰ শ কাঠসংস্কাৰ নকৰিছিল। শটো কাঠৰ একোটা শৰ বা পেৰা সাজি, তাত ভৰাই, পুতি মৈদাম বান্ধিছিল। চুকাফা স্বৰ্গদেৱকে আদি কৰি অধিকাংশ ৰজাৰেই মৈদাম চৰাইদেওত বান্ধিছিল। দেওশালৰ উত্তৰে ৰজা আৰু আন আন ৰাজকোঁৱৰসকলৰ আৰু দক্ষিণে কুঁৱৰী, ৰাজমাও আদিৰ মৈদাম বান্ধিছিল। চুডাংফা বামুণীকোঁৱৰে চৰগুৱালৈ ৰাজধানী তুলি নিয়াৰ পিছত তেওঁৰ আৰু পিছৰ কেইজনমান স্বৰ্গদেৱৰ মৈদাম চৰগুৱাত বান্ধে। দিহিঙীয়া ৰজাৰ মৈদাম খোৱাঙৰ দক্ষিণে বৰফুকনৰ আলিৰ কাষত, লৰাৰজাৰ মৈদাম চামগুৰিত আৰু পুৰন্দৰ-সিংহৰ মৈদাম যোৰহাটৰ টোকলাই নৈৰ পাৰত আছে। বাকীসকল ৰজাৰ মৈদাম চৰাইদেওত আছে। আহোমসকল হিন্দুধৰ্ম্মী হোৱাৰ পিছত শটো কাঠসংস্কাৰ কৰি অস্থি আনি মৈদাম বান্ধিছিল।

চৰাইদেও এতিয়া মৈদামৰ দেশ। কেইবাশও মৈদামে বহু ঠাই জুৰি আছে। এই মৈদামসমূহৰ মাজতে আজিকালি শিৱৰাত্ৰিৰ দিনা তৰ্পণ দিয়া হয়। ইয়াকে মৈদামত তৰ্পণ উৎসৱ বোলা হয়।

মৈদাম আটাইবোৰ কোনটো কাৰ আজিকালি কব নোৱাৰা হৈছে। বুৰঞ্জীত পোৱা তথ্যপাতিৰ পৰা কেইটামান মাথোঁ মৈদামৰ কথা কব পাৰি। স্বৰ্গদেৱ গদাধৰসিংহৰ মৈদামটো আটাইতকৈ ডাঙৰ আৰু ওখ। মৈদাম-টোৱে প্ৰায় চাৰি পুৰা মাটি জুৰি আছে। [illegible]

কাষতে এটা বিৰাট ৰজাদিনীয়া পুখুৰী। পুখুৰীটোৰ পশ্চিম পাৰেদি দক্ষিণমুৱাকৈ এটা আলি মৈদামৰ ফাললৈ সোমাই গৈছে। এই পুখুৰীটোৰ নাম শ-ধোৱা পুখুৰী আৰু আলিটোৰ নাম শ-নিয়া আলি। শ-নিয়া আলিয়েদি পোনে পোনে গলেই স্বৰ্গদেৱ গদাধৰসিংহৰ মৈদাম পায়। এইটো মৈদামৰ উত্তৰে স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ মৈদাম আৰু ইয়াৰ পূৱে শিৱসিংহ; প্ৰমত্তসিংহ আদিৰ মৈদাম আছে। গদাধৰসিংহৰ মৈদামৰ উত্তৰে আৰু ৰুদ্ৰসিংহৰ মৈদামৰ পশ্চিমে এইখিনি সমান ঠাই। এই ঠাইডোখৰতে আজিকালি তৰ্পণৰ আয়োজন কৰা হয়।

আজিকালি দুদিনীয়াকৈ তৰ্পণ-উৎসৱ পালন কৰা হয়। মাঘ-ফাগুনৰ কৃষ্ণপক্ষৰ ত্ৰয়োদশী আৰু শিৱচতুৰ্দ্দশী বা শিৱৰাত্ৰিৰ দিনা। ত্ৰয়োদশীৰ দিনা ওৰে ৰাতি নাম- কীৰ্ত্তন হয় আৰু শিৱৰাত্ৰিৰ দিনা দুকুৰি দুখন শৰাই সজাই, নাম-কীৰ্ত্তন কৰি তৰ্পণ দিয়া হয়। দুকুৰি দুজন স্বৰ্গদেৱৰ নামে দুকুৰিখন শৰাই সজোৱা হয়। শৰাইত পায়স, মাহচাউল, থুৰিয়া তামোল আদি দিয়া হয়। শৰাইবোৰ পূৱা-পশ্চিমাকৈ এলানিকৈ সজোৱা হয়। শৰাইবোৰৰ মূৰত এখন ( 'পাং' ) চাং পতা হয়। তাত 'দেওৰস' ( বিশেষ পদ্ধতিৰে ঘৰুৱাকৈ কৰা মদ ) আৰু 'কাহ-চেং-মুং' অৰ্থাৎ কুকুৰামঙহ ৰান্ধি সজাই দি স্বৰ্গদেৱসকললৈ উছৰ্গা কৰে। এইখিনি কাম আহোম পদ্ধতিৰে কৰা হয়। এই উৎসৱলৈ নিজৰ ইচ্ছামতে টকা-কড়ি, চাউল-গাখীৰ; তামোলপাণ, কলকুঁহিয়াৰ আদি লৈ আহিব পাৰে। আশীৰ্ব্বাদ দিয়া, সেৱা কৰা, উছৰ্গা কৰা আদি কাৰ্য্য পুৰণা আহোম নিয়ম আৰু মহাপুৰুষীয়া নিয়ম দুয়োটাৰেই কৰা হয়। দুকুৰি দুখন শৰাই বিয়াল্লিছজনা স্বৰ্গদেৱৰ নামে উছৰ্গা কৰোঁতে চুকাফাকে আদি কৰি আহোম ভাষাত কোৱা হয় আৰু আহোম ভাষা জনা মানুহে আশীৰ্ব্বাদো দিয়ে। বাকীখিনি কাম সাধাৰণ নামকীৰ্ত্তনৰ দৰেই সমাপ্ত কৰা হয়।

তৰ্পণ উৎসৱ উপলক্ষে হাবিয়ে উপচি পৰা মৈদাম আদি হাবি কাটি মুকলি কৰা হয়। দিনত লৰা-বুঢ়া-ডেকা-গাভৰু, আনকি বুঢ়ী মানুহেও

পৰ্ব্বতীয়া টিলা যেন ওখ মৈদামবোৰ বগাই বগাই চায়। সেই দিনা লৰা-বুঢ়া আটাইৰে মন উৎসৱমুখৰ আৰু উলাহপূৰ্ণ হৈ উঠে। দূৰদূৰণিৰ পৰা অহা মানুহেৰে সৈতে কেইবা হেজাৰো মানুহৰ সমাগম হয়। ইয়ালৈ আহোম বাইজৰ বাহিৰেও অন্যান্য সম্প্ৰদায়ৰ মানুহো আহে। কেইবাল্যবো ডিব্ৰুগড়, শিৱসাগৰ আদিৰ গণ্যমান্য লোকো উপস্থিত আছিল।

তৰ্পণ-উৎসৱৰ শেষত সাধাৰণতে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত বুৰঞ্জীবিষয়ক আলোচনা, মৈদাম সম্পৰ্কীয় কথা, সংৰক্ষণ ব্যৱস্থা আদিৰ বিষয়ে আলোচনা কৰা হয়। কেতিয়াবা মৈদাম সম্পৰ্কীয় কথ্য-পাতি থকা সাঁচিপতীয়া বুৰঞ্জী আদি প্ৰদৰ্শন আৰু পাঠবো দিহা কৰা হয়।

তৰ্পণ-উৎসৱ পাতিবলৈ লোৱা বেছি দিন হোৱা নাই তথাপি বছৰে বছৰে ৰাইজৰ মাজত আগ্ৰহ আৰু উৎসাহ বৃদ্ধি পোৱাটো পৰিলক্ষিত হয়। মৈদামসমূহৰ সংৰক্ষণ আৰু উৎসৱ সম্পৰ্কত চৰাইদেও বাগিছাৰ মেনেজাৰ মিঃ ডি. কে. মেক্ফাৰ্নেল আৰু তেওঁৰ পত্নীয়ে বিশেষভাৱে সহায় আগবঢ়ায়।

# আহিনী পূৰ্ণিমা উৎসৱ বৌদ্ধ পবাৰণা

—ঃ এক ঃ—

আজি আঢ়ৈ হেজাৰ বছৰৰ পৰা অপৰিহাৰ্য্যৰূপে প্ৰচলিত হৈ অহা পৃথিৱীৰ বৌদ্ধসকলৰ অতি পাৱত্ৰ পৱাৰণা বা আহিনী পূৰ্ণিমা উৎসৱৰ সংক্ষিপ্ত কাহিনী হৈছে এই ঃ—পুণ্যভূমি কপিলাবাস্তুৰ ৰাজকাৰেণ্ডত আৱিৰ্ভাব হোৱা সিদ্ধাৰ্থৰ প্ৰাণত অলপো শান্তি নাই। বিশাল ৰাজ্য, স্নেহময় পিতৃ-মাতৃ, কোলীয় ৰাজনন্দিনী, ৰূপে-গুণে অনুপমা ষোড়শী যুৱতী ভাৰ্য্যা, পাণপ্ৰতিম কেঁচুৱা পুত্ৰ ৰাহুল, ৰাজনগৰৰ সৌন্দৰ্য্য, সুখ-সম্ভোগ গৌতমৰ মানত ক্ষণভঙ্গুৰ বোধ হৈছে। কপিলাবাস্তু ৰাজ্য উপভোগৰ মায়াই তেওঁক মুগ্ধ কৰিব পৰা নাই। জীৱ-জগতৰ থাপে থাপে ৰোগ জৰা, মৃত্যুশোক আদি অসীম দুঃখৰাশি দেখি ৰাজসম্পত্তিৰ সম্ভোগৰ মাজত থকা গৌতমৰ অন্তৰ "জাহ্নবী যমুনা বিগলিত কৰুণা" হৈ পৰিল। মানৱ জাতিৰ দুখৰ কাৰণ আৰু তাৰ মোচনৰ উপায় বিচাৰিবৰ কাৰণে ৰাজকোঁৱৰে ৰাজসিংহাসনত প্ৰিয়তমা পত্নী, সদ্যোজাত-কেঁচুৱা সন্তান, ধন-জনপূৰ্ণ বিশাল পুৰী সকলোবোৰৰ মায়ামোহ ত্যাগ কৰি অৰণ্য অভিমুখে যাত্ৰা কৰিলে—এনে এক শুভ আষাৰী পূৰ্ণিমাৰ তিথিত। নীৰৱ নিস্তব্ধ প্ৰকৃতিৰ বনখণ্ড। কাৰো কতো মাতবোল নাই। তেনে গহীন বনত প্ৰৱেশ কৰি ৰাজ-কুমাৰ গৌতমে কঠোৰ তপস্যাত বহিল। এদিন দুদিনকৈ বহুত দিন, মাহ বছৰ পাৰ হ'ল। গৌতম অচল অটল আৰু স্থিৰভাবে ধ্যানত নিমগ্ন। মুঠতে শৰীৰ পতন হওক কিম্বা সাধনা সিদ্ধি হওক, এনে সঙ্কল্প অন্তৰত লৈ ছবছৰ কাল তপস্যা কৰাৰ ফলত শাক্যকুমাৰ গৌতমে বুদ্ধত্ব বা দিব্যজ্ঞান লাভ কৰিলে। এই দুস্তৰ সমাধি অৱস্থাত প্ৰত্যক্ষ ভাবে উপলব্ধি কৰা অহিংসা ধৰ্ম্ম প্ৰথমে তেওঁ পঞ্চবৰ্গীয় শিষ্যসকলক

আহ্বান কৰি আষাৰ মাহৰ শুভ পূৰ্ণিমা তিথিত বিশ্বপ্ৰেমবাণী ঘোষণা কৰি ধৰ্ম্মচক্ৰ প্ৰৱৰ্ত্তন কৰিলে—পুণ্যভূমিৰ ঋষিপতনৰ মৃগদাবনত (সাৰনাথ)। ধৰ্ম্মচক্ৰ প্ৰৱৰ্ত্তন কৰি তথাগতে মৃগদাবনত ভিক্ষুসঙ্ঘৰ সৈতে সেই পৱিত্ৰ পূৰ্ণিমাৰ পৰা আহিনী পূৰ্ণিমালৈকে তিনি মাহ কাল পৰম আনন্দেৰে বাস কৰিবলৈ ধৰিলে।

এনে সন্ধিক্ষণতে তিন ঋতুৰ বাসভবনত ডাঙৰ দীঘল হৈ লাহ-বিলাহৰ মাজত জীৱন কটোৱা যুৱক যশনামৰ বাৰাণসীৰ বণিকৰ পুত্ৰ আৰু তেওঁৰ সদৃশ আন পঞ্চাছজন যুৱক ভগৱান বুদ্ধৰ মধুৰ আহ্বানত আৰু অমৃতবাণীৰ শ্ৰৱণত মুগ্ধ হৈ তেওঁৰ কাষ চাপি আহিল। তথাগতত শৰণ লৈ সকলোৰে কণ্ঠত সমস্বৰে উচ্চাৰিত হ'ল—জয়ঝঙ্কাৰ অহিংসাৰ অমোঘবাণী। ৰোগ-জৰা-মৰণ-শোকাদি দৈনন্দিন ঘটি অহা সংসাৰৰ অসীম দুখৰাশি কেনেকৈ দূৰ কৰিব পৰা যায়; জীৱনৰ উৎপত্তি, স্থিতি আৰু লয় কি হেতুৰ পৰা হয়, তাক তেওঁ ফঁহিয়াই দেখুৱালে। যি পথ অনুসৰণ কৰিলে মানুহৰ কাম-ক্ৰোধ, লোভ-মোহ, ৰাগ-দ্বেষ আদি সকলো পাপ প্ৰবৃত্তি সম্পূৰ্ণৰূপে বিনাশ কৰি পৰিশেষত নিৰ্ব্বাণ পথৰ যাত্ৰী হব পাৰি ইত্যাদি পৰিত্ৰাণৰ সহজ উদাৰ পথ সকলোকে দেখুৱাই দিছিল সেই এমেটি পূৰ্ণিমাৰ পুণ্য ক্ষণতে। এইদৰে সাম্য-মৈত্ৰী আৰু সঙ্ঘ স্থাপন কৰি প্ৰত্যেক বছৰে বছৰে বাৰিষা তিনি মাহ কাল বৰ্ষাবাস অধিষ্ঠান (সঙ্কল্প) কৰি নিজৰ তথা বিশ্বপ্ৰাণীৰ মুক্তি সাধন কৰিবলৈ তথাগতে ভিক্ষু-সকলক নিৰ্দ্দেশ দিলে আৰু লগে লগে ইয়াকো অনুজ্ঞা কৰিলে "হে ভিক্ষুসকল! তোমালোকে সঙ্ঘবদ্ধ হৈ বিপুল উৎসাহেৰে দেশে-বিদেশে, গাঁৱে-ভূয়ে কৰুণাৰ পতাকা হাতত লৈ চাৰি আৰ্য্যসত্য সন্তুষ্ট মাৰ্গ আৰু নৱ লোকোত্তৰ ধৰ্ম্ম প্ৰচাৰ কৰাগৈ—মানৱ জাতিৰ ত্ৰিকল্যাণৰ কাৰণে।"

প্ৰভুৰ সম্যক্ সম্বুদ্ধৰ প্ৰেম আৰু উদাৰ নিৰ্দ্দেশ শিৰত লৈ একাহাৰী আৰু গেৰুৱা বসনধাৰী পৃথিৱীৰ বৌদ্ধ ভিক্ষুসকলে পদব্ৰজে ধৰালি

ন-মাহ কাল অবাধ গতিৰে অসীম ভক্তিৰে গাঁৱে-ভূঁয়ে, নগৰে-চহৰে, নানা ঠাইত বিচৰণ কৰি শান্ত-শুদ্ধ-সত্য ধৰ্ম্ম প্ৰচাৰ কৰি বৌদ্ধ ইতিহাসত এক যুগান্তৰ অধ্যায় ৰচনা কৰি আহিছে। আষাঢ়ী পূৰ্ণিমাৰ পৰা আহিনী পূৰ্ণিমা তিথিলৈকে এই সুদীৰ্ঘ তিনিমাহ কাল ভিক্ষু-সকলে এক বিহাৰ, কুটীৰ গুহা আনকি গছৰ তলতো ত্ৰৈমাসিক বা বৰ্ষাব্ৰতত ব্ৰতী হৈ ভিক্ষুধৰ্ম্ম ৰক্ষা কৰা বিস্তৰ কাহিনী বৌদ্ধ ইতিহাসত জিলিকি আছে। সেই কালছোৱাত তেওঁলোকে পৱিত্ৰ চিত্তেৰে যোগ-ধ্যান, শাস্ত্ৰ অধ্যয়ন কৰাৰ উপৰিও শ্ৰমণ আৰু গাঁৱৰ লৰা-ছোৱালীবিলাকক শাস্ত্ৰপাঠ, গাথাআবৃত্তি আদি মাঙ্গলিক কৰ্ম্মত প্ৰবৃত্ত কৰায়। এনে সময়তে গৃহীসকলেও খেতি ৰোৱা-চপোৱাদি আৰু অন্যান্য যাৱতীয় কাম বন্ধ ৰাখি অমাৱস্যা, পূৰ্ণিমা, অষ্টমী, মাহত চাৰি বাৰকৈ বিহাৰত গৈ বয়োবৃদ্ধ মুনিহ-তিৰোতাসকলে অষ্টশীল, ডেকা-গাভৰুসকলে পঞ্চশীল আৰু সৰু সৰু লৰা-ছোৱালীবিলাকে ত্ৰিৰত্ন ( বুদ্ধ-ধৰ্ম্ম, সঙ্ঘ ) বন্দনা, পালিগাথা আবৃত্তি আৰু ভিক্ষুসকলক চাৰি প্ৰত্যয় ( আহাৰ বিহাৰ, দেৱাই, চীবৰ ) ইত্যাদি নানা তৰহৰ দান যোগান ধৰি বৰ্ষাব্ৰতত ব্ৰতী হৈ ত্ৰিৰত্নোদ্দেশ্যে মন-প্ৰাণ ঢালি এক অপৰিসীম আনন্দ উপভোগ কৰে।

যাৰ খেতিৰ ওপৰতেই জীৱন নিৰ্ব্বাহৰ একমাত্ৰ উপায় তেনে বৌদ্ধ ৰোৱতী গাভৰুসকলে এদৰা, এফাল মাটি ৰোৱা তুলি এৰি থৈ আবেলি পৰত ঘৰলৈ আহি গাপা ধুই পৱিত্ৰ সাজপাৰ পিন্ধি ধৰিত্ৰীৰ কোলাত জাতিস্কাৰ হৈ থকা নানা বৰ্ণৰ ফুল তুলি কল-পাতেৰে সুন্দৰ সুন্দৰ চত ( কুকি ) সাজি পান্‌মকূমাত ( ফুলৰ শৰাই ) সজাইপৰাই সকলোৱে শাৰী পাতি বিহাৰত গৈ সমস্বৰে পুষ্পোসৰ্গা মন্ত্ৰ উচ্চাৰি দান দিয়াৰ কৰুণ দৃশ্য অতি মনোৰম আৰু দুখ-মোচনৰ প্ৰাৰ্থনাৰ গানটিও মৰ্ম্মস্পৰ্শী আৰু হৃদয়গ্ৰাহী। এনে প্ৰাণীত শান্তি-সুধা ঢলা, চকুত দিব্যদৃষ্টি দিয়া, কাণত স্বৰ্গীয় দুন্দুভিধ্বনি শুনা অমৃতময় পৰিত্ৰাণমূলক গাথা-সূত্ৰ আবৃত্তি আদি ত্ৰিবিধ মঙ্গলবিধায়ক—কৰ্ম্ম

সম্পাদন কৰি উলহমালহেৰে তিনিমহীয়া মহাব্ৰতক বহুৱেকলৈ বিদায় দি মেলানি মাগে “বন্দে তিৰতম”ৰ ধ্বনিৰ মাজেদি।

এইখিনিতে কৈ থোৱা অপ্ৰাসঙ্গিক নহয় যে আষাৰ মাহৰ শুভ পূৰ্ণিমাত ভগৱান বুদ্ধই বিশেষ কাৰণত শ্ৰাৱস্তী নামৰ ঠাইত আম গছৰ তলত প্ৰাতিহাৰ্য্য (নানা ঋদ্ধি) প্ৰদৰ্শন কৰে। স্বৰ্গাগতা জননী মায়াদেৱীৰ প্ৰমুখ্যে তাৱতিংস স্বৰ্গৰ দেৱতাসকলক লক্ষ্য কৰি অভিধৰ্ম্ম (পৰমাৰ্থিকতত্ত্ব) দেশনা (ব্যাখ্যা) কৰি তাত তিনি মাহ কাল বৰ্ষাবাস কৰিছিল। তাৰ পিছত ইন্দ্ৰৰ আদেশত বিশ্বকৰ্ম্মাই দৈৱ শক্তিৰে নিৰ্ম্মাণ কৰা মণিবৰ্ণ সদৃশ এক সোপানেৰে ইন্দ্ৰ, ব্ৰহ্মা সমন্বিতে অসংখ্য দেৱতাৰ সমাবেশত এক বিপুল সমদলৰ মাজত আন এক শুভ আহিনী পূৰ্ণিমাৰ শুভদিনৰ শুভক্ষণত পুনৰ মৰ্ত্তলৈ অৱতৰণ কৰে। এনে ধৰ্ম্মচক্ৰ, প্ৰৱৰ্ত্তন, ধ্যান-ধাৰণা, যমক প্ৰাতিহাৰ্য্যবোৰ বৌদ্ধশাস্ত্ৰ বিনয় পিটক আৰু মহাবৰ্গ ইত্যাদি গ্ৰন্থত সন্নিহিত হৈ আছে।

— : দুই : —

মাৰ্ঘেৰিতাৰ আশেপাশে ’ফাকিয়াল, দোৱনীয়া, খামতি নগা আদি জনজাতীয় লোকসকলৰ বসতি। এওঁলোক হৈছে বৌদ্ধধৰ্ম্মী। ইয়াৰ প্ৰায় প্ৰত্যেকখন গাঁৱতে একোটা বৌদ্ধবিহাৰ আছে। এই বিহৰিবোৰ প্ৰায়ে ব্ৰহ্ম দেশৰ পেগোদাৰ আহিত সজা। এই বৌদ্ধ-মন্দিৰবোৰত একোজন বা তাতোকৈ অধিক বৌদ্ধ ভিক্ষু আৰু জনচেৰেক শ্ৰমণ থাকে। বিহাৰত গাঁৱৰ সৰু লৰাক ৰাখি ভিক্ষুৰ তত্বাবধানত ধৰ্ম্ম সম্বন্ধীয় শিক্ষা দিয়া হয়। উপযুক্ত শিক্ষাপ্ৰাপ্ত হলে সেই লৰাবোৰৰ অভিভাৱকসকলে নিজে টকা-পইচা খৰচ কৰি উৎসৱৰ আয়োজন কৰি লৰাইতক শ্ৰমণদীক্ষা দিয়ে। এনে ধৰণৰ শ্ৰমণদীক্ষাৰ আয়োজন হলে, নিজ গাঁৱৰ বাহিৰেও টকা-পইচা দি উৎসৱত সমূহীয়া হিচাপে যোগদান দিয়ে। এই শ্ৰমণদীক্ষা উৎসৱবোৰ আয়োজন অনুপাতে এদিনৰ পৰা সাত দিনলৈকে ৰখা হয়। শ্ৰমণদীক্ষা হলে ছাত্ৰইতক মূৰৰ চুলি খুৰাই

ভিক্ষুৰ গেৰুৱা বসন ( চীবৰ ) ধাৰণ কৰিবলৈ দিয়া হয়। কিন্তু নতুনকৈ হোৱা শ্ৰমণসকলে দীক্ষা গ্ৰহণ কৰি অন্ততঃ সাত দিনলৈকে তেওঁলোকৰ চীবৰ ধাৰণ কৰি সম্পূৰ্ণভাবে শ্ৰমণৰ বিনয়সমূহ পালন কৰি বিহাৰত থাকিব লাগে। ইয়াৰ পিছত তেওঁলোকে ইচ্ছা কৰিলে চীবৰ পৰিত্যাগ কৰি আগৰ সাধাৰণ ছাত্ৰ হিচাপে থাকি বিহাৰত গুৰুৰ ওচৰত ধৰ্ম্মচৰ্চ্চা কৰাৰ উপৰিও নিজ গুৰুৰ পৰিচৰ্য্যাৰ ভাৰ লব লাগে।

প্ৰত্যেক বছৰ হিন্দুসকলৰ লক্ষ্মী পূৰ্ণিমাৰ আগৰ তিনি মাহত ভিক্ষু আৰু শ্ৰমণসকলৰ বাবে বৰ্ষাবাসৰ নিৰ্দ্দেশ বৌদ্ধ ধৰ্ম্মত আছে। এই বৰ্ষাবাসৰ কালছোৱাত শ্ৰমণসকলে সাধাৰণ ছাত্ৰৰ দৰে থাকিব নোৱাৰে। গতিকে বৰ্ষাবাস আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকে শ্ৰমণৰ বিনয়সমূহ সম্পূৰ্ণৰূপে পালন কৰি চলিব লগা হয়। এই সময়খিনিৰ ভিতৰত কোনো ভিক্ষু বা শ্ৰমণে বিশেষ ধৰণৰ প্ৰয়োজন নহলে নিজ বিহাৰ এৰি আন ঠাইত নিশা যাপন কৰিব নোৱাৰে আৰু সন্ধিয়া আৰম্ভ হোৱাৰ লগে লগে তেওঁলোকে নিজ বিহাৰৰ চাৰিসীমাৰ বাহিৰ হব নোৱাৰে। গতিকে এই নিয়ম লঙ্ঘন হোৱাৰ আশঙ্কাত প্ৰত্যেকটো বৌদ্ধবিহাৰৰ সীমাৰ ভিতৰতে ভিক্ষুসকলৰ বাবে সুকীয়াকৈ একোটা পাইখানা ৰখা হয়।

বৰ্ষাবাসৰ তিনিমাহৰ ভিতৰত পূৰ্ণিমা, অমাবস্যা, কৃষ্ণা আৰু শুক্লা অষ্টমী এই তিথি কেইটা লৈ মুঠতে তেৰটা দিন বৌদ্ধধৰ্ম্মী ৰাইজৰ উপাসনাৰ দিন হিচাপে ধাৰ্য্য কৰা হয়। এই দিন কেইটাৰ ভিতৰত পূৰ্ণিমা আৰু অমাবস্যাৰ তিথি কেইটাই হৈছে প্ৰশস্ত। পূৰ্ণিমা আৰু অমাবস্যাৰ দিনা সকলো ৰাইজে নিজৰ নিজৰ দান-দক্ষিণাৰ দ্ৰব্য সংগ্ৰহ কৰি বিহাৰত সমবেত হৈ উপাসনা কৰে। বাকী অষ্টমীৰ দিন কেইটাত দুই-চাৰি ঘৰকৈ চুবুৰীয়া বা একে পৰিয়ালৰ গৃহস্থই লগ লাগি নিজৰ নিৰ্দ্ধাৰিত তিথিত ভিক্ষুসকলক দান-দক্ষিণা দিয়ে আৰু আনসকল গৃহস্থই মাথোঁ ফুল মমবাতি লৈ সেই দিনাৰ উপাসনাত যোগ দিয়ে। গাঁৱত সুবিধামতে এই নিয়মৰ কেতিয়াবা লৰচৰ কৰাও দেখা যায় অৰ্থাৎ প্ৰত্যেকটো উপাসনাৰ দিনত সকলো ৰাইজে সমূহীয়াকৈ আয়োজন কৰে

বা গোটেই তিথি কেইটা একোখন গাঁৱৰ বাইজে দুই-চাৰিঘৰৰ হিচাপে ভাগ কৰি লয়।

অৱস্থাপন্ন গৃহস্থই নিজৰ নিৰ্দ্ধাৰিত তিথিৰ দিনা কল্পতৰু আদি দান কৰে। এজোপা সম্পূৰ্ণ গছৰ আৰ্হিৰে বাঁহৰ কাঠী-কামীৰে এই কল্পতৰু তৈয়াৰ কৰা হয়। ইয়াক একুটমান দীঘল আৰু আধাইঞ্চিমান বহল প্ৰায় তিনিশ বাঁহৰ কাঠীৰ মুঠি এটাৰ ওপৰত বহুৱাই দি হৰেক ৰকমৰ কাগজৰ ফুল-পাত লগাই দেখিবলৈ চকুত লগাকৈ সাজে। তাৰ পিছত গোটেই কল্পতৰুজোপাৰ গাত নানা তৰহৰ দান-দক্ষিণাৰ বস্তু যেনে—বিস্কুটৰ টিন, মাখনৰ টিন, কিতাপ-বহী, চিগাৰেট, জুইবাহ, গামোছা, চাবোন, টকা-পইচা ইত্যাদি জৰীৰে বান্ধি আঁৰি দিয়া হয়। যিঘৰ গৃহস্থৰ ঘৰত তিথিৰ আয়োজন কৰা হয় সেই ঘৰত আগনিশা গাঁৱৰ ডেকা-গাভৰুহঁত গোট খাই গোটেই ৰাতি পিঠা-আখৈ আদি তৈয়াৰ কৰে। তাৰ উপৰিও পিছ দিনা ৰাইজক খুৱাবৰ বাবে মাজৰাতিৰ পৰাই ভোজ-ভাতৰ আয়োজন চলে। সাধাৰণতে গাভৰুহঁতে ভাত সিজাই কৌপাতেৰে টোপোলা বান্ধি থৈ যায় আৰু ডেকাহঁতে বিধে বিধে আঞ্জা তৈয়াৰ কৰে। এইদৰে ডেকা-গাভৰুহঁতে ওৰে ৰাতি উলহমালহ হাঁহি-ধেমালিৰ মাজেদি বন্ধা-বঢ়া কাম কৰি শেষ কৰে।

ৰাতিপুৱাৰ লগে লগে গৃহস্থই পিঠা-পনা, ভাত-আঞ্জাৰ আগভাগ ভালকৈ সজাই হোৰাত ভৰাই দিলে ডেকা-গাভৰুহঁতে সেইবোৰ কল্পতৰু জোপাৰ সৈতে জাক বান্ধি কঢ়িয়াই নি বিহাৰত দি আহেগৈ। বেলি ওলাই অহাৰ লগে লগে বাকীবোৰ গৃহস্থই গা-পা ধুই পৰিষ্কাৰ কাপোৰ পিন্ধি হাতত ফুল আৰু মমবাতি লৈ বিহাৰলৈ আহে। বিহাৰলৈ আহোঁতে কোনোৱে ভাত-পানী খাই আহে বা কোনোৱে নোখোৱাকৈ আহে। সাধাৰণতে যিসকল বয়সস্থই সেই দিনা অষ্টশীল গ্ৰহণ কৰি ব্ৰত পালন কৰিব, সেইসকলে প্ৰায়ে নোখোৱাকৈ আহে। বিহাৰত এইদৰে লৰা-বুঢ়া, পুৰুষ-তিৰোতা সকলো আহি সমবেত হলে উপাসনা আৰম্ভ হয় আৰু প্ৰাৰ্থনাৰ অন্তত বয়োবৃদ্ধ পুৰুষ-তিৰোতাসকলে অষ্টশীল গ্ৰহণ কৰে।

উপাসনা শেষ হলে দান-দক্ষিণাৰ বস্তুবোৰ ভিক্ষু আৰু শ্ৰমণৰ মাজত বিতৰণ কৰি দিয়া হয়। কল্পতৰুৰ গুৰিত থকা বাঁহ কাঠীবোৰ ভিক্ষুসকলে শৌচাচাৰ কৰোঁতে ব্যৱহাৰ কৰিবৰ বাবে ৰাখি দিয়া হয়।

ইয়াৰ পিছত অষ্টশীল গ্ৰহণ কৰাসকলে ঘৰলৈ আহি দিনৰ বাৰ বজাৰ আগতে আহাৰ খায়। কেতিয়াবা যিঘৰ গৃহস্থৰ ঘৰত সেই দিনাৰ তিথিৰ আয়োজন কৰে, সেই ঘৰৰ মানুহে নিমন্ত্ৰণ কৰি নি সেইসকলক ভোজন কৰায়। ইয়াৰ পিছত এই অষ্টশীল পালন কৰাসকলে গোটেই দিনটো ধৰ্ম্ম চৰ্চা কৰি কটায় আৰু ৰাতিৰ আহাৰ ত্যাগ কৰে। সেই দিনা কোনো মানুহে হাল-কোৰ নধৰে আৰু ধান-চাউল আদিও বেচা-কিনা আদি কাম নকৰে।

লক্ষ্মী পূৰ্ণিমাৰ আগৰ পূৰ্ণিমাটোক পালিমতে "ছাৰে" বুলি কোৱা হয়। প্ৰবাদ আছে যে সেই দিনা হেনো বান্দৰে হাবিৰ পৰা মৌ-ৰস সংগ্ৰহ কৰি ভগৱান বুদ্ধক খাবৰ বাবে দান দিছিল। সেই কাৰণে এই দিনটোক মধু-পূৰ্ণিমা বুলিও কয়। এই দিনটোত সকলো গৃহস্থই নানা তৰহৰ ফল-মূল, শাক-পাত, ধান-চাউল ইত্যাদি সংগ্ৰহ কৰি দান দিয়ে। উক্ত দিনত এনেদৰে দান দিয়া দ্ৰব্যৰে বিহাৰ উপচি পৰে।

সেইদৰে মধু-পূৰ্ণিমাৰ পিছৰ অমাবস্যাটোৰো এটা স্বকীয়া বৈশিষ্ট্য আছে। এই তিথিটোক পালি ভাষাত "মীৰি" বোলা হয়। এই দিনটোত হেনো জগতৰ প্ৰত্যেকটো বস্তুৱেই নিজৰ ঠাইলৈ যাব খোজে। সেই বাবে এওঁলোকে সেই দিনা দুৱাৰমুখত, নঙলাত, ভঁৰালঘৰ আদিত বগৰি জেং আঁৰি দিয়ে যাতে এই বস্তুবোৰে গৃহস্থক এৰি যাব নোৱাৰে। সেই দিনা লৰা-বুঢ়া সকলোৱে পুৱতি নিশাতে গৈ নৈত স্নান কৰে। এই-দৰে ৰাতিপুৱাতে স্নান কৰাৰ কাৰণ এয়ে যে সেই দিনা হেনো নৈৰ পানীত গঙ্গাজল বৈ আছে। এতেকে সেই দিনা নৈত স্নান কৰিলে গোটেই বছৰটো মানুহৰ বেমাৰআজাৰ নহয় আৰু সুখে-শান্তিৰে থাকিব পাৰে।

এইদৰে বৰ্ষাবাসৰ ভেৰটা তিথি লক্ষ্মী-পূৰ্ণিমাৰ দিনা শেষ হয়। সেই দিনা ৰাতিপুৱা বিহাৰত উপাসনা কৰাৰ উপৰিও গধূলি সকলোৱে

নিজ গৃহত চাকি-বন্তি জ্বলায়। সেইদৰে বিহাৰতো চাকি-বন্তি জ্বলোৱা হয় আৰু গধূলি হোৱাৰ লগে লগে গাঁৱৰ ডেকা-গাভৰুহঁতে লগ লাগি ৰাতি বিহু পাতি উৎসৱ পালন কৰে। এই দিনটোও লৰাছোৱালী-বিলাকক নতুন সাজপাৰ পিন্ধিবলৈও দিয়া হয়।

ইয়াৰ পিছত একোখন গাঁৱৰ ৰাইজে নিজৰ সুবিধা অনুযায়ী এটা দিন ধাৰ্য্য কৰি পবাৰণা উৎসৱৰ আয়োজন কৰে। এই পবাৰণা উৎসৱ বৰ্ষাবাসৰ শেষ তিথিৰ দিনাও পালন কৰিব পাৰে কিন্তু সেই সময়ত ধান-চাউলৰ অভাৱ হলে, পথাৰৰ পকা ধান কাটি আনিহে এই উৎসৱৰ আয়োজন কৰে। বৰ্ষাবাসৰ শেষ তিথিৰ পৰা আৰম্ভ কৰি পবাৰণা উৎসৱৰ দিনলৈকে ডেকা-গাভৰুহঁতে নিতৌ গধূলি বিহু পাতি ধেমালি কৰে। এই উৎসৱৰ দিনা সকলোৱে মিলি ভোজভাত খায় আৰু নিজৰ ঘৰত আৰু বিহাৰত চাকি-বন্তি জ্বলায়। এইদৰে গোটেই নিশা বিহু পাতি ৰাতিপুৱা গা-পা ধুই বিহাৰত সমৱেত হৈ সকলোৱে প্ৰাৰ্থনা কৰে আৰু বৃদ্ধসকলে অষ্টশীল গ্ৰহণ কৰে।

এইদৰে প্ৰত্যেকখন গাঁৱতে পবাৰণা উৎসৱ শেষ হলে, এই অঞ্চলৰ সকলো ভিক্ষুতকৈ শ্ৰেষ্ঠ ভিক্ষুজনক সেৱা জনাবৰ বাবে সকলো ৰাইজ আৰু ভিক্ষু শ্ৰমণসকল শ্ৰেষ্ঠ ভিক্ষুজন থকা গাঁৱত সমৱেত হয়। সেই গাঁৱতে সকলো দোৱনীয়া, ফাকিয়াল, খাম্‌তি আদি ৰাইজ সমৱেত হৈ পুনৰ এৰাতিৰ বাবে পবাৰণা উৎসৱৰ আয়োজন কৰে। সেই দিনা প্ৰত্যেকখন গাঁৱৰ পৰা এজোপাকৈ কল্পতৰু সাজি আনি উক্ত উৎসৱত দান দিয়ে। এইদৰে এনিশা ভোজভাত খাই পবাৰণা উৎসৱ সমাপ্ত কৰি পিছ দিনা সকলোৱে দিহাদিহি ঘুৰি আহে। অৱশ্যে ইয়াৰ আগতেই প্ৰত্যেকখন গাঁৱৰ ৰাইজে নিজ বিহাৰত থকা ভিক্ষুসঙ্ঘক এদিন বিহাৰত সমৱেত হৈ সেৱা-সৎকাৰ কৰি লয়।

পবাৰণা উৎসৱৰ শেষত নিজ পৰিয়ালৰ বা গাঁৱৰ বয়োবৃদ্ধসকলক গৈ সেৱা কৰাৰ প্ৰথা আছে। এইদৰে সেৱা কৰোঁতে বৃদ্ধসকলে আশীৰ্বাদ প্ৰদান কৰি কনিষ্ঠসকলৰ হাতত এঁৱা সূতা একোগছ বান্ধি দিয়ে।

---

# পুতলা বিয়া

গছৰ বিয়া, ভেকুলীৰ বিয়া আদিৰ নিচিনাই পুতলা বিয়াও অসমৰ এটি লোক-উৎসৱ। সময়ে মোট সলোৱাৰ লগে লগে এনেবোৰ উৎসৱে বহু সময়ত ৰূপ সলাইছে আৰু কোনো কোনোটো একেবাৰে নাইকিয়া হৈ গৈছে নাইবা তাৰ নামটোহে বাকী আছে-গৈ। আজিৰ শিতানত লোৱা পুতলা বিয়া উৎসৱটোক গঞা কথাত 'পুতেলী বিয়া' বুলি কোৱা হয়। বৰ্ত্তমানে কামৰূপ জিলাৰ পাটাচাৰকুছি অঞ্চলৰ টঙাৰকুৰ নামেৰে গাঁৱত বছৰি এই উৎসৱ সমাৰোহেৰে সম্পন্ন কৰা হয়।

এই উছৱত আইসকলে আগভাগ লয় আৰু ইয়াত তিৰোতাৰ একচেতীয়া কৰ্ত্তৃত্ব বুলি কব পাৰি। গাঁৱৰ তথা দেশৰ ভৱিষ্যৎ বংশধৰসকলৰ মঙ্গল-কামনা কৰাটোৱেই এই উছৱৰ মুখ্য উদ্দেশ্য। ইয়াক নেপাতিলে দেশত অপায়-অমঙ্গল হয় বুলি লোকবিশ্বাস এটি চলি আহিছে। উছৱটো এদিনীয়াকৈ পালন কৰা হয়। বহাগ মাহৰ ছদিন যোৱাত সেই উছৱৰ দিন পৰে। সেই দিনা সন্ধিয়া সেই উছৱ সম্পন্ন কৰা হয়। উছৱ উপলক্ষে গাঁৱৰ সকলো তিৰোতাই সমূহীয়া-ভাবে বৰঙণি তুলি ৰঙা, কলা আৰু হালধীয়া ৰঙৰ সূতা কিনে। পূৰ্ব্বতে দৰাঘৰ আৰু কইনাঘৰ বেলেগ বেলেগ আছিল। আজিকালি একে ঘৰতেই দৰা-কইনা সাজে। এই পুতলাবোৰ নতুন উলুখেৰৰ দ্বাৰাই সজা হয়। ওপৰত উল্লেখ কৰা সূতা এই পুতলাবোৰত মেৰোৱা হয়। ইয়াৰ কাৰণ কি কব পৰা নেযায়। দৰাৰ গাত ৰঙা আৰু কইনাৰ গাত হালধীয়া ( ক'লা ) সূতা বেছিকৈ মেৰোৱা হয়। সাধাৰণতে দৰা পুতলাবোৰ ওখই ৫।৬ ইঞ্চিমান, বেৰ ডেৰ ইঞ্চিমান-আৰু কইনা পুতলাবোৰ ৪।৫ ইঞ্চিমান ওখ আৰু বেৰ চোৱা ইঞ্চিমান কৈ সজোৱা হয। ইয়াৰ উপৰিও সমাজৰ কালৰ পৰা মুখ্যকৈ এযোৰা

থাকে এই যোৰা দৰা-কইনা সাধাৰণতকৈ ভাওৰ দীঘল কৰি সজোৱা হয়। এই পুতলা দৰা-কইনা কমেও পাঁচ যোৰা হব লাগিব। সমাজৰ পৰা সজা পুতলাৰ উপৰিও মানস কৰা পুতলাও থাকে। কাৰো লৰাছোৱালীৰ অসুখবিসুখ হলে নাইবা সেই বছৰতে জীয়াৰীজনীৰ বিয়াখন হৈ গলে অহা বছৰত পুতলা এযোৰা দিম বুলি মানস কৰি থয়। সেইদৰে বাজী তিৰোতায়ো লৰাছোৱালী পাবৰ আশাৰে পুতলা মানস কৰে। ইয়াৰ সুফল পোৱাৰ দৃষ্টান্ত আৰু বিশ্বাস জনজীৱনত দেখা পোৱা যায়।

পুতলা বিয়াৰ উৎপত্তি কেনেকৈ হৈছিল সেই বিষয়ে সঠিককৈ একো কব পৰা নেযায়। এই সম্পৰ্কত বিষয়বস্তুৰ মিল থকা কাহিনী এটা শুনা যায়। এসময়ত কোনো এজন বামুণে তেওঁৰ প্ৰথম পত্নীৰ মৃত্যু হোৱাত আকৌ বিয়া কৰাই দ্বিতীয় পত্নী ঘৰলৈ আনিলে। দুয়োজনী ঘৈণীয়েকৰ ফালৰ পৰা বামুণৰ একোজনীকৈ ছোৱালী হৈছিল। তেওঁৰ প্ৰথম পত্নীৰ জীয়েকৰ নাম আছিল পুতলী। মাহীমাকৰ মুখত সেই নাম হল পুতনা। এই পুতলী বা পুতনা যেন তেজীমলাৰেই এটি নতুন সংস্কৰণ। মাহীমাকে দেখিলে যে বাছি বাছি ভাল বস্তু খুওৱা স্বত্বেও নিজৰ জীয়েকজনী দেখোন শুকাই খীণাই গৈছে অথচ ওলাওঁতে এটা খুন্দা, সোমাওঁতে এটা খোকোনা আৰু এৰা-বোটলা খায়ো দেখোন পুতনাজনী দিনে দিনে পথালিকোমোৱাৰ দৰে বাঢ়ি যাব লাগিছে। তাকে দেখি পুতলীৰ ওপৰত তেওঁৰ অত্যাচাৰো বাঢ়ে। ইফালে আকৌ সেই গাঁৱৰে ৰূপহ ডেকা এজনে পুতলীলৈ চকু দিয়া দেখি তেওঁৰ হিংসাৰ জুই দুগুণে জ্বলি উঠিল। অস্বভাৱিক ভাবেই পুতলীৰ প্ৰতি মাহীমাকৰ মৰমৰ সুৰ সলনি হল। সেই ডেকাৰ লগত পুতলীৰ বিয়া পাতিবলৈ তেওঁ মত দিলে। এদিন তেওঁ বিয়াৰ অলঙ্কাৰ বাছি আনিবলৈ পুতলীক নৈঘাটৰ ডিঙাত বৈ থকা সাউদৰ ওচৰলৈ লৈ গল। আগেয়ে পাং পাতি থোৱামতে পুতলী গৈ ভিতৰ সোমোৱাৰ লগে লগে সাউদৰ ডিঙা ভটীয়া পানীত

বিজুলী বেগেৰে ভটীয়াই যাবলৈ ধৰিলে। পুতলীয়ে চিঞৰি চিঞৰি কান্দি ডিঙাৰ ভিতৰতে অচেতন হৈ পৰি থাকিল। মাহীমাকে বুকুত এসাজ অলঙ্কাৰ বান্ধি লৈ কুটিল হাঁহি এটা মাৰি ঘৰলৈ উলটি গল।

সাউদে ঘৰলৈ নি পুতলীক বুজাইবৰাই শাঁত কৰিবলৈ চেষ্টা কৰিলে। পুতলীয়ে কিন্তু তেওঁক কথালৈ কাণ নিদি কান্দিয়েই থাকিল। সাউদৰ বাজী ঘৈণীয়েকে পুতলীক নিজৰ জীয়েকৰ দৰে আদৰি বুকুত ললে। লাহে লাহে পুতলীৰো ভুল ভাঙিল। তেওঁ সাউদসাউদনীকেই নিজৰ মাকবাপেক বুলি ভাবি ললে। সিফালেদি পুতলীৰ মনৰ মানুহ গাঁৱৰ ডেকাজনেও মাহামাকে পুতলীয়ে আত্মহত্যা কৰা বুলি কোৱা কথা একোতে বিশ্বাস নকৰিলে। বহু দিন অনাইবনাই ঘূৰি ফুৰি তেওঁ এই সাউদৰ ঘৰত ওলালগৈ। ভালদৰে চা-চিনাকি হোৱাৰ পিছত সাউদে পুতলীক তেওঁলৈকে বিয়া দিলে। তাৰ কিছু দিনৰ পিছত পুতলীৰো এজনী ছোৱালী উপজিল। এই ছোৱালীটী দেখিবলৈ মাকতকৈও বেছি ধুনীয়া হ'ল। ছোৱালী জন্ম হোৱাৰ পিছৰ পৰাই সাউদৰ বেহাবেপাৰৰো জয়জয় ময়ময় অৱস্থা হৈ পৰিল। তাকে দেখি ওচৰপাঁজৰৰ বৃদ্ধাবিলাকে ছোৱালীৰ মাক পুতলীক আই গোসাঁনী বুলিহে বিশ্বাস কৰিবলৈ ধৰিলে। আনকি কিবা মানস কৰি গোসাঁনীৰ কাষ চাপিলে সেই কামনাৰ সুফল পোৱা দেখা গ'ল। সিফালেদি পুতলীৰ দেউতাকৰ বেয়াভাবে মৃত্যু হল আৰু মাহীমাকো পাগলী হল। পুতলীয়ে খবৰ কৰি মাহীমাকক আনি সাউদৰ ঘৰতেই যত্ন কৰি ৰাখিলে। পুতলীৰ এনে বদান্যতা দেখি সমাজৰ সকলোৱে তেওঁক পাৰেমানে শলাগলে।

ওপৰৰ কাহিনীৰ নায়িকা পুতলীৰ লগত পুতলা বিয়াৰ সাদৃশ্য মন কৰিবলগীয়া। আয়ু, যশ আৰু ধনবৃদ্ধি কামনা কৰাটোৱেই পুতলা বিয়াৰ উদ্দেশ্য। ওপৰৰ কাহিনীৰ পুতলীৰ কাষ চাপি এইবোৰ পোৱা গৈছিল। সি যি নহওক পুতলা বিয়াত এগৰাকী নিঃসন্তানা ব্ৰাহ্মণ বিধৱাই দিনটো ব্ৰতত থাকি সন্ধিয়া গাঁৱৰ সকলো ভিৰোতাৰে লগ লাগি পানী

তুলিবলৈ যায়। দৰাৰ বাবে সেন্দুৰেৰে ৰঞ্জিত মাটিৰ নতুন ঘটত আৰু কইনাৰ বাবে আন এটা ঘটত পানী তোলা হয়। আচল বিয়াৰ দৰেই পানী তোলোঁতে উৰুলিজোঁকাৰ দি বিয়ানাম গোৱা হয়। পানী তোলাৰ সময়ত পানীত পইচা এটা দি তাৰ পিছত ফুল, তামোল-পাণ এযোৰ দি সেৱা কৰা হয়। তাৰ পিছত কটাৰীৰে পানীখিনি দক্ষিণৰ পৰা উত্তৰলৈ তিনিবাৰ কটা হয়। সেন্দুৰেৰে বোলোৱা, গলত এৰী সূতা মেৰোৱা আৰু মুখত পাঁচটা আমপাত থকা ঘট দুটাত পানী ভৰোৱা হয়। যথাৰীতি বিয়ানাম গাই গাই আইসকল ঘৰলৈ উভতি আহে। ইয়াৰ পিছত গাঁৱৰ ৰাজহুৱা নামঘৰৰ কাষত এটা সৰু কলপুলি পুতি দৰাবিলাকক এশাৰীত আৰু কইনাবিলাকক এশাৰীত ৰাখি প্ৰথমে ডাঙৰ যোৰা দৰাকইনাক নোওৱা হয়। কইনা-বিলাক কলপুলিবোৰৰ উত্তৰে আৰু দৰাবিলাক দক্ষিণে ৰাখি নোওৱা হয়। আচল বিয়াৰ দৰেই সাধাৰণভাবে এপোৱা ঘিউৰ হোম-যজ্ঞ হয়। পৌৰোহিত্য কৰে গাঁৱৰে বিধৱা বুঢ়ী এগৰাকীয়ে, অৱশ্যে বিয়াৰ মন্ত্ৰৰ দৰে এই বিয়াত কোনো মন্ত্ৰ উচ্চাৰণ কৰা নহয়। আয়তী-সকলৰ মাজত দুটা দল হয়। এটা কইনা আৰু এটা দৰা পক্ষৰ। এটা দলে আনটো দলৰ লগত পুতলা সজাত, যোৰানাম দিয়া আদিত প্ৰতিযোগিতা চলায়। পুতলা তৈয়াৰ কৰা গৰাকীক সাধাৰণতে প্ৰসাদ এভাগ বেছি-কৈ দি মান ধৰা হয়। অৱশেষত দৰা-কইনাক লগ লগাই কলৰ ভুৰত তুলি নৈত উটাই দিয়া হয়। এই ভুৰ সাধাৰণতে তিনিডাল কল গছেৰে সজোৱা হয়। ভুৰৰ ওপৰত কলৰ দোনাৰেই ঘৰ সাজি দিয়া হয়। সেই ঘৰৰ বাহিৰভিতৰ সেন্দুৰৰ ফোটেৰে ৰঞ্জিত কৰা হয়। তাৰ ভিতৰত ধূপধুনা, চাকিবন্তি, নৈবেদ্য-পৰমান্ন আৰু লগত এযোৰ হাঁহকণীও দিব লাগে। এনেদৰে ভুৰ উটাই দিয়াৰ পিছতহে ব্ৰত কৰা তিৰোতাগৰাকীয়ে ব্ৰত ভঙ্গ কৰিব পাৰে। উষা-পৰিণয়, হৰগৌৰী-সংবাদ আদি পুথিৰ পৰাই এই বিয়াত বিয়ানামসমূহ গোৱা হয়।

# চৌপুজা

নলবাৰী অঞ্চলৰ ধৰ্ম্মপুৰ মৌজাৰ গামাৰিমূৰী গাঁৱৰ গাতে লগাকৈ নদলা নামে এখন গাঁও আছে। গাঁওখন কৈঠালকুছি ৰেলষ্টেছনৰ পৰা দক্ষিণে তুমাইল আৰু নলবাৰীৰ পৰা পশ্চিমে এমাইল দূৰত অৱস্থিত। নদলা নামৰ উৎপত্তিৰ বিষয়ে এটি কিংবদন্তি আছে। আহোম ৰজাৰ দিনত হেনো এই ঠাইত এটা ইটাৰ হাউলি আছিল। এদিন সেই হাউলিৰ পৰা বোলে নজনী দীপলিপ কুঁৱৰী নখন সুসজ্জিত দোলাত উঠি আঁতৰৰ বস্তি এটাত সোমালগৈ। সেই দোলা কেইখন ধন-সোণ মণি-মুকুতাৰে ভৰপূৰ হৈ আছিল। ক্ষন্তেক পিছতেই কুঁৱৰী কেইগৰাকী দোলাৰে সৈতে সেই বস্তিৰ ভিতৰত অন্তৰ্দ্ধান হ'ল। তেতিয়াৰ পৰাই সেই ঠাইখনৰ নাম নদলা হ'ল। নখন দোলাৰ পৰা নদোলা আৰু নদোলাৰ পৰা নদলা হ'ল। দুশ বছৰমান পূৰ্ব্বেই কুৰুৱাবাহীৰ এজনা গোসাঁই হেনো ইয়ালৈ আহিছিল। তেওঁ মন্ত্ৰৰ প্ৰভাৱেৰে উক্ত ধন-সোণবোৰ মাটিৰ তলৰ পৰা উদ্ধাৰ কৰি গঁএগ-ৰাইজক একেৰাতিৰ ভিতৰতে সেইবোৰ লৈ যাবলৈ কৈছিল। পিছে সেই অপ্লাৰিত ধন-সোণবোৰ দেখি মানুহবিলাকে বিচূৰ্ত্তি খালে আৰু সেইবোৰ দেওলগা ধন বুলি ভয়তে কোনেও তাক হাতেৰেই নুচুলে। তেতিয়া গোসাঁয়ে সেই ধন-সোণবোৰ মন্ত্ৰৰ বলেৰে আকৌ আগৰ ঠাইতেই থৈ দিলে। এতিয়াও খাল বা পুখুৰী খান্দোতে বা হাল বাওঁতে এই গাঁৱৰ মানুহে কোনো কোনো ঠাইত সেই হাউলিৰ ইটাৰ টুকুৰা পায়।

এই নদলা গাঁৱতে কেচাইখাতীৰ থান এখন আছে। থানখন প্ৰায় চাৰি পাঁচশ বছৰৰ পুৰণি যেন অনুমান হয়। এই থানত ডাঠ শিলত কটা দুগৰাকী দেৱীৰ দুখন মূৰ্ত্তি আছে। সোঁপিনৰ মূৰ্ত্তিখন ডাঙৰ। সেইখন মঙ্গলচণ্ডীৰ মূৰ্ত্তি। তেওঁ কেচাইখাতী বা কাচাইখাতী নামে জনাজাত। দেৱীৰ আন নামবোৰ হ'ল—দুৰ্গা, কালী, ভৈৰৱী, বেতালচণ্ডী

ইত্যাদি। ডাঙৰ মূৰ্ত্তিখনৰ সোঁপিনে এখন সৰু মূৰ্ত্তি আছে। সেইখন কেচাইখাতী গোসাঁনীৰ এজনী সহচৰীৰ মূৰ্ত্তি। এই মূৰ্ত্তি দুখনৰ ডাঙৰখনৰ হাতত এখন খড়্গ লৈ থকা আৰু সৰুখনৰ হাতত এডাল গদা লৈ থকা হিচাপে শিলটোত খোদিত কৰা আছে। শিলটো দীঘলে তেৰ ফুট আৰু পুতলে এফুটমান হব। দুয়োখন মূৰ্ত্তিয়েই এতিয়াও সুস্পষ্ট হৈ জিলিকি আছে। থানখনৰ নিচেই ওচৰতে এটা সৰু পুখুৰীও আছে। পুখুৰী সহ থানৰ মাটিকালি এবিঘা একঠা। কেইবছৰমান আগলৈকে নদলা গঞাই এই মাটিৰ খাজনা দিছিল। এতিয়া খাজনা বেহাই পাইছে। নদলা থানত কোনে কেতিয়া এই দেৱীমূৰ্ত্তি স্থাপন কৰিছিল সেই কথা কোনেও সঠিককৈ কব নোৱাৰে।

আগতে এই থানত এজোপা বৃহৎ বকুল গছ আছিল। এই গছৰ গুৰিতেই দেৱীমূৰ্ত্তি স্থাপিত আছিল। কালক্ৰমত সেই বকুল-জোপা মৰিল। তাৰ ঠাইত আন বকুল এজোপা গজিল। এতিয়া এইজোপাৰ গুৰিতেই গোসাঁনীখন আছে। গোসাঁনীৰ ওপৰত কোনো মঠ বা মন্দিৰ নিৰ্ম্মাণ কৰা হোৱা নাই। গোসাঁনীয়ে বোলে মন্দিৰৰ ভিতৰত থাকিবলৈ ভাল নেপায়। মুকলি ঠাইত থাকিবলৈহে তেওঁ ভাল পায়। এই মূৰ্ত্তিৰ ওপৰেদি কিমান যে শিল-বৰষুণ, ধুমুহা-ধেৰেকনি পাৰ হৈ গৈছে! তথাপি ইয়াৰ কোনো খতিখুন হোৱা নাই। গছৰ ওপৰৰ পৰা চৰাই-চিৰিকতিবোৰে নিতৌ প্ৰতিমাখন তেনেই লেতেৰা কৰি থয়। বৰষুণৰ পানী আৰু নিয়ৰৰ টোপালবোৰ পৰিও গাত শেলুৱৈ বান্ধে। পূজা কৰিবৰ বেলিকাহে ব্ৰাহ্মণে গোসাঁনীক গা-পা ধুৱাই গাত-তেলসেন্দূৰ সানি দিয়ে। কেচাইখাইতীৰ বৰ মাহাত্ম্য থকা বুলি মানুহৰ বিশ্বাস। এই থানত যাৰ যি মনৰ কামনা সি অতি শীঘ্ৰেই পূৰণ হয় বুলি মানুহে বিশ্বাস কৰে। মাথোন অভিলাষ পূৰণৰ বাবে গোসাঁনীলৈ বলি-বিধান আগবঢ়াব লাগে।

প্ৰতি বছৰেই বহাগৰ যি কোনো এটি পবিত্ৰ দিনত নদলা গঞাই কেচাইখাইতীৰ থানত পূজা দিয়ে। এই পূজাৰ নাম চৌপূজা। পূজা

কৰিবলৈ পদুম ফুলৰ নিতান্ত আৱশ্যক। সেই দিনা দেৱীমূৰ্ত্তিৰ অনতিদূৰত পাঁচডাল কলগছেৰে এখন ভুৰ সজাই তাৰ ওপৰত কলপটুৱাৰে 'মজু' এটি তৈয়াৰ কৰা হয়। মজুৰ অৰ্থ জমা বা মজুত। মজুৰ গুৰিডোখৰ ঘূৰণীয়া আৰু বহল। ই ক্ৰমে ওপৰলৈ চিঞা। দেখাত দ'ল, মঠ অথবা কলডিলৰ আগভাগৰ নিচিনা। ইয়াৰ এখন দুৱাৰমুখ থাকে। মজুটোৰ গাত সেন্দুৰেৰে নানা বিধ লতা আৰু ফুলৰ চিত্ৰ অঁকা হয় আৰু ইয়াৰ চাৰিফালে চাৰিটা পাঁচ-ছফুটমান ওখকৈ বাঁহৰ আগ পুতি দিয়া হয়। কামৰূপত এই বাঁহৰ আগকেইটিক বোলা হয় 'চাট'। প্ৰত্যেকডাল বাঁহৰ আগত নানা বিধৰ ফুলৰ মালা কেইধাৰিমান ওলোমাই দিয়া হয়। মজুটোৰ একেবাৰে শীৰ্ষবিন্দুত আৰু ভুৰখনৰ ওপৰত ঠায়ে ঠায়ে কলপুলিৰ এবেগেতমান দীঘল সৰু টুকুৰা কেইডোখৰমান ওপৰৰ পিনে জোঙাকৈ কাটি সেন্দুৰেৰে ৰাঙলী কৰি বাঁহৰ শলাৰে পুতি দিয়া হয়। টুকুৰাবোৰৰ কোনোটোত পদুম ফুল আৰু কোনোটোত ধূপ পুতি দিয়া হয়। পূজাৰ আৰম্ভণিতেই মজুটোৰ ভিতৰত পাঁচখন ঠগী বা নৈবেদ্য দিয়া হয়। তাৰ পিছত থোৱা হয় এযোৰ হাঁহকণী, এৰাঁ গাখীৰ, জহাচাউল আৰু চেনিৰে ৰন্ধা ভোগ। ভিন্ ভিন্ পাত্ৰত থোৱা হয় ঘিউ, মৌ, চেনি, দৈ আৰু এৰাঁ গাখীৰ। ষোলটা এৰাঁলাক, ৯টা পইচা, ৯ পাত পাণ আৰু এটা কুমাৰৰ চৰুত জহা-চাউল, মাহ, আলু, লোণ, তেল আদিৰ সিধা এটাও ভিতৰতেই থোৱা হয়। মিঠাতেলৰ চাকি আৰু ধূপধূনাও ভিতৰত জ্বলাই দিয়া হয়। এই মজুটোকেই বোলা হয় 'চৌ'। মজুৰ ভিতৰত পূজাৰ আৰম্ভণিতে পাঁচখন নৈবেদ্য দিয়াৰ পিছত গঞাৰ গোসাঁইঘৰত পূজা, হোম আদি সম্পন্ন কৰা হয়। ইয়াৰ পিছতহে মজুৰ ভিতৰত অন্যান্য বস্তুবোৰ থোৱা হয়। চৌটো আৱশ্যকীয় বস্তুৰে ভৰপূৰ কৰাৰ পিছতে কেচাইখাইতী গোসাঁনীৰ আগত অসংখ্য পঠা ছাগলী, হাঁহ আৰু পাৰ বলি দিয়া হয়। বলিৰ অন্তত পুৰোহিতে বিধিমতে ভুৰখন উছৰ্গা কৰে। ভুৰখন দুডাল বাঁহত ভালদৰে বান্ধি চাৰিজন মানুহে কান্ধত লৈ নৈত

উটাবলৈ নিয়ে। ইয়াৰ পাছে পাছে অসংখ্য মতা মানুহে ভোৰতাল, খোল, শঙ্খ ঘণ্টা ৰৰকাঁহ আদি বজাই নাম-কীৰ্ত্তন কৰি যায়। ঢুলীয়াই ঢোল, কালিয়াই কালি বজায়। ওজাপালিয়ে খুটিতাল বজাই নানা পদ গায়। তিৰোতাসকলেও গীত-পদ গাই গাই নৈৰ ঘাটলৈকে চৌটোক আগবঢ়াই থয়। তাৰ পিছত বুঢ়াদিয়া নৈত ভুৰখন উটুৱাই দিয়া হয়। এই চৌপূজা দিনতেই সম্পন্ন কৰা হয়।

আগতে কেৱল নদলা গঞাৰ মাজতহে চৌপূজাৰ প্ৰচলন আছিল। আজি আঠ-দহ বছৰৰ আগৰ পৰা এই পূজা ব্যাপকভাৱে চলিছে। দহ-বাৰ মাইল দূৰৈৰ পৰাও অগণন পুৰুষ-তিৰোতা আহি সেই দিনা দেৱীৰ আগত পঠা হাঁহ আৰু পাৰ উছৰ্গা কৰে। বলি কটাৰ সময়ত মানুহৰ ইমান ভিৰ হয় যে তেতিয়া গোসাঁনী সেৱা কৰিবলৈ জনতাৰ মাজেদি বাট উলিয়াবই নোৱাৰি। আজিকালি পূজাৰ দিনাখন ৰাতি যাত্ৰাভিনয়ো হয়। পূজাৰ জাকজমকতাও ক্ৰমে বৃদ্ধি পাইছে। চৌপূজাৰ বাহিৰেও মাজেসময়ে গোটেই বছৰতেই শনিবাৰ নাইবা মঙ্গলবাৰে এই থানত কোনো কোনো লোকে পূজা আৰু বলি দিয়ে।

কেচাইখাইতীৰ থানৰ এলেকাৰ ভিতৰতেই জগন্নাথৰ মন্দিৰ এটাও আছে। পূৰ্ব্বতে ঘৰটো খেৰৰ আছিল। এতিয়া ইয়াক টিনেৰে ঢুটুপীয়াকৈ সজোৱা হৈছে। কেচাইখাইতীৰ মূৰ্ত্তিৰ পৰা ইয়ালৈ তিনি নলমান দূৰ। জগন্নাথ গোসাঁইৰো বৰ মাহাত্ম্য। সাধাৰণ লোকে অশুচি গাৰে গোসাঁইঘৰত প্ৰৱেশ কৰিবলৈ আজিও ভয় কৰে। চৌপূজাৰ দিনাখন জগন্নাথৰ মন্দিৰত পূজা-হোম, নাম-কীৰ্ত্তন আদি হলেও কেচাই-খাইতীৰ পূজাৰ লগত এই পূজাৰ কোনো সম্পৰ্ক নাই।

# বাথৌ আৰু খেৰাই পূজা

ঊৰ্দ্ধত অভ্ৰভেদী হিমালয়ৰ অত্যুঙ্গ গিৰিশৃঙ্গ, মধ্যভাগত বন্ধুৰ গিৰিমালা আৰু পাদদেশত খৰস্ৰোতা সোণকোষ আৰু কলনদী মানসৰ মধ্যৱৰ্ত্তী নিবিড় ঘন বননি আৰু বিস্তীৰ্ণ প্ৰান্তৰ। ইয়াতেই পুণ্যসলিলা আই পাৰ্ব্বতী, চাম্‌ফুৰ (চম্পামতী), গৌৰাঙ্গ, চামুখা, সৰমাং (সৰলভাঙ্গা) আৰু গঙ্গীয়া নৈ অজস্ৰ জলধাৰা বুকুত লৈ এতিয়াও বৈ আছে। স্বচ্ছসলিলা এই বেগৱতী নৈবিলাকৰ কুলুধ্বনি, বন্যহস্তীৰ কলৰব, বিচিত্ৰ বিহগকুলৰ মধুৰ কুজন আৰু ময়ুৰ-ময়ূৰীৰ কেকাৰবত এই ঠাইডোখৰ মুখৰিত হৈ থাকে। এই ঠাইত আছে বনৰীয়া গাহৰি, বনৰীয়া মহ, বনৰীয়া হাতী, বিচিত্ৰ ৰকমৰ বিবিধ ধৰণৰ হৰিণা পহু, গড়, বিবিধ চৰাই আৰু অগণিত ময়ুৰ-ময়ূৰী। বননিত চম্পা, বনচোম, গন্ধসৰৈ, আমাৰি, গমাৰী, নাহৰ, শাল ইত্যাদি বিবিধ ৰকমৰ অতি সুন্দৰ আৰু মূল্যৱান গছগছনি ভৰি আছে। প্ৰাকৃতিক সৌন্দৰ্য্য আৰু বনজ সম্পদত এই ঠাইডোখৰ সঁচাকৈ অসম ৰাজ্যৰ ভিতৰত অতুলনীয়। অতীজত এই ৰমণীয় ঠাইডোখৰ অকল বড়ো সন্তানসকলৰ দ্বাৰাই অধ্যুষিত আছিল। বড়ো সন্তানসকলৰ গুচৰত এই মানাহ আৰু আই নদী গঙ্গা-যমুনাৰ দৰে পৰম পৱিত্ৰ। এই দুই নদীৰ পুণ্য সলিলত অৱগাহন কৰি বড়োসন্তানসকল কৃতাৰ্থ হৈছিল। বড়ো কুলবালাসকলে এই দুই নদীৰ পাৰে পাৰে গীতকণ্ঠে ৰংমনে বননিজাত শাক আহৰণ কৰিছিল আৰু এই দুই নৈত ৰংমনে নিৰ্দ্দোষ জলকেলি কৰি অসীম তৃপ্তি লাভ কৰিছিল। এই দুই নদীৰ তটভূমি বড়োজাতীয় গৰখীয়াসকলৰ মধুৰ বংশীৰৱত সদায় মুখৰিত হৈছিল। বড়ো সন্তানসকলে ধনে-ধানে, কৃষি-শিল্পে আৰু ঐশ্বৰ্য্যবিভৱে অতাৱ সমৃদ্ধিশালী আছিল।

এয়ে অমিতবিক্ৰম কোচৰজাসকলৰ আদিপুৰুষ দাম্বাম্ব মেচ (বড়ো) হাওৰীয়া মেচৰ (বড়ো) আদি পৱিত্ৰ পীঠস্থান ;—

যাৰ সীমা আছিল—"পূৰ্ব্বত মানাহ, সঙ্কোষ পশ্চিমত।
উত্তৰে ধৱলগিৰি, দক্ষিণে লৌহিত্য॥"

এই ঠাইতেই হাওবীয়া মেচৰ (বড়ো) হৰভক্তিপৰায়ণা সতী ভাৰ্য্যা হীৰা মেচনীৰ (বড়োনী) গৰ্ভত দেৱাদিদেৱ মহাদেৱৰ ইচ্ছা আৰু অনুকম্পাত তেওঁৰ মহাৰমণৰ ফলত কোচ ৰাজকুলতিলক মহাৰাজ বিশ্বসিংহৰ জন্ম হৈছিল। এই কোচ ৰজাৰ বংশধৰসকল আজিও জাতিত শিৱবংশী বুলি পৰিচিত। অনুমান হয় এই ৰমণীয় ঠাইখণ্ডই আছিল দেৱাদিদেৱ মহাদেৱ আৰু পাৰ্ব্বতী আইৰ বিহাৰৰ অন্যতম পৰম পৱিত্ৰ ঠাই। পুণ্যসলিলা পাৰ্ব্বতী নৈয়ে তাৰে মধুৰ স্মৃতি বুকুত লৈ আজিও বৈ আছে। বোধকৰোঁ এই ঠাইত বিহাৰ কৰি থাকোঁতে দেৱাদিদেৱ মহাদেৱে বড়ো সন্তানসকলৰ প্ৰতি দয়াপৰৱশ হৈ তেওঁলোকৰ কল্যাণৰ কাৰণে তেওঁলোকৰ মাজত নিজৰ গুহ্যতম ৰহস্য প্ৰকাশ কৰিবৰ অভিলাষ কৰি পাৰ্ব্বতী আইক সম্বোধন কৰি কৈছিল—"প্ৰিয়তমে! কি সুন্দৰ এই ঠাই! কি সুন্দৰ এই বড়ো-সন্তানসকল! প্ৰকৃতিৰ দুলাল এই বড়ো-সন্তানসকলৰ সৰল-সহজ জীৱনযাপন, সৰলতা, সত্যবাদিতা আৰু কৰ্ম্মকুশলতা দেখি মই সঁচাকৈ মুগ্ধ হৈছোঁ। শালবনত বননি শাক আহৰণৰতা ৰক্তপীতবসনা, কাঞ্চন বৰণীয়া স্বভাৱ সৰলা বড়ো কুলবালাৰ উদাস উদ্দাম সঙ্গীতধাৰাই সঁচাকৈ কেতিয়াবা মোৰ হৃদয়ত এক অপূৰ্ব্ব ভাবৰ সঞ্চাৰ কৰি দিয়ে আৰু কৰ্ম্মৰত প্ৰফুল্ল বড়োযুৱকসকলৰ সুন্দৰ আৰু সুঠাম দেহ দেখি মই পুলকিত হৈ উঠোঁ। কেতিয়াবা ভাবোঁ, মই তেওঁলোকৰ লগত মিলি যাওঁ আৰু তেওঁলোকক আপোনজন কৰি লওঁ। এই কাৰণে আমাৰ লগত তেওঁলোকৰ মধুৰ সম্বন্ধ দৃঢ়তৰ কৰি তুলিবলৈ মই ছদ্মবেশ ধাৰণ কৰি গুহ্যতম ৰহস্য তেওঁলোকৰ মাজত প্ৰকাশ কৰি দি আহিম বুলি সিদ্ধান্ত কৰিছোঁ।" জগজ্জননী পাৰ্ব্বতী আয়েও কৈছিল—"নাথ! সঁচাকৈ দেৱতাবাঞ্ছিত এই ৰমণীয় ঠাইৰ তুলনা নাই। এই ঠাইৰ বড়ো সন্তানসকলেও সৰলতা, সত্যবাদিতা, শৌৰ্য্য-বীৰ্য্য আৰু কৰ্ম্মকুশলতাত অতুলনীয়। তোমাৰ ইচ্ছা পূৰণ হওক প্ৰভু!"

এইদৰে দেৱাদিদেৱ মহাদেৱে বড়োসন্তানসকলৰ মাজত নিজৰ তত্ত্ব প্ৰকাশ কৰিবৰ অভিলাষ কৰি এদিন ৰাতি এজন বড়ো গৃহস্থৰ ঘৰৰ দুৱাৰমুখত পূৱপিনে থকা শিজু গছৰ ডালত ময়ূৰৰ ছদ্মবেশ ধাৰণ কৰি বহি থাকিল। গৃহস্থজন সন্তান-সন্ততি নথকা এজন নিষ্ঠাবান বুঢ়া। বুঢ়ীৰ প্ৰতি বুঢ়াৰ অগাধ মৰম। সদায় ৰাতিপুৱাৰ আগতে পুৱতি নিশা বুঢ়ীয়ে ধেনুদি কপাহ ধুনে আৰু পূৱপিনে থকা শিজু গছৰ তলত গাইন মাৰি তুলি ধান বানিব আৰম্ভ কৰোঁতেই শিজু গছত বহি থকা মৰা চৰায়ে অকস্মাৎ পাখি মেলি বিকট শব্দ কৰি উৰি গল। বুঢ়ীজনীয়ে এই আকস্মিক শব্দত শঙ্কিত হৈ মাটিত পৰি থকথককৈ কঁপিবলৈ ধৰিলে। সেই সময়ত বুঢ়াজনেও পথাৰলৈ হাল লৈ যাবলৈ ওলাইছিল মাত্ৰ। হঠাতে বুঢ়ীৰ এই দুৰৱস্থা দেখি বুঢ়া বৰ চিন্তিত হৈ পৰিল আৰু পথাৰলৈ নগৈ বুঢ়ীক শুশ্ৰূষা কৰিবলৈ ধৰিলে। কোনো প্ৰকাৰেই বুঢ়ীক সংজ্ঞা লাভ কৰাব নোৱাৰি বুঢ়া বৰ বিমোৰত পৰিল। এনে সময়ত এজন অচিনাকি মানুহে বুঢ়াক কড়িদি এক নিৰ্দ্দিষ্ট ঠাইত মঙ্গল চোৱাই আহিবলৈ কলে। অচিনাকি মানুহে কৈ দিয়া আৰু দেখাই দিয়ামতে কড়িদি মঙ্গল চোৱাই আহিবলৈ বুঢ়াই লৰালৰিকৈ খোজ ললে।

নিৰ্দ্দিষ্ট ঠাইত বুঢ়াই এজোপা ডাঙৰ শিজু গছৰ তলত এজন সাধু পুৰুষক দেখা পালে আৰু ভক্তিভাৱে সেৱা কৰি তেওঁক কড়িদি মঙ্গল চাই দিবলৈ কলে। সাধুজনে বুঢ়াৰ দুৰ্গতিৰ কথা সোধাত বুঢ়াই নিজৰ দুখৰ সকলো কথা কান্দিকাটি কলে। সাধু পুৰুষজনে কড়িদি মঙ্গল চোৱাৰ পিছত বুঢ়াক কলে,—"বোপা! মই তোমাৰ দুৰ্গতিৰ কথা সকলো বুজিলোঁ। তোমাৰ চিন্তা কৰিবৰ একো কাৰণ নাই। বাথৌ পাতি খেৰাই পূজা মানি ললেহে তোমাৰ বুঢ়ী ভাল হৈ উঠিব।" সাধুপুৰুষে এই বুলি কোৱাত বুঢ়াই খেৰাই পূজা দিবলৈ মান্তি হ'ল আৰু খেৰাই পূজা কেনেকৈ কৰিব লাগে সোধাত সাধুজনে পিছত দীঘল দিন আহিলে এক নিৰ্দ্দিষ্ট ঠাইত তেওঁৰ লগত দেখা কৰি খেৰাই পূজাৰ বিধিব্যৱস্থা জানি লবলৈ পৰামৰ্শ দিলে।

বুঢ়াই সাধুজনৰ পৰা বিদায় লৈ ঘৰলৈ উভতি আহি দেখে যে বুঢ়ীয়ে সংজ্ঞা লাভ কৰি সুস্থিৰ হৈ ৰীতিমতে কামকাজ কৰিবলৈ ধৰিছে। সাধুজনৰ কথাত বুঢ়াৰ বিশ্বাস জন্মিল। আজতে কি ঘটনা হৈছিল বুঢ়ীয়ে একো কব নোৱাৰে। পিছত বুঢ়াই সকলো কথা বুঢ়ীক কোৱাত বুঢ়ীয়ে বুঢ়াক যেনে তেনে খেৰাই পূজা কৰিবলৈ কলে।

এইদৰে কিছু দিন সুখশান্তিৰে সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰি যোৱাৰ পিছত দীঘল দিনৰ সময় আহিল আৰু বুঢ়ায়ো এডাল টোকোন, এটা টোপোলা লৈ গামোচাৰে ভালকৈ কঁকাল বান্ধি, মূৰত পাগুৰি মাৰি বুঢ়ীৰ পৰা বিদায় লৈ সাধুজনক লগ ধৰিবলৈ খোজ ললে। এইদৰে হাবিবননিৰ মাজে মাজে কেইবাদিনো যোৱাৰ পিছত বুঢ়াই এজোপা শিজু গছৰ তলত সেই সাধুজনক দেখা পাই আঠুকাঢ়ি সেৱা জনাই কলে—"প্ৰভু! মই আপোনাৰ দাস। মোৰ সেৱা গ্ৰহণ কৰক। আপোনাৰ গুণ বৰ্ণাব নোৱাৰি। আপোনাৰ বাক্যমতে খেৰাই পূজা মানষ কৰাৰ লগে লগে মোৰ বুঢ়ী আকৌ ভাল হৈ উঠিল। কৃতজ্ঞতাৰে সৈতে মই আপোনাক প্ৰণাম কৰিছোঁ। আপোনাৰ ইচ্ছা পূৰ্ণ হওক। এতিয়া খেৰাই পূজা কেনেকৈ কৰিব লাগে শিকাই দিলে কৃতাৰ্থ হ'ম।" সাধু পুৰুষজনে তেতিয়া ক'লে—"শুনা, শুনা মোৰ প্ৰিয় বড়োসন্তান! শুনা,—খেৰাই পূজা পাতিবলৈ হলে প্ৰথমে জৌ বা মদ তৈয়াৰ কৰিব লাগিব আৰু এই জৌ তৈয়াৰ কৰিবলৈ হলে প্ৰথমে এমাও বা বাথৰৰ বীজ বিচাৰি আনিব লাগিব।" বুঢ়াই এমাও (বাথৰৰ বীজ) ক'ত পোৱা যায় বুলি সোধাত সাধু পুৰুষজনে কলে,—"এই বাথৰৰ বীজ যতে ততে পোৱা নেযায়। তাৰ কাৰণে তুমি বহুত কষ্ট কৰি জনমানৱহীন নিবিড় অৰণ্যলৈ যাব লাগিব।" এই বুলি কৈ সাধুজনে এখন নিৰ্দ্দিষ্ট ঠাইৰ কথা বুঢ়াক গোপনে কৈ দি ক'লে—"সেই নিবিড় অৰণ্যত নানা বিধৰ ফলফুলৰ ডাঙৰ ডাঙৰ গছ আৰু তাৰ মাজত এটা বিৰাট গছৰ খোন্দ দেখিবলৈ পাবা। এই বিৰাট গছৰ খোন্দৰ ভিতৰতে তুমি সেই বাথৰৰ বীজ দেখা

পাবা। এই ধোন্দৰ চাৰিওপিনে থকা গছৰ ওপৰত নানা বিধ চৰায়ে এই বীজৰ গোন্ধ আৰু মাদকতাত মত্ত হৈ নানা ছেও ধৰি থাকে। যোৱা, তুমি সেই ঠাই বিচাৰি যোৱা আৰু বাখৰৰ বীজ আনি আকৌ এই ঠাইতে মোৰ লগত দেখা কৰিবা। মই তেতিয়া তোমাক জো কেনেকৈ তৈয়াৰ কৰিব লাগে কৈ দিম।" বুঢ়াই সাধুজনৰ পৰা বিদায় লৈ বুঢ়ীক সকলো কথা কলে আৰু এমাও (বাখৰৰ বীজ) বিচাৰি যাবলৈ সাজু হ'ল। বুঢ়াই আকৌ চাউলৰ টোপোলা, এডাল টোকোন লৈ পাগুৰি মাৰি কঁকাল বান্ধি এমাও বিচাৰি ওলাই গ'ল।

সাধু পুৰুষজনে সঙ্কেত দিয়ামতে বুঢ়াই ভীষণ অৰণ্যৰ মাজেদি অতি কষ্টেৰে খোজ কাঢ়ি গৈ সেই ঠাই বিচাৰি উলিয়ালে। বুঢ়াই ঠাইৰ সৌন্দৰ্য্য দেখি মুগ্ধ হ'ল আৰু সেই বিৰাট গছৰ ধোন্দৰ পৰা এমাওৰ বীজ উলিয়াই লৈ ঘৰমুৱা হ'ল। ঘৰলৈ উলটি অহা মাত্ৰকে বুঢ়াই বুঢ়ীক সকলো কথা কৈ সাধু পুৰুষজনক দেখা কৰিবলৈ যাত্ৰা কৰিলে।

নিৰ্দ্দিষ্ট ঠাইত সাধু পুৰুষজনক দেখা পাই বুঢ়াই সেৱা জনাই কলে,—"প্ৰভু! আপুনি কৈ দিয়া মতে বহু কষ্ট কৰি সেই বস্তুটো সংগ্ৰহ কৰি আনিলো। আপুনি কৃপা কৰি এতিয়া কেনেকৈ জো বা মদ তৈয়াৰ কৰিব লাগে কৈ দিলে কৃতাৰ্থ হম।" সাধু পুৰুষজনে বস্তুটো দেখা পাই সন্তুষ্ট হৈ কলে,—"বোপা! তুমি যে ইমান কষ্ট কৰি বস্তুটো সংগ্ৰহ কৰি আনিছা সেই বাবে মই সন্তোষ পাইছো। এতিয়া মন দি শুনি যোৱা। মদ তৈয়াৰ কৰাৰ আগতে হাফলুৰ পৰা পৱিত্ৰ মাটি, নিজৰাৰ পৰা পৱিত্ৰ পানী লৈ গোবৰেৰে সকলো ঘৰ লিপিবা। পুৰণি ক'লা হাড়ী উলিয়াই নতুন হাড়ী বহুৱাবা আৰু কাপোৰকানি যি আছে সকলো ধুইপখালি বদত মেলি দিবা। যি বাখৰৰ বীজ সংগ্ৰহ কৰি আনিছা সেই বাজৰ লগত চাউলৰ গুৰি, কঠাল আৰু আগেচিতাৰ পাত মিহলাই বাখৰ বা এমাও তৈয়াৰ কৰি লবা। তাৰ

পিছত তোমাৰ বুঢ়ীয়ে খুন্দা অকাড়ী চাউলেৰে দক্ষিণপিনে মুখ কৰি এটা নতুন ডাঙৰ চৰুত ভাত ৰান্ধিবা। ভাত ৰন্ধা হলে এখন নতুন ডাঙৰ ঘূৰণীয়া ডলাত সেই ভাত উলিয়াই লৈ তাৰ লগত দুই-তিনিটা বাখৰৰ গুৰি ভালদৰে মিহলাই দিবা। তাৰ পিছত ডাঙৰ ডাঙৰ ডলাত কলপাত দি তাৰ ওপৰত এই ভাত ৰাখি দুই তিনিদিনমান থৈ দিবা। যেতিয়া ৰস ওলাব তেতিয়া জলা (এটা ডাঙৰ মুটকী) বা ডাঙৰ মাটিৰ হাড়ীত ভৰাই ভালকৈ বান্ধি থবা। এয়ে হব আচল "গড়" বা ঘাই জৌ বা মদ। এই হাড়ীটো অতি যতনে ৰাখি থবা। তাৰ পিছত যিমান পাৰা ডাঙৰ সৰু হাড়ীত বাহিৰা জৌ ৰাখি থবা। এই গড় (বাহিৰা মদ) ৰন্ধা হৈ গলে তুমি আকৌ মোক লগ ধৰিবা। তেতিয়া মই তোমাক কেনেকৈ বাথৌ পাতি খেৰাই পূজা কৰিব লাগে সকলো দিহা দিম।" বুঢ়াই সাধুজনৰ পৰা বিদায় লৈ আহি ঘৰত বুঢ়ীক সকলো কথা কলে আৰু সাধুজনে কৈ দিয়া মতে জৌ ৰান্ধিবলৈ ধৰিলে।

এইদৰে মদ তৈয়াৰ কৰাৰ কিছুদিন পিছত বুঢ়াই আকৌ সাধুজনক লগ ধৰিবলৈ গ'ল। সাধুজনে তেতিয়া বাথৌ তত্ত্ব আৰু বাথৌ পাতি খেৰাই পূজা কেনেকৈ কৰিব লাগে সকলো কথা বিতংকৰি কৈ দিলে আৰু বাথৌ কেনেকৈ বন্দনা কৰিব লাগে তাকো শিকাই দিলে। সাধুজনে আৰু ক'লে,—"শুনা, শুনা মোৰ প্ৰিয় বড়োসন্তান শুনা। বাথৌৰ বান্ধ পাঁচোটা। শিজু গছৰ সিৰ পাঁচোটা। বড়োৰ কথা পাঁচোটা, মাজত পুতিবা শিজু গছ; সমুখত গাৰিবা তিনিটা গাছা; চাৰিওপিনে গাৰিবা নযোৰা বাঁহৰ খুটি;—খুটিত মেৰাই দিবা পাঁচোটা বাঁহৰ বন্ধন। আগ ভাগত পাতি দিবা পাঁচোটা পাত। উত্তৰপিনে বসুমতীৰ অৰ্থাৎ মাটিৰ বান্ধি লৈ যাবা দীঘল আলি আৰু ভাত গাৰি দিবা "থাংখলা" শাৰী শাৰী। খাম (মৃদঙ্গ), চিফুং (বাঁহী), জথা (কৰতাল) আৰু ঢাল-তৰোৱাল লৈ দেওধাইক ৰৰণ কৰি দেউৰী, গাভা উৎগাতাৰ দ্বাৰা প্ৰথমে জৌ অৰ্পণ কৰি বাথৌ বন্দনা

কৰিবা।” এই বুলি এটা শুভ দিন নিৰ্দ্দিষ্ট কৰি এইবিলাক সকলো ব্যৱস্থা কৰি ৰাখিবলৈ বুঢ়াক সাধুজনে নিৰ্দ্দেশ দিলে আৰু বাৰ দেৱতাক লগত লৈ স্বয়ং মহাদেৱে খেৰাই পূজা খাবলৈ আহিব বুলিও আশ্বাস দি গ'ল। বুঢ়াই গাঁৱৰ সকলোকে খেৰাইৰ সকলো লাগতিয়াল বস্তু সংগ্ৰহ কৰি নিৰ্দ্দিষ্ট দিনাখন বাথৌ পাতি খেৰাই পূজা দিবলৈ প্ৰস্তুত হ'ল। পূজাৰ দিনাখন দেৱাদিদেৱ মহাদেৱে বাৰ দেৱতাক লগত লৈ আহি বাথৌ পূজাৰ বেদীত আৱিৰ্ভূত হৈ জৌ আদি প্ৰসাদ গ্ৰহণ কৰি খেৰাই অভিনয় কৰি দেখুৱাই বড়ো সন্তানসকলক আশীৰ্ব্বাদ দি আকৌ অন্তৰ্দ্ধান হ'ল ।

এইদৰে বড়োসন্তানসকলে স্মৰণাতীত কালৰ পৰা বাথৌ পাতি খেৰাই পূজা দি প্ৰসন্নভাৱে দেৱাদিদেৱ মহাদেৱৰ পূজা-অৰ্চ্চনা কৰি আহিছে আৰু অতি উৎকৃষ্ট ধৰণৰ মদ তৈয়াৰ কৰাৰ তথ্য জানি আহিছে। এয়ে হ'ল বাথৌ আৰু খেৰাই পূজাৰ আদিকথা।

# খাছি উছৱ—নংক্ৰেম্

খাছিসকলৰ অতি পুৰণি আৰু জনপ্ৰিয় উছৱ হ'ল নংক্ৰেম। স্মৰণাতীত কালৰে পৰা এতিয়ালৈকে এই উছৱ একেদৰেই চলি আহিছে আৰু এই উছৱ সম্পৰ্কীয় ৰীতি-নীতি, লোকবিশ্বাস নাইবা নৃত্য-বাদ্যবো কোনো পৰিবৰ্ত্তন ঘটা নাই; জনসাধাৰণৰ মাজত আগৰ দৰেই ৰৈ আছে। খাছিসকলৰ মাজত ছিয়েম বুলি এটা সম্প্ৰদায় আছে। এই সম্প্ৰদায়টোৱে মেই, জুন নাইবা জুলাই মাহৰ কোনো এটি সময়ত একেলেথাৰিয়ে পাঁচদিন ধৰি এই উছৱ পাতে। খাছি ভাষাত সেই দিনকেইটাৰ নাম হ'ল পনিটিয়াহ উম্নি, ইৰেহ্‌হ লিই আৰু পিন্‌ছিং। এই উছৱত নৃত্যকে প্ৰাধান্য দিয়া হয় আৰু উছৱৰ কেইদিন নৃত্য একেৰাহে চলি থাকে। এই নৃত্যকে নংক্ৰেম নৃত্য বোলা হয়। নংক্ৰেম নৃত্যক কিছুমানে আকৌ খাইৰিম ছিয়েমসকলে পতা প'ম ব্ল্যাং বা ছাগলী বলি দিয়া অনুষ্ঠানৰ অংশ বুলিও কয়। এই নৃত্য আৰু উছৱৰ যোগেদি খাছিসকলে দেৱদেৱীক প্ৰাৰ্থনা কৰে, পূৰ্ব্বপুৰুষসকলক শ্ৰদ্ধা জনায় আৰু মানুহৰ মঙ্গল আৰু কৃষিৰ উন্নতিৰ কাৰণে পৃথিৱী আৰু প্ৰকৃতিৰ ওচৰতো মিনতি জনায়। নংক্ৰেম উছৱ নেপাতিলে মানৱ সমাজত দুৰ্দ্দিন উপস্থিত হয় বুলি খাছিসকলৰ বিশ্বাস। এতেকে দেখা যায়, হিন্দুৰ দুৰ্গাপূজা, মনসাপূজা, আইনাম আদিৰ দৰে এই উছৱটোও ধৰ্ম্ম আৰু লোকবিশ্বাসৰ ওপৰত বহু পৰিমাণে প্ৰতিষ্ঠিত। এই উছৱটোক নংক্ৰেম পূজা বুলিও জনা যায়।

ওপৰত উল্লেখ কৰা খাইৰিম খাছিসকলৰ এখনি সৰু ৰাজ্য। এই ৰাজ্যৰ ৰাজধানী স্মিতত প্ৰতি বছৰে নংক্ৰেম উছৱ পতা হয়। স্মিতৰ পৰা তিনিমাইলমান দূৰৈত নংক্ৰেম বুলি এখনি ঠাই আছে। নংক্ৰেম আগেয়ে খাইৰিম ৰাজ্যৰ ৰাজধানী আছিল। সেইহে বহুতে পুৰণি ৰাজধানী নংক্ৰেমৰ পৰা নংক্ৰেম উছৱটোৰো নাম ওলোৱা বুলি

অনুমান কৰে। জোৱাইত চিন্‌টেংসকলে যে দেইন খ্‌ল্যাম্ নামৰ এটি নৃত্য উছৱ ৰাজহুৱা হিচাপে পালন কৰে; কিন্তু এই দুয়োটা নৃত্যৰ মাজত বিৰাট ব্যৱধান। এই দুটা নৃত্যৰ উপৰিও খাছি পৰ্ব্বতৰ সৰু সৰু ৰাজ্যবোৰত ভিন ভিন নৃত্যৰ প্ৰচলন আছে কিন্তু কোনোটোৱে নংক্ৰেমৰ দৰে বিখ্যাত নহয়।

নংক্ৰেম নৃত্যৰ উৎপত্তি কেনেকৈ হ'ল সেই কথা ঠিৰাংকৈ জনা নেযায় তথাপি কিছুমানে অনুমান কৰে যে খাছি আৰু জয়ন্তীয়া ৰাজ্য এজন শাসকৰ তলত থকা সময়তে অৰ্থাৎ তালৈ বিদেশীৰ আগমন হোৱাৰ বহু কাল আগেয়ে এই নৃত্যৰ প্ৰচলন আছিল। তেওঁলোকৰ মতে উ ছিলং নামে এজন ৰজাই এই ৰাজ্য স্থাপন কৰে আৰু তেৱেঁই এই নৃত্যৰ জন্মদাতা। এই ৰজাৰ কা পাহ ছিন্‌টিউ নামে এজনী জীয়েক আছিল। আজিৰ মাইলিয়েম আৰু খাইৰিম্ ৰাজ্যৰ লোকসকল এওঁৰে হেনো উত্তৰাধিকাৰী। অৱশ্যে কিছুমানে কয় যে উ ছিলং এজন সাধুলোকহে আছিল, ৰজা নাছিল আৰু কা পাহ ছিন্‌টিউও তেওঁৰ জীয়েক নাছিল। খাছিসকলৰ প্ৰাচীন লিখিত বুৰঞ্জী নাই কাৰণে কোনটো সত্য ধৰা টান কিন্তু সি যি নহওক পিছলৈ আৰু খাছিৰাজ্য এজন শাসকৰ তলত নেথাকিল। যুগৰ প্ৰভাৱত খাছিৰাজ্য থানবান হৈ কেবাখনো সৰু সৰু ৰাজ্যত পৰিণত হ'ল। এই ৰাজ্যবোৰৰ ভিতৰত মাইলিয়েম আৰু খাইৰিম ৰাজ্য আজি কাম পাছ টিন্‌টিউৰ উত্তৰাধিকাৰী ছিয়েমসকলেই শাসন কৰে। এই খাইৰিম ৰাজ্যৰ লোকসকলেই পূৰ্ব্বপুৰুষসকলৰ দিনৰ পৰা চলি অহা নংক্ৰেম আদি নৃত্য-উছৱ পালন কৰি আহিছে।

নংক্ৰেম উছৱ আৰু তাৰ বৈশিষ্ট্য সম্পৰ্কে বুজিবলৈ হলে আমি পোনতে খাছিসকলৰ ধৰ্ম্ম আৰু গণতান্ত্ৰিক অনুষ্ঠানবোৰৰ বা পৰিষদৰ বিষয়ে অলপ জনাটো আৱশ্যক। খাছি ৰাজ্য এখন দৰবাৰ বা পৰিষদৰ দ্বাৰা শাসিত হয়। এই পৰিষদৰ সভ্যসকলক প্ৰজাসাধাৰণে নিৰ্ব্বাচিত কৰে। সভ্যসকলক খাছিভাষাত মিন্ট্ৰি বা বখ্‌ৰ বোলে। এওঁলোকে

ছিয়েমসকলৰ কোনো এজন লোকক মুখিয়াল হিচাপে বাছি লয়। এইদৰে ৰাজ্যৰ আন আন অনুষ্ঠানৰ সভ্যসকলো গণতন্ত্ৰৰ ভেটিত নিৰ্ব্বাচিত হয়: খাছিসকলৰ বিশ্বাস যে সকলো অনুষ্ঠানৰ গুৰিতে এটি ঐশ্বৰিক শক্তি নিহিত হৈ থাকে গতিকে অনুষ্ঠানবোৰক ৰক্ষা কৰিবলৈ হলে সেই শক্তিৰ প্ৰতি তথা ধৰ্ম্মৰ প্ৰতি অটল বিশ্বাস থাকিব লাগিব আৰু ইয়াৰ কাৰণেই প্ৰয়োজন হয়—নৃত্য-গীত, বলিবিধান আদি। ইয়াৰ ফলতেই নংক্ৰেম উছৱ সৃষ্টি। এই উছৱৰ আগে আগে কোনো এটা শুভ দিনত ৰজা ছিয়েমে বেতৰ আঙঠী এটা জাননী স্বৰূপে ৰাজ্যৰ প্ৰতিখন গাঁৱলৈ পঠিয়াই দিয়ে। ইয়াৰ দ্বাৰা ৰজাই উছৱ পতাৰ তাৰিখ আৰু পূজাৰ কাৰণে ছাগলী আৰু আন দ্ৰব্য আনিবলৈ আহ্বান জনায়।

উছৱৰ প্ৰথম দিনাখন ধলপুৱাতে ঢুলীয়াবোৰে ঈং ছাদ বা ৰজা ছিয়েমৰ বায়েকৰ ঘৰত ঢোল বজাই ৰাইজক মনত পেলাই দিয়ে যে সেইদিনা ৰাতিৰ পৰা তেওঁলোকৰ উছৱ আৰম্ভ হব। তাৰ পিছত ৰাতি তেওঁলোকৰ প্ৰধান পুৰোহিতজন ঈং ছাদত সোমায়। তেতিয়া ছিয়েমৰ বায়েক ছিয়েম-ছাদে পুৰোহিতক এটা লাওৰ পাতত মদ দিয়ে। পুৰোহিতে মুক্তিৰ কাৰণে ৰাজ্যৰ স্থাপনকৰ্ত্তা উ ব্লেই ছিলঙৰ নামত সেইখিনি তৰ্পণ কৰে আৰু লগতে প্ৰজাসকলক মঙলে ৰাখিবলৈ প্ৰাৰ্থনা জনায়। ইয়াৰ পিছত ছিয়েমসকলৰ প্ৰথম উত্তৰাধিকাৰিণী এই লং-ছিয়েম ৰে নামত দ্বিতীয় পাত্ৰ মদ আৰু তেওঁলোকৰ প্ৰথম মোমায়েকৰ সন্মানাৰ্থে তৃতীয় পাত্ৰ মদ তৰ্পণ আৰু লগতে পুৰোহিতে ৰাজ্যৰ লোকসকলক কুশলে ৰাখিবলৈ আটাইকেইজনক স্তুতি জনায়। ইয়াৰ পিছত ৰজা ছিয়েম পাৰিষদসকল আৰু আন আন লোকে ঈং ছাদত প্ৰৱেশ কৰে। তেতিয়া ঢুলীয়াবোৰে তেওঁলোকৰ ধৰ্ম্মপ্ৰতিষ্ঠাতা উ বিস্কোৰমৰ সন্মানাৰ্থে সুৰা তৰ্পণ কৰে আৰু তেওঁলোকক জ্ঞানশক্তি দিবলৈ ধৰ্ম্ম আৰু ছিয়েমসকলৰ সন্মান আৰু নিজ কামত ৰত ৰাখিবলৈ তেওঁক প্ৰাৰ্থনা কৰে। ইয়াৰ পিছত তেওঁলোকে বিভিন্ন তালত ঢোল বজায় আৰু লগে লগে ঈং ছাদৰ মাজৰ খৌটালীত আৰো পুণ্য স্তম্ভৰ সমুখত নাচ আৰম্ভ হয়। দ্বিতীয় দিনা ৰাতি

পৃথিৱী আৰু ধৰ্ম্মদেৱী কা ৱেই চীনছেৰ সম্মানাৰ্থে সুৰা তৰ্পণ কৰা হয়।

তৃতীয় দিনা উলেই ছিলঙৰ সম্মানাৰ্থে দিনৰ ভাগতে এটা পৱিত্ৰ টিলাত ছাগলী এটা বলি দিয়া হয়। এই পূজাত পিঠাগুৰি, মদ, তামোল আৰু ওক গছৰ পাতৰো আৱশ্যক হয়। সেইদিনাখন ৰাতি ৰাজ্যৰ বিভিন্ন গাঁৱৰ পৰা অনা ছাগলীবোৰ ৰজাক একেলগে দিয়া হয়। এই ছাগলীবোৰ পিছত বলি দিয়ে আৰু বলিৰ পিছত বাইছজন মানুহে হাতত ঢাল-তৰোৱাল আৰু চোঁৱৰ লৈ একেলগে নৃত্য কৰে। চতুৰ্থ দিনৰ উছৱ ছিয়েম সম্প্ৰদায় অৰ্থাৎ ৰাজপৰিয়ালৰ তিৰোতা আৰু পাৰিষদসকলৰ নৃত্যৰে আৰম্ভ কৰা হয়। তেওঁলোকে দোকমোকালিৰ পৰা বেলি উঠালৈকে প্ৰথমে ঈং ছাদৰ মাজৰ খোঁটালীত আৰু পিছত চোতালত নাচে। ঈং ছাদৰ পৰা নাচি যেতিয়া চোতাল পায়, তেতিয়া তেওঁলোকে ঢুলীয়াসকলৰ চাৰিওফালে নাচিবলৈ ধৰে। দিনৰ ভাগত তাত নাচিবলৈ গাঁৱৰ পৰা ডেকাগাভৰুবিলাকো আহে। তেওঁলোকে সোণ-ৰূপৰ অলঙ্কাৰ আৰু বহুমূলীয়া সাজপাৰ পৰিধান কৰে। নাচত চোঁৱৰো ব্যৱহাৰ হয়। পেঁপা তাল আৰু ঢোলৰ বাজনা চলে। এই নৃত্য পুৱা ন দহমান বজাৰ পৰা আবেলি তিনি চাৰি বজালৈ চলে। তাৰ পিছত বলি আৰম্ভ হয়। ৰাতিৰ নৃত্য এঘাৰমান বজাৰ পৰা আৰম্ভ হয়। এই নৃত্য দিনৰ নৃত্যতকৈ একেবাৰে বেলেগ। এই নৃত্যত কেৱল মতাবিলাকেহে যোগ দিয়ে। তেওঁলোকে হাতত ঢাল-তৰোৱাল আৰু মূৰত কুকুৰা চৰাইৰ কলা-বগা ৰঙৰ পাখি লয়। মাজে মাজে তেওঁলোকে তৰোৱালেৰেও যুঁজ কৰে। এই নৃত্য একেবাহে শেষ ৰাতিলৈ অৰ্থাৎ তিনি চাৰিমান বজালৈ চলে। নৃত্যৰ শেষত ছাগলী বলি আৰম্ভ হয়। পোনতে ভাবি ৰজাই অৰ্থাৎ বৰ্ত্তমান ৰজাৰ মৃত্যুৰ পিছত যিজন ৰজা হব তেওঁ বাৰটা ছাগলী নিজ হাতে বলি দিয়ে। তাৰ পিছৰ বলিবোৰ ৰাজবংশৰ আন মানুহে দিয়ে। বলিৰ সময়ত নৃত্য সাময়িকভাবে বন্ধ থাকে। বলিৰ শেষত ৰজাই যন্ত্ৰ-সঙ্গীত পৰিচালকজনৰ ( এওঁ এজন ৰাজবিষয়া ) লগত নৃত্য কৰে। পিছত কেৱল মতাসকলে নাচে। নাচ গধূলিলৈ চলে।

এই নাচত কোনো জাকজমকপূর্ণ সাজপাৰ পিন্ধা নহয়। কেৱল নাচৰ আগে আগে বজাই শৰীৰৰ তল অংশ ঢাকি থকাকৈ কঁকালত এখন কাপোৰ টানকৈ বান্ধে আৰু মূৰত পাগুৰি মাৰে। আনবিলাকেও কেৱল কঁকালত একোখন কাপোৰ মেৰিয়াই বান্ধে। অৱশ্যে বজাঘৰৰ মানুহে নাচৰ সময়ত বহুমূলীয়া সাজপাৰ পিন্ধাৰ উপৰিও জাকজমকপূর্ণ ছাতিও লোৱা দেখা যায়; এই ছাতি যি কোনো খাছিলোকে তেওঁলোকৰ মূৰৰ ওপৰত ধৰিব পাৰে।

পঞ্চম নিশাটোৱে আটাইতকৈ পৱিত্র নিশা বুলি জ্ঞান কৰা হয় কিয়নো সেই ৰাতি তেওঁলোকে সৃষ্টিকর্তা ভগৱানক প্রার্থনা জনায়। সেই দিনা খাছিসকলে তেওঁক কেৱল প্রার্থনাহে কৰে। সেই কাৰণে সেই দিনা গাঁওভুঁই সম্পূর্ণ নীৰৱে থাকে। গানবাজনা, বন্দিপিয়ানো বন্ধ ৰখা হয়। সেই দিনা ছিয়েম্ পৰিষদৰ সদস্য আৰু প্রজাসকল ঈংছাদত লগ লাগে আৰু তাৰ ভিতৰত এজনে এইদৰে ঘোষণা কৰে যে সেই দিনা কোনেও চিএৰিব, কথা কব নাইবা চলাচল কৰিব নোৱাৰিব; প্রত্যেকে নীৰৱ হৈ থাকিব লাগিব। ইয়াৰ পিছত সকলোৱে সর্ব্বশক্তিমান ভগৱানক মনতে প্রার্থনা কৰে। বজা ছিয়েমে পাগুৰিটো খুলি থৈ বেদাৰ আগত আঁঠু লয় আৰু ধনীদুখীয়া, বলীদুর্ব্বলী, মতাতিৰোতা নির্ব্বিশেষে সকলোৰে মঙ্গলৰ কাৰণে তেওঁক শক্তি আৰু দীপ্তি দিবলৈ ঈশ্বৰৰ ওচৰত প্রার্থনা জনায়। তেওঁৰ পিছত এজন বয়সিয়াল মানুহে বজা আৰু সকলো প্রজাৰে মঙ্গলৰ কাৰণে ভগৱানক স্তুতি কৰে। এই পঞ্চম দিনটোৱে খাছিসকলৰ এই মহিমামণ্ডিত নংক্রেম উছৱৰ শেষ দিন।

নংক্রেম নৃত্য ধীৰ গতিত চলে। এই নৃত্যৰ মুদ্রা কিছুমানৰ লগত অসমীয়া ওজাপালী নৃত্যৰ মুদ্রাৰ কিছু সাদৃশ্য থকা বুলি কোনো কোনোৱে কব খোজে। অৱশ্যে সেইটো নৃত্যবিশাৰদসকলৰহে বিবেচ্য। দ্বিতীয়তে নংক্রেম উছৱৰ উদ্দেশ্য আৰু সময়লৈ লক্ষ্য ৰাখি কিছুমানে ইয়াক অম্বুবাচী ব্রতৰ লগত কোনো যোগসূত্র থকা বুলিও অনুমান কৰে। নংক্রেম উছৱত খাছিসকলৰ কৃষিৰ অধিষ্ঠাত্রী দেৱী পৃথিৱীক প্রার্থনা জনোৱা

হয়। এই উছৱ হয় বাৰিষা কালত। অম্বুবাচী ব্ৰতো বাৰিষা কালত (আষাৰ মাহৰ প্ৰথম পক্ষৰ ভিতৰতে) পৃথিৱীক লৈয়ে পালন কৰা হয়। অম্বুবাচীৰ সময়ত মানুহে মাটি নেখান্দে, হাল নেবায় অৰ্থাৎ পৃথিৱীৰ ওপৰত কোনো অত্যাচাৰ নকৰে। মানুহে সেই কেইদিন বৰ পৱিত্ৰ দিন বুলি জ্ঞান কৰে। নংক্ৰেম উছৱৰো শেষ দিনটো পৱিত্ৰ দিন বুলি ধৰা হয় আৰু সেই দিনা আন একো কাম নকৰি কেৱল ঈশ্বৰক প্ৰাৰ্থনাহে কৰা হয়। এইদৰে দুয়োটাৰে মাজত কিছু সাদৃশ্য দেখা যায়। অৱশ্যে ভিতৰুৱাভাবে দুয়োটাৰে মাজত কিমান দীঘল যোগসূত্ৰ আছে সি অনুসন্ধিৎসুসকলৰহে বিচাৰ্য্য বিষয়।*

---

* এই প্ৰবন্ধটো যুগুত কৰোঁতে তলৰ ইংৰাজী প্ৰবন্ধ কেইটাৰ সহায় পোৱা হৈছিল—(১) Nangkrem Festival—By Maham Singh.

(২) Nongkrem Dance—A Linked Culture—By Jatin Goswami. Gauhati.

(৩) Nongkrem Dance—শ্ৰীনগেন্দ্ৰচন্দ্ৰ দত্ত এম-এ, ই-এ-চিৰ সৌজন্যত পোৱা।

(৪) Nongkrem Dance—By Nirupama Dutta. Shillong.

—লিখক।

# জয়ন্তীয়া উছৱ—বে দেইন খ্লাম

'বে দেইন খ্লাম' হৈছে জয়ন্তীয়াসকলৰ এটা বিশেষ জাতীয় উছৱ। প্ৰতি বছৰে জুলাই মাহত জোৱাই চহৰত তিনিদিন ধৰি অতি আড়ম্বৰেৰে এই উছৱ পালন কৰা হয়। এই উছৱত হিন্দু-সকলৰ দুৰ্গা পূজা, হোলি উৎসৱ আৰু ৰথযাত্ৰা তিনিওটাৰে সমন্বয় দেখা যায়। এই উছৱত এফালেদি আছে জাকজমকতা, ৰংধেমালি আৰু আনফালেদি আছে গভীৰ আস্থা আৰু ভক্তিৰে সৈতে কৰা বলিবিধান আৰু অন্যান্য ধৰ্ম্মমূলক আচাৰ। এই উছৱৰ অন্তৰ্নিহিত উদ্দেশ্য হৈছে দেৱতাৰ আশিসেৰে মানৱ জীৱনৰ সকলো অমঙ্গল আঁতৰাই খেতিবাতি সমৃদ্ধিৰে মানুহক সুখসমৃদ্ধ কৰা।

এই উছৱ আৰম্ভ হোৱাৰ এমাহ আগতে এগৰাকী স্ত্ৰীপুৰোহিতৰ ঘৰত পুৰোহিত আৰু স্ত্ৰীপুৰোহিতে 'দি ছো পেন' নামৰ এটা অনুষ্ঠান পাতে। এওঁলোকৰ লগত 'দলৈ', 'পাত্ৰ' আৰু 'বাচান'সকলেও যোগ দিয়ে। এই অনুষ্ঠানত দেৱতাৰ উদ্দেশ্যে সুৰাৰ তৰ্পণ কৰা হয়। পিছ দিনা ৰাতিপুৱা আটাইবোৰ বাচান স্ত্ৰীপুৰোহিতৰ ঘৰত গোট খায় আৰু চাৰিভাগত বিভক্ত হৈ গোটেই জোৱাই চহৰখনৰ চাৰিও ফালে গৈ কুকুৰা বলি দিয়ে। আন বয়সীয়া মানুহো তেওঁলোকৰ লগত যায়। তেওঁলোকে দেৱতাৰ উদ্দেশ্যে প্ৰাৰ্থনা জনায় যাতে মানুহৰ শৰীৰৰ পৰা সকলো ৰকমৰ বেমাৰ-আজাৰ আঁতৰি যায় আৰু বছৰটোলৈ যাতে সকলো মানুহে সুখসমৃদ্ধি লাভ কৰে। তাৰ পিছত সেই বলি দিয়া কুকুৰাৰ মঙহবোৰ এডোখৰ বিশেষ ঠাইলৈ অনা হয়। তাতে দলৈ আৰু পুৰোহিতো লগ লাগে। তাৰ পিছত আটায়ে স্ত্ৰী-পুৰোহিত গৰাকীৰ ঘৰলৈ গৈ এই পূজাৰ সকলো কথা কয়।

আকৌ যেতিয়া নজোন দেখা যায় তেতিয়া "কৃণিয়া পিৰ্থাত" উছৱ পালন কৰা হয়। এই উছৱ মূলতে বিজুলী-চেৰেকনিৰ দেৱতা

অৰ্থাৎ আমাৰ ইন্দ্ৰ দেৱতাৰ উদ্দেশ্যে কৰা হয়। এই উছৱত 'শিৰমাং', 'য়ালং' আৰু 'টুবেৰ' পুৰোহিতসকলে পূজাৰ কাৰণে বিশেষ গছৰ পাত, মদ আৰু ভাত জোগাৰ কৰে। এই পূজাৰ এসপ্তাহ আগতে দলৈ, বাচান আৰু পুৰোহিতসকল তেওঁলোকৰ মাকৰ ঘৰত থকাৰ নিয়ম। মৈণীয়েক বা লৰাছোৱালীৰ লগত থকা নিষেধ। তেওঁলোকে পৱিত্ৰ অন্তৰেৰে এই পূজাত যোগ দিব লাগে। ইয়াৰ অন্যথা হ'লেই দেৱতা অসন্তুষ্ট হৈ বৰষুণ আনি উছৱৰ আচল দিনটো নষ্ট কৰি দিয়ে বুলি তেওঁলোকৰ বিশ্বাস। দেও-পৰীক্ষাৰ দ্বাৰা তেনে দোষীক বিচাৰি উলিয়াই দেৱতাৰ ওচৰত ক্ষমা খোজোৱা হয়। দেৱতা সন্তুষ্ট হ'লেই বৰষুণে শাম কাটে। চহৰৰ বাহিৰত এখন বিশেষ পৰ্ব্বতৰ ওপৰত এই পূজাভাগ কৰা হয়। তাত কেউফালে শিলেৰে বেঢ়ি থোৱা এটা বিশেষ আকৃতিৰ শিল আছে। তাতেই পূজা আৰু বলি দিয়া হয়। পুৰোহিতজনে দেৱতাৰ উদ্দেশ্যে প্ৰাৰ্থনা জনায় যাতে শত্ৰুক জয় কৰিবলৈ মানুহক শক্তি দিয়ে আৰু বিপদবিঘিনিৰ সময়ত যাতে মানুহক ৰক্ষা কৰে। 'শিৰমাং', 'ইয়ালং' আৰু 'টুবেৰ' পুৰোহিত তিনিজনে দলৈ আৰু পাতৰসকলৰ মহান কৰ্ত্তব্যৰ কথা সোঁৱৰায় আৰু যাতে সকলোকে সমান ব্যৱহাৰ কৰে তাৰ বাবেও উপদেশ দিয়ে। এই পূজাৰ শেষতো স্ত্ৰীপুৰোহিতৰ ঘৰলৈ গৈ পূজাৰ সবিশেষ জনায়।

পিছ দিনা চহৰৰ বিভিন্ন অঞ্চলৰ মানুহে ৰথ সজায়। একো একোটা অঞ্চলৰ মানুহক দং বুলি কয়। প্ৰত্যেক দঙৰ কিছুমান মানুহ আকৌ 'দেইন খ্লাম' নামৰ গছ এজোপা কাটিবলৈ হাবিলৈ যায়। এই গছজোপা খুব ওখ আৰু পোন হব লাগে। 'খন ৰেইদ' নামৰ এটা বিশেষ দঙে অনা 'খনং' গছ 'দেইন খ্লাম' জোপাতকৈও ডাঙৰ। এই গছজোপা তেওঁলোকৰ মানত বৰ পৱিত্ৰ।

এই উছৱৰ শেষত তিনিদিনৰ প্ৰথম দিনা প্ৰত্যেক দঙৰ পুৰুষ-বিলাকে হাবিৰ পৰা এই গছবোৰ কঢ়িয়াই লৈ আহে। যিবোৰে গছ কঢ়িয়াবলৈ নেপায়, তেওঁলোকে ঢোল পেঁপা বজাই নাচে। জোৱাই

চহৰৰ ইয়াও মুছিয়াং নামৰ ঠাইত এই গছবোৰ এৰাতিৰ কাৰণে থোৱা হয়। পিছ দিনা প্ৰত্যেক দণ্ডৰ ৰাজহুৱা ঠাইলৈ সেইবোৰ নিয়ে। খনং নামৰ গছজোপা খন-বেইদবিলাকে নিয়াৰ আগতে কিছুমান ধৰ্ম্মমূলক আচাৰ পালন কৰা হয়। খন বেইদৰ পুৰণি অধিবাসী-সকলেহে এই খ্নং গছজোপা কটিওৱা কাৰ্য্যত ভাগ লব পাৰে। নতুনকৈ তেওঁলোকৰ মাজত বসতি কৰিবলৈ লোৱা মানুহে তাত ভাগ লব নোৱাৰে। গছবোৰ নিজ নিজ চুবুৰীত ৰাজহুৱা ঠাইত পোতে আৰু সকলোৱে মিলি তাৰ চাৰিওকাষে ঢোল-পেঁপা বজাই নাচগান কৰে। সেই দিনাই আবেলি তেনে ধৰণৰ সৰু সৰু গছ একোজোপা প্ৰত্যেক মানুহে নিজ নিজ পদূলিমুখতো পোতে।

এই উছৱৰ শেষৰ দিনা ৰাতিপুৱাই 'আইত্নাৰ' নামৰ এটা পুখুৰীৰ ওচৰত আৰু এভাগ পূজা কৰা হয়। ইয়াত উছৱৰ শেষত গছবোৰ পানীত বিসৰ্জ্জন দিয়া হয়। ইয়াতে এটা পঠাও বলি দিয়ে আৰু মানুহৰ মঙ্গলৰ অৰ্থে দেৱতাৰ ওচৰত প্ৰাৰ্থনা জনায়।

ইয়াৰ পিছত আটাইবিলাক দলৈ বাচান আৰু পাতৰ প্ৰধান স্ত্ৰীপুৰোহিতৰ ঘৰত গোট খায়। 'ইয়ং পিয়া' নামৰ এটা বিশেষ দণ্ডৰ মানুহবিলাকো আহি গোট খায়। তাতে 'কিন্তিন্ খ্নং' নামৰ এটা অনুষ্ঠান পতা হয়। তাৰ পিছত দলৈ, বাচান, পুৰোহিত আৰু গাঁৱৰ বয়োবৃদ্ধ লোকসকল চহৰৰ একো একোটা বিশেষ বংশৰ মানুহৰ ঘৰলৈ যায় আৰু স্ত্ৰীপুৰোহিতে দিয়া বাঁহৰ লাঠিৰে ঘৰৰ চালত কোবাই কোবাই দেৱতাৰ উদ্দেশ্যে প্ৰাৰ্থনা জনায় যাতে পৰিয়ালৰ আটাইকে ভূতপিশাচ, বিপদবিঘিনিৰ পৰা ৰক্ষা কৰি সুখশান্তি দিয়ে। খন বেইদ দণ্ডৰ মানুহৰ ঘৰত এইদৰে মঙ্গল কামনা কৰিবলৈ পাতৰ আৰু বাচানবিলাক যায়। তদুপৰি বাচানবিলাক প্ৰত্যেক মানুহৰ ঘৰৰ সমুখত পোতা গছবোৰ বগৰাই দিয়ে। সেই সময়তে সমূহীয়াকৈ পোতা গছবোৰো বগৰোৱা হয়।

দুপৰীয়ালৈ আগতে সজোৱা ৰথবোৰ বিসৰ্জ্জন দিবলৈ বুলি

'আইত্‌নাৰ'লৈ নিয়ে। ইয়াতে তিৰোতা আৰু ল'ৰাছোৱালীবিলাকেও ধুনীয়া সাজপাৰ পিন্ধি যোগ দিয়েহি। মতা মানুহবিলাকে নাচে আৰু গাত বোকাপানী ছটিয়াই আনন্দ কৰে। এই উৎসৱত ধনীদুখী, উচ্চ-নীচৰ ভেদাভেদ নাই। আনন্দত উত্ৰাৱল মানুহবিলাকৰ অন্তৰত থাকে পৱিত্ৰতা আৰু ঐকান্তিকতা।

ৰথবিলাক পানীত বিসৰ্জ্জন দিয়াৰ পিছত খন বেইদসকলে খ্‌নং নামৰ গছজোপা পানীৰ ওচৰলৈ আনে। এইখিনি সময়তে সকলোৱে সেই পৱিত্ৰ গছজোপা স্পৰ্শ কৰে। খ্‌নংজোপা স্পৰ্শ কৰিবলৈ পালে মঙ্গল হয় বুলি তেওঁলোকে বিশ্বাস কৰে। যাতে সোণকালে আইত্‌নাৰ নেপায়গৈ তাৰ বাবে খন বেইদসকলে খুব লাহে লাহে গছ-জোপা কঢ়িয়াই আনে। ইফালে পুখুৰীৰ পাৰত মানুহবিলাকে সেই পৱিত্ৰ গছজোপাৰ স্পৰ্শ পাবলৈ উদ্‌গ্ৰীৱ হৈ বৈ থাকে। এইখিনি সময়ত মানুহৰ ঠেলাহেচা, হেতাওপৰাত ক'ৰ মানুহ কলৈ যায় তাৰ ঠিকনা নাইকিয়া হয়। আন সময়ত হোৱা হ'লে হয়তো মৰামৰি কটাকটিয়েই লাগিলহেতেন, কিন্তু এই দিনটোত কোনেও কাৰো প্ৰতি বিদ্বেষ ভাব মনত নেৰাখে। আন্তৰিক ভক্তি আৰু আনন্দৰ আতিশয্যত আন সকলো কথা তেওঁলোকে পাহৰি যায়। এই দিনটোত আন সকলো কথা আৰু দুৰ্ঘটনাৰ পৰা মানুহক:যেনিবা ভগৱানৰ অদৃশ্য প্ৰভাৱেহে ৰক্ষা কৰে। ইয়াৰ পিছত আবেলি আটাইবিলাক মানুহে দত্‌লা বা কৰ নামৰ উছৱত যোগ দিবলৈ আন এডোখৰ ঠাইলৈ যায়। তাত কাঠ এটুকুৰাৰে ফুটবল খেলাৰ দৰে এবিধ খেল খেলা হয়। দেৱতাসকল সন্তুষ্ট হৈ যাতে খেতিপথাৰ শস্যেৰে ভৰপূৰ কৰি তোলে তাৰ বাবেই এই খেল পতা হয়। ইয়াৰ পিছত এজন বাচানে 'খ্‌লু লেংদো' নামৰ পৱিত্ৰ উদ্যানত এটা কুকুৰা বলি দি উছৱৰ সামৰণি মাৰে।

এয়েই জয়ন্তীয়াসকলৰ বে দেইন খ্‌লাম উছৱ।

---

# গাৰো উচ্চ—ৰ্যাংগালা

প্ৰকৃতি উপাসক গাৰো-জনজাতীয় লোকসকল অসমৰ পশ্চিমপ্ৰান্তত থকা গাৰো পৰ্ব্বত জিলাৰ অধিবাসী। আয়তনত এই জিলাখন ৩,১৬০.৬ বৰ্গ মাইল। 'গাৰো' তেওঁলোকৰ কথিত আৰু বৰ্ত্তমান লিখিত উপভাষা। নিজৰ মাত কথাত তেওঁবিলাক আছিক-মাণ্ডে নামেৰে জনাজাত। আছিক শব্দৰ অৰ্থ পৰ্ব্বতীয়া আৰু মাণ্ডে শব্দৰ অৰ্থ মানুহ। এই অৰ্থমতে এওঁলোক পৰ্ব্বতত থকা মানুহ। খাছি-জয়ন্তীয়া লোকসকলৰ নিচিনাকৈ গাৰোসকলো মাতৃপক্ষ অবলম্বনকাৰী জাতি। বিয়াৰ পিছত পুৰুষসকল তেওঁলোকে বিয়া কৰোৱা তিৰোতাৰ ঘৰলৈ যাব লাগে। কিন্তু সেই বুলি তেওঁলোকৰ স্বকীয় সমাজ-ব্যৱস্থাই পুৰুষৰ অধিকাৰ আৰু কতৃত্ব ক্ষুণ্ণ নকৰে। গাৰোসকলৰ বহুতে খৃষ্টান ধৰ্ম্ম লৈছে। খৃষ্টান ধৰ্ম্ম নো লোৱা গাৰোসকলক 'সংসাৰেক' নামেৰে জনা যায়। সংসাৰেক গাৰোসকলৰ মাজত শিক্ষাৰ পোহৰ বৰকৈ পৰা নাই আৰু এওঁলোক ঘাইকৈ গাৰো পৰ্ব্বতৰ ভিতৰুৱা অঞ্চলবোৰৰ অধিবাসী। সেই কাৰণে এইসকল গাৰোলোকে তেওঁলোকৰ স্বকীয়া নিজস্ব পুৰণি কৃষ্টি সজীৱ কৰি ৰাখিবলৈ সক্ষম হৈছে। আজিও যেন এওঁলোকে প্ৰকৃতিৰ সপোন ৰাজ্যৰ মাজত জীৱন যাপন কৰি আছে। গাৰো পৰ্ব্বতৰ পাতল বসতি-পূৰ্ণ গাঁওবোৰৰ ভিতৰলৈ সোমাই গলে আভাস পোৱা যায়—কিমান নিৰালম্ব এই লোকসকলৰ থকা ঠাইবোৰ, প্ৰকৃতিৰ নীৰৱ অৰণ্যৰ মাজত কিমান নিবিড়ভাবে বাস কৰে তেওঁলোকে। খৃষ্টান গাৰো-সকলে কিন্তু সেইখন সপোনপুৰীৰ পৰা লাহে লাহে আঁতৰি আহিছে।

গাৰোসকলক যেন প্ৰকৃতিৰ লীলায়িত স্বপ্নমাধুৰীয়ে নিজৰ বিপুল গৌৰৱ আৰু আকৰ্ষণেৰে নিজৰ বুকুৰ মাজত আঁকোৱালি ধৰি ৰাখিছে। প্ৰতিজোপা জোপোহা বনে, প্ৰতিটো জান-জুৰিয়ে, প্ৰতিটো পৰ্ব্বতৰ শৃঙ্গই সৌন্দৰ্য্যৰ অনুপ্ৰেৰণাৰে, সঙ্গীতৰ লহৰেৰে, হাঁহিৰ মৃদু মাদকতাৰে

যেন আমন্ত্ৰণ জনাইছে নিজৰ গৌৰৱমণ্ডিত বুকুত বাস কৰা গাৰো সন্তানসকলক। সঁচাকৈ প্ৰকৃতিৰ লীলাভূমি এই গাৰোপৰ্ব্বত। নিৰ্জ্জনতা এই পৰ্ব্বতৰ আবেশময়ী বৈশিষ্ট্য। সমগ্ৰ পৰ্ব্বতখনেই ওখ-চাপৰ টিঙেৰে এখন মনোৰম চিত্ৰ। ৫,৬৫২ ফুট ওখ নক্ৰেক্‌টিং আৰু ১,৩০০ ফুট ওখ জিলাৰ সদৰ তুৰা চহৰৰ উচ্চতা বিচাৰি চালেই এই কথাৰ আভাস পোৱা যায়। ইয়াৰ অন্তৰবৰ্ত্তী অনেক শৃঙ্গ, অনেক সৰুসুৰা পৰ্ব্বতে আগুৰি আছে সমগ্ৰ গাৰো পৰ্ব্বতখন। কৈলাস, আৰবেল্লা, বাল্‌পাক্ৰাম, মেগাম্ আদি পৰ্ব্বতবোৰ উল্লেখযোগ্য। তাতোকৈ উল্লেখযোগ্য ইয়াৰ গছগছনিবোৰ কিয়নো এইবোৰৰ বৰণ কেৱল সেউজীয়া বা ঘন সেউজীয়াই নহয়; ৰঙা, নীলা, হালধীয়া আদি নানা বৰণৰ ৰামধনুবৰণীয়া সংমিশ্ৰণ তাত দেখা যায়। আঁতৰৰ পৰা লক্ষ্য কৰিলে এনে অনুমান হয় যেন কোনোবা ৰূপশিল্পীয়ে এখন চিত্ৰ আঁকিবলৈ ৰঙৰ প্ৰথম বোল দিছে মাথোন। পৰ্ব্বতবোৰৰ মাজে মাজে আছে কিছুমান আচৰিত ধৰণৰ সৌন্দৰ্য্যপূৰ্ণ গুহা। ডোবাকোল (বাদুলীৰ গুহা) সেইবোৰ গুহাৰ ভিতৰত অন্যতম। হেজাৰবিজাৰ বাদুলীৰে ভৰপূৰ এই গুহাটো যেন বাদুলীৰ এখন চিৰন্তন বাসভৱন। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰশ বিচাৰি এই পৰ্ব্বত-বোৰৰ পৰা সগৌৰৱে ওলাই আহিছে কেবাখনো নৈ আৰু কেবাটাও জুৰি। মাণ্ডা (দুধনৈ), ডামৰিং (কৃষ্ণাই), চিম্‌চাং (সোমেশ্বৰী), ভিড্ৰাম (জিনাৰী), জিঞ্জিৰাম, ডোগাই, নিতাই, গানোল, কালো আদি দুয়োপাৰ সৌন্দৰ্য্যৰঞ্জিত বননিৰে ঢাকখোৱা প্ৰকৃতিজীয়াৰী নৈ আৰু বিংৰে, বংকং আদি জুৰিবোৰ যেন বীণাবাদিনী একোজনী দেৱকন্যাহে। এই নৈ-নিজৰাৰ পাৰৰ বনভূমিবোৰ বনবিহাৰৰ অফুৰন্ত কেন্দ্ৰ। বংডক, ডিব্ৰাং, চিজু আদি একোটি চিৰপ্ৰৱাহিত জলপ্ৰপাত। এই পৰ্ব্বত, নৈ, নিজৰা আদিৰ আলেঙে আলেঙে আছে একোখনি সুবিশাল অটব্য অৰণ্য, সুন্দৰ সুবিশাল সুপ্ৰাচীন গছগছনিৰে পৰিপূৰ্ণ যেন একোখনি ঋষিৰ আশ্ৰমহে। বংবেংগিৰি (১৪ বৰ্গমাইল), বাঘমৰা (১৭ বৰ্গমাইল) আদি

মহাঅৰণ্য সেইবোৰৰ ভিতৰত উল্লেখযোগ্য। এই বিবিধ জাতীয় গছগছনিৰে ভৰপূৰ সুমহান বননিবোৰ, হাতী, মহ, বাঘ, ভালুক, পহু, বান্দৰ, বনছাগলী, বনগৰু, বাংকুকুৰ আদি বিবিধ বনবীয়া জন্তুৰ আবাসভূমি।

এই হেন প্ৰকৃতিৰ গৌৰৱময় সৌন্দৰ্য্য মহত্বৰ মাজত জীৱন-যাপন কৰা গাৰো জনজাতীয় ভাইভনীসকল লীলাময়ী প্ৰকৃতিৰ উপাসক হোৱাটো স্বাভাৱিক কথা। সকলো বাহ্যিক যান্ত্ৰিক কোলাহলৰ পৰা আঁতৰত থাকি কেৱল মাথোন প্ৰকৃতিৰ কলকণ্ঠেৰে পৰিপুষ্ট হোৱা গাৰোসকল নিশ্চয় প্ৰকৃতিৰ গীতেৰে তন্ময় হৈ পৰিবই। তেওঁবিলাকৰ অতিকৈ প্ৰিয় 'গোছেৰং' গীত তাৰেই নিদৰ্শন এক স্বৰ্গীয়া বন্দনা। ইফালে আকৌ গাৰোসকল কৃষিজীৱী। প্ৰকৃতিৰ পৰাই তেজ লৈ তেওঁলোকে খেতিবাতি কৰে। যান্ত্ৰিক খেতিৰ কোনো আঁচেই তাত দেখিবলৈ পোৱা নেযায়। মতাতিৰোতা সকলোৱে পথাৰত সমানে পৰিশ্ৰম কৰে, শস্যৰ সৃষ্টি আৰু ৰক্ষাৰ বাবে যত্ন কৰে। তেওঁলোকে ভাবে ঘৰুৱা জীৱনত মুনিহতিৰোতাৰ যেনে ওচৰ সম্বন্ধ, খেতিৰ পথাৰতো সিমানেই। একেখনি পথাৰতে তেওঁলোকে ধান, কণীধান, আলু, কচু, আদা, জলকীয়া, মাটিকঠাল আদি সকলো খেতিকেই ধৰে। খেতিত উৎপন্ন হোৱা শস্যসমূহ প্ৰকৃতি মাতৃয়ে নিজৰ সন্তানসকললৈ আগবঢ়োৱা খাদ্যসম্ভাৰ বুলি তেওঁলোকে সৰল মনেৰে বিশ্বাস কৰে। বৰ পৱিত্ৰ মনেৰে ইয়াক তেওঁলোকে গ্ৰহণ কৰে, মাতৃপূজাৰ আয়োজন কৰে—প্ৰকৃতি দেৱীৰ প্ৰতি থকা অনুপম-উদাৰ ভক্তিৰ পৰাই লৈ চাৰিটা। বিভিন্ন আনন্দমুখৰ ঋতুত চাৰিটা বিভিন্ন উছৱৰ মাজেদি। এই উছৱ কেইটা মুখ্যভাবে যদিও খেতিৰ উছৱ, গৌণভাবে এইবোৰ প্ৰকৃতিৰ অৰ্চনাৰ উছৱহে বুলি কব পাৰি। এই উছৱত মানি চলা ৰীতি-নীতি, অৰ্চনা-পদ্ধতি আৰু বন্দনা গীতবোৰেই এই কথাৰ প্ৰমাণ দিয়ে। এই উছৱবোৰৰ প্ৰধান তাৎপৰ্য্য হল মাতৃৰ বন্দনা, বিভিন্ন শক্তিসম্পন্ন দেৱদেৱীৰ গুণানুকীৰ্ত্তন, জীয়াই থকাৰ চৰম তৃপ্তি আৰু

জীৱনৰ, যৌৱনৰ, মিলনৰ অকুণ্ঠ আবেগ। প্ৰকৃতিয়ে নৃত্যগীত আৰু হাস্যলাস্যৰ মাজেদি ঢালি দিয়া আনন্দৰ ধল গাৰোসকলৰ মনৰ স্ৰোতস্বিনী নৈত ঢৌ খেলি খেলি উপচি পৰে এই উছৱসমূহৰ আনন্দৰ সীমাহীন মহাসাগৰত।

এই উছৱ কেইটা হল—'আগালমাকা—আচিৰোকা', 'ৰংচুগালা', 'জামেগাপা—আহা-উ-আ' আৰু 'ৱাংগালা'। 'আগালমাকা-আচিৰোকা' বসন্তকালৰ কৃষি-উছৱ। এই উছৱত গাৰোসকলে তেওঁলোকৰ বৰুণ দেৱতা 'আগালমাকা' আৰু শত্ৰুবিনাশৰ দেৱতা 'আচিৰোকা'ক পূজা দিয়ে আৰু তাৰ দ্বাৰা প্ৰকৃতি মাতৃৰ গৰ্ভত নতুন শস্য গজালিৰ কামনা কৰে। বন্দনা গীত গায়, নৃত্য কৰে। বাৰিষাৰ শেষত সুস্বাদু শস্যৰ কামনা কৰি নৃত্যগীতৰ ঝঙ্কাৰেৰে আয়োজন কৰে ৰংচুগালা উছৱৰ। তাৰ পিছতে গাৰোসকলে পালন কৰে শৰতকালৰ খেতি-চপোৱা উছৱ 'জামেগাপা-আহা-উ-আ'। ইয়াৰ পিছতে আহে পথাৰৰ খেতি চপাই শস্য লাভ কৰি, সন্তান লাভ কৰি পিতৃ-মাতৃ আনন্দত মতলীয়া হোৱাৰ নিচিনাকৈ আনন্দত উৎফুল্ল হোৱাৰ সময়। সেই আনন্দৰে অফুৰন্ত খলকনি দিগদিগন্তত ধ্বনিত প্ৰতিধ্বনিত হৈ উঠে হেমন্তকালৰ আকাশবতাহ মুখৰিত কৰা 'ৱাংগালা' উছৱত। এই ৱাংগালা উছৱকেই গাৰোসকলৰ উছৱৰ ৰাণী আখ্যা দিব পাৰি।

ৱাংগালা গাৰো জীৱনৰ শেহতীয়া অথচ শ্ৰেষ্ঠতম উছৱ। সেই-বাবেই এই উছৱ তেওঁলোকৰ উছৱৰ ৰাণী। ৰঙালী বিহুৱে যেনেকৈ অসমীয়া জাতীয় জীৱনৰ আনন্দ আহ্লাদৰ মানদণ্ড নিৰূপণ কৰে সেইদৰেই গাৰোসকলৰ জাতীয় জীৱনৰ ৰহঘৰা সৃষ্টি কৰি ৰোগ-তাপ-শোকে জৰ্জ্জৰিত কৰি তোলা এই মানৱ জীৱনৰ দীনেকীয়া দুখব্যথা পাহৰি পেলাবলৈ সুবিধা দি আনন্দত আপোনপাহৰা কৰি তোলে এই ৱাংগালা উছৱে। স্বৰূপতে ৱাংগালা হৈছে বোৱতী বছৰৰ খেতি নাইবা প্ৰকৃতিৰ ফল গ্ৰহণ আৰু ন বছৰৰ কেঁচা সেউজীয়া প্ৰকৃতিয়ে সগৌৰৱে পৃথিৱীৰ বুকুলৈ নামি অহা আগমুহূৰ্ত্তৰ সম্ভাষণৰ নিমিত্তে নতুন তোৰণ সজাৰ

পৰিকল্পনাৰ উছৱ। তাৰ চিন স্বৰূপে খেতিয়ক বাইজে আগৰ বছৰৰ শস্যৰ আহাৰ পোনপ্ৰথম বাৰৰ বাবে ব্যৱহাৰ কৰে। পৃথিৱীৰ অমংগলীয়া আৱৰ্জনাবোৰ এই উছৱতেই তেওঁলোকে পুৰি কণকঠীয়া মাৰিবলৈ চেষ্টা কৰে। দৰাচলতে ই গাৰোসকলৰ ন খোৱা উছৱ, খেতিৰ শইচ লাভ কৰি আনন্দত অধীৰ হৈ জিৰণি লোৱাৰ উছৱ, শীতৰ যাতনাত মৃত্যুমুখী হবলৈ ওলোৱা প্ৰকৃতি দেৱীৰ বুকু আনন্দৰ লহৰেৰে বিধৌত কৰি তেওঁক বিদায় সম্ভাষণ জনোৱাৰ উছৱ। জামেগালা-আহ্‌ৱা-উ-আ উছৱত খেতিৰ শইচবোৰ চপাই নি প্ৰতি জন খেতিয়কে নিজৰ নিজৰ ভঁৰালত গোটাই থয়। এই শইচ তেওঁলোকে বৰ পৱিত্ৰ ভাবেৰে গ্ৰহণ কৰে। সেই কাৰণে এই শস্যৰ পৰা তৈয়াৰ কৰা খাদ্য পোনপ্ৰথমে প্ৰকৃতি দেৱীৰ নামত অৰ্পণ নকৰালৈকে গাৰোসকলে কেতিয়াও তাক নিজৰ খাদ্য স্বৰূপে ব্যৱহাৰ নকৰে। ৱাংগালা উছৱেই নতুন শস্যৰ খাদ্য প্ৰকৃতি দেৱীক অৰ্পণ কৰাৰ উছৱ। এয়েই হৈছে ৱাংগালাৰ প্ৰধান বৈশিষ্ট্য।

ই এটা বৰ ব্যয়বহুল পৰ্ব্ব। গাৰোসকলে আৰু কোনো উছৱ বা পৰ্ব্ব দিনতেই ৱাংগালাৰ নিচিনা খৰচ নকৰে। এই কাৰণে এই উছৱ পালন কৰিবলৈ তেওঁলোক বহু দিনৰ আগৰ পৰাই সাজু হবলগীয়া হয়, যথেষ্ট পৰিমাণে বয়বস্তু গোটাবলগীয়া হয়। ই এজন বা দুজন মানুহে পালন কৰা উছৱ নহয়। ইয়াক পালন কৰে কেবাখনো গাঁৱৰ বাইজে সমূহীয়াভাবে। এই উছৱ উপলক্ষে গাৰো পৰ্ব্বতৰ ভিন ভিন অঞ্চলৰ বাইজে পাৰ্য্যমানে বয়বস্তুৰে উছৱৰ বৰঙণি যোগায়। সমাজৰ আটাইতকৈ সম্মানিত লোক নোকমাই আটাইতকৈ বেছি বৰঙণি দিয়ে আৰু বাকী-বিলাকেও যাৰ যি অৱস্থা সেই অনুসৰি বয়-বস্তুৰ যোগান ধৰিবলৈ কৃপণালি নকৰে। জীৱনৰ সকলো সম্পদৰ কথা আওকাণ কৰিলেও গাৰোসকলে এই ৱাংগালা উছৱক অৱহেলা নকৰে। এই উছৱ জামেগাপা উছৱৰ দুই তিনি মাহৰ ভিতৰতে পালন কৰা হয় যদিও ইয়াৰ বাবে কোনো পূৰ্ব্বনিৰ্দ্দিষ্ট তিথিবাৰ নাই। বাইজৰ সাম্নবিধালৈ লক্ষ্য কৰি নোকমাই ইয়াৰ দিন ধাৰ্য্য কৰে আৰু এমাহ ডেৰ মাহৰ আগতে

সেই দিনৰ কথা গাঁওবোৰত জনাই দিয়ে। সেই অনুসৰি বাইজে উছৱ পালিবলৈ সাজু হয়—ন ন খাদ্য সম্ভাৰ তৈয়াৰ কৰি, ন কানিকাপোৰ গোটাইপিটাই লৈ।

গাৰো সৰ্ব্বসাধাৰণৰ অৰ্থনৈতিক অৱস্থা উন্নত নহয়। তেওঁলোকৰ খেতিত উৎপন্ন হোৱা শস্যৰে গোটেই বছৰটো খাবলৈ নোজোৰে। সেই কাৰণে এই কথাকে বিবেচনা কৰি নোকমাই জামেগাপা উছৱৰ পিছত যিমান পাৰি সিমান সোণকালে, এই খাদ্যসঙ্কটত পৰি থকা লোকসকলে নতুন খাদ্য সোণকালে ব্যৱহাৰ কৰিব পৰাকৈ এমাহ ডেৰ মাহৰ আগতে গঞ্জাৰাইজক উছৱৰ দিনৰ জাননী দিয়ে। তদুপৰি এই উছৱত অতি আৱশ্যকীয় খাদ্য আৰু মদ যাতে বৰ বেছি পৰিমাণে ন-শস্যৰ পৰাই তৈয়াৰ কৰিব পৰা যায় তাৰ বাবেও এই সময়ৰ আৱশ্যক হয় কিয়নো সুস্বাদু আৰু বিশুদ্ধ মদ তৈয়াৰ কৰিবলৈ হলে কমেও এমাহ ডেৰমাহ লাগে। নোকমাৰ জাননী পালেই গঞ্জাৰাইজ লাগি যায় পাৰ্য্যমানে খাদ্যবস্তু তৈয়াৰ কৰাত, কলহে কলহে মদ গোটোৱাত, চকৰে চকৰে পিঠাপনা যোগাৰ কৰাত, জাউৰিয়ে জাউৰিয়ে মাছ শুকুৱাত আৰু নন সাজপাৰ গোটাইমেলি লোৱাত। এই সময়খিনিত গাঁৱৰ মুনিহ মানুহবিলাক ব্যস্ত হয় বাহিৰৰ পৰা আৱশ্যকীয় দ্ৰব্য-সম্ভাৰ বিচাৰ কৰি অনাত আৰু তিৰোতাসকল ব্যস্ত হয় বিৰামহীনভাবে খাদ্যসম্ভাৰ তৈয়াৰ কৰাত। গাঁওবোৰত সোমালে চাৰিওফালৰ পৰা কাণত পৰে উৰলৰ ধুম ধুম শব্দ আৰু আনন্দত মতলীয়া গাৰো ডেকা-গাভৰুসকলৰ বংৰহইচৰ কণ্ঠস্বৰ। ৱাংগালা উছৱৰ দুই এমাহ আগৰ পৰাই অনুমান কৰিব পাৰি যে গাৰো গাঁওবোৰলৈ এক আনন্দমুখৰ জীৱন নামি আহিছে বিৰামহীনভাবে। ৱাংগালা উছৱ বুলিলেই এক আনন্দত বলিয়া হোৱা উছৱ বুলি কব পাৰি। মদেই এই উছৱৰ আনন্দ শীৰ্ষবিন্দুলৈ তোলে। কিমান যে মদৰ কলহ এই উছৱ উপলক্ষে ব্যৱহাৰ কৰা হয় তাৰ লেখ নাই। উছৱৰ নৃত্যগীত সকলোতে মদৰ প্ৰাধান্য। মদ যেতিয়ালৈকে থাকে তেতিয়ালৈকে নাচগান বাজনাও অফুৰন্তভাবে চলি থাকে। মদ শেষ

হলেই নৃত্যগীত বাজনাবো অন্ত পৰে। এই উছৰৰ বাবে কোনো নিৰূপিত সংখ্যাৰ দিন নাই। কেতিয়াবা ই এসপ্তাহ জুৰি চলে। মদৰ পৰিমাণ অনুসৰিয়েই উছৰৰ দিনৰ বিস্তৃতি হয়। এই দিন কেইটাত উছৰতলীত জ্বলি থাকে মমবাতি আৰু বত্তিৰ উজ্জ্বলতা, শুনা যায় নৃত্য গীতৰ প্ৰতিধ্বনি। খেতিৰ পথাৰৰ কাষতে যদিও সমূহীয়াভাবে বস্তু সাজি উছৰতলী বা উছৰৰ কেন্দ্ৰস্থান কৰা হয় তথাপি সমগ্ৰ গাঁও জুৰি আনন্দৰ কলকণ্ঠ বাজি উঠে এই মধুময় দিন কেইটাত। দূৰদূৰণিৰ নানা ঠাইৰ পৰা দলে দলে যাত্ৰী আহে এই উছৰ চাবলৈ।

উছৰ আৰম্ভ হোৱা আগদিনাখনেই গাঁওৰ হাবিবনবোৰ কাটি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি তোলা হয়। আনকি গাঁওৰ সুবিশালিত থকা মৃতকৰ স্মৃতিচিন 'কিমা'বোৰ আৰু জামেগাপা উছৰত 'গোটোৱা শস্যক্ষেত্ৰৰ গোজবোবো উছৰৰ আগে আগে পুৰি পৰিষ্কাৰ কৰি পেলোৱা হয়। গাঁওৰ বাট পথুলিবোৰ নিয়মিতভাবে বান্ধি ব্যৱহাৰৰ উপযোগী কৰা হয়। গাঁওৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা এই উছৰৰ আৰম্ভণিতে এক লক্ষ্য কৰিবলগীয়া বিষয়। এই সকলোবোৰবে দায়িত্ব বহন কৰি নেতৃত্ব কৰে নোকমাই, তেওঁৰ অঞ্চলত থকা গঞা বাইজৰ সহায়-সহযোগত।

ৰাংগালা উছৰৰ আৰম্ভণি দিনটোক বোলা হয় 'ৰুগালা'। সেই দিনা অঞ্চলটোত থকা সকলোবিলাক মানুহে উচ্চনীচ শ্ৰেণী নিৰ্ব্বিশেষে উছৰতলীত গোট খায়হি। প্ৰতি ঘৰ মানুহে নিজৰ পৰিয়ালবৰ্গক লৈ উছৰত ৰৰগুণি যোগোৱা সকলোখিনি দ্ৰব্যসম্ভাৰ আগত লৈ শাৰী পাতি বহে। অৱশ্যে সমাজৰ মুখিয়াল নোকমা-নক্কবৰ পৰিয়ালবৰ্গই আগ শাৰীত ঠাই লয়। তেওঁবিলাকৰ সমুখত দম কৰি ৰাখে অলেখ মদৰ কলহ, শুকান মাছ (নাকাম্) আৰু নানা তৰহৰ খাদ্যসম্ভাৰ। তাৰ উপৰিও তেওঁবিলাকে নিজে সজা বাঁহৰ পাচি-খৰাহী আদিত কপ আৰু তামেৰে নিৰ্ম্মিত অনেক ধৰণৰ অলঙ্কাৰ আৰু বাচনবৰ্ত্তন সজাই থয়। এই ধাতুৰ আ-অলঙ্কাৰবোৰ গাবোসকলৰ পুৰুষানুক্ৰমে লাভ কৰা আপুৰুগীয়া সম্পত্তি। দেৱতাৰ শুভদৃষ্টিত লাভ কৰা এই সম্পত্তিবোৰ দেৱতাৰ দৃষ্টিলৈ

আনি তেওঁলোকে দেৱতাৰ আনুগত্য স্বীকাৰ কৰে আৰু লগতে উছৱতলীবো সৌন্দৰ্য্য বঢ়ায়। খাস্তবস্তুবোৰ দেৱতাৰ নামত অৰ্পণ কৰে সঁচা কিন্তু অলঙ্কাৰ আৰু বাচনবৰ্ত্তনবোৰ 'ৰুগালা' দিনটো শেষ হোৱাৰ লগে লগে নিজৰ নিজৰ ঘৰলৈ লৈ যায়। দ্রব্য-সম্ভাৰবোৰ উপযুক্ত ঠাইত ৰাখি গাঁৱৰ সকলো মানুহ তেতিয়া উছৱতলীত উপস্থিত হয়হি। তেতিয়াই আটাইবিলাকে লগ লাগি দেৱতাক প্ৰাৰ্থনা জনায় আৰু প্ৰকৃতিৰ ৰূপ-মাধুৰীৰ বন্দনাগীত গায়। লগে লগে সমগ্ৰ উছৱমণ্ডপতে তিৰবিৰকৈ মমবাতি আৰু বস্তিসমূহ জ্বলি উঠে। সাধাৰণ নৃত্যগীতৰ প্ৰতিধ্বনি উঠে। ৰুগালাৰ দিনাখন গাৰোসকলে কোনো নতুন সাজপাৰ পৰিধান নকৰে আৰু মদো বৰ কম পৰিমানেহে পান কৰে। আন আন খাদ্য-সম্ভাৰো এই দিনটোত অতি মাত্ৰাত ব্যৱহাৰ কৰা নহয়। সেই দিনা গাৰোসকলে প্ৰকৃতিৰ সত্বাকহে পূজা কৰে, কিন্তু শক্তিক পূজা নকৰে। সেই কাৰণে ৰুগালা উপলক্ষে গোৱা গীতবোৰত পৃথিৱীৰ শস্যসৌন্দৰ্য্যৰ বৰ্ণনাৰ অফুৰন্ত ধ্বনি অতি সুস্পষ্ট হৈ উঠে। গাৰোসকলে ৰুগালাৰ দিনটোত প্ৰকৃতিৰ পৰা পোৱা শস্যবোৰৰ ৰূপ আৰু গুণৰ গৰিমাতে অভিভূত হৈ পৰে। গধূলি সময়ত উছৱতলীৰ বেদীৰ ( কিমিণ্ডা ) ওচৰত সকলো প্ৰসাদ অৰ্পণ কৰে প্ৰকৃতি দেৱীৰ চৰণত। লগে লগে দেৱীৰ নামত গাহৰি আৰু গৰু বলি দিয়ে। সেই বলিৰ মঙহবোৰ সমূহীয়া-ভাবে ৰাইজৰ মাজত বিলাই দিয়া হয়। এই দৰেই ৰুগালা দিনটোৰ সামৰণি পৰে।

ৰাংগালা উছৱৰ দ্বিতীয় দিনটোক ( কাক্কাট ) বোলা হয়। এই দিনৰ পৰাই উছৱৰ ভৰ হয়। উছৱৰ খলকনি দশোদিশে বিয়পি পৰে। ঢাক-ঢোল পেঁপাৰ শবদে দিগদিগন্ত মুখৰিত কৰি তোলে। সঙ্গীতৰ মূৰ্চ্ছনাত পৃথিৱী ঠন ধৰি উঠে নৃত্যৰ লহৰত পৃথিৱী উন্মাদিনী হব খোজে। এই কাক্কাটৰ দিনাখন ৰাতিপুৱাৰ পৰাই গাৰোসকলে নতুন সাজপাৰ পৰিধান কৰে, নতুন সাজসজ্জাৰে ভূষিত হয়। নতুনকৈ পাগুৰি লয়, কুকুৰা চৰাইৰ দীঘল দীঘল পাখি গুজি লৈ পাগুৰিৰ

শোভা বঢ়ায়। সেই দিনা তেওঁলোক এই ন সাজপাৰেৰে সজ্জিত হৈ ইমান নতুন হৈ পৰে যে অন্তৰত কোনো ৰকমৰ দুখবেদনাই ঠাই লবলৈ সুবিধা নেপায়, কোনো অসুখ-অশান্তিয়ে মূৰ দাঙি উঠিব নোৱাৰে। কেৱল আনন্দ, কেৱল্ হাঁহিমাত উলাহৰ মহাসমাৰোহ। আমাৰ বঙালী বিহুত বিহুৱলিয়া হোৱা অসমীয়া ৰাইজৰ নিচিনাকৈ গাৰো লৰা-ডেকা-বুঢ়া সকলোৱে এই উছৱৰ আনন্দত উত্ৰাৱল হৈ পৰে। ঢাক-ঢোল, পেঁপা-শিঙা বাজি উঠে দিগন্তপ্ৰসাৰী মূৰ্চ্ছনাত। সকলো মানুহেই হিয়া ওপচাই মদপান কৰে, দকচি মঙহ খায়। কিমান মদপীয়ে কিমান মঙহ ভক্ষণ কৰে তাৰ লেখজোখ নাই। তাত বাধা নাই, অহৰহ চলিয়েই থাকে। মদৰ ৰাগীয়ে নৃত্যৰ ভঙ্গিমা তোলে। নাচ চলে—জীৱনৰ চিৰন্তন নাচ। দিনে-ৰাতিয়ে এনেভাবে নাচ চলে, যাৰ প্ৰভাৱত বিদায় লব খোজা প্ৰকৃতিৰ দুবাহুত শৰণাপন্ন হোৱা গাৰো খেতিয়ক ৰাইজৰ এই নাচ আৰু গীতৰ পৰিবেশ পাহৰিব নোৱাৰি। আকৌ নতুন বছৰত পুনৰ শস্যশ্যামলা হৈ ভূমুকি মাৰিম বুলি প্ৰতিশ্ৰুতি দিহে প্ৰকৃতিয়েও সেই বছৰৰ বাবে বিদায় লয়।

কাৰাট পৰ্ব্বৰ দিনা নাচৰ নিয়ম আছে। প্ৰথমতে উদ্বোধনী নাচ নাচে নোকমাৰ পৰিয়ালে এজন এজনকৈ। তাৰ পিছতহে বাকীবিলাক মানুহে নাচত যোগ দিয়ে। নাচ চলি থকাৰ সময়ত উছৱথলীৰ চাৰিওফালে মদ ছটিয়াই দিয়া হয়। মদ পান আৰু মদৰ গোন্ধে নাচত সংহতি যোগায় আৰু উত্তেজনা বঢ়ায়। মাজে মাজে দা, যাঠী, পেঁপা আদিৰ প্ৰখৰ গতিত এক ৰণৰ ভঙ্গিমাৰে নচাও দেখা যায়। এয়ে হৈছে প্ৰকৃত গাৰো কৃষিপ্ৰধান ৱাংগালা নাচ। মদৰ ৰাগী আৰু নাচৰ ভাগৰত নৃত্য শিল্পীসকল মাজে মাজে মতলীয়া হৈ পৰি যায়। সেই কাৰণে এই কাৰাট পৰ্ব্বৰ শৃঙ্খলা ৰক্ষা কৰাত তিৰোতাসকল বিশেষভাবে যত্নপৰ হয়। তেওঁলোকে নিজে বৰ কম মদ খায়, পুৰুষসকলক সেৱা-শুশ্ৰূষা কৰা আৰু উছৱৰ আন আন কাম পৰিপাটিকৈ কৰি যোৱাত বিশেষভাবে ব্যস্ত হৈ থাকে। এই দৰে কেৱল মদ

আৰু নৃত্যগীতৰ লয়লাসৰ মাজেদিয়েই কাকাট পৰ্ব্বৰো সামৰণি পৰে। কাকাটৰ পিছতো আকৌ চাৰি-পাঁচ দিনমানলৈ ৰাংগালা উছৱ চলে। কিন্তু এইছোৱা সময়ত উছৱৰ পয়োভৰ গাঁৱৰ ইমূৰে সিমূৰে বিস্তাৰিত হৈ পৰে। এই কেইটা দিনত বিশেষকৈ ডেকা আৰু গাভৰুৰ যুবীয়া নাচ দেখা যায়। তেওঁলোকে হেঁপাহ পলুৱাই মদিৰা পান কৰি, উছৱতলীৰ মদ শেষ নোহোৱা দিনলৈকে লগ লাগি নাচি ফুৰে ঘৰে ঘৰে, গাঁৱে গাঁৱে। উছৱৰ সামৰণিত শেষ বাৰৰ কাৰণে অঞ্চলটোৰ নোকমাই নিজৰ ঘৰত মদ আৰু ভোজ-ভাতৰ আয়োজন কৰে। নৃত্য শিল্পীসকলে নোকমাৰ ঘৰত শেষ নৃত্য পৰিবেশন কৰি ৰাংগালা উছৱৰ অন্তত ঘৰাঘৰি গুচি যায়।

গাৰো পৰ্ব্বতৰ গাৰো ৰাইজৰ জাতীয় উছৱ স্বৰূপ এই সুপ্ৰসিদ্ধ ৰাংগালা উছৱ। এই উছৱ শেষ হোৱাৰ লগে লগে আগৰ বছৰটোৰ গাৰো ৰাইজৰ খেতি-বাতি কামৰো সামৰণি পৰে। গোটেই বছৰ জুৰি গাৰ ঘাম মাটিত পেলাই কষ্টেৰে কৰা জুম খেতিত ব্যস্ত হৈ পৰাৰ পিছত এবাৰ মাথোন নিজকে আনন্দ-উলাহত একেবাৰে পাহৰি গৈ নতুন খেতিৰ কাল নহালৈকে কেইদিন মানৰ বাবে জিৰণি লয়। তেওঁলোকৰ মনত প্ৰকৃতি যিমান আপোন, প্ৰকৃতি আৰাধনাৰ অনুপম পৰ্ব্ব ৰাংগালাও সিমান আপোন। সেই কাৰণে নৃত্যৰত এহাল ডেকা গাভৰুৱে নৃত্যৰ তালে তালে গানৰ ছন্দে ছন্দে এই দৰে কৈ যায়—

“আমাৰ যদি মৃত্যুও ঘটে তথাপি শোক নাই তাত
কিয়নো মৃত্যু এটি চিৰন্তন পদ্ধতি ধৰাত।
কিন্তু এয়ে মাথোঁ প্ৰাৰ্থনা আমাৰ
সেই মৃত্যু যেন ঘটে এই বছৰৰ পিছতহে ৰাংগালাৰ ।

# মিজো উছৱ—প'লকুট

প্ৰাচীন কালৰে পৰা মানুহৰ সম্বন্ধ প্ৰকৃতিৰ লগত জড়িত। প্ৰকৃতিৰ অবিহনে প্ৰাচীন কালৰ লোকে এখোজো ইফালসিফাল কৰিব নোৱাৰিছিল। এই প্ৰকৃতিৰ ভিতৰতো মানুহৰ সম্বন্ধ আছিল মাটিৰ লগত। মাটিক সেয়েহে মাতৃ হিচাপে পূজা কৰাৰ প্ৰথা প্ৰাচীন কালৰে পৰা চলি আহিছে। প্ৰকৃতি দেৱীক সন্তুষ্টিৰ বাবে শস্যৰ বতৰৰ আগে আগে নৃত্যগীত কৰি বসুমতী দেৱীক সন্তুষ্ট কৰা আৰু শস্য চপোৱাৰ সময়তো তেনেদৰে আনন্দ-উলাহেৰে নতুন বছৰৰ পাতনি মেলা প্ৰথা আদিম কালৰে পৰা সকলো ঠাইতে চলি আহিছে। এই প্ৰথাৰ বুকুতে আমি পালন কৰোঁ অসমীয়াৰ অতি আপোন, অতিকৈ চেনেহৰ ৰঙালী বিহু, ভোগালী বিহু। ঠিক এনেকুৱা কাৰণতে সৃষ্টি হয় মিজোসকলৰ তিনিটা উছৱ—(১) প'লকুট (২) চাপচাৰকুট আৰু (৩) মীমকুট। অসমীয়াৰ তিনিটা জাতীয় বিহুৰ লগত এওঁলোকৰ এই তিনিটা বিহুৰ বহুখিনি সাদৃশ্য আছে। এই তিনিওটা উছৱ অসমীয়া জাতীয় বিহু তিনটাৰ প্ৰায় সমসাময়িকভাৱে পালিত হয়। প'লকুট নামৰ উছৱটো আমাৰ মাঘবিহুৰ সময়ত, চাপচাৰকুট নামৰটো ৰঙালী বিহুৰ ওচৰাউচৰিকৈ আৰু মীমকুট বোলাটো কাতিবিহুৰ প্ৰায় লগে লগে পালন কৰা হয়। উল্লেখযোগ্য যে আমাৰ মাঘ-বিহুৰ ওচৰাউচৰিকৈ এটা উছৱ খাছিসকলেও পালন কৰে। অসমীয়াৰ দৰে তেওঁলোকেও সেই উছৱত খোৱাবোৱা, বনভোজ আদিৰ প্ৰচুৰ ব্যৱস্থা কৰে। আমাৰ অসমীয়াৰ এই বিহুবোৰ যে প্ৰকৃততে আদিমবাসী সকলৰহে দান আৰু মূলতেই প্ৰকৃতি বা ভূমিপূজাহে ই নিশ্চিত।

মিজোসকলৰ এই তিনিটা উছৱৰ ভিতৰত প'লকুটটোৱে প্ৰধান। বাকী দুটাৰ ভিতৰত চাপচাৰকুট উছৱটোৰ সময়ত সাধাৰণতে নাচগানৰ প্ৰাধান্য বেছি আৰু লগে লগে ভোজভাত আৰু লাওপানী। ই

এটা চিকাৰীনৃত্যৰ প্ৰাধান্য থকা উছৱ কিয়নো এই উছৱটোৰ উৎপত্তিৰ লগত তেনে এটা চিকাৰ-কাহিনী জড়িত আছে। গীতবোৰ কিন্তু সৰ্ব্বশক্তিমান পৰমেশ্বৰক উদ্দেশ্য কৰি গোৱা হয়। সকলো ডেকাগাভৰুৱে এই নৃত্যগীতত ভাগ লয়।

আন এটা উছৱ মীমকুট। এই উছৱটো আচলতে পৰলোকপ্ৰাপ্ত প্ৰিয়জনৰ শোকবিহ্বল তৰ্পণ উছৱ। ইয়াৰ মূলতে এটা প্ৰেমকাহিনী জড়িত আছে। এই উছৱত নিজৰ পৰলোকপ্ৰাপ্ত প্ৰিয়জনৰ মূৰ্ত্তি সাজি স্বৰগত তেওঁৰ আত্মাই যাতে শান্তিৰে থাকিব পাৰে তাৰ বাবে ভগৱানৰ ওচৰত নানা সম্ভাৰেৰে নিবেদন কৰা হয়। তেওঁলোকৰ প্ৰিয়জনে তেওঁলোকে সমৰ্পণ কৰা বস্তুবোৰ গ্ৰহণৰ আনন্দত নৃত্যগীত আৰু খোৱাবোৱাত নিজকে বুৰাই ৰাখে। এইদৰে এই উছৱে কেবাদিনো সময় লয়।

ইয়াৰ বাহিৰেও অতীত কালৰ মিজোসকলৰ ভূত-প্ৰেতৰ প্ৰতি ইমান ভয় আছিল যে ভূতে যেন তেওঁলোকৰ খোজে খোজে পাছ লৈছিল আৰু এইবোৰৰ সন্তুষ্টিৰ বাবে তেওঁলোকে বছৰৰ পিছত বছৰ জোৰা উছৱ পাতিছিল। গাহৰিৰ পাছত গাহৰি, কুকুৰাৰ পাছত কুকুৰাৰ বলিবিধানৰ ব্যৱস্থা কৰিছিল। এই ভূত-প্ৰেতবোৰৰ ভিতৰত খুৱাংছোই বৰ প্ৰসিদ্ধ আছিল। খৃষ্টান ধৰ্ম্মৰ ব্যাপকতাৰ লগে লগে এইবোৰ বিশ্বাসে সম্পূৰ্ণৰূপে মেলানি মাগিলে। তেওঁলোকে আজি ভূতপ্ৰেতৰ নাম শুনিলে হাঁহেহে।

আজিৰ আমাৰ আলোচ্য বিষয় হ'ল পলকুটহে। পলকুটক সাধাৰণতে শিশু-উছৱ হিচাপেহে জনা হয়। ইয়াৰ ক্ৰিয়া-পদ্ধতিৰ লগত আমাৰ মাঘবিহুক বিজাব পাৰি।

প'লকুটৰ ( কুট মানে উছৱ ) বিশেষ কথা এয়ে যে প্ৰধান উছৱৰ দিনা মঙহ খাবই লাগিব। গতিকে অতীত কালৰে পৰা আমাৰ মাঘ বিহুৰ ৰাজহুৱা ভাবে উৰুকাৰ দিনা মাছ মৰাৰ দৰে এওঁলোকেও সমূহীয়াভাবে চিকাৰ কৰে।

কৃষিজীৱনৰ মহত্বপূৰ্ণ দিন দুটা মিজো কৃষিজীৱনতো মহত্বপূৰ্ণ। এওঁলোকে যিদিনা প্ৰথম ঝুমত প্ৰৱেশ কৰে সেই দিনা নিজৰ পত্নী বা ভনীৰ দ্বাৰা হাতেকটা সূতাৰ হাতেবোৱা কাপোৰখন পিন্ধিহে তাত প্ৰৱেশ কৰে পৱিত্ৰভাবে। তৰ পিছত খেতি চপোৱাৰ লগে লগেই কৃষিজীৱনত এটা নতুন ছন্দৰ ঝঙ্কাৰ উঠে আৰু সেয়েহে সেইসময়ত প্ৰত্যেক কৃষিপ্ৰধান দেশতেই একোটা আনন্দউছৱে ৰূপ লৈ উঠিছে। এই প'লকুট উছৱো তেনেকৈয়ে গঢ় লৈ উঠিছে। আগতেই কোৱা হৈছে এই উছৱৰ লগত চিকাৰ কৰাটো এটা প্ৰধান অঙ্গ।" যদি দুৰ্ভাগ্য-বশতঃ চিকাৰ সফল নহয় তেনেস্থলে ঘৰৰ পোহনীয়া কুকুৰা বা গাহৰি আদি কাটি হলেও মঙহ খোৱাটো অনিবাৰ্য্য। সেই দিনা নিজৰ লৰাছোৱালীহঁতক নতুন নতুন কাপোৰ দিয়া হয়। উপৰি ছোৱালীহঁতে মাটিৰে তৈয়াৰী পুৰণা গল্পপতা পিন্ধে আৰু লৰাহঁতে দিয়াৰ নামৰ এখন সৰু ধুনীয়া কাপোৰ মূৰত বান্ধে। এই কাপোৰডোখৰ যেনিবা আমাৰ 'বিহুৱান'খনৰ ৰূপান্তৰহে। অসমীয়া মাকহঁতৰ দৰে মিজো মাকহঁতেও নিজৰ সন্তানহতৰ কাৰণে সুন্দৰ সুন্দৰ খোৱাবোৱা বস্তুৰ দিহা কৰে। খোৱাবোৱা বস্তুবোৰ তেওঁলোকে প্ৰত্যেকজন লৰাছোৱালীৰ হাতত একোখন কাহঁত সজাই দি পঠায়। লৰাছোৱালী-বিলাকে 'লুংদো' বোলা শিলেৰে যেৰা ঠাইখনলৈ নিজৰ নিজৰ ভাতৰ কাঁহীবোৰ লৈ যায়। সেইবোৰ নিৰ্দ্দিষ্ট ঠাইত ৰাখি নানা ধৰণৰ নৃত্যগীতৰ পিছত খোৱাবোৱা আৰম্ভ হয়। কিন্তু এই খোৱাবোৱাৰ যি পদ্ধতি তাৰ দ্বাৰা তেওঁলোকৰ মাজত এটা পৰম ভ্ৰাতৃত্বভাবে ৰূপ লৈ উঠে। সিহঁতে নিজৰ নিজৰ কাঁহীৰ ভাত নিজে নেখাই তেওঁৰ ওচৰত বহা আনকহে নিজহাতে খুৱায় আৰু আনবিলাকেও ঠিক তেনেই কৰে। এইদৰে শিশু আৰু চেমনীয়াসকলৰ মাজত এই উছৱে এটা মিলাপ্ৰীতি ভাবৰ সোঁত বোৱাই দিয়ে। যদিও এই উছৱ শিশুসকলৰ বাবে বুলিহে খ্যাত তথাপি তাত ডেকা-বুঢ়া আদিয়েও যোগ দি ৰঙতে ৰহন চৰায়। খোৱাবোৱা শেষ হোৱাৰ পিছত

অপৰ্য্যাপ্ত নাচগান আৰু বয়সস্থসকলৰ সুৰাপানৰ ব্যৱস্থা চলে। গধূলিৰ লগে লগে পথাৰৰ মাজত পতা এই উছৱৰ সামৰণি পৰে। এই-খিনিতে উল্লেখযোগ্য যে উছৱৰ উৰুকাৰ দিনা ৰাতি তেওঁলোকে ওৰেৰাতি উজাগৰে থাকিব লাগে। গোটেই ৰাতিটো পাখিয়ান বা ভগৱানৰ প্ৰতি প্ৰাৰ্থনা আৰু নৃত্য-গীতেৰে কটাই দিয়ে লগে লগে সুৰাপানৰো পূৰ্ণ পয়োভৰ চলে। সেইদৰে মূল উছৱৰ দিনা ৰাতিও উজাগৰে থাকিব লাগে আৰু আগদিনাৰ কাৰ্য্যক্ৰমমতেই এই দিনাও কাম চলে। এই উছৱত তেওঁলোকে ঘাইকৈ দুটা নাচ নাচে—চেচই নৃত্য আৰু চচাই নৃত্য। দুয়োটাই সমূহীয়া নৃত্য আৰু লৰাছোৱালী বা ডেকা-গাভৰুৱে হাতত ধৰাধৰিকৈ মূৰত নানা ধৰণৰ সাজ পাৰ পিন্ধি ঘূৰি ঘূৰি নাচে। মাজতে এজন বাদকে বাদ্য বজাই যায়। এইদৰে মিজোসকলৰ এই জাতীয় উছৱটো এদিনৰ পৰা পাঁচদিন পৰ্য্যন্ত চলে।

জনশ্ৰুতিমতে এই উছৱটোৰ এটা কাহিনী আছে। বহু দিন আগৰ কথা। তেতিয়া মিজোসকল এই জিলাত সিমানকৈ প্ৰৱেশ কৰাই নাই। তেওঁলোকে মানদেশৰ চীনহীলৰ (অসম-ব্ৰহ্মা সীমান্ত) ফালৰ কলনী নামৰ ৰাজ্য এখনত বাস কৰিছিল। সেই ঠাইখন শস্য-মৎস্যেৰে পৰিপূৰ্ণ আছিল। এবাৰ কিন্তু দেশত দুৰ্ভিক্ষ হ'ল। খেতিবাতি উছন হ'ল। এন্দুৰ আৰু খৰাং বতৰৰ উপদ্ৰৱত শস্য-মৎস্য সকলো লোপ পালে। এই ব্ৰহ্মআকাল এবছৰ দুবছৰকৈ তিনি বছৰ চলিল। ৰজা-প্ৰজা সকলোৱে ত্ৰাহি-মধুসূদন সুঁৱৰিলে। বহুতো মানুহ মৰিহাজি উপান্ত হ'ল। কিন্তু চতুৰ্থ বছৰৰ লগে লগেই দেশত ইমান শইচ হ'ল যে মানুহৰ মনবোৰ আনন্দতে বিভোৰ হৈ উঠিল। তেওঁলোকৰ জীৱনৰ মৰহা ছন্দই যেন আনন্দত উত্‍ফুল্ল হৈ নাচি উঠিল। ৰাজ-পৰিয়ৰ বহিল। সকলোৱেই কলে—ই পৰমেশ্বৰৰ ইচ্ছা। আজি তিনি বছৰে আমি লঘোনে থকা কাৰণে পৰমেশ্বৰে এইবাৰ আমাক ধানেৰে ওপচাই দিলে। সেইবাবে ৰজাৰ আদেশমতে গোটেই দেশত উছৱ

পালনৰ ব্যৱস্থা চলিল। ৰজাই কলে—মই এটা ভাণ্ডৰ গাহৰি দিম। মন্ত্ৰীয়ে কলে—মই এক হাড়ী লাওপানী দিম। এইদৰে আন আন বহুতেও যেয়ে যেনেদৰে পাৰে সামগ্ৰী আগবঢ়ালে। নৃত্য-গীত, খোৱাবোৱাৰ পূৰ্ণ ব্যৱস্থা হৈ উঠিল। শিশুসকলৰ বাবেও বেলেগ ব্যৱস্থা হল। এইদৰে আয়োজন সম্পূৰ্ণ হৈ উঠাৰ পিছত এখন বিৰাট পথাৰত এই উছৱ আৰম্ভ হ'ল। আটাইবিলাক প্ৰজাই ইয়াত ভাগ ললে। এইদৰেই চাৰি পাঁচদিন জুৰি আনন্দৰ উথলমাথলত সমস্ত প্ৰজা বিভোৰ হৈ থাকিল। তাৰ পিছৰ বছৰো সেই দিনটো অনেকে পালন কৰা হ'ল। এনেদৰে শেষত গৈ প্ৰতি বছৰে এই দিনটো উছৱৰ দিন হিচাপে পালিত হবলৈ ধৰিলে। চাওঁতে চাওঁতে এই উছৱে শেষত জাতীয় উছৱৰ ৰূপ ললে।

# ৰাভা উছৱ—বায়খো বা খুক্‌চি পূজা

হেজাৰ হেজাৰ বছৰ আগৰ কথা। গাৰো পৰ্ব্বতৰ অন্তৰ্গত চিলিংগটক নামে এখন সৰু পৰ্ব্বত। এই পৰ্ব্বতৰ ওচৰেপাজৰে মানুহৰ বসতি বৰ বেছি নহলেও একেবাৰে কম বুলিবও নোৱাৰি। পৰ্ব্বতৰ পৰা অলপ দূৰত অৱস্থিত এখন গাঁৱত থকা এঘৰ পৰিয়ালত দুজনী গাভৰু বাই-ভনী আছিল। সিহঁতৰ নাম থোপে আৰু নেচে। থোপে আছিল বায়েক আৰু নেচে ভনীয়েক।

সিহঁতৰ পিতাক বৰ বুঢ়া হৈছিল। তেওঁ চকুৰে মণিব নোৱাৰিছিল। ছোৱালীহঁতৰ মাক অলপ দিনৰ আগতে মৃত্যু হৈছিল। সিহঁতৰ ককাক অৰ্থাৎ বুঢ়াৰ পিতাক তেতিয়াও জীয়াই আছিল। তেওঁ লুৰ্লুৰীয়া বুঢ়া হৈছিল। অৱশ্যে চকুৰে মণিব পৰা আৰু কাণেৰে ভালদৰে শুনা শক্তি এইজন বুঢ়াৰ ঠিকেই আছিল।

এদিন থোপে আৰু নেচে দুয়োজনী বাই-ভনী খৰি বিচাৰি চিলিংগটক পৰ্ব্বতলৈ ওলাল। এইদৰে সিহঁত হাবিৰ মাজেদি লুংলুঙীয়া বাটেৰে পৰ্ব্বতৰ বহু ওপৰলৈ উঠি শুকান খৰি বিচৰাত লাগি গৈছিল। কিছু সময়ৰ পিছত নেচেৰ পিয়াহ লাগিল। ইফালে সিফালে পানী বিচাৰি গৈ গৈ তাই সুন্দৰ পুখুৰী এটা দেখা পালে। পুখুৰীটোৰ নাম আছিল চিচাৰে ছিমান্দি। আজিও এই পুখুৰীটো আছে বুলি মানুহৰ মুখত শুনিবলৈ পোৱা যায়। সি যি কি নহওক নেচেই পুখুৰীৰ পানী দেখি স্বৰ্গ ঢুকি পোৱা যেন পালে। তাই ভাবিলে—এই বাৰ হেঁপাহ পলুৱাই পানী পিব পাৰিব। তাই গৈ পানী খাবলৈ পুখুৰীৰ পাৰত থিয় হল। পাৰৰ পৰা হাতেৰে ঢুকি পোৱা পানীলৈ তাই হাত মেলিলে। তেতিয়া তাইৰ পিয়াহত অণ্ঠকণ্ঠ শুকাই গৈছিল। হাতেৰে পানী এচলু লৈ মুখলৈ নিওতে হঠাৎ তাই দেখিবলৈ পালে এটা সৰু মাছৰ পোনা পানীৰ লগত উঠি আহিছে। মাছৰ বৰণ সোণৰ দৰে, দেখিবলৈ বৰ ধুনীয়া। তাই চক্ খাই উঠিল। ইমান ধুনীয়া এনে বিধৰ মাছ তাই

কোনো দিনে দেখা নাছিল পানী হাতৰ পৰা পৰি গল, খোৱা নহল। তাৰ পিছত পুখুৰীৰ পানালৈ তাইৰ চকু পৰাৰ লগে লগে দেখিলে যে তাত অসংখ্য মাছ হীৰাৰ দৰে ওপঙি ফুলিছে। তাইৰ মন ভয় আৰু আশঙ্কাই জৰ্জ্জৰিত কৰিলে তাই কঁপিবলৈ ধৰিলে আৰু এই দৃশ্য চাবলৈ চিঞৰি চিঞৰি বায়েক থোপেক মাতিলে। থেপে লৰি আহিল। সেই দৃশ্য দেখি তাবো আচৰিত হল। অলপ সময় এই দৰে পুখুৰীৰ পাৰত থিয় হৈ দুয়ো বাই-ভনীয়ে হীৰাবুলীয়া মাছৰ দৃশ্য চাবলৈ ধৰিলে। পুখুৰীৰ চাৰিওফাল দিবা জ্যোতিৰে জিলিকি উঠিল।

হঠাৎ এটা হীৰাৰ দৰে জিলিকি উঠা সোণালী বৌ মাছ ছোৱালী দুজনীৰ ভৰিৰ কাষতে জপিয়াই পৰিল। সিহঁত আৰু আচৰিত হল। মাছটোৰ ৰূপ দেখি সিহঁতে লোভ সামৰিব নোৱাৰিলে দুয়ো আখে বেথে গছৰ পাত বিচাৰি আনি আলফুলকৈ মাছটো মেৰিয়াই ঘৰলৈ লৈ আহিল। ঘৰলৈ আহি বুঢ়া পিতাকৰ ওচৰলৈ গৈ সিহঁতে সকলো কথা ভাঙিপাতি কলে আৰু মাছটো দেখুৱালে। বুঢ়া পিতাকে চকুৰে নেদেখিছিল। তেওঁ মাছটো হাতেৰে ভালদৰে লিৰিকিবিদাৰি চাবলৈ ধৰিলে। বুঢ়াই ভালদৰে বুজিলে যে ই প্ৰকৃত মাছ নহয়। মাছৰ আকৃতিপ্ৰকৃতি ঠিকেই আছে কিন্তু ই শিলৰ দৰে টান, লৰচৰ নকৰে। তেওঁ এই বিষয়ে একো সমিধান দিব নোৱাৰি ছোৱালীহঁতক মাছটো নি বুঢ়া ককাকক দেখুৱাবলৈ কলে। এইজন বুঢ়াই কাণেৰে ভাল দৰে শুনিছিল আৰু চকুৰে মাণৱ পাৰিছিল। এওঁৰ নাম আছিল সুৰযে দেৱান দে। তেওঁ মাছ দেখিয়েই বুজিলে যে ই সঁচা মাছ নহয় যি ঠাইত এই মাছ পোৱা হৈছিল তাৰ বিত বিৱৰণ জানিবলৈ পাই বুঢ়াই বুজি লৈছিল যে এইবাৰ মাছৰূপী কোনো দেৱতাইহে আহি তেওঁলোকৰ ঘৰ সোমাইছে। তেওঁ গলগলীয়া মাতেৰে কবলৈ ধৰিলে যে পৃথিৱীৰ আদিম অৱস্থাত ভগৱানে মৎস্য অৱতাৰ ধৰিছিল। সেইজন পৰম দেৱতায়ে আজি মাছৰ ৰূপ লৈ নৱসমাজৰ মাজৰ এই ঘৰত উপস্থিত হৈছে। এওঁক পূজা কৰিব লাগিব। এই দৰে বহুত সাকয়া কথা তেওঁ কৈ শুনালে।

বুঢ়াৰ নিৰ্দ্দেশমতে মাছৰূপী দেৱতাক ধানৰ ভঁৰালত সুমাই থোৱা হ'ল। কিছুদিনৰ পিছত এদিন নেচেই সেই ভঁৰালৰ ভিতৰলৈ গৈ দেখিলে যে ভঁৰালঘৰৰ ভিতৰখন স্বৰ্গীয় পোহৰত জ্যোতিৰ্ম্ময় হৈ উঠিছে আৰু মাছ থোৱা ঠাইত মাছৰ পৰিৱৰ্ত্তে এগৰাকী দীপ্লিপ দেৱী মাতবোল নোহোৱাকৈ বহি আছে। মাতিলেও নেমাতে, কাৰো কালে নেচায়। এই দৃশ্য দেখি নেচেৰ বৰ ভয় লাগিল। তাই লৰালৰিকৈ ভঁৰালৰ পৰা ওলাই আহি বায়েকক সকলো কথা কলে। তাইৰ বতৰা শুনি ক্ষন্তেকতে গোটেই পৰিয়ালতে হৈচৈ লাগি গ'ল। বুঢ়া দুজনক ঘটনাস্থলীলৈ নিয়া হল। তালৈ গৈ বুঢ়া দুজনে যেন ৰিণি ৰিণি ভৱিষ্যৎবাণী শুনিলে। তেওঁলোকৰ মূৰ আপোনাআপুনি ভক্তিভাবত দো খালে আৰু 'তেওঁলোকে সকলোকে কলে যে এইজনা মূৰ্ত্তি মানুহ নহয় ভগৱতীহে। এওঁ লক্ষ্মীস্বৰূপা দেৱকন্যা। এওঁৰ পূজাৰ ব্যৱস্থা কৰিব লাগে বুলি গোটেই সমাজত প্ৰচাৰ কৰি দিলে। দেৱীৰ পূজাৰ সম্ভাৰ হিচাপে এটি মাকৃচক্ চগ্‌ৰা অৰ্থাৎ হৰিণাপোৱালী, পৰ্ব্বতত গজা বাথে বা নল বাঁহৰ আগ আৰু মেৰা বনেৰে পূজা কৰিব লাগিব বুলিও দিহা দিলে। এনে এগৰাকী ধনৰ অধিষ্ঠাত্ৰী দেৱীক পোৱা গৈছে যেতিয়া তেওঁৰ পূজা-অৰ্চ্চনা কৰাত ক্ৰটি কৰিব নেলাগে বুলি তেওঁলোকে কলে। সেইমতেই কাম কৰা হ'ল।

এই দেৱীজনাৰ পূজা হিচাপে ৰাভা সকলে আজিও বছৰেকত এবাৰ এই উছৱ আড়ম্বৰেৰে পালন কৰে। তেওঁলোকে এই পূজা প্ৰধান দেৱতাৰ পূজা হিচাপে মানে আৰু এই উছৱ বা মহাপূজাক 'বাৰ কানাকায় বায়' বা বায়থো পূজা বুলি পৰিচয় দিয়ে। ইয়াক খুকৃচি পূজা বুলিও তেওঁলোকে কয়। এই মহাপূজাৰ উৎসৱ আগেয়ে সাদিন ধৰি পালন কৰা হৈছিল। আজিকালি তিনি দিন পালন কৰে। এই পূজাত তেওঁলোকে যি গীত গায় আৰু মন্ত্ৰ মাতে তাৰ মূলবস্তু ওপৰৰ কাহিনীটোত নিহিত হৈ আছে। আজিও সেই বিশ্বাসতে ৰাভাসকলে ধানৰ ভঁৰালত মাছৰ পৰিৱৰ্ত্তে শিলৰ দৰে টান এচটা শিল ৰাখি থয়।

---

# মিকিৰ উছৱ—ছমাংকান

'ছমাংকান' মিকিৰবিলাকৰ ঘাই উছৱ। ইয়াক শোকতৰ্পণ আৰু নৃত্য-উছৱ বুলি কব পাৰি। এই 'ছমাংকান' তিনি ৰকমে কৰা হয় যেনে 'কানফ্লাঙ্গা', 'লাংটুক' আৰু 'হাৰ্ণে'। এই উছৱলৈ নিমন্ত্ৰিত সকলো লোকে আনন্দ মনে উছৱত ভাগ লয়হি। আনকি ঢোলৰ শব্দ শুনিলেই তিনি চাৰি মাইলৰ পৰা ডেকাগাভৰু, বুঢ়াবুঢ়ী সকলোৱে এই উছৱত যোগ দিবলৈ আহে। এই ছমাংকান জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ ভিতৰত পৰে। কাৰণ এই সময়ত বাটপথ, ভাল হয় খোৱাবোৱা বস্তুৰ একো অসুবিধা নহয়।

মিকিৰসকলে মানুহ মৰিলে খৰি দিয়ে। শ্মশানৰ পৰা খৰি দি আহোঁতে মাটিত 'চবাই' (কড়ি) পেলাই দিয়ে। 'চবাই'টো ঢোলৰ তালে তালে তুলি লৈ জুমুধিৰে মানুহ সাজি এখন চাৰিত শুৱাই থৈ দিয়ে আৰু মানুহ মৰিলে যিদৰে চকুৰ পানী টুকি কান্দে, ঠিক তেনেকৈ ইয়াতো কান্দে। ছমাংকান সাধাৰণ মানুহৰ পক্ষে কৰা টান। দুখীয়াসকলে প্ৰায়ে ঘৰতে শৰাধৰ সকলো কাম সমাধা কৰে। ইয়াকে কানফ্লাঙ্গা বা সাধাৰণভাবে কৰা বোলা হয়।

দ্বিতীয়টো হৈছে লাংটুক। ই প্ৰথমটোতকৈ অলপ বেলেগ। ঘৰ বা গাঁৱৰ পৰা অলপ দূৰত এডোখৰ ঠাইত কুঁৱা খান্দে। কুঁৱাটোৰ কাষত মৰা মানুহৰ মূৰ্ত্তি এটা ('লংএ' বা শিল) পুতি থয়। কুঁৱাটোৰ চাৰিওকালে 'পিৰচিক' বা পতাকা পুতি থয় আৰু নাচে। ইয়াতো খোৱামেলা, ৰংধেমালি আদি কৰে। লাংটুক বা কুঁৱাৰ কাষত নচাৰ বাবে ইয়াৰ নাম হ'ল লাংটুক ছমাংকান।

তৃতীয়টো হৈছে 'হাৰ্ণে'। ই সকলোতকৈ ডাঙৰ। দুখীয়াবিলাকৰ পক্ষে এই উছৱ কৰা অসম্ভৱ কিয়নো দুখীয়াবিলাকে আৱশ্যকীয় বস্তু, সাজসৰঞ্জামবোৰ যোগাৰ কৰিব নোৱাৰে। দ্বিতীয়টোৰ দৰে ইয়াতো

এটা কুঁৰা খান্দে। কুঁৰাটোৰ চাৰিওপিনে হাতেৰে কটা ৰংবেৰঙৰ ছবিবোৰ পুতি থয় আৰু লংএ বা শিল ব্যৱহাৰ কৰে। বগা মিহি কাপোৰেৰে ইয়াক মেৰিয়াই থোৱা হয়। এই ছমাংকানত আড়ম্বৰ পূৰ্ণভাবে কামটো সমাধা কৰে। ইয়াকে হার্ণে বা জাকজমকতা বোলা হয়। ছমাংকানত 'ছ জোন' বা ভোজ আৰু 'ৰিছ ছ জোন' বা ডেকাবিলাকৰ ভোজ নামে দুটা ভাগ আছে। শেষৰটো ডেকাবিলাকৰ উছৱ।

এই 'ছমাংকান' উছৱ পাতিবলৈ হলে এমাহৰ আগৰে পৰা আৱশ্যকীয় বস্তুবোৰ গোটাব লাগে। অনেক নিমন্ত্ৰিত লোক আহি ছমাংকান ধৰ ভৰি পৰে। কোনোৱে চাবলৈ আহে, কোনোৱে আকৌ যথাসাধ্য ভাগ লয়। এই উছৱত বিশেষকৈ 'ছেং' বা ঢোল, 'ছুং' বা ঢাল, 'ছেংব্ৰোপ্' বা সৰু ঢোল 'নক্' বা তৰোৱাল আদি বস্তুবিলাক আৱশ্যক। যাৰ ঘৰত এই ছমাংকান পাতিব তেওঁ নিজে সকলো বস্তু যোগাৰ কৰি সাজু কৰাব লাগে। তদুপৰি 'টাৰ' বা ঢাৰি, 'খালোন' বা বেতেৰে তৈয়াৰী এবিধ খাং, 'হিজাপ' বা বিচনী, 'কুচাটা' বা জাপি, 'থাইৰাংকাপ্' বা ধনুকাড়, 'চাটৰ' বা চুৰিযা, 'প'হো' বা পাগুৰি, 'হই' বা চোলা ইত্যাদি বস্তু যোগাৰ কৰি ৰাখিব লাগে। তিৰোতাৰ কাৰণেও কাপোৰকানি, অলঙ্কাৰ পাতিব আৱশ্যক। সকলো বস্তু যোগাৰ কৰাৰ পিছত 'ওছেপি বা মৃতকৰ শুশ্ৰূষাকাৰিণী 'ধুইদি' বা ওজা নিৰ্দ্দিষ্ট সময়ত আহি পালে ছমাংকান আৰম্ভ কৰে 'ওছেপি' আৰু 'ধুইদি'ৰ কাম সাধাৰণ মানুহে কৰিব নোৱাৰে কাৰণ ইয়াত কিছুমান নিয়ম মানি চলিব লাগে। সময়ে সময়ে উপবাস পালন কৰি থাকিব লগাতো পৰে। 'ওছেপি' পালন কৰা মানুহজনীয়ে যাৰে তাৰে হাতে খোৱাবোৱা নকৰে। সাধাৰণতে এই কামবোৰ তিৰোতা মানুহে কৰে। মিকিৰৰ মাজত 'ধুইদি' বোলা এটা শ্ৰেণী আছে। তেওঁলোকৰ মতা মানুহেও এই কামটো কৰে। ইয়াৰ উপৰিও 'পিন্‌পমাৰ' লোকক মাতি আনি উছৱত নেতৃত্ব কৰিবলৈ দিয়া হয়।

এই উছৱ তিনিদিনলৈকে ৰখা হয়। প্ৰথম দিনা 'ওছেপি' আৰু 'দনৰাপ্' বা জ্ঞাতিকুটুম আছিলে আগেয়ে যোগাৰ কৰি ৰখা 'ছেং', 'নক্;, 'ছেংৰোপ্', 'আপে আৰি' বা মৰা মানুহৰ কাপোৰকানি লৈ শ্মশানলৈ যায়। 'ওছেপি'য়ে তাত এটা 'ৰতি' বা কণী দক্ষিণা দি 'ছবাই' বা কড়ি পেলাই দিয়ে। তাক ঢোলৰ ছেৰে ছেৰে অ'কো বুটলি লয়। ইয়াকে 'ফেল কেহোম' বা ছাই তোলা বোলা হয়। ইয়াৰ পিছত কাপোৰেৰ মেৰিয়াই 'কেফো আলচাম আথাক' বা বাহপাতৰ ওপৰত গুৰাই থৈ গাপা ধুৱায়। তেতিয়া ওছেপি'য়ে কয়, "তোমাৰ আই-বোপাই মৰিব এতিয়া।"

# আবৰ উছৱ—দকং

আবৰসকলৰ 'দকং' উছৱ দুবিধ। 'আমপী দকং' আৰু 'দকং'। আমপী দকং পাদাম আৰু মিঞং আবৰ দুয়ো অঞ্চলত হয় কিন্তু দকং মাত্র পাদাম আবৰৰ মাজতহে প্রচলিত। সেই কাৰণে ইয়াক পাদাম আবৰৰ দকং উছৱ বুলি কোৱা হৈছে। দকং শব্দৰ অর্থ হৈছে পিছত খাবলৈ থোৱাতকৈ আগতে খাই পেলোৱাই ভাল অর্থাৎ পিছত খাবলৈ নেপাবও পাৰে। ইয়াৰ আন এটা নাম 'জেদি চলুং'। জেদি মানে শৰত কাল আৰু চলুং মানে মেথোনৰ পাল। ইয়াক শৰত কালত পাতে। শৰত কালত বহুতো মেঠোন মাৰি এই উছৱ পতাৰ কাৰণেই হেনো এই নাম। মানুহে যাতে মহামাৰীৰ আক্রমণৰ পৰা হাত সাৰি থাকিব পাৰে সেই উপলক্ষে এই উছৱ পতা হয়।

এই উছৱৰ ইতিবৃত্ত বৰ ভয় আৰু শোকলগা। পাদাম অঞ্চলৰ য়াম্‌নে নৈৰ পশ্চিমত পাংগী বোলা এজাতি মানুহ আছে। তেওঁ-লোকৰ লগত পাদামবিলাকৰ বিয়াবাৰুৰ সম্বন্ধ আগৰে পৰা চলি আহিছে। নলীং টায়েং নামৰ এজন পাদাম পাংগী ছোৱালী এজনীক বিয়া কৰায়। এবাৰ পাংগী গাঁওবোৰত মহামাৰীয়ে দেখা দিয়ে। এই ৰোগত বহুত মানুহ মৰিবলৈ ধৰিলে। তাতে পাদামবিলাকে তালৈ অহাযোৱা একেবাৰে বন্ধ কৰিলে। নগীং টায়েং শহুৰেকৰ ঘৰতে থাকিল। এইদৰে থাকোঁতে তেওঁক মহামাৰীয়ে আক্রমণ কৰিলে। তেওঁৰ বেমাৰত মৃত্যু হল। তেওঁৰ এটা ৰঙা চোলা আছিল। পাংগীবিলাকে সেই চোলাটো য়াম্‌নে নৈৰ দাঁতিত গছৰ ওপৰত আঁৰি দি তেওঁ মৰা খবৰ পাদামক জনায়। তেতিয়া পাদামৰ বৰ ভয় লাগিল। তেওঁ-লোকৰ তাত মহামাৰীয়ে আক্রমণ কৰিলে তেওঁলোক যে জীয়াই থাকিব তাৰ আশা নাইকিয়া হ'ল। তেওঁলোকে প্রত্যেক মুহূর্ত্তেই মহামাৰীৰ আশঙ্কা কৰিলে। সেই কাৰণে তেওঁলোকৰ মেঠোন, গাহৰি আদি যি

বয়বস্তু আছিল মৰাৰ আগেয়ে সকলো খাই শেষ কৰিবলৈ ঠিক কৰিলে। সকলোৱে একে সময়তে মেথোন, গাহৰি আদি মাৰি খালে। পাঁচদিনলৈকে এইদৰে খাই থাকিল। তেওঁলোকে মনৰ বেজাৰত একো কাম-বনকে নকৰা হ'ল। কিন্তু মহামাৰী গলে পাঁচবছৰ সময় বাট চোৱা স্বত্বেও পাদামলৈ নাহিল। পাদামে বিশ্বাস কৰিলে যে ইয়াত আগাম্ বা দেৱতা আছে। মেথোন, গাহৰি আদি মৰাত আগামজন সন্তুষ্ট হৈ মহামাৰীৰ পৰা গাঁও ৰক্ষা কৰিলে। সেই কাৰণে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে ইয়াক পালন কৰিবলৈ ধৰিলে। ঠাইৰ অৱস্থা অনুসৰি ইয়াক সালসলনি কৰা হৈছে। পাদামৰ সকলো গাঁৱত একে বছৰত ইয়াক পালন কৰা নহয়। ইখন গাঁৱত এই বছৰত, সিখন গাঁৱত হলে পিছৰ বছৰত এই উছৱ পতা হয়।

এই উছৱত আন আন উছৱৰ নিচিনাকৈ নাচগান, খেলধেমালি কৰা নহয়। কোনেও মিছা কথা নকয় আৰু হাঁহি-ধেমালি নকৰে। ইয়াৰ আগামজনে খেলধেমালি, নাচ-গান ভাল নেপায়। তেওঁ বৰ খঙাল। যিজনে তেওঁৰ ভাল নলগা বস্তু তেওঁৰ আগত দেখুৱায় তাক শাস্তি দিয়ে বুলি বাইজৰ বিশ্বাস। তেওঁৰ শাস্তি হৈছে—মানুহক কণা, কুজা, খোৰা, অকৰা কৰা আৰু ডিঙিত গৰল লগোৱা।

লৰাছোৱালী, ডেকাগাভৰু, বুঢ়াবুঢ়ীবিলাক নিজ নিজ বন্ধুবান্ধৱৰ ঘৰলৈ দলে দলে যায় আৰু তাতে খোৱাবোৱাও কৰে। এনেকৈ ডেকা আৰু গাভৰুৰ স্থানেই বেছি। মদ, মঙহ আৰু ভাতহে ইয়াত যথেষ্ট পৰিমাণে পায়। মিতিৰকুটুমৰ ঘৰত মদ, মঙহ বিলোৱা হয়। এইদৰে প্ৰায় পাঁচদিন পৰ্য্যন্ত উছৱ চলি থাকে। এই কেইদিনৰ ভিতৰত তেওঁলোকে একো কাম নকৰে আৰু মদ, মঙহ, ভাত আদি খোৱাৰ বাহিৰে কোনো ফলমূল নেখায়। আলহীও এই উছৱত থাকিব পাৰে। কিন্তু উছৱ আৰম্ভ হোৱাৰ পিছত কোনো আলহী আহি গাঁৱৰ ভিতৰত সোমাব নোৱাৰে। উছৱ আৰম্ভ হোৱাৰ আগদিনা যি সোমায় তেওঁহে থাকিব পাৰে কিন্তু পাঁচ দিন পাৰ হৈ নেযায় মানে তেওঁ গাঁৱৰ বাহিৰ

ওলাব নোৱাৰে। আনকি গাঁৱৰ মানুহেও পাঁচ দিন শেষ নহয় মানে বাহিৰলৈ নোলায়।

উছৱৰ শেষ ভাগত উছৱত খোৱা মঙহৰ হাড়বোৰ আৰু ব্যৱহাৰ কৰা পাত বা অন্যান্য জাবৰ-জোঠৰবোৰ পেলায়। ইয়াক গাঁৱৰ উত্তৰফালে আগামৰ নামত পেলায়। পেলাবৰ কাৰণে প্ৰত্যেক ঘৰৰ পৰা এজনকৈ ওলায়। তেওঁ লগত ভাত, মদ, মঙহ আদি লৈ যায়। য'ত জাবৰ-জোঠৰ, হাড় আদি পেলায় তাতে এডোখৰ মাটি আগামৰ নামত দি দিয়ে। আকৌ এই দিন নহালৈকে মেথোন গাহৰিৰ ঠেং থৈ দিয়ে। এইবোৰ কাম শেষ কৰি লগত নিয়া বস্তু খাইবৈ ঘৰলৈ উলটি আহে। সেই দিনক গামৃকগ গেপাক বোলে। তাৰ পিছত উছৱ শেষ হয়।

উছৱ শেষ হোৱাৰ কিছুদিনলৈকে সূতা কটা, কাপোৰ বোৱা, ডাঙৰ গছ কটা, আপং তৈয়াৰ কৰা আদি কাম নকৰে। টেঙা ফল-মূল আদিও নেখায়। এইবোৰ কাম কৰিলে ইযাৰ আগামজনে পাছলৈ ঘূৰি চায় আৰু যথাবিধি শাস্তি দিযে বুলি দৃঢ়বিশ্বাস।

আজিকালি পাদামৰ নামনি অঞ্চলত লাহে লাহে এই উছৱত মেথোন মৰা কমি আহিছে কাৰণ এই অঞ্চলত মেথোনৰ সংখ্যা কম। এই অঞ্চলত মেথোন পুহিবলৈ প্ৰকৃতিয়ে সুবিধা নিদিয়ে। প্ৰায়েই প্ৰত্যেক ঘৰত গাহৰি এটাকৈ মাৰেই। ভাত, মদ যথেষ্ট। নীতি-নিয়ম সমানে পালন কৰা হয়।

# মিছিং উছৱ—দ'বুৰ

বৰ্ত্তমান শিক্ষাৰ পোহৰ পৰাৰ লগে লগে মিছিং সমাজত প্ৰচলিত বহুত পুৰণি আচাৰ-ব্যৱহাৰ আৰু অন্ধবিশ্বাস লোপ পাই আহিছে। অতীতৰ প্ৰচলিত দ'বুৰ বা চাং কোবোৱা নিয়মটোও ঠায়ে ঠায়ে প্ৰবলভাবে চলি আছে যদিও লাহে লাহে লোপ পাব যেন লাগিছে আজি আমি সেই দ'বুৰৰে এটা চমু আভাস দিব খুজিছো।

দ'বুৰ মানে চাং কোবোৱা হলেও ইয়াৰ আচল অৰ্থ চাং কোবোৱা নহয়। আচল অৰ্থ বিচাৰিলে পোৱা যায় যে গাঁৱৰ বা চুবুৰিৰ মাজত যিমান মিছিং মানুহ বসতি কৰে, সেই সকলোবিলাকৰ যাতে খেতিবাতি হয়, গৰু-ম'হৰ নৰিয়া, বিপদ-আপদ, আকস্মিক ঘটনা, বজ্ৰপাত আদি যাতে নহয় তাৰ বাবেহে এই উছৱ পালন কৰা হয়। মিছিং সমাজৰ সৰহ ভাগ মানুহে বিশ্বাস কৰে যে এই উছৱ পালন কৰিলে ওপৰোক্ত বিপদ-বিঘিনিৰ পৰা উদ্ধাৰ পায় বা আঁতৰি থাকিব পৰা যায়। সেই উছৱত মিছিং সকলৰ গেনা হয়। আন মানুহক গাঁৱৰ ভিতৰলৈ সোমাব দিয়া নহয় আৰু গাঁৱৰ পৰাও আন গাঁৱলৈ যোৱাৰ নিয়ম নাই। ইয়াৰ নিয়মবোৰ অতি কঠোৰ। গাঁৱৰ দক্ষিণমূৰে প্ৰায় এমাইলমান আঁতৰত নৈৰ পাৰত এই পৰ্ব্ব বেছিকৈ পতা হয়। সেই উছৱত গাভৰু ছোৱালী বা বুঢ়াবুঢ়ীৰ আৱশ্যক নহয়, মাত্ৰ ডেকাসকলৰ দ্বাৰাহে ইয়াক পালন কৰা হয়।

দ'বুৰ পতাৰ নিয়ম হৈছে—যেতিয়া গাঁৱত মানুহৰ খেতিত পোকে ধৰে, নতুবা গুটি নহয়, গৰু-ম'হ বেমাৰ হৈ মৰে, মানুহৰ মাজত জ্বৰ-নৰিয়াই দেখা দিয়ে, গাঁৱত আকস্মিক দুৰ্ঘটনা আদিয়ে দেখা দিয়ে তেতিয়া গাঁৱৰ ডেকাসকলে গোট খাই এই উছৱ পালনাৰ্থে আলোচনা কৰে। প্ৰথমে ইয়াক পালন কৰিবলৈ কোনো লোৰ বস্তু যেনে কোৰ দা আদি আগ কৰে। এদিন ভাল দিন-বাৰ চাই আঁউসীৰ পাঁচদিনৰ আগতে উছৱ পালন কৰিবলৈ স্থিৰ কৰে আৰু গাঁৱৰ সকলোকে

আগদিনাই জনায় থয়। উছৱৰ লাগতিয়াল বস্তুবোৰ হৈছে খাগৰি, কোৰ, মদ, কুকুৰা, গাহৰি, লোণ, চাউল, জলকীয়া, কণী, কপাহ, পিঠাগুৰি, সৰু সৰু ধনুকাঁৰ ইত্যাদি। অভক্ষ বস্তুবোৰ হৈছে—মিঠাতেল, ৰঙালাও, কচু, ঢেকিয়া শাক, বেতগছ, পিয়াজ, জিৰা আৰু কোমোৰা। ঢোল, পেঁপা বজোৱা নিয়ম নাই।

উছৱ-পালনৰ আগদিনা গধূলি লাগতিয়াল বস্তুবোৰ গোটায় আৰু গাঁৱৰ মুখিয়াল মানুহবিলাকক জনাই থয়। ৰাতিপুৱা হাল, কোৰ মৰা বন্ধ কৰে আৰু গাঁৱৰ উত্তৰ মূৰৰ পৰা ওপৰোক্ত বস্তুবোৰেৰে নিৰ্দ্দিষ্ট বচন মাতি ঘৰৰ চাংবেৰে কোবায় আৰু ঘৰৰ গৰাকীয়ে দক্ষিণা স্বৰূপে কুকুৰা, চাউল, কপাহ আদি বস্তু দিয়ে। প্ৰত্যেক ঘৰে ঘৰে জয়ধ্বনি আদিৰে চাংবোৰ কোবাই নি শেষ মূৰৰ ঘৰৰ পৰা কাঁহী-বাটি আদি খোৱাবোৱাৰ লাগতিয়াল বস্তুবোৰ নিয়ে।

গাঁৱৰ মূৰ পোৱাৰ লগে লগে গাঁৱৰ দুই মূৰে প্ৰায় আধা মাইলমান আঁতৰত খাগৰিৰে কুকুৰাৰ মূৰ আৰু কপাহ বাটত আঁৰি থয়। ইয়াৰ উদ্দেশ্য হৈছে এই গাঁৱত দ'বুৰ পাতিছে বুলি সম্ভেদ জনোৱা। এই উছৱৰ দিনত কোনো মানুহ গাঁৱত সোমালে ওলাই যাব নোৱাৰে। ক্ৰমেও দুই এদিন সেই গাঁৱতেই থাকিব লাগিব। কোনো আন জাতিৰ মানুহে নিচান দিয়া স্বত্বেও যদি প্ৰবেশ কৰে তেন্তে সেই মানুহজনৰ কিবা বস্তু এটা থৈহে যাব লাগিব, নহলে গাঁৱৰ পৰা তেওঁক যাবলৈ দিয়া নহয়।


প্ৰত্যেক ঘৰৰ মুখিয়াল মানুহজনে প্ৰতিপদ নোহোৱালৈকে ওপৰত নাম দিয়া অভক্ষ বস্তুবোৰ নেখায়।

গাঁৱৰ পৰা প্ৰায় আধা মাইলমান দূৰৈত কোনো এখন নৈৰ পাৰত খোলা চিকুণাই ৰন্ধাবঢ়া কৰা হয়। ছাইমদ চাকিবৰ কাৰণে খাগৰিৰ চাকনি সাজে আৰু তৰা পাতেৰে চাকে। নৈৰ পাৰত অলপমান ঠাই চিকুণাই লৈ কুকুৰাকণী আৰু কুকুৰা, পিঠাগুৰি আদি দি এৰাঁকি মন্ত্ৰ মাতি কুকুৰাৰ মূৰ কাটি দিয়ে।

ওপৰোক্ত পূজা-পাতল দি উঠি আহি বাকী কুকুৰা গাহৰি আদি

কাঠৰ ওপৰত কোবাই কোবাই মাৰে আৰু তাৰে ৰন্ধাবঢ়া কৰি সকলোৱে আনন্দেৰে ভোজন কৰে। খাইবৈ এঘন্টামান জিৰণি লৈ প্ৰত্যেক জনে সৰু সৰু ধেনু-কাঁড় সাজি লৈ পহু চিকাৰ কৰাৰ দৰে বেয়া জয়ধ্বনি দি দেৱতাবোৰক খেদি যায় আৰু ধনুকাঁড় মাৰে। প্ৰায় এমাইলমান খেদি তাৰ পিছত উলটি নোচোৱাকৈ ঘৰলৈ বুলি লৰ মাৰে আৰু গাঁৱত সোমায়।

উক্ত উছৱ পালন কৰোঁতে প্ৰত্যেকেই গেনা কৰে। সেই দিনা কোনো কামকাজ নকৰে। ঠায়ে ঠায়ে উছৱ বছৰি বছৰি পালন কৰা হয় আৰু নিয়মবোৰ কিছু সালসলনিকৈ থাকে। কিন্তু দ'বুৰৰ যাই নিয়মবোৰ সকলো মিছিং সমাজতেই একে।



জয়-হিন্দ

DISTRICT LIBRARY. ASSAM. GAUHATI.

# অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ

## অতুলনীয় শিশু-সাহিত্যসম্ভাৰ

### জোনাকী পুথি-ঠগা

১। কথাকীৰ্ত্তন ( সচিত্ৰ ২য় তাং )
২। কথা দশম ( ১ম, ২য় )
৪। পুৰণি সাহিত্যৰ পাৰিজাত
৫। অন্ধীয়া নাটৰ সাধু
৬। কাব্যকাহিনী
৭। কাব্যকথা
৮। ভাৰত-জেউতি
৯। ৰামায়ণৰ ৰহঘৰা
১০। বিশ্বজ্যোতি
১১। নীলা চৰাই ( সচিত্ৰ ২তাং )
১২। ৰংমহল
১৩। মাণিকিমধুৰী
১৪। কণুকজুমুক
১৫। আগৰ দিন
১৬। আমাৰ দেশ
১৭। স্বৰ্গতো অধিক জনমভূমি
১৮। ঈছপৰ সাধু
১৯। লৰাৰ জাতক
২০। দিগ্বিজয়ী
২১। অপেস্বৰীৰ দেশ
২২। হাহিচম্পা
২৩। গ্ৰিমৰ সাধু
২৪। এণ্ডাৰছনৰ সাধু ( ১, ২ )
২৬। ৰাণী হিমানী
২৭। উছৰৰ ভোগজৰা
২৮। উছৰৰ ৰংচ'ৰা

### সম্পাদনাৰ গ্ৰন্থ

১। জাতীয় সঙ্গীত ২। গলপতা ৩। ভাষণাৱলী ( ১, ২, ৩ )
৪। ভাষণমালা ৫। মৰহা ফুলৰ কৰণি ৬। সাহিত্য সভাৰ বাৰ্ষিকী ( ১, ২ )
৭। লোকগীতি সংগ্ৰহ ৮। জ্যোতিৰ্ধাৰা ৯। তত্বকথা।

### অনুবাদ

১। আনন্দমঠ ২। পল্লীসমাজ ৩। বিসৰ্জ্জন
৪। তপতী ৫। গেল্কি কৌৰৱৰ সাধু।